# মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰী-চেতনা ঃ এটি অধ্যয়ন

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলা শাখাৰ অসমীয়া বিভাগৰ
অধীনত পিএইচ. ডি. ডিগ্ৰীৰ বাবে নিবেদিত গৱেষণা-গ্ৰন্থ

নীহাৰিকা মৰাণ

২০১৮

# MAMONI RAISOM GOSWAMI ARU NIRUPAMA BORGOHAINR UPANYASAT NARI-CHETANA : ETI ADHYAYAN

**[ A THESIS SUBMITTED TO THE UNIVERSITY OF GAUHATI FOR THE DEGREE OF DOCTOR OF PHILOSOPHY IN THE DEPARTMENT OF ASSAMESE, ARTS FACULTY ]**

NIHARIKA MORAN

2018

**Dr. Bijoya Baruah,** M.A.(triple)M.Phil.,Ph.D. D.Lit
Rtd. Associate Professor,
P.G. Deptt. of Assamese
Dimoria College
Khetri-782403

***Residence-***
'Manikya Apartment'
R.G.B. Road, Bhaskarnagar
Guwahati-781021(Assam)
Phone 9401002897(M)

Ref.........

Date..28/6/19

This is to certify that Ms. Niharika Moran carried her research work entitled ***Mamoni Raisom Goswami aru Nirupama Borgohainr Upanyasat Nari-Chetana : Eti Adhyayan*** under my supervision. She has fulfilled all the requirements under the Ph.D. regulations of the University of Gauhati.

This thesis is the result of her own investigation and neither the thesis as a whole nor any part of it submitted to other University of India or abroad for any research degree.

B Baruah
28/6/19
Guide
Gauhati University
Date:
( Bijoya Baruah )
Research Guide
Deptt. of Assamese
Gauhati University

## DECLARATION OF CANDIDATE

I, Niharika Moran, here by declare that the thesis entitled *"**Mamoni Raisom Goswami aru Nirupama Borgohainr Upanyasat Nari-Chetana : Eti Adhyayan**"* was not submitted by me for any research degree to this University or any other University or Institution.

Niharika Moran

( Niharika Moran )

Date : 28-06-2019

# বিষয় সূচী


| | বিষয় | পৃষ্ঠা |
|---|---|---|
| | **কৃতজ্ঞতা জ্ঞাপন** | অ |
| | **সংক্ষিপ্ত ৰূপ** | ক |
| ০.০০ | **অৱতৰণিকা** | ·০১- ·০১১ |
| **১.০০ প্ৰথম অধ্যায় ঃ** | **নাৰী-চেতনাৰ স্বৰূপ আৰু ক্ৰমবিকাশ** | **১-৪৫** |
| **১.০১** | ভাৰতীয় পটভূমিত নাৰী স্থান | **৩** |
| **১.০২** | পশ্চিমীয়া পটভূমিত নাৰী-চেতনা | **৯** |
| **১.০৩** | অসমীয়া সাহিত্যত নাৰী-চেতনা | **১৪** |
| **২.০০ দ্বিতীয় অধ্যায় ঃ** | **অসমত নাৰী-চেতনাৰ ইতিহাসৰ বিভিন্ন প্ৰসংগ** | **৪৬-৭১** |
| **২.০১** | অসমত নাৰী জাগৰণ | **৪৭** |
| **২.০২** | অসমত নাৰী সবলীকৰণ | **৫১** |
| **২.০৩** | অসমত স্ত্ৰী শিক্ষাৰ ইতিহাস | **৫৪** |
| **২.০৪** | অসমত মহিলা শ্ৰমিক | **৬১** |
| **২.০৫** | অসমত ডাইনী হত্যা | **৬৬** |
| **৩.০০ তৃতীয় অধ্যায় ঃ** | **ঔপন্যাসিক মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ চমু পৰিচয় আৰু অৱদান** | **৭২-৮২** |
| **৪.০০ চতুৰ্থ অধ্যায় ঃ** | **মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীসত্বা আৰু নাৰীমুক্তিৰ অভিব্যক্তি** | **৮৩-১০৯** |
| **৪.০১** | মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ বৈশিষ্ট্য | **৮৩** |
| **৪.০২** | মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীৰ অৱস্থান | **৮৭** |
| **৪.২.১** | নাৰীৰ সামাজিক অৱস্থান | **৮৮** |

৪.২.২ নাৰীৰ ধৰ্মীয় দিশ ৯৮

৪.২.৩ নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতা ১০৫

**৫.০০ পঞ্চম অধ্যায় ঃ নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীসত্বা আৰু নাৰীমুক্তিৰ অভিব্যক্তি ১১০-১৩৫**

৫.০১ নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ বৈশিষ্ট্য ১১০

৫.০২ নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীৰ অৱস্থান ১১৪

৫.২.১ নাৰীৰ সামাজিক অৱস্থান ১১৫

৫.২.২ নাৰীৰ ৰাজনৈতিক স্থিতি ১২৬

৫.২.৩ নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতা ১২৯

**৬.০০ ষষ্ঠ অধ্যায় ঃ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ পটভূমিত নাৰী চৰিত্ৰৰ বিভিন্ন দিশ ১৩৬-১৫২**

৬.০১ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাস্ত অৱিবাহিত নাৰী ১৩৭

৬.০২ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত ৱিবাহিত নাৰী ১৪৩

৬.০৩ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত ৱিবাহ বিচ্ছেদিতা নাৰী ১৪৬

৬.০৪ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত বিধৱা নাৰী ১৪৮

**৭.০০ সপ্তম অধ্যায় ঃ দুয়োগৰাকী ঔপন্যাসিকাৰ নাৰী চৰিত্ৰৰ যোগেদি প্ৰতিবাদৰ তুলনামূলক বিচাৰ ১৫৩-১৮২**

**উপসংহাৰ ১৮৩-১৮৭**

**গ্ৰন্থপঞ্জী ১৮৮-১৯৭**

**পৰিশিষ্ট ১৯৮-২০১**

# কৃতজ্ঞতা জ্ঞাপন

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত **২০১৪** বৰ্ষৰ পি এইচ. ডি. পাঠ্যক্ৰমৰ গৱেষক হিচাপে যোগদান কৰোঁ। আমাক এই গৱেষণা-কৰ্মটি সম্পাদন কৰিবলৈ দিয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ডিমৰীয়া মহাবিদ্যালয়, (ক্ষেত্ৰী)ৰ স্নাতকোত্তৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড°বিজয়া বৰুৱা (ৰাজখোৱা) বাইদেউৰ তত্বাৱধানত "**মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰী-চেতনা ঃ এটি অধ্যয়ন**" গৱেষণা-গ্ৰন্থখনি প্ৰস্তুত কৰা হৈছে। গৱেষণাটি আগুৱাই নিয়াৰ ক্ষেত্ৰত তেখেতৰ পৰা যি মূল্যৱান দিহা-পৰামৰ্শ, উৎসাহ-উদ্দীপনা পালোঁ তাৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ।

এই গৱেষণা-কৰ্মটি আগুৱাই নিওঁতে অসমীয়া বিভাগৰ সমূহ শিক্ষাগুৰুৰপৰা যি ধৰণৰ পৰামৰ্শ আৰু প্ৰেৰণা পালোঁ তাৰ বাবে তেওঁলোকলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোঁতে সহায় কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ, জিলা পুথিভঁৰাল; গুৱাহাটী, জিলা পুথিভঁৰাল; তিনিচুকীয়াৰ গ্ৰন্থাগাৰৰ কৰ্তৃপক্ষলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষণাত যোগদান কৰাৰপৰাই সকলো সময়তে আমাক মৰম-অনুপ্ৰেৰণা আৰু উৎসাহ-উদ্দীপনাৰে আৱৰি ৰখা মোৰ পূজনীয় দেউতা শ্ৰীযুত গজেন মৰাণ আৰু পূজনীয়া মা শ্ৰীযুতা মনিকা চুতীয়া মৰাণৰ ওচৰত সদায় চিৰঋণী হৈ থাকিম। লগতে মোক সকলো ক্ষেত্ৰত সহযোগ কৰা ভণ্টী ৰিমঝিম, মিমি বাৰ্বী আৰু ভাইটি ঋষিৰ ওচৰতো কৃতজ্ঞ হৈ ৰলোঁ।

গৱেষণাৰ কামত উৎসাহ দি সকলো ক্ষেত্ৰতে প্ৰেৰণা দিয়া পাৰ্থ শইকীয়ালৈ অশেষ কৃতজ্ঞতা কৰিলোঁ।

সদৌ শেষত আমাৰ গৱেষণা-গ্ৰন্থখনি সুন্দৰভাৱে অক্ষৰ বিন্যাস কৰি দিয়াৰ বাবে শ্ৰীহেমন্ত কুমাৰ নাথলৈ আমাৰ অশেষ কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ জনালোঁ।

**তাৰিখ ঃ** ২৮-০৬-২০১৯ ( **নাহাৰকা মৰাণ** )

# সংক্ষিপ্ত ৰূপ

| | | |
|---|---|---|
| অনু. | ঃ | অনুবাদ, অনুবাদ গ্ৰন্থ |
| দ্ৰ. | ঃ | দ্ৰষ্টব্য |
| পৃ. | ঃ | পৃষ্ঠা |
| বি.দ্ৰ. | ঃ | বিশেষ দ্ৰষ্টব্য |
| যথা. | ঃ | উদ্ধৃত গ্ৰন্থত যিদৰে আছে, তেনেদৰে |
| সংক. | ঃ | সংকলক, সংকলন |
| সম্পা. | ঃ | সম্পাদক, সম্পাদনা |
| ed. | ঃ | editor, edition |
| p. | ঃ | Page |
| Vol. | ঃ | Volume |

# অৱতৰণিকা

## ক) আৰম্ভণি

সাহিত্যত সমাজৰ চিত্ৰবোৰ প্ৰতিফলিত হয়। সমাজক এৰি সাহিত্য সৃষ্টি হ'ব নোৱাৰে। মানৱ সমাজৰ নানা দিশ সাহিত্যৰ মাজেৰে প্ৰতিফলিত হয়। বিভিন্ন ব্যক্তিসত্তাৰ আশা, নিৰাশা, সুখ-দুখ, হাঁহি, কান্দোনৰ প্ৰতিচ্ছবিও সাহিত্যত লুকাই থাকে। এটা যুগৰ এচাম মানুহৰ মাজৰ আত্মসত্তাক আমি সাহিত্যৰ মাজেৰে উদ্ভাসিত হোৱা দেখিবলৈ পাওঁ। বাস্তৱ সমাজৰ পৰাই বুটলি আনি সামান্য ৰহন সানি মানুহৰ জীৱনৰ সত্যক সাহিত্যৰ মাজেৰে প্ৰতিফলিত কৰিব বিচৰা হয়। সেয়েহে চৰিত্ৰৰ বৈচিত্ৰ্যতাই সাহিত্যক সফলতা দান কৰে। যিবোৰক এজন ঔপন্যাসিকে কলাত্মক ৰূপত উপন্যাসত উপস্থাপন কৰে। নাৰী যিহেতু সমাজৰ অৰ্দ্ধ-আকাশ, সেইবাবে নাৰীৰ জীৱনৰ লগত জড়িত বিভিন্ন ঘটনা-পৰিঘটনাই উপন্যাসৰ কাহিনীভাগ সমৃদ্ধ কৰিব পাৰে। অৰ্থাৎ নাৰীৰ লগত জড়িত বিচিত্ৰ ঘটনাৰাজিয়ে সাহিত্যৰ বিষয়বস্তু বা কাহিনীভাগত স্থান পোৱাটো স্বাভাৱিক।

নাৰীৰ মনৰ দ্বন্দ্ব, প্ৰেমৰ গভীৰতা, নাৰীৰ সামাজিক সংস্কাৰৰ তীব্ৰ সংঘাত, মৰ্ম বেদনা আদিৰ মাজেদি উপন্যাসত নাৰী ভাৱনাসমূহ উন্মুক্ত হয়। কোনো কোনো ক্ষেত্ৰত নাৰী ঔপন্যাসিক হ'লে সাহিত্যত স্বকীয় অভিজ্ঞতাৰ আলমত কাহিনী আগবঢ়ায়। সমাজৰ পৰম্পৰাই মানসিকভাৱে পংগু কৰি পেলোৱা নাৰীৰ মনৰ অৱস্থাৰপৰাই হাতত কলম তুলি লয়। সেয়েহে বেছি সংখ্যক উপন্যাসতে অৱহেলিত নাৰীৰ মনৰ বেদনা প্ৰকাশ পায়। নাৰীৰ জীৱন ব্যথা লেখক-লেখিকাৰ চেতনাত অহৰহ ক্ৰিয়া কৰি থাকে, তাৰ ফলতে নাৰী মুক্তিৰ বাসনা চৰিত্ৰবোৰৰ মাজেৰে প্ৰকাশিত হয়।

নাৰীৰ স্বতন্ত্ৰ অনুভৱ, অনুৰাগ, ইচ্ছা-আকাংক্ষাৰ বহিঃপ্ৰকাশ ঘটে উপন্যাসসমূহৰ চৰিত্ৰবোৰৰ মাজেৰে। নাৰীভাবনাৰ লগত নাৰীসংস্কাৰৰ দিশটোও ওতঃপ্ৰোত ভাৱে জড়িত। অসমীয়া ভালেকেইজন ঔপন্যাসিকে নাৰী আৰু সংস্কাৰধৰ্মিতাৰ চিত্ৰখন অংকন কৰিছে। আধুনিক কেইবাগৰাকী ঔপন্যাসিকাই নাৰী স্বাধীনতা বিচাৰ, নাৰীমুক্তি, নিজৰ আদৰ্শৰ

খাটিৰত পুৰুষৰ বিৰুদ্ধাচৰণ ইত্যাদি বহুতো ক্ষেত্ৰত বিনাসংকোচেৰে আৰু সাহসেৰে থিয় দিয়া নাৰী চৰিত্ৰ অংকন কৰিছে।

ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধ আৰু বিংশ শতাব্দীৰ প্ৰথমাৰ্ধৰ ভাৰতবৰ্ষত নাৰীৰ স্থান সম্পৰ্কীয়, নাৰী ভাৱনা তথা সংস্কাৰমূলক বিভিন্ন প্ৰশ্নৰ গুজৰে সৰ্বসাধাৰণৰ মনত স্থান পাইছিল। সেই সময়ছোৱাৰ নাৰী ভাৱনা, নাৰী স্থান আৰু সংস্কাৰধৰ্মী মনোভাৱৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়ছোৱাত অসমীয়া সাহিত্যত বহুসংখ্যক গল্প, নাটক আৰু উপন্যাস ৰচিত হৈছে। এইসমূহ প্ৰকৃততে সময়ৰ দলিল। ইয়াত আমি নাৰীৰ সামাজিক আৰু ঘৰুৱা জীৱনৰ লগতে তেওঁলোকৰ অৱস্থান, ভাৱনা তথা সংস্কাৰমুখী মূল্যায়নৰ চিত্ৰখন সুন্দৰকৈ প্ৰতিফলিত হৈ উঠা দেখা পাওঁ।

নাৰী ভাৱনা আৰু সমাজত নাৰী স্থান সম্পৰ্কীয় কথাবোৰৰ প্ৰথম প্ৰকাশ ঘটিছিল পাশ্চাত্যত। পৰম্পৰা আশ্ৰিত ভাৰতীয় সমাজত নাৰীৰ প্ৰজ্ঞা আৰু শক্তিক স্বীকৃতি দিলেও বাস্তৱিক, ব্যৱহাৰিক সমাজজীৱনত নাৰী অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছিল। নাৰী সম্পৰ্কীয় অধিকাৰসমূহৰ কথাক পুৰুষ শাসিত সমাজে প্ৰচ্ছন্ন ৰূপত হেঁচি ৰাখিছিল। নাৰীবাদৰ প্ৰথম সূত্ৰপাত হয় প্ৰখ্যাত ইংৰাজ দাৰ্শনিক জন ল'ক (John Locke)ৰ **১৬৮৯** খৃ.ত প্ৰকাশিত 'চেকেণ্ড ট্ৰীটিজ অৱ গভৰ্ণমেণ্ট (Second Treatise of Government 1689) নামৰ গ্ৰন্থখনত। এই গ্ৰন্থখনত নাৰী আৰু পুৰুষ যে সমান মৰ্যদাসম্পন্ন ব্যক্তি সত্বা এই কথা উল্লেখ কৰিছে। লকৰ মতে স্বামী স্ত্ৰী দুগৰাকী পৰস্পৰে পৰস্পৰৰ সংগীহে। ইয়াত স্বামীয়ে নাৰীভাৱনা তথা নাৰীৰ ব্যক্তিসত্তাক অৱমাননা কৰি পুৰুষতন্ত্ৰৰ কথা কোৱা নাই। ইয়াত একক ভাৱে নাৰীৰ অধিকাৰ সাব্যস্ত কৰাৰ কথাও উল্লেখ নাই।

নাৰী অধিকাৰ লৈ যিখন গ্ৰন্থ প্ৰকাশিত হৈছে সেইখন হৈছে ফৰাচী দাৰ্শনিক কঁডৰ্চেৰ (Condoreet) "এডমিশ্যন অৱ উইমেন টু ফুল চিটিজেন্‌শ্বিপ"(Admission of Women to Full Citizenship)। এই গ্ৰন্থখনত নাৰীৰ নাগৰিকত্বক পূৰ্ণ স্বাধীনতা দিয়াৰ কথা উল্লেখ কৰা হৈছে। কাৰণ পুৰুষৰ দৰেই নাৰীও এক সত্বা, সমাজৰ প্ৰতিনিধি। সেয়ে পুৰুষৰ দৰে নাৰীয়েও নাগৰিক ৰূপে স্বীকৃতি পাব লাগে।

মানুহৰ মনোজগতখন অতি বিচিত্ৰময়। ইয়াৰ ক্ৰিয়া প্ৰক্ৰিয়াই কেনেদৰে মানৱ জীৱনত প্ৰভাৱ বিস্তাৰ কৰে সেই বিষয়ে ফ্ৰয়েড, ইয়ুং, এডলাৰ আদি মনোবিজ্ঞানী সকলে

চৰ্চা কৰি উলিয়াই থৈ গৈছে। ১৮৯০ চনৰপৰা ১৯০০ চনৰ ভিতৰত প্ৰয়েজৰ মুখ্য আৱিষ্কাৰ সমূহ হ'ল অচেতন মনৰ স্থিতি আৰু চেতন মনৰ শক্তিশালী প্ৰভাৱ; অৱদমিত কামনা-বাসনাৰ প্ৰতিক্ৰিয়া আৰু শিশুৰ যৌন-কামনা চৰিত্ৰ গঠন আৰু স্নায়ৱিক ৰোগত ইয়াৰ প্ৰভাৱ। ফ্ৰয়েডৰ মতে সপোন অৱদমিত কামনা-বাসনাৰে এক প্ৰকাশ। মানুহৰ ব্যক্তিত্বৰ ওপৰত মনৰ গভীৰ প্ৰভাৱৰ বিষয়টোক ফ্ৰয়েডে গুৰুত্ব সহকাৰে লৈছিল। তেওঁৰ মতে আমাৰ মনোজগতৰ তিনিটা স্তৰ আছে-- চেতন, অৱচেতন আৰু অচেতন। চেতন মন আমাৰ নিয়ন্ত্ৰণত থাকে। আমাৰ মানসিক কাৰ্যকলাপৰ বিষয়ে আমি সচেতন। অৱচেতন মনৰ ক্ৰিয়াকলাপৰ বিষয়ে আমি সততে সচেতন নহওঁ; কিন্তু আপেক্ষিকভাৱে সহজ প্ৰয়াসেৰে আমি সেইবোৰৰ বিষয়ে জানিব পাৰো। অচেতন মনৰ মানসিক অভিজ্ঞতাসমূহ সহজে মনত পেলাব নোৱাৰি আৰু এইবোৰ আমাৰ নিয়ন্ত্ৰণৰ বাহিৰত। কিন্তু এইবোৰে ব্যক্তিৰ আচৰণত এনেভাৱে প্ৰভাৱ বিস্তাৰ কৰে যাক আমি স্থান, কাল আৰু যুক্তিৰ বিচাৰত বিশ্লেষণ কৰিব নোৱাৰোঁ।

সমাজ ব্যৱস্থা মানুহৰ সৃষ্টি। সমাজক শৃংখলিত কৰি ৰখাৰ নামত কিছুমান ব্যৱস্থাৰ নিয়ম মানুহে সৃষ্টি কৰি লয় আৰু যুগে যুগে সেই ব্যৱস্থাত মানুহ চলি গ'লেই ই সমাজ ব্যৱস্থাত পৰিণত হয়। দেখা যায় যে নাৰীৰ ওপৰত ঘৰুৱা, সামাজিক আৰু মনস্তাত্বিকভাৱে চলি অহা অৱদমন, নিৰ্যাতন আদিৰ ক্ষেত্ৰত নাৰীসকল নিজেই কিছু ক্ষেত্ৰত জগৰীয়া। ইয়াৰ বাবে পুৰুষতন্ত্ৰ দায়ী হ'লেও মনস্তাত্বিকভাৱে নাৰীসকল যুগ যুগ ধৰি পুৰুষাধীন হৈ থকা সমাজৰ পৰম্পৰাগত ৰূপৰ বলি হয়। নাৰী চেতনাৰ দিশটো চালি-জাৰি চালে দেখা যায় যে অৰ্থনৈতিকভাৱে স্বাধীন নাৰীয়েও এনে মনস্তত্ত্বৰ দ্বাৰা কেতিয়াবা প্ৰভাৱান্বিত হোৱা দেখা যায়। বহুতো ক্ষেত্ৰত দেখা যায় যে বেছিভাগ মহিলাই পুৰুষৰ অধীনত থাকিহে ভাল পায়। বহুতো মহিলাই নিজৰ অধিকাৰ খিনিও ল'ব নাজানে।

সেয়েহে নাৰীচেতনাৰ সম্যক বিচাৰৰ বিশ্লেষণৰ বাবে ওপৰত আলোচনা কৰা নাৰী অধিকাৰ, মানুহৰ আৰু সমাজৰ মনস্তত্ত্ব তথা সমাজব্যৱস্থাৰ ওতঃপ্ৰোত সম্পৰ্ক লক্ষ্য কৰা যায়। সাহিত্যৰ বুকুত উপস্থাপিত বিভিন্ন চৰিত্ৰ সমাজৰ বুকুৰ পৰাই আহৰণ কৰা হয়। মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ নাৰী চৰিত্ৰ সমূহ অধ্যয়ন কৰিলে দেখা যায় যে উপন্যাসসমূহত নাৰী চেতনাই প্ৰভাৱ পেলাইছে। বিভিন্ন কৰ্মৰ

মাজেৰে নাৰী চেতনাসমূহ ওলাই পৰিছে। নাৰীৰ জৈৱিক বাসনা, আত্মহত্যা, মৃত্যুস্পৃহা, ৰুগ্ন মানসিকতা, নিৰ্জন মনৰ সন্ধান আদি উপন্যাসসমূহৰ নাৰী চৰিত্ৰসমূহত ধৰা পৰে। মামণি ৰয়ছমৰ গোস্বামীৰ উপন্যাসত বিধৱা গাভৰুৰ দুখ আৰু যন্ত্ৰণাৰে ভৰা নিঃসংগ জীৱন প্ৰতিফলিত হৈছে। সাধাৰণতে ঔপন্যাসিকসকলে নাৰী চেতনা কেন্দ্ৰিক উপন্যাসৰ মাজেদি নাৰী মনৰ মানসিক দিগন্ত, নাৰী মনস্তত্ত্ব, জীৱনলিপ্সা, মৰ্যাদাপূৰ্ণ জীৱনৰ হাবিয়াস, মুক্ত অথচ দায়িত্বশীল জীৱন চৰ্যাৰ সন্ধান দিবলৈ চেষ্টা কৰে। সমাজ জীৱনলৈ বাৰ্তা কঢ়িয়াই আনিব পৰা এনে বিষয়ৰ অধ্যয়নত সেয়েহে যথেষ্ট গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয়।

**খ) গৱেষণাৰ পৰিসৰ**

উপন্যাসৰ ক্ষেত্ৰখন যথেষ্ট বিস্তৃত। নাৰীৰ বিভিন্ন দিশ সাহিত্যত কলাত্মক ৰূপত প্ৰতিফলিত হয়। অসমীয়া উপন্যাস সাহিত্যও নাৰী ভাৱনাৰ বৈচিত্ৰ্যতাৰে সমৃদ্ধ। বৰ্তমান সময়ত নাৰীকেন্দ্ৰিক বিষয়টোক সমালোচকসকলে গুৰুত্বসহকাৰে লৈছে। নাৰী ভাৱনা, নাৰী চেতনা, নাৰীৰ বিভিন্ন সমস্যাক লৈ বহুসময়ত বহুজন লেখক-লেখিকাই হাতত কলম তুলি লৈছে। উপন্যাস হৈছে প্ৰাত্যাহিত জীৱনৰ বাস্তৱতা প্ৰতিফলিত হোৱা একোটা স্বয়ংসম্পূৰ্ণ কাহিনী। নাৰীৰ বিভিন্ন দিশবোৰ উপন্যাসত প্ৰতিফলিত হৈ পৰে। অতীজৰে পৰা পুৰুষ প্ৰধান ভাৰতীয় সমাজ ব্যৱস্থাত নাৰী অৱদমিত, লাঞ্চিতা, নিপীড়িতা হৈ আহিছে। আমাৰ সমাজখন পৰম্পৰাবাদী হোৱাৰ কাৰণে এনেবোৰ সমাজত ব্যক্তিৰ চিন্তা-ভাবনা, ভাল-বেয়াৰ বিচাৰ, নৈতিক মূল্যবোধ আদিৰ মূল্যায়ন পৰম্পৰাৰ ভিত্তিতেই কৰা হয়। স্বৰাজোত্তৰকালত নাৰীয়ে শৈক্ষিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক জীৱনত পুৰুষৰ সমানে আগবাঢ়ি গৈছে যদিও বেছিসংখ্যক নাৰীয়েই শোষণ, উৎপীড়ণৰ বলি হৈয়েই আছে।

পৃথিৱীৰ প্ৰায় সকলো ঠাইতে নাৰীৰ সামাজিক স্থান ঘৰুৱা কাম-কাজ, সন্তান জন্ম দিয়া আৰু পৰিয়ালৰ আটাইকে পৰিচৰ্যা কৰাৰ স্তৰতে ৰৈ আছে। এই কাম-কাজবোৰৰ বাবে নাৰীৰ কোনো মজুৰি নাই আৰু পুৰুষৰ কাম-কাজৰ লগত ইয়াক সমান মৰ্যাদাও দিয়া নহয়। সমাজত নাৰী আৰু পুৰুষৰ মাজত এই বৈষম্য থকাৰ বাবে চিন্তাধাৰাবোৰো এইভাৱেই গঢ়ি উঠিছে যে নাৰী পুৰুষতকৈ সকলো বিষয়তে হীন। নাৰীবাদীসকলে নাৰী আৰু পুৰুষৰ

মাজত কোনো প্ৰভেদ মানি ল'ব নোখোজে আৰু সমাজত পুৰুষৰ সমানে অধিকাৰ সাব্যস্ত কৰে।

নাৰী আৰু পুৰুষৰ সমানাধিকাৰৰ দাবীত যোৱা সপ্তদশ, অষ্টাদশ শতিকাত ইউৰোপত উন্মেষিত হোৱা নাৰীবাদী (Feminist) চিন্তাই বিভিন্ন স্তৰৰ মাজেদি বিকশিত হৈ আহি বৰ্তমান সমগ্ৰ বিশ্বত এক আলোড়নৰ সৃষ্টি কৰিছে। আমেৰিকা, গ্ৰেট ব্ৰিটেইন, ফ্ৰান্স আদি উন্নত দেশসমূহত ই এটা সবল আন্দোলন ৰূপে ধৰা দিছে।

বৰ্তমান নাৰীৰ সমস্যাবোৰক সামাজিক সমস্যা হিচাপে ধৰা হয়। নাৰী সমস্যাৰ গুৰুত্ব উপলব্ধি কৰা আৰু নাৰীমুক্তি আন্দোলনৰ তাৎপৰ্য হৃদয়ংগম কৰিবলৈ হ'লে সমাজ বিকাশৰ বিভিন্ন ধাৰাৰ বৈজ্ঞানিক জ্ঞানৰ প্ৰয়োজন। আদিম সমাজত মাতৃতন্ত্ৰৰো প্ৰচলন আছিল। পুৰুষৰ সমানে সমানে চিকাৰ কৰা, ৰণলৈ যোৱা আদি কামত ভাগ লৈছিল। নিজ নিজ কৰ্মক্ষেত্ৰত প্ৰত্যেকেই কৰ্তা আছিল। নাৰীয়ে গৃহস্থালিও চম্ভালিছিল। পুৰুষ বা নাৰী নিজে তৈয়াৰ কৰা আৰু ব্যৱহাৰ কৰা হাতিয়াৰৰ মালিক আছিল। অৰ্থনৈতিক জীৱনধাৰাত নাৰীৰ সক্ৰিয় ভূমিকা আছিল। কিন্তু সময়ৰ লগে লগে সকলোবোৰ সলনি হৈছিল। ভাৰতীয় সমাজত মনুশাস্ত্ৰই নাৰীৰ স্থান আৰু ভূমিকা অধোনমিত কৰিলে। পুৰুষ প্ৰধান সমাজত নাৰীসকলক তলতীয়া বুলি ভাবিবলৈ ল'লে। এদিন তাৰেই ফলত নাৰীসকলে নিজৰ অস্তিত্ব বিচাৰি আন্দোলনৰ পথ বাচি ল'লে। এই নাৰী আন্দোলন পাশ্চাত্যত আৰম্ভ হৈ ভাৰততো প্ৰৱেশ কৰিলে। অসমীয়া উপন্যাসতো ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰিল।

গান্ধীৰ নাৰীমুক্তি আন্দোলন, পাশ্চাত্য মুক্ত নাৰীৰ আৰ্হি, ন কৈ গঢ় লৈ উঠা উদাৰনৈতিক মানৱিকতাবাদ আৰু গণতান্ত্ৰিক মূল্যবোধৰ উপলব্ধিৰ বাবেই আৱাহন যুগৰ লেখকসকলে নাৰীৰ প্ৰতি বিশেষ দৃষ্টিভংগী গঢ়ি তুলিছিল। প্ৰাচীন কালৰ পৰা সমাজত চলি অহা ৰীতি-নীতি আৰু ধ্যান-ধাৰণাই নাৰীক আৱদ্ধ কৰি ৰখাটো আৱাহন যুগৰ নতুন মানসিকতাই বিচৰা নাছিল। সেইবাবে প্ৰাচীন কু-সংস্কাৰৰ পৰা নাৰীক মুক্ত কৰাৰ উদ্দেশ্যে আৱাহন আলোচনীয়ে দৰাচলতে এটা বিপ্লৱৰেই ঘোষণা কৰিছিল।

মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰী মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া, ভাবৰ গতি সুন্দৰকৈ প্ৰকাশি উঠিছে। নাৰী চেতনাই এওঁলোকৰ উপন্যাসত তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এওঁলোক দুগৰাকীৰ উপন্যাসত প্ৰকাশ পোৱা নাৰী

চেতনা সম্পৰ্কে কৰা অধ্যয়নেই আমাৰ এই গৱেষণাৰ মূল বিষয়। প্ৰয়োজন সাপেক্ষে অন্য উপন্যাসৰো প্ৰাসংগিক বিশ্লেষণ দাঙি ধৰা হ'ব।

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নিঃস্ব নাৰীৰ দুৰ্বিসহ জীৱনৰ কথা বৰ্ণনা কৰা আছে। প্ৰত্যক্ষভাৱে মামণি ৰয়ছম গোস্বামীক আমি নাৰীবাদী ঔপন্যাসিকা নুবুলি বুলিছোঁ নাৰীভাবনাৰ ঔপন্যাসিকা। তেওঁ ৰচনাৰ জৰিয়তে শ্ৰমিক, নাৰী আৰু আৰ্তজনৰ প্ৰতি তেওঁৰ হৃদয়ৰ অসীম সহানুভূতি প্ৰদান কৰি উচিত বিচাৰৰ বাবে প্ৰতিবাদ জনাইছে।

একেদৰে নিৰুপমা বৰগোহাঞিৰ উপন্যাসতো নাৰী চেতনাৰ আভাস পোৱা যায়। তেওঁৰ ৰচনাবোৰত নাৰীমুক্তিৰ চিন্তা লক্ষ্য কৰা যায়। তেওঁৰ উপন্যাসত তিৰোতা মানুহৰ সমস্যাবোৰৰ এটা চেতনা কঁপাই যোৱা বিৱৰণ অংকিত হৈছে। মূলতঃ বৰগোহাঞিৰ চেতনাত নাৰী সমস্যাটোৱে পোনতেই খামোচ মাৰি আছিল। নিৰুপমা বৰগোহাঞিয়ে নিপীড়িত, অৱদমিত নাৰীসকলৰ বেদনা হৃদয়ংগম কৰি সমস্যাটো উপন্যাসত উপস্থাপন কৰিছে। নাৰী জীৱনৰ মৰ্মবেদনা এওঁৰ উপন্যাসত সাৰ্থক ৰূপত ফুটি উঠিছে।

দুয়োগৰাকী ঔপন্যাসিকাৰ উপন্যাসত নাৰী মনৰ চিন্তাৰ বিভিন্ন স্বৰূপ ফুটি উঠিছে। নাৰীৰ ভাৱনাবোৰ, নাৰীৰ সমস্যাবোৰ, নাৰীৰ মমতাময়ী ৰূপ, বিধৱাৰ যন্ত্ৰণা আৰু সামাজিক অৱস্থান, নাৰীৰ প্ৰতিবাদী সত্বা, বিধৱাৰ দৈহিক বাসনা, নাৰীবাদী চেতনা আদি বিভিন্ন দিশ সমূহ এওঁলোকৰ উপন্যাসত পৰিস্ফুট হৈছে। নাৰীৰ বিভিন্ন ক্ষেত্ৰত ফুটি উঠা নাৰী চেতনাৰ দিশবোৰ আলোচনা কৰা প্ৰয়োজনীয়তা আছে। উল্লিখিত দুগৰাকী ঔপন্যাসিকাৰ উপন্যাসত ধৰা দিয়া নাৰী চেতনাৰ বিচিত্ৰ ৰূপে আমাৰ অধ্যয়নৰ পৰিসীমা সামৰিছে।

**গ) গৱেষণাৰ গুৰুত্ব আৰু উদ্দেশ্য**

পৃথিৱীৰ প্ৰায় সকলো ক্ষেত্ৰতে নাৰীৰ সামাজিক স্থান সন্তান জন্ম দিয়া আৰু ঘৰুৱা কাম তদাৰক কৰা স্তৰতে ৰৈ আছে। প্ৰায় ক্ষেত্ৰতেই পুৰুষে নাৰীৰ এই কামবোৰৰ কোনো মূল্য নাই বুলি ক'ব খোজে। এনেধৰণৰ চিন্তাবোৰৰ বাবেই সমাজত পুৰুষে নাৰীক হীন বুলি ভাৱে। কিন্তু নাৰীবাদী চেতনাত পুৰুষ-নাৰীৰ মাজত কোনো বিভেদ থাকিব নোৱাৰে। আধুনিক যুগত ৰাজনীতি, সামাজিক, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে নাৰীৰ নতুন আত্ম-চেতনাৰ প্ৰকাশ ভংগী ফুটি উঠিছে। আজিৰ শিক্ষিত নাৰীসকলে পৰম্পৰাক অন্ধভাৱে মানি

নচলে। চহৰৰ লগতে গ্ৰাম্য সমাজতো নাৰী চেতনাৰ নতুন পৰিৱৰ্তনৰ সুৰ জাগি উঠিছে। কিন্তু এই পৰিৱৰ্তনৰ বাটত আজিও বহু নাৰী অন্ধবিশ্বাস, পৰম্পৰাৰ বান্ধোনৰ পৰা মুকলি হ'ব পৰা নাই। নাৰীৰ চেতনাক পূৰ্ণ আধুনিক ৰূপ দিবলৈ আমাৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ দৰকাৰ।

মামণি ৰয়ছম গোস্বামীৰ লেখনিত সমাজৰ স্বৰূপ নগ্ন ৰূপত প্ৰকাশ পাইছে। সমাজৰ নিম্নশ্ৰেণীৰলোকসকলক বিষয়বস্তু হিচাপে লৈ তেওঁ সাহিত্য ৰচনা কৰিছিল। তেওঁৰ আটাইকেইখন উপন্যাসতে নাৰীৰ ওপৰত পুৰুষ প্ৰধান সমাজে চলোৱা নিৰ্যাতনৰ ছবি দেখা যায়। তেওঁৰ উপন্যাসৰ নায়িকাই পুৰুষপ্ৰধান সমাজৰ অত্যাচাৰৰ বিৰুদ্ধে মুক্তভাৱে প্ৰতিবাদ কৰিব পৰা নাই যদিও তেওঁলোকৰ অন্তৰৰ গভীৰ কোণত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে তাক প্ৰকাশ কৰিছে। সমাজৰ কু-সংস্কাৰ আৰু ৰক্ষণশীলতাই নাৰীৰ জীৱন দুৰ্বিসহ কৰি তোলে তাৰ এখন পৰিস্কাৰ চিত্ৰ তেওঁৰ উপন্যাসত পোৱা যায়। আনহাতে নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীবাদী চেতনা স্পষ্টকৈ ফুটি উঠিছে। তেওঁ প্ৰচলিত সমাজ ব্যৱস্থাৰ অন্ধবিশ্বাস আৰু গোড়ামিৰ পৰিৱৰ্তন বিচাৰে। তেওঁৰ মতে নাৰী আন্দোলন হ'ল পুৰুষ নাৰী একেলগ হৈ কৰা আন্দোলন। মামণি ৰয়ছমৰ দৰেই তেৰোঁ নাৰীৰ অৰ্থনৈতিক মুক্তিৰ কথা কৈছে। অৰ্থনৈতিকভাৱে সবল হ'লেহে নাৰী-পুৰুষ সমতাপূৰ্ণ হ'ব।

বৈদিক যুগত নাৰীক যথেষ্ট সন্মান দিয়া হৈছিল। কিন্তু মনুৰ দিনত ভাৰতীয় নাৰীয়ে সেই সন্মান আৰু স্বাধীনতা হেৰুৱায়। আধুনিক যুগত নাৰী শিক্ষাৰ প্ৰচলনে নাৰীক বহুদূৰ আগুৱাই নিলে। সম্প্ৰতি নাৰীসকলে স্বাধীনভাৱে নিজৰ ক্ষেত্ৰত বিচৰণ কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত নাৰীসকল প্ৰতিবাদী হবলৈও পিছ হোহুকা নাই। নাৰী চেতনাৰ এই ৰূপান্তৰ অসমীয়া উপন্যাসত কেনেদৰে পৰিছে সেয়া অধ্যয়ন কৰাটো প্ৰয়োজন।

মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞি মহিলা লেখিকা হোৱা হেতুকে নাৰীৰ চিন্তন-মননৰ জগতত প্ৰৱেশ কৰি বিশ্লেষণ কৰিবলৈ সুবিধা হৈছে। এওঁলোকৰ উপন্যাসৰ নাৰী চৰিত্ৰৰ উপস্থাপন নিৰ্মোহ বাস্তৱ দৃষ্টিভংগী সম্পন্ন। নাৰীৰ বিভিন্ন জীৱন সংগ্ৰামে দৰ্শনমূলক সংজ্ঞা, জীৱন সম্পৰ্কে ধাৰণা আৰু সংস্কাৰমূলক চিন্তা ইত্যাদিবোৰ যিমানদূৰ সম্ভৱ তাক গৱেষণাৰ জৰিয়তে উলিয়াই অনাটোৱে গৱেষণাৰ মূল লক্ষ্য। লগতে নাৰীৰ অৱস্থান আৰু সামাজিক মৰ্যাদাৰ পৰা আৰম্ভ কৰি সেই নাৰীৰ যি সংস্কাৰমুখী যাত্ৰা

আৰু দৰ্শন প্ৰতিফলিত হৈছে, সেই সংস্কাৰ আৰু দৰ্শনক প্ৰতিবিম্বিত কৰাটোৱে আমাৰ গৱেষণাৰ মুখ্য উদ্দেশ্য।

অধ্যয়নৰ সুবিধাৰ্থে ঔপন্যাসিক দুগৰাকীৰ মুঠ উপন্যাসৰ ভিতৰত বিশেষভাৱে আঠখন উপন্যাস গৱেষণাৰ পৰিসৰৰ ভিতৰত সামৰি লোৱা হ'ল। এই উপন্যাসকেইখন হ'ল- মামণি ৰয়ছম গোস্বামীৰ *নীলকণ্ঠী ব্ৰজ, মামৰে ধৰা তৰোৱাল, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, ছিন্নমস্তাৰ মানুহটো* আৰু নিৰুপমা বৰগোহাঞিৰ *অন্য জীৱন, মোৰ নাম চম্পাৱতী কাকতী, ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ* আৰু *অভিযাত্ৰী*। এইকেইখনৰ বাদেও প্ৰয়োজন সাপেক্ষে ঔপন্যাসিক দুগৰাকীৰ আটাইবোৰ উপন্যাসৰ প্ৰাসংগিক বিশ্লেষণ যুগুতোৱা হ'ব। সমসাময়িক নাৰী ভাৱনা প্ৰতিষ্ঠাৰ চেষ্টা কৰা উপন্যাসসমূহক প্ৰসংগপুথিৰূপে বিশ্লেষণত ব্যৱহাৰ কৰা হ'ব।

সাধাৰণতে উপন্যাসৰ ক্ষেত্ৰখন যথেষ্ট বিস্তৃত। ভাৰতীয় উপন্যাসৰ বাহিৰেও অসমীয়া উপন্যাসতো স্বাদৰ ভিন্ন বিষয়বস্তুৰ সমাবেশ দেখিবলৈ পাওঁ। বিভিন্ন চৰিত্ৰৰ যোগেদি আমি নতুন নতুন তথ্য তথা দিশবোৰৰ সম্পৰ্কে সম্ভেদ পাব পাৰো। এইক্ষেত্ৰত অসমীয়া মহিলা ঔপন্যাসিকেও যথেষ্ট আগবাঢ়ি গৈছে। গৱেষণা কাৰ্যলৈ লক্ষ্য ৰাখি মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ সৰ্বমুঠ উপন্যাসৰ ভিতৰত আঠখন উপন্যাসক গৱেষণাৰ আওতালৈ অনা হৈছে। সামগ্ৰিকতাৰ যোগেদিহে প্ৰকৃত বিশ্লেষণ সম্ভৱ হয়। সেয়েহে অন্য উপন্যাসৰো প্ৰাসংগিক বিশ্লেষণ অন্তৰ্ভূক্ত হ'ব।

প্ৰস্তাৱিত গৱেষণা-গ্ৰন্থত বিষয়বস্তুৰ বিশ্লেষণৰ বাবে লেখিকা দুগৰাকীৰ উপন্যাসসমূহক প্ৰাথমিক বা মুখ্য তথ্যৰূপে গ্ৰহণ কৰি আনুষংগিকভাৱে প্ৰকাশিত সমালোচনা মূলক তথ্যসমূহক গৌণ ৰূপত অধ্যয়নৰ ভিতৰত সামৰি লৈ বিভিন্ন দিশৰ পৰা বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হ'ব। গৱেষণাৰ বাবে প্ৰয়োজনীয় গ্ৰন্থ বা আন সমলবোৰ সংগ্ৰহৰ ক্ষেত্ৰত বিভিন্ন পুথিভঁৰালৰ সহায় লোৱা হৈছে। এই অধ্যয়নত প্ৰয়োজন সাপেক্ষে ঔপন্যাসিকা দুগৰাকীৰ বিভিন্ন গ্ৰন্থ, ডায়েৰী, টোকা বা তেওঁলোকৰ নিজস্ব ভাষ্যৰ মূল্যায়ন তথা সাক্ষাৎকাৰ আদিও গ্ৰহণ কৰা হ'ব।

সাহিত্যৰ সৈতে সমাজৰ সাৰ্থক আৰু গুৰুত্ব অপৰিসীম। সাহিত্যত যুগে যুগে সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈ আহিছে আৰু ইয়াৰ লগে লগে সংস্কাৰৰ চেতনা সমাজত বোৱাই আনিছে। এইক্ষেত্ৰত আমি সাহিত্যৰ অংগস্বৰূপ উপন্যাস, গল্প আদিলৈ আঙুলিয়াব

পাৰো। তদুপৰি উপন্যাসত সমাজৰ প্ৰচলিত অন্যান্য বহুতো দিশৰ প্ৰতিফলন ঘটে। সেয়েহে প্ৰস্তাৱিত গৱেষণাৰ বিষয়টোৰ সামাজিক গুৰুত্ব আছে। মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগাহাঞিৰ উপন্যাসে ইতিমধ্যেই ভাৰতীয় সমাজত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। তেওঁলোকৰ ৰচনাত সমাজৰ বিভিন্ন সমস্যাৰ দিশ প্ৰতিফলিত হৈছে আৰু তাৰ আলম লৈয়ে গৱেষণাৰ বিশ্লেষণত বিভিন্ন সামাজিক দৃষ্টিভংগীয়ে ঠাই পাব। গতিকে মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগাহাঞিৰ উপন্যাসত বিভিন্ন চৰিত্ৰসমূহে সামাজিক স্থিতি লাভ কৰাৰ ধৰণে গৱেষণাৰ বিশ্লেষণ যথোচিতভাৱে বৈজ্ঞানিক দৃষ্টিভংগীৰে পদ্ধতিগতভাৱে উপস্থাপন কৰিব পাৰিলে সমাজত ইতিবাচক প্ৰভাৱ পৰিব বুলি ধাৰণা হয়। এনে বিশ্লেষণে সমাজত নাৰীসকলক মননশীলতা দান কৰাৰ লগে লগে প্ৰগতিশীল বলিষ্ঠ ভূমিকা লববৈলেকো নতুন পোহৰ সঞ্চাৰ কৰিব।

**ঘ) গৱেষণা পদ্ধতি**

প্ৰস্তাৱিত গৱেষণা কৰ্মত বিশ্লেষণাত্মক (Analytical) পদ্ধতি গ্ৰহণ কৰা হৈছে। বিষয়বস্তুৰ বিশ্লেষণৰ বাবে লেখিকা দুগৰাকীৰ উপন্যাসসমূহক প্ৰাথমিক তথ্যৰূপে গ্ৰহণ কৰি আনুষংগিকভাৱে অধ্যয়নৰ ভিতৰত সামৰি লৈ বিভিন্ন দিশৰ পৰা বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় গ্ৰন্থ বা আন সমলবোৰ গ্ৰহণ কৰিবৰ বাবে বিভিন্ন পুথিভঁৰাল ব্যৱহাৰ কৰা হৈছে। বিভিন্নজন ব্যক্তিৰ সংকলন সংগ্ৰহ, লেখিকাৰ ডায়েৰী, টোকাবহীৰ কথা মৌখিকভাৱে পৰিয়ালৰ সদস্যৰ পৰা লোৱা হয়। এইক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে সাক্ষাৎকাৰ পদ্ধতিও গ্ৰহণ কৰা হৈছে। সংশ্লিষ্ট নাৰীবাদী চিন্তা-চেতনা প্ৰসংগত ইংৰাজী, বাংলা আদি গ্ৰন্থৰ পৰাও সহায় লোৱা হৈছে।

**ঙ) গৱেষণাৰ প্ৰমেয়**

প্ৰস্তাৱিত গৱেষণা-কৰ্মৰ দ্বাৰা নিম্নোক্ত প্ৰমেয়সমূহ উপলব্ধ হ'ব বুলি আশা কৰা হৈছে—

১) এই অধ্যয়নৰ দ্বাৰা নাৰী-চেতনাৰ সংজ্ঞাৰ লগতে পশ্চিমীয়া, ভাৰতীয় আৰু অসমীয়া সাহিত্যত নাৰী-চেতনাৰ প্ৰভাৱৰ বিষয়ে আলোচনালৈ অনা হ'ব।

২)	অসমত নাৰী-চেতনাৰ বিভিন্ন প্ৰসংগবোৰ আলোচনাৰ আওতালৈ অনা হ'ব।

৩)	উপন্যাস আৰু ঔপন্যাসিকাৰ মূল্যায়ন কৰা হ'ব।

৪)	একোগৰাকী সাধাৰণ নাৰীৰ মনোজগতত এনে কিছুমান গভীৰ মহত্ত্ব লুকাই থাকে, এইবোৰ মনঃ সমীক্ষাক গৱেষণাৰ মাজেৰে আলোচনালৈ অনা হ'ব।

৫)	পাশ্চাত্যৰ পৰা অসমীয়া সাহিত্যহল নাৰী-চেতনাৰ পৰিক্ৰমাটোৰ বিষয়ে অৱগত কৰা হ'ব।

৬)	আমাৰ এই গৱেষণাৰদ্বাৰাৰ পিছৰ গৱেষকসকলে এক নতুন বাটৰ সন্ধান পাব।

চ) **পূৰ্বকৃত গৱেষণাৰ খতিয়ান**

অসমীয়া উপন্যাসত নাৰী চেতনাক লৈ বহুত সংখ্যক গ্ৰন্থ প্ৰকাশ হৈ উঠা নাই। নাৰী চেতনাৰ তত্ত্বমূলকভাৱে ৰচিত গ্ৰন্থ অসমীয়া ভাষাত বিশেষভাৱে থকা চকুত নপৰে। দুই এখন গ্ৰন্থত নাৰীবাদৰ কিছু দিশ আলোকপাত কৰা হৈছে। নাৰীবাদৰ বিষয় লৈ কেইখনমান গৱেষণা গ্ৰন্থৰ কাম প্ৰকাশ হৈ ওলাইছে। নাৰী লেখিকাৰ ৰচনাত নাৰীৰ বিভিন্ন দিশ, মনস্তত্ব, ভাৰতীয় আৰু অসমীয়া পৰম্পৰাগত নাৰী আদি বিষয়ৰ গ্ৰন্থ প্ৰকাশ হৈছে। সেইবোৰ হ'ল-- গোবিন্দ প্ৰসাদ শৰ্মাৰ *নাৰীবাদ আৰু অসমীয়া উপন্যাস* (২০০৭); নৰকান্ত বৰদলৈয়ে সম্পাদনা কৰা *অসমীয়া সাহিত্য আৰু মহিলা লেখক* (২০০৮); মামণি গগৈ বৰগোঁহাইৰ *অসমীয়া উপন্যাসঃ নাৰীৰ ৰচনাত নাৰী* (২০০১) শিৱনাথ বৰ্মন, সন্ধ্যা দেৱী আৰু পৰমানন্দ মজুমদাৰে সম্পাদনা কৰা *অসমীয়া নাৰী ঃ ঐতিহ্য আৰু উত্তৰণ* (২০০২); শুকদেৱ অধিকাৰীয়ে সম্পাদনা কৰা *নাৰীবাদ আৰু অসমীয়া উপন্যাস* (২০১৫); অজিত ভৰালী আৰু ৰজিতা কলিতাই সম্পাদনা কৰা *বিষয় ঃ নাৰী* (২০১১); সন্ধ্যা দেৱীৰ *নাৰীঃ বন্ধন আৰু মুক্তি* (২০০৭); মঞ্জু লস্কৰে সম্পাদনা কৰা *সময় বালিৰ খোজ* (২০১১) আদি গ্ৰন্থ।

একেদৰে নাৰী বিষয়ক কেইখনমান গৱেষণা গ্ৰন্থ হ'ল—কৰবী দাসৰ *অসমীয়া লোকসাহিত্যত নাৰী আৰু নাৰী মনস্তত্ত্বৰ প্ৰতিফলন ঃ এটি অধ্যয়ন* (২০০৭); বিনীতা নাথৰ *অসমীয়া উপন্যাসত ফ্ৰয়েডীয় মনস্তত্ত্বৰ বিকাশ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন* (২০০৭); মীৰা

দেৱীৰ *অসমীয়া উপন্যাসত নাৰীৰ স্থান* (**১৯৯১**); আল্পনা সৰকাৰ ডেকাৰ *ঊনবিংশ শতিকাৰ পটভূমিত অসমীয়া নাৰী* আদি।

তাৰোপৰি বিভিন্ন আলোচনী, গৱেষণা পত্ৰিকা, স্মৃতিগ্ৰন্থ, বিভিন্ন বাতৰি কাকত, নাৰী সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধ, গৰীয়সী, প্ৰান্তিক, প্ৰকাশ, শ্ৰীময়ী, অসম সাহিত্য সভা পত্ৰিকা, আদিত নাৰী বিষয়ক আলোচনা আৰু প্ৰবন্ধ আদি প্ৰকাশিত হৈছে। নাৰীক মূল বিষয় হিচাপে লৈ বিভিন্ন লেখক, গৱেষকে অধ্যয়ন কৰিলেও এককভাৱে প্ৰৱন্ধপাতি ৰচিত হ'লেও মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰী চেতনাৰ দিশ একেলগে অন্তৰ্ভুক্ত হোৱা নাই। সেয়েহে এওঁলোকৰ উপন্যাসত নাৰী চেতনাৰ দিশটো অধ্যয়ন কৰি তুলনামূলকভাৱে এটি সুগঠিত বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ল।

# প্ৰথম অধ্যায়

## ১.০০ নাৰী-চেতনাৰ স্বৰূপ আৰু ক্ৰমবিকাশ

আজিৰ বিশ্বত নাৰীৰ প্ৰসংগই আটাইতকৈ গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। বিশ্বৰ প্ৰতিখন সমাজত ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত সকলো পৰ্যায়ৰ নাৰীয়েই শোষিত, নিষ্পেষিত, অৱহেলিত হৈ আহিছে। এনেদৰেই পুৰুষৰ প্ৰভুত্বশীলতাৰ বিপৰীতে নাৰীবাদী চেতনা গঢ় লৈ উঠিছে। পৃথিৱীৰ প্ৰতিখন সমাজতে নাৰীসকল পুৰুষ নিয়ন্ত্ৰিত সমাজ ব্যৱস্থাৰ বলি হৈ আহিছে যাৰ ফলত নাৰী প্ৰসংগত আমি আলোচনা কৰিব লগা হৈছে। নিজৰ স্বাধীনতা, অস্তিত্বৰ বাবে বিশ্বৰ নাৰীসকলে যিদৰে সংগ্ৰাম কৰিব লগা হৈছে, তাৰ আলম লৈয়ে নাৰী চেতনাৰ ক্ৰমবিকাশ ঘটিল। নাৰী-চেতনাই পৰৱৰ্তী পৰ্যায়ত নাৰীবাদী আন্দোলনৰ ৰূপ ল'লে।

নাৰী-চেতনাৰ মূল লক্ষ্যই আছিল নাৰীক সবল কৰি তোলা। বিশ্বৰ প্ৰতিখন সমাজত নাৰীসকলক দমন কৰা ৰীতিবোৰ অন্ত কৰাৰ কাৰণে কিছুমান নীতি বলবৎ কৰা হৈছিল। নাৰী সবলীকৰণৰ কাৰণে **১৯৯৫** চনত বেইজিঙত নাৰীৰ বিশ্ব সন্মিলনে কিছুমান নীতি উল্লেখ কৰিছিল-

ক) সাৰ্বজনীন মানৱাধিকাৰৰ অভিন্ন অংশ হিচাপে মহিলা আৰু কন্যা সন্তানৰ অধিকাৰসমূহ সংৰক্ষণ কৰা আৰু এইসমূহৰ বিকাশ ঘটোৱা।

খ) মহিলাৰ সদা বৰ্তমান আৰু ক্ৰমবৰ্ধমান দাৰিদ্ৰৰ বোজাক নিঃশেষ কৰা।

গ) পৰিয়ালকে ধৰি সকলো পৰ্যায়তে ৰাজহুৱা জীৱন আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলাৰ সম্পূৰ্ণ অংশগ্ৰহণৰ ক্ষেত্ৰত থকা বাধাসমূহ আঁতৰ কৰা।

ঘ) মহিলাৰ বিৰুদ্ধে হোৱা অত্যাচাৰ সম্পূৰ্ণৰূপে নাইকিয়া কৰা।

ঙ) শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত মহিলা আৰু কন্যা সন্তানেও পুৰুষৰ সমানে সুযোগ সুবিধা লাভ কৰা।

চ) মহিলাৰ অৰ্থনৈতিক স্বায়ত্তক বিকাশ ঘটোৱা আৰু উৎপাদনক্ষম সম্পদসমূহৰ ওপৰত এওঁলোকৰ অধিকাৰ সুনিশ্চিত কৰা।

ছ) পৰিয়াল পৰিচালনাৰ দায়িত্বসমূহো পুৰুষ আৰু মহিলাই সমানে পালন কৰা ধাৰণাক উৎসাহিত কৰা।

পুৰুষতন্ত্ৰবাদে নাৰীক সদায় পুৰুষতকৈ দুৰ্বল বুলি পৰম্পৰাগতভাৱে জ্ঞান কৰি আহিছে। নাৰী আৰু পুৰুষ দুয়ো এক ব্যক্তিসত্বা যদিও দৈনন্দিন জীৱনৰ কাৰ্যক্ৰমণিকাত পুৰুষে সদায় নাৰীক এক নিৰ্দিষ্ট গণ্ডীৰ ভিতৰত আৱদ্ধ কৰি ৰাখিছে। ঘৰুৱা কাম-বনৰ পৰা আৰম্ভ কৰি সন্তান পালনলৈকে এইবোৰ মহিলাৰ দায়িত্ব বুলি পুৰুষতন্ত্ৰই প্ৰতিষ্ঠা কৰিছে। পৰিয়াল এটাত শিশুসকলক ডাঙৰ কৰা প্ৰক্ৰিয়াটোৰ ওপৰত সমাজৰ লিংগ বিভাজনৰ প্ৰক্ৰিয়াটো নিৰ্ভৰ কৰে। পিতৃতান্ত্ৰিক ব্যৱস্থাই ল'ৰা-ছোৱালীক পৃথক কৰি পেলায়। যাৰ ফলত নাৰীসকলৰ মূল লক্ষ্য মাতৃত্ব আৰু ইয়াৰ বিপৰীতে পুৰুষৰ নিজস্বতা আৰু পুৰুষত্বক গঢ় দিবলৈ চেষ্টা কৰা হয়। লিংগ বিভাজন প্ৰক্ৰিয়াটো এনেদৰে ঘৰতেই আৰম্ভ হয়। ফলস্বৰূপে বিশ্বৰ প্ৰতিখন সমাজতেই নাৰী পুৰুষতকৈ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ভাৱে পিছপৰা। এইবোৰ হৃদয়ংগম কৰিয়েই পাশ্চাত্যত এচাম পণ্ডিতে নাৰী চেতনা ক্ৰমবিকাশত গুৰুত্ব দিছিল। নাৰী চেতনাৰ প্ৰথমটো ঢৌৰ আৰম্ভ হৈছিল ঊনৈশ শতিকাৰ চতুৰ্দশ আৰু পঞ্চম দশকত। এই আন্দোলনৰ যোগেদি আমেৰিকা আৰু ইউৰোপত নাৰীক ভোটাধিকাৰৰ দাবী সাব্যস্ত কৰা হৈছিল। ইয়াৰ সুফলো পোৱা গৈছিল। ঊনৈশ শতিকাৰ আৰম্ভণিৰপৰা ইউৰোপৰ বিভিন্ন দেশত নাৰীয়ে ভোটাধিকাৰ পাবলৈ সক্ষম হৈছিল। ইয়াৰ এক শতিকাৰো পিছত ১৯৬০ৰ দশকত পুনৰ নাৰীৰ বাবে সমতাপূৰ্ণ পৰিস্থিতি সৃষ্টি কৰাৰ উদ্দেশ্যে নাৰীবাদী আন্দোলন আৰম্ভ হয়। এই নাৰীবাদী আন্দোলনসমূহে প্ৰকাশ কৰে নাৰীসকল কিমান পিছপৰি আছে।

নাৰী চেতনা ক্ৰমবিকাশৰ প্ৰক্ৰিয়াটো বিশ্লেষণৰ বাবে তিনিধৰণৰ তাত্ত্বিক বিশ্লেষণ পাব পাৰোঁ—

ইয়াৰে প্ৰথম ধাৰণাটো হ'ল উদাৰবাদী সকল। এই নাৰীবাদীসকলে সমাজত অধিকাৰ আৰু সুযোগ সুবিধাৰ অসমানৰ প্ৰক্ৰিয়াটোৰ ফলশ্ৰুতিত নাৰীসকল পিছপৰি যোৱাটো মূল কাৰণ হিচাপে চিহ্নিত কৰে। এওঁলোকে পুৰুষৰ সমানে নাৰীৰ অধিকাৰ বিচাৰে আৰু ইয়াৰ বাবে নাৰী শিক্ষা আৰু বৃত্তিগত সুবিধাবোৰৰ উন্নীতকৰণ বিচাৰে।

দ্বিতীয়টো ধাৰণা হ'ল সমাজবাদী নাৰীবাদৰ। এওঁলোক সম্পূৰ্ণৰূপে মাৰ্ক্সবাদী আদৰ্শৰ দ্বাৰা প্ৰভাৱিত। এইসকল নাৰীবাদীয়ে পুঁজিবাদী উৎপাদনৰ ব্যৱস্থাটোক নাৰী পিছপৰি ৰোৱাৰ

মূল কাৰণ বুলি চিহ্নিত কৰে। এওঁলোকে নাৰীৰ অৰ্থনৈতিক অৱস্থাক গুৰুত্ব দিয়ে। পুঁজিবাদী ব্যৱস্থাৰ অন্ততহে নাৰী সমাজলৈ মুক্তি কঢ়িয়াব বুলি এওঁলোকে বিশ্বাস কৰে।

তৃতীয়টো ধাৰণা বৈপ্লৱিক নাৰীবাদৰ মতে লিংগবিভাজনেই নাৰীসকলৰ পিছপৰা অৱস্থাৰ কাৰক। মূলতঃ এওঁলোকে পিতৃতান্ত্ৰিক ব্যৱস্থাৰ বিৰোধিতা কৰে আৰু পুৰুষক শত্ৰু জ্ঞান কৰি পুৰুষৰ সমাজৰ পৰা নাৰী আঁতৰি অহাৰ পোষকতা কৰে।

ওপৰৰ তত্ত্ব সমূহক চালি-জাৰি চালে বুজা যায় যে নাৰীৰ পিছপৰা অৱস্থাৰ বাবে দায়ী এই কাৰকসমূহ। সুবিধাৰ অসমানতা আৰু পুঁজিবাদী ব্যৱস্থাই নাৰী চেতনাত বাৰুকৈয়ে আঘাত সানিছে। আকৌ আন এটা কাৰকৰ মতে লিংগ বিভাজনে নাৰীৰ সবলীকৰণৰ দিশত বাধা হৈ পৰিছে। এই সকলোবোৰৰ মূলতে হৈছে পুৰুষতান্ত্ৰিকতা। যাৰ ফলত নাৰী চেতনাৰ ক্ৰমবিকাশ হৈ নাৰীবাদী আন্দোলনত পৰিণত হৈছে।

### ১.০১ ভাৰতীয় পটভূমিত নাৰীৰ স্থান

প্ৰাচীনতম ধৰ্মগ্ৰন্থ চতুৰ্বেদৰ ৰচনাকাল আনুমানিক খ্ৰীষ্টপূৰ্ব দ্বাদশ শতিকাৰ পৰা খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকা। চতুৰ্বেদৰ প্ৰথমখন ধৰ্মশাস্ত্ৰ ঋক্‌বেদৰ সময়ছোৱাত সমাজত নাৰী আৰু পুৰুষৰ মাজত কোনোধৰণৰ সমাজগত পাৰ্থক্য নাছিল। সমাজত নাৰীৰ স্থান উচ্চ আছিল আৰু পুৰুষৰ দৰে নাৰীসকলেও আনুষ্ঠানিক শিক্ষাত অংশগ্ৰহণ কৰিব পাৰিছিল। ব্ৰহ্মবাহিনী নামৰ যিসকল নাৰী শিক্ষাৰ্থী আছিল তেওঁলোকে আজীৱন ব্ৰহ্মচৰ্য পালন কৰিছিল। লগতে দৰ্শনৰ আলোচনা কৰিছিল। আনহাতে সদ্যেবধুসকলে বিবাহৰ আগলৈকে জ্ঞানচৰ্চাত ব্ৰতী থাকিব পাৰিছিল। ঋকবেদৰ সময়ত বালবিবাহ প্ৰথা নাছিল। বিবাহৰ সয়স আছিল পোন্ধৰ-যোল্ল বছৰ। পিতৃগৃহতে নাৰীসকলে শিক্ষা লাভ কৰিব পাৰিছিল। কন্যা সন্তানক আখৰ লিখা, পুথি পঢ়া, হিচাব ৰখা আদি বিষয়ৰ শিক্ষা দিয়া হৈছিল। সেই যুগৰ বহু নাৰীয়ে বেদৰ স্তোত্ৰ ৰচনা কৰিছিল। দাৰ্শনিক জ্ঞান লাভৰ ক্ষেত্ৰতো নাৰীসকল আগৰণুৱা আছিল। বিজ্ঞান আৰু অংকশাস্ত্ৰও কিছু সংখ্যক নাৰীয়ে অধ্যয়ন কৰিছিল। পুৰুষে যিদৰে মন্ত্ৰ পাঠ কৰিছিল, নাৰীৰো মন্ত্ৰ পাঠ কৰাত কোনো বাধা নাছিল। ঋকবেদত কেইবাগৰাকী শাস্ত্ৰজ্ঞ ৰমণীৰ নাম উল্লেখ আছে। সেইসকলৰ ভিতৰত লোপামুদ্ৰা, অপালা, ঘোষা, সূৰ্য, বাক্, ইন্দ্ৰাণী আদি। বাক্ নামৰ লেখিকাগৰাকীয়ে গভীৰ দাৰ্শনিক স্তৰৰ শ্লোক ৰচনা কৰিছিল। বৃহ দাৰণ্যক উপনিষদত উল্লেখ আছে সেইসময়ৰ প্ৰকাশ্য সভাত গাৰ্গী

নামৰ এগৰাকী নাৰীয়ে ঋষি যাজ্ঞবল্কৰ সৈতে তৰ্কত লিপ্ত হৈছিল। গতিকে দেখা যায় যে যাজ্ঞবল্কৰ দৰে ঋষিৰ সৈতে তৰ্কত প্ৰবৃত্ত হ'ব পৰা শাস্ত্ৰজ্ঞ নাৰীও সেই সময়ৰ ভাৰতবৰ্ষত আছিল।

বৈদিক যুগত নাৰীক উচ্চস্থানত ৰখা হৈছিল। নাৰীসকল পিতৃৰ সম্পত্তিৰো অংশীদাৰ হ'ব পাৰিছিল। নাৰী-পুৰুষে একেলগে যজ্ঞ সম্পাদন কৰাৰ কথাও বেদৰ একাধিক সূক্তত উল্লেখ আছে। বিদুষী কন্যা প্ৰাপ্তিৰ কাৰণে স্বামী-স্ত্ৰী দুয়োগৰাকীয়ে বিশেষ নিয়মেৰে আহাৰ গ্ৰহণ কৰিছিল।

ধনী ব্ৰাহ্মণ আৰু ৰজাসকলৰ মাজতহে বহুবিবাহৰ প্ৰচলন আছিল বুলি জনা যায়। নাৰীৰ একাধিক পতি থকাৰ কথা বেদত উল্লেখ পোৱা যায়।[১] বৈদিক যুগত বিধৱা বিবাহৰ প্ৰচলন আছিল--

*ইমা নাৰীৰ বিধবা ঃ সুপত্নী-ৰাঞ্জনেন সৰ্পিষাসং কিন্তু অনশ্ৰ বোহন মীবা ঃ সুৰত্না জমায়া যোনিমগ্ৰে।।*

*উদীৰ্স্ব নাৰ্যভি জীৱলোকং গতাসুমেতমৃপ শেষ এহি।*

*হস্তাগ্ৰাভস্য .........।।*

*অৰ্থাৎ 'হে নাৰী সংসাৰলৈ তোমাক আহ্বান কৰা হৈছে।'*[২]

ইয়াৰ অৰ্থ এইটোৱে যে স্বামীৰ মৃত্যুৰ পিছত সদ্য বিধৱা পত্নীক পুনৰ সংসাৰলৈ উভতি আহিবলৈ আহ্বান জনোৱা হৈছে।

বৈদিক যুগত কাব্যপ্ৰতিভাৰ দিশত ভাৰতীয় নাৰীৰ নাম পোৱা যায়। শিলা ভট্টাৰিকা, মাৰুলা, মৰিকা, সুভদ্ৰা নামেৰে মহিলা কবিৰ নাম উল্লেখ পোৱা যায়। শিক্ষাৰ ক্ষেত্ৰত নাৰীসকল আগবঢ়া আছিল। সেই সময়ত ৰজা, পাৰিষদবৰ্গ, ধনী আৰু সম্ভ্ৰান্ত পৰিয়ালৰ সদস্য আৰু নৰ্তকীসকলে উচ্চ শিক্ষা গ্ৰহণ কৰিব পাৰিছিল।

বেদৰ পিছৰ গ্ৰন্থখন হৈছে কৌটিল্যৰ অৰ্থশাস্ত্ৰ। সেই সময়ত, ভাৰতবৰ্ষত গণিকা প্ৰথাৰ প্ৰচলন আছিল। এই প্ৰথা ৰজাৰ দ্বাৰা অনুমোদিত আছিল। মাতৃৰপৰা কন্যালৈ পৰ্যায়ক্ৰমে ই চলি আহিছিল। গণিকা বৃত্তি কৰি থকা সময়ছোৱাত যদি কোনো গণিকাই অব্যাহতি বিচাৰে তেন্তে তাৰ বাবে চৌব্বিশ হাজাৰ পণ ভৰিব লগা হৈছিল। ছোৱালীৰ বিয়াৰ ক্ষেত্ৰত বহু নিয়ম ধৰাবন্ধা

---

১. *ঋক্‌বেদ সমংহিতা,* পৃ. ৪৭৮, ১০ ম মণ্ডল, মূক্ত ১৮ পৃ. ৫৫১ ১০ ম মণ্ডল , সূক্ত-৪০

২. বৰা, ৰত্নেশ্বৰ ঃ বৈদিক যুগৰ নাৰীৰ কাব্য প্ৰতিভা, আমাৰ অসম. ৬ ডিচেম্বৰ, ২০০৬

আছিল। ছোৱালীৰ বিয়াৰ বাবে গা-ধন লোৱাৰ নিয়ম আছিল। স্বামীৰ মৃত্যুৰ পিছত কোনো তিৰোতাই পুনৰ বিবাহত বহিলে সুতেৰে সৈতে গা-ধন ওভোটাই দিব লগা হৈছিল। স্বামীৰ মৃত্যুৰ পিছত তিৰোতাই পুনৰ বিয়াত বহিব পাৰিছিল। তদুপৰি পুত্ৰৱতী নাৰীয়েও নাবালকপুত্ৰক ডাঙৰ কৰিবলৈ স্বামীৰ মৃত্যুৰ পিছত পুনৰ বিয়াত বহিব পাৰিছিল। লাহে লাহে কৌটিল্যৰ দিনৰ পৰা সমাজত নাৰীৰ স্থান নিম্নমুখী হ'বলৈ ধৰে। কেৱল পুত্ৰ সন্তান জন্ম দিয়া আহিলা বুলি নাৰীসকলক ব্যৱহাৰ কৰিবলৈ ল'লে। ইয়াৰ বাবে নাৰীক প্ৰয়োজন হ'লে কুষ্ঠৰোগ গ্ৰস্থ, উন্মাদ স্বামীৰ সৈতে সহবাস কৰিবলৈও বাধ্য কৰোৱা হৈছিল। কিন্তু ৰাজদ্ৰোহী স্বামীক পত্নীয়ে পৰিত্যাগ কৰিব পাৰিছিল।[৩] বিয়াৰ ক্ষেত্ৰত ছোৱালীৰ বয়স বাৰ (১২) আৰু ল'ৰাৰ বয়স যোল্ল (১৬) বছৰ বুলি নিৰ্ধাৰণ কৰি দিয়া হৈছিল। সেই সময়ত স্বামী-স্ত্ৰীৰ সন্মতি সাপেক্ষে বিবাহ-বিচ্ছেদৰ ব্যৱস্থাও আছিল। কিন্তু ব্ৰাহ্ম, প্ৰজাপত্য আদি বিবাহৰ ক্ষেত্ৰত বিবাহ বিচ্ছেদৰ প্ৰথা নাছিল। নাৰীক পুৰুষৰ অধীনত ৰাখিব বিচৰা হৈছিল। পতিৰ অনুমতি অবিহনে পত্নীগৰাকী কলৈকো যাব নোৱাৰিছিল। মাতাল বা দুঃশ্চৰিত্ৰৰ স্বামীকো পত্নীয়ে পতিব্ৰতা নাৰীৰূপেই সেৱা কৰিব লগা হৈছিল। অৱশ্যে পত্নীক ঘৰত থৈ বিদেশলৈ যোৱা পতিৰ বাবে নিৰ্দিষ্ট সময় অপেক্ষা কৰাৰ পিছত পত্নীয়ে আন পুৰুষৰ সৈতে বিবাহত বহিব পাৰিছিল। আনকি স্বামী বিদেশত থকা অৱস্থাত আন সৱৰ্ণৰ পুৰুষৰ সন্তান জন্ম দিয়া নাৰীও সমাজত নিন্দনীয় হোৱা নাছিল। দীৰ্ঘদিনৰ বাবে বিদেশলৈ যোৱা, সন্ন্যাস লোৱা আৰু মৃত লোকৰ পত্নীয়ে দেওৰেকক বিয়া কৰাব পাৰিছিল। আনহাতে স্বামীৰ বংশৰ বাহিৰে আনক বিয়া কৰালে তাক ব্যাভিচাৰ বুলি গণ্য কৰা হৈছিল।

সম্পত্তিৰ ক্ষেত্ৰত কোনো ব্যক্তিৰ পুত্ৰসন্তান নাথাকিলে কন্যাসন্তানেই সম্পত্তিৰ অধিকাৰ লাভ কৰিছিল। কিন্তু পুত্ৰ থাকিলে কন্যাই কেৱল মাকৰ ব্যক্তিগত সম্পত্তি যেনে বাচন-বৰ্তন, অলংকাৰ-পাতিৰ ভাগ পাইছিল। পুত্ৰহীন লোকৰ পত্নীয়ে পতিৰ আদেশত ক্ষেত্ৰজ পুত্ৰৰ জন্ম দিব পাৰিছিল। গতিকে দেখা যায় যে সেইখিনি সময়ত পুত্ৰ সন্তানৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল। পুত্ৰসন্তান জন্ম দিব পাৰিলেহে সেই নাৰীক উপযুক্ত বুলি ভবা হৈছিল।[৪]

ভাৰতীয় সমাজত মনুস্মৃতি এখন ধৰ্মশাস্ত্ৰ। ই আনুমানিক খ্ৰীষ্টীয় প্ৰথম শতিকাৰপৰা দ্বিতীয় শতিকাৰ ভিতৰত ৰচিত। এই শাস্ত্ৰৰ নতুন নিয়মে নাৰীসকলক বন্দী কৰি পেলালে। মনুৰ

৩. *কৌটিলীয় অৰ্থশাস্ত্ৰ*, পৃ. ১১৩

৪. উক্ত গ্ৰন্থ, পৃ. ১১৯

বিধানবোৰৰ সকলো ক্ষেত্ৰতেই নাৰীক অৱদমন কৰাটো এক নিয়ম হৈ পৰিল। মনুৱে সকলোতে পুৰুষৰ শ্ৰেষ্ঠত্বক গুৰুত্ব দিলে। তেওঁৰ মতে গুণী পুৰুষৰ সৈতে বিয়া হ'লে পাপী স্ত্ৰীও পুৰুষৰ গুণযুক্তা হয়। সন্তান জন্ম দিয়া, প্ৰতিপালন কৰা আদিবোৰ পত্নীৰ ধৰ্ম। পতিক সেৱা শুশ্ৰূষা কৰি সন্তুষ্ট কৰি ৰখাটোও পতিব্ৰতা নাৰীৰ কাম। প্ৰথমা পত্নী থকাৰ পিছতো পতিয়ে দ্বিতীয় বিবাহ কৰাব পাৰে। কিন্তু পতি যদি দুৰাচাৰীও হয় তেন্তে পত্নীগৰাকী পতিব্ৰতা হৈয়ে থাকিব লাগিব। এগৰাকী নাৰীৰ জীৱনৰ সকলো সিদ্ধান্ত পিতৃ, ভাতৃ অথবা পতিৰ হাতত থাকে। পতিৰ মৃত্যুৰ হোৱাৰ পিছতো তেওঁকেই চিন্তি পত্নীগৰাকীয়ে গোটেই জীৱন কটাই দিব লাগিব। পতিসেৱাই নাৰীৰ বাবে যজ্ঞ, ব্ৰত, উপবাস। পতিৰ মৃত্যুৰ পিছতো সেয়েহে পতিৰ অপ্ৰিয় কাম কৰা উচিত নহয়।[৫] পৰপুৰুষৰ নাম উচ্চাৰণ কৰাটোও নাৰীৰ বাবে পাপ। স্বামীৰ মৃত্যু হ'লে পত্নীগৰাকীয়ে ফল-মূল খাইয়েই জীৱন কটাব লাগে। স্বামী যদি অজ্ঞানী অধৰ্মী হয় তেন্তে পত্নীয়ে তেওঁকেই দেৱতা জ্ঞান কৰিব লাগে। মনুৰ মতে নাৰীৰ মন স্বাভাৱিকতে বেয়া হয়। সেয়ে ইয়াৰ দ্বাৰা সকলো ঢাকি ৰাখিবলৈ নাৰীসকলক ঘৰুৱা কামত ব্যস্ত কৰি ৰাখিব লাগে। তেতিয়াহে নাৰীসকল শাসন অধীনত থাকিব। মনুৰ মতে বিবাহৰ যোগেদি নাৰীৰ পুণ্য সাধন হয়। মনুৱে পতিসেৱাক বেদ অধ্যয়ন আৰু পতিগৃহক গুৰুগৃহ বুলি কৈছে। সেই সময়ত কইনাই নিজে পতি মনোনীত কৰিব পাৰিছিল। বিবাহৰ ক্ষেত্ৰত দৰা-কইনাৰ মাজত বয়সৰ বহুত পাৰ্থক্য আছিল। এগৰাকী বাৰ বছৰীয়া কইনা ত্ৰিশ বছৰীয়া দৰাৰ বাবে আৰু আঠ বছৰীয়া কইনাৰ বাবে চৌবিছ বছৰ বয়সীয়া দৰা নিৰ্ধাৰণ কৰাৰ প্ৰথা আছিল। তেতিয়া বাল্যবিবাহৰ প্ৰথা প্ৰচলিত আছিল। পুত্ৰক আত্মাৰ সমান আৰু পুত্ৰীক পুত্ৰৰ সমতুল্য বুলি ভবা হৈছিল। অবিবাহিতা বাই-ভনীয়ে পিতৃৰ মৃত্যুৰ পিছত পৈতৃক সম্পত্তিৰ এক চতুৰ্থাংশকৈ প্ৰতিজন ভাতৃৰ পৰা পাইছিল।

পুৰুষে নাৰীক নিজৰ সম্পত্তি বুলি জ্ঞান কৰিছিল। নাৰীৰ ওপৰত পুৰুষৰ পূৰ্ণ কৰ্তৃত্ব আৰু প্ৰভুত্ব আছিল। প্ৰাচীন সমাজ ব্যৱস্থাত নাৰীয়ে স্বামী ঘৰত নথকা অৱস্থাত হাঁহিবও নোৱাৰিছিল। প্ৰসাধন কৰা আইনৰ ঘৰলৈ যোৱা আদি সকলোবোৰ নিষিদ্ধ আছিল। পত্নীক কেৱল দ্ৰব্যৰ দৰেহে ব্যৱহাৰ কৰা হৈছিল। অৱশ্যে তিৰোতাৰ জাত কৰ্মাদি আদি অনুষ্ঠানত বৈদিক মন্ত্ৰ ব্যৱহাৰ কৰিব পাৰিছিল। পুৰুষৰ ক্ষেত্ৰত বহুবিবাহ আছিল। পতিৰ সুখকেই নাৰী এগৰাকীয়ে নিজৰ সুখ বুলি ভাবিব লগা হৈছিল। ঘৰ এখন নিয়াৰিকৈ চলাই নিব পৰাকৈ পিতৃ-মাতৃয়ে

---

৫. *মনুসংহিতা,* শ্লোক **১৫৬**, প্ৰফুল্ল নাৰায়ণ বৰুৱা (অনু.) পৃ. **১৩৭**

কন্যাসন্তানক শিক্ষা দিছিল। এই সকলোবোৰ চাই-চিতি আমি ক'ব পাৰো যে মনুসংহিতা বা ধৰ্মশাস্ত্ৰৰ যুগত নাৰীৰ অৱস্থা অৱনমিত হয়।

একেদৰে ৰামায়ণ, মহাভাৰত এই দুখন মহাকাব্যতো মনুসংহিতাৰ প্ৰভাৱপৰা দেখা যায়। মহাকাব্য দুখন অধ্যয়ন কৰিলে সেই সময়ত নাৰী সম্পৰ্কীয় ব্যৱস্থাবোৰ পুৰুষৰ অধীনত থকা দৃষ্টিগোচৰ হয়। সীতা, সাবিৰত্ৰী, শকুন্তলা, দময়ন্তী, দৌপদ্ৰী আদি নাৰী চৰিত্ৰসমূহ মূলতঃ ভোগ্যবস্তুৰেই হৈ পৰিল। ভাৰতীয় সমাজৰ আদৰ্শত এওঁলোক আদৰ্শ নাৰী যদিও এওঁলোকৰ জীৱিত কালত যিখিনি অবমাননা পাইছিল তাৰ পৰা উপেক্ষিত বুলি ক'ব পাৰি। ভাৰতবৰ্ষত প্ৰাক্-আৰ্য সংস্কৃতিৰ পিছত আৰ্য সংস্কৃতি প্ৰতিষ্ঠা হৈছিল। বৈদিক যুগৰ শেষৰ ফালে পিতৃতান্ত্ৰিক সমাজ বৰস্থা গঢ় লৈ উঠিছিল। পিতৃতন্ত্ৰ ব্যৱস্থা অহাৰ লগে লগে কন্যাসকল একেবাৰে উপেক্ষিত হৈ পৰিল। বংশ ৰক্ষাৰ বাবে পুত্ৰৰ দৰকাৰ। সেয়ে যিগৰাকী নাৰীয়ে পুত্ৰ সন্তান জন্ম দিব নোৱাৰে তেওঁলোকক উপেক্ষিত কৰা হ'ল। ক্ৰমান্বয়ে নাৰীৰ অৱস্থা দুখজনক হৈ আহিল। মহাভাৰতৰ বহু ঠাইত উল্লেখ আছে যে নাৰীক কেৱল পুত্ৰ উৎপাদনৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হৈছিল। ৰামায়ণত সীতাই একো অপৰাধ নকৰা স্বত্তেও বাৰে বাৰে নিজৰ সতীত্বৰ পৰিচয় দিব লগা হৈছিল। আনহাতে স্বামীক ত্যাগ কৰা নাৰী চৰিত্ৰও মহাভাৰতত উল্লেখ আছে। বৈদিক যুগত নাৰীয়ে ৰথত উঠি যুদ্ধক্ষেত্ৰত নামি পৰিছিল আৰু তীৰ-ধনু চলোৱাত পাকৈত আছিল। প্ৰাচীন ভাৰতত নৃত্য-গীত, চিত্ৰাংকন আদিৰ শিক্ষা নাৰীক দিয়া হৈছিল।

মধ্যযুগৰ ছয়শ-সাতশ বছৰ নাৰীসকলৰ বাবে অন্ধকাৰ সময়। এই সময়ছোৱাত ধৰ্মক কেন্দ্ৰ কৰি যথেষ্ট যুদ্ধ হৈছিল। আৰু হিন্দুসকলে নাৰীক ৰক্ষা কৰিবলৈ বুলি মনু নিৰ্দেশিত বাল্যবিবাহ, পুৰুষৰ বহুবিবাহ, পৰ্দাপ্ৰথা আদি বিধানসমূহ মানিবলৈ ল'লে। এইখিনি সময়ত ভাৰতবৰ্ষত মোগল যুগৰ আৰম্ভ হ'ল। তেতিয়াৰ পৰাই স্ত্ৰীৰ স্বাধীনতাও ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰিলে। পৰ্দাপ্ৰথাই সমাজত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিলে। এই প্ৰথাৰ ফলত নাৰীসকল ঘৰৰ ভিতৰতে আৱদ্ধ হৈ পৰিল। শিক্ষা দীক্ষা আদি আৰু প্ৰতিভা বিকাশ হ'ব পৰাকৈ তেওঁলোকৰ একো উপায় নাছিল। সমগ্ৰ উত্তৰ ভাৰত আৰু বংগদেশৰ অভিজাত শ্ৰেণীৰ মাজত এই প্ৰথা শিপাবলৈ ধৰিলে। এনে অৱস্থাত নাৰীসকলে ঘৰৰ ভিতৰতে এক সীমাবদ্ধ জীৱন কটাব লগাত পৰিল। নাৰীৰ সন্মান কেৱল শাৰীৰিক সতীত্বৰ ওপৰত জোখ মাখ কৰা হ'ল। অৰ্থনৈতিক,

ৰাজনৈতিক, সামাজিক সকলো ক্ষেত্ৰতে নাৰীসকলৰ প্ৰতি অবিচাৰ কৰা হ'ল। বিবাহৰ ক্ষেত্ৰত নিজস্ব একো মতামত নোহোৰা হ'ল।

হিন্দুসকলৰ ধৰ্মগ্ৰন্থসমূহ প্ৰধানতঃ আৰ্য জাতিৰ সমাজ আৰু সভ্যতাৰ আলম লৈ ৰচনা কৰা হৈছিল। এইখিনিতে মন কৰিবলগীয়া যে ভূমিপুত্ৰ আদিবাসী সমাজ ব্যৱস্থা আছিল মাতৃতান্ত্ৰিক। এওঁলোকে স্বতন্ত্ৰীয়াকৈ থাকি পাহাৰে পৰ্বতে আশ্ৰয় লয়। আৰ্যভিন্ন আদিবাসীসকলৰ এচাম শূদ্ৰ শ্ৰেণীলৈ ৰূপান্তৰিত হয় আৰু তেওঁলোকে আৰ্যসকলৰ অনুশাসনৰ মাজত প্ৰৱেশ কৰে। যিসকল স্বতন্ত্ৰীয়াকৈ ৰৈ গৈছিল তেওঁলোকে স্বাধীনভাৱে থাকিবলৈ পালে। মাতৃতান্ত্ৰিক হোৱা হেতুকে এওঁলোকৰ ওপৰত পুৰুষতন্ত্ৰৰ কোনো বিধানে প্ৰভাৱ পেলাব নোৱাৰিলে।

শিক্ষা বা সামাজিক অৱস্থানৰ ক্ষেত্ৰত অভিজাত শ্ৰেণী বা সাধাৰণ শ্ৰেণীৰ নাৰীৰ মাজত যথেষ্ট পাৰ্থক্য আছিল। সাধাৰণ শ্ৰেণীৰ নাৰীৰ ওপৰত পুৰুষতন্ত্ৰৰ কোনো প্ৰভাৱ নপৰা হেতুকে তেওঁলোকে শ্ৰম কৰি স্বাধীনভাৱে মুক্ত জীৱন কটাব পাৰিছিল। ধৰ্মৰ ক্ষেত্ৰতো তেওঁলোকৰ কোনো বাধা নিষেধ নাছিল। আনহাতে অভিজাত শ্ৰেণীৰ নাৰীৰ মাজতে শাস্ত্ৰ ৰচনা বা পাণ্ডিত্য প্ৰকাশৰ অন্য সুবিধাসমূহ সীমাবদ্ধ আছিল। সাধাৰণ শ্ৰেণীৰ শ্ৰমিক নাৰীসকলে নিজাকৈ অৰ্থ উপাৰ্জন কৰিব পাৰিছিল বাবে তেওঁলোক ব্যক্তিজীৱনত স্বাধীনভাৱে জীয়াই থাকিব পাৰিছিল। কিন্তু এইসকল নাৰীয়ে ধনী শ্ৰেণী বা অভিজাত শ্ৰেণীৰ ঘৰত দাসীৰূপে থাকিব লগীয়া হৈছিল।

এই সময়ছোৱাত নাৰীৰ কোনো ধৰণৰ সামাজিক পৰিৱৰ্তন ঘটা দেখা নাযায়। মৌৰ্যযুগত দাসী ক্ৰয়-বিক্ৰয়ৰ নিয়ম আছিল। ৰাজ অন্তেষপুৰত বহুতো দাসী ৰাজপুৰুষৰ কামনাৰ বলি হ'বলগীয়া হৈছিল। নাৰীক ভোগ্যবস্তু হিচাপেহে গণ্য কৰা হৈছিল। গৃহিনী হিচাপে সমস্ত কাম কৰাৰ পিছতো পতিয়ে দ্বিতীয়বাৰ বিবাহ কৰালে মাত মতাৰ কোনো অধিকাৰ নাছিল।

ঋকবেদ আৰু অথৰ্ববেদত পুত্ৰ কামনাৰে স্ত্ৰী-পুৰুষৰ মিলনৰ উল্লেখ থকাৰ উপৰিও পুত্ৰ সন্তানৰ জন্ম কামনা কৰি পুত্ৰৰ জন্ম নিশ্চিত কৰাৰ বাবে বিভিন্ন যাদু-মন্ত্ৰ আৰু অনুষ্ঠানৰ আয়োজন কৰাৰ উল্লেখ আছে।[৬]

সকলোবোৰ চালি-জাৰি চাই আমি এইটো ক'ব পাৰো যে আৰ্যসকল পিতৃতান্ত্ৰিক অৱস্থালৈ ক্ৰমান্বয়ে গতি কৰাৰ লগে লগে নাৰীসকলৰ অৱস্থাও নিম্নগামী হ'বলৈ ধৰিলে। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা হিচাপে পুৰুষকে কৰ্তৃত্ব দিয়া হ'ল। নাৰী মূল্যহীন হৈ পৰিল। বংশবৃদ্ধিৰ ক্ষেত্ৰতো

---

৬. *অথৰ্ববেদ*, চতুৰ্থ সূক্ত **৮।৬।২৫**, পৃ. **১৩৯**। কল্যাণী বন্দোপাধ্যায় (অনু.)

নাৰীসকল কেৱল একোটা যন্ত্র হৈ থাকিল। নাৰীৰ সকলো বিচাৰ পুৰুষে কৰিবলৈ ল'লে। এনেদৰে অৱদমন প্রক্রিয়া বাঢ়ি গৈ থাকিল আৰু নাৰীসকলো অৱদমিত হৈ পৰিল। পিতৃতান্ত্রিক সমাজত নাৰী কেৱল পুত্রসন্তান জন্ম দি বংশ অক্ষুন্ন ৰখাৰ আহিলা হৈ পৰিল।

## ১.০২ পশ্চিমীয়া পটভূমিত নাৰী চেতনা

ইংৰাজী ফেমিনিজ্‌ম (Feminism) শব্দটোৰ প্রতিশব্দ হিচাপে অসমীয়া ভাষাত নাৰীবাদ শব্দটো ব্যৱহাৰ কৰা হৈছে। নাৰীবাদ ধাৰণাটো পোনপ্রথমে পাশ্চাত্যতে গঢ় লৈ উঠিছিল। অক্সফোর্ড ডিক্সনৰিৰ মতে **১৮৫০** খৃঃত এই শব্দটো প্রথমে ইংৰাজীত ব্যৱহৃত হৈছিল। **১৮৯৫** খৃঃত অর্থাৎ আজিৰপৰা প্রায় এশ বছৰ আগতে Feminism শব্দটো ব্যৱহাৰ কৰা হৈছিল। 'ফেমিনিজম' গ্রন্থৰ গ্রন্থকাৰ জন চাৰ্ভেৰ মতে নাৰীৰ পুৰুষৰ সৈতে সমতাৰ ধাৰা বা ভাৱেই নাৰীবাদ। সমাজত মতা মানুহ আৰু মাইকী মানুহ বুলি কোনো ভেদাভেদ থাকিব নালাগে, সমাজত সকলো কেৱল মানুহ। পুৰুষসত্বা আৰু নাৰীসত্বা বুলি কোনো ভিন্ন সত্বা নাই। দুয়োটিয়েই একে মানৱ সত্বা। মানুহৰ প্রকৃতি আৰু মূল্য লিংগৰ ভিত্তিত বিচাৰ কৰা অনুচিত। এয়েই হ'ল নাৰীবাদৰ সাৰ কথা।

নাৰীবাদৰ সংজ্ঞাৰ ক্ষেত্রত আমি প্রথমেই বহুকেইজন পাশ্চাত্য পণ্ডিতৰ মতামতলৈ চাব লাগিব। কাৰণ এই ধাৰণাটো একেদিনাই গঢ়ি উঠা নাই। বর্তমান আর্থ সামাজিক পৰিস্থিতিৰ সলনি যিদৰে হৈছে তাৰ লগে লগে নাৰী মানসিকতাৰ পৰিৱর্তন হৈছে। তাৰ পূর্বৰ পৰিস্থিতি অনুধাৱন কৰিবলৈ হ'লে নিশ্চয় আমি ইয়াৰ আগৰ ক্ষেত্রখনলৈ যাবই লাগিব। নাৰীৰ মাজত আত্মচেতনাবোধ বর্তমান যিদৰে গঢ় লৈ উঠিছে, ইয়াৰ পূর্বতে আছিল নাৰী বঞ্চনাৰ অন্য এখন চিত্র। যাৰ কাৰণে পশ্চিমীয়া ৰাষ্ট্রত নাৰীবঞ্চনাৰ বিৰুদ্ধে আন্দোলন গা কৰি উঠিছিল।

আমি পাশ্চাত্য পণ্ডিতসকলৰ সংজ্ঞাসমূহলৈ চকু ফুৰাই চালে নাৰীবাদৰ আৰম্ভণিৰ ক্ষেত্রখনৰপৰা বর্তমান পর্যায়লৈ কথাবোৰ স্পষ্ট হ'ব পাৰো। নাৰীবাদৰ প্রথম সূত্রপাত হয় প্রখ্যাত ইংৰাজ দার্শনিক জন ল'ক (John Locke)ৰ **১৬৮৯** খৃঃত প্রকাশিত চেকেণ্ড ট্রীটিজ অব গভৰ্ণমেণ্ট (Second Treatise of Government) নামৰ গ্রন্থখনত। জন লকৰ গ্রন্থখনত নাৰী আৰু পুৰুষ যে সমান মর্যাদা সম্পন্ন ব্যক্তিসত্বা এই কথা উল্লেখ কৰা আছে। লকৰ গ্রন্থখন ৰাজনীতি বিজ্ঞানৰ গ্রন্থ। ইয়াত সকলো মানুহেই সমান বুলি কৈ তেওঁ সকলোৰে ৰাজনৈতিক আৰু নাগৰিক

অধিকাৰ পোৱাৰ কথা উল্লেখ কৰিছে। লকৰ মতে স্বামী স্ত্ৰী দুগৰাকী পৰস্পৰে পৰস্পৰৰ সংগীহে। কোনো কাৰোৰ কৰ্তৃত্বৰ অধীন নহয়। তদুপৰি সন্তানৰ ক্ষেত্ৰতো দুয়ো সমানে স্বাধীন বুলি লকৰ গ্ৰন্থখনত উল্লেখ কৰিছে। এওঁৰ গ্ৰন্থখনত অৱশ্যে এককভাৱে নাৰীৰ অধিকাৰ সাব্যস্ত কৰাৰ কথা উল্লেখ নাই, ইয়াত সকলো মানুহ সমান বুলি কৈ সমান অধিকাৰৰ কথাহে তেওঁ দেখুৱাইছে।[৭]

নাৰীৰ অধিকাৰ লৈ যিখন গ্ৰন্থ প্ৰকাশিত সেইখন হৈছে ফৰাচী দাৰ্শনিক কডঁৰ্চেৰ (Condoreet) "এডমিশ্যন অৰ ৱমেন টু ফুল চিটিজেন্‌শ্বিপ" (Admission of Woman to Full Citizenship)। ল'কৰ গ্ৰন্থ প্ৰকাশ হোৱাৰ প্ৰায় এশবছৰ পিছত ১৭৯০ খৃঃত কডঁচেই এই গ্ৰন্থ লিখি উলিয়াইছিল। এই গ্ৰন্থখনত নাৰীৰ নাগৰিকত্বক পূৰ্ণ স্বাধীনতা দিয়াৰ কথা উল্লেখ কৰা হৈছে। কাৰণ পুৰুষৰ দৰেই নাৰীও এক নিৰ্দিষ্ট মানৱ সত্বা। এওঁলোকো পূৰ্ণ নাগৰিক। এওঁলোকক সন্মান জনাই পূৰ্ণ স্বাধীনতা দিয়াৰ সপক্ষে কডঁচেৰ গ্ৰন্থখনত উল্লেখ পোৱা যায়।

এনেদৰে দেখা যায় যে নাৰীবাদৰ প্ৰথম যিটো উকমুকনি সেয়া প্ৰথমে পুৰুষ চিন্তাবিদৰ আলোচনাতেই প্ৰকাশ পায়। কডঁচেৰ গ্ৰন্থৰ দুবছৰ পিছত প্ৰকাশ পায় মেৰী উলষ্টোন্‌ক্ৰোফ্‌ট (Mary Woll stonecraft) ৰ নাৰীবাদী চিন্তাধাৰাৰ গ্ৰন্থ-- "এ ভিণ্ডিকেশ্যন অৰ দ্য ৰাইট্‌চ অৰ ৱমেন"। ১৭৯২ চনত পোন প্ৰথমবাৰৰ বাবে এই গৰাকী মহিলা চিন্তাবিদৰ চিন্তাত স্পষ্ট হৈ উঠিছিল নাৰীবাদ বিষয়ক অন্য কিছুমান তথ্য। এওঁ প্ৰথমেই উল্লেখ কৰিছে যে নাৰী এক মানৱসত্বা (human being), ই যৌন সত্বা নহয়।[৮] কোনো নাৰী পুৰুষৰ যৌনক্ৰিয়াৰ খেলাৰ সামগ্ৰী হ'ব নোৱাৰে বুলি এইগৰাকী চিন্তাবিদে স্পষ্টভাৱে উল্লেখ কৰিছে। নাৰীৰ জীৱন কেৱল পুৰুষৰ সেৱিকা নহয় অথবা কেৱল বিবাহ আৰু সন্তান উৎপাদনেই নাৰীৰ জীৱনৰ পৰিপূৰ্ণতা নহয়। শিক্ষাৰ ক্ষেত্ৰতো তেওঁ উল্লেখ কৰিছে যে ল'ৰা-ছোৱালীৰ শিক্ষা পদ্ধতি একেই হোৱা উচিত। স্ত্ৰী শিক্ষা বুলি এটা পৃথক শিক্ষা পদ্ধতিৰ তেওঁ বিৰোধিতা কৰিছে। নাৰীবাদৰ ওপৰত লিখা এই গৰাকী মহিলা লেখকৰ গ্ৰন্থখনিত আমি বিতৰ্কৰ ছাপ পৰা দেখিবলৈ পাওঁ। পোনপটীয়াকৈ তেওঁ ফৰাচী চিন্তাবিদ আৰু ফৰাচী বিপ্লৱৰ সমৰ্থক জ্যাঁ জেক্ ৰুছোৰ 'এমিল' (১৭৬২) গ্ৰন্থখনৰ বিৰোধিতা কৰিছিল। এই কথাৰ প্ৰমাণ পোৱা যায় মেৰী উল্‌ষ্টোন্‌ক্ৰাড্‌টৰ "A Vinddication of the Rights of Woman" গ্ৰন্থখনত 'এমিল' গ্ৰন্থত ৰুচোৱে উল্লেখ কৰা মতে নাৰীসকলে শিক্ষা গ্ৰহণ কৰিব লাগে পুৰুষসকলক গুৰুতৰ কামত সহায় আগবঢ়াই সেই কাম সফল কৰি তুলিবলৈহে।

এনে ক্ষেত্ৰত তেওঁ নাৰীৰ বাবে পৃথক শিক্ষাদানৰ প্ৰসংগটো উল্লেখ কৰিছে। ৰুচোৰ এনেধৰণৰ কথাৰ বিৰোধিতা কৰি মেৰী উল্‌ষ্টোন্‌ক্ৰাফটে এনেদৰে গ্ৰন্থ লিখি উলিয়াইছিল।

উনবিংশ শতিকাৰ মাজভাগত আমি দেখিবলৈ পাওঁ যে আমেৰিকাত নাৰীসকলে পুৰুষৰ দৰে সমান অধিকাৰৰ দাবী তুলিছিল। **১৮৪৮** খ্ৰীঃত মহিলাসকলে কেতবোৰ দাবী উত্থাপন কৰি (Declaration of Sentiments by Woman Rights Convention) আমেৰিকাৰ চৰকাৰে নাৰীক অধিকাৰৰ পৰা বঞ্চিত কৰিছে বুলি সভা পাতিলে। সমগ্ৰ পাশ্চাত্যত ইয়ে নাৰীমুক্তিৰ দাবী হিচাপে উত্থাপিত হ'ল। নাৰী স্বতন্ত্ৰৰ প্ৰসংগটোৱে আমেৰিকাৰ সমাজত জাগৰণৰ সৃষ্টি কৰিলে।

এনেদৰে বিভিন্নজন চিন্তাবিদৰ চিন্তাধাৰাই নাৰীবাদৰ ধাৰাটো সম্প্ৰসাৰিত কৰিছিল। ঊনবিংশ শতাব্দীৰ মাজভাগতেই ইংৰাজ চিন্তাবিদ জন ষ্টুৱাৰ্ট্ মিলৰ (John Stuart Mill)ৰ **১৮৬৯** চনত নাৰীবাদৰ অন্যতম গ্ৰন্থ 'দ্য ছাবজেক্‌শ্যন্ অৱ উইমেন" (The Subjection of Women) প্ৰকাশ পায়। গ্ৰন্থখনত তেওঁ নাৰী-পুৰুষৰ আইনগত দিশৰ পৰাও সমঅধিকাৰ আছে বুলি উল্লেখ কৰিছে। **১৮৬১** চনতেই তেওঁ এই কিতাপখন লিখিছিল আৰু নাৰীৰ ভোটাধিকাৰ সম্পৰ্কীয় আন্দোলনৰ সময়ত প্ৰকাশ কৰিছিল। নাৰীৰ স্বাধীনতাৰ প্ৰতি তথা ইচ্ছা অনিচ্ছাৰ প্ৰতি মিলৰ যথেষ্ট শ্ৰদ্ধা আছিল। মিলৰ মতে খৃষ্টান দেশৰ দাসীসকলতকৈও নাৰীৰ অৱস্থা শোচনীয়, দাস-দাসীৰ যি অলপ হ'লেও অধিকাৰ আছে তাৰ পৰাও পত্নীসকল বঞ্চিত। স্বামীয়ে নাৰীক ভোগৰ সামগ্ৰী হিচাপ জ্ঞান কৰে। মিলৰ এই গ্ৰন্থখনৰ প্ৰভাৱ আছিল গভীৰ আৰু ব্যাপক। এনেধৰণৰ চিন্তাই নাৰী ভোটাধিকাৰ আন্দোলনকাৰীক এক অনন্য নতুন উদ্যমেৰে যুঁজাৰ প্ৰেৰণা দিছিল। **১৯৮২** চনত প্ৰকাশিত জন চাৰ্ভেই (John Charvet)ৰ 'ফেমিজিনম' (Feminism) গ্ৰন্থত উল্লেখ কৰা মতে নাৰীৰ পুৰুষৰ সৈতে সমধাৰণা বা ভাৱেই নাৰীবাদ। তেওঁ ক'ব বিচাৰে যে পুৰুষ নাৰী বুলি কোনো পৃথক সত্বা নাই। দুয়োটিয়েই হৈছে মানৱসত্বা, ইয়াক ব্যক্তিসত্বা অথবা নাৰীসত্তা বা পুৰুষসত্বা বুলি তেওঁ ক'ব খোজা নাই। মানৱ প্ৰজাতি হিচাপে তেওঁ অংকন কৰিছে আৰু লিংগ ভিত্তিত বিচাৰ কৰি ভেদা-ভেদ অনা অনুচিত বুলি জন চাৰ্ভেই তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে।[৯]

---

৭. শৰ্মা, গোবিন্দ প্ৰসাদ ঃ *নাৰীবাদ আৰু অসমীয়া উপন্যাস*, পৃ. ২

৮. উক্ত গ্ৰন্থ, পৃ.৩

৯. John, Charvet ঃ *Feminism*, p.1

এনেদৰে দেখা যায় নাৰীবাদৰ সূত্ৰপাত বিভিন্নজনৰ চিন্তাধাৰাৰে পাশ্চাত্যত উৎপত্তি হৈ সমগ্ৰ বিশ্বতে এই ধাৰণাটো বৰ্তমান বিয়পি পৰিছে। তদুপৰি এই কথাও আমি উল্লেখ কৰিব লাগিব যে বিভিন্নজন চিন্তাবিদে নাৰীবাদৰ বিভিন্ন শাখা প্ৰশাখাৰ কথা প্ৰকাশ কৰিছে।

এলিছ্নি এম জাগৰ (Alison M. Jaggar) ৰ মতে নাৰীবাদক চাৰিটা শাখাত ভাগ কৰিব পাৰি--

১) উদাৰবাদী নাৰীবাদ

২) মাৰ্ক্সিষ্ট নাৰীবাদ

৩) মৌল নাৰীবাদ

৪) উত্তৰ আধুনিক নাৰীবাদ

ক্ৰীছ্ বেছলিৰ (Chrib Beasley)ৰ মতে--

১) উদাৰবাদী নাৰীবাদ,

২) মৌলিক নাৰীবাদ,

৩) মাৰ্ক্সীয় বা সমাজবাদী নাৰীবাদ।

জন চাৰ্ভেই ৰ মতে--

১) ব্যক্তিবাদী

২) সমাজবাদী আৰু

৩) মৌল নাৰীবাদ হিচাপে বিভক্ত কৰিছে।

ৰ'জমেৰী টঙ (Rosemary Tong) এ আকৌ নাৰীবাদক ৮ টা ভাগত বিভক্ত কৰিছে--

১) উদাৰবাদী নাৰীবাদ,

২) মাৰ্ক্সিষ্ট নাৰীবাদ,

৩) মৌল মাতৃত্বসূচক নাৰীবাদ

৪) মৌল যৌনতাসূচক নাৰীবাদ

৫) মনস্তাত্ত্বিক নাৰীবাদ

৬) সমাজবাদী নাৰীবাদ

৭) বিশুদ্ধবাদী নাৰীবাদ

৮) উত্তৰ আধুনিক নাৰীবাদ

পাশ্চত্যৰ চিন্তাবিদসকলৰ সমান্তৰাল ভাৱে আমাৰ অসমীয়া সাহিত্যতো এগৰাকী চিন্তাবিদ গোবিন্দ প্ৰসাদ শৰ্মাই নাৰীবাদৰ চাৰিটা ভাগত ভাগ কৰি দেখুৱাইছে--

১) ব্যক্তিবাদী নাৰীবাদ

২) সমাজবাদী নাৰীবাদ

৩) মৌল নাৰীবাদ

৪) সমলিংগিনীবাদ

এই আটাইবোৰ শাখা প্ৰশাখাক একেলগ কৰি আমি নাৰীবাদক ব্যক্তিবাদী নাৰীবাদ, সমাজবাদী নাৰীবাদ আৰু মৌল নাৰীবাদ এই তিনিটা ভাগত ভাগত ভাগ কৰিব পাৰো।

ওপৰৰ সংজ্ঞাসমূহ চালিজাৰি চালে প্ৰতিটো সংজ্ঞাতেই আমি ব্যক্তিবাদী নাৰীবাদ (Individualist feminism) স্পষ্ট ৰূপত ফুটি উঠা দেখিবলৈ পাওঁ। এইসকল পাশ্চাত্য পণ্ডিতে মানুহৰ ব্যক্তিসত্বাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নাৰীসত্বা বা পুৰুষসত্বা বুলি কোনো ধৰণৰ পৃথক সত্বাৰ ওপৰত ব্যক্তিবাদী নাৰীবাদীসকল বিশ্বাসী নহয়। এওঁলোকে মানৱ তথা ব্যক্তিসত্বাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সেয়ে ব্যক্তিবাদী নাৰীবাদীসকলৰ মতে নাৰীৰ ব্যক্তি স্বাধীনতাৰ ক্ষেত্ৰতো সমানেই গুৰুত্ব আৰোপ কৰিব লাগে। আনহাতে সমাজবাদী নাৰীবাদৰ ক্ষেত্ৰত কথাটো অলপ সুকীয়া ধৰণৰ হয়। কাৰ্লমাৰ্ক্সৰ চিন্তাধাৰাৰ মাজত সমাজবাদী নাৰীবাদৰ ধাৰণা নিহিত হৈ আছে। অৱশ্যে কাৰ্লমাক্সে নাৰীবাদ আৰু নাৰীৰ সমান অধিকাৰৰ সম্পৰ্কে সুকীয়া ,সুকীয়াকৈ আলোচনা কৰা নাই। কাৰ্লমাৰ্ক্সৰ মতে ব্যক্তিসত্বা একে সময়তে সামাজিক সত্বাও। মাৰ্ক্সৰ ধাৰণামতে আমি এইটো ক'ব পাৰো যে পুৰুষৰ দৰেই নাৰীও হৈছে ব্যক্তিসত্বাৰ লগতে সামাজিক সত্বাও। গতিকে পৰম্পৰাগত অথবা সামাজিক বাধা নিষেধ জোৰ জুলুমকৈ নাৰী এগৰাকী ওপৰত জাপি দিয়াৰ অধিকাৰ কাৰো নাই। নাৰীৰ ব্যক্তিগত স্বাধীনতা অক্ষুণ্ণ ৰখাত পুৰুষৰ দৰেই নাৰীৰো অধিকাৰ আছে।

মৌল নাৰীবাদৰ ধাৰণাটো অন্য দুবিধ নাৰীবাদী ধাৰণাতকৈও সম্পূৰ্ণৰূপেই পৃথক হয়। এওঁলোকৰ মতে সমাজত চলি অহা বিবাহ প্ৰথাই নাৰীৰ স্বাধীনতা খৰ্ব কৰে। পুৰুষৰ সংগত থাকিলে যদি নাৰীৰ ওপৰত সেই পুৰুষজনে নিজৰ অধিকাৰ সাব্যস্ত কৰিব খোজে তেন্তে সেই সংগ নাৰীগৰাকীয়ে ত্যাগ কৰা উচিত। ব্যক্তিবাদী নাৰীবাদী মেৰী উল্ষ্টোনক্ৰাইট্ মিল আদিয়ে মানৱ প্ৰকৃতি বা মানৱসত্বাত বিশ্বাস কৰে। কোনো ধৰণৰ যৌন প্ৰকৃতি বা সত্বাত এওঁলোক

বিশ্বাসী নহয়। পুৰুষ সংগত থাকি নিজক নাৰী এগৰাকীয়ে বিসৰ্জন দিয়াটো যুক্তিসংগত কথা নহয়। এইক্ষেত্ৰত বুদ্ধিজীৱী মহিলা চিমোন ডি বোভোৱা (Simone de Beauvour) ৰ "দ্য চেকেণ্ড চেক্স" (১৯৪৯, The Second Sex) গ্ৰন্থখনৰ কথা উল্লেখ কৰিব পাৰি। নব্য বাওঁপন্থী আন্দোলনৰ সমৰ্থক আমেৰিকাৰ মৌল নাৰীবাদী মহিলা জাৰ্মেইন গ্ৰীয়াৰে (Germaine Greer) এ "দ্য ফিমেইল ইউনাক্" (১৯৭০, The Female Eunuch) গ্ৰন্থত উল্লেখ কৰিছে যে প্ৰকৃতি প্ৰদত্ত হিচাপে নাৰী কোনো পৰাশ্ৰয়ী যৌনসত্বা নহয়। পুৰুষসকলৰ দমনত পৰিহে এওঁলোক নিষ্প্ৰাণৰ দৰে হৈ পৰিছে। যুগ যুগ ধৰি চেপা দি পুৰুষে এওঁলোকৰ স্বাধীনতা খৰ্ব কৰিছে লগতে স্বপ্ৰতিভা বিকাশতা হেঙাৰ হৈ পৰিছে।

মৌল নাৰীবাদে নাৰীৰ অধিকাৰ খৰ্ব কৰাৰ ক্ষেত্ৰত উচিত মন্তব্য দিলেও কিন্তু এওঁলোকে পুৰুষৰ সংগ একেবাৰেই বৰ্জনীয় বুলি কোৱা নাই। কিন্তু লেজ্‌বিয়ানিজম বা সমলিংগবাদ এনে এক মৌল নাৰীবাদ যিয়ে সম্পূৰ্ণৰূপে পুৰুষৰ সংগত থকাৰ বিৰোধী। এই নাৰীবাদে একমাত্ৰ নাৰীৰ সংগত থাকি জীৱন অতিবাহিত কৰাতেই পক্ষপাতী। প্ৰবাদমতে খ্ৰীঃ পূঃ সপ্তম শতিকাৰ গ্ৰীক মহিলা কবি ছেফোৱে জীৱনৰ এটা অৱস্থিতি পুৰুষৰ সংগৰ পৰা সম্পূৰ্ণ আঁতৰি গৈ ইজিয়ান সাগৰৰ লেজবছ্ দ্বীপত কেতবোৰ মহিলা সংগী গোটাই লৈ দিন কটাইছিল। মৌল নাৰীবাদী সকলৰ পুৰুষবৰ্জনৰ পক্ষপাতী গোটটিয়ে নিজৰ অস্তিত্ব মৌল নাৰীবাদী সকলৰ পৰা পৃথক কৰিবলৈ নিজৰ বাবে নাম বাচি লৈছে লেজ্‌বিয়ান্। প্ৰাচীন মহিলা কবি ছেফোৰ সেই পুৰুষবৰ্জিত আশ্ৰয়ৰ জীৱন পদ্ধতিয়েই এওঁলোকৰ আদৰ্শ বুলি দেখুৱাবলৈকেই ছেফোৰ বাসস্থান লেজবচৰ পৰাই এওঁলোকে উলিয়াই লৈছে লেজ্‌বিয়ান। এনেকৈয়েই এই দৰ্শনৰো নাম হৈছেগৈ লেজ্‌বিয়ানিজম্।[১০]

## ১.০৩ অসমীয়া সাহিত্যত নাৰী চেতনা

অসমীয়া সাহিত্যত নাৰী চেতনাৰ কথা ক'ব লাগিলে আমি প্ৰথমে পুৰণি অসমীয়া সাহিত্যত নাৰী চেতনা সম্পৰ্কীয় কথাবোৰ চালি-জাৰি চাব লাগিব। পুৰণি কালৰেপৰা অসমখন সৰু-বৰ জনজাতিৰে বিস্তৃত হৈ আছে। নৃতাত্ত্বিক দিশৰ পৰা বিচাৰ কৰিলে দেখা যায় যে এই ভূ-খণ্ড আৰ্য আৰু আৰ্যভিন্ন লোকৰ সমষ্টিৰে ভৰি আছে। পুৰণি অসমত নাৰীক উচ্চ আসন দিয়া

১০. শৰ্মা, গোবিন্দ প্ৰসাদ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৪

হৈছিল। লগতে জনজাতীয় সমাজ মাতৃ প্ৰধান হোৱাৰ বাবে নাৰীৰ অধিকাৰ অতি উচ্চ আছিল।

সাহিত্যত সমাজৰ দিশবোৰ প্ৰতিফলিত হয়। সমাজত ঘটি থকা বিভিন্ন কাৰকবোৰ লেখকৰ লেখনিত প্ৰতিফলন ঘটে। পুৰণি অসমীয়া সাহিত্যত অসমীয়া সমাজত নাৰী চেতনাৰ ধাৰণা কেনেদৰে পৰিছিল তাক বিচাৰ কৰা হৈছে। পুৰণি অসমীয়া সাহিত্য বুলিলে লোকসাহিত্য, তাম্ৰশাসন, চৰ্যাপদৰ লগতে প্ৰাক্-শংকৰী, শংকৰী আৰু শংকৰোত্তৰ যুগৰ সাহিত্যক অন্তৰ্ভুক্ত কৰিব পাৰি।

**লোকসাহিত্য**

পুৰণি অসমীয়া সমাজখন আছিল পৰম্পৰাগত লোকসমাজ। লোকসাহিত্যৰ মাজেৰে লোকসমাজৰ ধ্যান-ধাৰণা আৰু চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটে। গীত-মাত, প্ৰবাদ-প্ৰবচন, সাঁথৰ, নিচুকনি গীত, ধাইনাম আদি লোকসাহিত্যৰ নিদৰ্শন। পুৰুষানুক্ৰমে চলি অহা নিৰক্ষৰ জনসমাজৰ দ্বাৰা সৃষ্ট লোকসাহিত্য সমূহত নাৰী সম্পৰ্কীয় চেতনাৰ উমান পোৱা যায়। ইয়াৰ যোগেদি পুৰণি সাহিত্যত অসমীয়া নাৰীৰ ধ্যান-ধাৰণা বিশ্লেষণ কৰি চাব পাৰি। বিভিন্ন লোকোক্তিৰপৰা অসমীয়া সমাজত নাৰীৰ স্থান যে পুৰুষতকৈ তলত তাৰ উমান পোৱা যায়। এগৰাকী নাৰীৰ বাবে পতি ধৰ্মই মূল আছিল। পতিহীনা নাৰীক সন্মানৰ চকুৰে চোৱা নহৈছিল। লগতে পতিৰ মৃত্যুৰ বাবে পত্নীগৰাকীকে ‘কুলক্ষণী’ বুলি তিক্ত বাক্যবাণ নিক্ষেপ কৰিছিল। পতিৰ মৃত্যুৰ পিছত নাৰীগৰাকীয়ে অতি কষ্টৰ জীৱন-যাপন কৰিব লগা হৈছিল। বিভিন্ন লোকোক্তিৰ মাজেৰে ইয়াৰ প্ৰতিফলন ঘটা দেখা যায়—

ক) কুকিল সুন্দৰ হয় মাতত
তিৰোতা সুন্দৰ হয় স্বামীৰ হাতত

খ) তিৰীক কিলে, মিৰিক কিলে

গ) অস্ত্ৰত শিল, তিৰীত কিল

ঘ) তিৰীৰ কথা শুনে যিটো
অধোগতি যায় সিটো

ঙ) লাও যিমানেই ডাঙৰ নহওক পাতৰ তল

চ) চৰুক সুধি চাউল নবঢ়ায়

ছ) সাশুৰিত সুধি কৰে যত কৰ্ম।

সেই নাৰীক নাছাৰে ধৰ্ম।।
কড়া-কড়ি সঞ্চ ধন।
সদায় মুখত মিষ্ট বচন।।
স্বামীক পূজে গোধূলি ৰাতি।
সেহিসে নাৰী লক্ষ্মী জাতি।।

এনেদৰে এই লোকোক্তিবোৰৰ পৰা এইটো দেখা যায় যে পুৰণি কালতো নাৰীক সদায় পুৰুষৰ অধীন বুলি ভবা হৈছিল। লোকসাহিত্যবোৰ সাধাৰণ লোকৰ মুখে মুখে চলি অহা। সমাজৰ কথাবোৰ এনেদৰে মানুহৰ মুখে মুখে প্ৰতিফলিত হয়। নাৰী চেতনাক পুৰুষ সমাজে দমন কৰি ৰখাৰ ধাৰণাটো অনুমান কৰিব পাৰি।

**তাম্ৰশাসন ঃ**

প্ৰাচীন অসমৰ বিভিন্ন ৰাজবংশৰ ৰজাসকলৰ দ্বাৰা সৃষ্ট তাম্ৰশাসনৰ লিপিবোৰৰ পৰা সেই সময়ৰ অসমৰ নাৰীচেতনা তথা নাৰী স্থানৰ কথা গম পাব পাৰি। তাম্ৰশাসনবোৰত উচ্চ শ্ৰেণীৰ নাৰীৰ বিষয়ে পোৱা যায়। প্ৰাচীন কামৰূপৰ মহিষীসকলৰ নাম ৰজাসকলৰ লগত জড়িত আছিল। মাতৃসুলভ আৰু পতিব্ৰতা ৰাণীসকলক দেৱীৰ লগত তুলনা কৰি লিখা হৈছে। সেই সময়ত যে দেৱদাসী প্ৰথা আৰু বেশ্যা ব্যৱস্থা প্ৰচলন আছিল তাৰ তথ্য তাম্ৰশাসনসমূহৰপৰা গম পাব পাৰি। তাম্ৰশাসনসমূহৰপৰা মধ্য আৰু নিম্ৰশ্ৰেণীৰ নাৰীসকলৰ সামাজিক অৱস্থান গম পাব নোৱাৰি। ৰজা বনমালীদেৱৰ শাসনত হাতী, ঘোঁৰা, সোণ, ৰূপ দান কৰাৰ লগতে উৎকৃষ্ট উপহাৰ হিচাপে নাৰীক ব্যৱহাৰ কৰিছিল বুলি তাম্ৰশাসনবোৰৰপৰা জানিব পাৰি। অৰ্থাৎ সেইখিনি সময়ত যে কিছুসংখ্যক নাৰী পণ্য বস্তুৰ দৰে ব্যৱহাৰ হৈছিল তাৰেই প্ৰমাণ কৰে।

**চৰ্যাপদ**

অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন হৈছে চৰ্যাপদ। ইয়াৰ ৰচনাকাল অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকা। চৰ্যাপদসমূহ একপ্ৰকাৰৰ দোহা বা গীত। এইবোৰৰ মাজেৰে প্ৰাচ্য ভাৰত তথা প্ৰাচীন কামৰূপৰ সামাজিক পটভূমি পৰিস্ফুট হৈছে। নাৰীৰ সামাজিক স্থান তথা নাৰী চেতনাৰ কথা চৰ্যাপদৰ মাজেৰে অংকিত হৈছে। উল্লেখযোগ্য যে চৰ্যাকালীন সমাজত পুৰুষতকৈ

নাৰীৰ স্থান সক্ৰিয় ৰূপত দেখা যায়।

**৩** নং চৰ্যাত নাৰীয়ে মদ বিক্ৰী কৰাৰ কথা পোৱা যায়—

এক সেই শুশুনী সোমায় দুই ঘৰত।
বাবুণী বান্ধে তাই চিকুণ পাতত।।

একেদৰে **১০** নং চৰ্যাত ডোম্বী যুৱতীৰ নৃত্য পটুটাৰ কথা গম পোৱা যায়। লগতে ডোম্বী (ডোম) নাৰীৰ বেশ্যা বৃত্তিৰ কথাও **১০** নং চৰ্যাত উল্লেখ আছে।

**১৪** নং চৰ্যাত ডোম যুৱতীয়ে নাও চলোৱাৰ কথাই প্ৰমাণ কৰে যে সেই সময়ৰ সমাজত নাৰী আৰ্থিকভাৱেও স্বাৱলম্বী আছিল।

নাও বাই মাজেৰে গংগা যমুনাৰ।
মগ্ন মাতংগীয়ে যোগীক হেলাই কৰে পাৰ।।
নাও বোৱা ডোম্বী পথে বিলম্ব নকৰি।
সদগুৰুৰ প্ৰসাদে পুনু যাওঁ জিনপুৰী।।

**প্ৰাক্-শংকৰী যুগ**

প্ৰাক্-শংকৰী যুগত মূলতঃ মহাভাৰত, ৰামায়ণ, পুৰাণ, উপনিষদৰ অনুবাদৰ আলমত সাহিত্যৰাজিৰ ৰচনা হৈছিল। গতিকে এই যুগৰ সাহিত্যত অসমীয়া নাৰীৰ ৰূপ বা অসমীয়া নাৰীৰ স্থান পোৱা নাযায়। প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিয়ে চতুৰ্দশ শতিকাত বাল্মীকি ৰামায়ণ অনুবাদ কৰিছিল। কন্দলিৰ ৰামায়ণখনক বাল্মিকী ৰামায়ণখনৰ অসমীয়া সংস্কৰণ বোলা হয়। মাধৱ কন্দলিৰ চৰিত্ৰ অংকনত অসমীয়া নাৰী আৰু সমাজৰ চিত্ৰ লক্ষ্য কৰা যায়। সমকালীন সমাজ ব্যৱস্থাত উচ্চ বংশ জাত আৰু নিম্ৰশ্ৰেণীৰ নাৰীৰ মৰ্যাদা বেলেগ বেলেগ আছিল। মাধৱ কন্দলিৰ 'নটৰ নটিনী যেন মানক বিলাহা' কথাষাৰৰ পৰা অনুমান কৰিব পাৰি সেইসময়ত নটিনী বৃত্তিৰ প্ৰচলন আছিল। এওঁলোকৰ যৌন স্বাধীনতা নাছিল আৰু এওঁলোক সকলোৰে উপভোগ্য আছিল বুলি অনুমান কৰিব পাৰি।

**শংকৰী যুগ**

পঞ্চদশ শতিকাৰ শেষৰফালে শংকৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল। শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ সময়ত অসমীয়া সমাজত নাৰীৰ স্বাধীনতা

একেবাৰে নাছিল। গীত-মাত, নৃত্য আদি কোনো ক্ষেত্ৰতে নাৰীয়ে অংশগ্ৰহণ কৰিব নোৱাৰিছিল। সেইসময়ত মনুস্মৃতিৰ আদৰ্শেৰে নাৰীসকলক পৰিচালিত কৰিছিল। কন্যাদায়গ্ৰস্ত পিতৃয়ে নিজৰ কন্যাক সদায় সুৰক্ষিত স্থানত ৰাখিছিল কাৰণ বিবাহৰ পূৰ্বে কন্যাৰ চৰিত্ৰ নষ্ট হ'লে পিতৃ-মাতৃয়ে নৰকত বাস কৰিব লাগিব বুলি বিশ্বাস কৰিছিল। আনকি বাণ ৰজাই কন্যাকাল প্ৰাপ্তি হোৱাৰ পিছত জীয়েক ঊষাক সখীগণৰ লগত ৰখাৰ ব্যৱস্থা কৰিছিল--

নতু বিহাদেন্তে জদি কন্যা নষ্ট জায়।
ইহলোকে পাপ পৰলোকে নৰ্ক পায়।।
জদি নষ্ট কন্যা বিহাদেই মাৱে-বাপে।
একৈশ পুৰুস ভুঞ্জে নৰ্ক সেহি পাপে।।
আৰো সুণি আচো মঞি ভাৰত পুৰান।
জিউ দুষ্টা ভৈলে পিতৃ চাণ্ডাল সমান।।

বৈষ্ণৱ কবিসকলে তেওঁলোকৰ লেখনিত ধৰ্মীয় কাৰণত নাৰীৰ সংগ বৰ্জন কৰিবলৈ উপদেশ দিছে। সেই সময়ত অসমীয়া নাৰীৰ সামাজিক মৰ্যাদা নিম্ন আছিল। কীৰ্তনৰ হৰমোহন খণ্ড আৰু ভক্তি ৰত্নাকৰ গ্ৰন্থত শংকৰদেৱে নাৰীৰ মায়া ত্যাগ কৰিব দিছে—

ক) ঘোৰ নাৰী -মায়া সৰ্ব্ব মায়াতে কুৎসিত।
মহাসিদ্ধ মুনিৰো কটাক্ষে মোহে চিত্ত।।
দৰশনে কৰে তপ জপ যোগ ভংগ।
জানি জ্ঞানীগণে কামিনীৰ এড়ে সংগ।।

খ) পৰম অনৰ্থকাৰী নাৰী সমন্বয়।
নাৰী সংগে বহু দুঃখ পুৰুষে লভয়।।

পিছলৈ নৱবৈষ্ণৱ ধৰ্মত নাৰীয়ে উপযুক্ত সন্মান পাইছিল। শংকৰদেৱৰ নাতি বোৱাৰী কনকলতাই পুৰুষ সংহতিৰ আৰু হৰিদেৱৰ কন্যা ভুৱনেশ্বৰীয়ে ব্ৰহ্ম সংহতিৰ মুৰব্বী হৈ সত্ৰ পৰিচালনাৰ দায়িত্ব লাভ কৰিছিল। শংকৰদেৱে ৰচনা কৰা উত্তৰাকাণ্ড ৰামায়ণৰ সীতা চৰিত্ৰ অংকনত মূলৰ পৰা আঁতৰি আহি সীতাক প্ৰতিবাদী আৰু দৃঢ় ৰূপত অংকন কৰিছে। ব্যক্তিগত জীৱনত ধৰ্মপ্ৰচাৰকগৰাকী নাৰীৰ প্ৰতি যথেষ্ট শ্ৰদ্ধাশীল আছিল।

অসমীয়া সাহিত্যৰ পাঁচালী কবি কেইজনৰ সাহিততো মধ্যযুগৰ অসমীয়া নাৰীৰ ৰূপ প্ৰতিফলন ঘটা দেখা যায়। সমসাময়িক অসমীয়া সমাজখনত নাৰীৰ স্থান নিম্নগামী আছিল। সেই

সময়ত নাৰীৰ চৰিত্ৰৰ পৱিত্ৰতা আৰু সতীত্বৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। পিতৃতন্ত্ৰৰ সমাজত নাৰীক কেতিয়াও বিশ্বাসী বুলি ভবা নহৈছিল। সেয়েহে নাৰীৰ আগত গোপনীয় কথা কোৱাটো অনুচিত বুলি ভাবিছিল।

**শংকৰোত্তৰ যুগ**

এই সময়ৰ সাহিত্যৰ ভিতৰত বুৰঞ্জী আৰু চৰিতপুথিসমূহক অন্তৰ্ভুক্ত কৰিব পাৰি। বুৰঞ্জী সাহিত্যসমূহ আহোম ৰজাৰ পৃষ্ঠপোষকতাত আৰু চৰিতপুথিসমূহ সত্ৰৰ পৃষ্টপোষকতাত ৰচিত হৈছিল। দুয়োবিধ সাহিত্যই সেই সময়ৰ সামাজিক, ৰাজনৈতিক দৃশ্যপট দাঙি ধৰে।

আহোমৰ ছশ বছৰীয়া ৰাজত্বকালত নাৰীৰ অৱস্থা কেনে আছিল সেই কথা বুৰঞ্জী সাহিত্যসমূহৰপৰা জানিব পাৰি। এই সময়ছোৱাত কেইবাগৰাকী আহোম ৰমনীয়ে ৰাজনীতিত প্ৰৱেশ কৰি দক্ষতাৰ পৰিচয় দিছিল। তেনে এগৰাকী নাৰী হ'ল চক্লেনমুং বা গড়গঞা ৰজাৰ মহিষী চাও-চিংকুঁৱৰী। নৰাৰজাৰ লগত মিত্ৰতা কৰিবলৈ এইগৰাকী কুঁৱৰীক আহোম ৰজাই বিয়া কৰাইছিল। কুঁৱৰীয়ে লগত আনিছিল **৯**টা হাতী, **১১**টা ঘোঁৰা, **৭** গৰাকী খাৰছাই (লিগিৰী), আৰু অন্যান্য বহুতো বস্তু। এইগৰাকী কুঁৱৰীৰ পৰামৰ্শ মতে ৰজাই গড়গাওঁ সুৰক্ষিত কৰিবলৈ নগৰৰ চাৰিওফালে গড় বন্ধাইছিল। সাধাৰণ নাৰী সকলৰো ৰাজনৈতিক সচেতনতাৰ পৰিচয় পোৱা যায়। মিৰজুমলাৰ আক্ৰমণত দেশ ৰক্ষা কৰিব নোৱাৰি জয়ধ্বজ সিংহ যেতিয়া নামৰূপলৈ পলাই গৈছিল তেতিয়া সাধাৰণ এগৰাকী পোহাৰীয়ে তেওঁক বাট আগচি ধৰি প্ৰশ্ন কৰিছিল।

সেই সময়ত নাৰীৰ সতীত্বৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। আহোম ৰাজত্বকালত সম্ভ্ৰান্ত পৰিয়ালৰ নাৰীসকলে শিক্ষাৰ প্ৰতি আগ্ৰহী হোৱাৰ তথ্য পোৱা যায়। গড়গঞা ৰজাৰ ৰাণী চাও-চিং কুঁৱৰীয়ে ভৰিৰ আঙুলিৰে টাই ভাষা লিখিব পাৰিছিল। ৰজা শিৱসিংহৰ পত্নী বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে শিক্ষা বিস্তাৰৰ বাবে ৰাজ পৃষ্ঠপোষকতা আগবঢ়াইছিল। তেওঁৰেই প্ৰথমে ৰাজ প্ৰসাদৰ চৌহদত এখন সংস্কৃত শিক্ষাৰ পাঠশালা স্থাপন কৰিছিল।

একেদৰে চৰিতপুথিসমূহৰ পৰা সেই সময়ৰ নাৰী সম্পৰ্কীয় কথা জনা যায়। চৰিতপুথিত আছে যেটেম্বুৱানী নদীৰ পানীয়ে বহুদিনৰ পৰা ৰাইজৰ খেতি নষ্ট কৰি আহিছিল। সেয়েহে ৰাইজ সমবেত হৈছিল টেম্বুৱানী নদীত বান্ধ দিবলৈ, কিন্তু বান্ধ দিয়া কাৰ্যত ৰাইজ বাৰে বাৰে ব্যৰ্থ হৈছিল। তেনে সময়ত ৰাধিকা (সুমথিৰা) নামৰ কৈৱৰ্ত সম্প্ৰদায়ৰ এগৰাকী নাৰীয়ে

সতীত্বৰ বলত মাছ মৰা পলৰে পানী আনি দিয়াত ৰাইজে বান্ধ বান্ধি টেম্বুৰানী নৈখনক ভেঁটিবলৈ সক্ষম হৈছিল।

সেই সময়ত উচ্চ বৰ্ণৰ অসমীয়া নাৰীৰ বাবে বৈধব্য অভিশাপস্বৰূপ আছিল। স্বামীৰ মৃত্যুৰ পিছত পত্নী সতীও গৈছিল বুলি চৰিত পুথিত উল্লেখ আছে। মৃত্যুৰ আগলৈকে মাছ-মাংস ত্যাগ কৰি বৈধব্য ব্ৰত পালন কৰিব লগা হৈছিল। আনহাতে মধ্যযুগৰ কায়স্থসকলৰ মাজত বিধৱা বিবাহৰ প্ৰচলন আছিল চৰিত পুথিৰপৰা জনা যায়। শংকৰদেৱৰ পুত্ৰৰ মৃত্যুৰ পিছত বিবাহৰ বাবে বোৱাৰীয়েকে প্ৰস্তাৱ পোৱাত নিজৰ দৃঢ় মতৰ কথা শাহুৱেক (শংকৰদেৱৰ পত্নী)ক জনাইছিল।

নিজ যোগ্যতাৰ বলত নাৰীয়ে ধৰ্মীয় কাম-কাজতো স্থান পাইছিল। লগতে সেই সময়ৰ নাৰীয়ে বেহা বেপাৰতো অংশ গ্ৰহণ কৰিছিল।

পুৰণি অসমীয়া সাহিত্যত নাৰীৰ স্থান বা নাৰী চেতনা কেনেধৰণৰ আছিল তাক ওপৰত আলোচনা কৰা হ'ল। আলোচিত কথাখিনিৰপৰা আমি এইটো সিদ্ধান্ত উপনীত হ'ব পাৰো যে মূল্যবোধৰ ক্ষেত্ৰত পুৰুষেই আছিল সৰ্বেসৰ্বা, নাৰীক পুৰুষতকৈ হীন বুলি জ্ঞান কৰা হৈছিল। তৎসত্বেও আপেক্ষিকভাৱে উচ্চ বৰ্ণৰ নাৰী সকলতকৈ সাধাৰণ নাৰীসকলে কাম-বন কৰি পেট-প্ৰৱৰ্তন কৰিব লগা হোৱাৰ বাবে সমাজত মুকলিভাৱে চলা ফুৰাৰ কিছু স্বাধীনতা পাইছিল। অৱশ্যে এইসকল নাৰী অৰ্থনৈতিকভাৱে অতি দুৰ্বল হোৱাৰ বাবে আত্ম চেতনা জাগ্ৰত কৰিবলৈ অসমৰ্থ। তাৰ বাবে সামাজিক স্তান বৰ মৰ্যাদাদূৰ্ণ নাছিল।

## আধুনিক অসমীয়া সাহিত্যত নাৰী চেতনা

সাহিত্য যিহেতু সমসাময়িক সমাজ চিত্ৰণ অৰ্থাৎ সেই সময়ৰ সমাজৰ প্ৰতিফলন ঘটে, সেয়ে যুগৰ বাদবৈচিত্ৰ, চিন্তন মননৰ প্ৰতিধ্বনিৰ কলাত্মক প্ৰকাশ ঘটাটো স্বাভাৱিক। সেই ফালৰ পৰা নাৰীভাৱনা, যিহেতু সমাজৰ প্ৰায় অৰ্ধেক জনসংখ্যা নাৰী, তেওঁলোকৰ বাস্তৱ জীৱনৰ দ্বন্দ্বসমূহে সাহিত্যত প্ৰকাশ লাভ কৰাটো স্বাভাৱিক।আধুনিক অসমীয়া সাহিত্যৰ বিভিন্ন ঠাইত নাৰী ভাৱনা সম্পৰ্কীয় মন্তব্য পোৱা যায়। এই প্ৰসংগত ৰত্নেশ্বৰ মহন্তই আক্ষেপ কৰিছিল এইদৰে-

*আমি প্ৰাচীন মত সংগ্ৰহ কৰি ঘৈণীৰ কৰ্তব্য বুজাবলৈ ধৰাত বহুতে আমাক ইতিকিং কৰিব পাৰে আৰু মুনি সকলে কঠোৰতাৰ শিকলিৰে আমাৰ ঘৈণীসকলক একেবাৰে জড়পুৰ*

*কৰি বান্ধি, বৰ পক্ষপাতীৰ আৰু সহৃদয়তাৰ চিনাকি দিছে বুলি আমি তেওঁলোকৰ মতানুৱৰ্তী হোৱাত বহুতে আমাৰ বিপক্ষ অৱলম্বন কৰিব পাৰে, কিন্তু যিবিলাকে এনে কৰে তেওঁলোক নিজেই ভ্ৰম। আমাৰ ঋষিসকলে তিৰোতাক বৰ উচ্চভাৱে চাইছিল।*[১১]

এনে ধৰণৰ উক্তিৰ পৰাই অনুমান কৰিব পাৰি যে নাৰীৰ অৱস্থা সম্পৰ্কে চিন্তা-চৰ্চা কৰা কেতবোৰ কথাৰপৰা লেখকৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। প্ৰকৃততে নাৰীকেন্দ্ৰিক এই নৱচেতনা এনেয়ে গঢ় লোৱা নাছিল, তৎকালীন আধুনিক মানসিকতা দেখি লেখকৰ মনত এনে চিন্তাই ক্ৰিয়া কৰিছিল।

**১৮২৬** চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত মতে অসম ইংৰাজৰ অধীন হয়। ফলত অসমৰ ঐতিহাসিক, সামাজিক, ৰাজনৈতিক ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তনে দেখা দিয়ে। বৃটিছৰ অসম আগমনৰ লগে লগে অসমত আধুনিক যুগৰ সূচনা হয় বুলি ক'ব পাৰি। পাশ্চাত্যৰ শিক্ষা সভ্যতাই কঢ়িয়াই অনা পৰিৱৰ্তনে ভাৱাদৰ্শৰ ক্ষেত্ৰতো এক নতুন প্ৰৱাহৰ সৃষ্টি কৰিলে। পাশ্চাত্যৰ চিন্তাধাৰাৰ সৈতে সংস্পৰ্শলৈ অহাৰ পিছত এচাম শিক্ষিত অসমীয়াৰ মাজত বিভিন্ন ক্ষেত্ৰত আধুনিক চিন্তাধাৰাৰ উন্মেষ ঘটিল।

ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধ আৰু বিংশ শতাব্দীৰ প্ৰথমাৰ্ধৰ সময়ছোৱাত নাৰী সম্পৰ্কীয় বিভিন্ন চিন্তাই সমাজত গুৰুত্ব লাভ কৰিছিল। এইক্ষেত্ৰত পৰম্পৰাৰপৰা আঁতৰত নতুন ব্যক্তিত্বসম্পন্ন, আধুনিক শিক্ষাৰে উদ্বুদ্ধ, আত্মসচেতন, সামাজিক আৰু ৰাজনৈতিক দায়বদ্ধতা থকা আধুনিক নাৰীৰ সৃষ্টিৰ আঁৰত এচাম উদাৰ চিত্তৰ চিন্তাবিদৰ চেষ্টা যে জড়িত হৈ আছে সেই কথা আমি নুই কৰিব নোৱাৰো। এই সময়ছোৱাৰ ভিতৰতেই নাৰী-স্বাধীনতাৰ প্ৰসংগটোও উত্থাপিত হয় আৰু ই সামাজিক বিতৰ্কৰো কাৰণ হৈ পৰিছিল। সাধাৰণতে সমাজৰ কথাবোৰ সাহিত্যলৈ সম্প্ৰসাৰিত হয়। সেয়েহে সাহিত্যক সমাজৰ দাপোণ বুলি কোৱা হয়। ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধ আৰু বিংশ শতাব্দীৰ প্ৰথমাৰ্ধৰ সময়ছোৱাত যেতিয়া নাৰীৰ স্থান সম্পৰ্কীয় বিষয়টোৱে মহাত্মা গান্ধী তথা সামাজিক নেতা-কৰ্মী আৰু সৰ্বসাধাৰণৰ মনত গুৰুত্ব লাভ কৰিছিল তেতিয়া সেই সময়ছোৱাত আধুনিক অসমীয়া নাৰীয়ে বিকাশৰ ক্ষেত্ৰত এক নতুন বাটৰ সন্ধান পাইছিল আৰু এইবোৰেই এই যুগৰ উপন্যাসত প্ৰতিফলিত হৈছিল। অসমীয়া সমাজত আধুনিক নাৰীৰ স্থানে কি ৰূপ লৈছিল, কেনে ধৰণৰ প্ৰতিবাদী ধ্বনি এই সময়ছোৱাৰ নাৰীৰ কণ্ঠস্বৰত জাগ্ৰত হৈছিল। সেইবোৰ সজাগতাৰ স্বৰূপ সেই সময়ৰ উপন্যাসসমূহৰ জৰিয়তে

১১. ভূঞা, যোগেন্দ্ৰ নাৰায়ণ (সম্পা.)ঃ *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী*, পৃ. **২২৬**

ফুটি উঠা দেখা যায়। এই সময়ছোৱাৰ উপন্যাসত একাধিক নাৰী চৰিত্ৰই ভুমুকি মাৰিছে। কোনো কোনো ক্ষেত্ৰত নাৰীবাদী চিন্তাধাৰাই উপন্যাসৰ চৰিত্ৰসমূহক চুই গৈছে আৰু কেতিয়াবা প্ৰায়বোৰ নাৰী চৰিত্ৰই শেষত পৰম্পৰাগত নাৰীলৈ পৰিৱৰ্তিত হৈছে।

অসমীয়া উপন্যাসত নাৰীবাদ শব্দটো একেবাৰে পুৰণি নহয়। বিংশ শতিকাৰ শেষৰ পিনেও ই পৰিচিত হৈ উঠা নাছিল। কিন্তু নাৰীসকলৰ নিজৰ ঘৰতে ভোগ কৰিবলগীয়া শোচনীয় অৱস্থা আৰু নাৰীৰ দুৰ্গতি তথা সমস্যাসমূহক তুলি ধৰিব পৰাকৈ যি নাৰীমংগলৰ কথা অসমীয়া চেতনাত ধৰা পৰিছিল তাৰ আভাস আমি বিংশ শতাব্দীৰ আৰম্ভণিৰপৰাই পাওঁ। সৰ্বভাৰতীয় পৰ্যায়তো বিংশ শতাব্দীৰ তৃতীয় দশকৰপৰা ভাৰতীয় কংগ্ৰেছে নাৰীৰ সমস্যাসমূহক ইয়াৰ কাৰ্যাৱলীৰ ভিতৰুৱা কৰি লৈছিল।

১৯২৯ চনৰ গান্ধীৰ নেতৃত্বত হোৱা অসহযোগ আন্দোলনে উগ্ৰ ৰক্ষণশীলতাৰ বেৰ ভাঙি আন এক ঐতিহাসিক পৰিৱৰ্তন আনিলে। গান্ধী আছিল মানৱ দৰদী। অৱহেলিতসকলৰ প্ৰতি গান্ধীৰ তীব্ৰ সহানুভূতি জাগি উঠিছিল। সেই সময়ছোৱাত নাৰীসকল স্বাভাৱিকতেই উপেক্ষিতা আছিল। নাৰীসকলৰ দুৰৱস্থা আছিল অতিশয় হৃদয়বিদাৰক। পৰ্দাপ্ৰথা, বাল্যবিবাহ আদি প্ৰথাসমূহে নাৰীৰ জীৱন একেবাৰেই কোঙা কৰি পেলাইছিল।পুৰুষপ্ৰধান সমাজখনত নাৰীয়ে মূৰ তুলি কথা কোৱাটো এক অপৰাধৰ দৰে আছিল। এনে ধৰণৰ দমনমূলক নীতি-নিয়মক গান্ধীয়ে চোকা ভাষাৰে সমালোচনা কৰি কৈছিল- "The wife is not slave of her husband but her comrad."[১২]

নাৰী স্বাধীনতাৰ সপক্ষেও তেওঁ মুকলিকৈ কৈছিল। গান্ধীয়ে লিখিছিল-

> *If the members of the congress believe that freedom is the birth right of every nation and individual and is they are dtermined to achieve that at any cost, should they not first liberate their woman from the evil customs and conventions that restrict their all round healthy growth whose remedy lies in their own hands.*[১৩]

অসমীয়া উপন্যাসত প্ৰথমবাৰৰ বাবে নাৰীবাদৰ ওপৰত বিস্তাৰিতভাৱে আলোচনা কৰাটো গোবিন্দ প্ৰসাদ শৰ্মাৰ  নামটো প্ৰথমতেই আমাৰ দৃষ্টিগোচৰ হয়। অধুনালুপ্ত 'সূত্ৰধাৰ' নামৰ

---

১২. Sharme, Radha Krishna : *Nationalism Social Reform and Indian Women,* p.44

১৩. Hingorani, Anand T. : *The Role of Woman by M.K. Gandhi,* p.9

আলোচনীখনত ১৯৮৯ চনত গোবিন্দ প্ৰসাদ শৰ্মাই লিখা নাৰীবাদ সম্পৰ্কীয় আলোচনাটো আমি পঢ়িবলৈ পাওঁ।

আধুনিক উপন্যাসৰ প্ৰথমছোৱাৰ উপন্যাস 'ভানুমতী' (১৮৯১), 'পদুম কুঁৱৰী' (১৮৯১), লাহৰী আদিত নাৰীবাদৰ পোনপটীয়া প্ৰভাৱ নপৰিলেও নাৰীৰ ওপৰত কৰা অন্যায়ৰ বৰ্ণনা পোৱা যায়। এই সময়ছোৱাত নাৰীসকলে নিজস্বতা সম্পৰ্কে সজাগ হোৱাৰ উক্‌মুকনি উঠিছিল। সাধাৰণ এগৰাকী নাৰী হ'লেও ঘটনাৰ পাকচক্ৰত কেনে ধৰণৰ ভূমিকা ল'ব পাৰে অথবা সেই কালত অসমীয়া সমাজত নাৰীৰ স্থান সম্পৰ্কীয় কথাবোৰে সেই সময়ৰ উপন্যাসত ঠাই পাইছিল। আমি ইয়াত কেইখনমান এনেকুৱা উপন্যাসৰ বিষয়ে আলোচনা কৰিম য'ত প্ৰকাশি উঠিছিল নাৰীৰ অৱস্থান, নাৰীৰ নিজস্বতা লৈ কিছু কিছু ক্ষেত্ৰত সজাগ চিত্ৰ। নাৰীবাদৰ পূৰ্ণ প্ৰকাশ এইসমূহ উপন্যাসত প্ৰকাশ পোৱা নাছিল যদিও বহুতো ক্ষেত্ৰত নাৰীসকলে ওৰণিৰ আঁৰৰ পৰা ওলাই আহি অন্য এক ধাৰা সৃষ্টি কৰিছিল। সংখ্যাগতভাৱে অসমীয়া মহিলা লেখকৰ উপন্যাস ৰচনা অতি কম হ'লেও গুণগতভাৱে ইয়াৰ যথেষ্ট অৱদান আছে। বিংশ শতাব্দীৰ অসমীয়া উপন্যাস ক্ষেত্ৰখনলৈ অসমীয়া মহিলা লেখকসকলে তাৎপৰ্য্যপূৰ্ণভাৱে অৱদান আগবঢ়াইছে।

ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধ আৰু বিংশ শতাব্দীৰ আৰম্ভণিৰ কালছোৱা ভাৰতবৰ্ষত নাৰীৰ স্থান, নাৰীৰ ভাৱনা আদি সম্পৰ্কত সৰ্বসাধাৰণৰ মনতো গুৰুত্ব লাভ কৰিছিল। এইখিনি সময়ৰ ভিতৰতে নাৰী সজাগতা সম্পৰ্কে নাৰীৰ ব্যক্তিগত স্বাধীনতা তথা নাৰী-ভাৱনা বিষয়টোৰ বিস্তৃতি লভিছিল আৰু এই সজাগতাই সমাজত নাৰীৰ সামাজিক আৰু ঘৰুৱা স্থিতিৰ বিষয়টো সৃষ্টিধৰ্মী সাহিত্যলৈকো সম্প্ৰসাৰিত হ'বলৈ ধৰিলে। ঊনবিংশ শতাব্দীৰ শেষৰ পিনে লক্ষ্য কৰিলে দেখা যায় যে অসমত নাৰীয়ে স্বামীৰ আৰু পৰিয়ালৰ প্ৰতি দায়িত্বৰ বাহিৰে বৰ্হিজগতৰ অন্য কথা চিন্তা কৰিব পৰা নাছিল। এই ক্ষেত্ৰত কনকলতা ভূঞাৰ এযাৰ কথা ক'ব পাৰি—

> *জাতিৰ ভৱিষ্যত আশা-ভৰসাৰ কঠিয়া ৰাখোতাৰ সমাজত ঠাই ক'ত? সৰহভাগ তিৰোতাক বিচাৰিলে পোৱা যাব ক'ত? তেওঁলোকক পাব উধানৰ সন্মুখত আৰু তাঁতবোৱা চালিত, বৰঘৰত নাপায়। আজি আমাৰ সমাজক কেৱল মাত্ৰ পুৰুষৰ আশাশুধীয়া কোঙা সমাজ বুলিব পাৰি।*[১৪]

বিংশ শতাব্দীৰ আৰম্ভণিৰ কালছোৱাতো লক্ষ্য কৰিলে আমি দেখা পাওঁ যে এই সময়তো নাৰীৰ নিজৰ ঘৰতেই শোচনীয় অৱস্থা। শৈক্ষিক দিশৰ কথাটো বাদেই সামাজিক, ৰাজনৈতিক ক্ষেত্ৰখনতো

১৪. ভূঞা, কনকলতা ঃ *সমাজ গঠনত নাৰীৰ দায়িত্ব*, পৃ. ২৫৩

তেওঁলোকৰ দুৰ্গতিৰ কথা ধৰা পৰি আহিছে। সৰ্বভাৰতীয় স্তৰলৈ লক্ষ্য কৰিলে আমি দেখা পাওঁ যে এই শতাব্দীৰ তৃতীয় দশকৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছে নাৰীৰ সমস্যাবোৰ কাৰ্যক্ৰমণিকাৰ অন্তৰ্ভূক্ত কৰি লৈছিল। এই ক্ষেত্ৰত মহাত্মা গান্ধীৰ গুৰুত্ব নুই কৰিব নোৱাৰি। তেওঁ বুজিছিল যে দেশৰ উন্নতিত নাৰী এগৰাকীৰ যথেষ্ট হাত থাকে। ওৰণিৰ আঁৰৰপৰা নাৰী গৰাকীক উলিয়াই আনিলেহে দেশৰ  উন্নতিৰ কথাও ভাবিব পাৰি। সেয়ে হয়তো গান্ধীয়ে স্ত্ৰীৰ শিক্ষাকে ধৰি নাৰীমংগলৰ বিভিন্ন কাৰ্যসূচী স্বাধীনতা আন্দোলনৰ এক অংগ বুলি দোহাৰিছিল। **১৯২০** খ্ৰীষ্টাব্দত অসম এছোছিয়েশ্যন ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগত মিলিত হ'ল আৰু অসমতো জাতীয়তাবাদী ৰাজনীতিৰ পূৰ্ণ প্ৰভাৱ পৰিল। ফলস্বৰূপে অসমতো গান্ধীজীৰ স্ত্ৰীৰ শিক্ষা আৰু নাৰীৰ মংগলৰ কাৰ্যসূচী সম্পৰ্কে সজাগতা গঢ়ি উঠিল। অৱশ্যে এনেকুৱা কথাও নহয় যে নাৰীমংগলৰ চেতনা কেৱল কংগ্ৰেছেই প্ৰথম আনিলে। **১৯২০** চনত  ভাৰতীয় জাতীয় কংগ্ৰেছে এনোবোৰ কাৰ্যসূচী হাতত লোৱাৰ আগতেও **১৯১৫** খ্ৰীষ্টাব্দত স্থাপিত হোৱা ডিব্ৰুগড় মহিলা সমিতি, **১৯১৭** খ্ৰীষ্টাব্দত নগাঁও মহিলা সমিতিৰ দৰে অনুষ্ঠানো আছিল। **১৯২৬** চনত এনেদৰে অসমৰ বিভিন্ন চহৰত সিচঁৰিত হৈ থকা মহিলা অনুষ্ঠানবোৰ একেলগ কৰি সমগ্ৰ অসমৰ বাবে 'অসম  মহিলা সমিতি' নামেৰে গঢ়ি তোলা হ'ল। ইয়াৰ নেতৃত্ব বহন কৰিছিল চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে। অৱশ্যে আমি এইটো কথা ক'ব লাগিব যে যদিও অসম মহিলা সমিতিৰ প্ৰায়বোৰ সদস্যই জাতীয় কংগ্ৰেছৰ সদস্যা আছিল কিন্তু অসম মহিলা সমিতিখন সম্পূৰ্ণৰূপে অৰাজনৈতিক আছিল।

এনেদৰে দেখা যায় যে নাৰী-ভাৱনাবোৰে যেতিয়া ক'তো ঠাই পোৱা নাছিল তেতিয়া নাৰীৰ অৱস্থা আৰু নাৰীৰ স্থান সম্পৰ্কে নাৰীসকলেই বন্ধনৰপৰা মুক্ত হ'বলৈ বিচাৰি সজাগ হৈ উঠিছিল। অৱশ্যে অসমীয়া উপন্যাসত এনে চেতনা প্ৰথম পুৰুষ লেখকৰ হাততে প্ৰকাশি উঠিছিল। বিশ্বৰ পটভূমিতো চালে প্ৰথমে এনে চেতনা ধৰা পৰে এগৰাকী পুৰুষ চিন্তাবিদৰ হাততেই। অষ্টদশ শতিকাৰ দাৰ্শনিক কডঁটেৰ (Condoreet) 'এডমিশ্যন অৱ উইমেন টু ফুল চিটিজেন্‌শ্বিপ' (ইংৰাজী অনুবাদ)ত প্ৰথমে এই ধাৰণা প্ৰকাশ পাইছিল। ইয়াৰ দুবছৰ পিছতহে **১৭৭২** খ্ৰীষ্টাব্দত বিট্ৰিছ মহিলা মেৰি ঊলষ্টোন্‌ক্ৰাফটৰ দ্বাৰা ৰচিত 'এ ভিণ্ডিকেশ্যন অৱ্ দ্য ৰাইটছ অৱ্ উইমেন'ত এনে চিন্তা-চৰ্চাৰ প্ৰভাৱ পৰা দেখা যায়।

অসম তথা ভাৰতীয় সমাজতো এইদৰে ক্ৰমে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা, নাৰীয়ে পুৰুষৰ সমানে স্বাধীনতা বিচৰা, সমানে নাগৰিক অধিকাৰ বিচৰা কথাবোৰ আহে। ফলস্বৰূপে

সাহিত্যৰ বুকুত বিভিন্ন আঙ্গিকত বিশেষভাৱে উপন্যাসত নাৰী-ভাৱনাই যথেষ্ট স্থান পালে। পূৰ্বতে যেতিয়া নাৰীসকলক এক বৃত্তৰ ভিতৰত আবদ্ধ কৰি ৰখা হৈছিল অথবা নিজেও সেই বৃত্ত অতিক্ৰম কৰি অহা নাছিল তেতিয়া সকলো ক্ষেত্ৰতেই নাৰী-ভাৱনাবোৰ মনৰ মাজতেই আবদ্ধ হৈ আছিল। সমাজত নাৰীৰ স্থানো অতি নিম্নগামী আছিল। যাৰ ফলত এচাম লেখিকাৰ আৰ্বিভাৱ হৈছিল। বিংশ শতাব্দীৰ অসমীয়া মহিলা লেখকসকলৰ অৱদান এইক্ষেত্ৰত উল্লেখযোগ্য।

বিংশ শতাব্দীৰ প্ৰথমগৰাকী মহিলা ঔপন্যাসিক হিচাপে আমি স্নেহলতা ভট্টাচাৰ্যৰ (১৯০৪-১৯৭১) নাম ল'ব পাৰোঁ। এওঁ আছিল অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ দুহিতা। **১৯২৬** চনত এওঁৰ প্ৰথমখন উপন্যাস 'বীণা' প্ৰকাশ হৈ ওলায়। এইখন সম্পূৰ্ণৰূপে এখন সামাজিক উপন্যাস যদিও উপন্যাসখনৰ নায়িকা বীণা চৰিত্ৰটোৰ যোগেদি নাৰীকেন্দ্ৰিক ভাৱনাবোৰ আৰু সেই সময়ৰ সমাজখনত নাৰীৰ স্থান সম্পৰ্কীয় কথাবোৰে স্থান পাইছে। বীণা এগৰাকী সম্ভ্ৰান্ত বংশীয় বাল বিধৱা। সেই সময়ৰ সমাজখনত বিধৱা এগৰাকীৰ সামাজিক স্থিতি কেনেকুৱা হ'ব পাৰে সেয়া সহজেই অনুমেয়। তাতে আকৌ বীণা এগৰাকী ৰক্ষণশীল ব্ৰাহ্মণ পৰিয়ালৰ বাল বিধৱা আছিল। সমাজৰ অনুশাসনত বিধৱা এগৰাকী জীৱন্তে দগ্ধ হোৱাৰ দৰে হৈছিল। কিন্তু বীণাৰ দেউতাক এগৰাকী দূৰ দৃষ্টিসম্পন্ন উদাৰ মনৰ ব্যক্তি আছিল। তেওঁ বুজি পাইছিল যে এনেদৰে বীণা বিধৱা হোৱাৰ পিছত ঘৰতে থাকিলে বেলেগৰ অনুগ্ৰহৰ প্ৰাৰ্থিনী হোৱাৰ লগতে অজস্ৰ কষ্ট সহিব লগা হ'ব। সেয়ে জীয়েকক তেওঁ আত্মনিৰ্ভৰশীল হবৰ বাবে কলিকতাৰ ব্ৰাহ্মসমাজৰ বালিকা বিদ্যালয়ত পঢ়িবলৈ পঠাই দিলে। তাতে বীণাই তাইৰে সহপাঠী অমিয়াৰ বিলাতত থকা ককায়েক প্ৰকাশক লগ পালে। হৃদয়ৰ আহ্বানত তাই প্ৰকাশক ভাল পাবলৈ ল'লে যদিও নিজৰ বৈধব্য আৰু সমাজৰ অনুশাসনে যেন তাইক বাধা দিলে। কাৰণ সেই সময়ৰ সমাজত বিধৱা এগৰাকীৰ পুনঃবিবাহ অতিশয় ডাঙৰ কথা আছিল আৰু এইবোৰৰ মাজত দ্বিধাগ্ৰস্ত হৈ বীণাই গভীৰ অন্তৰ্দ্বন্দ্বত ভুগিছিল। সমাজৰ কুসংস্কাৰে তাইৰ মনৰ গভীৰ ভালপোৱাক আদৰিব দিয়া নাছিল। এফালে সমাজৰ নিষেধাজ্ঞা আৰু আনফালে হৃদয়ৰ আহ্বান এক গভীৰ সংকটত তাই অৰ্ন্তদ্বন্দ্বত ভূগিবলৈ ধৰিছিল।

সেই সময়ৰ সমাজখনেই এনেকুৱা আছিল। স্ত্ৰী শিক্ষাৰ অভাৱ, নৈতিকতাৰ নামত কুসংস্কাৰচ্ছন্ন সমাজে নাৰীসকলক জুৰুলা কৰি পেলাইছিল। কোনো কোনোৱে সাহস কৰি নাৰী

শিক্ষা দিছিল অথৱা বিধবা বিবাহৰ ক্ষেত্ৰত আগবাঢ়িছিল যদিও’ সমাজখনে বুঢ়া আঙুলি দেখুৱাই এঘৰীয়া কৰি পেলাইছিল। ‘বীণা’ উপন্যাসখনতো বীণাই প্ৰকাশক অন্তঃকৰণেৰে ভাল পায়ো সমাজৰ নিষেধাজ্ঞাৰ ভয়ত গ্ৰহণ কৰিবলৈ সাহস কৰিবপৰা নাছিল। অৱশেষত হৃদয়ৰ তাগিদা এৰিব নোৱাৰি বিবেকৰ দ্বাৰা সমৰ্থিত হৈ নায়ক-নায়িকাৰ মিলন হৈছে।

প্ৰকৃততে বৰ্ণ হিন্দুৰ বালবিধৱাৰ সমস্যাই সেই সময়ৰ নাৰীজাতিক যথেষ্ট দুৰ্গতিত পেলাইছিল, সেই কথা আমি বীণা চৰিত্ৰটোৰ জৰিয়তে জানিব পাৰোঁ। বীণাৰ জৰিয়তে সমাজৰ পৰম্পৰাগত অনুশাসন এটা দ্বন্দৰ মাজেদি ভাঙি নাৰী প্ৰগতিৰ নতুন আহ্বান প্ৰতিষ্ঠা কৰা হৈছে।[১৫] সেয়ে উপন্যাসখনৰ শেষত নায়ক-নায়িকাৰ মিলন দেখুওৱা হৈছে।

উপন্যাসখনক নাৰী-ভাৱনা আৰু সমাজত নাৰীৰ স্থান সম্পৰ্কে কিছু আভাস পোৱা যায় যদিও বহু ক্ষেত্ৰত লেখিকাই কাহিনীৰ যোগসূত্ৰ ৰক্ষা কৰাত উজুটি নোখোৱাকৈ থকা নাই।

‘পিতৃভিঠা’ উপন্যাসখনৰ ঔপন্যাসিকা পুৰুষসত্ত্বাৰ সৈতে নাৰীসত্ত্বাৰ সমঅধিকাৰ ধাৰণা সাব্যস্ত কৰা এক গুৰু সামাজিক উদ্দেশ্যৰ নাৰীবাদী উপন্যাস।[১৬] এই উপন্যাসখনৰ মাজেদি সমাজত নাৰীৰ স্থান সম্পৰ্কীয় কথাবোৰ নায়িকা মাধৱীৰ জৰিয়তে প্ৰকাশ পাইছে। তদুপৰি এই কথাও আমি ক’ব লাগিব যে উপন্যাসখনৰ ৰচক নিজেই নাৰী হোৱাৰ হেতুকে সেই সময়ৰ সমাজত নাৰীৰ স্থান, নাৰীৰ অধিকাৰ তথা নাৰী-ভাৱনাবোৰ ভালকৈ হৃদংগম কৰিব পাৰিছে আৰু তাৰ বাবে উপন্যাসখনত এই বিষয়বস্তুৱে অধিক গুৰুত্ব লাভ কৰিছে। উল্লেখযোগ্য যে উপন্যাসখনৰ ৰচয়িতা চন্দ্ৰপ্ৰভা শইকীয়ানী ভাৰতীয় জাতীয় কংগ্ৰেছৰ স্বাধীনতা আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী আছিল লগতে অসম মহিলা সমিতিৰ অধিষ্ঠাত্ৰী সভানেত্ৰী আছিল। নাৰীৰ স্থান উন্নত কৰাৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছে যিবোৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল সেইবোৰ কাৰ্যসূচীৰ সপক্ষে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে অংশগ্ৰহণ কৰিছিল।

মাধৱী উপন্যাসখনৰ মুখ্য নাৰী চৰিত্ৰ। সমাজত নাৰীৰ স্থানৰ সম্পৰ্কীয় বাস্তৱিকতাই উপন্যাসখনত সম্পূৰ্ণৰূপে ক্ৰিয়া কৰি আছে। মাধৱীৰ দেউতাক মন্দৰ চমুৱা আছিল এখন বৃহৎ তালুক বা চমুৱাৰ তালুকদাৰ বা চমুৱা। তেওঁ আছিল এক বৃহৎ মাটি সম্পত্তিৰ অধিকাৰী লোক। একমাত্ৰ সন্তান মাধৱীক দেউতাকে পুত্ৰসম জ্ঞান কৰিছিল। সেই সময়ৰ অসমীয়া গাঁৱলীয়া

১৫. ভূঞা, কনকলতা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৫

১৬. উক্ত গ্ৰন্থ ঃ পৃ. ৪৬

সমাজখনত ছোৱালীক শিক্ষা দিয়াটো দুৰৰ কথা সোনকালে বিয়া দি দায়িত্ব সামৰাটোৱেই যেন মাক-দেউতাক বা অভিভাৱকৰ মূল কথা আছিল। কিন্তু মাধৱীৰ দেউতাকে এইবোৰ আওকাণ কৰি মৰমৰ জীয়েকক শিক্ষাৰে  শিক্ষিত কৰিবলৈ ঘৰতে মাইনৰ স্কুলৰ ওপৰৰ পৰ্যায়ৰ শিক্ষাৰ বন্দোৱস্ত কৰি দিলে। মাধৱীও দেউতাকৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈছিল। কিন্তু হঠাৎ হোৱা দেউতাকৰ মৃত্যুৱে মাধৱীৰ জীৱনত আউল লগাই দিলে। এইখিনিতে মাধৱীৰ মাকে কোৱা এযাৰ কথা আমি উল্লেখ কৰিব পাৰোঁ। মাকৰ ভাষাত-- “পিতাৰাই কেৱল পণ্ডিত কৰিবলৈহে চাইছিল, এঠাইত গতাই যাবলৈতো মন কৰা নাছিল”।[১৭]

উক্তিটোৰ পৰা আমি মাকৰ জৰিয়তে সেই সময়ৰ নাৰী-ভাৱনা তথা নাৰীৰ স্থানৰ কথা গম পাব পাৰোঁ। সেই সময়ৰ সমাজত পৰম্পৰাগত ভাৱনাই নাৰীসকলক বান্ধি পেলাইছিল যে নাৰীসকলৰ মনৰ মাজতো নিজস্বতা সম্পৰ্কে সকলো কথাই হেৰাই গৈছিল। মাকেও শৈক্ষিক দিশটোত গুৰুত্ব দিয়াতকৈ বিয়া দি উলিয়াই দিয়াৰ কথাবে বেছিকৈ  ভাৱিছিল। কিন্তু মাধৱী আছিল বেলেগ ধাতুৰে গঢ়া, সৰুতেই তাই দেউতাকৰ আদৰ্শৰে অনুপ্ৰাণিত হৈছিল। সোতৰ বছৰ বয়সীয়া ছোৱালীজনীয়ে মাকৰ কথামতে বিয়াত বহিবলৈ অমান্তি হ’ল। নাৰীৰ এনে আচৰণ সেই সময়ৰ সমাজখনত অস্বাভাৱিক আছিল। কাৰণ নিজস্বতা বুলি কোনো কথাই নাৰীক ল’ব দিয়া হোৱা নাছিল। এই সময়তে আকৌ মাধৱীক আচৰিত কৰি মাকে আৰু এটা কথা ব্যক্ত কৰিলে। মাধৱীৰ দেউতাকে তালুকৰ কৃষকসকলক পুত্ৰবৎ জ্ঞান কৰিছিল আৰু তেওঁলোকৰ মংগলৰ কাৰণে নিজৰ  প্ৰাপ্যখিনিও দান দিওঁতে তেওঁৰ বাবে একো নৰৈছিলেই লগতে বৃহৎ মাটি সম্পত্তিও ওচৰৰ লাখপতি ব্যৱসায়ী ললিত দাসৰ ওচৰত বন্ধকত গ’ল। এইবোৰ কথাই মাধৱীক আৰু বেছি যুক্তিবাদী কৰি তুলিলে। তাই পণ ল’লে যে দেউতাকৰ ঋণ পৰিশোধ নকৰালৈকে তাই কেতিয়াও বিয়া হৈ এইখন ঘৰৰ পৰা ওলাই নাযায়। বৰঞ্চ বন্ধকত গ’লেও সকলো সম্পত্তিৰ ওপৰত এতিয়া তেওঁৰেই অধিকাৰ আছে বুলি সকলো দায়িত্ব মূৰ পাতি ল’লে। এনেকুৱা অৱস্থাত ঘোষণা কৰা আৰু এটা কথাৰ পৰা মাধৱীৰ যুক্তিবাদী মনটোৰ উমান পোৱা যায়। মাধৱীয়ে ঘোষণা কৰিলে যে বাপেকৰ বোজা পৰিশোধ কৰিবলৈ যিয়ে আগবাঢ়ি আহে তেওঁকহে বিয়া কৰাব। নাৰীৰ এনে আচৰণ ত্ৰিশৰ দশকৰ অসমৰ সমাজখনত অতি অস্বাভাৱিক

---

১৭. বৰুৱা, প্ৰীতি (সম্পা.) ঃ *পিতৃভিঠা,* পৃ.২৫

কথা। কাৰণ সেই সময়ৰ সমাজখনত নাৰী এগৰাকীয়ে মূৰ তুলি দৃঢ়ভাৱ কথা ক'ব পৰাটো ভাৱিব নোৱাৰা বিষয়। নাৰীক এক আৱেগিক যৌনসত্বা বুলি জ্ঞান নকৰি এক যৌক্তিক মানৱসত্বা বুলি জ্ঞান কৰা নাৰীবাদী ধাৰণাহে। গতিকে উপন্যাসখনে এনে এক সংকটকালীন বিশেষ পৰিস্থিতিৰে ইয়াৰ নাৰীবাদী বিষয়বস্তু দাঙি ধৰা এইখনেই হ'ল প্ৰথম উপন্যাস।

মাধৱীৰ প্ৰেমিক মাধৱ হ'ল ললিত দাস। ললিত দাসেই মাধৱীৰ দেউতাকৰ সম্পত্তি বন্ধকত ৰাখিছে। কিন্তু মাধৱীৰ দেউতাক ঢুকুৱাৰ পিছত তেওঁলোকৰ ঘৰখন যেতিয়া আলৈ-আথানি হ'বলৈ ধৰিলে তেনেকুৱা অৱস্থাতো মাধৱে পঢ়া-শুনা শেষ কৰি উপাৰ্জনক্ষম হ'লেহে বিয়া কৰাব বুলি দিয়া প্ৰতিশ্ৰুতিতেই অলৰ-অচৰ হৈ থাকিল। ইফালে-ললিত দাসে ঋণ পৰিশোধ নকৰিলে সম্পত্তি বাজেয়াপ্ত কৰিব বুলি শুনোৱাৰ পিছত মাধৱীৰ ওচৰত আৰু একো উপায় নাথাকিল। এনে সংকটাপন্ন অৱস্থাত যিয়ে তেওঁক সহায় কৰিব তেওঁকেই বিয়া কৰাব বুলি মাধৱীয়ে ঘোষণা কৰিলে। আৱেগেৰে চাবলৈ গ'লে ই অস্বাভাৱিক যদিও মাধৱীৰ মতে যেন এক আদৰ্শহে দাঙি ধৰিছে য'ত নাৰীৰ হৃদয়ৰ কথাবোৰ ওলাই পৰিছে আৰু পুৰুষপ্ৰধান সমাজখনত নাৰী এগৰাকীয়ে যেন নিজৰ স্থিতি সবল কৰিব বিচাৰিছে।

"নিজৰ তৃপ্তিৰ বাবে কাম কৰাৰ সমান নীচ স্বাৰ্থপৰতা নাই মাধৱ দা। কিন্তু মই সেই নীচ স্বাৰ্থৰ বাবে পিতৃঋণ শুজিব খোজা নাই, কঠোৰ দায়িত্বৰ বাবেহে কঠোৰ সমস্যাত পৰিছোঁ।"[১৮] মাধৱীয়ে নাৰীৰ অধিকাৰ আৰু সেই অধিকাৰৰ লগৰীয়া নাৰীৰ দায়িত্বৰ খাতিৰতহে আৱেগক জলাঞ্জলি দি এনেদৰে বিয়া কৰাবলৈ ওলাইছে। ইয়াক যাতে লোকে টকাৰ লোভৰ দৰে নীচতা বা কেৱল ধনৰ প্ৰয়োজনীয়তাৰ দৰে তুচ্ছতা বুলি জ্ঞান নকৰে, তাৰ বাবেই মাধৱীৰ এই বাখ্যা। মাধৱৰ আগত তেওঁ কয়--

> *সাধাৰণতঃ প্ৰেমিকবিলাকে প্ৰণয় প্ৰাত্ৰীৰ বাব সহজে প্ৰাণ এৰিব খোজে, কিন্তু প্ৰাণৰ পৰিৱৰ্তে যদি টকাৰ ব্যৱস্থা কৰিবলৈ কোৱা হয়, মৰাতকৈয়ো টান পাই প্ৰণয়িনীৰ সিবোৰ স্বাৰ্থপৰতা, ঘিণ লগা হীন স্বাৰ্থ বুলি মত পোষণ কৰে।*[১৯]

ললিত মহাজনে সম্পত্তিত পুৰুষৰহে অধিকাৰ, জীয়ৰীয়ে এনেয়েও পিতৃভিঠা এৰি আনৰ ঘৰলৈ গুচি যায় বুলি কোৱাত মাধৱীয়ে তাৰ উচিত প্ৰত্যুত্তৰ দিছে এনেদৰে--- "ছোৱালী

---

১৮. বৰুৱা, প্ৰীতি (সম্পা.) ঃ *পিতৃভিঠা*, পৃ. ৮-৯

১৯. উক্ত গ্ৰন্থ ঃ পৃ. ২৪-২৫

আনৰ ঘৰলৈ যাব লাগিব বুলিয়েই বংশৰ মান মৰ্যাদা, পিতৃ পিতামহৰ ভেঁটি-মাটি লোকক দিব পাৰিনে?"[২০] প্ৰকৃততে মাধৰীৰ মনত এনে কথাই শিপাইছে যে কেৱল পুৰুষসকলৰেই কিয়, নাৰীসকলৰো অধিকাৰ আছে। সেই সময়ৰ সমাজ ব্যৱস্থাই পীড়িত কৰা মাধৰীক মাকে যেতিয়া তাইক দেউতাকৰ মৃত্যুৰ পিছত বিয়া দিবলৈ ওলাইছিল তেতিয়া তাই মাকক সোঁৱৰাই দিছিল যে দেউতাকৰ মৃত্যুৰ এবছৰ সম্পূৰ্ণ নোহোৱাকৈ বিয়া হোৱাৰ নিয়ম নাই। পিতৃ প্ৰধান সমাজৰ নিয়মেৰে পৰিচালিত মাকে তেতিয়া কৈছিল---"ছোৱালীৰ বিয়াৰতো তেনে নিয়ম নাই। ল'ৰাইহে বছৰেকীয়াৰ ভিতৰত বিয়া কৰাব নাপায়।"[২১]

সন্তানৰ পৰিবৰ্তে ল'ৰা আৰু ছোৱালী বুলি চাই সিদ্ধান্ত লোৱাটো সেই সময়ৰ সমাজৰ মানসিকতা, যিটোৰ দ্বাৰা মাধৰীৰ মাক আক্ৰান্ত। সেয়েহে তেওঁৰ মুখেদি এনে কথা ওলাইছে। এইবোৰ ধাৰণাই কিন্তু মাধৰীক বলাব পৰা নাছিল। তাইৰ দৃষ্টিত পুত্ৰৰ বাবে যি নিয়ম পুত্ৰীৰ বাবেও একেই নিয়ম পালিত হ'ব লাগে। কিন্তু মাধৰীয় যেতিয়া মাকৰ কথা আওকাণ কৰি নিজৰ কথাতেই লাগি থাকিল তেতিয়া মাকে ক'লে--"মতা ল'ৰাৰ দৰে চাকৰি কৰি খাব লাগে যে মাধৰী, বিয়া হৈ গ'লে কি হয়?"

মাধৰীয়ে মাকৰ প্ৰত্যুত্তৰ দিলে এনেদৰে---"'আৰ্জ্জি' খোৱা মতা ল'ৰাৰেই কাম নহয় আই, যোগ্যতাই কুলালে ছোৱালীয়েও আৰ্জ্জি খাবৰ পৰিযত্ন কৰিব পাৰে। ছোৱালীৰ চাকৰিত ডাঙৰ বংশৰ নাম যোৱা ধাৰণা অতি অন্ধকাৰ যুগৰ ধাৰণা।"[২২] উপন্যাসখনত মাধৰী চৰিত্ৰৰ যোগেদি সমাজত নাৰীৰ ভাৱনা আৰু নাৰীৰ স্থান সম্পৰ্কীয় কথাবোৰে যথেষ্ট গুৰুত্ব পাইছে। মাধৰীৰ প্ৰতিটো কথাতেই নাৰী ধাৰণাৰ কথাবোৰ স্পষ্ট হৈ উঠিছে।

বিংশ শতাব্দীৰ তৃতীয় দশকত স্নেহলতা ভট্টাচাৰ্য আৰু চতুৰ্থ দশকত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বাহিৰে দ্বিতীয় মহাযুদ্ধৰ পূৰ্বৱৰ্তী উপন্যাসত অসমীয়া মহিলা ঔপন্যাসিকৰ নাম পোৱা নাযায়। বিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধত আমি আন এগৰাকী মহিলা লেখিকাৰ নাম ল'ব পাৰোঁ কিন্তু শুচিব্ৰতা ৰায়চৌধুৰীৰ উপন্যাস 'বা-মাৰলী'ত নাৰীসমাজক গুৰুত্ব দি লিখা কোনো ধৰণৰ তথ্য পোৱা নাযায়। সমসাময়িকভাৱে হিৰণ্যময়ী দেৱীৰ 'জীৱন সংগ্ৰাম' (**১৯৫৬**), যুগৰ যাত্ৰী' (**১৯৬০**) আৰু 'এমুঠি আবিৰৰ ৰং'- তিনিওখন উপন্যাসতে নাৰীজাগৰণৰ প্ৰচেষ্টাৰ বিষয়ে দৃষ্টিগোচৰ হয়। এইবোৰৰ

---

২০. বৰুৱা, প্ৰীতি (সম্পা.)ঃ *পিতৃভিঠা*, পৃ. **২৩**

২১. উক্ত গ্ৰন্থ ঃ পৃ. **১৬**

২২. উক্ত গ্ৰন্থ ঃ পৃ. **১৮**

মাজেৰে আমি নাৰী এগৰাকীৰ সামাজিক স্থিতি নাৰী-ভাৱনাৰ বিষয়ে জানিব পাৰোঁ।

নিৰুপমা বৰগোহাঞিৰ 'অভিযাত্ৰী' উপন্যাসখনত এটা গুৰুত্বপূৰ্ণ দিশ হৈছে সামাজিক সংস্কাৰৰ তীব্ৰ সংঘাতৰ চিত্ৰণ। উপন্যাসখনৰ মুখ্য চৰিত্ৰ চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে অনেক অৰ্ন্তদ্বন্দ্ব আৰু মানসিক সংঘাতৰ মাজেৰে হ'লেও স্কুলৰ শিক্ষা শেষ কৰি শিক্ষয়িত্ৰী হৈছিলগৈ। সমাজত স্ত্ৰী শিক্ষাৰ প্ৰতি বিৰূপ মনোভাৱে ক্ৰিয়া কৰাৰ সময়তে ঔপন্যাসিকাই চন্দ্ৰপ্ৰভাৰ চৰিত্ৰটো থিয় কৰাই নাৰীবাদী ভাৱধাৰা ফুটাই তুলিছে। সেই সময়ত স্ত্ৰীশিক্ষা সমাজত জনপ্ৰিয় হৈ উঠা নাছিল। দেউতাক ৰাতিৰামেও চন্দ্ৰপ্ৰভাক পঢ়া-শুনা কৰাটো বিচৰা নাছিল। কিন্তু দেউতাকৰ কথাৰ প্ৰতিবাদ কৰি ওচৰতে গাঁৰৰ কেইটিমান ল'ৰা-ছোৱালী লৈ পাঠদান আৰম্ভ কৰি দিছিল। এদিন স্কুল পৰিদৰ্শক নীলকান্ত বৰুৱাই চন্দ্ৰপ্ৰভাৰ মেধাশক্তি আৰু উৎসাহ দেখি নগাঁও মিছন স্কুলত পঢ়াৰ সুবিধা কৰি দিলে। মিছন স্কুলত অখ্ৰীষ্টান ছাত্ৰীসকলক কৰা শোষণৰ বিৰুদ্ধে চন্দ্ৰপ্ৰভাই সদায় প্ৰতিবাদ কৰিছিল। এদিন শিক্ষয়িত্ৰী এগৰাকীয়ে কিবা কথাত 'ভাৰতীয়সকল গুদাম ঘৰতকৈয়ো বেয়া ঘৰত থাকে'[২৩] বুলি মন্তব্য দিয়াত চন্দ্ৰপ্ৰভাই ক্ষুদ্ধ হৈ শিয়য়িত্ৰীগৰাকীক এনে মন্তব্য উঠাই ল'বলৈ বাধ্য কৰায়। চন্দ্ৰপ্ৰভাৰ বিদ্ৰোহী মনটোৰ উমান এইবোৰ কথাত পোৱা যায়।

তেওঁ গান্ধীৰ নেতৃত্বৰ স্বাধীনতা আন্দোলনৰো এগৰাকী উগ্ৰ কৰ্মী আছিল। স্বাধীনতা আন্দোলনৰ এক প্ৰধান অংগ আছিল নাৰীৰ শিক্ষা আৰু নাৰীৰ উন্নয়ন সম্পৰ্কীয় কাম। চন্দ্ৰপ্ৰভাই ইয়াক আদৰ্শ হিচাপে লৈছিল। অসম মহিলা সমিতিৰ যোৰহাট অধিৱেশন অন্ত পৰাত চন্দ্ৰপ্ৰভাকে ধৰি আন আন মহিলা প্ৰফুল্লবালা চৌধুৰী, ৰত্ন কুমাৰী ৰাজখোৱা আদিৰ কথোপকথনত নাৰী ভাৱনাবোৰ প্ৰকট হৈ উঠিছে এনেদৰে--

> *শ্ৰীযুক্তা চৌধুৰী আপুনি অতি ঠিক কথা কৈছে- মহিলাসকলে যদি ভাত ৰান্ধিব লাগে পুৰুষসকলে খৰি নেফালিব কিয়। অতি যুক্তিপূৰ্ণ প্ৰত্যাহ্বান। ৰক্ষণশীল পুৰুষ সমাজৰতো গাজত লাগিবই।*[২৪]

এবাৰ সভা সমিতিত বক্তৃতা দি ফুৰোঁতে নাৰীৰ পুৰুষৰ সৈতে সমতাৰ বিষয়ত পূৰ্ণ শৰ্মাই ধেমালিতে কোৱা কথা এষাৰত চন্দ্ৰপ্ৰভা ক্ষুণ্ণ হয়। "চন্দ্ৰপ্ৰভাই কিন্তু হাঁহিত যোগ নিদিলে।

---

২৩. বৰগোহাঞি, নিৰুপমা ঃ *অভিযাত্ৰী,* পৃ. ১৯০

২৪. উক্ত গ্ৰন্থ, পৃ. ২০৫

পুৰুষতকৈ নাৰীক যেতিয়াই যিভাৱে হীন কৰা নহওক কিয়, তাই তাৰ বিৰুদ্ধে ফেট তুলি উঠিবই। ...আপোনালোকৰ সমানে বিকাশ লাভ কৰাৰসুযোগ নিদি এই হীন অৱস্থাত পেলাই ৰাখিছে।।"[২৫] চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নাৰীবাদী ভাৱনা উপন্যাসখনৰ প্ৰতিটো পৃষ্ঠাতেই ফুটি উঠিছে। এদিন অসমৰ বিবিধ বস্তু লৈ ব্যৱসায় কৰাৰ কথা কওঁতে চন্দ্ৰপ্ৰভাৰ  মাক গংগাপ্ৰিয়াই বাধা প্ৰদান কৰোঁতে চন্দ্ৰপ্ৰভাই অকাট্য যুক্তিৰে কৈছিল--

> *আই মোক সেইবোৰ মতা তিৰোতৰ প্ৰভেদৰ কথা কৈ একো লাভ নাই জানাই। মতাই কৰিব পৰা কাম তিৰোতাই কৰিব নোৱাৰে বুলি কোনো শাস্ত্ৰত লেখা নাই। মই বেপাৰ কৰিব পাৰোঁনে নাই তই চাই থাকিবি।*[২৬]

গান্ধীৰ প্ৰভাৱত নাৰীবাদী চন্দ্ৰপ্ৰভাৰ মনৰ ভাৱ প্ৰকাশ পাইছে, এনেদৰে--

> *উস, কেনেকৈ আপোন পাহৰি অহৌ বলিয়াৰ দৰে ঘূৰি ফুৰাৰ সময়ত তাই যে কত ধৰণৰ প্ৰতিবন্ধকতাৰ সন্মুখীন হ'ব লগা হোৱা নাই, পুৰুষৰ আধিপত্য আৰু নাৰীৰ অনগ্ৰসৰতাৰ তাই যে ক'ত.... এই কামত তাইৰ প্ৰাণদায়ী এজনেই ভগৱান, তেওঁৰেই আদৰ্শ সাৰোগত কৰি তাই আগবাঢ়িছে। তেওঁ হ'ল মহাত্মা গান্ধী।*[২৭]

উপন্যাসখনত চন্দ্ৰপ্ৰভাৰ পুত্ৰ অতুলে বিয়াৰ আগতেই জন্মৰ আঁতিগুৰি ভাবী পত্নীক জনাই দিবলৈ কুণ্ঠাবোধ কৰা নাই। পুত্ৰৰ এনে ভাৱনাক চন্দ্ৰপ্ৰভাই সমৰ্থন কৰিছে--"ল'ৰাৰ যেনেকৈ সকলো আঁতিগুৰি জনাৰ অধিকাৰ আছে, ছোৱালীৰো তেনেকৈ ল'ৰাৰ সেই সকলোবোৰ জনাৰ অধিকাৰ আছে।"[২৮]

ঔপন্যাসিকাই চন্দ্ৰপ্ৰভাৰ চৰিত্ৰটোক নতুন নাৰীৰ এক জীৱন্ত প্ৰতিমূৰ্তি ৰূপত অংকন কৰিছে। পুৰুষ প্ৰধান সমাজখনত নাৰীয়ে ঘৰৰ চাৰিবেৰৰ মাজত নিজকে আৱদ্ধ নাৰাখি পুৰুষৰ সমানে সমানে খোজ মিলাই যাব লাগে তাকেই চন্দ্ৰপ্ৰভা চৰিত্ৰটোৰ মাজেৰে ক'ব বিচাৰিছে।

নিৰুপমা বৰগোহাঞিৰ  'মোৰ নাম চম্পাৱতী কাকতি'- উপন্যাসখন বিষয়বস্তু আৰু কলাগত দিশৰপৰা অতি উৎকৃষ্ট উপন্যাস। 'অন্যজীৱন' (১৯৮৭) ৰ পিছত নাৰীবাদ স্পষ্ট ৰূপত ধৰা পৰা বৰগোহাঞিৰ 'মোৰ নাম চম্পাৱতী কাকতি' (১৯৯০) উপন্যাসখন তেওঁৰ দ্বিতীয়খন

---

২৫. বৰগোহাঞি, নিৰুপমা ঃ *অভিযাত্ৰী*, পৃ. **২৩৫**

২৬. উক্ত গ্ৰন্থ, পৃ. **২১৩**

২৭. উক্ত গ্ৰন্থ, পৃ. **২০৩**

২৮. উক্ত গ্ৰন্থ, পৃ. **৩৬০**

উপন্যাস। উপন্যাসখনৰ মূল নামটো আছিল 'চম্পাৱতী'। কিন্তু প্ৰকাশক সলনি হোৱাৰ পিছত বৰ্তমানৰ নামটো ব্যৱহাৰ কৰা হৈছে।

উপন্যাসখনৰ নায়িকা চম্পাৱতী কাকতি হৈছে আদৰ্শবাদী কংগ্ৰেছী জীৱনাথ কাকতিৰ জীয়ৰী। বিৱাহ উপযুক্তা হোৱাত চম্পা ধনী আৰু প্ৰতিপত্তিশীল ল'ৰা এজনৰ লগত বিয়াত সোমাল। কিন্তু এই বিয়াৰ মোহভংগ হ'বলৈ চম্পাৰ বেছিদিন নালাগিল।

গিৰিয়েকৰ তোষামোদ তথা পত্নীক তলত ৰাখিবলৈ চেষ্টা কৰা প্ৰবৃত্তিত চম্পাৰ আদৰ্শবাদী মনটোৱে এই বন্ধনৰপৰা ওলাই আহিব বিচাৰিলে। গিৰিয়েকৰ কথাবোৰত তাই অতিষ্ঠ হৈ পৰিল। ইফালে শাহুৱেকে পুতেকৰ গাত দোষৰ ফোট এটাকৈ পৰিবলৈ নিদি ওলোটাই পুতেকক শুধৰাবলৈ চম্পাকহে দায়িত্ব দিলে। শাহুৱেকৰ কথাতেই চম্পাই গম পালে পৰিয়ালটোত চলি থকা পুৰুষতান্ত্ৰিক এখন সমাজৰ কথা। ইয়াত যে পুৰুষৰ ওপৰত কোনো ধৰণৰ কথাৰ স্থান নাই সেই কথা চম্পাই শাহুৱেকৰ বুজনিত স্পষ্টভাৱে প্ৰমাণ পালে। কেনেদৰে এইখন সমাজত নাৰীসকল সামাজিক বৈষম্যতাৰ বলি হ'বলগীয়া হৈছে সেয়া শাহুৱেকৰ কথাবোৰতেই ফুটি উঠিছে। ইচ্ছা কৰা হ'লে মাকে পুতেককে বাধা দিব পাৰিলেহেঁতেন, কিন্তু পৰিয়ালটোত বৰ্তি থকা পুৰুষতান্ত্ৰিকতাৰ বিৰুদ্ধে খোজ আগবঢ়াবলৈ মাকেও সাহস কৰিব পৰা নাই।

ঘৰখনৰ সকলো কথাতেই পুৰুষেই সৰ্বেসৰ্বা, নাৰীৰ স্থান এক নিৰ্দিষ্ট পৰিধিৰ ভিতৰতহে। উপন্যাসত নাৰীৰ বিবাহৰ ক্ষেত্ৰত নাৰীবাদ ফুটাই তোলা হৈছে। আমাৰ সমাজত নাৰীৰ বিৱাহৰ ক্ষেত্ৰত নাৰীগৰাকীৰ মতামতৰ কোনো কথা নাথাকে, ইয়াত পুৰুষেই সৰ্বেসৰ্বা। অথচ সেই নাৰীগৰাকীৰ বিৱাহৰ পিছৰ কালৰ সহ্যাতীত অত্যাচাৰৰ বিৰুদ্ধে কোনো পুৰুষেই মাত নামাতে। বিৱাহৰ পিছত গিৰিয়েকেই ইয়াত সকলো। ইচ্ছামতে পত্নীক ব্যৱহাৰ কৰিব পাৰে, নিজৰ সন্তুষ্টিৰ অলপ যোগ-বিয়োগ হ'লে সীমা চেৰাই যোৱাকৈ কটু কথা শুনাব পাৰে। চম্পাৱতীয়ে যেতিয়া গিৰিয়েকৰ কাষত প্ৰতিবাদ কৰি উঠিছিল তেতিয়া তাইক কোবাইছিল।

চম্পাৱতী আত্মসন্মানবোধ থকা সাহসী ছোৱালী আছিল, যি অন্যায়ৰ প্ৰতিবাদ কৰিছিল। এই ক্ষেত্ৰত অৱশ্যে তাই দেউতাক জীৱনাথ কাকতিৰ পৰা অনুপ্ৰেৰণা পাইছিল। তাইৰ প্ৰতিবাদৰ ভাষা আছিল স্পষ্ট। তাই যেতিয়া স্পষ্টভাৱে গিৰিয়েকক কৈছিল--"দিল্লীত গৈ থাকি আপুনি প্ৰেম পিৰীতি কৰি থাকিল। দোষ কেৱল মোৰ বেলিকা? কিয়, মই মাইকী মানুহ বুলি নেকি?"[২৯]

২৯. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ. **৩৯৩**

তাইৰ প্ৰতিবাদী কণ্ঠস্বৰে গিৰিয়েকৰ পুৰুষত্বত যেন আঘাত হানিছিল। চিএওৰি উঠিছিল আৰু তাইক কৈছিল--

> *তিৰোতা মানুহৰ মতা মানুহৰ আগত এটাই মাত্ৰ ভূমিকা পালন কৰিব লগা আছে, তাতকৈ সিহঁতক বেছি দিবলৈ গ'লে সিহঁতে কুকুৰৰ দৰে একেবাৰে মূৰলৈকে উঠিব খোজে। মই ইমানদিনে সেই বেছি দিয়াৰ ভুলটো কৰি আহিছিলোঁ কিন্তু আজিৰ পৰা আৰু সেই ভুল নহয়, তই আজিৰ পৰা মোৰ মাত্ৰ পাটিৰ তিৰোতা।*[৩০]

গিৰিয়েকৰ কথাৰ পৰা এনে ধাৰণা হয় নাৰীসকল যেন পুৰুষৰ বাবে কেৱল মাত্ৰ ভোগৰ আহিলা। কেৱল যৌন আসক্তিৰ কাৰণে নাৰীক ব্যৱহাৰ কৰিব খোজা এনেকুৱা মনৰ পুৰুষেই পুৰুষতান্ত্ৰিক সমাজখনত দপ্‌দপাই আছে। প্ৰকৃততে নাৰীৰো নিজস্বতা আছে, নিজস্ব জীৱনশৈলীৰে জীৱন কটাবৰ বাবে এক স্বাধীনতা আছে। তেতিয়াহ'লে নাৰীসকলৰ গতিপথ কি? চম্পাৱতী কাকতি ইয়াত এটা উদাহৰণ মাত্ৰ। এনে অনেক চম্পাৱতী আছে যিয়ে এই বন্ধন চিঙিব খুজিও নোৱাৰে। কিন্তু চম্পাৱতীৰ আদৰ্শবাদী, অধ্যয়নশীল পিতৃয়ে তেনে এক বিবাহ বান্ধোনৰপৰা ওলাই আহিবলৈ তেওঁক উপদেশ দিলে। বিবাহমুক্ত জীৱনত তাই লগ পালে আদৰ্শবাদী কমিউনিষ্ট নেতা গোলোক শইকীয়াৰ পুত্ৰ সূৰ্য শইকীয়াক। সূৰ্যৰ উপদেশত ভনীয়েক সাদৰীৰ সৈতে লগলাগি চম্পাৱতী কমিউনিষ্ট দলৰ মহিলা শাখাৰ এগৰাকী নিষ্ঠাবান কৰ্মী হৈ পৰিল আৰু ইয়াৰ জৰিয়তে তাই এক নতুন জীৱনৰ সোৱাদ পালে। লগতে সাদৰীৰ দৰে এগৰাকী লগৰীয়া পাই তাই সুখী হ'ল।

ঔপন্যাসিকে সাদৰীৰ কথাবোৰতো নাৰী-ভৱনাৰ স্পষ্ট ৰূপ ফুটাই তুলিবলৈ চেষ্টা কৰা দেখা গৈছে। তাই চম্পাক কোৱা কথা এষাৰৰ পৰা আমি এই কথা গম পাব পাৰোঁ--

> *তোমাৰ কামত মই ছোৱালী মানুহ হিচাপে কি যে গৌৰৱবোধ কৰিছো কি ক'ম। ছোৱালী হ'লৈই পুৰুষৰ সকলো অত্যাচাৰ নীৰৱে সহি যোৱাৰ বাহিৰে গত্যন্তৰ নাই- আমাৰ সমাজৰ এই বদ্ধমূল ধাৰণাটোক তুমি নস্যাৎ কৰি দি অত্যাচাৰী স্বামীক ত্যাগ কৰি গুচি আহিছা- তোমাৰ মনৰ জোৰ আৰু সাহসক মই সঁচায়ে অভিনন্দন জনাইছো, চম্পা...।*[৩১]

সূৰ্যই সম্পূৰ্ণৰূপে মাৰ্ক্সবাদী ধাৰণাৰে নাৰীৰ হকে কাম কৰিছে। কিন্তু পৰম্পৰা মুক্ত তেনে এজন পুৰুষো বিবাহৰ ক্ষেত্ৰত প্ৰকৃত নাৰীবাদী হ'ব পৰা নাই। সূৰ্যৰ কথাত চম্পাৰ

---

৩০. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ. ৩৯৩

৩১. উক্ত গ্ৰন্থ, পৃ. ৪০২

প্ৰতিবাদী কণ্ঠই চিঞৰি উঠিল--"আচৰিত... যি নাৰী পুৰুষৰ সমান অধিকাৰত বিশ্বাসী, আচৰিত সঁচায়ে সেই তোমাৰ কথাতো পুৰুষৰ অহংভাৰৰ প্ৰতিধ্বনি।"[৩২]

প্ৰকৃততে উপন্যাসখনৰ জৰিয়তে ঔপন্যাসিকো নাৰী-পুৰুষৰ সমতাৰ ক্ষেত্ৰত সকলোৰে যে সমান অধিকাৰ থাকিব লাগিব এই কথা তুলি ধৰিব খুজিছে। বিবাহৰ ক্ষেত্ৰতো পুৰুষ-নাৰীৰ সম অধিকাৰ আছে এয়া তেওঁ উপন্যাসখনৰ বিভিন্ন চৰিত্ৰৰ মাজেদি প্ৰতীয়মান কৰিছে। আওপকীয়াকৈ তেওঁ "জীয়াৰীকালৰ পিতৃৰ অধীনত, যৌৱন কালত পতিৰ অধীন আৰু বৃদ্ধ কাল পুত্ৰৰ অধীন" - এই আপ্ত বাক্য ফাকিৰ বিৰোধিতা কৰিছে। তদুপৰি ঔপন্যাসিকাই নাৰীৰ শিক্ষাৰ অভাৱেই বহুত ক্ষেত্ৰত নাৰীমুক্তিৰ পথত হেঙাৰ হৈ পৰিছে বুলি চম্পাৰ পিতৃ জীৱনাথ কাকতিৰ কাম-কাজৰ জৰিয়তে নিৰুপমা বৰগোহাঞিয়ে অতি কৌশলেৰে আঙুলিয়াই দিছে।

নাৰী-ভাৱনা আৰু সমাজত নাৰীৰ স্থান সম্পৰ্কে উপন্যাস ৰচনাত মামণি ৰয়ছম গোস্বামীৰ এক বিশিষ্ট স্থান আছে। গোস্বামীৰ ভিন্নৰুচিৰ ৰচনাশৈলীত নাৰী-ভাৱনাই হৃদয়স্পৰ্শী ৰূপত প্ৰতিভাত হৈছে। নাৰীৰ মনৰ বিচিত্ৰ অনুভূতি, দ্বন্দ্ব আৰু সংঘাতৰ নিৰ্মোহ আৰু নিৰ্মম বিচাৰ বিশ্লেষণ কৰাত গোস্বামীৰ সাহসী পদক্ষেপ ব্যতিক্ৰমধৰ্মী। এই প্ৰসংগত আমি হীৰেন গোহাঁইৰ এটি মন্তব্য তুলি ধৰিব পাৰোঁ--

> *আমাৰ অধিকাংশ সমসাময়িক লেখক যুগধৰ্মৰ প্ৰভাৱত যেতিয়া মানৱতাৰ প্ৰতিশ্ৰুতি আৰু প্ৰেমৰ ক্ষমতা সম্পৰ্কে সন্দিহান হৈ পৰিছে, সেই সময়ত ভাৰতীয় নৱযুগৰ মহৎ উত্তৰাধিকাৰে সঞ্জীৱিত কৰি ৰখা মন এটাৰে গোস্বামীয়ে আধুনিক জীৱনৰ অতি কৰ্কশ,ৰুক্ষ আৰু নিষ্ঠুৰ ঘটনাৱলীৰ সন্মুখীন হৈছে আৰু নিৰ্ভীক অথচ কৰুণাময় হৃদয়েৰে সেই নৃশংস ঘটনাবোৰৰ মাজত মানৱতাৰ হেৰোৱা আঁতডাল বিচাৰিছে।*[৩৩]

নাৰীৰ অমানৱীয় অৱস্থাক লৈ তেওঁৰ উপন্যাসত প্ৰতিবাদ কৰা দেখা যায়। সৌদামিনী এগৰাকী গাভৰু বিধৱা আছিল। পৱিত্ৰ ধৰ্মীয় পৰিৱেশত বিধৱা গাভৰু জীয়েক সৌদামিনীয়েও নিজৰ সকলো দুখ পাহৰি পুণ্য অৰ্জন কৰিব পাৰে বুলি মাক-দেউতাকে জীয়েকক ব্ৰজধামত থৈ আহে। কিন্তু সৌদামিনীয়ে নিজৰ দেহৰ কামনাক আঁতৰাই ভগৱানৰ ওচৰত নিজকে সমৰ্পণ কৰিব নোৱাৰিলে। তাৰ ঠাইত তাইৰ হৃদয়ত এজন খ্ৰীষ্টান ডেকাৰ প্ৰৱেশ ঘটিল। তাই পৱিত্ৰ

---

৩২. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ. ৪০৯

৩৩. গোঁহাই ৰাণী, (সম্পা.) ঃ *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস*, হীৰেন গোঁহাইৰ 'নৱকদৰ্শনৰ বৃত্তান্ত', পৃ. ৭

নগৰী ব্ৰজধামত থাকিলেও "যাৰ দেহ-মন এতিয়াও ধূলি-মাকতিৰে ধূসৰিত, যাৰ দেহ-মনত জৈৱিক স্পৃহাৰ সেই তৰংগৰাশিৰ কোনো পৰিৱৰ্তন নাই।"[৩৪]

সৌদামিনীয়ে দেহৰ কামনাক কোনো মতেই আওকান কৰিব নোৱাৰাত শেষত দেউতাকেই খ্ৰীষ্টান যুৱকজনৰ ওচৰ চাপিবলৈ তাইক আগবঢ়াই দিলে। কিন্তু পৰিস্থিতিৰ শেষত সৌদামিনীয়ে প্ৰেমিকক দেহ-মন দান কৰিয়েই যমুনাত জঁপিয়াই প্ৰাণ ত্যাগ কৰে। হতাশা আৰু অপৰাধৰ অৰ্ন্তদ্বন্দ্বৰ অৱসান ঘটিছে সৌদামিনীৰ মৃত্যুত।ব্ৰজধামৰ ৰাধেস্বামীসকল যেন তাইৰেই অস্তিত্বৰ সম্প্ৰসাৰণ।

"সৌদামিনীৰ চকুত পৰিল কিছুমান ভগ্ন খাপৰি। পাৰৰ বাহৰ দৰে খুপৰি এইবোৰ। এজাক বিধৱা ৰাধেশ্যামীয়ে এই খুপৰিবিলাকত বাস কৰে। ইহঁতৰ অস্থি চৰ্মসাৰ দেহ, গাত বিবৰ্ণ মলিয়ন ধুতি। কিন্তু কপালত সিহঁতৰ দগ্‌মগাই আছে বিভূতি আৰু গোপীচন্দনৰ ৰেখাৰ সমাৰোহ। সৌদামিনীক দেখি সিহঁত খুপুৰীৰপৰা ওলাই আহিল। পৰম বিস্ময়েৰে এই অস্থি চৰ্মসাৰ বৃদ্ধা দলটিয়ে তাইক বেঢ়ি ধৰিলে। আইসকল আপোনালোকে ইয়াত কেনেকৈ জীৱন ধাৰণ কৰে?... ...কৰঙণত সোমোৱা অদ্ভূত চকু দুটাত দিনৰ উজ্জ্বলতা সানি এজনীয়ে ক'লে দৰকাৰ হ'লে আমি "কাঁচৰ মন্দিৰ' আৰু ৰংগজীৰ দুৱাৰ মুখত বহি ভিক্ষা কৰোঁ আৰু দৰ্কাৰ হ'লে মালচা ভোগৰ আশাত আমি মন্দিৰৰ চিৰিত বহি উজাগৰে ৰাতি কটাওঁ।"[৩৫]

একেলগে আমি শশী নামৰ অনাথ গাভৰু গৰাকীৰ কথাও পাওঁ। অনাথ গাভৰু শশীয়ে সহবাস কৰিবলগীয়া হ'ল আলমগড়ী নামৰ পূজাৰী এজনৰ লগত। কিবা উপায়েৰে এসাঁজ খাই হ'লেও তাই জীয়াই থাকিব লাগিব। কিন্তু "কুৰি বছৰ পাছত যেতিয়া তাইৰ এই দেহস্বৰূপ ঘৰৰ ছাল জহি-খহি গৈ পখৰা ফাপৰে ধৰা কুকুৰৰ দৰে হৈ পৰিব...।"[৩৬] তেতিয়া কি হ'ব? আলমগড়ীৰ মৃত্যুত তাই আকৌ নিৰাশ্ৰয়া হ'ল। ঠাকুৰ চাহাবৰ বিধৱা জীয়েকে তাইক ক'লে--

"আলমগড়ীয়ে তোমাৰ অনিষ্টই কৰক নাইবা উপকাৰেই কৰক এইটো কথা ঠিক সি তোমাক দূৰৰ পৰা পহৰা দি আছিল। এতিয়া ব্ৰজৰ যুৱতী বিধৱা আৰু অসতী তিৰোতৰ গোন্ধ

---

৩৪. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ*, পৃ.৩২৩

৩৫. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৭৭

৩৬. গোস্বামী, মামণি ৰয়ছম ঃ *নীলকণ্ঠী ব্ৰজ*, পৃ ১০৬

লৈ ফুৰা কুকুৰনেচীয়া জাকৰ সুবিধা হ'ল।"[৩৭]

বিধৱা এগৰাকীয়ে সমাজৰ প্ৰয়োজনীয়তা এৰি ব্ৰতচাৰিণী হৈ জীৱন কটোৱাৰ সলনি পুৰ্নবিৱাহত বহাটো ঔপন্যাসিকাই বিচাৰিছে। সেয়েহে দেখাইছে যে সৌদামিনীয়ে প্ৰেমিকক দেহ-মন দান কৰি আত্মহত্যা কৰিলেও তেওঁৰ সধৱা হিচাপেই মৃত্যু হৈছে। মামণি ৰয়ছম গোস্বামীয়ে নাৰীৰ জীৱন উন্নত কৰাৰ বাবে মানুহৰ মানসিকতা আৰু ধৰ্মানুষ্ঠানবোৰত মানৱীয়তাৰ প্ৰয়োজনৰ কথা দোহাৰিছে।

মামণি ৰয়ছম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল' উপন্যাসখন এটা নিৰ্মাণ কোম্পানীৰ বনুৱাসকলৰ বঞ্চিত জীৱনক লৈ ৰচিত। ইয়াত নাৰীৰ সমস্যাসমূহ স্পষ্ট ৰূপত দেখা দিছে আৰু এইবোৰে লেখিকাৰ নাৰী-ভাৱনা আৰু সমাজত নাৰীৰ স্থানৰ চিন্তা-চৰ্চাৰ পৰিচয় দিছে। উপন্যাসখনত শ্ৰমিক নাৰীৰ বেদনা জৰ্জৰিত সংগ্ৰামৰ কাহিনী 'নাৰায়ণী' নামৰ চৰিত্ৰৰ যোগেদি তুলি ধৰিছে। তাইৰ গিৰীয়েক চাফাই কৰ্মী শিবু ধাচলা এদিন নৰিয়াত পৰিল। তাতে আকৌ ৰাজনৈতিক ধৰ্মঘটত ফচি তাৰ দৰমহাও নোহোৱা হ'ল। এনে অৱস্থাত নাৰায়ণীয়ে উপায় নাপাই দেহোপজীৱিনীৰ ৰাস্তা ল'লে। দলিত শ্ৰেণীৰ নাৰায়ণীয়ে বিচাৰে জীয়াই থাকিবলৈ- পেটৰ ক্ষুধা নিবাৰণেই তাইৰ একমাত্ৰ চিন্তা। এনে অৱস্থাত সামাজিক বিধি তাইৰ কাৰণে অৰ্থহীন। এদিন তাই ধৰা পৰিল, তেতিয়া কিন্তু তাই নিজকে দুৰ্বল বুলি ভাবি পুতৌ নিবিচাৰিলে। নাৰায়ণী চৰিত্ৰত সাহস আৰু প্ৰতিবাদী সত্বা লেখিকাই অংকন কৰিছে। "ধাচলাৰ বেমাৰৰ সময়ত মই নিমখৰ বস্তাৰ দৰে পেটটো লৈ ঘুৰি ফুৰোঁতে তহঁতে মোক এটা পইছা দি সহায় কৰিছিলিনে? এতিয়া ধৰ্মঘট কৰি তহঁতে পেটৰ ভাত মুঠি কাঢ়ি লোৱা নাইনে ছালাহঁত?"[৩৮]

উপন্যাসখনৰ আৰু এঠাইত নাৰীৰ মনৰ ভাৱ নাৰায়ণীৰ মাজেৰে লেখিকাই প্ৰকাশ কৰিছে--

*আহ্, শেষত এয়ে হ'ল। ...বায়স্কোপ চাই অভিনেত্ৰীসকলৰ দৰে জীৱন এটা তাই কল্পনা কৰিছিল। ৰবাৰ্ট চাহাবেও হৰিজনৰ তিৰোতা এজনীক মেম চাহাব কৰা নাছিলনে? আহ্, সেই মেম চাহাববোৰ? গাখীৰৰ ফেনৰ দৰে কাপোৰ পিন্ধি, গাড়ীত উঠি ফুৰিবলৈ যায়। চামেলী ফুলৰ দৰে ৰঙীন জীৱন- এৰা, ৰবাৰ্টগঞ্জৰ ৰৰ্বাট চাহাবে হৰিজনৰ তিৰোতা বিয়া*

---

৩৭. গোস্বামী, মামণি ৰয়ছম ঃ *নীলকণ্ঠী ব্ৰজ*, পৃ.১০৬-১০৭

৩৮. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) প্ৰাগুক্ত গ্ৰন্থ, পৃ.১৬২

*কৰাইছিল। বৰ সুখত ৰাখিছিল তাইক-ৰবাৰ্টগঞ্জৰ ৰৰ্বাট চাহাব আৰু এই হৰিজনৰ তিৰোতাজনীক লৈ কত গান আছে। বায়োস্কোপতো কত চাহাবে কত হৰিজন তিৰোতাক মেম চাহাব কৰিছে... ।*[৩৯]

নাৰায়ণীৰ দৰে সমাজৰ নিম্নবৰ্গীয় নাৰীৰ যেনেদৰে সামাজিক বিধি-বিধানৰ মুখা পিন্ধি থকাৰ প্ৰয়োজন নাই, এই নাৰীসকলৰ বাবে ক্ষুধা নিবাৰণেই এনে এক জ্বলন্ত প্ৰশ্ন সকলো ধৰণৰ ভণ্ডামিৰে হ'লেও তেওঁলোকেহে সাহস আৰু সক্ৰিয়তাৰ পৰিচয় দিব পাৰে। সমস্যাৰ সমাধান কৰিবলৈ গৈ নিজৰ দেহটোকে বিক্ৰী কৰিবলগা হৈছে। পৰিস্থিতিৰ দায়ত পৰি তাই ঠাকুৰ চাহাবক হত্যা কৰিছিল। ডেকাসকলৰ ইতিকিঙো তাই সহিব লগা হৈছে।

"হেৰৌ নাৰায়ণী-মেমচাহাব হ'ব খুজিছিলি নেকি? চাহাবে 'জুংগা'ত বহোঁতে এবাৰো দেখোন উভতি নাচালে। বেচেৰীক কুঁহিয়াৰৰ সিঠাৰ দৰে চোবাই এৰিলে।"[৪০]

উপন্যাসখন নাৰীৰ ৰুগ্ন বাস্তৱৰ নিৰ্মোহ বিশ্লেষণ। কৃত্ৰিমতাৰ চাপ একেবাৰে মহঙা।

মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত তিনিসত্ৰীয়া অধিকাৰ মহাপ্ৰভুৰ পত্নী গোঁসানী আই, বিধৱা ভনীয়েক দুৰ্গা, ফুলকলিতে বিধৱা হোৱা গোঁসাইৰ মাইচানা, গিৰিবালা, সৰু গোঁসানী আদি নাৰীচৰিত্ৰসমূহৰ মাজেৰে প্ৰচলিত ৰীতি-নীতি, কুসংস্কাৰে ছাটি ধৰা সমাজৰ তিৰোতাবোৰৰ দুৰৱস্থা, ধৰ্মীয় গোড়ামীৰ বলি হৈ নিজৰ কামনা-আশাক কঠোৰভাৱে দমন কৰি সকলো জলাঞ্জলি দি মৰ্মান্তিক জীৱন যাপন কৰা তিৰোতাবোৰৰ জীৱন গাঁথা প্ৰকাশ কৰিছে। যিখন সমাজত ধৰ্মৰ অধিকাৰ তিনিসত্ৰীয়া গোঁসায়ে শূদিৰীয়া তিৰীৰ লগত সম্পৰ্ক ৰাখিও মহাপ্ৰভুৰ সন্মান পাই থাকে, সেইখন সমাজতে কিন্তু নাৰীৰ বাবে কঠোৰ নীতি-নিয়ম বনোৱা হয়, যিসকল নাৰীয়ে পুৰুষৰ কুকৰ্মক সহজভাৱে গ্ৰহণ কৰিব লগা হয়।

উপন্যাসখনৰ মুখ্য নাৰী চৰিত্ৰ তিনিসত্ৰীয়া অধিকাৰৰ জীয়ৰী গিৰিবালাই সাতামপুৰুষীয়া পৰম্পৰা, সমাজৰ ৰীতি-নীতিক আওকাণ কৰি এইবোৰৰ বিৰুদ্ধে থিয় দিছিল। গিৰিবালাৰ মৃত্যু হৈছিল। প্ৰতিবাদী কাৰ্যৰে নিজৰ আশা বাস্তৱায়িত কৰিব নোৱাৰিলেও জীৱনৰ বিনিময়ত গিৰিবালাই সমাজ চেতনাত সজোৰে আঘাত কৰিবলৈ সক্ষম হৈছিল।

*গিৰিবালাই আকৌ মূৰ তুলি চালে আৰু ক'লে- মই মনেদি শৰীৰেদি বঙৱাৰ গঁহাই মোৰ স্বামীক বান্ধি ৰাখিব পৰা নাছিলো। কওচুন চাহাব, শৰীৰ এনে আৱশ্যক না? ইয়াৰ এমানেই*

৩৯. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) প্ৰাগুক্ত গ্ৰন্থ, পৃ.১৬২

৪০. উক্ত গ্ৰন্থ, পৃ.১৫৭

*শক্তি না যে চব কিছু তুচ্ছ হৈ যায়? ...আহ, কি দুখত পৰিলে এনে হয়? নাৰীয়ে নিজৰ ওপৰত এনেদৰে ভয়ংকৰ পৰীক্ষা ল'বলৈ সংকোচ নকৰা হয়? নাই নাই সেই ৰহস্য এইজনা দৰদী চাহাবে নেজানে। ...*[৪১] [যথা]

সম্ভাব্য মৰ্মান্তিক জীৱনৰ পৰা মুক্তি বিচাৰি দুপৰ নিশা প্ৰবল ধুমুহা বৰষুণকো নেওচি গিৰিবালা মাৰ্কৰ কোঠাত উপস্থিত হৈছে। কিন্তু তিৰোতাৰ ওপৰত সমাজৰ হৈ চকীদাৰী কৰি ফুৰা এচামে তাইক মাৰ্কৰ কোঠাৰ পৰা উলিয়াই আনিলেগৈ। চুৱা যোৱা বুলি তাইৰ প্ৰায়শ্চিত্তৰ ব্যৱস্থা কৰা হ'ল। মেঘদাহৰ বাবে সজা চালিৰ তলত কুল পুৰোহিতে তাইক প্ৰায়শ্চিত্ত কৰালে। কিন্তু সমাজৰ নিষ্ঠুৰতা তাই মানি নল'লে। শ শ বছৰীয়া সমাজৰ কুটিল পৰম্পৰাক ভ্ৰূকুটি কৰি থৈ গ'ল।

"কপাল ! কপাল ! তাই নিজেই কৈছিল, "চালিখানত জুই লগে দি।"

"চালিখানত জুই লগে দি।"[৪২] [যথা]

মেঘদাহৰ ঘৰত জুই লগাই দিয়াৰ পাছতো তাই ওলাই নাহিল। মৃতপ্ৰায় জীৱন এটি টানি লৈ ফুৰাতকৈ মৃত্যুকেই আকোঁৱালি লোৱা ভাল বুলি তাই সমাজৰ নিষ্ঠুৰ বিধানৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিলে।

উপন্যাসখনৰ আটাইতকৈ সামাজিকভাৱে সুচল অৱস্থাত থকা নাৰীগৰাকী হ'ল অধিকাৰ মহাপ্ৰভুৰ পত্নী 'গহেনী আই'। সামাজিক দৃষ্টিৰে এওঁ সৌভাগ্যৱতী নাৰী হ'লেও পৰম্পৰাগত ৰীতি-নীতিৰে তেওঁৰ দুহাত বন্দী। অতি কষ্টত নিজৰ কিশোৰী কন্যা গিৰিবালাক তেওঁ বিধৱাৰ পালিত নিয়মবোৰ কৈ এক বান্ধোনৰ মাজত ৰাখিবলৈ বিচাৰিছে। মনত অহৰহ দুখ, কিন্তু কৌটিকলীয়া পৰম্পৰাৰ বন্ধন ছিঙিবলৈ তেওঁ অপাৰগ। গিৰিবালাই যেতিয়া বিধৱা হোৱাৰ পিছত মাংস খাইছিল তেতিয়া দুখে বেজাৰে তাইৰ ওপৰত তেওঁ কিলাবৰ্ষণ কৰিছে। জগলীয়াৰ পাৰৰ দুৰ্ভগীয়া নাৰী দুৰ্গা। আমৰঙা সত্ৰৰ অধিকাৰৰ ভনীয়েক। তাই বিধৱা। এবাৰ ঘৰলৈ আহোঁতে শহুৰেকে তাইক আকৌ শহুৰেকৰ ঘৰলৈ ঘুৰাই নিব বুলি কোৱাৰ পিছতো নিবলৈ নাহিল। আনহাতে দুৰ্গাৰ কোষ্ঠীত থকা পাপগ্ৰহৰ বাবেই পুতেক মৰিল বুলি শাহুৱেকে ককৰ্থনা কৰিলে।

কোনো মাংগলিক কাৰ্যত তাই উপস্থিত থাকিব নোৱাৰিছিল। পৰম্পৰাক মানি লৈ তাই <u>পুৱা গধূলি মৃত স্বামীৰ চৰণত ফুল দিছিল।</u> কঠোৰ সমাজ ব্যৱস্থাই নাৰীৰ বাবে নিৰ্দিষ্ট কৰি

৪১. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৭৩

৪২. উক্ত গ্ৰন্থ, পৃ. ৪৭৫

থোৰা নীতি-নিয়মকে নিয়তি বুলি গ্ৰহণ কৰা সৰলচিতীয়া নাৰী দুৰ্গা, যি প্ৰতিবাদৰ ভাষা নাজানে।

নৈৰ্ব্যক্তিক দৃষ্টিভঙ্গী, সহৃদয় উপলব্ধিৰে মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত মূৰ্ত হৈ উঠা নাৰী চৰিত্ৰবোৰৰ অধিকাংশই হৃদয়হীন সামাজিক সংস্কাৰ, ৰক্ষণশীলতাৰ অমানৱিক নিষ্ঠুৰতাৰ দ্বাৰা পীড়িত।

সাম্প্ৰতিক কালৰ নাৰী লেখিকাসকলৰ ভিতৰত অৰূপা পটংগীয়া কলিতা এগৰাকী লেখত ল'বলগীয়া লেখিকা। তেওঁৰ 'মৃগনাভি' (১৯৮৭), 'অয়নান্ত' (১৯৯৪) আদি উপন্যাসত নাৰী চেতনা প্ৰতিফলিত হৈছে।

'মৃগনাভি' উপন্যাসখনৰ কাহিনীটোৰ মুখ্য উদ্দেশ্যই হৈছে বৈধব্য নাৰীৰ মুক্তি। উপন্যাসখনত সোণতৰা নামৰ নাৰীগৰাকীৰ মানসিকতাৰ মাজেৰে নাৰীৰ মানসিক দ্বন্দ্ব ফুটি উঠিছে। এদিন তাই বিবাহপাশত আবদ্ধ হয়। কিন্তু গিৰিয়েক শান্তনুক নাৰীজনিত কাৰণত হত্যা কৰা হ'ল। গিৰিয়েক ঢুকুৱাৰ পিছত একমাত্ৰ সন্তান সোণমণিক লগত লৈ তাই পিতৃগৃহলৈ গুচি আহিল। সহকৰ্মী আদিত্যই সোণতৰাক বিৱাহৰ প্ৰস্তাৱ দিয়াত সকলো খেলিমেলি লাগিল। এগৰাকী বিধৱাৰ সমাজত স্থান, পৰম্পৰাগত ৰীতি আৰু সোণমণিৰ বাধাৰ কথা দোহাই দি সোণতৰাই মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱাৰ উপক্ৰম হ'ল।

প্ৰকৃততে উপন্যাসখনত বিধৱা এগৰাকীৰ মনৰ অৱস্থাক লৈ চিত্ৰ অংকন কৰিছে। তদুপৰি এইটো কথাও প্ৰতিফলিত হৈছে যে আজিৰ তাৰিখত আমাৰ সমাজত নাৰী শিক্ষাগত অৰ্হতাৰে বহুদূৰ আগবাঢ়ি গৈছে যদিও নাৰীৰ অৱস্থাক লৈ অকনো উন্নতি হোৱা নাই। সোণতৰা পেছাত এগৰাকী অধ্যাপিকা যদিও অকালতে বিধৱা হোৱা বাবেই তাই সমাজৰ সমালোচনাত ক্ষত-বিক্ষত হৈছে। কিন্তু তাইৰ অকলশৰীয়া অৱস্থাটোৰ কাৰণে কোনেও যেন ধ্যান দিয়া নাই। সম্পূৰ্ণ দোষমুক্ত নহ'লেও 'মৃগনাভি' উপন্যাস প্ৰগতিশীল দৃষ্টিভংগীৰ ভিতৰত লেখত ল'বলগীয়া উপন্যাস।

'অয়নান্ত' উপন্যাসৰ নাৰী চৰিত্ৰসমূহৰ মাজেৰে নাৰীৰ ওপৰত চলা শোষণ শাসনৰ আভাস দিয়া হৈছে। উপন্যাসখনৰ নাৰী চৰিত্ৰ বীণাৰ যোগেদি এজনী অসাধাৰণ নাৰীৰ শৈশৱৰ পৰা প্ৰৌঢ়ত্বলৈকে এক অশান্ত বিদ্ৰোহিনী স্বৰূপ ফুটি উঠিছে।

বীণা সৰুৰেপৰা সাহসী ছোৱালী আছিল। বিনা কাৰণত মংলু চৰ্দাৰক চাবুকেৰে কোবোৱাত তাই বাগিছাৰ মেনেজাৰ চাহাবক শিলগুটি মাৰি আঘাত কৰিছিল। এইখিনিতে ফুটি উঠিছে

বীণাৰ প্ৰতিবাদী সত্তা। কিন্তু এই প্ৰতিবাদী সত্তা সমাপ্তিৰ পিনে দেখা নগ'ল। কাহিনীৰ শেষৰ পিনে তাইক এগৰাকী অৱসাদগ্ৰস্তা নাৰীৰূপেই অংকন কৰা হ'ল। বীণাৰ গিৰিয়েক চৰিত্ৰহীন জয়ন্ত চলিহাই যেতিয়া তগৰক ধৰ্ষণ কৰিলে তেতিয়া তাই একো প্ৰতিবাদ নকৰি কেৱল সেইখন ঘৰ এৰি তগৰৰ লগত গুচি গ'ল। এইখিনিতে এনে ভাৱ হয় বীণাই যেন প্ৰচলিত পৰম্পৰাক ভংগ কৰিব পৰা নাই। উপন্যাসখনৰ শেষত দেখা যায় বীণা যেন এটা অৱস্থাৰ দাস।

বিংশ শতাব্দীৰ শেষ দশকত **১৯৯১** চনত প্ৰথম প্ৰকাশৰ মুখ দেখিছিল তিলোত্তমা মিশ্ৰৰ 'স্বৰ্ণলতা'ই। উপন্যাসখনৰ নায়িকা স্বৰ্ণলতা। এওঁ আছিল গুণাভিৰাম বৰুৱাৰ কন্যা আৰু ঊনবিংশ শতিকাৰ এগৰাকী বিদূষী নাৰী। স্বৰ্ণলতাৰ শৈশৱ অৱস্থাৰপৰা যৌৱনকাললৈ মানসিক গঠন সম্পূৰ্ণ হোৱালৈকে ইয়াত এক পৰিমণ্ডলৰ কথা অংকিত কৰা হৈছে। উপন্যাসখন ঊনবিংশ শতাব্দীৰ অসম আৰু কলিকতাৰ শিক্ষা আৰু বৌদ্ধিক বিকাশৰ বিশেষকৈ স্ত্ৰীশিক্ষা আৰু নাৰীৰ বৌদ্ধিক বিকাশৰ কথাবোৰ প্ৰকাশ হোৱাকৈ এখন উপযুক্ত ঐতিহাসিক দলিল। ইয়াৰ মাজে মাজে উদ্ভাসিত হৈ গৈছে স্বৰ্ণলতাৰ মানসিক জগতখন। উপন্যাসখনৰ প্ৰথমাৱস্থাত স্ত্ৰীশিক্ষাৰ সপক্ষে গুণাভিৰামৰ পদক্ষেপ। স্বৰ্ণলতাৰ বাবে গৃহশিক্ষক নিযুক্তি দিয়া হৈছিল। সামাজিক ঘটনাৱলীত লেখিকাই বেছি গুৰুত্ব দিয়াত স্বৰ্ণলতাই বেছি গুৰুত্ব নাপালে যদিও উপন্যাসখনিত আমি স্বৰ্ণলতাৰ মাজেৰে এগৰাকী নাৰীৰ মানসিক চিত্ৰখন পৰিষ্কাৰকৈ পাওঁ।

সমাজত নাৰীৰ স্থান অথবা নাৰীৰ ভাৱনাক পূৰবী বৰমুদৈয়ে তেওঁৰ উপন্যাসত প্ৰতিফলিত কৰিছে। 'বাঘশাল, বাঘজাল আৰু মানুহ' উপন্যাসখনত লেখিকাৰ নাৰীবিষয়ক বিষয়বস্তু বেছিকৈ ফুটি উঠিছে। উপন্যাসখনৰ মূলপুৰুষ চৰিত্ৰ নীলাম্বৰ গোস্বামীয়ে সমাজৰ ৰীতি অনুসৰি জীয়েক কমলাক সৰুতেই বিয়া দিয়ে। সৰুতেই বিয়া হোৱা বাবে তাই সকলোবোৰ আউল মাৰিব পৰা নাছিল। তাতে আকৌ ৰুগ্ন দেহাৰে ঘৰৰ সকলো কাম কৰাৰ পিছত এটাৰ পিছত এটাকৈ কেইবাটাও সন্তান ধাৰণ কৰি দেহ মুমূৰ্ষ হৈ পৰিল। কমলা গাভৰু অৱস্থাতে চিৰৰুগ্ন হৈ পৰাত গিৰিয়েকৰ বাবে পত্নী চপাই আনিলে। কমলাৰ প্ৰাণবায়ু উৰি নোযোৱাত সোনকালে সতী হিচাপে মুক্তি দিবলৈ স্বামীৰ ভৰি তিওৱা পানী খাবলৈ দিলে। এই কাহিনীটিয়ে নাৰী এগৰাকীৰ ভাৱনাক এক নতুন মাত্ৰা দিছে।

সাধাৰণতে গিৰিয়েকৰ কথাত মূৰ তুলি কথা নোকোৱা নীল গোঁসাইৰ পত্নীয়ে এবাৰ মাত মাতিলে। গোঁসানীৰ মাত সৰু কিন্তু দৃঢ়। ইয়াত যেন নাৰী-ভাৱনাই পৰিস্ফুটিত হৈ পৰিছে।

মুক্ত হ’বলৈ ইচ্ছা থাকিলেও নাৰীসকলে মুক্তিৰ পথ ল’ব নোৱাৰে গোসাঁনীৰ মাতত সেই কথাই স্পষ্ট। বিবাহৰ পিছত গিৰীয়েকৰ ঘৰখনকে নিজৰ বুলি সাৱটি লয়। কিন্তু কোনেও যে নাৰীগৰাকীৰ মনৰ ভাৱ বুজিবলৈ চেষ্টা নকৰে সেই কথা তাইৰ কথাৰ সুৰত প্ৰকাশ পাইছে।

“কোনে ক’লে তিৰোতা মানুহে বন্দীশাল ভাল পায় বুলি আপোনালোকক ?”[৪৩]

ভুল কথা। মুক্তি আমাকো লাগে”[৪৪] [যথা]

কমলাৰ মাকৰ কথাবোৰৰ মাজেৰে যেন বন্দীত্বৰ উচ্‌পিচ্‌নি ফুটি ওলাইছে। পুৰবী বৰমুদৈয়েও দেখুৱাইছে এই উপন্যাসখনৰ নাৰী-ভাৱনাক আৰু সমাজত নাৰীৰ স্থানক।

বিংশ শতাব্দীলৈকে আমি নাৰী-ভাৱনাৰ যি বিভিন্নতা দেখা পাইছো সেয়া পুৰুষ আৰু নাৰীৰ মাজৰ সমতাৰ জৰিয়তেই আগবাঢ়ি আহিছিল। পুৰুষৰ সহযোগতে তেওঁলোকে নাৰীৰ মুক্তি আহিব বুলি ভাৱিছিল। কিন্তু ইয়াৰ পিছৰ অৰ্থাৎ **২০০২** চনৰপৰা যিবোৰ উপন্যাস প্ৰকাশিত হৈছিল সেইবোৰ উপন্যাসত বিনাসংকোচে আৰু সাহসেৰে নাৰীয়ে নিজস্বতা ৰক্ষা কৰিছে আৰু পুৰুষৰ বিৰুদ্ধে থিয় দিছে। নিজৰ ব্যক্তি স্বাধীনতাৰ ক্ষেত্ৰত এইসকল ঔপন্যাসিকৰ নায়িকাই স্বামীৰ বিৰুদ্ধেও থিয় দিছে অথবা আদৰ্শৰ খাটিৰত নিজকে কেতিয়াও এৰি দিয়া নাই অথবা সহ্য কৰি থকা নাই। অসমীয়া উপন্যাসত ৰত্না দত্ত, অনুৰাধা শৰ্মা পূজাৰী, আৰাধানা গোস্বামীৰ উপন্যাসত আমি নাৰীৰ এনে চিত্ৰ দেখিবলৈ পাওঁ।

‘মধুৰতম সময়’ উপন্যাসখনৰ ৰচিয়তা ৰত্না দত্ত। নব্বৈৰ দশকৰ সন্ত্ৰাসবাদে পাৰিৱাৰিক জীৱনত হানিকৰ প্ৰভাৱ পেলাই কাহিনীৰ নায়িকা ৰশ্মিৰ সংসাৰত আউল লগাই দিলে। এটা বছৰতে ৰঞ্জনৰ লগত তাইৰ বিৱাহিত জীৱনত কেৰোণ লাগিল আৰু তাৰ ফলত বিবাহ বিচ্ছেদো ঘটিল।

ৰশ্মি আছিল সবল ব্যক্তিত্বৰ, চিন্তাশীল আৰু স্বাধীনচিতীয়া। কিন্তু তাৰ বিপৰীতে ৰঞ্জন আছিল লেহুকা. তাক পৰিচালনা কৰে পৰিস্থিতিয়ে তাৰ আদৰ্শই হয়। সবল ব্যক্তিত্বৰ ৰশ্মিয়ে নীতিৰ কথা কয়। একেলগে পঢ়া শ্যামলৰ প্ৰতিভাই তাইক মুগ্ধ কৰিছল। ৰশ্মিয়ে ঈৰ্ষাত ভোগে বুলি জানিও শ্যামলৰ গুণ গাবলৈ নেৰে। আচলতে ৰশ্মিক তাইৰ ব্যক্তিসত্বাই যেনেকৈ কয়, সেই আপোন বিবেকৰ নিৰ্দেশতহে চলিব বিচাৰে। পুৰুষপ্ৰধান সমাজত স্বাভাৱিকতেই এনেকুৱা নাৰীৰ জীৱন সূচল নহয়। তাই গিৰিয়েকৰ আগতো সৰু হ’ব নোৱাৰি শেষত ঘৰৰ পৰা ওলাই আহিল।

৪৩. বৰমুদৈ, পূৰবী ঃ *বাঘশাল, বাঘজাল আৰু মানুহ*, পৃ. **২৬৬**

৪৪. উক্ত গ্ৰন্থ, পৃ. **২৬৭**

কলেজৰ অধ্যাপিকা পদত যোগদান কৰি তাই আৰ্থিক স্বাধীনতাৰ বাট মুকলি কৰি ল'লে।

এদিন সিহঁতৰ কলেজখনতে ৰঞ্জনক লগ পালে। দুৰ্বলমনা, উদ্দেশ্যহীন ৰঞ্জনে তাইক পুৰ্ণমিলনৰ প্ৰস্তাৰ দিলে। কিন্তু তাইৰ সবল, স্থিৰ সিদ্ধান্তই তেনে এক প্ৰস্তাৱ গ্ৰহণ কৰাৰ কোনো কাৰণ নেদেখিলে। বৰং তাই ৰঞ্জনক সৌহাৰ্দ্য পূৰ্ণ সম্পৰ্কৰে সকলোৰে লগত যেনেকৈ মিলি থাকে তেনেকৈ ৰঞ্জনৰ লগতো মিলি থাকিব বুলি ব্যক্ত কৰিলে। ইয়াত  লেখিকাই নাৰীও এক ব্যক্তি সত্বা, যৌনসত্তা নহয় বুলি ৰশ্মিৰ ভাৱনাৰ মাজেৰে প্ৰকাশ কৰিব খুজিছে।

'দ্বিতীয়া' এইখন উপন্যাসত সাধুকথাৰ ওপৰত ভিত্তি কৰি নাৰীৰ ভাৱনাৰ পৰিচয় আমি পাব পাৰোঁ। ইয়াৰ এক বিশেষ মূল্য আছে। উপন্যাসখন এটি জনপ্ৰিয় সাধুকথা  তেজীমলাৰ আধাৰত ৰচিত। ইয়াত আমি নাৰী-ভাৱনা নিহিত থকাৰ উমান পাব পাৰোঁ।

তেজীমলাক মাহীমাকে হত্যা কৰে। মাহীমাক তেজীমলাৰ সুপ্ত মানসিক অৱস্থাটো কোনে বুজিব? পিতৃগৃহত ডাঙৰ হওঁতে তাই নিশ্চয় কোনাবা যুৱকৰ লগত বিয়াৰ কল্পনা কৰিছিল। কিন্তু দেউতাকে যেতিয়া বুঢ়া সদাগৰজনৰ লগত বিৱাহ ঠিক কৰিলে তেতিয়া তেওঁৰ মানসিক অৱস্থাই কেনেকুৱা ৰূপ পাইছে তাক উপন্যাসখনত চিত্ৰিত কৰিছে।

খুব কম সংখ্যক কিতাপেৰে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰা লেখিকাসকলৰ ভিতৰত আৰাধনা গোস্বামীৰ নাম লেখত ল'বলগীয়া। আত্মপ্ৰচাৰ বিমুখী এইগৰাকী লেখিকাৰ 'কল্লোলিনী' নামৰ উপন্যাসখন যেতিয়া প্ৰকাশিত হয় তেতিয়া পাঠকৰ মনত বৌদ্ধিক চেতনাৰে সমৃদ্ধ উপন্যাসৰ সৃষ্টি হ'ব বুলি ভাৱ হয়। এগৰাকী নাৰীৰ অৰ্ন্তজীৱন আৰু বৰ্হিজীৱনৰ পূৰ্ণ আভাস আমি এইখন উপন্যাসত পাব পাৰোঁ।

'কল্লোলিনী' উপন্যাসখনৰ কাহিনী মূলতঃ এগৰাকী স্বাধীনচিতীয়া নাৰীৰ স্বামী আৰু সমাজৰ মাজত বিচৰণ। আধুনিক সমাজত গঢ়ি উঠা 'লিভ টুগেদাৰ' আদিৰ দৰে ধাৰণা, পতি-পত্নীৰ মাজৰ দৈহিক-মানসিক অৱস্থান, নাৰীৰ ব্যক্তিগত মৰ্যাদা বিচাৰ আদিৰ উত্থাপনে উপন্যাসখনক এক বিশেষ মাত্ৰা দিছে।

উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ জয়িতাই উৰিব খোজে। তাই এজনী স্বাধীনমনা ছোৱালী। কোনোধৰণৰ বন্দীত্বকে তাই সহ্য কৰিব নোখোজে। জয়িতাৰ পিতৃ-মাতৃৰ অসবৰ্ণ বিৱাহ হৈছিল

আৰু এই বিৱাহক সমাজত ভাল চকুৰে চোৱা নাছিল। কিন্তু বেলেগে আঙুলিয়াওঁতে স্বাধীনমনা জয়িতাই প্ৰতিবাদ কৰি উঠিছিল—"আপুনি মোৰ বিষয়ে মোৰ মা-দেউতাৰ বিষয়ে কিমান জানে?"[৪৫]

তদুপৰি তাইৰ ভাৱীস্বামী সিদ্ধাৰ্থ বৰুৱাক কোৱা এষাৰ কথাৰ পৰা তাই স্বাধীনতাপ্ৰিয় মনটোৰ উমান পাব পাৰোঁ--

> *মোৰ বাবেই দেউতা কিয় ইয়াতে বন্দী হৈ ৰ'ব? মা ঢুকাল বুলিয়েই দেউতাৰ সপোন কিয় আধৰুৱা হৈ ৰ'ব? দেউতাই কি ভাৱে নাজানো, মই কিন্তু ভাৱো সকলোৰে নিজে বিচৰা ধৰণে জীয়াই থকাৰ অধিকাৰ আছে। তাইৰ নিজকে শাহুৰেকৰ সম্প্ৰসাৰিত ব্যক্তিত্বৰ (সম্পত্তিৰো?) নতুন সংযাজন যেন লাগে।*[৪৬]

বিবাহৰ পিছত সিদ্ধাৰ্থই দেখুওৱা সংসাৰখন জয়িতাই নাপালে। তাই যেন বান্ধ খাই পৰিল।

জয়িতা আনবোৰ নাৰীতকৈ পৃথক। তাই ধাৰণা কৰে, "মাইকী মন যদি ঠেক, কল্পনা যদি সীমিত, তাৰ বাবে দায়ী সমাজখনেই। নাৰী শিক্ষিতা হ'লেই হেজাৰটা সংস্কাৰ এদিনতে দলিয়াই দিয়াতো সম্ভৱ নহয়।"[৪৭]

জয়িতাক আমি নাৰীৰ ধাৰণা প্ৰকাশ কৰা প্ৰতিবাদী নাৰী বুলি ক'ব পাৰোঁ।

বিংশ শতিকাৰ শেষ দশকটোত উপন্যাস ৰচনাত মনোনিবেশ কৰা অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসৰ বিষয়বস্তুত ভিন্নধৰ্মী নাৰীৰ সমস্যাৰ জৰিয়তে নাৰী-ভাৱনা প্ৰকাশি উঠিছে। তেওঁৰ কেইবাখনো উপন্যাসত নাৰীৰ সামাজিক স্থান আৰু নাৰী-ভাৱনাই বিৰাজ কৰিছে।

অনুৰাধা শৰ্মা পূজাৰীৰ 'কাঞ্চন'ৰ জৰিয়তে আশীৰ দশকৰ পিছত নাৰীসকল শিক্ষা-দীক্ষা, চাকৰি আদিৰ ক্ষেত্ৰত আগবাঢ়ি গৈছে যদিও নিজৰ কৰ্মস্থানত নাৰীসকল যৌননিৰ্যাতনৰো বলি হৈছে। তাৰেই মুক্ত চিত্ৰণ প্ৰকাশি উঠিছে। ই এখন নাৰী কেন্দ্ৰিক উপন্যাস। লেখিকাই উল্লেখ কৰিছে--

> *কাঞ্চন সঁচা চৰিত্ৰ। উপন্যাসখন 'কাঞ্চন'ৰ আত্মজীৱনী। কাঞ্চনৰ কাহিনীয়ে, কাঞ্চনৰ চৰিত্ৰই কৰ্মৰত নাৰীয়ে সন্মুখীন হোৱা আন এখন জগতৰ বিস্ময়কৰ দুৱাৰবোৰ এখন এখনকৈ মোৰ আগত খুলি দিছিল। বৰ্তমান অসমৰ 'অফিচ সংস্কৃতি'টোও কাঞ্চনৰ চৰিত্ৰ*

---

৪৫. গোস্বামী, আৰাধনা ঃ *কল্লোলিনী*, পৃ. ৪৭

৪৬. উক্ত গ্ৰন্থ, পৃ. ৬৬

৪৭. উক্ত গ্ৰন্থ, পৃ. ১০৮

*সৃষ্টি কৰাৰ বাবে দায়ী বুলি মই ভাবোঁ।*[৪৮]

উপন্যাসখনত আমি কাঞ্চনৰ দুটা ৰূপ দেখিবলৈ পাওঁ- এটা হ'ল অফিচৰ কৰ্মচাৰী আৰু আনটো হ'ল ব্যথিত জীৱনৰ এগৰাকী মহিলা। কাঞ্চনে চাকৰি বিচাৰি ফুৰোঁতে পদে পদে শাৰীৰিক আৰু মানসিক অত্যাচাৰৰ সন্মুখীন হ'ব লগা হৈছিল। এই সময়ত যিসকল পুৰুষ তাইৰ ওচৰ চাপিছিল সেইসকল কাঞ্চনৰ নাৰীসত্বাৰ ওপৰত আকৰ্ষিত নাছিল, শাৰীৰিকভাৱেহে যৌন নিৰ্যাতন চলাইছিল। কাঞ্চনে অতীতলৈ চাই দেখিছিল--

> *এল. পি. স্কুলত থাকোঁতেই মাষ্টৰে কোৱা এষাৰ কথা তাইৰ মনত পৰিল। মানুহে মানুহৰ প্ৰতি দেখুওৱা সন্মানেই হেনো সভ্যতা। কিন্তু ব্যক্তিগত জীৱনত সৰুৰে পৰাই তাই এধানিও সন্মান সহানুভূতি পোৱাৰ কথা মনত নপৰে। তাই এষাৰ মাত্ৰ কথাই বুজিছিল, দাৰিদ্ৰৰ সন্মান কাহানিও নাই। তাইৰ প্ৰধান শত্ৰু দৰিদ্ৰতাৰ বিৰুদ্ধেই সেয়ে অহৰহ যুদ্ধ কৰিম বুলি তাই প্ৰতিজ্ঞা কৰি লৈছিল।*[৪৯]

উপন্যাসখনৰ আন এটি নাৰী চৰিত্ৰ বাসন্তী শইকীয়াৰ বক্তব্যৰ মাজেৰেও নাৰী-জীৱনৰ ক্ষোভ ধৰা পৰে। "মিছেছ্ শইকীয়া আৰু মুনমীৰ মাক হোৱাৰ বাবে মোৰ প্ৰয়োজননে? মোৰো এটা জীৱন আছে, ইচ্ছা অনিচ্ছা আছে তাৰ প্ৰতি শইকীয়াই মনোযোগ দিব নালাগেনে?"[৫০]

নাৰীকেন্দ্ৰিক ভাৱধাৰা, নাৰীৰ অৱস্থা জনিত কথাবোৰ নাৰীৰ সন্মানবোধ, সমাজত নাৰীৰ স্থান আদি সাহিত্যৰ অনুষংগ হৈ লেখিকাসকলৰ উপন্যাসত প্ৰকাশি উঠিছে। বিভিন্ন গৰাকী লেখিকাৰ উপন্যাসত বিভিন্ন চৰিত্ৰসমূহৰ মাজেদি এয়া প্ৰতিফলিত হৈছে। বাস্তৱ আৰু জীৱন্ত অভিজ্ঞতাৰে নিৰ্মিত সাহিত্য ৰং আৰু তুলিকাৰ সৃজনাত্মক কলা এখন অনন্য জগত। এই অনন্য জগত সৃষ্টিৰে উপন্যাসক কলাত্মক ৰূপ দিয়াত ঔপন্যাসিকসকল সফল হয়। কেতিয়াবা কিন্তু ৰূঢ় বাস্তৱৰ হুবহু চিত্ৰণে সমাজক পৰিচয় কৰি দিয়াত লেখকসকল সফল হ'লেও প্ৰকৃত সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত অসুবিধা আহি পৰে। তথাপিও প্ৰতিভাশালী লেখকে কলাত্মক ৰূপ ৰক্ষা কৰি উপন্যাসৰ বিভিন্ন চৰিত্ৰৰ দ্বন্দ্বৰ মাজেৰে সমাজৰ প্ৰকৃত বাস্তৱ চিত্ৰ উলিয়াই আনে। আধুনিক অসমীয়া সাহিত্যৰ আলোচিত উপন্যাসসমূহৰ মাজেদি নাৰীভাৱনাৰ চেতনাস্ৰোত

---

৪৮. শৰ্মা পূজাৰী, অনুৰাধা ঃ কাঞ্চন,লেখিকাৰ কথা

৪৯. উক্ত গ্ৰন্থ, পৃ. **১৫**

৫০. উক্ত গ্ৰন্থ, পৃ. **৬২**

প্ৰবাহিত হোৱা লক্ষ্য কৰা যায়। সময়ৰ গতিত যুগ যুগান্তৰত এইদৰে সমাজৰ নাৰীভাৱনাৰ চেতনা প্ৰবাহিত হৈ আহিছে। পৰৱৰ্তী অধ্যায়ত আমি অসমৰ সমাজ জীৱনত নাৰী চেতনাৰ বিকাশ কেনেদৰে সংঘটিত হৈছে তাৰ বিষয়ে বিশেষভাৱে আলোচনা কৰা হ'ব।

# দ্বিতীয় অধ্যায়
# ২.০০ অসমত নাৰী চেতনাৰ ইতিহাসৰ বিভিন্ন প্ৰসংগ

অসমত নাৰী চেতনাৰ বিষয়টো কেতিয়াৰপৰা আহিল সেই বিষয়ে আমি প্ৰথম অধ্যায়তে আলোচনা কৰি আহিছোঁ। নাৰীবাদৰ প্ৰসংগটো অসমত সম্পূৰ্ণকৈ বিস্তাৰ হোৱা নাছিল যদিও বিভিন্ন লেখকৰ ৰচনাত লেখকৰ অজ্ঞাতসাৰে নাৰী চেতনাৰ প্ৰকাশ ঘটিছিল। উদাহৰণস্বৰূপে ৰজনীকান্ত বৰদলৈৰ *ৰহদৈ লিগিৰী* (১৯৩০) উপন্যাসৰ ৰচনা কালত নাৰী চেতনাৰ ধাৰণা অসমত একেবাৰে নাছিল যদিও লেখকৰ অজ্ঞাতসাৰেই নাৰী চেতনা উপন্যাসত ফুটি উঠিছে। একেদৰে দণ্ডিনাথ কলিতাৰ *সাধনা*তো (১৯২৬) নাৰীমুক্তি, নাৰীশিক্ষাৰ প্ৰসংগ দেখিবলৈ পোৱা যায়।

ঊনবিংশ শতিকাতেই ব্ৰিটিছ শাসনকালত ভাৰতত আধুনিকতাৰ জন্ম হয়। অসমত আনন্দৰাম ঢেকিয়াল ফুকনে এই ক্ষেত্ৰত গুৰি ধৰিছিল আৰু তেওঁ অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰাৰ উপৰিও স্ত্ৰীশিক্ষাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰিছিল। পোনপ্ৰথমবাৰৰ বাবে তেওঁৰেই কন্যা পদ্মাৱতী আৰু পত্নীক ঘৰতে শিক্ষা দিয়াৰ ব্যৱস্থা কৰি নাৰী শিক্ষাৰ প্ৰথম পদক্ষেপ লৈছিল। পৰৱৰ্তী পৰ্যায়ত গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদিয়ে স্ত্ৰী শিক্ষা, স্ত্ৰী স্বাধীনতাৰ সপক্ষে মাত মাতিছিল।

বিংশ শতিকাৰ তৃতীয় দশকত মহাত্মা গান্ধীৰ নেতৃত্বৰ স্বাধীনতা আন্দোলনে নাৰীসকলকো স্বাধীন হোৱাৰ সুযোগ দিলে। গান্ধীয়ে তেওঁৰ আন্দোলনৰ কাৰ্যসূচীত নাৰীমুক্তি, নাৰীশিক্ষা, নাৰী চেতনাৰ কথাবোৰো অন্তৰ্ভুক্ত কৰিছিল। ১৯২৮ খৃঃত প্ৰকাশিত কনকলতা চলিহা আৰু কমলালয়া কাকতিৰ সম্পাদনাৰ *ঘৰ-জেউতি* য়ে নাৰী স্বাধীনতাৰ ক্ষেত্ৰত আৰু কিছুদূৰ আগুৱাই গ'ল। এই প্ৰসংগত মাধুৰী কলিতা চৌধুৰীয়ে লিখিছে—

> *ঘৰ-জেউতি ৰ জন্মৰ অন্তৰালত আছে এক ইতিহাস। ১৯১০ চনৰ পৰা ১৯২৪ চনলৈ বিলাতত নাৰী জাগৰণৰ ঢৌ উঠিছিল। ... সেই সময়ত বিলাতত থকা শিৱসাগৰৰ বিশিষ্ট ব্যক্তি ব্যাৰিষ্টাৰ স্বৰ্গীয় তাৰাপ্ৰসাদ চলিহাকো এই ঢৌৱে চুইছিল আৰু অন্ধকাৰত ডুব গৈ থকা নিজদেশৰ নাৰী সমাজৰ কথাই মনত বৰকৈ খুন্দিয়াইছিল। বিলাতৰ পৰা উভতি আহি যেতিয়া দেখিলে তেওঁৰ আদৰৰ ভনীয়েক কমলাই স্বামীগৃহ ত্যাগ কৰি পিতৃ গৃহত*

> *আশ্ৰয় ল'বলগাত পৰিছে, তেতিয়া নাৰীৰ প্ৰতি কৰা এই অবিচাৰৰ প্ৰতিবাদ জনাবলৈকে তেওঁ নাৰীৰ হাতত কলম তুলি দিয়াৰ কথা চিন্তা কৰিলে আৰু এখন মহিলা আলোচনীৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰিলে। তাৰাপ্ৰসাদ চলিহাদেৱৰ পৃষ্ঠপোষকতাতে তেওঁৰেই যোগ্য পত্নী সংগীতাচাৰ্য লক্ষীৰাম বৰুৱাদেৱৰ নুমলীয়া কন্যা ঁকনকলতা চলিহা আৰু ভগ্নী ঁকমলালয়া কাকতিৰ সম্পাদনাত বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ নগৰত* ***১৮৪৮-৪৯*** *শকৰ আহিন মাহত (ইং* ***১৯২৮*** *চন) প্ৰথম মাহেকীয়া আলোচনী ঘৰ জেউতি ৰ জন্ম হয়।* [১]

নাৰী চেতনা উজ্জীৱিত হোৱাৰ আন এটি প্ৰসংগ আমি উল্লেখ কৰিব পাৰো। ঘৰজেউতিৰ তৃতীয় বছৰ চতুৰ্থ সংখ্যাত কমলালয়া কাকতিয়ে লিখিছিল—

> *আজি জগৎ জুৰি নাৰী জাগৰণৰ এক আন্দোলন চলিছে। চিৰদিনৰ উপেক্ষিতা পদদলিতা নাৰীয়ে আজি নিজৰ ন্যায্য অধিকাৰ বুজি পাইছে। আজি নাৰীয়ে তাঁতশাল আৰু চৰু মাত্ৰ লৈ সন্তুষ্ট নহয়, সমাজ, শিক্ষা আৰু সাহিত্য সকলোতে পুৰুষৰ সমানে নাৰীৰো অধিকাৰ— এই সত্যকে প্ৰতিপন্ন কৰিবলৈ স্বাৰ্থপৰ সমাজ আৰু তাৰ নিষ্ঠুৰ অনুশাসনৰ বিপক্ষে আজি নাৰীৰ এই যুদ্ধ ঘোষণা। সেই যুদ্ধৰ আহ্বান যে আপোনালোকৰ কাণতো পৰিছেহি আৰু আপোনালোকে সেই আহ্বানমতে কামত তৎপৰ হৈছে, তাকে দেখি মই বৰ সুখী হৈছো।* [২]

**১৯২৬** চনত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে 'অসম মহিলা সমিতি' স্থাপন কৰি নাৰী চেতনা জাগ্ৰত কৰি তুলিলে। ইয়াৰ লগে লগে **১৯৩৬** চনত শ্বিলঙত নাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান লেডীকিন্ কলেজ আৰু **১৯৩৯** চনত গুৱাহাটীত সন্দিকৈ কলেজ স্থাপিত হয়।

এনেদৰে ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা ক্ৰমান্বয়ে নাৰী চেতনাই প্ৰাণ পাই উঠিবলৈ ধৰিলে।

## ২.০১ অসমত নাৰী জাগৰণ

অতীতৰপৰাই আমাৰ সমাজত নাৰীক পণ্য সামগ্ৰী হিচাপে শোষণ কৰি আহিছে। সমাজত নাৰী আৰু পুৰুষ উভয়ৰে বৰঙণি অপৰিহাৰ্য। পৃথিবীৰ প্ৰায় সকলো দেশতে নাৰীক

---

১. বৰুৱা, সোণাৰাম (সম্পা.) ঃ *অসম সাহিত্য সভা,* **৫৯**তম্ অধিৱেশন, শিৱসাগৰ, মাধুৰী কলিতা চৌধুৰীৰ "প্ৰথম মহিলা আলোচনীৰ এটি চমু পৰ্যালোচনা, 'ৰং পুৰ, ৰং পুৰ'

২. বৰঠাকুৰ, শীলা (সম্পা.) ঃ *লেখিকাৰ জীৱনী,* পৃ.**১৩৪**

পুৰুষৰ সৈতে সমান অধিকাৰ দিয়াৰ পোষকতা কৰিলেও নাৰী যে পুৰুষৰ অধীন সেই ভাৱটো এতিয়াও আমাৰ মনৰপৰা আঁতৰা নাই। বৰ্তমান নাৰীসকল শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি গৈছে যদিও এতিয়াও নাৰীসকলে সমাজত মুক্তভাৱে বিচৰণ কৰিব পৰা নাই। নাৰীসকলে মুখামুখি হোৱা শোষণ-বঞ্চনা তথা উৎপীড়ন আদি কোনো নতুন কথা নহয়। আহোম স্বৰ্গদেউসকলৰ দিনতো ছোৱালীৰ লগত যৌতুক দিয়াৰ ব্যৱস্থা আছিল। কিংবদন্তিৰ মতে ৰাজপৰিয়ালৰ ছোৱালীৰ লগত লিগিৰী বা বন্দী-বেটি দিয়াৰো নিয়ম আছিল।

অসমলৈ মিছনেৰীসকল অহাৰ পিছত শিক্ষাৰ ক্ষেত্ৰত অসমীয়া নাৰীসকলে প্ৰথম পোহৰৰ সন্ধান পাইছিল। অৰুনোদইৰ লেখনিত স্ত্ৰী শিক্ষা সম্পৰ্কে পোৱা যায়— নাৰীয়ে যেতিয়ালৈকে পুৰুষৰ সমানে সমানে শিক্ষা গ্ৰহণত ব্ৰতী নহয় তেতিয়ালৈকে দেশৰ কোনো ধৰণৰ উন্নতি নহয় বুলি অৰুনোদইত উল্লেখ আছে। তদুপৰি এই কাকতত স্ত্ৰী শিক্ষাৰ বিষয়ক লৈও ভালেমান লেখনি প্ৰকাশিত হৈছিল। গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই নাৰীক শিক্ষা দিয়াৰ ক্ষেত্ৰত আগভাগ লৈছিল। গুণাভিৰাম বৰুৱাই নিজ পত্নী আৰু কন্যাক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল।

নাৰীৰ উত্থানৰ বিষয়ক লৈ সেইসময়ত কেইবাখনো কাকত-আলোচনীয়ে গুৰুত্ব দি লিখিছিল। 'আসাম বন্ধু', 'মৌ' আদি আলোচনীয়ে এইক্ষেত্ৰত নেতিবাচক ভূমিকা লৈছিল। এই দুখন আলোচনীত কিন্তু নাৰী-শিক্ষা সম্পৰ্কে তীৰ্যক মন্তব্য প্ৰকাশ হৈছিল। বলিনাৰায়ণ বৰাই 'তিৰুতাৰ বন কি' প্ৰবন্ধত এনেদৰে লিখিছিল যে অসমীয়া নাৰীক পণ্ডিত হ'বলৈ দিলে অসমীয়া সভ্যতা লণ্ডভণ্ড হ'ব। মানে অসমৰ মানুহক যিমান বেছি অনিষ্ঠ কৰিছিল তাতকৈও বেছি ভয়ানক হ'ব বুলি বলিনাৰায়ণ বৰাই তীৰ্যক মন্তব্য কৰিছিল। একেদৰে লম্বোদৰ বৰা আৰু ৰত্নেশ্বৰ মহন্তয়ো স্ত্ৰী শিক্ষাৰ বিৰুদ্ধে প্ৰবন্ধত লিখিছিল। সাধাৰণ মহিলাৰ পৰা অসমত সম্ভ্ৰান্ত মহিলালৈকে শিক্ষা গ্ৰহণৰ বাবে আগবাঢ়ি অহাৰ কোনো পৰম্পৰা আমাৰ চকুত নপৰে।

সেই সময়ত বাল্যবিবাহৰ প্ৰচলনো আছিল। ই মূলতঃ উচ্চ সম্প্ৰদায় আৰু ব্ৰাহ্মণসকলৰ মাজত আছিল বুলি জনা যায়। **১১/১২** বছৰ আগতে ছোৱালী বিয়া দিব নোৱাৰিলে সেই ছোৱালী কেতিয়াও বিয়া হোৱাৰ সুযোগ পোৱা নাছিল। বংশৰ কলংক বুলিও তেনে ছোৱালীক কৰ্কথনা কৰা হৈছিল। এই কঠোৰ নিয়মবোৰে নাৰীসকলক স্বাভাৱিকতে কোঙা কৰি পেলাইছিল। ঘৰৰ আঁৰবেৰৰ মাজতেই গোটেই জীৱন কটাই দিব লগা হৈছিল। কেৱল অসমতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষতেই এনে দুৰ্ভগীয়া নাৰীৰ সংখ্যা যথেষ্ট আছিল। মহাত্মা গান্ধীয়ে এইবোৰ দেখিয়েই

স্ত্ৰীশিক্ষাৰ প্ৰচাৰ আৰু বাল্যবিবাহ ৰোধ কৰাৰ বাবে সচেতন হৈছিল। অসমত বাল্য বিবাহ আৰু বাল বিধৱাৰ সমস্যাই জনসাধাৰণক বাৰুকৈয়ে সমস্যাত পেলাইছিল। প্ৰকৃততে শিক্ষাৰ অভাৱৰ বাবেই এনে কু-সংস্কাৰবোৰে সমাজত গা কৰি উঠিব পাৰিছিল। অৱশেষত সেই সময়ৰ চৰকাৰে **১৯৩০** চনত বাল্যবিবাহৰ বিৰুদ্ধে সাৰদা বিল আইনখন গৃহীত কৰে। এই আইন মতে চৈধ্য বছৰৰ তলৰ কন্যাক বিয়া দিলে দৰা কইনাৰ উভয়ৰে অভিভাৱক আৰু লগতে পুৰোহিতৰো জৰিমণা তথা ফাটেকৰ ব্যৱস্থা কৰা হ'ল। অসমত এই আইনখনৰ ফলত তৎক্ষণিকভাৱে ইমান বেছি প্ৰতিক্ৰিয়া হ'ল যে পিতৃ-মাতৃয়ে কোলাৰ কেচুঁৱাকো বিয়া দিবলৈহে তৎপৰ হ'ল।

লাহে লাহে বাল্যবিবাহ আৰু বাল্য বিধৱা সমস্যাই সমগ্ৰ ভাৰত বৰ্ষত বেয়াকৈ প্ৰভাৱ বিস্তাৰ কৰিলে। কম বয়সতে বিধৱা হোৱাৰ পিছত গোটেই জীৱনটো যি এক নাৰকীয় যন্ত্ৰণাত কটাব লগা হৈছিল সেয়া কল্পনাতীত। আমাৰ সমাজতো বিধৱাসকলক ভাল চকুৰে চোৱা নহৈছিল। ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আদি নেতাসকলে বাল্য বিবাহ, বাল্য বিধৱাৰ বিৰুদ্ধে সাংগঠনিক ভাৱে একত্ৰিত হ'ল। অসমত ইয়াৰ গুৰি ধৰিছিল আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি ব্যক্তিসকলে। বিধৱাসকলৰ সমস্যাবোৰ দেখি বুজি গুণাভিৰাম বৰুৱাই বিধৱা বিবাহৰ সমৰ্থন কৰিছিল। তেওঁ নিজেও এগৰাকী বিধৱা বিবাহ কৰাইছিল।

স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীয়ে লোৱা কাৰ্যসূচীৰপৰা অসমৰ নাৰীসকলৰ মাজত নিজৰ উন্নতি কল্পে জাগৰণ সৃষ্টি হৈছিল। স্ত্ৰী শিক্ষাৰ প্ৰভাৱৰ ফলত নাৰীসকল সামাজিকভাৱে সজাগ হোৱাৰ উপৰিও সাহিত্য-সংস্কৃতি, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশতো সজাগ হৈ উঠিছিল। ভাৰতৰ স্বাধীনতা প্ৰাপ্তিয়ে বহুতো পৰিৱৰ্তন ঘটালে। সেই পৰিৱৰ্তনৰ ছাঁ অসমতো পৰিল। **১৯৫৪** চনত নলিনীবালা দেৱীয়ে অসম সাহিত্য সভাৰ দৰে বৃহৎ সাহিত্যানুষ্ঠানৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰি অসমীয়া নাৰীৰ বিজয় সাব্যস্ত কৰিলে। তেওঁৰ কবিতাৰ ক্ষেত্ৰতো এক স্থান আছে। **১৯৬৪** চনত সাহিত্য একাডেমি পুৰস্কাৰ আঁজুৰি আনি অসমীয়া নাৰীৰ প্ৰথমটো স্বীকৃতি প্ৰতিষ্ঠা কৰিলে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত সাহিত্যৰ ক্ষেত্ৰখনত কেইবাগৰাকী অসমীয়া মহিলাৰ নাম আমি পাওঁ। নিৰ্মলপ্ৰভা বৰদলৈ, নিৰুপমা বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, নিৰুপমা মিশ্ৰ, প্ৰবীণা শইকীয়া, আলিমুনিচ্ছা পিয়াৰ, কেশদা মহন্ত, প্ৰীতি বৰুৱা, তোষপ্ৰভা কলিতা, শীলা বৰঠাকুৰ আদি নাৰীসকলে সাহিত্য ক্ষেত্ৰত নিজকে আত্মনিয়োগ কৰি

নাৰীৰ উন্নতিৰ হকে মাত মাতি আহিছে। একেদৰে সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্ৰতো নাৰীৰ সজাগতা বৃদ্ধি পালে। সাংস্কৃতিক দিশত নাৰীসকল ওলাই আহিল। স্বাধীনতাৰ আগৰ কালত এগৰাকী নাৰীয়ে অভিনয়ৰ ক্ষেত্ৰত খোজ দিয়াৰ কথা ভাবিবই পৰা নাছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী'ত কৰা অভিনয়ৰ বাবে আইদেউ সন্দিকৈয়ে পিছলৈ জীৱনত অনেক যাতনা সহিব লগা হৈছিল। **১৯৪৮** চনৰ পহিলা জুলাইত গুৱাহাটী অঁনাতাৰ কেন্দ্ৰ স্থাপিত হোৱাৰ পিছত এক সাংস্কৃতিক জাগৰণৰ সৃষ্টি হয়। এই অনুষ্ঠানৰ মাজেৰে বহুতো মহিলাই সাংস্কৃতিক ক্ষেত্ৰখনত প্ৰৱেশ আৰু প্ৰতিষ্ঠা লাভৰ সুবিধা পায়। এই সময়ত সাংস্কৃতিক ক্ষেত্ৰখনত প্ৰৱেশ কৰি কেইবাগৰাকী নাৰীয়ে প্ৰতিষ্ঠা লাভ কৰে। সুদক্ষিণা শৰ্মা, প্ৰতিমা পাণ্ডে বৰুৱা, দিপালী বৰঠাকুৰ, লক্ষহীৰা দাস, নিলীমা খাতুন, অৰ্চনা মহন্ত, মালবিকা বৰা, মনিষা হাজৰিকা আদি গায়িকাসকলে প্ৰতিষ্ঠা লাভ কৰে। একেদৰে অভিনয়ৰ ক্ষেত্ৰত চেতনা দাস, আৰতি দাস বৈৰাগী, পূৰ্ণিমা শইকীয়া, বীণাদাস মান্না, আদিৰ নাম ল'ব পাৰি। **১৯৬৮** চনত স্থাপিত 'জ্যোতি চিত্ৰবন'— এ বহুতো নাৰী অভিনয়ৰ ক্ষেত্ৰত প্ৰৱেশ কৰিবলৈ সুবিধা দিয়ে। ইয়াৰ লগে লগে সাংস্কৃতিক ক্ষেত্ৰখনত পূৰ্বৰ বাধা-নিষেধ কিছু শিথিল হয় আৰু পৰৱৰ্তী পৰ্যায়ত নাৰীসকল ওলাই আহিবলৈ সুবিধা পায়।

অসমত নাৰী জাগৰণৰ প্ৰভাৱ অৰ্থনৈতিক ক্ষেত্ৰখনতো পৰিবলৈ ধৰে। স্ত্ৰী-শিক্ষাৰ প্ৰসাৰতাৰ লগে লগে নাৰীসকল অৰ্থনৈতিকভাৱেও সবল হ'বলৈ ধৰে। বিভিন্ন ক্ষেত্ৰত পুৰুষৰ সমানে সমানে নাৰীয়েও যোগদান কৰে। সাহিত্যৰ পৰা আৰম্ভ কৰি বিজ্ঞান-প্ৰযুক্তিৰ ক্ষেত্ৰতো নাৰীসকল আগবাঢ়ি যাবলৈ সক্ষম হ'ল। লাহে লাহে অসমৰ অভিভাৱকসকলেও স্ত্ৰী-শিক্ষাত গুৰুত্ব দিবলৈ ধৰিলে। ছোৱালীক পঢ়াই শুনাই শিক্ষিত কৰাৰ লগে লগে সমাজখনো আগবাঢ়ি গ'ল। বিভিন্ন ক্ষেত্ৰত নাৰীৰ দক্ষতা বঢ়াৰ লগে লগে অৰ্থনৈতিকভাৱেও এওঁলোক সবল হৈ উঠিল। গাঁৱৰ মহিলাসকলেও স্বাৱলম্বিতাৰ দিশত আগবাঢ়ি আহিল। বিভিন্ন আত্মসহায়ক গোট, ঘৰুৱা সামগ্ৰীৰে নিৰ্মিত, দৈনন্দিন সামগ্ৰীৰ বিক্ৰীৰ ব্যৱসায়ৰ মাজেদি গাঁৱৰ মহিলাসকলো অৰ্থনৈতিকভাৱে সবল হৈ উঠিল।

ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ নাৰীসকলৰ সক্ৰিয় ভূমিকা আছিল। পুষ্পলতা দাস, অমল প্ৰভা দাস, ৰেণুকা দেৱী বৰকটকীৰ দৰে নাৰীয়ে ভাৰতীয় সংসদত যোগদান কৰি অসমৰ নাৰীৰ ৰাজনৈতিক সচেতনতাৰ পৰিচয় দিলে। **১৯৬০** চনৰ পৰা **১৯৭৯** চনৰ ভিতৰত

হোৱা  একাধিক আন্দোলনত অসমীয়া নাৰীয়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। **১৯৭৯** চনৰ পিছত সামাজিক বাতাবৰণ সলনি হোৱাত নাৰীসকলে নিজকে নতুন ৰূপত পৰ্যবেক্ষণ কৰিবলৈ চেষ্টা চলায়। বৰ্তমানলৈকে নাৰীসকলে কিন্তু এতিয়াও সুসংগঠিত ৰূপে নিজৰ কাৰণে চিন্তা কৰিবলৈ শিকা নাই। বহুতো  ক্ষেত্ৰত এতিয়াও কিছু নাৰী পুৰুষৰ অধীন হৈয়ে আছে। বৰ্তমানো নাৰীক আত্মত্যাগী আৰু নিঃস্বাৰ্থবান হ'বলৈ শিক্ষা দিয়া হয়। নাৰী জাগৰণৰ যি ইতিহাস সেই ইতিহাসক কেতিয়াও স্তিমিত হ'বলৈ দিব নালাগিব। অসমীয়া নাৰীৰ সচেতনতা, জাগৰণ সন্মুখত ৰাখি সক্ৰিয় হৈ থকাটো প্ৰয়োজন। তেতিয়াহে নাৰী সবলীকৰণ সম্ভৱ হ'ব।

**২.০২ অসমত নাৰী সবলীকৰণ**

অসমৰ অতীত বুৰঞ্জী মেলি চালে আমি দেখিবলৈ পাওঁ যে অসমত বহুতো দৰে মহিয়সী মহিলা আছিল। এওঁলোকক পুৰুষৰ সমকক্ষ হিচাপে মৰ্যাদা দিয়া হৈছিল। আমাৰ দেশৰ স্বাধীনতা আন্দোলনত এওঁলোকৰ অৱদানৰ কথা নুই কৰিব নোৱাৰি। মহাত্মা গান্ধীৰ আহ্বানত বহুতো অসমীয়া মহিলাই স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল। ইয়াৰ পিছত বাবা চাহিব আম্বেদকাৰৰ প্ৰস্তাৱ অনুযায়ী মহিলাক ভোটাধিকাৰৰ অধিকাৰ দিয়া হৈছিল। ইয়াৰ ফলত  পুৰুষৰ সৈতে মহিলাক সমঅধিকাৰ দিয়া ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰতবৰ্ষৰ নামো অৰ্ন্তভুক্ত হৈছিল। কিন্তু এতিয়াও বহুতো ক্ষেত্ৰত নাৰীক নজৰবন্দী কৰি ৰখা হয়। জাৰ্মানী, জাপান আদি দেশত নাৰীৰ অৱস্থানে সকলোকে চমক দিয়ে। সেইবোৰ দেশত মহিলাই বাছ, ৰে'ল, জাহাজ চলায়। কিন্তু অসমত বহুতো ক্ষেত্ৰত এতিয়াও নাৰীক সম অধিকাৰ দিয়া হোৱা নাই। বহুতো ক্ষেত্ৰত সামাজিক বৈষম্যও চকুত পৰে। আমাৰ সমাজত সম্প্ৰতি নাৰীৰ ভূমিকা স্বীকাৰ কৰিলেও আজিও নাৰীসকল নিষ্পেষিত হৈ আছে। গণতন্ত্ৰত বিশ্বাসী প্ৰতিখন ৰাষ্ট্ৰই 'সমতা'ক স্থান দিছে। ৰাষ্ট্ৰৰ সংবিধানবোৰতো, শান্তি আৰু প্ৰগতি স্থাপনৰ বাবে 'সমতা'ক এটা অন্যতম অংগ হিচাপে অভিহিত কৰিছে। **১৭৭৬** চনত স্বাক্ষৰিত 'American Declaratio of Independence' খনৰ আৰম্ভণিতেই সকলো মানুহ সমান বুলি উল্লেখ আছে। ইয়াৰ পিছত **১৭৮৯** চনত ফ্ৰান্সত বিশ্বৰ দ্বিতীয়খন গুৰুত্বপূৰ্ণ দলিল স্বাক্ষৰিত হ'ল। 'The Declaration of Reghts of Men and the Citizen' শীৰ্ষক দলিলত জন্মগতভাৱে আৰু অধিকাৰ উপভোগৰ ক্ষেত্ৰত মানুহ  সলমান আৰু মুক্ত বুলি উল্লেখ কৰা হ'ল। **২০০১** চনটোক ভাৰত চৰকাৰে 'নাৰী সবলীকৰণ বৰ্ষ' বুলি ঘোষণা কৰিছিল। এই সময়ছোৱাত নাৰীৰ

সবলীকৰণৰ বাবে জাতীয় নীতি বলবৎ কৰা হৈছিল। নাৰীৰ অধিকাৰ, মৰ্যাদা আৰু আত্মপ্ৰতিষ্ঠাৰ বাবে ভাৰত চৰকাৰে লোৱা এই নীতি প্ৰশংসনীয়।

নাৰী সবলীকৰণ মানে সকলো ক্ষেত্ৰতে পুৰুষৰ সমান অধিকাৰ প্ৰাপ্ত হোৱাকে নাৰী সবলীকৰণ বুলি ক'ব নোৱাৰি। আজিৰ সমাজত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু ধৰ্মীয় ক্ষেত্ৰত সমতাপ্ৰাপ্ত হ'বলৈ নাৰীসকলে নিজৰ মাজত ব্যক্তিত্বৰ বিকাশ ঘটাব লাগিব। নাৰী সবলীকৰণৰ বাবে নাৰীসকলে নিজৰ দক্ষতা, কৰ্মনিষ্ঠা, আত্মবিশ্বাস বৃদ্ধি কৰি একাগ্ৰতাৰ নাৰীসমাজ আগুৱাই গ'লেহে প্ৰকৃত নাৰী সবলীকৰণ হ'ব।

নাৰীসবলীকৰণ প্ৰসংগটোৰ লগত নাৰীবাদ জড়িত হৈ আছে। যেতিয়া নাৰীসকলৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিল, প্ৰতিটো ক্ষেত্ৰতে নাৰী চেতনাত আঘাত হানিবলৈ ধৰিলে, তেতিয়াই পাশ্চাত্যত নাৰীবাদৰ ধাৰণা গঢ়ি উঠিছিল। অসমীয়া ভাষাৰ মাধ্যমত এই নাৰীবাদে চিন্তা-চৰ্চাৰ ৰূপ লৈছে যদিও ব্যাপক হাৰত ই চৰ্চিত প্ৰসংগ বুলিব নোৱাৰি। নাৰী সবলীকৰণৰ ক্ষেত্ৰত কেৱল নাৰীসকলেই নহয়, এইক্ষেত্ৰত পুৰুষ-মহিলা উভয়েই ওলাই আহিব লাগিব। কিন্তু দেখা যায় নাৰীৰ ওপৰত পুৰুষে পাৰিবাৰিক আৰু সামাজিক জীৱনত সৰ্বত্ৰ একাধিপত্য চলাই আহিছে।

নাৰী সবলীকৰণ হোৱা চিন্তাৰ আঁৰৰ এটা প্ৰধান দিশ হৈছে নাৰীৰ যৌনজীৱন। সৰুৰে পৰাই নাৰীক দুৰ্বল বুলি কিছুমান অলিখিত নীতি-নিয়মৰ পাঠ দিয়া হয়। ঘৰে-বাহিৰে নাৰীসকল অলপো সুৰক্ষিত নহয়। অসামাজিক চৰিত্ৰৰ মানুহৰ হাততে বাৰম্বাৰ নাৰীৰ যৌন সুৰক্ষা লুণ্ঠিত হয়। অসমত সমান্তৰালভাৱে হোৱা ধৰ্ষণ কাণ্ডই ৰাজ্যখনকে জোকাৰি গৈছে। ঘৰ, কৰ্মস্থলী, বজাৰ-হাট ক'তোৱেই নাৰীসকল সুৰক্ষিত নহয়। আনহে নালাগে দুবছৰীয়া কেঁচুৱা এটাও ধৰ্ষণৰ পৰা বাচি যোৱা নাই। এনেধৰণৰ অপ্ৰীতিকৰ ঘটনাই নাৰী সবলীকৰণত বাধা আহি পৰিছে।

আনহাতে অসমীয়া ভাষাৰ কিছুমান শব্দৰ ব্যৱহাৰ আমাৰ চকুত পৰে। অৱশ্যে এইটোও স্বীকাৰ্য যে কেৱল শব্দৰ ব্যৱহাৰেই নাৰীৰ অৱস্থাৰ উন্নতি নকৰে। কিন্তু কিছুক্ষেত্ৰত শব্দ প্ৰয়োগত নাৰীবাদী দৃষ্টিভংগী মূল্যায়ণ কৰা দেখা যায়। যেনে— লেখক, লেখিকা, সম্পাদক, সম্পাদিকা, শিক্ষক, শিক্ষয়িত্ৰী, সভাপতি, সভানেত্ৰী। ইংৰাজী ভাষাত এই শব্দ কেইটা উভয়লিংগ। কিন্তু অসমীয়া ভাষাত ইয়াৰ ৰূপ পুলিংগ আৰু স্ত্ৰীলিংগ হিচাপে আছে। ইংৰাজীত উভয়লিংগ হোৱা

হেতুকে শব্দকেইটাক writer, Editor, Teacher বুলিয়েই লিখা হয়। এতেকে নাৰীবাদ যিহেতু পাশ্চাত্যৰ পৰা আহিছে, সেই হেতুকে এচাম নাৰীবাদীৰ মনত এইটো ধাৰণা সৃষ্টি হ'ল—স্ত্রী ৰূপ ব্যৱহাৰ কৰা মানে নাৰীসকলৰ মর্যাদা কমাই ৰখা। যাৰ ফলত এনেধৰণৰ অযৌক্তিক কথাও নাৰীসবলীকৰণৰ অন্তৰ্ভুক্ত হ'ল।

ভাৰতৰ দৰে ৰাষ্ট্ৰত নাৰীসবলীকৰণৰ কাৰণে বিভিন্ন ব্যৱস্থা সময়ে সময়ে লৈ আছে। একেদৰে অসমতো এই ব্যৱস্থা প্ৰযোজ্য হৈছে। আমাৰ সংবিধানে নাৰী সবলীকৰণৰ বাবে বিশেষভাৱে সংৰক্ষণৰ ব্যৱস্থাও কৰিছে। একেদৰে ৰাজনীতিৰ ক্ষেত্ৰখনতো নাৰীৰ সংৰক্ষণৰ ব্যৱস্থা সম্পৰ্কে দাবী উত্থাপিত হৈছে। কিন্তু নাৰীবাদ মানে হৈছে পুৰুষ আৰু নাৰী সমান। নাৰীৰ কাৰণে বিশেষ সংৰক্ষণ বাদ দি পুৰুষৰ সমানে সমানে নাৰীসকল আগবাঢ়ি যোৱাটোহে উচিত। যিহেতু নাৰী-পুৰুষ উভয়ে মানৱসত্বা। নাৰীয়ে কেতিয়াও নিজকে দুৰ্বল বুলি ভাবিব নালাগে। নাৰী যিহেতু পুৰুষৰ সৈতে সমানে আগবঢ়া, গতিকে নাৰী সংৰক্ষণৰ বিপৰীতে নিজকে আগবঢ়াই নিয়াটোহে বেছি সমর্থনযোগ্য। কিন্তু পুৰুষৰ দ্বাৰা সৃষ্ট ধৰ্মবোৰে নাৰীৰ মৰ্যাদা আজিও হানি কৰি আহিছে। সাম্প্ৰতিক কালতো ধৰ্ম আৰু সমাজত পুৰুষৰ আধিপত্য দেখা যায়। ধৰ্মীয় দৃষ্টিকোণেৰে নাৰীক আমাৰ সমাজত উচ্চ আসন দিয়া হয়। ভাৰতবৰ্ষৰ আন ৰাজ্যৰ তুলনাত সামাজিকভাৱে নাৰীয়ে অধিকাৰো পাইছে। কিন্তু কাৰ্যক্ষেত্ৰত সম্পূৰ্ণ ওলোটা ছবি এখনহে দেখা পোৱা যায়। পৰম্পৰাগত ৰীতি-নীতি আৰু ধৰ্মীয় অনুশাসনে এতিয়াও নাৰীক পুৰুষৰ সমান মৰ্যাদা দিয়া নাই। উদাহৰণস্বৰূপে বৰপেটাৰ কীৰ্তন ঘৰৰ কথা ক'ব পাৰি য'ত আজি একবিংশ শতিকাতো নাৰীৰ প্ৰৱেশৰ অনুমতি নাই। যেতিয়ালৈকে নাৰী পুৰুষৰ সমানাধিকাৰৰ প্ৰসংগটো উত্থাপন হৈ থাকিব তেতিয়ালৈকে নাৰী সবলীকৰণ হৈ নুঠে আৰু সমাজখন সকলো দিশতে সুস্থ হৈ নুঠিব।

নাৰী সবলীকৰণৰ দিশত অসমতো নাৰী-পুৰুষৰ যৌথ উদ্যোগ লাগিব।সমাজবাদী ব্যৱস্থাত নাৰী-পুৰুষৰ সমানাধিকাৰ সম্ভৱ বুলি ক'ব পাৰি। মাৰ্চ মাহৰ আঠ তাৰিখটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে বিশ্বব্যাপী পালন কৰা হয়। সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক ৰাজনৈতিক দিশত নাৰীৰ অসামান্য ভূমিকাক স্বীকৃতি প্ৰদান আৰু নাৰীক পুৰুষৰ সমানে মৰ্যাদা প্ৰদান কৰাই আন্তৰ্জাতিক নাৰী দিৱসৰ তাৎপৰ্য। বিভিন্ন ক্ষেত্ৰত অসমতো নাৰীয়ে পুৰুষৰ সমানে সমানে আগুৱাই যোৱাটো অত্যন্ত প্ৰয়োজন।

## ২.০৩ অসমত স্ত্ৰী শিক্ষাৰ ইতিহাস

প্ৰাচীন ভাৰতবৰ্ষত কোনো আনুষ্ঠানিক শিক্ষা ছোৱালীৰ কাৰণে নাছিল। ল'ৰাৰ বাবে গুৰুকুলৰ ব্যৱস্থা আছিল। কিন্তু কিছুমান অভিজাত পৰিয়ালৰ অভিভাৱকে ছোৱালীক ঘৰতে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। প্ৰাচীন ভাৰতৰ ইতিহাসত গাৰ্গী, মৈত্ৰেয়ী, লীলাৱতী, খনা আদি নাৰীৰ উল্লেখ আছে। কিন্তু সেয়া তেনেই নগণ্য। বেছিভাগ অভিভাৱকেই ছোৱালীক ন-দহ বছৰ বয়সতেই বিয়া দি দিছিল। নাৰীসকলে কেৱল ঘৰুৱা কাম-বনতে ব্যস্ত থাকিব লগা হৈছিল। শিক্ষা বিষয়ত ভাৰতৰ অন্য প্ৰদেশৰ দৰেই অসমতো একেই পৰিস্থিতি আছিল।

ভাৰতৰ দৰে অসমতো শিক্ষাৰ পদ্ধতি লিংগভিত্তিক আছিল। প্ৰাচীন কামৰূপত নাৰীশিক্ষাৰ বিশেষ প্ৰমাণৰ তথ্য পোৱা নাযায়। পঞ্চদশ-ষোড়শ শতিকাত বৈষ্ণৱ আন্দোলনৰ পৰৱৰ্তী সময়ত সত্ৰ আৰু নামঘৰ আদিৰ জৰিয়তে সাধাৰণ শ্ৰেণীৰ মহিলাই আধ্যাত্মিক জীৱনৰ বাবে প্ৰয়োজন হোৱা শিক্ষা লাভ কৰিব পাৰছিল।[৩] কোনো ধৰণৰ আনুষ্ঠানিক শিক্ষা এওঁলোকে লাভ কৰিব নোৱাৰিছিল। সমাজত নাৰীসকলক কোনো ধৰণৰ গুৰুত্ব দিয়া নহৈছিল, ঘৰৰ ভিতৰতে সোমাই থাকি পুৰুষৰ সেৱা পৰিচৰ্যাতে তেওঁলোকৰ জীৱন পাৰ হৈছিল। এই সময়ত নিজৰ চেষ্টাৰ বলত ঘৰতে শিক্ষা লাভ কৰা কেই গৰাকীমান বিদূষী মহিলাৰ নাম আমি পাওঁ। বৈষ্ণৱ যুগত গোপাল আতাৰ জীয়ৰী পদ্মপ্ৰিয়া, হৰিদেৱৰ জীয়েক ভুবনেশ্বৰী,[৪] শংকৰদেৱৰ নাতিবোৱাৰী কনকলতা আদি কেইগৰাকীমান শিক্ষিতা মহিলাৰ কথা আমি পাওঁ। ইয়াৰ পিছত আহোম ৰাজত্বৰ সময়ছোৱাত শিক্ষাৰ যথেষ্ট প্ৰসাৰ হয়। আহোম ৰজাসকলে শিক্ষাৰ বাবে বিভিন্ন ঠাইত ব্যৱস্থা কৰাই দিছিল। সেইসমূহত কিন্তু সাধাৰণ শ্ৰেণীৰ লোক যাব নোৱাৰিছিল। ৰজাঘৰীয়া লোকেহে তাত শিক্ষা লোৱাৰ অধিকাৰ আছিল। আহোম ৰাজত্বৰ বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছিল। চাওচিং কুঁৱৰীয়ে হাতেৰে লিখাৰ উপৰিও ভৰিৰে আহোম আখৰ লিখিব পাৰিছিল।[৫]

আহোম ৰাজত্বৰ অৱসানৰ পিছত **১৮২৬** খ্ৰী.ত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত সাপেক্ষে অসম ইংৰাজৰ অধীনলৈ যায়। সেই সময়ত অসমৰ ৰাজনৈতিক, সামাজিক পৰিস্থিতি অতি জটিল

---

৩. বৰুৱা, যতীন ঃ *ভাৰতীয় শিক্ষা ইতিহাসৰ অধ্যয়ন*, পৃ. **১৮**

৪. দাস, শোণিত বিজয় (সম্পা.) ঃ *কথা গুৱাহাটী*, পৃ. ৫-৮

৫. শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ *পুৰণি সাহিত্যৰ অধ্যয়ন*, পৃ. ৫৪

আছিল। সকলোফালে অৰাজকতাৰ সৃষ্টি হৈ আছিল। সময়খিনি ইমানেই বেছি জটিল আছিল যে শিক্ষাৰ কথা ভাবিবই পৰা নাছিল। মানুহৰ থকাৰে থান্-থিত নোহোৱা হৈ পৰিছিল। 'ইষ্ট ইণ্ডিয়া কোম্পানী'য়ে অসমত শাসন চলাবলৈহে আহিছিল, শিক্ষাৰ ক্ষেত্ৰত কোম্পানীৰ চৰকাৰে কোনো প্ৰচেষ্টা হাতত লোৱা নাছিল। **১৮১৩** খ্ৰী.ত প্ৰৱৰ্তিত 'চাৰ্টাৰ আইন' (Charter Act)-এ ভাৰতীয় মানুহৰ শিক্ষাৰ ব্যৱস্থা কৰা কাৰ্যক কোম্পানীৰ নৈতিক দায়িত্বৰ ভিতৰুৱা বুলি মত প্ৰকাশ কৰে আৰু শিক্ষাৰ শিতানত বছৰি এক লাখকৈ টকা অনুদান হিচাপে আগবঢ়োৱাৰ পৰামৰ্শ দিয়ে।[৬] কিন্তু কাৰ্যত সেয়া হৈ উঠা নাছিল।

**১৮৩৬** চনত অসমলৈ আমেৰিকান বেপ্টিষ্ট মিচনেৰীসকল আহিল। এওঁলোকৰ অৱদান অসমৰ শিক্ষাজগতত বাৰুকৈয়ে আছে। তেওঁলোক অসমলৈ মূলতঃ ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যে আহিছিল যদিও স্থানীয় মানুহৰ শিক্ষাগত দুৰৱস্থাৰ কথা উপলব্ধি কৰে। অসমত নাৰী শিক্ষাৰ বাটকটীয়া ৰূপে আমি মিছনেৰী সকলৰ নাম ল'বই লাগিব। **১৮৩৬** খ্ৰীষ্টাব্দত অসমত প্ৰৱেশ কৰাৰ কেইমাহমান পিছতেই তেওঁলোকে শদিয়াত প্ৰথমখন স্কুল স্থাপন কৰে। সেইখন আছিল ল'ৰাৰ শিক্ষাৰ বাবে। তাত ল'ৰা আৰু ছোৱালীৰ বাবে সুকীয়াকৈ শ্ৰেণী খোলা হৈছিল।[৭] **১৮৩৮** খ্ৰীষ্টব্দত মিছেছ্ ব্ৰাউনে শদিয়াত ছোৱালীৰ বাবে এখন স্কুল স্থাপন কৰে। ব্ৰাউনৰ দিন লেখাত অসমৰ প্ৰথমখন ছোৱালী স্কুল পতাৰ কথা উল্লেখ কৰিছে–Mr. Brown commenced the girls' school to day, with ten scholars.[৮]

ইয়াৰ পিছত **১৮৩৯** খ্ৰীষ্টাব্দত অ.টি কাট্টাৰৰ পত্নী শ্ৰীমতী কাট্টাৰে শদিয়াতে আন এখন ছোৱালী স্কুল প্ৰতিষ্ঠা কৰে যদিও এইখনৰ প্ৰসাৰ নহ'ল। তথাপি অসমৰ স্ত্ৰী শিক্ষাৰ ইতিহাসত ই আছিল এক বলিষ্ঠ পদক্ষেপ।[৯] **১৮৪১** খ্ৰীষ্টাব্দত মিছেছ্ ৰাৰ্কাৰে শিৱসাগৰত আন এখন ছোৱালী স্কুল প্ৰতিষ্ঠা কৰে। মফাৰ্ট মিল্‌ছৰ প্ৰতিবেদনত উল্লেখ থকা মতে—

---

৬. Barpujari, H.K. : *Comprehensive History* Vol-IV, p.348.

৭. Barpujari, H.K.: *The American Missioneries and North-East India (1836-1900)*, p.8

৮. Barpujari, H.K.: op-cit, p.10

৯. দাস, জিতেন ঃ *আমাৰ অসম*, ২৪ এপ্ৰিল, ২০০৮ প্ৰবন্ধ 'শদিয়া বিষয়ক লেখা আৰু লেঠা'

*And three school in the station one for boys numbering fifty and one for girls numbering ten. Mrs. Brown has also a girls' boarding school of thirteen scholars.*[১০]

১৮৫০ খ্ৰীষ্টাব্দত গুৱাহাটীত কেৱল দিনৰ ভাগত পঢ়িবলৈ স্কুল প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াত ছাত্ৰীৰ সংখ্যা আছিল মাত্ৰ তেৰ জনী। বিভিন্ন কাৰণত সেই সময়ত ছোৱালীবোৰ স্কুললৈ অহা নাছিল। সেই সময়ৰ সমাজত খুব কম ছোৱালীয়েহে ওলাই আহিব পাৰিছিল। ছোৱালীক সাধাৰণতে পুৰুষপ্ৰধান সমাজখনে চাৰিবেৰৰ মাজতে থকাটো ভাল বুলি গণ্য কৰিছিল। যিকেইখন স্কুল আছিল তাত ছোৱালীয়ে পঢ়িবলৈ বিষয়ো ঠিক কৰি দিয়া হৈছিল। ফাৰ্ষ্টবুক, ফাষ্ট আৰু ছেকেণ্ড গণিত, অৰুণোদই আৰু ইয়ং আসাম। পাঠ্যপুথিৰ উপৰিও ছোৱালীৰ হাতৰ কামৰ শিক্ষাও এইখন স্কুলত দিয়া হৈছিল। তাৰ বাবে প্ৰয়োজনীয় কাপোৰ, সূতা, চিলথ আদি আমেৰিকাৰ পৰা অনোৱা হৈছিল।

মিছনেৰীসকলে ছোৱালীৰ বাবে যিবোৰ স্কুল খুলিছিল সেইবোৰ নচলাৰ বাবে মিছনেৰীসকলৰ মহিলা কৰ্মীয়ে ‘জেনানা স্কুল’ নাম দি সুকীয়াকৈ আকৌ ছোৱালীৰ বাবে স্কুল খুলিলে। মানুহৰ ঘৰে ঘৰে গৈ শিক্ষাৰ প্ৰতি ছোৱালীবিলাকক উৎসাহিত কৰিছিল কিন্তু এইবোৰ ইমান ফলপ্ৰসু হৈ উঠা নাছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৮৫৮ খ্ৰীষ্টাব্দৰপৰাহে স্ত্ৰী শিক্ষাৰ দায়িত্ব লয়। ইয়াৰ আগেয়ে ১৮৫৪ খ্ৰীষ্টাব্দৰ ১৯ জুলাইত ‘উড্‌ছ এডুকেশ্বন ডেচ্‌পাট্‌চ (wood's Education Despatch)ত চৰকাৰীভাৱে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা ঘোষণা কৰা হয়। চালৰ্ছ উদৰ প্ৰতেবেদনেই হৈছে ভাৰতীয় শিক্ষা সম্পৰ্কে ইংলেণ্ডৰ প্ৰশাসনৰ কৰ্তৃত্বৰে চৰকাৰীভাৱে প্ৰেৰণ কৰা প্ৰথম পত্ৰ।[১১]

বহুকেইটা কাৰণত স্ত্ৰী শিক্ষাই প্ৰসাৰ লাভ কৰা নাছিল। কেৱল ‘ইষ্টণ্ডিয়া কোম্পানী’টোৰ অমনোযোগিতাই নহয়, নাৰী শিক্ষা পিছপৰি থকাৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় হৈছে অসমীয়া মানুহখিনিৰ ঠেক মানসিকতা। স্ত্ৰী শিক্ষা ৰোধ হোৱাৰ কেইটামান কাৰক আছিল--

১ চৰকাৰৰ অনুদান নীতি

২. অভিভাৱকৰ অমনোযোগিতা

৩. দৰিদ্ৰতা

---

১০. Mills' Report, p. 515

১১. বৰুৱা, যতীন ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৫৩

৪. কুসংস্কাৰ আৰু অন্ধবিশ্বাস

৫. যাতায়তৰ অসুবিধা

৬. বাল্যবিবাহ

৭. ছোৱালী স্কুলৰ অভাৱ

৮. স্ত্ৰী শিক্ষয়িত্ৰীৰ অভাৱ

৯. ঘৰুৱা কামত ছোৱালীক অধিক নিয়োজিত কৰা।[১২]

**১৮৫৭** চনৰ চিপাহী বিদ্ৰোহৰ পিছত ভাৰতত কোম্পানী শাসনৰ অন্ত পৰে। **১৮৫৯** খ্ৰীষ্টাব্দত উডৰ প্ৰতিবেদনে পুনৰ্বাৰ নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি নাৰী শিক্ষাৰ বাবে বৃহৎ পৰিমাণৰ অনুদান আগবঢ়োৱাৰ পৰামৰ্শ দিয়ে।[১৩] **১৮৭০** খ্ৰীষ্টাব্দত চৰকাৰী প্ৰচেষ্টাত অসমত আঠখন ছোৱালী স্কুল স্থাপন কৰা হয়। তাৰে পাঁচখন কামৰূপত আৰু এখনকৈ স্কুল দৰং, লখিমপুৰ আৰু নগাঁৱত স্থাপন কৰা হয়।[১৪] মিছনেৰীসকলে নিজাববীয়াকৈ লোৱা উদ্যোগৰ ফলত ইতিমধ্যে শিৱসাগৰ, নগাওঁ, কামৰূপ, খাচী-জয়ন্তীয়া পাহাৰত কিছু স্কুল স্থাপিত হয়। **১৮৬০-৬১** খ্ৰীষ্টাব্দত শিৱসাগৰত ছোৱালীৰ বাবে প্ৰথমখন প্ৰাথমিক স্কুল স্থাপন কৰা হয়।[১৫] **১৮৭৪-৭৫** খ্ৰীষ্টাব্দত প্ৰাথমিক শিক্ষা লাভ কৰা ছাত্ৰীৰ সংখ্যা আছিল ৮৭৫ গৰাকী।[১৬] **১৮৭৫-৭৬** খ্ৰীষ্টাব্দত পোৱা পৰিসংখ্যা অনুযায়ী ছোৱালী স্কুল আৰু ছাত্ৰীৰ সংখ্যা হয়গৈ—

---

১২. Das, Lakshahira : *Education in Assam*, p.54.

১৩. উক্ত গ্ৰন্থ, পৃ. ৫২

১৪. দাস, শোণিত বিজয় (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, ছেপ্তেম্বৰ, ২০০৪ প্ৰবন্ধ, বৰুৱা, প্ৰীতি 'অসমৰ স্ত্ৰী শিক্ষাৰ ইতিহাসত এভূমুকি', পৃ.২৩

১৫. ভূএগ, যোগেন্দ্ৰ নাৰায়ণ ঃ *গুণাভিৰাম বৰুৱা*, পৃ.২৩-২৪

১৬. উক্ত গ্ৰন্থ, পৃ. ২৪

| জিলা | স্কুলৰ সংখ্যা | ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| কাছাৰ | ৫ | ৫৯ |
| চিলেট | ২ | ২০ |
| গোৱালপাৰা | ২ | ৩১ |
| কে.জি. হিলচ | ১২ | ৩৯০ |
| গাৰোপাহাৰ | — | ১০ |
| কামৰূপ | ৬ | ১০৯ |
| দৰং | ৪ | ৭০ |
| নগাঁও | ৬ | ৭৬ |
| শিৱসাগৰ | ৩ | ১৩৩ |
| লক্ষীমপুৰ | — | ৮ |
| | ৪০ খন | ৯০৬ জনী[১৭] |

**১৮৮৯** খ্ৰীষ্টাব্দত প্ৰাথমিক স্কুল আছিল **১৮৫** খন আৰু ছাত্ৰীৰ সংখ্যা আছিল **২৪১৪** জনী।[১৮] **১৮৯৭-৯৮** খ্ৰীষ্টাব্দত পাহাৰ-ভৈয়াম মিলি সমগ্ৰ অসমতে প্ৰাথমিক স্কুল আছিল **১৮৫** খন। শিক্ষা গ্ৰহণ কৰা ছোৱালী আছিল মাথোঁ **৩৮২৩** গৰাকী।[১৯] আনহাতে ছোৱালীৰ বাবে মজলীয়া স্কুল আছিল মাত্ৰ **৩** খন আৰু ছাত্ৰীৰ সংখ্যা আছিল **২৩৫** গৰাকী। এই স্কুলকেইখন স্থাপন কৰা হৈছিল ধুবুৰী, ডিব্ৰুগড় আৰু ছিলঙত।

ঊনৈশ শতিকাত বংগৰ নৱজাগৰণৰ সূচনা হৈছিল। এই নৱজাগৰণৰ প্ৰধান উদ্দেশ্য আছিল স্ত্ৰী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ। এই আন্দোলনৰ গুৰি ধৰিছিল ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আদি ব্যক্তিসকলে। ঊনবিংশ শতিকাত অসমত স্ত্ৰী শিক্ষাৰ প্ৰভাৱ একেবাৰে পৰা নাছিল বুলিব পাৰি। এইখিনি সময়ত অসমৰ পৰা কলিকতালৈ পঢ়িবলৈ যোৱা কেইজন প্ৰগতিশীল যুৱকেও অসমত নাৰীশিক্ষাৰ চিন্তা কৰিছিল। তেওঁলোকৰ ভিতৰত আছিল হলিৰাম ঢেকিয়াল ফুকন, যজ্ঞৰাম খাৰঘৰীয়া ফুকন, আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা ইত্যাদি। আনন্দৰাম ঢেকিয়াল ফুকনে তেওঁৰ পত্নীক ঘৰতে শিক্ষা দিছিল আৰু জীয়ৰী পদ্মাৱতীৰ পঞ্চম

---

১৭. Das,Lakshahira : op-cit, p.54

১৮. দেৱী, ৰেণু ঃ *অসমৰ শিক্ষা ব্যৱস্থা,* পৃ.**১১৪**

১৯. Das, Lakshahira : op-cit, p.55

বৰ্ষতে বিদ্যাৰম্ভ কৰিছিল।[২০] গুণাভিৰাম বৰুৱাইও স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি গৈছিল।নাৰীশিক্ষাৰ প্ৰসাৰৰ বাবে তেওঁ অহোপুৰুষাৰ্থ যত্ন কৰিছিল। তেওঁ জীয়েক স্বৰ্ণলতাক সেই সময়ত **১৮৮০** খ্ৰীষ্টাব্দত মাত্ৰ ন বছৰ বয়সতে পঢ়িবৰ বাবে কলিকতাত থৈ আহিছিল। গুণাভিৰামে বিশ্বাস কৰিছিল —

> *লৰা কি চোআলি দুয়োৰে বিদ্যা সিকা উচিত, আৰু সাস্ত্ৰতো ইয়াৰ বিধান আছে। ...*
> *দুয়োকে সমানে বিদ্যা সিকোআ, আৰু প্ৰতিপালন কৰা, বাপেক মাকৰ প্ৰধান কৰ্তব্য।*[২১]

ঊনৈশ শতিকাৰ শেষৰ পিনেও অসমত স্ত্ৰী শিক্ষাৰ কাৰণে বাতাবৰণ এটা গঢ়াৰ চেষ্টা কৰা হৈছিল। কিন্তু ইমান সহজে নাৰীসকল শিক্ষাগ্ৰহণৰ বাবে ওলাই আহিব পৰা নাছিল। সেই সময়ত শিক্ষাৰ বাবে ওলাই যোৱা ছোৱালীক সমাজত বেয়া দৃষ্টিৰে চোৱা হৈছিল। আনকি সেই সময়ৰ বিলাৎফেৰত ইঞ্জিনীয়াৰ *মৌ* কাকতৰ সম্পাদক বলিনাৰায়ণ বৰায়ো স্ত্ৰী শিক্ষা সম্পৰ্কে *মৌ* কাকতত কটু মত পোষণ কৰিছিল।[২২] লম্বোদৰ বৰাইও একে মন্তব্যই দিছিল। কিন্তু ইয়াৰ মাজতো কেইগৰাকীমান ব্যক্তিয়ে কন্যা সন্তানৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আপ্ৰাণ চেষ্টা চলাইছিল। তেওঁলোকে বুজি পাইছিল যে নাৰী এগৰাকীৰ উন্নতি হ'লেহে ঘৰ একোখনৰ উন্নতি হ'ব। আৰু ঘৰ এখনৰ উন্নতি হ'লেহে সমাজ এখন আগবাঢ়ি যাব পাৰিব। ডিব্ৰুগড়ৰ দেৱীপ্ৰভা দত্তই জীয়েক দুৰ্গাপ্ৰভা আৰু হেমপ্ৰভাক কলিকতাৰ বেথুন স্কুলত পঢ়াবলৈ নিজে ভাড়াঘৰত থাকি লৈছিল। দুৰ্গাপ্ৰভাক প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা অসমৰ প্ৰথম মহিলা বুলি জনা যায়।[২৩] একেদৰে হেমপ্ৰভা অসমৰ প্ৰথম এফ. এ পাছ কৰা ছোৱালী। সুধালতা দুৱৰা আৰু সুখলতা দুৱৰা— এই দুগৰাকী আছিল অসমৰ প্ৰথম এম. এ. বি. টি পাছ কৰা মহিলা।[২৪] দুয়োগৰাকী ৰত্নকান্ত বৰকাকতিৰ জীয়ৰী আছিল। সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষা ৰাজবালা দাস, পুষ্পলতা দাস অসমৰ বাহিৰত কলিকতা, কাশী বিশ্ববিদ্যালয় আদিত শিক্ষা গ্ৰহণ কৰা প্ৰথম চাম অসমীয়া নাৰী।

---

২০. *অৰুণোদই*, পৃ.৯৪৯

২১. বৰুৱা, গুণাভিৰাম ঃ *মৌ*, পৃ.২৪

২২. বৰুৱা,যতীন ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৪৯৯

২৩. দাস, শোণিত বিজয় (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.১৯

২৪. উক্ত গ্ৰন্থ, পৃ. ২৪।৩৪. Das, Lakshahira : op-cit, p.55

ঊনবিংশ শতিকাৰ শেষলৈকে এনেদৰে লেহেমীয়া গতিত নাৰীশিক্ষাৰ প্ৰসাৰ হয়। বিংশ শতিকাৰ আৰম্ভণিত আগতকৈ নাৰীশিক্ষাৰ প্ৰসাৰ প্ৰশস্ত হ'বলৈ আৰম্ভ হয়। তাৰে কিছুমান কাৰণ উল্লেখ কৰা হ'ল—

১. সাৰদা আইন প্ৰণয়ন

২. মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন।

৩. জনসাধাৰণৰ সজাগতা

৪. পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰ

৫. চৰকাৰী পদক্ষেপ

৬. নাৰী সংস্থাসমূহে স্ত্ৰী শিক্ষাৰ বাবে জনোৱা দাবী। [২৫]

প্ৰকৃততে কুৰি শতিকাৰ স্বৰাজ আন্দোলনৰ যোগেদি ভাৰতত এক নতুন চেতনাৰ আৰ্বিভাৱ হ'ল। মহাত্মা গান্ধীৰ এই স্বাধীনতা আন্দোলনৰ প্ৰভাৱ অসমতো পৰিল। গান্ধীয়ে নাৰী শিক্ষাত যথেষ্ট গুৰুত্ব দিছিল। শিক্ষিত-অশিক্ষিত সকলো মানুহে আন্দোলনত ভাগ ল'লে। মহাত্মা গান্ধীৰ সবল নেতৃত্বত মহিলাসকলো আন্দোলনত জঁপিয়াই পৰিল। স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত অসমত কিছু হ'লেও বাতাবৰণ সলনি কৰিবলৈ সমৰ্থ হ'ল। এইখিনি সময়তে **১৯০১** চনত গুৱাহাটীত অসমৰ প্ৰথমখন কলেজ 'কটন কলেজ' স্থাপিত হ'ল। অভিভাৱকসকলে কিছু হ'লেও কুসংস্কাৰ এৰিলে। বহুবছৰৰ পিছত হ'লেও **১৯২৯** খ্ৰীঃত প্ৰথমবাৰৰ বাবে কটন কলেজত ছোৱালীক নামভৰ্তি কৰিবলৈ অনুমতি দিয়া হ'ল। বিংশ শতিকাৰপৰাহে নাৰীৰ বাবে অসমত উচ্চ শিক্ষাৰ দুৱাৰ মুকলি হৈছিল।

সামৰণিত ক'ব পাৰি যে, শিক্ষাই সমাজক প্ৰকৃত অৰ্থত আগবঢ়াই লৈ যায়। অশিক্ষিত সমাজত শিপাই থকা কু-সংস্কাৰ, অন্ধবিশ্বাস আদিক আঁতৰাব পাৰি কেৱল মাত্ৰ শিক্ষাৰে। অৰ্থাৎ শিক্ষাই মানুহক আত্মসচেতন, আত্মবিশ্বাসী আৰু মননশীল অৰ্থাৎ ভুল-শুদ্ধ বিচাৰ কৰিব পৰা শক্তি দিয়ে। সেয়েহে অসমীয়া সমাজ জীৱনত নাৰী চেতনাৰ লগত শিক্ষাৰ ইতিহাস সোমাই আছে। সমাজত নাৰীশিক্ষাৰ হাৰ আৰু প্ৰসাৰতা বৃদ্ধিৰ লগে লগে শিক্ষাৰ জেউতী পাই অৱহেলিত নাৰী সমাজৰ লাহে লাহে সচেতনতা বৃদ্ধি পাই আহে। ফলস্বৰূপে সমাজৰ পুৰুষতান্ত্ৰিক মানসিকতাৰ

---

২৫. বৰুৱা, যতীন ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৪৯৮

অন্যায় অৱহেলাৰ বিপৰীতে নাৰী সমাজে প্ৰতিবাদ কৰিবলৈ সাহস পায়। এইদৰেই নাৰী চেতনাৰ ক্ৰমশঃ বৃদ্ধিৰ ক্ষেত্ৰতো স্বাভাৱিকতে অসমৰ নাৰী শিক্ষাৰ ইতিহাস জড়িত হৈ পৰিছে।

## ২.০৪ অসমত মহিলা শ্ৰমিক

অৰ্থনৈতিক ক্ষেত্ৰখনত নাৰী আজিও শোষণৰ বলি হৈয়ে আছে। সামাজিক বঞ্চনা, পুৰুষতান্ত্ৰিক নিয়ম ,অন্ধবিশ্বাসৰ ফলত নাৰীয়ে আজিও কৰ্মক্ষেত্ৰত পুৰুষৰ সমানে সমানে খোজ পেলাব পৰা নাই। সমাজৰ বিভিন্ন স্তৰত নাৰীৰ উন্নতি স্থবিৰ হৈছে। ওপৰে ওপৰে চালে নাৰীসকল কিছুমান খণ্ডত জড়িত হৈ আছে যদিও অসমত এতিয়াও অজস্ৰ মহিলা শ্ৰমিক আছে। অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কাৰ্যৰত মহিলাৰ সংখ্যা আপেক্ষাকৃতভাৱে বৃদ্ধি হ'লেও সেই অনুপাতে গুণগত দিশৰ পৰিৱৰ্তন পৰিলক্ষিত হোৱা নাই। যোৱা দুটা দশকত বিশেষকৈ শিক্ষানুষ্ঠান, চিকিৎসালয়, বেংক আদি বিভিন্ন চৰকাৰী সেৱামূলক প্ৰতিষ্ঠানত শিক্ষিতা মহিলাই সুযোগ পোৱাটো লক্ষণীয় যদিও সমগ্ৰ নাৰী সমাজৰ তুলনাত সি তেনেই নগণ্য বুলিব পাৰি।[২৬]

অসমত পুৰুষৰ বিপৰীতে নাৰীৰ জনসংখ্যা হৈছে ৪৮.৩১ শতাংশ। প্ৰায় সমানুপাতিক নাৰী পুৰুষৰ জনসংখ্যাৰ বিপৰীতে কিন্তু নাৰীসকল অৰ্থনৈতিক ক্ষেত্ৰত পিছপৰি ৰৈছে। **১৯৯১** চনৰ 'ষ্টেটি চ্টিকেল হেণ্ডবুক'ৰ মতে ৰাজ্যখনত কৰ্ম জীৱি মহিলাৰ হাৰ ৩৬.০৯ শতাংশ। এই পৰিসংখ্যা অনুসৰি **১৯৭১-১৯৯১** চনৰ ব্যৱধানত কৰ্মজীৱি মহিলাৰ সংখ্যা পূৰ্বস্থিতি ৫.৪৫ শতাংশৰ পৰা **২১.৫** শতাংশলৈ বৃদ্ধি হোৱাটো উল্লেখনীয়। গ্ৰামাঞ্চলত এই স্থিতি **৫.৫৮** শতাংশৰ পৰা **২৩.৭৭** লৈ আৰু চহৰাঞ্চলত **৩.৯৮** ৰ পৰা **৭.৫১** শতাংশলৈ বৃদ্ধি পাইছে।[২৭] **১৯৯১** চনৰ চৰকাৰী লোকপিয়ল মতে অসমৰ গাওঁ আৰু চহৰ দুইটা মিলাই বিভিন্ন উদ্যোগত কামকৰা নাৰী-পুৰুষৰ পৰিসংখ্যাৰ এখন তালিকা তলত প্ৰস্তুত কৰি দেখুওৱা হৈছে—

---

২৬. বৰ্মন, শিৱনাথ (সম্পা.)ঃ *অসমীয়া নাৰীঃ ঐতিহ্য আৰু উত্তৰণ,* অসমী গগৈৰ 'অসমৰ মহিলা শ্ৰমিক' পৃ. **১৮৭**

২৭. উক্ত গ্ৰন্থ, পৃ. **১৮৬**

| | সৰ্বমুঠ জনসংখ্যা | পুৰুষ | নাৰী |
|---|---|---|---|
| খেতিয়ক | ৩৫৫৯১১৭ | ২৮৭০৫৮৩<br>(৫০.৯০%) | ৬৩৮৫৩৪<br>(৫০.৯৩%) |
| ঘৰুৱা উদ্যোগ | ৬১৪৫৫ | ৩২,১৩৪<br>(০.৩৭%) | ২৯,৩২১<br>(২.১৭%) |
| নিৰ্মাণকাৰ্য | ১০৯৬০৭ | ১০৭,৬০৭<br>(১.৯০%) | ২০০০<br>(০.১৫%) |
| যোগাযোগ | ৭৭৬০০০ | ৬৫৬৩৮৩<br>(১১.৬৫%) | ১২০২১৭<br>(৮.৮৯%) |
| পৰিবহন | ১৭৫০৬৫ | ১৭১২৯৪<br>(৩.০৪%) | ৩৭৭১<br>(০.৩৮%) |
| খনি উদ্যোগ | ৩৪৫১২ | ৩৩১৪৭<br>(০.৫৯%) | ১৩৯৫<br>(০.০১%) |
| বনাঞ্চল | ৭১৫০৩৯ | ৪১৮০৪৬<br>(৭.৪১%) | ৩১৬৯৯৩<br>(২৩.৪৫%) |
| অন্যান্য ঘৰুৱা উদ্যোগ | ২১৭৬৬১ | ২০৩,৮৪০<br>(৩.৬১%) | ১৩,৮২১<br>(৩.১১%) |
| কৃষিশ্ৰমিক | ৮৪৪৯৬৪ | ৬৮২৫৭৩<br>(১২.১০%) | ১৬২৩৯১<br>(১২.০১%) |
| ব্যৱসায় | ৪৭৮০০৬ | ৪৬৪৫৮০<br>(৮.২০%) | ১৩৪২৬<br>(০.৯১%) |

অসমৰ দুখীয়া মহিলাৰ কাৰণে কুটীৰ আৰু হস্ততাঁত শিল্প স্বাৱলম্বনৰ এটা বাট। কিন্তু ইয়াৰ যোগেদিও আমাৰ শিপিনীসকলে অনাটন ৰোধ কৰিব নোৱাৰে। চৰকাৰেও থলুৱা শিপিনীসকলক কম খৰচেৰে খটুৱাই থাকিব বিচাৰে। উদাহৰণস্বৰূপে ৰাজ্য চৰকাৰৰ হস্ততাঁত বস্ত্ৰ উদ্যোগৰ 'আৰ্টফেড'ৰ অধীনস্থ বামুণীমৈদাম উদ্যোগপাম আৰু বৰাগাওঁ শিপিনী নগৰত অৱস্থিত প্ৰতিষ্ঠানত কাম কৰা শিপিনীসকল ন্যায্য প্ৰাপ্যৰপৰা বঞ্চিত হৈ চৰম হতাশাত ভুগি

আছে। পুৱা ৮ বজাৰপৰা আবেলি ৫ বজা পৰ্যন্ত কাম কৰা শিপিনীসকলৰ নিৰ্ধাৰিত মজুৰিৰ ব্যৱস্থা নাই। উৎপাদনৰ ভিত্তিত অৰ্থাৎ এখন ফুলাম গামোছা বোৱাৰ মূল্য হয় **১৩** বা **১৪** টকা।[২৮]

এনে পৰিস্থিতিত নাৰীসকলৰ মাহিলি দৰমহা একেবাৰে কম থাকে। অলপ দূৰণিবটীয়া শিপিনীৰ বাবে ঘৰভাড়াও প্ৰয়োজন হয়। কিন্তু চৰকাৰৰ উদাসীনতাৰ বাবে শিপিনীসকলে নিজৰ প্ৰাপ্য পোৱা নাই। এওঁলোকৰ দাবীসমূহো চৰকাৰে অৱহেলা কৰি আছে। **১৯৬১** চনতে প্ৰৱৰ্তিত সুৰক্ষা আইনত উল্লেখ থকা মতে কৰ্মজীৱি প্ৰসূতি মহিলাৰ ক্ষেত্ৰত বিশেষ সা-সুবিধাও আছে। তদুপৰি প্ৰসৱকালত শাৰীৰিকভাৱে অসুবিধা হ'লে পূৰ্বৰ কৰ্ম দক্ষতা অটুট ৰাখি স্বজীৱিকা চলাই যোৱাৰ ব্যৱস্থা থকাৰ কথাও আইনত উল্লেখ কৰা আছে। কিন্তু এই নিয়মবোৰ চৰকাৰী প্ৰতিষ্ঠানতে মানি চলা হোৱা নাই। বেচৰকাৰী অনুষ্ঠানত যেন প্ৰশ্নই নুঠে। এইসকল শ্ৰমিক মহিলাই এতিয়াও জীৱিকাৰ বাবে কম টকাতে বেছি পৰিশ্ৰম কৰিব লগা হৈছে।

একেদৰে চাহ শ্ৰমিক মহিলাসকলৰ ক্ষেত্ৰতো দেখা যায় যে পুৰুষৰ তুলনাত মহিলাসকলে অধিক শ্ৰম কৰে। সন্তানৰ আলপৈচান ধৰাৰ পৰা আৰম্ভ কৰি ঘৰৰ সকলো কাম-বন কৰি চাহ বাগিছাত কাম কৰালৈকে এগৰাকী মহিলাই দায়িত্ব ল'ব লগা হয়। তাৰপিছতো মহিলা শ্ৰমিকৰ ওপৰত নিৰ্যাতন শেষ নহয়। অধিক পৰিশ্ৰম কৰাৰ পিছতো তেওঁলোকৰ মজুৰি সদায় পুৰুষ শ্ৰমিকতকৈ কম হয়।

তলত এখন তালিকা প্ৰস্তুত কৰা হৈছে— এইখন **১৯৯৪** চনৰ ৰাজ্যিক শ্ৰম আয়োগৰ (Under Plantation Labour Act-1951) বাৰ্ষিক প্ৰতিবেদন।

**তালিকা নং-১ (ক)**

(i) **বাগান অঞ্চলত থকা আবাসিক শ্ৰমিক**

**মূল বাগিছা (Main Garden)**

| প্ৰাপ্তবয়স্ক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | **৬৯৩২২৯** | **১৬২৪০৭** |
| অস্থায়ী | **৪৮৫২১** | **৫৬৩৬৬** |

২৮. বৰ্মন, শিৱনাথ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. **১৮৮**

(ii) বাগিছা (Out Garden)

| প্ৰাপ্তবয়স্ক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ৪১৪৩৫ | ৩৮০০৯ |
| অস্থায়ী | ১১১১২ | ১৬০৪৪ |

তালিকা নং (খ)

(কিশোৰ শ্ৰমিক )

(i) মূল বাগিছা (Main Garden)

| কিশোৰ শ্ৰমিক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ১৫৪১ | ১২৫৯ |
| অস্থায়ী | ২৫৮৯ | ৫০৭৯ |

(ii) বাগিছা (Out Garden)

| কিশোৰ শ্ৰমিক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ৬৭৭ | ৬৫৭ |
| অস্থায়ী | ৬৫১ | ৯২৪ |

তালিকা নং (গ)

(শিশু শ্ৰমিক )

(i) মূল বাগিছা (Main Garden)

| শিশু শ্ৰমিক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ৪৯৬৭ | ৫৪৫৯ |
| অস্থায়ী | ১০১১১১ | ১৫৬৬৯ |

(ii) বাগিছা (Out Garden)

| শিশু শ্ৰমিক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ২০৮০ | ১৪০২ |
| অস্থায়ী | ৩৩৫৯ | ৫২৭৪ |

## তালিকা নং-২ (ক)

## বাগান অঞ্চলৰ বাহিৰত শ্ৰমিক

(i) **মূল বাগিছা (Main Garden)**

| প্ৰাপ্তবয়স্ক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ১৬৫৩৪ | ১৭৮৫৫ |
| অস্থায়ী | ৪১৫৪০ | ৫১২৮৬ |

(ii) **বাগিছা (Out Garden)**

| প্ৰাপ্তবয়স্ত | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ৩৮৪৪ | ৪০১১ |
| অস্থায়ী | ৫৫৮৫ | ১০৬৪৫ |

## তালিকা নং (খ)

## (কিশোৰ শ্ৰমিক )

(i) **মূল বাগিছা (Main Garden)**

| কিশোৰ শ্ৰমিক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ২২১ | ৪৩৪ |
| অস্থায়ী | ২১৫৯ | ৩৯০০ |

(ii) **বাগিছা (Out Garden)**

| কিশোৰ শ্ৰমিক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ৬৭৭ | ৬৫৭ |
| অস্থায়ী | ৬৫১ | ৯২৪ |

## তালিকা নং (গ)

## (কিশোৰ শ্ৰমিক )

(i) **মূল বাগিছা (Main Garden)**

| শিশু শ্ৰমিক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ১৭৩৬ | ১৭৪৭ |
| অস্থায়ী | ১৩৪৯৯ | ১৩৪৯৯ |

(ii) **ৰাগিছা (Out Garden)**

| শিশু শ্ৰমিক | পুৰুষ | মহিলা |
|---|---|---|
| স্থায়ী | ৯২ | ৪১ |
| অস্থায়ী | ১৯৯৮ | ৩৫১৫ |

অসমৰ গ্ৰামাঞ্চলতো অনেক শ্ৰমজীৱি মহিলা আছে। এওঁলোক প্ৰায়ভাগেই কৃষি উৎপাদনৰ লগত জড়িত। অৰ্থকৰী উৎপাদনৰ লগত প্ৰত্যক্ষভাৱে জড়িত নোহোৱাৰ বাবে এওঁলোকক শ্ৰমিক বুলি গণ্য কৰা নহয়। কিন্তু এইসকল মহিলাই ধান কটা, কঠীয়া ৰোৱা-তোলা, পশুপালন, খাদ্যসংৰক্ষণ আদি প্ৰায় কামবোৰ কৰে।

তদুপৰি বিভিন্ন সৰু সৰু উদ্যোগ কিছুমান আছে য'ত যথেষ্ট মহিলা শ্ৰমিক নিয়োজিত আছে। সৰু সৰু 'চুপাৰী' উদ্যোগবোৰত এনে বহুতো মহিলা শ্ৰমিকে পুৰুষৰ তুলনাত একেবাৰে কম মজুৰি লৈ কাম কৰি পেট প্ৰৱৰ্তাইছে। এই নিৰক্ষৰ, দৰিদ্ৰ শ্ৰমিকসকল যথেষ্ট শোষণ-বঞ্চনাৰ বলি হ'ব লগা হৈছে। কিশোৰীৰ পৰা প্ৰাপ্তবয়স্ক মহিলালৈকে সকলোৱে ৰাতিপুৱাৰ পৰা গধূলিলৈকে কাম কৰিছে কিন্তু নিৰক্ষৰ হোৱাৰ কাৰণে প্ৰতিবাদ কৰিবও পৰা নাই। মহিলাৰ বাবে এটা প্ৰধান সমস্যা হ'ল শিশু প্ৰতিপালন কৰা। ইয়াৰ বাবে কৰ্মস্থলীতে 'শিশু ৰখাৰ কেন্দ্ৰ' এটাৰ ব্যৱস্থা কৰা উচিত। আকৌ মহিলাসকলৰ আন এটা ডাঙৰ সমস্যা হৈছে যে কৰ্মস্থলীতে কেতিয়াবা পুৰুষ কৰ্মীৰ পৰা আতিশয্যৰ সন্মুখীন হয়। এইক্ষেত্ৰত শ্ৰমজীৱি মহিলাৰ সামাজিক নিৰাপত্তাৰ কথাটোও আহি পৰে।

বিভিন্ন ক্ষেত্ৰত পোৱা শ্ৰমিক মহিলাসমূহৰ অসুবিধাবোৰ অতি চিন্তনীয়। এইবোৰ ৰোধ কৰাৰ ক্ষেত্ৰত নাৰী-পুৰুষ সকলোৱেই সহযোগিতা আগবঢ়াব লাগিব। তদুপৰি মহিলা শ্ৰমিকৰ বাবে সমান কামত সমান মজুৰি, প্ৰসূতি সংক্ৰান্ত সুবিধা আদিবোৰৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। নাৰী-চেতনাক গুৰুত্ব প্ৰদান কৰি সমাজত নাৰীৰ সমানাধিকাৰ, স্বাধীনতা দি নাৰীৰ অৱস্থান উন্নত কৰাটো পুৰুষ নাৰী উভয়ৰে কৰ্তব্য। তেতিয়াহে দেশ আৰু জাতিৰ প্ৰকৃত উন্নতি সাধন হ'ব।

## ২.০৫ অসমত ডাইনী হত্যা

ডাইনী বুলিলে সাধাৰণতে মহিলাক বুজোৱা হয়। কিবা বেয়া উদ্দেশ্য থাকিলে যাদু বা ঐন্দ্ৰজালিক শক্তিৰে এইসকল মহিলাই ব্যৱহাৰ কৰে বুলি সমাজত প্ৰচলিত অন্ধ বিশ্বাস। যেতিয়া

বিচাৰ কৰি কোনো এগৰাকী মহিলাৰ ওপৰত এনে অভিযোগ আহি পৰে তেতিয়া সেইগৰাকী মহিলাক দণ্ডিত কৰি মানসিক আৰু শাৰীৰিকভাৱে অত্যাচাৰ কৰি হত্যা কৰা হয়। এই হত্যাই হৈছে ডাইনী হত্যা।

এই ডাইনী হত্যাৰ প্ৰসংগটো নতুন নহয়, ইতিহাসৰ পৃষ্ঠা লুটিয়াই চালেই ইয়াৰ সম্ভেদ পাব পাৰো। মূলতঃ ডাইনী হত্যা এক অন্ধবিশ্বাস। আগৰ কালত অশিক্ষিত সমাজখন ইমান বেছি আগুৱাই যোৱা নাছিল আৰু গাঁওসমূহৰ সংখ্যাই সৰহ আছিল। চিকিৎসা বিজ্ঞানেও তেতিয়া প্ৰসাৰ লাভ কৰা নাছিল। অনুন্নত সামাজিক পৰিৱেশৰ ফলত বিভিন্ন বেমাৰ যেনে কলাজ্বৰ, গ্ৰহণী আদিয়ে সংক্ৰামক ৰূপ লৈছিল। সামাজিকভাৱে উন্নত নোহোৱাৰ ফলত এই বেমাৰবোৰ কোনো অপশক্তিৰ ফলত ঘটা বুলি মানুহে সন্দেহ কৰিছিল। সন্দেহৰ ফলতেই এই অপশক্তিক বিচাৰি এক সামাজিক প্ৰথাৰ আৰম্ভণি হৈছিল। এই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বলি হ'ব লগা হৈছিল দুৰ্ভগীয়া মহিলাসকল। কোনো অপদেৱতাই মহিলাৰ দেহত প্ৰৱেশ কৰি সমাজত অমংগল বিয়পোৱা বুলি লোকবিশ্বাস আছিল। আনকি পঞ্চদশ শতিকাতো গীৰ্জাঘৰৰ আমোলত স্পেইনৰ Inquisitionৰ দৰে অনুষ্ঠান পাতি ডাইনী বিদ্যা, যাদুবিদ্যা চৰ্চা কৰাৰ অপৰাধাত নিৰপৰাধী মহিলাক দোষী সজাই হত্যা কৰাৰ উদাহৰণ আছে। জোৱান আৱ আৰ্কৰ দৰে মহিলাও প্ৰগতিবাদী আৰু সাহসী হোৱাৰ বাবেই এনে অপৰাধাত শাস্তি পাবলগীয়া হৈছিল।[২৯]

বিদেশতো ডাইনী হত্যাৰ নামত অসংখ্য মহিলাই বলিদান দিবলগা হৈছিল। ডাইনী বুলি বিচাৰত প্ৰমাণ হ'লে তেওঁলোকক ফাঁচীকাঠত ওলোমাই অথবা জীয়াই জীয়াই পুৰি মৰা হৈছিল। আমেৰিকাত অনুষ্ঠিত জঘন্য চালেম ডাইনী বিচাৰ ব্যৱস্থাত হাজাৰৰো অধিক লোকক হত্যা কৰা হৈছিল; যাৰ অধিক সংখ্যকেই আছিল মহিলা।[৩০] ঐন্দ্ৰজালিক বিদ্যা আৰু ডাইনী বিদ্যাৰ আচৰণ কৰাসকলৰ বাবে শাস্তিৰ ব্যৱস্থা প্ৰাচীন বেবিলন আৰু ইজিপ্তৰ শাসন ব্যৱস্থাতো প্ৰচলন আছিল। এনে কথাবোৰেই ডাইনী হত্যাৰ দৰে ঘটনাক সামাজিক স্বীকৃতি দিছিল। The code of Hammurabi ত এইদৰে উল্লেখ আছিল—

২৯. ভৰালী, অজিত কলিতা, ৰজিতা (সম্পা.) ঃ *বিষয়ঃ নাৰী*, নীতা শৰ্মাৰ 'ডাইনী হত্যা ঃ এক জাতীয় লজ্জা', পৃ. **২১৮**

৩০. উক্ত গ্ৰন্থ, পৃ. **২১৯**

*If a man has put a spell upon another man and it is not justified, he upon whom the spell is laid shall go to the holy river, into the holy river shall he plunge. the holy river overcome him and he is drowhed, the man who put the spell upon him shall lake possession of his house If the holy river declares him innocent and he remains unharmed the man who laid the spell ahall be put to death. He that plinged into the river shall lake possession of the house of him who laid the spell upon him.*[৩১]

সেই সময়ৰ অৰ্থাৎ সপ্তদশ শতিকাত শিক্ষিত চামেও ইয়াক বিশ্বাস কৰিবলৈ লৈছিল। আনকি গীৰ্জাঘৰৰ পৰিচালকেও ইয়াক ন্যায়সন্মত বুলি বিবেচনা কৰি ডাইনীক নিৰ্মূল কৰিব লাগে বুলি প্ৰচাৰ চলাইছিল। পশ্চিমৰ কিছুমান অঞ্চলত এতিয়াও ডাইনী হত্যাৰ দৰে ঘটনা সংঘটিত হৈ আছে। তেনে কিছুমান অঞ্চল হ'ল আফ্ৰিকাৰ চাহাৰৰ সমীপৱৰ্তী অঞ্চল, উত্তৰ পূব ভাৰতৰ অনগ্ৰসৰ অঞ্চল আৰু পাপুৱা নিউ গীনি দীপপুঞ্জৰ কিছু কিছু অঞ্চল। বৰ্তমান বিশ্বৰ কেইবাখনো দেশত ঐন্দ্ৰজালিক বিদ্যাৰ বিৰুদ্ধে চৰকাৰী আইনসন্মত শাস্তিৰ ব্যৱস্থা আছে। চৌদি আৰবৰ দৰে দেশত ডাইনী বুলি অভিযুক্ত জনক মৃত্যুদণ্ডৰে দণ্ডিত কৰাৰ চৰকাৰী বিধান আছে।[৩২]

ভাৰত বা উত্তৰ পূবৰ ক্ষেত্ৰত দেখা যায় যে ইয়াত ডাইনী হত্যাৰ নামত বিভিন্ন স্বাৰ্থজনিত কাৰণ জড়িত হৈ থাকে। তাৰ ভিতৰত—

১) গিৰিয়েক মৰাৰ পিছত তিৰোতা গৰাকীৰ মাটি-বাৰী আদি সম্পত্তি হস্তগত কৰিব নোৱাৰি নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে মহিলাগৰাকীক ডাইনী বুলি অপবাদ দিয়া হয়।

২) বিধৱা অকলশৰীয়া এগৰাকী তিৰোতাক যৌনতাৰ আহিলা হিচাপে ব্যৱহাৰ কৰাৰ ইচ্ছা বিফল হ'লে।

৩) শিক্ষাৰ পোহৰ নপৰা গাওঁ এখনত মহামাৰী হ'লে ডাইনীয়ে এই কাম কৰিছে বুলি তিৰোতা এগৰাকীক ডাইনী অপবাদ দিয়া হয় দুৰ্বলতাৰ সুযোগ লৈ।

৪) ব্যক্তিগত কিবা আখেজ থাকিলে তিৰোতা এগৰাকীক ডাইনী বুলি অপবাদ দিয়া হয়।

---

৩১. ভৰালী, অজিত কলিতা, ৰজিতা (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২১৯

৩২. উক্ত গ্ৰন্থ, পৃ. ২২০

এনে বহুবোৰ কাৰণত নাৰী এগৰাকীক ডাইনী বুলি অভিহিত কৰাৰ পিছত গাঁওৰ মানুহে সেই নাৰী গৰাকীক বিভিন্ন অত্যাচাৰ কৰি হত্যা কৰে। অথবা ঘৰ-বাৰী সকলো এৰিবলৈ বাধ্য হোৱা নাৰীগৰাকীয়ে শেষত আত্মহত্যা কৰে। এনে সমস্যাৰ সন্মুখীন হোৱা নাৰীসকল প্ৰায়বোৰেই অশিক্ষিত অথবা অৰ্ধশিক্ষিত। পৰিবহন, চিকিৎসাৰ সুব্যৱস্থা নথকা গাওঁবোৰত বসবাস কৰা এইসকল নাৰীৰ সমস্যাবোৰ আৰক্ষী অথবা নাৰী সবলীকৰণ কেন্দ্ৰ নাপায়গৈ। যাৰ বাবে বহু নাৰী ডাইনী হত্যাৰ বিচাৰত নিৰ্মমভাৱে প্ৰাণ দিব লগীয়া হয়। এই ক্ষেত্ৰত ক্ষেত্ৰ অধ্যয়ন কৰি থকা ঝাৰখণ্ডৰ এটা সংগঠন Free legal Aid Committee -এ প্ৰকাশ কৰা এক পৰিসংখ্যা অনুসৰি ডাইনী হত্যাৰ অভিযোগত দুই শতাংশৰো কম অপৰাধীয়েহে শাস্তিৰ মুখ দেখিবলৈ পায়। ২০১০ চনত প্ৰকাশ পোৱা এক হিচাপ অনুসৰি প্ৰতিবছৰে ১৫০১পৰা ২০০ গৰাকী নাৰীক ডাইনী আখ্যা দি হত্যা কৰা হয় আৰু ১৯৯৫ চনৰপৰা ২০১০ চনলৈ এই সংখ্যাই ৩০০০ ৰো অধিক অতিক্ৰম কৰিছে।[৩৩]

অসমত সাধাৰণতে অনুসূচিত জাতি, জনজাতি, চাহ জনগোষ্ঠী, আৰু অন্যান্য জনজাতীয় সমাজত ডাইনী হত্যাৰ দৰে কুসংস্কাৰ বেছি দেখা যায়। ডাইনী হত্যাৰ দৰে অমানৱীয় ব্যৱস্থাই নিৰপৰাধী মহিলাক হত্যা কৰে। এই কথা আমি মন কৰিব লাগিব যে আজিৰ আধুনিক সমাজতো তাহানিৰ বৰ্বৰ ডাইনী হত্যাৰ দৰে ঘটনা হ'ব লাগিছে। যিবোৰ গাওঁ অথবা চাহ বাগানত ডাইনী হত্যাৰ দৰে কাণ্ড ঘটে সেইবোৰ অঞ্চল কিন্তু চহৰৰপৰা বহু নিলগত নহয়। আজিকালি গাঁও অঞ্চলতো বহু বিদ্যালয়, মহাবিদ্যালয়, চিকিৎসাকেন্দ্ৰ প্ৰতিষ্ঠা হৈছে। তেনেস্থলত আদিম বৰ্বৰ ডাইনী হত্যাৰ দৰে ঘটনা ঘটাটো অতি আচৰিত। এই হিচাপত নিৰীক্ষণ কৰিলে অন্য কিছুমান কথাহে আমাৰ চকুত পৰে। ব্যক্তিগত আখেজ থকাটো নুই কৰিব নোৱাৰি। এনে ঘটনাৰ আঁৰত আৰ্থ-সামাজিক কাৰণ থকাৰ উপৰিও ৰাজনৈতিক চক্ৰও জড়িত হৈ থাকিব পাৰে।

এসময়ত যাদু মন্ত্ৰ চৰ্চা কৰা কিছুমান বিশেষ সম্প্ৰদায়ৰ মহিলাক ডাইনী সজাই হত্যা কৰা হৈছিল। বৰ্তমান কিন্তু ডাইনী হত্যাৰ আঁৰত আৰু কিছুমান কাৰণো নাৰীৰ ক্ষেত্ৰত পৰিছে--

১) সমাজত যিবোৰ মহিলাক ডাইনী সজাই হত্যা কৰা হয় সেইবোৰৰ বেছিভাগেই আৰ্থিকভাৱে দুৰ্বল, অকলশৰীয়া, বিধৱা মহিলা হয়। নাইবা

৩৩. ভৰালী, অজিত কলিতা, ৰজিতা (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২২০

২) কোনো এগৰাকী স্পষ্টবাদী নাৰী ডাইনীৰ অভিযোগত অভিযুক্ত হয়। এনে মুকলিমুৰীয়া নাৰী পুৰুষ চালিত সমাজখনৰ বাবে প্ৰত্যাহ্বানৰ দৰে হয়।

সমাজত নাৰী গৰাকী ডাইনী বুলি আখ্যা পোৱাৰ পিছত তেওঁৰ অৱস্থা অতি হৃদয়বিদাৰক হয়। ডাইনী গৰাকীক মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হয়। গাঁৱৰ সকলো বেমাৰ-আজাৰ, অমংগলৰ কাৰণ নাৰীগৰাকীৰ ওপৰত জাপি দিয়া হয়। ডাইনী আখ্যা দিয়া মহিলাগৰাকীক শাৰীৰিক অত্যাচাৰৰ পিছত দাৰে ঘপিয়াই ঘপিয়াই হত্যা কৰা হয়, কাৰণ জনজাতীয় পৰম্পৰাগত বিশ্বাস অনুসৰি ডাইনীগৰাকীৰ গাৰ পৰা তেজ ওলালেহে ডাইনীগৰাকীৰ অপশক্তিৰ প্ৰভাৱৰ পৰা গাঁৱৰ মানুহ মুক্ত হ'ব পাৰে।[৩৪]

এনেবোৰ ঘটনা গাঁও সমাজতেই সীমাবদ্ধ থাকে আৰু আৰক্ষী বিভাগতো কোনেও অৱগত নকৰে। গতিকে আৰক্ষী প্ৰশাসনে ইয়াক ৰোধ কৰাৰ কোনো উপায়ো নাথাকে। জনজাতীয় সমাজত মহিলাক উচ্চ আসন দিয়া হয়। নাৰীৰ এই মৰ্যাদা হীন স্বভাৱৰ পুৰুষে ইয়াক মানি ল'ব নোখোজে। যাৰ কাৰণে পুৰুষকেন্দ্ৰিক মানসিকতাৰ ফলত নাৰীসকল কুসংস্কাৰৰ বলি হৈ মৃত্যুমুখত পৰিবলগা হয়।

ডাইনী হত্যাৰ বলি হোৱা শেহতীয়া কেইটামান বছৰৰ পৰিসংখ্যাৰ এক তালিকা তলত প্ৰস্তুত কৰা হৈছে। ডাইনী সংক্ৰান্তীয় নিৰ্ভুল তালিকা পোৱাটো সম্ভৱ নহয়। ইণ্টাৰনেটৰ তথ্য অনুসৰি এখন তালিকা যুগুত কৰা হ'ল—

৩৪. ভৰালী, অজিত কলিতা, ৰজিতা (সম্পা.)ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২২০

| জিলা | পঞ্জীয়নকৃত গোচৰ | গ্ৰেপ্তাৰ হোৱা লোকৰ সংখ্যা | চাৰ্জশ্বীট দাখিল | Final প্ৰতিবেদন | সৰ্বমুঠ Victim |
|---|---|---|---|---|---|
| শিৱসাগৰ | ০১ | ১৩ | ০১ | — | ০১ |
| নগাঁও | ০১ | — | ০১ | — | ০১ |
| শোণিতপুৰ | ০৬ | ২৩ | ০৬ | — | ১২ |
| ধেমাজি | ০১ | — | — | — | ০১ |
| কামৰূপ | ০১ | ২৫ | ০১ | — | ০২ |
| গোৱালপাৰা | ২৭ | — | — | — | — |
| কোকৰাঝাৰ | ১৯ | ৪০ | ০৮ | ০৩ | ১৬ |
| বাক্সা | ০৯ | ১৯ | ০৪ | — | ১০ |
| চিৰাং | ০৫ | ০৭ | ০২ | — | ০৫ |

ডাইনী হত্যাৰ নৃশংসতাৰ বিৰুদ্ধে একক ভাৱে থিয় দিছিল বিৰুবালা ৰাভাই। এবাৰ ডাইনীৰ অভিযোগত অভিযুক্ত মহিলা এগৰাকীক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে বিৰুবালা ৰাভাক হত্যাৰ প্ৰচেষ্টাও চলোৱা হৈছিল। তেওঁ সমাজত সজাগতা বৃদ্ধিৰ বাবে অশেষ যুদ্ধ কৰিছিল। ২০১০ চনত আই বি এন নেটৱৰ্কে তেওঁক Real Heroes Award ৰে সন্মানিত কৰিছিল।

ডাইনী হত্যা এক সামাজিক সমস্যা। ৰাইজৰ সজাগতা আৰু সচেতনতাৰেহে ইয়াক সমাধান কৰিব পৰা যাব। পুৰুষতন্ত্ৰৰ সমাজখনত নাৰী চেতনাক গুৰুত্ব দি নাৰীসবলীকৰণ কৰাত পুৰুষ সমাজেও থিয় দিব লাগিব। নাৰীশিক্ষাৰ প্ৰসাৰে আৰু পুৰুষে নাৰীক এক ব্যক্তিসত্তা বুলি ভবাৰ মানসিকতাইহে ডাইনী হত্যাৰ দৰে কুসংস্কাৰৰপৰা সমাজখনক মুক্ত কৰিব পৰা যাব। বৰ্তমান ভাৰত চৰকাৰে ডাইনী হত্যাৰ বিৰুদ্ধে এখনি আইন গৃহীত কৰাটো এই ক্ষেত্ৰত আশাব্যঞ্জক।

আলোচিত অধ্যায়ত বিভিন্ন দৃষ্টিকোণৰপৰা বিচাৰ কৰি চোৱা হ'ল কেনেকৈ নাৰী চেতনাৰ বিকাশ সম্ভৱৰ হৈছিল নাৰীসমাজৰ মাজত যুগ যুগ ধৰি চলাই অহা পুৰুষতান্ত্ৰিক সমাজত লাঞ্ছনা-বাঞ্ছনাৰ ফলশ্ৰুতি ৰূপে।

# তৃতীয় অধ্যায়

## ৩.০০ ঔপন্যাসিক মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ চমু পৰিচয় আৰু অৱদান

### মামণি ৰয়ছম গোস্বামীৰ জন্ম, শিক্ষা আৰু কৰ্মজীৱন

অসমীয়া উপন্যাস সাহিত্যক এক সুকীয়া মাত্ৰা প্ৰদান কৰা মামণি ৰয়ছম গোস্বামী (ইন্দিৰা গোস্বামী)ৰ ১৯৪২ চনত জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল উমাকান্ত গোস্বামী আৰু মাতৃৰ নাম অম্বিকা দেৱী।

লতাশিল প্ৰাথমিক বিদ্যালয়ত তেওঁ স্কুলীয়া শিক্ষা আৰম্ভ কৰিছিল। তেওঁ ক্ৰমে শ্বিলঙৰ পাইন মাউন্ট স্কুল আৰু গুৱাহাটীৰ তাৰিণীচৰণ বালিকা বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা সমাপ্ত কৰে। ইয়াৰ পিছত সন্দিকৈ ছোৱালী মহাবিদ্যালয় আৰু কটন কলেজৰপৰা শিক্ষা সাং কৰি **১৯৬৩** চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই **১৯৭৩** চনত ৰামায়ণী সাহিত্যৰ বিষয়ে গৱেষণা কৰি পি.এইছ.ডি. ডিগ্ৰী লাভ কৰে।

গোৱালপাৰা সৈনিক স্কুলত তেওঁৰ কৰ্মজীৱনৰ আৰম্ভণি হয়। ইয়াৰ পৰৱৰ্তী সময়ত তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অসমীয়া শাখাত মুখ্য অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে।

### বিবাহ ঃ

মাধৱেন ৰয়ছম আয়েংগাৰৰ সৈতে মামণি ৰয়ছম গোস্বামীৰ বিয়া হৈছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে বিয়াৰ মাত্ৰ ওঠৰ মাহ হওঁতেই এক গাড়ী দুৰ্ঘটনাত আয়েংগাৰৰ মৃত্যু হৈছিল।

### সৃজনাত্মক প্ৰতিভাৰ সাধাৰণ পৰিচয়

মামণি ৰয়ছম গোস্বামীয়ে চুটিগল্প ৰচনাৰে সাহিত্যিক জীৱন আৰম্ভ কৰিছিল যদিও উপন্যাস সাহিত্যিৰ জৰিয়তেহে সাহিত্যিক জীৱনৰ সফলতাৰ শিখৰত উপনীত হয়।

**গল্পপুথিসমূহ ঃ**

**১**) চিনাকি মৰম (**১৯৬২**), **২**) কইনা (**১৯৬৬**), **৩**) হৃদয় এক নদীৰ নাম (**১৯৯০**), **৪**) মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প।

**উপন্যাস ঃ**

তেওঁৰ উপন্যাস সমূহ হ'ল--- **১**) চেনাবৰ সোঁত (**১৯৭২**),২) নীলকণ্ঠী ব্ৰজ (**১৯৭৬**), ৩)আধাঘণ্টা সময় (**১৯৭৮**) (মূল মালয়োলম উপন্যাস, "Ananzhikaneram" ৰ অসমীয়ালৈ অনুবাদ), ৪) অহিৰণ (**১৯৮০**), ৫) মামৰে ধৰা তৰোৱাল (**১৯৮০**), ৬) বুদ্ধসাগৰ ধূসৰ গাইসা আৰু মহম্মদ মুছা (**১৯৮০**), ৭) দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (**১৯৮৮**), ৮) আধালেখা দস্তাবেজ (আত্মজীৱনীমূলক উপন্যাস, **১৯৮৮**), ৯) উদয়ভানুৰ চৰিত্ৰ (**১৯৮৯**), ১০) জখমী যাত্ৰী (**১৯৯০**), **১১**) তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (**১৯৯৪**), **১২**) দাশৰথীৰ খোজ (**১৯৯৯**), **১৩**) সাপৰ ছালৰ জোতা, **১৪**) ছিন্নমস্তাৰ মানুহটো (**২০০১**), **১৫**) দেৱীপীঠৰ তেজ (**২০০১**), **১৬**)মহীয়সী কমলা (কমলা ৰত্নমৰ জীৱনী ভিত্তিক উপন্যাস, (**১৯৯৯**), **১৭**)ভিক্ষাৰ পাত্ৰ ভাঙি, **১৮**)অপ্সৰা গৃহ (২০০৭), **১৯**) থেংফাখ্ৰী তহচিল দাৰৰ তামৰ তৰোৱাল (২০০৯)।

**উপন্যাসৰ বিষয়বস্তু ঃ**

কাশ্মীৰৰ চেনাব নদীৰ ওপৰত দলং নিৰ্মাণৰ কামত নিয়োজিত এদল শোষিত পুৰুষ আৰু নাৰীৰ বঞ্চনাৰ অতৃপ্তি আৰ্তনাদৰ কাহিনীক লৈ চেনাবৰ সোঁত (**১৯৭২**), উপন্যাসখন ৰচিত হৈছে। দলং নিৰ্মাণ কোম্পানীটোৰ বাবে শ্ৰমিকসকলে দেহেকেহে খাটিছে, কিন্তু তাৰ বিনিময়ত তেওঁলোকে মানুহ হিচাপে জীয়াই থকাৰো সুবিধা পোৱা নাই। বনুৱা পুৰুষ, নাৰীৰ ওপৰত হোৱা নিৰ্যাতন, শোষণ-বঞ্চনা আৰু নাৰীৰ নিৰুপায় অৱস্থাক মামণি ৰয়ছম গোস্বামীয়ে অতি স্পষ্টভাৱে উপন্যাসখনত চিত্ৰিত কৰিছে।

'নীলকণ্ঠী ব্ৰজ'ৰ জৰিয়তে ঔপন্যাসিকে ৰক্ষণশীল সমাজ ব্যৱস্থাই মানুহক কেনেদৰে নিঠৰুৱা কৰি পেলায় তাৰ স্পষ্ট খতিয়ান দাঙি ধৰিছে। 'নিজস্ব পৰ্যবেক্ষণৰে এক প্ৰকাৰ সমাজতাত্ত্বিক প্ৰমূল্য থকা বৃন্দাবনৰ ছবিৰে'[১] এইখন এক শ্ৰেষ্ঠ উপন্যাস। একালৰ পবিত্ৰ

---

**১**. নেওগ, মহেশ্বৰ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃ, **৩৪৫**

তীৰ্থস্থান ব্ৰজধামত জীৱন কটাবলৈ অহা গাভৰু বিধবা ৰাধেশ্যামীসকলৰ দুখ-বেদনাৰ কথাই উপন্যাসখনত ঠাই পাইছে।

ব্ৰজধামৰ প্ৰাচীনতা, ধৰ্মীয় আদৰ্শ ইত্যাদি বৰ্ণনা কৰাৰ লগতে ইয়াৰ, গোপন ব্যাধিস্বৰূপ কামনা বাসনাৰ কুৎসিত ৰূপটো লেখিকাই অতি বাস্তৱসন্মতভাৱে উদঙাই দেখুৱাইছে। লেখিকাই ক'ব বিচাৰিছে যে নাৰীৰ জীৱন উন্নত কৰাৰ বাবে মানুহৰ মনৰ উত্তৰণ তথা ধৰ্মানুষ্ঠানবোৰত মানবীয়তাৰ প্ৰয়োজনৰ কথা দোহাৰিছে। উপন্যাসখনৰ নায়িকা সৌদামিনী এগৰাকী গাভৰু বিধৱা আছিল। নায়িকাৰ জৰিয়তে লেখিকাই বিধৱা নাৰীৰ যি দুৰ্দশা তাক দেখুৱাইছে। নায়িকাই-ক্ষয়িষ্ণু সমাজৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি শেষত যমুনাত জঁপিয়াই প্ৰাণ ত্যাগ কৰিছে। হতাশা আৰু অপৰাধৰ অৰ্ন্তদ্বন্দ্বৰ অৱসান ঘটিঠে সৌদামিনীৰ মৃত্যুত। উপন্যাসখন হিন্দী, ইংৰাজী আদি কেইবাটাও ভাষালৈ অনূদিত হৈছে।

তেওঁৰ আন এখন উপন্যাস 'অহিৰণ'(১৯৮০)। উপন্যাসখন মধ্যপ্ৰদেশৰ অহিৰণ নদীৰ একুৱাডাক্ট নিৰ্মাণৰ আধাৰত ৰচনা কৰা হৈছে। নিৰ্মাণ কাৰ্যত জড়িত শ্ৰমিকসকলৰ দুখ, বেদনাৰে জৰ্জৰিত, এক বঞ্চিত জীৱন কাহিনীক লেখিকাই বাস্তৱ চিত্ৰেৰে অংকন কৰিছে।

'মামৰে ধৰা তৰোৱাল' (১৯৮০)ৰ পটভূমি উত্তৰ ৰায়বৰেলী জিলাৰ সাইনদীৰ ওপৰত একুৱাডাক্ট বন্ধা কাম মূল উৎস। কাহিনী ভাগত শ্ৰমিকসকলৰ ধৰ্মঘট সম্পৰ্কীয় কথাবোৰে মুখ্যস্থান লাভ কৰিছে। উপন্যাসখনত হৰিজন শ্ৰমিক যশোৱন্ত, শম্ভু পাছোৱান, শিবু-ধাছলা, বামু-ৰামু ইত্যাদি বহুকেইটা চৰিত্ৰৰ সমাহাৰ-ঘটা দেখিবলৈ পাওঁ। সৎ আৰু শিক্ষিত-হৰিজন যুৱক যশোৱন্তৰ ইউনিয়নত যোগদান কৰাৰ খবৰে শ্ৰমিক সকলৰ মনলৈ কিছু আশাৰ পোহৰ কঢ়িয়াই আনিছিল। কিন্তু যুদ্ধত সফল হ'ব পৰাকৈ তেওঁলোকৰ হাতত যথোপযুক্ত অস্ত্ৰ-শস্ত্ৰ নাছিল। লোকেল লীডাৰ শাস্ত্ৰীৰ য়ড়যন্ত্ৰৰ পৰিণতিত ধৰ্ম ঘটকাৰীৰ প্ৰতিবাদ গৈ মৰিশালিত পৰিণত হয়।

উপন্যাসখনৰ কাহিনী জীয়া বাস্তৱৰ আধাৰত ৰচিত। বিষয়বস্তুৰ বৈচিত্ৰ, মানৱীয়তাৰ পক্ষে সাহসী মন্তব্য, নিপীড়িতজনৰ প্ৰতি সহৃদয়গ্ৰাহী মনোভাবে মামণি ৰয়ছম গোস্বামীৰ এইখন উপন্যাসক এক সুকীয়া মাত্ৰা দিছে। মানৱীয় আবেদন উপন্যাসখনত লক্ষ্যণীয়। লেখিকাই সচৰাচৰ কৰাৰ দৰে এইখন উপন্যাসতে সমাজৰ কঠোৰ নীতি-নিয়ম, ছলনা, ভণ্ডামি, নিষ্ঠুৰতা

আৰু স্বাৰ্থপৰতাৰ প্ৰত্যক্ষ অথবা পৰোক্ষ সমালোচনা কৰিছে। উপন্যাসখন ইংৰাজী (The Rusted Sword), পাঞ্জাবী, বঙালী (মৰ্চা ধৰা তৰোৱাল) ইত্যাদি ভাষালৈ অনুদিত হৈছে।

**১৯৮৮** চনত প্ৰকাশিত তেওঁৰ আন এখন উপন্যাস 'দঁতাল হাতীৰ উয়ে খোৱা হাওদা'ক সাহিত্য অকাডেমী আৰু নেচনেল বুক ট্ৰাষ্টে ভাৰতীয় উৎকৃষ্ট সাহিত্যৰ তালিকাভুক্ত কৰিছে। তেওঁৰ এইখন উপন্যাসো বিভিন্ন ভাৰতীয় ভাষালৈ অনুদিত হৈছে। ইংৰাজীত The Moth Eaten Howda of a Tusker, হিন্দীত দক্ষিণ কামৰূপ কি গাথা, উৰিয়াত কামৰূপৰ কাহিনী। তেলেগুত কামৰূপা নামেৰে অনুদিত হৈছে। ইয়াৰ উপৰিও পাঞ্জাবী, তামিল, কানাড়া, বঙলা, বড়ো ইত্যাদি ভাষালৈও কিতাপখন অনুদিত কৰা হৈছে। অসমৰ এখন বৈষ্ণৱ সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণকান্ত দেৱগোস্বামীৰ পৰিয়ালটোক কেন্দ্ৰ কৰিয়েই উপন্যাসখনৰ কাহিনীভাগে গতি লাভ কৰিছে।

উপন্যাসখনত তিনিসত্ৰীয়া অধিকাৰ মহাপ্ৰভুৰ পত্নী গোঁসানী আইৰ বিধৱা ভনীয়েক দুৰ্গা, ফুলকলিতে বিধৱা হোৱা গোঁসাইৰ মাইচানা গিৰিবালা, সৰু গোঁসানী আদি নাৰী চৰিত্ৰ সমূহ অংকন কৰিছে। ইয়াৰ মাজেৰে প্ৰচলিত ৰীতি নীতি, কুসংস্কাৰে ছাটি ধৰা সমাজৰ তিৰোতাবোৰৰ দুৰৱস্থা, ধৰ্মীয় গোড়ামীৰ বলি হৈ নিজৰ কামনা আশাক কঠোৰভাৱে দমন কৰি কষ্টকৰ জীৱন যাপনে প্ৰকাশ লাভ কৰিছে। এক কথাত পৰম্পৰাগত সমাজনীতিৰে নিষ্পেষিত তিৰোতাবোৰৰ জীৱন গাঁথা প্ৰকাশ কৰিছে। উপন্যাসখনৰ নায়ক ইন্দ্ৰনাথ।

ইন্দ্ৰনাথ মানৱিক চেতনাৰে সংপৃক্ত। তথাপিতো কিন্তু ভনীয়েক গিৰিবালাৰ সত্বা অন্ধসংস্কাৰৰ বহতীয়া সমাজখনৰ পৰা বচাব নোৱাৰিলে। উপন্যাসখনত বাস্তৱতাৰ প্ৰতিচ্ছবি অতি সুন্দৰভাৱে প্ৰকাশি উঠিছে।

তেওঁৰ আত্মজীৱনীমূলক উপন্যাস 'আধালেখা দস্তাবেজ' **১৯৮৮** চনত প্ৰকাশ পায়। নিজৰ সংঘাতপূৰ্ণ, ঘটনাবহুল বৈচিত্ৰ্যপূৰ্ণ জীৱনটোক আলম কৰি মামণি ৰয়ছম গোস্বামীয়ে এইখন উপন্যাস ৰচনা কৰিছে। প্ৰকৃততেই ই এখন আবেগসিক্ত মানৱীয়তাৰ দলিল। তেওঁৰ গাভৰু জীৱনৰ কথা, প্ৰেমৰ কথা, মাধৱেন ৰয়ছম আয়েংগাৰৰ লগত চমু বৈবাহিক জীৱন, বিবাহৰ খুব কম দিনত আয়েংগাৰক হেৰুওৱাৰ দুখৰ কথা, সৈনিক স্কুলৰ চাকৰিৰ কথা, বৃন্দাবনৰ কথাবোৰ আদি আটাইবোৰ কথাই উপন্যাসখনত ঠাই পাইছে। ই এখন বহুপঠিত উপন্যাস।

'উদয়ভানুৰ চৰিত্ৰ' (১৯৮৯) উপন্যাসখনত শিল্পীৰ প্ৰতি অনাদৰৰ দিশটো দেখুৱাবলৈ বিচৰা হৈছে। উপন্যাসখনৰ মুখ্য চৰিত্ৰ শিল্পী উদয়ভানুৰ হতাশাগ্ৰস্ত জীৱনক কেন্দ্ৰ কৰি উপন্যাসখন ৰচিত। সৰুৰে পৰা হতাশাগ্ৰস্ত আৰু হীনমন্যতাৰ অনুভৱেৰে সিক্ত উদয়ভানুয়ে জীৱনত বহুবাৰ প্ৰতাৰিত হৈছে। সেয়ে তেওঁ জীৱনৰ সান্ত্বনা আৰু শান্তি বিচাৰি নিচাসক্ত হৈ পৰিছিল। সমাজত শিল্পীৰ প্ৰতি অনাদৰৰ দিশটো উদয়ভানু নামৰ এক ব্যাতিক্ৰমী চৰিত্ৰৰ মাজেৰে লেখিকাই দেখুৱাইছে। লগতে চিন্তাৰ এখন জগতো পাঠকলৈ মুকলি কৰি দিছে।

'বুদ্ধসাগৰ ধূসৰ গাইসা আৰু মহম্মদ মুছা' আৰু 'জখমী যাত্ৰী' আদি উপন্যাসৰ কাহিনী লেখিকাই তেওঁৰ জীৱনত লগ পোৱা কিছুমান সঁচা চৰিত্ৰৰ আধাৰত অংকন কৰিছে।

১৯৮৪ চনত দিল্লীৰ ৰাজনৈতিক পটভূমিত সংঘটিত হোৱা গণহত্যাক কেন্দ্ৰ কৰি ৰচনা কৰা মামণি ৰয়ছম গোস্বামীৰ আন এখন উপন্যাস হৈছে তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (১৯৯৪)। ১৯৮৪ চনৰ দিল্লী ৰায়তৰ নৃশংস হত্যালীলাৰ কাহিনী লেখিকাই উপন্যাসখনত অতি কৰুণতাৰে বৰ্ণনা কৰিছে। 'লেখিকাৰ কথা'ত স্পষ্টকৈ উল্লেখ আছে, "১৯৮৪ চনৰ দিল্লী ৰায়তৰ নৃশংস বৰ্ণনাসমূহৰ কিছুমান খবৰ মোক পাঞ্জাবী কবি আৰু মোৰ অতি প্ৰিয় পাঞ্জাবী ছাত্ৰ জগতাৰ সিঙে দিছিল। সেই সময়ত ৰাষ্ট্ৰীয় কাগজত প্ৰকাশ পোৱা প্ৰায় সকলো খবৰৰে ক্লিপিংসমূহ জগতাৰে মোক দিছিল। স্বাধীনতাৰ পাছত হোৱা আটাইতকৈ নৃশংস হত্যাকাণ্ডৰ মই নিজে সাক্ষী আছিলো। ৰায়তৰ দ্বাৰা পীড়িত জাহাংগীৰপুৰী আৰু কল্যাণপুৰীলৈ মই গৈছিলো আৰু পীড়িতসকলৰ মই খবৰ লৈছিলো। এই উপন্যাসখনত এই মাৰাত্মক ঘটনাৰ এটি সামান্য ৰেঙনিহে দেখা যাব। ইয়াৰ বীভৎসতা আৰু ভয়ংকৰতা বৰ্ণনা কৰাৰ শক্তি মোৰ কলমৰ নাই।" উপন্যাসখন সেই সময়ছোৱাৰ দিল্লী, পাঞ্জাব, লক্ষ্ণৌ আদিৰ ৰাজনৈতিক, অৰ্থ-সামাজিক ঐতিহাসিক দলিল বুলিব পাৰি। ইয়াৰ বিপৰীতে কিন্তু হিন্দু আৰু শিখৰ যি প্ৰেমসুলভ মনোবৃত্তি তাক লেখিকাই অতি সুন্দৰভাৱে প্ৰকাশ কৰিছে। এইখন উপন্যাসো কেইবাটাও ভাষালৈ অনুদিত হৈছে। ইংৰাজীত Pages Stained with blood, বঙলাত ৰক্তে মাখা ধূলিধূসৰ পৃষ্ঠা, হিন্দীত এক ইতিহাস আৰু পাঞ্জাবীত লাহু ভিজে পাত্ৰে নামেৰে অনুদিত হৈছে।

'ছিন্নমস্তাৰ মানুহটো' (২০০০) উপন্যাসখনত ধৰ্মৰ নামত গঢ় লৈ উঠা এক নিষ্ঠুৰ সামাজিক প্ৰথাৰ বিৰুদ্ধে প্ৰতিবাদ সৰৱ হৈ উঠিছে। ইয়াত মূলতঃ কামাখ্যা মন্দিৰৰ বলিপ্ৰথাৰ বিৰুদ্ধে লেখিকাই বিদ্ৰোহ ঘোষণা কৰিছে। ধৰ্মৰ নামত নিৰীহ জীৱৰ বলিদান লোৱা ৰক্তাক্ত

প্ৰথাটো হৃদয়হীন আৰু অমানুষিক বুলি লেখিকাই বলিপ্ৰথাৰ অন্ত পৰাটো বিচাৰিছে। ইয়াৰ সমান্তৰালভাৱে নিৰ্জু নাৰীৰ ওপৰত পুৰুষৰ নিষ্ঠুৰতা চলা কাৰ্যকো লেখিকাই প্ৰতিবাদ কৰিছে। উপন্যাসখনৰ পটভূমি কামাখ্যা মন্দিৰ। ইয়াৰ সময়সীমা বৃটিছ শাসনৰ কালছোৱা। গোড়ামী তথা ধৰ্মৰ নামত চলি থকা এইবোৰ কুসংস্কাৰৰ নিষ্ঠুৰতাৰ অৱসান হোৱাটো লেখিকাই বিচাৰিছে।

'অপ্সৰাগৃহ'ৰ বিভিন্ন সৰু বৰ ঘটনাক তথা অভিজ্ঞতাক লৈ তেওঁৰ ২০০৭ চনত অপ্সৰাগৃহ উপন্যাস প্ৰকাশ পায়। অপ্সৰা গৃহ নামটো ৰখা হৈছে দিল্লীৰ আটাইতকৈ ডাঙৰ ছাত্ৰীনিবাস "University Hostel for Women"ৰ বাবে। প্ৰথম অৱস্থাত লেখিকাই এই ছাত্ৰী নিবাসত থাকিবলৈ বিচাৰিছিল যদিও কৰ্তৃপক্ষই বিভিন্ন কাৰণ দেখুৱাই ঠাই নহ'ব বুলি কৈছিল। কিন্তু কিছুবছৰ পিছত এই ছাত্ৰীনিবাসৰে আটাইতকৈ ডাঙৰ পদটো লেখিকাক প্ৰদান কৰা হৈছিল। বিভিন্ন অভিজ্ঞতা মিশ্ৰিত কাহিনীৰে লেখিকাই উপন্যাসখন লিখি উলিয়াইছিল।

২০০৯ চনত প্ৰকাশিত মামণি ৰয়ছম গোস্বামীৰ শেহতীয়া উপন্যাসখন হ'ল 'থেং ফাখ্ৰী তহচিল দাৰৰ তামৰ তৰোৱাল'। ভাৰতবৰ্ষৰ প্ৰথম গৰাকী মহিলা তহচিলদাৰ বড়ো বীৰাংগনা থেং ফাখ্ৰীৰ জীৱনৰ আধাৰত এই উপন্যাসখন ৰচিত। উপন্যাসখন ইংৰাজৰ কাৰ্যকালৰ সময়ছোৱাক কেন্দ্ৰ কৰি লিখা হৈছে। থেং ফাখ্ৰীৰ জন্মৰ সময়ৰপৰা ইংৰাজৰ কাৰ্যকালত তেওঁ বীৰত্বৰে ঘোঁৰা চলাই-খাজনা তুলিবলৈ যোৱা, নিজৰ মানুহখিনিৰ বাবে কাম কৰাৰ ইচ্ছা, খাজনা দিব নোৱাৰা মানুহখিনিৰ দুখত সমভাগী হোৱা ইত্যাদি অতি সুন্দৰৰূপত দেখুওৱা হৈছে।

আৰ্তজনৰ প্ৰতি সততে সহৃদয়া মামণি ৰয়ছম গোস্বামীৰ ৰচনাসমূহ বাস্তৱ জীৱনৰ ওচৰ চপা। উপন্যাসসমূহত বিষয়বস্তুৰ লগত প্ৰত্যক্ষ অভিজ্ঞতা, খুঁটি-নাতি বিৱৰণৰ প্ৰতি সজাগ দৃষ্টি, নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ কাৰ্যকলাপ আৰু আশা-আকাংক্ষাৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিছে।[২] মানৱতাৰ এক দলিল তেওঁৰ উপন্যাসসমূহ। বাস্তৱ জীৱনৰ অভিজ্ঞতাৰপৰা তেওঁ উপন্যাসৰ কাহিনীসমূহ লোৱাৰ বাবেই অধিক মনোগ্ৰাহী হয়।

---

২. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ. ৪০৬

**বঁটা-সন্মান ঃ**

মামণি ৰয়ছম গোস্বামীয়ে লাভ কৰা অন্যান্য বঁটাসমূহ হ'ল--অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা বঁটা (১৯৮৮), ভাৰত নিৰ্মাণ ৰাষ্ট্ৰীয় বঁটা (১৯৮৯), উত্তৰ প্ৰদেশৰ হিন্দী সংস্থানে আগবঢ়োৱা সৌহাৰ্দ্য বঁটা (১৯৮৯), সাহিত্য কথা ৰাষ্ট্ৰীয় বঁটা (১৯৯৩), কমলকুমাৰী ৰাষ্ট্ৰীয় বঁটা (১৯৯৭), ফ্লৰিডা আন্তৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ে আগবঢ়োৱা 'আন্তৰাষ্ট্ৰীয় তুলসী বঁটা' (১৯৯৯), পদ্মশ্ৰী বঁটা (২০০০), মহিয়সী জয়মতী বঁটা (২০০০), কোৰিয়া ৰাষ্ট্ৰই দিয়া শান্তিদূত বঁটা (২০০৬), কলিকতাৰ এছিয়াটিক ছচাইটিয়ে প্ৰদান কৰা 'ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ সোণৰ ফলক বঁটা' (২০০৮), নেদাৰলেণ্ড চৰকাৰে আগবঢ়োৱা ইউৰোপৰ সৰ্বোচ্চ সাহিত্য বঁটা 'প্ৰিন্স ক্ল'জ' (২০০৮) অসম সাহিত্য সভাৰ 'কৃষ্ণকান্ত সন্দিকৈ বঁটা' (২০০৯), অসম চৰকাৰৰ সৰ্বোচ্চ ৰত্ন বঁটা (২০১১), কলিকতাৰপৰা লাভ কৰা বটবৃক্ষ সন্মান (২০১১) ইত্যাদি। ইয়াৰ উপৰিও ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়, অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰপৰা তেওঁ সন্মানীয় ডি.লিট. ডিগ্ৰী লাভ কৰে।

মামৰে ধৰা তৰোৱাল উপন্যাসৰ বাবে ১৯৮২ চনত তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰে। ২০০০ চনত জ্ঞানপীঠ বঁটা লাভ কৰিবলৈ সক্ষম হয়।

**নিৰুপমা বৰগোহাঞিৰ পৰিচয় ঃ**

**জন্ম, শিক্ষা আৰু কৰ্মজীৱন ঃ**

১৯৩২ চনত নিৰুপমা বৰগোহাঞিৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল যাদৱ চন্দ্ৰ তামুলী আৰু মাতৃৰ নাম কাশেশ্বৰী তামুলী।

গুৱাহাটীৰ তাৰিণীচৰণ চৌধুৰী স্কুলৰপৰা তেওঁ স্কুলীয়া শিক্ষা সাং কৰে। ১৯৫০ চনত কটন কলেজৰপৰা আই এছ চি পৰীক্ষাত উত্তীৰ্ণ আৰু ১৯৫২ চনত একে কলেজৰপৰাই শিক্ষা বিষয়ত অনাৰ্ছসহ বি.এ পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰপৰা ১৯৫৪ চনত ইংৰাজীত এম. এ ডিগ্ৰী লাভ কৰে।

তেওঁৰ কৰ্মজীৱনৰ আৰম্ভণি হয় গুৱাহাটীৰ ৰেলৱে হাইস্কুলত। ইয়াত কিছুদিন শিক্ষকতা কৰাৰ পিছত ১৯৫৭চনত নলবাৰী কলেজত ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। ১৯৫৮ চনত মাজুলীৰ কমলাবাৰী হাইস্কুলত যোগদান কৰি কিছুদিন শিক্ষকতা কৰে।

**১৯৬১**চনত পুনৰ গোৱালপাৰা কলেজত ইংৰাজী বিভাগত অধ্যাপনাৰ পদত যোগদান কৰে। **১৯৬৩** চনৰপৰা **১৯৬৫** চনলৈকে লক্ষীমপুৰ কলেজৰ ইংৰাজী বিভাগত শিক্ষাদান আগবঢ়ায়। ইয়াৰ মাজতে আকৌ **১৯৬৫** চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়াত এম এ ডিগ্ৰী লাভ কৰে। **১৯৬৬** চনত পুনৰ যোৰহাট কলেজত ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে।

তেওঁ ভালেকেইখন কাকত আলোচনীৰ সম্পাদনাৰ কামত জড়িত হয়। গুৱাহাটীৰ পৰা প্ৰকাশিত 'সাপ্তাহিক নীলাচল'ৰ সহকাৰী সম্পাদিকা হিচাপে কাৰ্যনিবাহ কৰিছিল। **১৯৮১** চনৰ পৰা **১৯৯৪** চনলৈ 'সাপ্তাহিক জনজীৱন'। 'জনজীৱন', 'সাপ্তাহিক সাঁচিপাত', পযেকীয়া 'চিত্ৰাংগদা'ৰ সম্পাদিকা হিচাপে নিয়োজিত হয়।

**বিবাহ ঃ**

১৯৫৮ চনত হোমেন বৰগোহাঞিৰ সৈতে তেওঁ বিবাহপাশত আৱদ্ধ হয়।

**সৃজনাত্মক প্ৰতিভাৰ সাধাৰণ পৰিচয় ঃ**

**উপন্যাস ঃ**

**১**)সেই নদী নিৰৱধি (**১৯৬২**), **২**) এজন বুঢ়া মানুহ (**১৯৬৬**), **৪**) দিনৰ পিছত দিন (**১৯৬৮**), **৫**) ছায়া আৰু ছবি (**১৯৭০**), **৬**) হৃদয় এক নিৰ্জন দ্বীপ (**১৯৭০**), **৭**) সামান্য অসামান্য (**১৯৭১**), **৮**) কেক্‌টাছৰ ফুল (**১৯৭২**), **৯**) নামি আহে এই সন্ধিয়া (**১৯৭৭**), **১০**) ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ (**১৯৭৯**), **১১**) ভৱিষ্যতৰ ৰঙা সূৰ্য (**১৯৮০**), **১২**) চিনাকি অচিনাকি (**১৯৮৭**), **১৩**) গোহাঁনী আই গোসাঁনী আই (**১৯৮৭**), **১৪**) অন্যজীৱন (**১৯৮৭**), **১৫**)একেই জোন একেই বেলি (ঔপন্যাসিকা সংকলন- ব্ৰহ্মাৰ অস্ত্ৰ, একেই জোন একেই বেলি আৰু শত্ৰু), **১৬**) পুৱাৰ পূৰৱী সন্ধ্যাৰ বিভাস (হোমেন বৰগোহাঞিৰ লগত যুটীয়াভাৱে লিখিছিল), **১৭**) চম্পাৱতী (**১৯৯০**), **১৮**) এখন শ্ৰাদ্ধত আনন্দাশ্ৰু (**১৯৯১**), **১৯**) অভিযাত্ৰী (**১৯৯২**), **২০**) নিজৰ পৰা নিলগত (**১৯৯৬**), **২১**) এলবামত হেৰোৱা ছবি (**১৯৯৭**), **২২**) পখী ঘূৰি যায় (**১৯৯৮**), **২৩**) তিনি কন্যা (ঔপন্যাসিকা সংকলন-পিতা-পুত্ৰী, আলহী পকীৰ বাঁহ, মাৰ প্ৰতি মৰম আৰু শ্ৰদ্ধাৰে) আদি উপন্যাস ৰচনা কৰে।

**উপন্যাসৰ বিষয়বস্তু**

'সেই নদী নিৰৱধি' (১৯৬২) উপন্যাসখনৰ পটভূমি হৈছে পাগলাদিয়া নদীৰ পাৰৰ গাঁও এখনক কেন্দ্ৰ কৰি। উপন্যাসখনত নাৰীমুক্তিৰ চিন্তাৰ বিকাশৰ এক প্ৰক্ৰিয়া লক্ষ্য কৰা যায়।

উপন্যাসখনৰ মুখ্য চৰিত্ৰ লক্ষ্মী দুৰন্ত, কিন্তু নাৰীৰ অধিকাৰ সম্পৰ্কে যিমান সচেতন হ'ব লাগিছিল সিমানখিনি প্ৰকাশ হৈ উঠা নাই। তাই নাৰী বুলি বঞ্চিত হোৱাৰ কোনো অভিযোগ নাই, ভাগ্যৰ বিৰুদ্ধেহে তাই অভিযোগ কৰিছে। তথাপিও নাৰী চেতনাক কেন্দ্ৰ কৰি লিখা বৰগোহাঞিৰ এই উপন্যাসখনত নাৰী জীৱনৰ সমস্যাবোৰৰ ওপৰত কিছু আলোকপাত কৰিছে। গভীৰ অৰ্ন্তদৃষ্টি নপৰিলেও নাৰীৰ মানসিক জগতখনত ভুমুকি মৰাৰ চেষ্টা লেখিকাই নকৰাকৈ থকা নাই।

'ইপাৰৰ ঘৰ-সিপাৰৰ ঘৰ'ত তিৰোতাৰ সমস্যাবোৰৰ চেতনা কঁপাই যোৱা বিৱৰণ আছে। বৰগোহাঞিৰ চেতনাক নাৰী সমস্যাই আগৰেপৰা ক্ৰিয়া কৰি আছিল। বাস্তৱবাদী ৰীতিত ৰচিত এইখন এখন সাৰ্থক উপন্যাস। সামাজিক, অৰ্থনৈতিক শক্তিবোৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া সম্পৰ্কে সচেতন লেখিকাৰ দুখীয়া লোকৰ জীৱন যাত্ৰাৰ সৈতে অভিজ্ঞতা আৰু সমালোচনামূলক কাহিনীৰে এইখন উপন্যাস অসমীয়া সাহিত্যলৈ এক মূল্যৱান সংযোজন।

পাগলদিয়াৰ পৰা বহু আঁতৰত টুনটনি নদীৰ পাৰৰ মনোজ, অণিমা, ৰম্ভা, পুতলীৰ জীৱনৰ কথাৰে বৰগোহাঞিৰ আন এখন উপন্যাস 'অন্য জীৱন'। ইয়াত নাৰীমুক্তিৰ কথাই প্ৰাধান্য পাইছে। উপন্যাসখনৰ প্ৰধান চৰিত্ৰ অণিমা আৰু ৰম্ভাৰ জীয়েক পুতলীৰ চেতনাত ক্ৰিয়া কৰি থকা নাৰীমুক্তিৰ প্ৰশ্নটোক লেখিকাই সুন্দৰভাৱে প্ৰতিফলিত কৰিছে।

'নামি আহে এই সন্ধিয়া' উপন্যাসখন লেখিকাই তিনিটা কাহিনী কথনত লিখিছে। অৱশ্যে এই তিনিটা কাহিনী মাধৱীৰ জীৱন, দেৱযানীৰ ক্ৰমবিকাশ, বন্ধুবৰ্গৰ জীৱনৰ কলাজ বেলেগ বেলেগ উপন্যাসৰ কাহিনী হ'ব পাৰিলেহেঁতেন।

'অভিযাত্ৰী' উপন্যাসখনৰ জৰিয়তে নাৰী-পুৰুষৰ সম্পৰ্ক আৰু নাৰীমুক্তিৰ কেতবোৰ মৌলিক প্ৰশ্ন অসমীয়া সমাজৰ পৰিপ্ৰেক্ষিতত দাঙি ধৰিছে। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ তেজস্বী আৰু ব্যতিক্ৰমী ৰূপটো উপন্যাসৰ জৰিয়তে প্ৰতিফলিত হৈছে।

ধনী-দুখীয়া, জাতপাত, মতা-তিৰোতাৰ বিভেদৰ অৱসানৰ সপোন দেখা বৰগোহাঞিৰ আন এখন উপন্যাস হৈছে ‘ভৱিষ্যতৰ ৰঙা সূৰ্য’।

অসম আন্দোলনৰ ভ্ৰান্ত দিশবোৰে নিৰুপমা বৰগোহাঞিৰ দেশপ্ৰেমিক মানৱীয় সত্তাক ইমানেই  পীড়িত কৰিছিল যে তেওঁ লেখনিৰ মাজেৰে আহ্বান কৰিছিল। গভীৰ মানৱিক চেতনাৰে তেওঁ এইবোৰ অনুধাৱন কৰিব পাৰিছিল।  অসম আন্দোলনৰ মানৱীয় ছবিখনে অসমীয়া জাতিটোক ধ্বংস কৰি পেলাব বুলি লেখিকাই উদ্বিগ্ন হৈ পৰিছিল।  গতিকে বাস্তৱ যুক্তি তথা মানৱীয়তাৰ সপক্ষে  থিয় দি তেওঁ লিখি উলিয়াইছিল ‘গোঁহানী আই গোসাঁনী আই’ নামৰ উপন্যাসখন।

‘দিন প্ৰতিদিন’ এইখন উপন্যাসতো লেখিকাই অসম আন্দোলনৰ দুৰ্বলতাৰ প্ৰতি নিৰ্ভীকভাৱে আঙুলি টোৱাইছে আৰু দেশপ্ৰেমিকবোৰৰ ভণ্ডামি আৰু উদ্ভাণ্ডালি দেখুৱাইছে।

নিৰুপমা বৰগোহাঞিৰ উপন্যাসবোৰত বাস্তৱতা প্ৰতিফলিত হয়। বাস্তৱৰ দ্বন্দ্ববোৰক ঘৃণাৰে নেওচি, সাহসেৰে নিজৰ উপলব্ধিক বিশ্বস্ত কৰি তেওঁ  উপন্যাস ৰচনা কৰিছে। মাজে মাজে গাঁথনিক দুৰ্বলতাই উপন্যাসৰ কাহিনী স্থবিৰ  কৰি তোলে। তদুপৰি তেওঁৰ উপন্যাসৰ চৰিত্ৰবোৰে দিয়া দীঘলীয়া সংলাপে কেতিয়াবা  আমনিদায়ক কৰি পেলায়। কিন্তু  এই সকলোবোৰৰ মাজতো এক উচ্চতৰ মূল্যবোধে তেওঁক উপন্যাস জগতত বিশিষ্ট স্থান  দিয়ে।

**বঁটা সন্মান**

নিৰুপমা বৰগোহাঞিয়ে লাভ কৰা বঁটাসমূহ হ’ল-- ‘অন্যজীৱন’ উপন্যাসৰ বাবে বাংগালোৰৰ ‘শ্বাশতী’ নামৰ মহিলা অনুষ্ঠানৰপৰা ‘শ্বাশতী’ নামৰ মহিলা অনুষ্ঠানৰ পৰা ‘শ্বাশতী’ বঁটা লাভ কৰে (**১৯৮৭**]। একেখন উপন্যাসৰ বাবে **১৯৮৯-৯০**  চনত অসম সাহিত্য সভাই তেওঁক ‘বাসন্তীদেৱী বৰদলৈ বটা’ প্ৰদান কৰে। **১৯৯৪** চনত ‘অভিযাত্ৰী’ৰ বাবে অসম সাহিত্য সভাৰ ‘হেমবৰুৱা বঁটা’ লাভ কৰে। **১৯৯৬** চনত ‘অভিযাত্ৰী’ৰ বাবে ‘সৰ্বভাৰতীয় সাহিত্য একাডেমী বঁটা’ লাভ কৰিবলৈ সক্ষম হয়।

সামৰণিত ক’ব পাৰি যে, মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞি দুয়োগৰাকীৰ মহিলা লেখিকা সমাজৰ দায়বদ্ধতা লিখনীত প্ৰস্ফুটিত। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ সুগভীৰতাই মন-প্ৰাণ স্পৰ্শ কৰি যায়। চৰিত্ৰ সৃষ্টিৰ বাস্তৱৰনিষ্ঠতা, হৃদয়গ্ৰাহী আৰু

সূক্ষ্ম পৰ্যবেক্ষণে চৰিত্ৰসমূহক মননশীল কৰি তোলে। সামন্তযুগীয় ধ্যান-ধাৰণাৰ পৰিৱৰ্তন ঘটাই তেওঁ নতুন সমাজ সৃষ্টিত গুৰুত্ব দিছিল। তেওঁ এগৰাকী নিৰ্ভীক আৰু সমাজ সচেতন মহিলা আছিল। সমাজৰ কুসংস্কাৰবোৰ তেওঁ সাহিত্যৰ মাজেৰে উদঙাই দিছিল আৰু এইবোৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ সংবেদনশীলতাৰ প্ৰধান কাৰণো ইয়াতেই সোমাই আছে। সুগভীৰ মানৱতাবোধ, আন্তৰিকতাপূৰ্ণ মানৱীয় অনুভূতিৰ কলাকৰ্মলৈ উন্নীত কৰিছে। তেওঁৰ প্ৰতিখন উপন্যাসতে পীড়িত, বঞ্চিত লোকসকলৰ লগত আত্মীয়তা স্থাপন কৰা দেখা যায়। সমাজৰ যুক্তিহীন বিধান আৰু এচাম মানুহৰ নিষ্ঠুৰতাক তেওঁ পৰোক্ষভাৱে নিন্দা কৰিছে। নাৰী চেতনাক হৃদয়ংগম কৰি মামণি ৰয়ছম গোস্বামী নাৰীৰ মুক্তি আৰু প্ৰগতিৰ প্ৰতি দায়বদ্ধ আছিল। পুৰুষতন্ত্ৰৰ অৰ্থহীন কিছুমান বিধানে নাৰী চেতনাত আঘাত সনা নিয়মৰ পৰা নাৰীসকল মুক্ত হোৱাটো তেওঁ বিচাৰিছিল।

একেদৰে নিৰুপমা বৰগোহাঞি যথাৰ্থতে এগৰাকী নাৰীবাদী লেখিকা। সমাজৰ উন্নয়নৰ বাবে লেখিকা গৰাকী দায়বদ্ধ। নাৰী মুক্তি আৰু অধিকাৰ লাভৰ উদ্দেশ্য আগত ৰাখি তেওঁ উপন্যাসমূহ ৰচনা কৰিছে। নিৰুপমা বৰগোহাঞিয়ে বাস্তৱক বুজাৰ চেষ্টা কৰিছে। কেৱল সাহিত্যৰ মাজতে নাথাকি নানান সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো তেওঁ জড়িত আছে।

ত্যাগ, সততা, উচ্চ আদৰ্শ আৰু নিজৰ সৃষ্টিৰাজিৰ মাজেৰে দুয়োগৰাকী ঔপন্যাসিকে অসমীয়া সাহিত্যজগতত নাৰী ভাৱনাক এক সুকীয়া স্তৰলৈ লৈ যাবলৈ সক্ষম হৈছে। সমাজত নাৰীক মানৱীয় মৰ্যাদাৰে প্ৰতিষ্ঠা কৰাটো আজি দুয়ো গৰাকী লেখিকাৰ উপন্যাসৰ কাহিনীভাগৰ অন্তৰ্নিহিত আকাংক্ষা।

# চতুৰ্থ অধ্যায়

# ৪.০০ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীসত্বা আৰু নাৰীমুক্তিৰ অভিব্যক্তি

## ৪.০১ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ বৈশিষ্ট্য

মামণি ৰয়ছম গোস্বামী এগৰাকী মানৱতাবাদী লেখিকা। সমাজৰ নিপীড়িতজনৰ শোষিত অৱস্থাৰ বিষয়ে তেওঁৰ লেখনিত স্পষ্টভাৱে পোৱা যায়। তেওঁৰ উপন্যাসত নাৰী জীৱনৰ দুখ-দুৰ্দশাৰ অৱস্থাটো অতি দুখ লগাকৈ প্ৰকাশিত হৈছে। বিশেষকৈ হিন্দু সমাজৰ উচ্চ বৰ্ণৰ বিধৱাৰ ওপৰত জাপি দিয়া সমাজৰ নীতি নিয়মবোৰে তেওঁক হাতত কলম তুলি ল'বলৈ বাধ্য কৰাইছিল। ব্যক্তিগত জীৱনৰ অভিজ্ঞতাই বিধৱা নাৰীৰ মনস্তাত্ত্বিক দিশ দাঙি ধৰাত তেওঁক বিশেষভাৱে সহায় কৰিছে। এই প্ৰসংগত নমিতা ডেকাই কৈছিল—

> *ড° ৰয়ছম গোস্বামীক তেওঁৰ উপন্যাসসমূহে নাৰীবাদী লেখিকা হিচাপে উপস্থাপিত কৰিছে। নাৰীবাদী দৃষ্টিভংগীৰে ঔপন্যাসিকাই নাৰী সমাজক চেতনা প্ৰদান কৰিবলৈ চেষ্টা কৰাৰ লগতে পৰম্পৰাগত সমাজৰ বিষাদময় নীতি-নিয়মৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ ঘোষণা কৰিছে।*[১]

মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ উপন্যাসত শ্ৰমিক, নাৰী আৰু আৰ্তজনৰ প্ৰতি গভীৰ সহানুভূতি প্ৰদৰ্শন কৰিছে। তেওঁৰ উপন্যাসত নিম্নবৰ্গৰ শ্ৰেণীটোৱে অধিক গুৰুত্ব পাইছিল। আৰ্তজনৰ দুখ-কষ্টক তেওঁ হৃদয়েৰে উপলব্ধি কৰি উচিত বিচাৰৰ বাবে প্ৰতিবাদ কৰিছে। ভাৰতীয় সাহিত্যত যিসকল লেখক-সাহিত্যিকক স্মৰণীয় ৰূপত ধৰা হয় সেইসকলৰ ভিতৰত গোস্বামীও অন্যতম। এওঁৰ সাহিত্য কৰ্মৰ উদ্দেশ্যই আছিল মানুহৰ কল্যাণ সাধন কৰা আৰু সকলো অন্যায়, অত্যাচাৰ, শোষণ, নিপীড়নৰপৰা মানুহক উদ্ধাৰ কৰা। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ সংবেদনশীলতাৰ প্ৰধান কাৰণো ইয়াতেই সোমাই আছে। সুগভীৰ মানৱতাবোধ, আন্তৰিকতাপূৰ্ণ মানৱীয় অনুভূতিৰ শক্তিশালী প্ৰকাশে তেওঁৰ উপন্যাসক উচ্চ পৰ্যায়ৰ কলাকৰ্মলৈ উন্নীত কৰিছে।[২]

---

১. ডেকা, নমিতা ঃ *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস*, পৃ.৬৬৯

২. ভৰালী, শৈলেন ঃ 'মানৱতাবাদ' মামণি ৰয়ছমৰ উপন্যাসৰ সম্পদ', *গৰীয়সী*, ঊনবিংশ পঞ্চম সংখ্যা, ফেব্ৰুৱাৰী, ২০১২

তেওঁৰ প্ৰতিখন উপন্যাসতে নাৰীসকলে পীড়িত হ'ব লগা হোৱা সমাজৰ যুক্তিহীন নিয়মবোৰৰ বিৰোধিতা কৰিছে। বিধৱা নাৰীসকলৰ লগতে সমাজৰ অন্যান্য পীড়িত সকলো শ্ৰেণীৰ লোকৰেই দুখ দুৰ্দশাৰ বিষয়ে হৃদয়ংগম কৰি কলাত্মক ৰূপত উপন্যাসত উপস্থাপন কৰে।

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ কিছুমান সাধাৰণ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

১) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত জীৱনত সুখ নোপোৱা নাৰী চৰিত্ৰ অসংখ্য। নাৰীৰ নিসংগতা আৰু জৈৱিক ক্ষুধাৰ দিশটো তেওঁ উপন্যাসত অংকন কৰিছে। উদাহৰণস্বৰূপে *মামৰে ধৰা তৰোৱালত* নাৰায়ণীয়ে উপায়বিহীন হৈ এজন অসুস্থ মানুহৰ লগত বিয়া হ'ব লগা হয়। কিন্তু স্বামী বেছি অসুস্থ হৈ পৰাত নাৰায়াণীয়ে পেটৰ তাড়ণাত পৰি অন্য পুৰুষক নিজৰ দেহ বিক্ৰী কৰিবলগীয়াত পৰে। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাতো* 'গিৰিবালা' চৰিত্ৰটোৰ যোগেদি বিধৱা হোৱাৰ পিছত নাৰীৰ নিসংগতাক উন্মোচিত কৰিছে। স্বাভাৱিক যৌন কামনাক বশ কৰিব নোৱাৰি গিৰিবালাই অতিথি মাৰ্কৰ দুৱাৰতো টুকুৰিয়াইছিল। *অহিৰণত* নিৰ্মলাই প্ৰথম স্বামীৰ মৃত্যুৰ পিছত দ্বিতীয় বিবাহ কৰাইছিল যদিও বিবাহ বিচ্ছেদ হয়। পিছত শিক্ষকতাৰ মাজেৰে জীৱনৰ ৰঙ বিচৰাৰ চেষ্টা কৰে।

২) এওঁৰ উপন্যাসৰ নামকৰণৰ আঁৰত এক অৰ্থ লুকাই আছে। নামটোৰ দ্বাৰাই বিষয়বস্তুৰ ইংগিত পাব পৰা যায়। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*— অৰ্থাৎ উঁয়ে খোৱা হাওদাখন যেন দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰৰ প্ৰাচীন ঐতিহ্যৰ ক্ষয়িষ্ণু ৰূপ। *মামৰে ধৰা তৰোৱালৰ* তৰোৱাল হৈছে বেয়া বস্তু নাইকিয়া কৰা এক চোকা অস্ত্ৰ। কিন্তু এই অস্ত্ৰত মামৰে ধৰিলে তাৰ গুণাগুণ নাইকিয়া হৈ পৰে। শ্ৰমিক সকলে কৰা ধৰ্মঘটৰ অসফলতাই তাৰেই ইংগিত বহন কৰে। সেইদৰে *নীলকণ্ঠী ব্ৰজৰ* ব্ৰজধাম হৈছে অতি পৱিত্ৰ স্থান। নানা পাপেৰে ব্ৰজধাম অপৱিত্ৰ হৈ পৰিছে। অৰ্থাৎ মহাদেৱে বিষপান কৰাৰ পিছতো মহাদেৱৰ ঈশ্বৰত্ব তথা পৱিত্ৰতা অটুট আছে।

৩) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহৰ বিষয়বস্তু ইটোৰ লগত সিটোৰ মিল থকা দেখা যায়।

*নীলকণ্ঠী ব্ৰজ* আৰু *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* নাৰীৰ বৈধব্য যন্ত্ৰণাক অতি কৰুণভাৱে প্ৰকাশ কৰিছে। *নীলকণ্ঠী ব্ৰজৰ* যুৱতী বিধৱা সৌদামিনীক ৰক্ষণশীল হিন্দু সমাজে

অপৱিত্ৰ জ্ঞান কৰি ব্ৰজধামলৈ পঠাই দিয়াৰ ব্যৱস্থা কৰিলে। এয়া আছিল সমাজে বান্ধি দিয়া নিয়ম। এই নিয়মৰ বাহিৰলৈ কোনো যাব নোৱাৰে। সমাজৰ নীতি নিয়মক আওকাণ কৰিব নোৱাৰি মাক-দেউতাকে তাইক ব্ৰজধামত থৈ আহিল। কিন্তু সৌদামিনীয়ে নিজৰ দেহ মন কৃষ্ণ প্ৰেমত নিমজ্জিত কৰি ৰাখিব নোৱাৰিলে। নিজৰ জৈৱিক তাড়নাক আওকাণ কৰিব নোৱাৰি তাই নিজৰ দেহ-মন এজন খ্ৰীষ্টান যুৱকৰ ওচৰত সমৰ্পণ কৰে।

একেদৰে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*ত গিৰিবালা, দুৰ্গা, সৰু গোঁসানীৰ মাজেৰে বিধৱা নাৰীৰ যন্ত্ৰণাৰ বিষয়ে গম পাব পাৰি। গিৰিবালা কিশোৰীতে বিধৱা হ'ল। সমাজৰ নিয়ম অনুসৰি তাই কোনো মাংগলিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব নোৱাৰে, কোনো ধৰণৰ সুস্বাদু খাদ্য খাব নোৱাৰে। মাছ, মাংস আদিৰপৰা বিৰত থাকিব লাগে। গিৰিয়েক মৰাৰ পিছত কেৱল তেওঁৰ কথা ভাবিয়েই তেওঁৰ চৰণ চিন্তা কৰিয়েই বাকী জীৱন কটাই দিব লাগে। এয়া সমাজৰ নিয়ম। পৰম্পৰাগত এনে কঠোৰ নিয়মে নাৰীসকলৰ জীৱন যন্ত্ৰণাময় কৰি তোলে। গিৰিবালাই এনে নিয়মৰ মাজত থাকিব নোৱাৰি ছটফটাই থাকিল। সমাজৰ ৰক্ষণশীলতা ভাঙি তাই মাৰ্ক চাহাবৰ লগত সংসাৰ কৰিবলৈয়ো সাহস কৰিব নোৱাৰে। উপায়বিহীন হৈ সমাজৰ বিৰুদ্ধাচৰণ কৰিব নোৱাৰি আত্মহত্যাৰ পথ বাচি ল'লে। বসন্ত কুমাৰ ভট্টাচাৰ্যই গিৰিবালাৰ মৃত্যু প্ৰসংগত লিখিছে—"তাইৰ এই মৃত্যু যেন জীৱন জোৱা যাতনা-লাঞ্ছনাৰ বিৰুদ্ধে এক প্ৰতিবাদ।"[৩]

বৈধব্য যন্ত্ৰণাৰ বলি হোৱা আন এটা চৰিত্ৰ হৈছে দুৰ্গা। তাই মহীধৰ বাবুৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিল যদিও সমাজৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে যাবলৈ সাহস কৰিব নোৱাৰে। সমাজৰ নীতি-নিয়মৰ মাজতেই তাই পৰিচালিত হৈ ৰ'ল।

৪) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল যে তেওঁৰ প্ৰায় কেইখন উপন্যাসতে তেওঁৰ ক্ষেত্ৰ অধ্যয়নৰদ্বাৰা লাভ কৰা তথ্য আৰু নিজৰ জীৱনৰ অনুভূতিৰ ছাঁ ওলাই পৰিছে। স্বামীৰ সৈতে চাকৰি কালত বিভিন্ন ঠাইত ঘূৰি ফুৰি হোৱা অভিজ্ঞতা-মিশ্ৰিত সাহিত্যৰ ৰূপ হৈছে *চেনাবৰ সোঁত, মামৰে ধৰা তৰোৱাল, অহিৰণ* আদি। *আধালেখা দস্তাবেজ* এখন আত্মজীৱনীমূলক উপন্যাস য'ত তেওঁৰ প্ৰাথমিক স্কুলৰ পৰা যৌৱনকাল, দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা পদ পোৱালৈকে

৩. ভট্টাচাৰ্য, বসন্ত কুমাৰ ঃ *সাহিত্য অধ্যয়ন*, পৃ. ৩৮

সকলো কথাৰ বিৰৰণ আছে। বিশ্বৰ ৰামায়ণী সন্মিলনবোৰত লাভ কৰা অভিজ্ঞতাৰ ৰূপ *দাশৰথিৰ খোজ*।

৫) কাব্যিক অভিব্যঞ্জনা আৰু কল্পচিত্ৰই মামণি ৰয়ছম গোস্বামীৰ উপন্যাসক এক বিশেষ মাত্ৰা দিছে--

ক) দূৰৈৰ পৰা তাৰ বগা বগা শিলবোৰ হুবহু হাঁহৰ কণীৰ দৰে দেখা গৈছে।[৪]

খ) লগে লগে খহি পৰিল তাইৰ খোপাৰ চামেলি মালা।[৫]

গ) এতিয়া ব্ৰজৰ যুৱতী বিধৱা আৰু অসতী তিৰোতাৰ গোন্ধ লৈ ফুৰা কুকুৰনেচীয়াজাকৰ সুবিধা হ'ল। [৬]

৬) ভাষা প্ৰয়োগৰ দক্ষতাই এওঁৰ উপন্যাসক অন্য এক মাত্ৰা প্ৰদান কৰে। কামৰূপী ভাষাৰ ঠাঁচৰ প্ৰয়োগ মনকৰিবলগা। ইয়াৰ উপৰিও হিন্দুস্তানী ভাষাৰ প্ৰয়োগ, সংস্কৃতৰ প্ৰভাৱো লক্ষণীয়। নামবাচক তৎসম শব্দ যেনে— দময়ন্তী, দুৰ্গা, পুৰুযোত্তম, গায়ত্ৰী, গৌৰী, পীতাম্বৰ, সৌদামিনী, চন্দ্ৰভানু আদিৰ প্ৰয়োগ গোস্বামীৰ উপন্যাসৰ মূল বৈশিষ্ট্য।

৭) গীত, ফকৰা-যোজনাৰ প্ৰয়োগো এওঁৰ উপন্যাসৰ আন এক বৈশিষ্ট্য। যেনে—

**ক) লোকগীত**

১) "ঘৰাকে ধুৱালা পঁচিছ কলহ পানী,
ঘৰাৰে পিঠিত দিলা নাৰায়ণী তেল।
ঘৰাৰে মুখত দিলা কাটা লাগাম জৰী,
ঘৰাৰে মুখত দিলা গোন্ধে ফুলৰ মালা,
বিচমিল্লা বুলি জামাদ ঘৰাতে উঠিল।"[৭]

---

৪. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ*, পৃ. ১৪

৫. গোস্বামী, মামণি ৰয়ছম ঃ *নীলকণ্ঠী ব্ৰজ*, পৃ.৫

৬. উক্ত গ্ৰন্থ, পৃ.১০৭

৭. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩৫৭

**খ) সংস্কৃত বাক্যৰ প্ৰয়োগ**

১) আত্মানং ঘাতয়েদষন্ত ভৃগ্ব্যানশনাম্বভিঃ।।
তস্য ত্ৰিৰাত্ৰমশৌচং দ্বিতীয়েত্বস্থিসয়ঃ
তৃতীয়তূদকং কৃত্বা চতুৰ্থে শ্ৰাদ্ধমিষ্যতে।।[৮]

**গ) খণ্ডবাক্য**

১) “হাথীৰ ভাঠি খোলা”[৯]

৮) তেওঁৰ উপন্যাসত অসমৰ বাহিৰৰ পটভূমিও পৰিস্ফুট হয়। *মামৰে ধৰা তৰোৱালত* উত্তৰ প্ৰদেশৰ ৰায়বৰেলী, *অহিৰণত* মধ্যপ্ৰদেশ, *নীলকণ্ঠী ব্ৰজত* মথুৰা আদি অসমৰ বাহিৰৰ প্ৰদেশবোৰৰ ভৌগোলিক বৰ্ণনা নিখুঁটভাৱে দাঙি ধৰিছে। উপন্যাসৰ কাহিনীটো পঢ়িলে বৰ্ণনাকাৰীৰ ঠাইবোৰত নিজৰ অৱস্থিতি অনুমান কৰা যায়।

৯) প্ৰকৃতি জগতৰ বিভিন্ন সূক্ষ্ম বস্তু ডিমৰু ফুল, নেমুফুল, বেংছটা, তুৰীমাছৰ বৰ্ণনা বিভিন্ন কাৰণত উপন্যাসখনত সন্নিৱিষ্ট কৰিছে।

শেষত আমি এইটো ক'ব পাৰো যে মামণি ৰয়ছম গোস্বামীৰ মানৱতাবাদী চিন্তাধাৰাই তেওঁৰ প্ৰতিখন উপন্যাসকেই জীপাল কৰি ৰাখিছে। সমাজৰ নিপীড়িতজনৰ লাঞ্চনা-বঞ্চনাই তেওঁক সহানুভূতিশীল কৰি তুলিছিল। মানুহে মানুহৰ বাবে ভাবিব লাগে, প্ৰতিজন মানুহেই দুৰ্বলজনকো সন্মান দিব লাগে। সমাজৰ বাস্তৱ সত্যক তেওঁ উপলব্ধি কৰিব পাৰিছিল আৰু সেয়ে হয়তো তেওঁ এইবোৰৰ অৱসান ঘটাটো বিচাৰিছিল। মানৱীয় তাড়নাই তেওঁক জীপাল কৰি ৰখিছিল। সেই মানৱীয় তাড়নাতে তেওঁ দুখ-বেদনা, অন্যায়-অবিচাৰ, শোষণ-বঞ্চনা, যন্ত্ৰণাৰ নিঃশেষ হোৱাটো বিচাৰিছিল।

**৪.০২ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীৰ অৱস্থান**

সমাজত নাৰীৰ অৱস্থান বুলি ক'লে এখন সমাজত নাৰীসকলে ব্যক্তি তথা সমাজ জীৱনত কি ভূমিকা আৰু কেনে মৰ্যাদাৰে জীৱন নিৰ্বাহ কৰিছে তাকেই বুজা যায়। সেয়া সামাজিক, ৰাজনৈতিক, ধৰ্মীয় অৰ্থনৈতিক আদি যিকোনো ক্ষেত্ৰ হ'ব পাৰে।

৮. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩৭২

৯. উক্ত গ্ৰন্থ, পৃ. ৩৮৭

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহৰ বেছিভাগতেই সামাজিক, ধৰ্মীয় আৰু অৰ্থনৈতিক ক্ষেত্ৰৰ প্ৰভাৱ পৰিছে। তেওঁৰ প্ৰতিখন উপন্যাসতেই নাৰী সামাজিক ভাৱে কিমান অবলা অথবা কিমান প্ৰতিবাদমুখৰ হ'ব পাৰে সেই কথা তেওঁ স্পষ্ট ৰূপত দেখুৱাইছে। আমাৰ আলোচিত গোস্বামীৰ উপন্যাসকেইখন অধ্যয়ন কৰিলে দেখা যায় তেওঁৰ উপন্যাসৰ নাৰীসকলৰ সামাজিক অৱস্থা অতি দুখ লগা। পুৰুষতন্ত্ৰিক সমাজৰ নিয়মবোৰ পালন কৰি নাৰীসকলৰ নিজস্বতা বুলিবলৈ একো নাইকিয়া হৈছে। উপন্যাসসমূহত দেখা গৈছে যে নাৰীৰ সামাজিক মৰ্যাদা পুৰুষৰ দৃষ্টিৰেহে চোৱা হয়। এজন পুৰুষে তেওঁৰ পত্নী ঢুকালে ছমাহৰ পিছতেই অকলশৰীয়া হ'ব বুলি দ্বিতীয় বিবাহ কৰাব পাৰে। কিন্তু নাৰী এগৰাকী বিধৱা হোৱাৰ পিছত তাই গোটেই জীৱন মৃত স্বামীৰ ৰোমন্থনতেই কটাব লাগিব। ইয়াৰ অন্যথা 'অসতী তিৰোতা' হ'ব লাগিব। সমাজৰ আগত পাপৰ প্ৰায়শ্চিত্ত কৰিব লাগিব। নাৰীগৰাকীয়ে স্বাভাৱিক যৌন কামনাকো জলাঞ্জলি দি গোটেই জীৱন অকলশৰীয়া হৈয়ে কটাব লাগিব।

মানুহে নিজে সৃষ্টি কৰি লোৱা কিছুমান ধৰ্মীয় নীতি নিয়মে নাৰীসকলক জুৰুলা কৰি তোলে। এই কথা মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত সঠিক ৰূপত দেখা গৈছে। ব্ৰাহ্মণ্য সামাজিক বিধি-বিধান ৰক্ষণশীল সত্ৰ সমাজে আখৰে আখৰে পালন কৰে। ধৰ্মৰ নামতেই নাৰী এগৰাকীৰ গিৰিয়েক ঢুকালে সতী যোৱা কথাটোও যেন সাধাৰণ কথা। মন্দিৰত বলি দিবলৈ ওলোৱা নিৰীহ প্ৰাণীবোৰৰ দৰেই নাৰীৰো অৱস্থা একেই পুতৌলগা।

একেদৰে দেখা যায় অৰ্থনৈতিক ক্ষেত্ৰতো মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ নাৰীসকল একেবাৰে পিছপৰা। অৰ্থনৈতিকভাৱে পিছপৰা কাৰণেই নাৰীসকলে নিজৰ জীৱনটো পুৰুষৰ হাতত তুলি দিব লগা হৈছে। পুৰুষসকলে কিছুমান নিয়ম বনাই লৈ এইবোৰ নাৰীৰ ওপৰত প্ৰয়োগ কৰি নাৰীৰ জীৱন দুৰ্বিসহ কৰি তুলিছে।

### ৪.২.১ নাৰীৰ সামাজিক অৱস্থান

সমাজৰ বিভিন্ন সমস্যাক নিজৰ দৃষ্টিৰে দাঙি ধৰিবলৈ যত্ন কৰা মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীৰ সামাজিক অৱস্থান অতি বাস্তৱৰূপত প্ৰতিফলিত হৈছে। ভগৱানৰ সৃষ্টিত নাৰী-পুৰুষ সমান। নাৰী-পুৰুষ উভয়েই সামাজিক প্ৰাণী। পৰস্পৰৰ সহায় সহযোগিতাতহে সমাজ এখন চলি থাকে। শাৰীৰিক দিশৰপৰা নাৰী পুৰুষতকৈ কম শক্তিশালী যদিও মানসিক দিশৰ পৰা উভয়েই সমপৰ্যায়ৰ। কিন্তু এই কথাটোকেই যেন আমাৰ সমাজখনে মানি ল'ব

নোখোজে। পুৰুষসকলে নাৰীক সমদৃষ্টিৰে চাব নোখোজে। মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ উপন্যাসসমূহত সমাজৰ বিভিন্ন ক্ষেত্ৰত নাৰীসকলৰ অৱস্থানৰ কথা দেখুৱাইছে। বহুতো ক্ষেত্ৰত সমাজত পুৰুষতকৈ নাৰীসকলেই সংগ্ৰাম কৰিব লগা হয়।

মামণি ৰয়ছম গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখন বৃন্দাবনৰ পটভূমিত ৰচিত। ব্ৰজধামৰ প্ৰাচীন ঐতিহ্য, পূজা-পাতল, ধৰ্মীয় আদৰ্শ, কলা-কৃষ্টিৰ লগতে ব্ৰজধামৰ বিধৱা ৰাধেশ্যামীসকলৰ জীৱনৰ দুখ-যন্ত্ৰণা, দুৰ্নীতি,যৌন-ব্যভিচাৰ আদিৰ ছবি উপন্যাসখনত বৰ্ণিত আছে। ব্ৰজধামৰ দুখুনী বিধৱাসকলৰ দুৰ্দশাৰ গা শিয়ঁৰি যোৱা বৰ্ণনাই বাস্তৱ জীৱনক চুই যায়। উপন্যাসখনত নাৰীসকলৰ সামাজিক অৱস্থান ভাবিবলগীয়াকৈ দুখ লগা। উপন্যাসখন মূলতঃ ব্ৰজৰ বিধৱাসকলৰ সমাজখনক কেন্দ্ৰ কৰি দেখুওৱা হৈছে। সমাজত এওঁলোকৰ অৱস্থা ইমানেই দুখ লগা যে সামান্য খাদ্যবস্তুৰ সন্ধানত ব্ৰজৰ অলিয়ে-গলিয়ে এওঁলোক ঘূৰি ফুৰিবলগা হয়। খাদ্য কাপোৰৰ অভাৱে এওঁলোকক অস্থিৰ কৰি পেলাইছিল আৰু নিজৰেই মৃত্যুলৈ বাট চাই একোটা শৱদেহলৈ পৰিণত হৈছিল। উপন্যাসখনত লেখিকাই সংৰক্ষণশীল হিন্দু সমাজৰ ধৰ্মীয় ৰীতি-নীতিৰ নামত চলা অমানৱীয় ৰূপৰ প্ৰতিফলন ঘটাইছে। এই ধৰ্মীয় নীতি-নিয়মৰ ফলত হোৱা শোষণ মথুৰা-বৃন্দাবনত ধৰ্মীয় জীৱন-যাপন কৰা গাভৰু বিধৱাসকলৰ ওপৰত পৰিছে। বিধৱাসকলে সামাজিকভাৱে এক নিৰাপত্তাহীন জীৱন কটাইছে। 'হৃদয়ৰ তপস্বিনী' গ্ৰন্থত সন্নিৱিষ্ট কমলা ৰত্নমৰ মন্তব্যৰ অনুবাদত আমি পাওঁ— 'নীলকণ্ঠী ব্ৰজ' নামৰ নাতিদীৰ্ঘ উপন্যাসখন বৃন্দাবন আৰু অন্যান্য পৱিত্ৰ ধামত তেওঁৰ পৰ্যবেক্ষণ আৰু আৰ্জিত অভিজ্ঞতাৰ ফচল। এই উপন্যাসখনে বিশদভাৱে বৰ্ণনা কৰিছে মৃত্যু আৰু অৱমাননাৰ অপেক্ষাত, গাৰ ফটা কঁথাৰ আঁচলত আপোন শৱৰ সৎকাৰৰ বাবে কেইটিমান মাত্ৰ পইচা গাঁথি এই পৱিত্ৰ ধামসমূহত পৰি ৰোৱা শ শ যুৱতী বিধৱাৰ দুঃসহ পৰিশ্ৰম আৰু অপমান আৰু হেৰাই যোৱা আত্মাভিমানৰ কাহিনী। এই কাহিনী অবিশ্বাস্যধৰণে ভয়াৱহ কিন্তু সঁচা, এই ফালৰপৰা লেখিকাৰ ৰচনা এক নিষ্ঠুৰ আত্মাহীন সমাজৰ হাতত নাৰীৰ দুঃখ-যাতনাৰ বিৰুদ্ধে এক অন্তহীন ধৰ্মযুদ্ধৰ সূচনা কৰা মহৰ্ষি বাল্মীকিৰ ৰচনাৰ সমগোত্ৰীয়।[১০]

উপন্যাসখনৰ মুখ্য চৰিত্ৰ সৌদামিনী তৰুণীতে বিধৱা হ'ল। সময়ৰ লগে লগে তাইৰ মনৰপৰা গিৰিয়েকৰ স্মৃতিখিনিও মাৰ গ'ল। কিন্তু তথাকথিত উচ্চ হিন্দু সমাজৰ নিয়ম মতে

---

১০. ঠাকুৰ, নগেন (সম্পা.) ঃ *এশবছৰৰ অসমীয়া উপন্যাস,* নমিতা ডেকাৰ 'মামণি ৰয়ছম গোস্বামীৰ উপন্যাস', পৃ. **৬৬৩**

তাই তৰুণী বিধৱা, ব্ৰতচাৰিণী হৈয়েই জীৱন কটাব লাগিব। এয়া সমাজৰ নিয়ম। ভৰ যৌৱনৰ তৰুণী হিচাপে তাই স্বাভাৱিক জৈৱিক লিপ্সাৰ তাড়না, ভোগৰ বাসনাৰ তাগিদা যিমানেই তাইৰ বাবে অসহ্য নহওক কিয়, দ্বিতীয়বাৰ স্বামী গ্ৰহণৰ কথা বা কাৰোবাক এনে অৱস্থাতো প্ৰেমিক হিচাপে গ্ৰহণ কৰাৰ কথা আৰু ভাবিব নোৱাৰে। সকলো ইন্দ্ৰিয়ানুভূতি, দেহজ কামনা যেনেকৈয়েই নহওক কিয়, দমন কৰি তাই ঈশ্বৰৰ ওচৰত মাথোন নিজকে সমৰ্পণ কৰিব লাগিব। এয়া সমাজৰ দাবী আৰু সেই সমাজ অনুগামী সৌদামিনীৰ পিতৃ-মাতৃৰ দাবী।[১১] সমাজৰ দাবী পেলাব নোৱাৰি সৌদামিনীক মাক-দেউতাকে পৱিত্ৰ ধৰ্মীয় স্থান, কৃষ্ণৰ লীলাভূমি ব্ৰজধামত থৈ গ'লহি। বাহিৰৰ পৰা দেখা এই পৱিত্ৰভূমিত শ শ হিন্দু বিধৱাই কৃষ্ণপ্ৰেমিকাৰ বেশ লৈ কৃষ্ণকীৰ্তন কৰি দুবেলা দুমুঠি অৰ্জন কৰে। কিন্তু তাৰ বিপৰীতে ব্ৰজধামৰ ভিতৰত যে এক কদৰ্য আৰু বিনাশী ৰূপটোও জড়িত হৈ আছে সেয়া সৌদামিনীৰ চকুত স্পষ্টভাৱে পৰিল। এইখন উপন্যাসত শোষণৰ নগ্ন ৰূপ দেখিবলৈ পোৱা যায়। এই শোষণ মথুৰা-বৃন্দাবনত ধৰ্মীয় জীৱন-যাপন কৰা গাভৰু বিধৱাসকলৰ ওপৰত। অত্যাচাৰ, ব্যাভিচাৰ, নিঠৰুৱা বিধৱাৰ নিৰাপত্তাহীন জীৱনৰ দুঃখময় কাহিনীৰে উপন্যাসৰ কাহিনীভাগ ভাৰাক্ৰান্ত।[১২]

ব্ৰজধামত ৰাধেশ্যামীসকল যৌন ব্যাভিচাৰৰ বলি হোৱা সৌদামিনীয়ে নিজ চকুৰে দেখা পালে। এইসকল ৰাধেশ্যামী দৰিদ্ৰতাৰ কৰাল গ্ৰাসত জাহ গৈছে—

> *সৌদামিনীৰ চকুত পৰিল কিছুমান ভগ্ন খুপৰি। পাৰৰ-বাহৰ দৰে খুপৰি এইবোৰ। এজাক বিধৱা ৰাধেশ্যামীয়ে এই খুপৰিবিলাকত বাস কৰে। ইহঁতৰ অস্থি-চৰ্মসাৰ-দেহ, গাত বিবৰ্ণ মলিয়ন ধুতি। কিন্তু কপালত সিহঁতৰ ডগ্‌মগাই আছে আছে বিভূতি আৰু গোপীচন্দনৰ ৰেখাৰ সমাৰোহ।*[১৩]

এফালে সমাজৰ দাবীত বিধৱাসকলে ইয়াত আহি বসবাস কৰিব লগা হৈছে। আনফালে আকৌ এওঁলোকে এমুঠি খাবলৈ পোৱা নাই। যৌন ব্যাভিচাৰৰ বলি হৈ, নাখাই, নবৈই এওঁলোকৰ অৱস্থা অতি দুখনীয় হৈ পৰিছে। সমাজৰ দাবীত এওঁলোকে দ্বিতীয় এজনক স্বামী হিচাপে বৰণ কৰিবও নোৱাৰে। সৌদামিনীৰ ক্ষেত্ৰতো একেই ঘটিছে। মৃত স্বামীৰ মৃত্যুৰ পিছত তাই এজন খ্ৰীষ্টান ডেকাৰ প্ৰেমত পৰিছে। কিন্তু সমাজ অনুগামী মাক-দেউতাকৰ

---

১১. শৰ্মা, গোবিন্দ প্ৰসাদ ঃ *নাৰীবাদ আৰু অসমীয়া উপন্যাস*, পৃ. ১১৪

১২. ঠাকুৰ, নগেন (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৬৬২

১৩. গোস্বামী, মামণি ৰয়ছম ঃ *নীলকণ্ঠী ব্ৰজ*, পৃ.১৫

বাবে ই এক অভাৱনীয় কথা। তাই স্বাভাৱিক দৈহিক কামনাক আওকাণ কৰিব নোৱাৰি অদ্ভুত ধৰণে অসুখী হৈ পৰিছে। উপায়বিহীন হৈ পিতৃয়ে প্ৰেমিক যুৱকজনৰ ওচৰ চাপিবলৈকে সৌদামিনীক আগবঢ়াই দিছে। কিন্তু তাই প্ৰেমিকক দেহ-মন-দান কৰিয়েই শেষত যমুনাত জঁপিয়াই প্ৰাণত্যাগ কৰিছে।

সেইদৰে শশী নামৰ কম বয়সীয়া বিধৱাগৰাকীয়ে ব্ৰজৰ কুকুৰনেচীয়াজাকৰ পৰা বাচিবলৈ আলমগড়ী নামৰ পূজাৰীৰ লগত সহবাস কৰিব লগা হৈছে। 'আশ্ৰয় হেৰুওৱা দুঃস্বপ্নৰ পৰা ভোগা শশীয়ে ভাৱে--তাৰ পিছতো হয়তো ব্ৰজৰ ইটো-সিটো মন্দিৰত কিবা নহয় কিবা উপায়ে এসাঁজ খাই হ'লেও তাই জীয়াই থাকিব পাৰিব। কিন্তু কুৰি বছৰ পাছত যেতিয়া তাইৰ এই দেহস্বৰূপ ঘৰৰ বেৰ ছাল জহি-খহি গৈ পখৰা ফাপৰে ধৰা কুকুৰৰ দৰে হৈ পৰিব ... তেতিয়া কি হ'ব? আলমগড়ীৰ সোনকালেই মৃত্যু হ'ল। তাই হ'ল পুনৰ নিৰাশ্ৰয়।'[১৪] উপন্যাসখনত নাৰী হৃদয়ৰ নিৰন্তৰ দহনৰ ভাব পৰিস্ফুট হৈছে।

আঘোণ-পুহ মাহত যেতিয়া যমুনা 'চীৰহৰণ' ঘাট পাৰ হৈ বহু দূৰলৈ আঁতৰি যায় আৰু যেতিয়া এইবিলাক বুঢ়ী আইৰ মূৰৰ বগা চুলিৰ দৰে দেখা যায়, তেতিয়া এই ভগ্নস্তুপসমূহ হেজাৰ বছৰ শুই থকা কংকাল একোটাৰে দৰে সাৰ পাই উঠে। ... যমুনাৰ বালিত বিয়পি পৰে এক ৰুদ্ধ হাঁহাকাৰ। মৰা কাছৰ খোলা, দাহ কৰা সধৰা তিৰোতাৰ লগত দিয়া আধা পোৰা 'উত্তৰীয়'ই বালিৰ পৰা মূৰ দাঙি উঠি সেই ৰুদ্ধ হাঁহাকাৰ দুগুণে বৃদ্ধি কৰি তোলে।[১৫]

হিন্দু সমাজৰ বিধৱা নাৰীৰ সামাজিক অৱস্থাৰ নগ্ন স্বৰূপ লেখিকাই বাস্তৱসন্মতভাৱে দাঙি ধৰিছে। প্ৰকৃততেই—'নীলকণ্ঠী ব্ৰজ' উচ্চ হিন্দু সমাজত বিধৱাৰ অসহনীয় অৱস্থান আৰু ব্ৰজধামৰ পৱিত্ৰতাৰ অন্তৰালত লুকাই থকা ব্যভিচাৰ লগতে অৱক্ষয়ৰ এক বাস্তৱ চিত্ৰ বুলি অভিহিত কৰিব পাৰি।

উত্তৰ ৰায়বৰেলী জিলাৰ সাইনদীৰ ওপৰত একুৱাডাক্ট বন্ধা কামক মূল উৎস হিচাপে লৈ 'মামৰে ধৰা তৰোৱাল'খন ৰচিত। এইখন উপন্যাসত আছে বনুৱাৰ জীৱনৰ সুখ-দুখ মিশ্ৰিত কাহিনী আৰু বাধ্যত পৰি অসতী হোৱা নাৰীৰ কৰুণ বিননি। মূলতঃ মানৱতাবাদী ভাৱধাৰাৰে উপন্যাসখনৰ কাহিনীভাগ নিৰ্মিত। নাৰী জীৱনৰ আৰ্তনাদ, কাৰুণ্য উপন্যাসখনৰ কাহিনীৰ উপজীব্য। নাৰীজীৱনৰ সামাজিক অৱস্থানে উপন্যাসৰ মাজত বাস্তৱতাক প্ৰতিফলন

১৪. গোস্বামী, মামণি ৰয়ছম ঃ *নীলকণ্ঠী ব্ৰজ*, পৃ.১১৯

১৫. উক্ত গ্ৰন্থ, পৃ.২২

ঘটাইছে। উপন্যাসখনত অস্থায়ী কৰ্মচাৰীৰ চাটাই, কোম্পানীৰ অপকৌশল, হৰিজন শ্ৰমিকৰ অনেক দুৰ্দশাৰ ছবিয়ে ঠাই পাইছে যদিও মূলতঃ নাৰী চৰিত্ৰ কেইটাৰ সামাজিক অৱস্থানে নাৰীসকলৰ এক অসহায় অৱস্থা দাঙি ধৰিছে।

উপন্যাসখনত নাৰায়ণী, বসুমতী বুঢ়ী এই দুটা মুখ্য নাৰী চৰিত্ৰৰ যোগেদি নাৰীৰ সামাজিক অৱস্থানৰ কথা আমি জানিব পাৰো। উপন্যাসখনৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ নাৰায়ণীৰ মাজেদি আমি নাৰী সমাজৰ দৰিদ্ৰতা আৰু অসহায় অৱস্থাটোৰ কথা হৃদয়ংগম কৰিব পাৰোঁ। বান্ধ নিৰ্মাণ কৰিব অহা ব্যক্তিগত খণ্ডৰ কোম্পানীৰ চাহাব এজনৰ লগত নাৰায়ণীৰ সম্পৰ্ক গঢ়ি উঠিছিল। নিজৰ কাৰ্য সিদ্ধি হোৱাৰ পিছত চাহাবে তাইক সমাজৰ দোহাই দি প্ৰতাৰণা কৰিছিল। কিন্তু চাহাবে তাইক 'কুঁহিয়াৰৰ সিঠা'ৰ দৰে চোবাই এৰিলে। পিছত অকলশৰীয়া হৈ পৰাত যক্ষ্মাৰোগী শিবু ধাছলাৰ সৈতে সংসাৰত বহি দুমহীয়া কেঁচুৱা এটিৰ মাক হ'ল। দৰিদ্ৰতাৰে কোঙা কৰি পেলোৱা নাৰায়ণীয়ে সন্তান আৰু গিৰিয়েকৰ পোহপালৰ বাবে নিজৰ দেহ বিক্ৰী কৰিছিল। অৱস্থাৰ দাসত্ব মানি নিজৰ দেহা তাই আনক দিছিল যদিও তাইৰ অন্তৰত পুৰুষৰ প্ৰতি প্ৰতিশোধৰ ভাব এটা পোষণ কৰি ৰাখিছিল। এইখন এনে এখন সমাজ আছিল য'তে হৰিজনে দেৱীৰ প্ৰসাদ ল'বলৈ নিমন্ত্ৰণ কৰিলে কেতিয়াও নাহে, অথচ সেইখন সমাজৰে গাভৰুক চুবলৈ অকণো কুণ্ঠাবোধ নকৰে। নাৰায়ণী চৰিত্ৰটোৰ যোগেদি নাৰী এগৰাকীৰ অৱস্থাৰ দাসত্ব আৰু পুৰুষ সমাজৰ লেলিহান দৃষ্টি পৰিস্ফুট হৈ উঠিছে। উপায়বিহীন তাই যেতিয়া দেহোপজীৱিনীৰ পথ ল'লে তেতিয়া এদিন বনুৱা পহৰাদাৰে তাইক অপমান কৰোঁতে তাই উগ্ৰমূৰ্তি ধাৰণ কৰিলে—

> *ধাচলাৰ বেমাৰৰ সময়ত মই নিমখৰ বস্তাৰ দৰে পেটটো লৈ ঘূৰি ফুৰোতে তহঁতে মোক এটা পইটা দি সহায় কৰিছিলিনে? এতিয়া ধৰ্মঘট কৰি তহঁতে পেটৰ ভাত মুঠি কাঢ়ি লোৱা নাইনে ছালাহঁত?* [১৬]

এনেকৈ এদিন কাম বিচাৰি ফুৰোতে হঠাৎ পূৰ্বৰ প্ৰেমিক চৌধুৰী চাহাবৰ তম্বুত কাম পালে। সুদীৰ্ঘ আঠ বছৰৰ মূৰত দেখাদেখি হোৱাত নাৰায়ণীৰ পূৰ্বৰ সকলো ক্ষোভ আঁতৰি গ'ল যদিও এইবাৰ কিন্তু তাই সৰু হৈ নিদিলে। চাহাবৰ টকা-পইচাৰ লোভত তাই এইবাৰ বিক্ৰী নগ'ল। কিন্তু চাহাবৰ কথাই তাইক আকৌ এবাৰৰ কাৰণে সোঁৱৰাই দিলে যে এইখন সমাজ পুৰুষৰ সমাজ, ইয়াত নাৰীৰ কোনো সন্মান নাই। নাৰায়ণীৰ খঙে মূৰৰ চুলিৰ আগ

---

**১৬.** ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. **১৬২**

পালেগৈ তেতিয়া যেতিয়া চৌধুৰী চাহাবে তাইৰ গিৰিয়েকৰ অসুখ বুলি জানি তাইৰ আৰু শিশুটিৰ বাবে কিবা সহায় কৰিব বিচাৰিলে।

*নাৰায়ণী মোৰ পৰা কিছু সহায় ল! শুনিছো তোৰ গিৰিয়েৰৰ বৰ অসুখ। ... ......*

*তোৰ শিশুটি .........................*

*নাৰায়ণী ... চব কথা খুলি কোৱাৰ জোখেৰে সাহস মোৰ সঁচাকৈয়ে নাই। তই মোৰ লগত সঁচাকৈয়ে সুখী হ'লিহেঁতেননে? আমাৰ ল'ৰা-ছোৱালীয়ে এই সমাজত...*[১৭]

নাৰায়ণীৰ আৰ্তনাদৰ মাজেদি বুজা যায় তাইৰ অন্তৰাত্মাত কিহৰ যুদ্ধ আছিল। সেয়ে তাই চাহাবক অদ্ভুত প্ৰশ্ন কৰিলে—চাহাব, তোমাৰ মানুহজনীয়ে গংগা প্ৰাৰ্থনা কৰেনে?[১৮]

এই প্ৰশ্নটোৰ আঁৰত যেন বহুতো কথাই লুকাই আছিল। যিজন চাহাবে এদিন তাইৰ লগত প্ৰেমৰ খেলা খেলি তাইৰ শৰীৰটো কুঁহিয়াৰৰ সিঠাৰ দৰে চেপি পেলাইছিল সেই চাহাবে কিন্তু তাইক বিয়া পাতি সমাজত স্বীকৃতি নিদিলে। চাহাবৰ ভাষাত নাৰায়ণীৰ লগত বিয়া হ'লে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে সমাজত স্বীকৃতি নাপালেহেঁতেন। কিন্তু বিয়াৰ আগৰ দৈহিক ক্ষুধা পূৰণ কৰিবলৈ চাহাবে তাইক ভালদৰেই ব্যৱহাৰ কৰিলে।

উপন্যাসখনত নাৰায়ণী আৰু বসুমতী বুঢ়ীৰ যোগেদি নাৰীৰ প্ৰতি নিৰ্লিপ্ততা, অৱহেলা তথা বিদ্বেষ পৰিলক্ষিত হয়। 'মামৰে ধৰা তৰোৱাল'ৰ শ্ৰমিক সমাজখনতো নাৰীৰ মৰ্যাদা অতি নিম্নগামী হিচাপে দেখুওৱা দেখা যায়।

সামন্তীয় সমাজ এখনৰ অৱক্ষয় আৰু সামাজিক ৰক্ষণশীলতা তথা অনুশাসনৰ মানৱতাবিৰোধী স্থিতি আৰু তাৰ বিৰুদ্ধে এগৰাকী বাল্যবিধৱাৰ প্ৰতিবাদ আৰু বিদ্ৰোহৰ নিৰ্মম বাস্তৱৰ কাহিনী 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ বিষয়বস্তু। উচ্চ বৰ্ণৰ কম বয়সীয়া বিধৱাৰ জীৱন-যাপনৰ এক দুখ লগা সামাজিক চিত্ৰণ অতি মৰ্মস্পৰ্শী ৰূপত এই উপন্যাসখনত দাঙি ধৰা হৈছে।

সমাজৰ সামাজিক অবিচাৰৰ ফলস্বৰূপে বিধৱাসকলে ভোগ কৰি অহা কৰুণ আৰু অসহায় অৱস্থাৰ কথা অতি মৰ্মান্তিক ৰূপত উপন্যাসখনত প্ৰকাশি উঠিছে। উপন্যাসখনিত ৰক্ষণশীল হিন্দু সমাজখনে ব্ৰাহ্মণ বিধৱাসকলৰ ওপৰত চলোৱা অমানৱীয় অত্যাচাৰ আৰু তাৰ ফলস্বৰূপে তেওঁলোকৰ জীৱনলৈ নামি অহা কাৰুণ্য, হতাশা আদিৰ বাস্তৱ প্ৰতিচ্ছবি

১৭. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. **১৮৮**

১৮. উক্ত গ্ৰন্থ, পৃ. **১৮৮**

অংকিত হৈছে। লেখিকাই বিধৱা নাৰীৰ অৱহেলিত আৰু অৱদমিত জীৱনৰ কাৰুণ্য দাঙি ধৰি তাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে।

মামণি ৰয়ছম গোস্বামীৰ ‘দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা’ উপন্যাসৰ বিষয়বস্তু ৰচিত হৈছে—আমৰঙা সত্ৰৰ পটভূমিত। উপন্যাসখনত এখন উঁৱলি যোৱা সমাজৰ চিত্ৰ লেখিকাই দেখুৱাইছে। দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰৰ পটভূমিত ৰচিত উপন্যাসখনৰ কাহিনীভাগ আগবাঢ়িছে সত্ৰৰ অধিকাৰ গোঁসাইৰ ঘৰখনক কেন্দ্ৰ কৰি। সত্ৰখনৰ স্বাধীনতাকালীন অৱস্থা, পৰম্পৰাগত ৰীতি-নীতি, বিধৱাসকলৰ শোষণ-বঞ্চনাৰ ছবি পৰিয়ালৰ বংশ মৰ্যাদা আদি দিশবোৰ লক্ষ্য কৰা যায়। উপন্যাসখনৰ নায়ক ইন্দ্ৰনাথ হ'ল আমৰঙা সত্ৰৰ ভাবী সত্ৰাধিকাৰ। সত্ৰৰ তিনিগৰাকী ব্ৰাহ্মণ বিধৱা যথাক্ৰমে ইন্দ্ৰনাথৰ পেহীয়েক দুৰ্গা, খুৰীয়েক সৰু গোসাঁনী আৰু ভনীয়েক গিৰিবালাই ইন্দ্ৰনাথৰ জীৱন আগুৰি আছে। সেই সময়ৰ আমৰঙা সত্ৰত নাৰীৰ দুঃসহ জীৱন যন্ত্ৰণা তথা কাৰুণ্যতাৰ ছবি এই তিনিগৰাকী বিধৱাৰ চৰিত্ৰৰ মাজেৰে প্ৰকাশ পাইছে. এই তিনিটা চৰিত্ৰৰ বেদনা, মানসিকদ্বন্দ্ব আদিৰ মাজেৰে সত্ৰৰ অমানৱীয় পৰিৱেশত বিধৱাসকলৰ জীৱন-যন্ত্ৰণাৰ এখন সামাজিক চিত্ৰ জীৱন্ত ৰূপত চিত্ৰিত হৈছে।

ইন্দ্ৰনাথৰ পেহীয়েক দুৰ্গাৰ এক ৰাজকীয় পৰিয়ালত বিবাহ হৈছিল। কিন্তু হঠাতে স্বামীৰ মৃত্যু হোৱাত শহুৰেকৰ পৰিয়ালে দুৰ্গাকেই অমংগলীয়া বুলি ভাবিলে। ঘৰত হোৱা যিকোনো অমংগলৰ বাবে দুৰ্গাকেই দোষাৰোপ কৰিলে।

“বিয়া সবাহ, ওচৰ-চুবুৰীয়াৰ মাংগলিক কাম ইত্যাদিৰ সময়ত এই পাপ গ্ৰহই ভূতৰ দৰে তাইৰ অস্তিত্বৰ লগত সানমিহলি হৈ পৰিল। পাকঘৰত কেতিয়াবা বেমাৰী ফেঁচা আহি পৰিলেও সেই পাপগ্ৰহৰ কথা দোহৰা হ'ল। এই পাপগ্ৰহৰ স্থিতিয়ে শহুৰৰ ঘৰত থাকোঁতে এনে এক ভয়ানক ৰূপ ল'লে যে বাহিৰ-ভিতৰ কৰাই ভয় লগা হৈ পৰিল। এৰা কি ঠিক, কাৰোবাৰ মংগলময় কামৰ সময়ত কিজানি দুৰ্গাৰ আৰ্ৱিভাৱ হয়। কত মংগলময় কাম হয়, পুহন বিয়া হয়, পুত্ৰৰ জন্ম হয়, বাসন্তী পূজা হয়। বিধৱা হোৱা কাৰণেই দুৰ্গাই খোৱা-বোৱা সকলোতে কঠোৰ নিয়ম মানি চলিবলগীয়া হ'ল। গাৰ ছালো ক'লা হ'ল। তুঁহ-জুইৰ ধোঁৱাই সমগ্ৰ দেহ যেন ছাটিহে ধৰিলে। খোৱা-বোৱাৰো কোনো থানথিত নোহোৱা হ'ল। এই দুৰ্গাই আৱিষ্কাৰ কৰিলে গোহালিত চাৰিটা গাখীৰ দিয়া গৰু থকা সত্বেও তেওঁৰ বাবে একাষৰীয়াকৈ থোৱা পিতলৰ গিলাচৰ গাখীৰ একেবাৰেই পনীয়া।[১৯]

**১৯.** ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. **৩৫৫**

সেই সময়ত সমাজত বিধৱাসকলৰ স্থান একেবাৰে দুখ লগা আছিল। এওঁলোকে সমাজত অতি নিম্নমানৰ জীৱন-যাপন কৰিবলগা হৈছিল। গিৰিয়েক ঢুকালে কোনো কোনো স্থানত সতী যাবলগাও হৈছিল। গিৰিয়েক ঢুকোৱাৰ কাৰণ হিচাপে পত্নীকে 'কুলক্ষণী' বুলি জগৰীয়া কৰা হৈছিল।

গিৰিবালা উপন্যাসখনৰ আন এটা মুখ্য চৰিত্ৰ। এই চৰিত্ৰটোৰ জৰিয়তে আমি সেই সময়ত নাৰীৰ সামাজিক অৱস্থানৰ কথা গম পাব পাৰোঁ। ব্ৰাহ্মণ বিধৱা হিচাপে গিৰিবালাইও কঠোৰ নীতি-নিয়মৰ মাজত চলিব লগা হৈছিল। সমাজে জাপি দিয়া এই কঠোৰ নিয়মবোৰে তাইক মানসিকভাৱে কোঙা কৰি পেলাইছিল।

পুৰুষতান্ত্ৰিকতাই সমাজ এখনৰ উত্তৰণৰ পথত হেঙাৰ হৈ উঠে। সেইবাবে আৰ্থ-সামাজিক দিশসমূহৰ লগতে পুৰুষতান্ত্ৰিকতাৰ লক্ষণবোৰ চিনাক্ত কৰাটোহে আমাৰ প্ৰধান কৰণীয় হোৱা উচিত। যেতিয়ালৈকে আলোচনাবোৰ নাৰী পুৰুষৰ শত্ৰু নে পুৰুষ নাৰীৰ শত্ৰু এই পৰ্যায়তেই সীমাবদ্ধ থাকিব, তেতিয়ালৈকে এই ব্যৱস্থাও সুৰক্ষিত হৈ থাকিব। উপন্যাসখনৰ এই নাৰী চৰিত্ৰসমূহ অনুধাৰণ কৰিলে আৰু বৰ্তমানৰ আধুনিক নাৰীসকললৈ দৃষ্টি দিলেও বহুতো ক্ষেত্ৰত সাম্প্ৰতিক পৰিস্থিতিত দেখা যায় অসমৰ নাৰীসকলৰ সামাজিক অৱস্থান এক জটিলতাৰ মাজেৰে গতি কৰিছে।

'ছিন্নমস্তাৰ মানুহটো' উপন্যাসখনত ধৰ্মৰ নামত গঢ় লৈ উঠা এক নিষ্ঠুৰ সামাজিক প্ৰথাৰ বিৰুদ্ধে বলিষ্ঠ কিন্তু নীৰৱ প্ৰতিবাদ দেখুওৱা হৈছে। লগতে উপন্যাসখনত নাৰীৰ সামাজিক অৱস্থান যে অতি দুখলগা তাকো সাৰ্থক ৰূপত তুলি ধৰিছে।

ধৰ্মীয় প্ৰথাৰ বিৰুদ্ধে 'ছিন্নমস্তাৰ মানুহটো'ত যি প্ৰতিবাদ উত্থাপিত হৈছে, সেয়া হ'ল কামাখ্যা মন্দিৰৰ (বা যিকোনো ধৰ্মীয় অনুষ্ঠানৰ) বলিপ্ৰথা। উপন্যাসখনৰ বৃত্তান্তৰ পটভূমি কামাখ্যা মন্দিৰ আৰু তাৰ কাহিনীকাল বৃটিছ শাসনৰ কালছোৱা বা প্ৰধানকৈ বিংশ শতাব্দীৰ প্ৰথমাৰ্ধ। কামাখ্যাত যদিও আদিতে নৰবলি প্ৰথা আছিল, সেই প্ৰথা এতিয়া উঠি গৈছে; কিন্তু তাত ম'হ, ছাগলী, পাৰ আদিকে ধৰি অন্য প্ৰাণীৰ বলিপ্ৰথা এতিয়াও পূৰাদমে চলি আছে। ধৰ্মৰ নামত প্ৰাণী হত্যা কৰা এই ৰক্তাক্ত প্ৰথা হৃদয়হীন আৰু অমানুষিক বুলি ঔপন্যাসিকাই ইয়াত বলিপ্ৰথাৰ সামৰণি বিচাৰিছে। সমান্তৰালভাৱে ইয়াত আছে নিৰ্জু প্ৰাণীৰ দৰেই নাৰীৰ প্ৰতি দেখুওৱা পুৰুষৰ হৃদয়হীনতা আৰু নিষ্ঠুৰতা।[২০]

২০. শৰ্মা, গোবিন্দ প্ৰসাদ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৩২

উপন্যাসখন কেইবাটাও সৰু সুৰা ছিগা কাহিনীয়ে আগবঢ়াই নিছে। কিন্তু এই ঘটনাবোৰৰ বেলেগ বেলেগ কাহিনী আছে যদিও ইয়াৰ সংযোগ আছে। মন্দিৰৰ নিৰ্জু প্ৰাণীৰ বলিপ্ৰথাক নিমাখিত, নিৰ্যাতিতা নাৰীৰ লগত তুলনা কৰা হৈছে। কামাখ্যাধামত শান্তি বিচাৰি ওলাই অহা এগৰাকী নাৰী হৈছে ডৰথী ব্ৰাউন। ডৰথী ব্ৰাউনে স্বামী কটন কলেজৰ অধ্যাপক হেনৰী ব্ৰাউনৰ দ্বাৰা প্ৰতাৰিত হৈ কামাখ্যাধামৰে এটা ভগ্নপ্ৰায় ঘৰত জঁটাধাৰীৰ আশ্ৰয়ত থাকিবলৈ লয়। জঁটাধাৰী আছিল বলিপ্ৰথাৰ বিৰোধী। ইপিনে নিৰ্যাতিতা ডৰথী আৰু জঁটাধাৰীৰ বিপক্ষে কুৎসা ৰটনা কৰা এচাম লোকে প্ৰতি মুহূৰ্ততে তেওঁলোকক চকু দি আছে। নিৰ্দোষী পশুবোৰ আৰু নিৰ্যাতিতা ডৰথীৰ কাহিনী একেডাল ৰছীতে যেন ওলমি ৰৈছে। ডৰথীক লৈ যেন এচামৰ সন্দেহ হৈছে। জঁটাধাৰী আৰু ডৰথী ছমাহৰ কাৰণে কামাখ্যাৰপৰা ক'ৰবালৈ গুচি যোৱাক লৈও সকলোৰে যেন অসুবিধা। গিৰিয়েকৰপৰা প্ৰতাৰণা পাই কামাখ্যাত শান্তি বিচাৰি আহিও তাইক শান্তিয়ে লগ দিয়া নাই। সমাজৰ এচাম লোকে ডৰথীক লৈ কৌতুহলী হৈ পৰিছে। ছমাহ পিছত জঁটাধাৰী আৰু ডৰথী দুয়ো একেলগে উভতি আহোঁতে যেতিয়া তাই শকত আবত হৈ আহিল, ডৰথীৰ সেয়া গৰ্ভৰতী অৱস্থা বুলি সন্ন্যাসী আৰু তেওঁৰ দলে প্ৰচাৰ কৰিলে। নিৰ্যাতিতা নাৰীসকলক বলিৰ পঠা হোৱা পশুৰ দৰে বুলি লেখিকাই উল্লেখ কৰিছে। উপন্যাসখনত জঁটাধাৰী আৰু ডৰথীৰ মাজৰ সম্পৰ্কৰ কাহিনীটোত নাৰী চেতনাৰ আভাস পোৱা যায়। নাৰী সামাজিকভাৱে ইমান নিম্নখাপৰ যে প্ৰতাৰিত গিৰিয়েকৰ পৰা আঁতৰিও ডৰথী শান্তিত থাকিব পৰা নাই। মানুহৰ কুৎসা ৰটনাই তাইক চেপি ধৰিছে। স্বামীৰ দ্বাৰা বঞ্চিতা, প্ৰতাৰিতা ডৰথীয়ে আশ্ৰয় লৈছে সাধুবাবাৰ ওচৰত। সাধুবাবাই আশ্ৰয়ও দিছে। ইয়াকে লৈ ধৰ্মীয় সমাজখনৰ বু বু বা বা।

ডৰথী আৰু জঁটাধাৰীৰ সম্পৰ্ক আত্মিক বুলিহে উল্লেখ আছে যদিও যৌনমিলন হোৱা নাছিল বুলি একেযাৰে কৈ দিব নোৱাৰি। যদি দৈহিক সম্পৰ্কও ঘটিছিল তাক অন্যায় বুলি ক'ব নোৱাৰি। কাৰণ ডৰথী আছিল স্বামীৰ দ্বাৰা প্ৰতাৰিতা। ডৰথীৰ স্বামীয়ে পত্নী থকাৰ পিছতো খাছী গাভৰুগৰাকীৰ লগত অবৈধ সম্পৰ্ক ৰাখি পত্নীক প্ৰতাৰণা কৰি আছিল। কিন্তু ডৰথীয়ে সম্পূৰ্ণৰূপে স্বামী ত্যাগ কৰাৰ পিছতহে জঁটাধাৰীৰ আশ্ৰয়ত আছিল। গতিকে এওঁলোকৰ মাজত দৈহিক সম্পৰ্ক ঘটিলেও, তাত মাত মাতিবলগীয়া সমাজৰ একো নাই।

এগৰাকী স্বামীৰদ্বাৰা প্ৰতাৰিত হোৱা মহিলাই স্বামীৰ সংগ এৰি আঁতৰি থাকোঁতে তেওঁ কি কৰে, কি নকৰে— তাক লৈ সমাজ চকু চৰহা হয়? দিনে ৰাতিয়ে পৱিত্ৰ ধৰ্মৰ স্থানত

শ শ নিমাত, নিৰ্দোষ পশুক বলি দি থকাৰ বিপক্ষে থিয় দিয়া ধাৰ্মিক লোক এজনে স্বামীয়ে অন্যায় কৰা এক নাৰীৰ বেদনা বুজি তেওঁক আশ্রয় দিলে, তেওঁলোকৰ সেই ব্যক্তিগত ব্যৱস্থাৰ বিৰুদ্ধে বা ব্যক্তি স্বাধীনতাৰ বিৰুদ্ধে সমাজে মাত মাতে কিয় ?[২১] আনহাতে কিছুমান পুৰুষে পৰ্দাৰ আঁৰত অনৈতিক কাম-কৰিও সমাজত ভদ্ৰলোক হৈ থকা সমাজে নেদেখে কিয় ? নিজৰ চিকিৎসাৰ বাবে তেওঁ এবছৰলৈ গৈছিল স্বদেশলৈ, স্বামীক গুৱাহাটীত তেওঁৰ কামতে এৰি। তেওঁৰ স্বামীয়ে তেওঁৰ অনুপস্থিতিৰ সুযোগ লৈ এগৰাকী খাছী তিৰোতাৰ লগত অবৈধ সম্পৰ্ক স্থাপন কৰিলে। উভতি আহি তেওঁ স্বামীৰ সেই সম্পৰ্ক দেখি মনৰ শান্তি বিচাৰি কামাখ্যাধামত উঠিছে। কামাখ্যাৰ সমাজখনে তেওঁৰ স্বামীৰ বিপক্ষে মাত মতা নাই। মাত মাতিছে তেওঁৰ বিপক্ষেহে।[২২] অৰ্থাৎ সমাজত নাৰীৰ ব্যক্তিসত্বাৰ একো মূল্যই নাই। ডৰথীৰ স্বামী হেনৰী ব্ৰাউন পৰস্ত্ৰীৰ লগত অবৈধ সম্পৰ্কত লিপ্ত কিন্তু ঘৈণীয়েকে মনৰ শান্তি বিচাৰি জঁটাধাৰীৰ আশ্ৰয় লোৱা কথাটো মানি ল'ব খোজা নাই। এদিন মানুহৰ ভিৰৰ মাজতে ডৰথীক গুলীয়াই হত্যা কৰিলে সম্ভৱতঃ গিৰিয়েক বা তেওঁৰে নিযুক্ত কোনোবা মানুহে।

সমান্তৰালভাৱে উপন্যাসখনত বিধিবালা নামৰ কোমল বয়সীয়া ছোৱালী এজনীৰ কাহিনীয়ে সমাজত নাৰীৰ স্থান নিৰ্ণয় কৰে। বিধিবালা আছিল শুৱালকুছিৰ গোড়া, তান্ত্ৰিক ধৰ্মান্ধলোক সিংহদত্তৰ জীয়ৰী। তাইৰ আপত্তি স্বত্বেও এজন আদহীয়া মানুহ যাৰ দ্বিতীয় বিবাহ হৈছে আৰু সন্তানো আছে পূৰ্বৰ পত্নীৰ পিনৰ তেনেকুৱা এজন পুৰুষৰ লগত দেউতাকে বিয়া দিব বুলি জোৰকৈ ক'লে। লগতে জীয়েকৰ মংগলৰ কাৰণে কামাখ্যাত ম'হ বলি দিব। এনেকুৱা পৰিস্থিতিত পৰি বিধিবালাই নিজৰ অৱস্থাৰ কথা বাদ দি ম'হটোৰ প্ৰতি সহানুভূতিত ৰাতি মনে মনে এৰি দিলে। ইপিনে দেউতাক আকোৰগোঁজ। যিকোনো প্ৰকাৰে তাইক সেইজন মানুহলৈকে বিয়া দিব। বিধিবালাৰ দুখ সহিব নোৱাৰি ৰত্নধৰ নামৰ এজন সংবেদনশীল যুৱকে বিধিবালাক বিয়া কৰাব বুলি দেউতাকক প্ৰতিশ্ৰুতি দিলে। কিন্তু মতান্ধ সিংহদত্তৰ মইমতালি এখোপ চৰি গ'ল। জীয়েকক আদবয়সীয়া মানুহজনলৈ বিয়া দিয়া আৰু ম'হটো বিচাৰি কামাখ্যাত বলি দিয়া এই দুটা কথাতে লাগি থাকিল।

---

২১. গোস্বামী, মামণি ৰয়ছম ঃ *ছিন্নমস্তাৰ মানুহটো*, পৃ. ১৪০

২২. উক্ত গ্ৰন্থ, পৃ. ১১৫

বিধিবালা শোচনীয়ভাৱে ভাগি পৰিল। উপায়হীন হৈ তাই স্বেচ্ছাই দলভুক্ত হ'ল কামাখ্যাধামৰ “উত্তৰ শেখাদাৰী”[২৩] বেশ্যাহঁতৰ। দেউতাকৰপৰা পলাবলৈ তাই সিহঁতৰ লগতেই কোনো অজান গন্তব্যস্থানলৈ ওলাই গ'ল। কিন্তু ওভটনি যাত্ৰাত নাৰতে তাইৰ মৃত্যু হ'ল। দলটোৰ এগৰাকীয়ে ক'লে, দেহা বিকা কামৰ বাবে তাই যোৱা নাছিল। নাখাই নবৈ, নানা দুখ কষ্ট লৈ তাইৰ মৃত্যু হৈছিল। সমাজত নাৰীৰ এই দশাই নাৰীসকলকেই যেন কন্দুৱাইছে। এয়াই নাৰীৰ অৱস্থা। পিতৃৰ ধৰ্ম ৰক্ষা কৰিবলৈ আদহীয়া সন্তান থকা মানুহৰ লগত বিবাহ হোৱা অথবা কামাখ্যাধামৰ ধৰ্মৰ নামত বেশ্যা হ'বলগা নাৰীবোৰ, বলি দিবলৈ টানি নিয়া ম'হ, ছাগলীবোৰ— এই সকলোবোৰ পুৰুষতন্ত্ৰৰ সমাজখনত বলিৰ পঠা হৈ পৰিছে। পুৰুষপ্ৰধান সমাজখনত নাৰী নিৰ্যাতন অথবা চোঁচৰাই বলি দিবলৈ নিয়া নিৰ্জু প্ৰাণীটো সকলোৰে যেন একেই অৱস্থা।

### ৪.২.২ নাৰীৰ ধৰ্মীয় দিশ

ধৰ্ম মানে মূলতঃ আইন বুজোৱা হৈছিল যদিও কালক্ৰমত উপনিষদীয় যুগত চতুৰাশ্ৰমৰ কৰণীয় কামকো বুজাবলৈ ধৰিলে। মহাভাৰতত ধৰ্ম শব্দই বিস্তৃত ক্ষেত্ৰ সামৰি লৈ ‘ধাৰক’ অৰ্থ বুজালে। টীকাকাৰ মেধাতিয়িয়ে বিশ্লেষণ কৰি দেখুৱাইছে যে মনুসংহিতা আদিত পাঁচ প্ৰকাৰৰ কৰ্তব্যক বুজাবলৈ ‘ধৰ্ম’ শব্দ ব্যৱহাৰ কৰা হয়- সেইকেইটা হৈছে-- বৰ্ণধৰ্ম, আশ্ৰয়ধৰ্ম, বৰ্ণাশ্ৰমধৰ্ম, নৈমিত্তিকধৰ্ম আৰু গুণধৰ্ম। বেদবিহিত আৰু আত্যান্তিক সুখ প্ৰদায়ক ক্ৰিয়া-কলাপেই মূলতঃ ধৰ্মপদবিজ্ঞেয়। ধৰ্মৰ মূল হৈছে বেদ। মন কৰিব লাগিব যে ইয়াত ধৰ্মই religion বুজোৱা নাই। গৃহ্যসূত্ৰ, কল্পসূত্ৰ, ধৰ্মশাস্ত্ৰ আদি গ্ৰন্থবিলোকে ভাৰতীয় সংস্কৃতিক মহীয়ান কৰি গঢ়ি তোলাত প্ৰভূত বৰঙণি যোগাইছে। আধুনিক ভাৰতৰ আইন, সংবিধান আদি ৰচনাত এই শাস্ত্ৰবিলাকে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে।[২৪]

---

২৩. ‘উত্তৰ শেখাদাৰী’সকল কামাখ্যাৰ এদল বেশ্যা। কামাখ্যাৰ কিম্বদন্তী মতে চৈত্ৰবংশীয় ৰজা বিশ্বম্ভৰে কুৎসিত ক'লাৰঙৰ বেশ্যাৰ জীয়েক এজনীক পূজা কৰি মহামুক্তি লাভ কৰিছিল। কামাখ্যাৰ এইসকল বেশ্যা ক'ৰ হয় সঠিককৈ ক'ব নোৱাৰি। কিন্তু ধৰ্মীয় কিম্বদন্তীৰ আধাৰত কামাখ্যাৰ তন্ত্ৰপীঠত এওঁলোকক কাঞ্চীকুমাৰী বুলি কোৱা হয়।

২৪. ভৰালী, অজিত, কলিতা , ৰজিতা (সম্পা.) ঃ *বিষয় নাৰী,* মহেশ্বৰ হাজৰিকাৰ ‘ধৰ্মশাস্ত্ৰত নাৰীৰ মৰ্যাদা’, পৃ. ৫০

মনুসংহিতাত কোৱা হ'ল যে পুৰুষে নিজৰ স্ত্ৰীকে অস্বতন্ত্ৰ কৰি ৰাখিব লাগে; বিভিন্ন বিষয় ভোগত আসক্ত কৰি হ'লেও নিজৰ বশত ৰাখিব লাগে ছোৱালীয়ে হওক বা গাভৰুয়েই হওক বা বুঢ়ীয়েই হওক কোনো নাৰীক স্বতন্তৰীয়াভাৱে ঘৰুৱা কাম বন কৰিবলৈকো দিব নালাগে। সৰুকালত তেওঁলোক পিতাকৰ বশত থাকিব লাগে; গাভৰু কালত স্বামীৰ বশত আৰু পৈয়েক বা স্বামী ঢুকালে পুতেকৰ বশত থাকিব লাগে। বশ কৰাৰ তাৎপৰ্য এনে হ'ব পাৰে যে পোহনীয়া জন্তুৰ দৰে বা চাকৰ-চাকৰণীৰ দৰে ব্যৱহাৰ কৰি ছলে বলে কৌশলে পুৰুষে নিজৰ মনোৰথ পূৰ্ণ কৰাত নাৰীক কামত লগাব লাগে।[২৫]

মনুৱে কৈছে নাৰীয়ে ৰূপৰ পৰীক্ষা নকৰে, সুন্দৰ কুৎসিত, বয়স আদিলৈ গুৰুত্ব নিদি পৰপুৰুষৰ লগতো সম্ভোগ কৰাৰ ইচ্ছা কৰে। আ-অলংকাৰ, আহাৰ-বিহাৰেৰে উপচাই দিলেও নাৰীয়ে সদায় পুৰুষক শোষণ কৰি থাকে। মনুৰ মতে নাৰীয়ে কুমাৰীকালত পুৰুষক সংশয়ৰ দৃষ্টিৰে চায়, যৌৱনত মুখ ওভোতায়, বৃদ্ধকালত পতিক ভৃত্যৰ দৰে ব্যৱহাৰ কৰে। দেখা যায় নাৰীৰ যৌনতাক পুৰুষসকলে তেতিয়া অৱজ্ঞাৰ চকুৰে চাইছিল। নাৰীসকলক উচ্ছৃংখলতাৰ প্ৰধান কাৰণ বুলি আখ্যা দিছিল। ইয়াৰ ভিত্তিতে সমাজত নাৰীৰ বাল্যবিবাহৰ প্ৰচলন হ'ল বুলি দাবী কৰিব পাৰি। শাস্ত্ৰকাৰে নিৰ্দেশ দিছিল যে যুৱকে নিজতকৈ বয়সত সৰু আনে বিয়া নকৰোৱা, যুৱতীক বিয়া কৰাব। ইয়াত কোনো ধৰণৰ বয়সৰ সীমা নাই। ৰজস্বলা হোৱাৰ আগতেই ছোৱালী বিয়া দিয়াটো ঋষিসকলে বাধ্যতামূলক কৰিছিল। ছোৱালী বিয়া দিব নোৱাৰাটো অভিভাৱকৰ বাবে ডাঙৰ চিন্তাৰ কাৰণ আছিল। প্ৰায়শ্চিত্ত কৰিব লগা হৈছিল।

গৃহাস্থাশ্ৰমত নাৰীসকলক বিশেষ দৃষ্টি দিয়া হয়। মাতৃ, ভগ্নী আদি বিভিন্ন ৰূপৰ নাৰীৰ ভিতৰত পত্নীৰ প্ৰতি অধিক মনোযোগ দিছে। যজ্ঞ সম্পাদন আৰু পুত্ৰ উৎপাদন- এই দুটাই পত্নীৰ মূল কাৰ্য বুলি কৈছে। ব্ৰাহ্মণ্য সমাজত পতি অবিহনে পত্নীৰ কোনো স্বকীয় অস্তিত্বই নাই। পতিৰ অনুপস্থিতিত তেওঁ স্বতন্ত্ৰভাৱে ধৰ্মচৰ্চাও কৰিব নোৱাৰে। যি নাৰী স্বামীৰ অনুগতা হৈ থাকে, স্বামীৰ বহুপত্নী থাকিলেও যিগৰাকী বীৰ প্ৰসৱিনী, আজ্ঞা সম্পাদিনী, প্ৰিয়বাদিনী আৰু শুদ্ধা তেওঁকহে যজ্ঞকৰ্মত নিয়োগ কৰিব লাগে। সন্তান জন্ম দিয়াৰ ক্ষেত্ৰত আকৌ কন্যা সন্তান জন্ম দিয়াত ধৰ্মশাস্ত্ৰকাৰসকলে মুঠেই গুৰুত্ব দিয়া নাই।

শাস্ত্ৰকাৰসকলৰ মতে যদি তিৰোতাক শাৰীৰিকভাৱে শাস্তি প্ৰদান কৰা নহয় তেন্তে সেই নাৰী বশত নাথাকে, কোবালেহে স্ত্ৰী শ্ৰী হৈ থাকে। যি নাৰী পতিপ্ৰাণা নহয়, যজ্ঞাগ্নি

২৫. ভৰালী, অজিত, কলিতা , ৰজিতা (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৮

বহন কৰিব নোৱাৰে আৰু পুত্ৰ সন্তান জন্ম দিয়াত অপাৰগ হয় তেনে নাৰীক অপৱিত্ৰ বুলি গণ্য কৰা হয়। নাৰীৰ ওপৰত পুৰুষৰ অভিভাৱকত্বই চৰম সীমা চুইছিলগৈ। নাৰীৰ ওপৰত ঈৰ্ষাপূৰ্ণ অভিভাৱকতাই প্ৰমাণ কৰে যে নাৰীসকল অৱনমিত হৈছে আৰু আমি আদিম স্তৰলৈ উলটি গৈছোঁ। আজিও ভাৰতীয় নাৰীয়ে মুক্তকণ্ঠে মনৰ কথা ক'বলৈ দ্বিধাবোধ কৰে। এই অৱস্থা দূৰীকৰণৰ বাবে নিশ্চয়কৈ পুৰুষসকলে দাসত্বৰ ভাৱ মনৰপৰা আঁতৰাই পেলাব লাগিব। এক ব্যক্তিসত্বা হিচাপে জীয়াই থকাৰ অধিকাৰ পুৰুষৰ দৰে নাৰীৰো আছে।

গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনত নাৰীৰ ধৰ্মীয় অৱস্থানৰ কথা পোৱা যায়। উপন্যাসখনত দেখা যায় যে পুৰুষতন্ত্ৰৰ সমাজখনত ধৰ্মীয় গোড়ামিৰ বাবে নাৰীসকল নিষ্ঠুৰতাৰ বলি হ'ব লগা হৈছে। প্ৰধান চৰিত্ৰ সৌদামিনী ভৰ যৌৱনতে বিধৱা হ'ল। কিন্তু সমাজৰ আৰু, ধৰ্মৰ কথা দোহাই দি তাই বাকী থকা জীৱনটো ঈশ্বৰৰ ওচৰত সমৰ্পণ কৰিব লাগিব বুলি পিতৃ-মাতৃয়ে দাবী জনালে। তথাকথিত উচ্চ হিন্দু সমাজৰ মতে তাই তৰুণী বিধৱা ব্ৰতচাৰিণী হ'ব লাগিব। ইন্দ্ৰিয়ানুভূতি, দেহজ কামনা সকলো দমন কৰি হ'লেও তাই দ্বিতীয়বাৰ বিয়াত বহিব নোৱাৰে। এয়া ধৰ্মৰ দাবী। সেয়েহে দেউতাক ৰায়চৌধুৰী আৰু মাক অনুপমাই তাইক পৱিত্ৰ ধৰ্মীয় স্থান, কৃষ্ণৰ লীলাভূমি ব্ৰজধামলৈ লৈ আনিলে। বিধৱা হৈ কৃষ্ণপ্ৰেমত মজি থকা এনেকুৱা শ শ সৰ্বহাৰা হিন্দু নাৰীয়ে ব্ৰজধামত জীৱন কটাইছে। এই ৰাধেশ্যামীসকলে কেৱল অকণমান অন্নৰ বাবে, লজ্জা নিবাৰণৰ এখনি কাপোৰৰ বাবেই আশাত কৃষ্ণকীৰ্তন কৰি থাকে। মানৱতাৰ সলনি ব্ৰজধামত ধৰ্মৰ নামত বিধৱা নাৰীসকলে লঘোণে মৰিব লগা হয়। সমাজে সৃষ্টি কৰা ধৰ্মৰ নিয়মে নাৰীক কোঙা কৰি পেলাইছে। ইয়ালৈ আহি সৌদামিনীয়ে এইবোৰ মানি ল'ব পৰা নাই। তাই সমাজে সৃষ্টি কৰা ধৰ্মৰ নিয়ম মানিবলৈ অপাৰগ। নিজৰ দৈহিক কামনাক তাই বাধা দিব পৰা নাই।

ব্ৰজধামৰ ধৰ্মীয় পৰিৱেশৰ বাস্তৱ ৰূঢ়তাই পাঠকক চুই যায়। ব্ৰজধামৰ নিৰন্তৰ ধৰ্মীয় আচাৰ অনুষ্ঠান, পূজা-পাৰ্বণৰ মাজত সৌদামিনিৰ চকুত পৰে অনেক কদাচাৰ, নিষ্ঠুৰতা, লোলুপ দৃষ্টিৰ সমাহাৰ। উপন্যাসখনৰ বহুতো ঘটনা-পৰিঘটনাৰ পৰা সমাজে সৃষ্টি কৰা ধৰ্মৰ নামত এইসকল ৰাধেশ্যামীৰ জীৱনৰ ভগ্নতা চকুত পৰে।

অলপ আঁতৰত এজাক বুঢ়ী আঁঠুত মূৰ গুজি বহি আছে— সিহঁতৰ সন্মুখত এটি মৰাশ'। বহি থকা বুঢ়ীজাকে কন্দা কটা কৰা নাই। বৰ অসহায় হোৱাৰ দৰে সিহঁত বহি আছে। মৃতকে ব্যৱহাৰ কৰা বস্তুবোৰ সিঁচৰতি হৈ পৰি আছে। বিচিত্ৰ বৰণৰ ফটা কাপোৰৰ

দ’ম, পানী খোৱা মাটিৰ কলহ, শীতত ব্যৱহাৰ কৰা গোবৰৰ কাণ্ডা— হঠাৎ দৈত্যাকৃতিৰ পাণ্ডা এটা যমদূতৰ দৰে সেইখিনিত আহি উপস্থিত হ’ল— ভয়াতুৰ বুঢ়ী কেইজনীয়ে ইজনীয়ে সিজনীৰ ওচৰত ঘন হৈ বহিল। পাণ্ডাই বুঢ়ীৰ বস্তুবোৰ লণ্ডভণ্ড কৰি চাব ধৰিলে। তাৰ পাছত তেওঁ পানীখোৱা মাদকা আৰু গোবৰৰ কাণ্ডাবোৰ ভৰিৰে গুৰিয়াব ধৰিলে। ... বুঢ়ী কেইগৰাকী ভয়ত পেঁপুৰা লাগি কিছুদূৰ পিছুৱাই গ’ল। ইয়াৰ পিছত পাণ্ডাই মৃতকৰ অস্থি চৰ্মসাৰ নিৰ্জীৱ দেহটি খেপিয়াব ধৰিলে। কি ঠিক কিজানি সোণৰ নাইবা ৰূপৰ মাদলি এটা বুঢ়ীৰ কঁকাল নাইবা বাহুৰ কোনোবা এঠাইত বন্ধা আছেই? আছে—আছে পাণ্ডাই কিবা এটা টান মাৰি ছিঙিলে। লগে লগে বুঢ়ীৰ কঁকালটি উলংগ হৈ খাটিয়াৰ ওপৰত হামখুৰি খাই পৰিল। মানৱতা আৰু জীৱনৰ প্ৰতি ভ্ৰূকুটি দেখুৱাই থকা এই অদ্ভুত অবিশ্বাস্য নগ্ন দেহটো দেখি সৌদামিনীৰ নাকৰ পাহি দুটা কঁপি উঠিল।[২৬]

এই বিধৱাসকলৰ এনে অৱস্থাই মানৱতাক ভুলুণ্ঠিত কৰে। ধৰ্মৰ নামত এওঁলোকৰ ইমানেই বীভৎস অৱস্থা হয় যে জীয়াই থাকোঁতেটো পেটৰ ক্ষুধাই নমৰে, মৃত্যুৰ পিছত শৰীৰটোৰো আলাই আথানি হয়।

সৌদামিনীৰ চকুত পৰিল কিছুমান ভগ্ন খুপৰি। পাৰৰ বাহৰ দৰে খুপৰি এইবোৰ। এজাক বিধৱা ৰাধেশ্যামীয়ে এই খাপৰি বিলাকত বাস কৰে। ইহঁতৰ অস্থি চৰ্মসাৰ দেহ, গাত বিবৰ্ণ মলিয়ন ধুতি। কিন্তু কপালত সিহঁতৰ দগমগাই আছে বিভূতি আৰু গোপীচন্দনৰ ৰেখাৰ সমাৰোহ।[২৭]

সৌদামিনীক দেখি সিহঁত খুপৰীৰ পৰা ওলাই আহিল। পৰম বিস্ময়েৰে এই অস্থি চৰ্মসাৰ বৃদ্ধা নাৰীৰ দলটিয়ে তাইক বেঢ়ি ধৰিলে। “আইসকল আপোনালোক ইয়াত কেনেকৈ জীৱন ধাৰণ কৰে?”[২৮]

আইসকলে এজনীয়ে আন এজনীৰ মুখলৈ চালে। কৰঙত সোমোৱা অদ্ভুত চকু দুটাত দিনৰ উজ্জ্বলতা সানি এজনীয়ে ক’লে ঃ দৰকাৰ হ’লে আমি ‘কাঁচৰ মন্দিৰ’ আৰু ৰংগজীৰ দুৱাৰ মুখত বহি ভিক্ষা কৰোঁ আৰু দৰ্কাৰ হ’লে মালচা ভোগৰ আশাত আমি মন্দিৰৰ চিৰিত

---

২৬. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৭৪

২৭. উক্ত গ্ৰন্থ, পৃ. ২৭৭

২৮. উক্ত গ্ৰন্থ, পৃ. ২৭৭

বহি উজাগৰে ৰাতি কটাও। "ৰাধেশ্যামী হৈ ভজন আশ্ৰমত বহিলে আপোনালোকে ভালদৰে দুঁসাজ খাব পাৰিলেহেঁতেন! এইবাৰ গোটেই কেইগৰাকীয়ে ঢেক ঢেকাই হাঁহিব ধৰিলে।"[২৯]

সৌদামিনীও এই হতভাগিনী ৰাধেশ্যামীসকলৰে অস্তিত্বৰ সম্প্ৰসাৰণ—তাইৰেই বৈকল্পিক সত্বা (alter ego)। কিন্তু সৌদামিনীয়ে সমাজৰ ধৰ্মীয় বান্ধোনৰ মাজত থাকিব নোখোজে। অন্তৰ আৰু দেহৰ আহ্বান কোনোমতেই আওকাণ কৰিব নোৱাৰি তাই দেহ-মন এজন খ্ৰীষ্টান ডেকাৰ ওচৰত সঁপি দিলে। স্বাভাৱিক দৈহিক কামনাক আওকাণ কৰিব নোৱাৰি তাই ক্ৰমাৎ অসুখী হৈ পৰিল। উপায়বিহীন হৈ দেউতাকেই শেষত যুৱকজনৰ ওচৰ চাপিবলৈ আগবঢ়াই দিলে। কিন্তু মাক-দেউতাকৰ কথা ভাবি তাই নিজৰ প্ৰেমিকক দেহ মন দান কৰিয়েই যমুনাত জঁপিয়াই প্ৰাণ দিলে। সমাজৰ ধৰ্মীয় নিষ্ঠুৰতাই সৌদামিনীৰ আত্মাক হত্যা কৰি পেলাইছে। কেৱল বিধৱা হোৱাৰ কাৰণেই তাইৰ জীৱন নৰকতকৈও ভয়াবহ হৈ পৰিছে। ব্ৰজধাম পৱিত্ৰ, ধৰ্মীয় পৰিৱেশ বুলি ভবাৰ বিপৰীতে লেখিকাই উল্লেখ কৰিছে ধৰ্মৰ নামত চলা শোষণ, নিপীড়ণ, অনাচাৰৰ পৰিৱেশ—নিষ্ঠুৰতা, ৰোগ আৰু মৃত্যু। য'ত কৃষ্ণ কীৰ্তন, পূজা-পাৰ্বণৰ সমান্তৰলভাৱে চলি থাকে।

উপন্যাসখনে শোষণ, অনাচাৰৰ ছবিৰে ধৰ্মীয় স্থান আৰু অনুষ্ঠানৰ নেতিবাচক দিশ দেখুৱাই দিছে ঠিকেই। কিন্তু ইয়াত ধৰ্ম, ঈশ্বৰ, আধ্যাত্মিকতাৰ বাতুলতা ক'তো দোহৰা নাই। ই মাথোন ধৰ্ম, আধ্যাত্মিক চৰ্চা আদিৰো যে দৈহিক স্থান তাকেহে দোহাৰিছে। মথুৰা-বৃন্দাবনৰ পৱিত্ৰ ভূমিত বা সমগ্ৰ ভাৰততে শোষণ-নিপীড়নৰ দৃশ্য দেখি শিল্পী ৰাকেশ কাতৰ হৈ উঠিছে। উপন্যাসখনে ধৰ্ম বা আধ্যাত্মবিৰোধী বস্তুবাদী আদৰ্শৰ অপৰিহাৰ্যতা দাঙি ধৰা নাই, চলিত অৱস্থাৰ বিৰুদ্ধে ই দৰাচলতে মাও-বিপ্লৱৰ তাগিদাও দিয়া নাই। ই বিচাৰিছে কেৱল পৰম্পৰাৰ নামত নাৰীৰ শোষণ-নিপীড়ণ অন্ত হোৱাটো, মানুহৰ মন সলনি হোৱাটো, ধৰ্মৰ পৱিত্ৰ স্থানত কৰুণা, মমতা, পৱিত্ৰতা বিৰাজ কৰাটো।[৩০]

নাৰীৰ অৱস্থা উন্নত কৰাৰ বাবে মানুহৰ মনত সদায় মানৱীয়তাৰ ভাৱ পোষণ কৰিব লাগিব। ধৰ্মীয় অনুষ্ঠানবোৰত মানৱপ্ৰেমে ঠাই পাব লাগিব।[৩১]

---

২৯. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৭৭

৩০. শৰ্মা, গোবিন্দ প্ৰসাদ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১২৫

৩১. উক্ত গ্ৰন্থ, পৃ. ১২৮

নীলকণ্ঠী ব্ৰজৰ দৰেই গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা' উপন্যাসতো হিন্দু সমাজৰ গোড়ামি আৰু ৰক্ষণশীল সামাজিক ধৰ্মীয় পৰম্পৰাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা দেখা গৈছে। উপন্যাসখনৰ তিনিটা প্ৰধান নাৰী চৰিত্ৰ গিৰিবালা, দুৰ্গা আৰু সৰু গোঁসানীৰ জীৱন সমাজৰ ধৰ্মীয় ৰক্ষণশীলতাৰ হেঁচাত নিষ্পেষিত হৈছে। ১৯৪৭ চনৰ সময়ৰ পটভূমিত উপন্যাসখনৰ কাহিনীভাগ ৰচিত হৈছে। সত্ৰীয়া ৰক্ষণশীল পৰম্পৰাৰ কাৰণে আমৰঙা সত্ৰৰ ভাবী অধিকাৰ ইন্দ্ৰনাথৰ পেহীয়েক দুৰ্গা, ভনীয়েক গিৰিবালা আৰু খুৰীয়েক সৰু গোঁসানীয়ে যন্ত্ৰণাময় বৈধব্য জীৱন কটাবলগীয়া হৈছিল।

গিৰিবালা সত্ৰৰ অধিকাৰ বৰগোঁসাইৰ ছোৱালী। তাইৰ বাল্যবিবাহ হৈছিল। অধিকাৰৰ ঘৰখন ধৰ্মীয় অৱস্থানৰ ফালৰে পৰাই হওক অথবা ধন সম্পত্তিৰ ফালৰে পৰাই হওক সমগ্ৰ অঞ্চলটোত জনাজাত। সেই পৰিয়ালৰে গিৰিবালাই বাল্যবিধৱা হিচাপে অন্ধবিশ্বাসী শহুৰেকৰ ঘৰত থাকিব নোৱাৰি মাকৰ ঘৰলৈ ঘূৰি আহিল। কিন্তু ইয়াতো ধৰ্মৰ নামত, সামাজিক ৰীতি-নীতিৰ নামত গিৰিবালাই যথেষ্ট কষ্ট পালে। তেওঁৰ এই মাকৰ ঘৰৰ এটা ডাঙৰ ভোজত যেতিয়া অঞ্চলটোৰ সকলো মানুহে খাঁহি মাংসৰ আঞ্জাৰে একেলগে খাবলৈ বহিছে কিশোৰী গিৰিবালাক তেতিয়া বিধবা বুলি ঢেঁকীশালত নি অকলে সুমুৱাই থোৱা হৈছে। খাঁহিৰ মাংসৰ ফুফুৰীয়া গোন্ধত ৰ'ব নোৱাৰি সামাজিক ৰীতিয়ে জোৰ পূৰ্বক ব্ৰতচাৰিণী কৰা বাল্যবিধবা গিৰিবালাই যেতিয়া ঢেঁকীশালতে কোনোবাই লুকুৱাই থোৱা এচৰীয়া মাংসৰ পৰা এটুকুৰা মাংস মুখত ভৰালে আৰু লগে লগেই ধৰা পৰিল, তেতিয়াই তেওঁ পালে পৰিয়ালৰ লোকসকলৰ পৰা কটু গঞ্জনা আৰু চৰ-ভুকু-কিল। এইগিৰিবালা ধৰ্মীয় সমাজৰ পৰম্পৰাৰ দ্বাৰা নিষিদ্ধ মাছ মাংসৰ দৰে বিলাসী ভোজনৰ পৰা বঞ্চিতইতো অকল নহয়, তেওঁ যৌৱনৰ স্বাভাৱিক মানৱীয়, লালসাবোৰ পূৰণ কৰাৰ পৰাও বঞ্চিত, যদিও পুৰুষ তেওঁৰ অৱস্থানত এইবোৰৰপৰা বঞ্চিত নহয়।[৩২] লেখিকাৰ ভাষাত--

> *দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা''ত গিৰিবালাৰ যোগেদি মই স্বাধীন নাৰীৰ সন্ধান কৰিছোঁ। যি সমাজৰ অপ্ৰয়োজনীয় ৰীতি-নীতিৰ গণ্ডী ভাঙি মেলেচক ভাল পাবলৈ শিকিছে। মাথোঁ সেয়াইনে? মেলেচ গুচি যাব বুলি শুনি বৰষুণৰ ৰাতি গিৰিবালাই তেওঁৰ দুৱাৰত ঢকিয়াইছিল। ... সেই যুগৰ নাৰীৰ এয়া কম প্ৰতিবাদনে?*[৩৩]

---

৩২. দাস, অমলচন্দ্ৰ (সম্পা.) ঃ *ভাষা সাহিত্য সম্ভাৰ,* গোবিন্দ্ৰ প্ৰসাদ শৰ্মাৰ 'মামণি ৰয়ছম গোস্বামীৰ দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা', পৃ. **৩৩৮**

৩৩. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. **৩৬৩**

ধৰ্মীয় গোড়ামীৰ নামত গিৰিবালাই সমাজত যথেষ্ট কষ্ট সহিব লগা হৈছিল। "নুচুবি! নুচুবি! এইমাত্র বাঁৰী হোৱা তিৰি ঐ শিৰত সেন্দূৰ পিন্ধা তিৰীহঁত"[৩৪]

ধৰ্মৰ নামত, সামাজিক আচাৰৰ নামত গিৰিবালাহঁতৰ ওপৰত চলা উৎপীড়ণবোৰে পাশ্চাত্যৰ যুৱক মাৰ্ক চাহাবৰ অন্তৰতো দুখ দিয়ে। মাৰ্ক চাহাব সত্ৰলৈ আহিছিল সেই অঞ্চল তথা সত্ৰৰ পুৰণি পুথি-পাঁজি অধ্যয়ন কৰি গ্ৰন্থ ৰচনা কৰাৰ বাবে। মাৰ্ক চাহাবক সহায় কৰিবলৈ ইন্দ্ৰনাথে গিৰিবালাক নিয়োগ কৰিলে। কিন্তু কিশোৰী বিধৱা গিৰিবালাই নিজৰ ৰিপু দমন কৰিব নোৱাৰি দৈহিক আৰু অন্তৰৰ পৰা নিজকে চাহাবৰ ওচৰত সমৰ্পণ কৰিব খুজিলে। চাহাবে নিজৰ দৃঢ়তা অটুট ৰাখিছিল যদিও গোঁসাই অধিকাৰৰ পৰিয়ালৰ কুল-পুৰোহিত আৰু গাঁৱৰ মানুহবোৰৰ ৰোষত মাৰ্কৰ অৱস্থা শোচনীয় হৈ পৰিল। নিৰ্দোষ মাৰ্ক চাহাবৰ এনে বিলাই দেখি গিৰিবালাই বহুত আঘাত পালে। সেয়েহে যেতিয়া পুৰোহিতে গিৰিবালাৰ প্ৰায়শ্চিত্তৰ বাবে কল-ছোঁচনি আৰু কাঠেৰে ঘেৰি উলিওৱা চালি এখনৰ তলত সুমুৱাই লৈ মন্ত্ৰপাঠ কৰি ঘৰটোত জুই লগাই দিলে, তেতিয়া পুৰোহিতে বাহিৰলৈ ওলাই আহিবলৈ কোৱা স্বত্বেও তাই জুইৰ মাজৰ পৰা ওলাই নাহিল। গিৰিবালা, দুৰ্গা, সৰু গোঁসানী হঁতক কোনেও স্বামীৰ চিতাত উঠিবলৈ কোৱা নাছিল সঁচা, কিন্তু তাতকৈও বেছি ভয়াৱহ ৰূপ তেওঁলোকে জীৱনকালত পাইছিল।

ব্ৰাহ্মণ্য সামাজিক বিধি-বিধান আখৰে আখৰে পালন কৰি অহা স্বাধীনতাৰ পূৰ্বৰ পুৰুষপ্ৰধান, ৰক্ষণশীল সত্ৰকেন্দ্ৰিক সমাজখনত এগৰাকী নাৰী বিধৱা হ'লে 'সতী' যাবলগীয়া হোৱা নাছিল যদিও; এই বিধৱাগৰাকীৰ জীৱনটো মৃত্যুৰ নামান্তৰহে আছিল। মনকৰিব লগীয়া কথা যে 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত ঔপন্যাসিকে এই কথাটো উল্লেখ কৰিছে যে উপন্যাসত বৰ্ণিত সময়ছোৱাত কানিৰ অবাধ প্ৰচলনৰ উপৰি অসমৰ পৰা চুবুৰীয়া ৰাজ্যসমূহলৈ কানিৰ সৰবৰাহ ঘটিছিল আৰু তাৰ চাহিদাৰ অন্যতম কাৰণটো আছিল যে কানি খুৱাই বিধৱাগৰাকীক স্বামীৰ চিতাত আত্মজাহ যাবলৈ উচটনি দিবলৈ সহজ হৈ পৰিছিল। দুৰ্গা, সৰু গোঁসানী, গিৰিবালা এই তিনিগৰাকী ব্ৰাহ্মণ-বিধৱাৰ জীয়াই থকাটো মৃত্যুৰ নামন্তৰহে আছিল যদিও গিৰিবালাই বৈধব্য জীৱনৰ যন্ত্ৰণা আৰু শৃংখলা ভাঙি ওলাই আহিব বিচাৰিছিল।[৩৫]

৩৪. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. **৩৬৩**

৩৫. শৰ্মা, গোবিন্দ প্ৰসাদ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. **১৩৬**

স্বাভাৱিকতে মামণি ৰয়ছম গোস্বামীৰ এইখন উপন্যাসতো আছে নাৰীক বাধ্য কৰি, স্বাভাৱিক মানৱীয় ৰিপুক দমন কৰি কেৱল মাত্ৰ হিন্দু ধৰ্মীয় সমাজৰ পৰম্পৰা ৰক্ষাৰ বাবেই কৰা কিছুমান নিয়ম। বিধৱাসকলো যে এক স্বতন্ত্ৰ মানৱসত্বা। এইটো কথা হিন্দুৰ ধৰ্মীয় সমাজখনে সন্মান দিব নোখোজে। যিটো নিয়ম নাৰীৰ ওপৰত প্ৰযোজ্য সেই একে ক্ষেত্ৰতে কিন্তু পুৰুষ এজনৰ পত্নীৰ মৃত্যু হ'লে তেওঁ দ্বিতীয় বিবাহ কৰাব পাৰে। গোস্বামীয়েও এই কথাৰেই প্ৰতিবাদ কৰিছে।

২০০১ চনত প্ৰকাশিত 'ছিন্নমস্তাৰ মানুহটো' উপন্যাসত ধৰ্মৰ নামত গঢ় লৈ উঠা এক সামাজিক ভয়াৱহতাৰ কাহিনী আছে। নাৰীৰ চেতনা ইয়াত সাৰ্থক ৰূপত তুলি ধৰা হৈছে। উপন্যাসখনত নিৰ্জু প্ৰাণীৰ বলিপ্ৰথা আৰু পুৰুষপ্ৰধান সমাজখনত নাৰীৰ প্ৰতি যি নিষ্ঠুৰতা তাক সমান্তৰালভাৱে লেখিকাই দেখুৱাইছে। বিধিবালা আৰু ডৰথীৰ কাহিনীৰে পাঠকৰ অন্তৰ চুই যায়। শুৱালকুছিৰ গোড়া তান্ত্ৰিক, ধৰ্মান্ধ লোক সিংহদত্তৰ কোমল বয়সীয়া কন্যা বিধিবালা। বিধিবালাৰ বাল্যবিবাহ ঠিক হৈছিল। সিংহদত্তই জীয়েকৰ বিয়া ঠিক কৰিছিল এজন আদহীয়া মানুহৰ লগত—যাৰ পূৰ্বৰ পত্নীৰ ফালৰপৰা সন্তান আছেই। ইপিনে দেউতাকে বিধিবালাৰ মংগলৰ বাবে কামাখ্যাত ম'হ বলি দিব খুজিলে। কিন্তু বিধিবালা সেই বিয়াত বহিবলৈ অনিচ্ছুক আছিল। তাইৰ মংগলৰ কাৰণে বলি দিবলগীয়া ম'হটো আৰু তাইৰ অৱস্থা যেন একেই। সিংহদত্ত ইমানেই বেছি ধৰ্মান্ধ লোক আছিল জীয়েকক আদহীয়া লোকজনলৈ বিয়া দিয়া আৰু ম'হ বলি দিয়া কথাটোতেই লাগি থাকিল।

এনে পৰিস্থিতিত পৰি উপায়বিহীন হৈ বিধিবালাই কামাখ্যাধামৰ "উত্তৰ শেখাদাৰী"হঁতৰ দলত ইচ্ছামতে যোগ দিলে। ধৰ্মৰ নামত বেশ্যাগিৰি কৰিবলৈ ওলোৱা নাৰীৰ যাতনা সঁচাই অতি দুৰ্বিসহ। পুৰুষপ্ৰধান সমাজখনত কাঞ্চীকুমাৰীসকলৰ অৱস্থা পৱিত্ৰ ধৰ্মপীঠত থাকিলেও কোনো আদৰ নাই। আনহাতে দিনে ৰাতিয়ে পৱিত্ৰ ধৰ্মৰ স্থানত হাজাৰ বিজাৰ নিমাত পশু বলি দি থকাৰ বিপৰীতে নাৰীয়ে ধৰ্মৰ নামত নিজক জলাঞ্জলি দিবলগীয়া হৈছে।

### ৪.২.৩ নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতা

সেই সময়ত অসমীয়া সমাজ এখনত নাৰীৰ অৱস্থা একেবাৰে দুৰ্বিসহ আছিল। নাৰীসকল অৰ্থনৈতিক ক্ষেত্ৰত সমূলি স্বচ্ছ নাছিল। তদুপৰি নাৰীসকলক পঢ়া শুনাও কৰিব দিয়া নহৈছিল। গতিকে সৰুতে পিতৃৰ ওপৰত, যৌৱনত স্বামীৰ ওপৰত আৰু বৃদ্ধাৱস্থাত পুত্ৰৰ ওপৰত নিৰ্ভৰ

কৰাৰ বাহিৰে অন্য একো উপায় নাছিল। সেই সময়ৰ সমাজ ব্যৱস্থাত বাল্যবিবাহৰ প্ৰচলন আছিল। দুভাৰ্গ্যবশতঃ যদি কম বয়সতে স্বামী মৃত্যুমুখত পৰে তেন্তে সেইগৰাকী নাৰীৰ বা কিশোৰীৰ বিধৱা হৈ দুখে কুলাই-পাচিয়ে নধৰা হয়। অৰ্থনৈতিক স্বাৱলম্বিতাই যে মানুহক স্বাধীন চিন্তা কৰাৰ শক্তি দিয়ে সেই কথা মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত ফুটি উঠিছে।

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনৰ নায়িকা সৌদামিনীৰ ক্ষেত্ৰতো একেই হৈছিল। বিধৱা সৌদামিনীক দেউতাকে ব্ৰজধামলৈ লৈ আহিছিল। ব্ৰজধামত এমুঠি ভাতৰ কাৰণে খোৱা কামোৰা কৰা ৰাধেশ্যামী বুঢ়ীসকলক দেখি তাইৰ নিজৰ অৱস্থাটো উপলব্ধি কৰিব পাৰিছিল।

আইসকল আপোনালোকে ইয়াত কেনেকৈ জীৱন ধাৰণ কৰে? [৩৬]

আইসকলে এজেনীয়ে আন এজনীৰ মুখলৈ চালে। কৰঙত সোমোৱা অদ্ভুত চকু দুটাত দিনৰ উজ্জ্বলতা সানি এজনীয়ে ক'লে ঃ দৰকাৰ হ'লে আমি 'কাচৰ মন্দিৰ' আৰু ৰংগজীৰ দুৱাৰ মুখত বহি ভিক্ষা কৰো আৰু দৰকাৰ হ'লে মালচা ভোগৰ আশাত আমি মন্দিৰৰ চিৰিত বহি উজাগৰে ৰাতি কটাওঁ [৩৭] ব্ৰজধামৰ বিধৱাসকলৰ অৱস্থা ইমানেই দুখলগা যে সিহঁতৰ হাঁহিবোৰতো যেন প্ৰেতাত্মাহে লুকাই আছে। আকৌ এবাৰ এই প্ৰেতাত্মাৰ দলটিয়ে ঢেকঢেকাই হাঁহিব ধৰিলে। শেহলৈ সিহঁতৰ হাঁহিবোৰ হাড়ে হাড়ে খুন্দা খালে যেনেদৰে এক কৰ্কশ শব্দৰ সৃষ্টি হয় ঠিক তেনে এক শব্দৰ দৰে শুনা গল।[৩৮]

আইদেউ, আমি ভিক্ষা কৰি ভাল পাওঁ— কাঁকে বিহাৰীৰ গলিত, শাহজী মন্দিৰৰ দুৱাৰ মুখত, দমন মোহনৰ চিৰিত— ঠিক তোমাৰ দৰে মানুহ আহে।[৩৯]

সৌদামিনীক দেখি ৰাধেশ্যামী বুঢ়ীসকল আগবাঢ়ি আহিল। সকলো যেন ভোকত আতুৰা। তেওঁলোকৰ দেহ হাড়ে ছালে লাগিছেগৈ, চকু গৈ কোটৰত সোমাছেগৈ। এজনীয়ে সৌদামিনীৰ হাতৰ ওপৰেৰে নিজৰ হাত বোলাব ধৰিলে। সৌদামিনীৰ গাৰ নোম থিয় হৈ উঠিল। কিন্তু এয়া এই প্ৰেতাত্মাটিয়ে যে এক পৰম সুখানুভূতি উপলব্ধি কৰিছে- "আন এজনীয়ে তাইৰ মুখৰ ওচৰলৈ আহি ক'লে--আমাক খাবৰ বাবে কিছু দান কৰি যোৱা— তোমালোক খাবৰ বাবে জীয়াই আছা, আমাক জীয়াই থাকিবৰ বাবে খাব দিয়া।"[৪০]

৩৬. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৭৭

৩৭. উক্ত গ্ৰন্থ, পৃ. ২৭৭

৩৮. উক্ত গ্ৰন্থ, পৃ. ২৭৭

৩৯. উক্ত গ্ৰন্থ, পৃ. ২৭৭

৪০. উক্ত গ্ৰন্থ, পৃ. ২৭৭

এমুঠি অন্নৰ বাবে কেৱল বিধৱা হোৱাৰ বাবেই এওঁলোকে এনে নাৰকীয় জীৱন কটাব লগা হৈছে। কেতিয়াবা ভিক্ষাৰীৰ 'লাইন'ত, কেতিয়াবা বেশ্যা হৈ পেটৰ ভোক মাৰিব লগা হৈছে। এইসকল নাৰী অৰ্থনৈতিকভাৱে ইমানেই দুৰ্বল যে মৰাৰ সময়তো অনাহাৰেই মৰিব লগা হৈছে। পুৰুষ প্ৰধান সমাজৰ এইবোৰ ৰক্ষণশীলতাৰ নিয়ম পালন কৰিব লগা হৈছে কেৱল নাৰীসকলে আৰু এক নাৰকীয় দুৰ্বিসহ জীৱন কটাবলগীয়া হৈছে।

মামণি ৰয়ছম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল' উপন্যাসখন এটা নিৰ্মাণ কোম্পানীৰ বনুৱাসকলৰ বঞ্চিত জীৱনক লৈ ৰচিত। এইখন উপন্যাসত নাৰীৰ অৰ্থনৈতিক অৱস্থা স্পষ্ট ৰূপত ধৰা দিছে। শোষিত শ্ৰেণীটোৱে বনুৱাসকলৰ জীৱনক লৈ যি খেল খেলিছে তাৰ বহুত বেছি কষ্ট ভোগ কৰিব লগীয়া হৈছে নাৰীসকলে। হঠাৎ কাম বন্ধ হৈ যোৱাত যি বিলাই বিপত্তি হৈছে তাৰফলত পুৰুষ শ্ৰমিকৰ লগতে নাৰী শ্ৰমিকসকলৰ অৰ্থনৈতিক জীৱন স্তব্ধ হৈ পৰিছে।

উপন্যাসৰ মুখ্য চৰিত্ৰ নাৰায়ণী। দলিত সম্প্ৰদায়ৰ নাৰায়ণীৰ কাৰণে সামাজিক শৃংখলা সম্পূৰ্ণৰূপে অৰ্থহীন বিষয়। তাইৰ কাৰণে পেটৰ ক্ষুধা নিবাৰণেই একমাত্ৰ কাৰক হৈ পৰিছে। এওঁলোকৰ দৰে নিঃস্ব মানুহখিনিৰ কাৰণে সামাজিক বিধি-বিধানৰ দৰকাৰ নাই। ঠিক একেদৰে নাৰী হিচাপে পুতৌ অথবা সমানাধিকাৰ বিচৰাৰো কোনো প্ৰয়োজন নাই। এওঁলোকৰ জ্বলন্ত সমস্যা হৈছে ক্ষুধা নিবাৰণ।

ৰাজনৈতিক মেৰপাঁচৰ বাবে নাৰায়ণীহঁতে কাম কৰা নিৰ্মাণ কোম্পানীৰ বিপক্ষে শ্ৰমিকসকলক ধৰ্মঘট কৰালে। বনুৱা ৰাজনৈতিক নেতাসকলে ধৰ্মঘট অচিৰেই অন্ত পৰিব আৰু সিহঁতৰে জয় নিশ্চিত হ'ব বুলি 'লীডাৰ'বোৰে মিছা প্ৰতিশ্ৰুতি দিলে। কিন্তু ইয়াৰ ফলত শ্ৰমিকসকলৰে আটাইতকৈ বেছি ক্ষতি হ'ল। কাম নাপাই নাৰায়ণীহঁতে খালী পেটে থাকিব লগী হ'ল। ইপিনে তাইৰ গিৰিয়েক শিবু ধাছলাও বেমাৰত পৰিল। তাইৰ অৱস্থাও দিনকদিনে বেয়া হৈ আহিল। ধৰ্মঘটৰ দৰমহা নোপোৱা দিনকেইটাত নাৰায়ণী নিৰুপায়ত পৰিল। উপায়বিহীন হৈ পেটৰ দায়ত তাই দেহা বিক্ৰী কৰিবলৈ ল'লে। এদিন দেহা বিক্ৰী কৰি থকা অৱস্থাতে বনুৱা পহৰাদাৰৰ হাতত ধৰা পৰিল। ধৰ্মঘটকাৰীসকলৰ নেতাক তাই উভতি ধৰিলে যে সিহঁতে সৃষ্টি কৰা ধৰ্মঘটৰ বাবেই নিজৰ আৰু ৰুগ্ন স্বামীৰ বাবে তাই দেহ বিক্ৰী কৰিব লগা হৈছে। "ধাছলাৰ বেমাৰৰ সময়ত মই নিমখৰ বস্তাৰ দৰে পেটটো লৈ ঘূৰি ফুৰোঁতে তহঁতে

মোক  এটা পইছা দি সহায় কৰিছিলিনে? এতিয়া ধৰ্মঘট কৰি তহঁতে পেটৰ ভাত মুঠি কাঢ়ি লোৱা নাইনে ছালাহঁত”[৪১]

নাৰায়ণীৰ প্ৰতিটো কথাতেই পেটৰ জ্বালাৰ চিৎকাৰ ওলাই পৰিছে। দেহোপজীৱিনী কামো তাই বাধ্য হৈ কৰিব লগা হৈছে।

“নাৰায়ণীয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিলে। উলংগ দেহেৰেই তাই থিয় হ'ল, — .... আৰ্তনাদ কৰি উঠিল—

—“ছুৱৰৰ বাচ্চা— দে মোৰ পইচা।”

—“নাৰায়ণী তয়ো এনেকুৱা কাম কৰ”

—“দে- দে মোৰ পইচা।”

—“ মোৰ খুচি মই ৰাণ্ডীগিৰি কৰি খাম। ... দে মোক পইচা—”[৪২]

নাৰীৰ জীৱনৰ দুৰ্ঘোৰ সংকটৰ অৱস্থাত পৰি নাৰায়ণী বিভ্ৰাত হৈ পৰিছে। এদিন ঠাকুৰ চাহাবৰ প্ৰবঞ্চনাৰ বাবে গৰ্ভৱতী হ'বলগীয়া হোৱা নাৰায়ণীয়ে শেষত ঠাকুৰ  চাহাবক হত্যা কৰিছে। দুখ-দুদৰ্শা, যন্ত্ৰণা, হতাশাই কোঙা কৰি পেলোৱা শ্ৰমিক নাৰীসকলে এদিন প্ৰতিবাদ কৰি উঠিছে। বিষয়বস্তুৰ আকৰ্ষণীয়তা, চৰিত্ৰসমূহৰ বাস্তৱতাই ‘মামৰে ধৰা তৰোৱাল’ক এক অনন্য মাত্ৰা দিছে।

সামৰণিত ক'ব পাৰি যে অন্যায়, অবিচাৰৰপৰা মানুহক উদ্ধাৰ কৰাৰ উদ্দেশ্য আগত ৰাখি মামণি ৰয়ছমে সাহিত্যৰ সাধনা কৰিছিল। গভীৰ মানৱীয় অনুভূতি আছিল মামণি ৰয়ছমৰ চিন্তাৰ মূল বিষয়। তেওঁৰ উপন্যাসৰ চৰিত্ৰবোৰৰ বৈশিষ্ট্যলৈ চালেও এয়াই ধৰা পৰে। সামাজিক, ধৰ্মীয়, অৰ্থনৈতিক যিকোনো ক্ষেত্ৰতে মানুহৰ দুখ-দৈন্য, তেওঁলোকৰ শোষিত, নিষ্পেষিত জীৱন  সহানুভূতিশীলতাৰে দাঙি ধৰা দেখা যায়।  বিশেষকৈ বিধৱা নাৰীসকলৰ চিত্ৰ অংকন কৰি তেওঁ নাৰীসকলৰ দুৰ্দশাক অতি ওচৰৰ পৰা দেখাইছিল। পুৰুষতন্ত্ৰৰ ফলত সৃষ্টি হোৱা কিছুমান নিয়মৰ পৰা এই বিধৱা কম বয়সীয়া নাৰীসকলে  যথেষ্ট দুখ-কষ্ট সহিব লগা হৈছিল। কিন্তু তেওঁ চৰিত্ৰসমূহৰ জৰিয়তে দেখুৱাইছিল যে নাৰীৰ ওপৰত  হোৱা অত্যাচাৰৰ বিৰুদ্ধে নাৰীসকলে নিজেই যুঁজ দিব লাগিব। এনেকুৱা কিছুমান নিয়ম আছে যিবোৰত নাৰীয়েহে

৪১. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৪০

৪২. উক্ত গ্ৰন্থ, পৃ. ১৪০

নাৰীক বাধ্য কৰে। এক সাক্ষাৎকাৰত মামণি ৰয়ছমে কৈছিল— "কিন্তু নাৰীয়ে সেই শক্তিটো নিজেই আহৰণ কৰিব লাগিব। নাৰীয়ে তাৰ বিৰুদ্ধে নিজেই fight কৰিব লাগিব। পুৰুষে এইটো কৈছে বুলি মানি লৈ তেওঁলোকে বহি থাকিলে নহ'ব। I do not like that , মই সেইটোকে কৈছোঁ যে নাৰীয়ে ভিতৰুৱা শক্তিটো আনিব পৰা নাই আজিলৈকে। কিমান পাৰ্চেণ্ট আমাৰ শিক্ষিত আছে। ধৰা ৪০ শতাংশৰ অধিক। মই ভাবোঁ সেইখিনিৰে বহুতখিনি মহিলা আগুৱাই নিব পাৰিম। তেওঁলোকে নিজে Corrupt হৈছে, নিজে শোষিত হৈছে। তেওঁলোকে নিজেও কৰা নাই। আনকো কৰিবলৈ দিয়া নাই। মই দোষটো একমাত্ৰ মহিলাক দিওঁ। তেওঁলোক কিয় ওলাই আহিব পৰা নাই?"[৪৩]

মামণি ৰয়ছম গোস্বামীৰ বিভিন্ন সৃষ্টিৰাজিত সমাজৰ নাৰীসকলৰ বাস্তৱ বৰ্ণনাই নাৰীভাৱনাৰ মগ্ন-চেতনাই সমাজ কপাই তুলিছিল।

---

৪৩. তাঁতী, সমীৰ, ডেকা, অংকুৰ ঃ সাক্ষাৎকাৰ গ্ৰহণ, *গৰীয়সী*, ফেব্ৰুৱাৰী, **২০১২**

# পঞ্চম অধ্যায়

# ৫.০০ নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীসত্বা আৰু নাৰীমুক্তিৰ অভিব্যক্তি

## ৫.০১ নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ বৈশিষ্ট্য

নিৰুপমা বৰগোহাঞি এগৰাকী নাৰীবাদী ঔপন্যাসিকা। বাস্তৱ জগতখনৰ সৈতে তেওঁৰ আদান-প্ৰদান, ক্ৰিয়া প্ৰতিক্ৰিয়াৰ ৰূপ তেওঁৰ উপন্যাসসমূহত প্ৰতিফলিত হয়। তেওঁৰ উপন্যাসত অৰ্থনৈতিক নিপীড়ন, অৱহেলিত, বঞ্চিত নাৰী জাতিৰ দুখ বেদনাৰ স্বৰূপ স্পষ্টভাৱে ওলাই পৰে। সমাজ ব্যৱস্থাৰ নিষ্ঠুৰতাই নাৰী জাতিক কোঙা কৰি পেলোৱাৰ স্পষ্ট ৰূপ তেওঁ চিত্ৰিত কৰিছে। উপন্যাসৰ বাবে প্ৰকাশভংগীৰ দক্ষতা থকাটো অতিশয় প্ৰয়োজনীয়। সুন্দৰ প্ৰকাশভংগীৰদ্বাৰা উপন্যাস একোখনৰ সৌন্দৰ্য বাঢ়ি যায়। "The style is a special method used by the writer for the expression of his thoughts."[১] উপন্যাস এখনৰ প্ৰকাশভংগীয়ে লেখক, পাঠক আৰু চৰিত্ৰবোৰৰ মাজত এক সংযোগ স্থাপন কৰে--

> *Style is the very pinnacle of the Pyramid of art, the end that is greatest of all the supreme achievement of the vital principle of all that is enduring.*[২]

নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীবাদী ভাবধাৰা স্পষ্টৰূপত ফুটি উঠে। পুৰুষসমাজত নাৰীয়ে পোৱা সমস্যাসমূহ লেখিকাই উপন্যাসসমূহত উপস্থাপন কৰিছে আৰু এক সুসংগঠিত আন্দোলনৰ জৰিয়তে নাৰী দুৰ্দশাৰ অন্ত পৰাটো বিচাৰিছে। এইগৰাকী লেখিকাৰ উপন্যাসত নাৰীবাদ মানে পুৰুষৰ বিপক্ষে বিদ্ৰোহ কৰাৰ কথা উল্লেখ নাই। বৰঞ্চ পুৰুষৰ সৈতে লগ লাগি নাৰী সমস্যাৰ ওৰ পৰাটো বিচাৰিছে। সেয়ে তেওঁক আমি সমাজবাদী নাৰীবাদী লেখিকা বুলি ক'ব পাৰো।

নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ কিছুমান সাধাৰণ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

---

১. Murry, J. Middlenton : *Style is theTechnique of Expression,* "Problem of Style" p.5

২. উক্ত গ্ৰন্থ, পৃ.৩৬

১) নিৰুপমা বৰগোহাঞিৰ ৰচনাৰ মাজত স্ত্ৰী স্বাধীনতা আৰু নাৰীশিক্ষাৰ প্ৰসাৰৰ কথা যথেষ্ট গুৰুত্ব দিয়া দেখা গৈছে। পুৰুষ শাসিত সমাজখনত পুৰুষে কৰা অত্যাচাৰৰ বিৰোধিতা, নাৰীৰ অন্তৰৰ অনুভূতি আদিবোৰ প্ৰকাশ কৰাত আধুনিক শিক্ষা আৰু নাৰীৰ স্বাধীনতাই যথেষ্ট সহায় কৰে।

২) নিৰুপমা বৰগোহাঞিৰ উপন্যাসত গাৱঁলীয়া জীৱনৰ সুন্দৰ বৰ্ণনা আছে--

"সিহঁত গৈ থাকে, কেতিয়াবা নদীৰ পাৰে পাৰে, কেতিয়াবা পথাৰৰ পকা-চপৰা-গচকি মানুহ অহা-যোৱা কৰি নিমজ কৰি পেলোৱা বাটেৰে। কেতিয়াবা আকৌ বাটটো পৰে দুফালে বাঁহৰ জোপাৰ মাজেদি সুৰ সুৰিয়া হৈ। কেতিয়াবা শাৰী শাৰী খেৰৰ দাঁতিৰে যোৱা গাঁৱৰ ৰাজহুৱা বাট আৰু কেতিয়াবা দুকাষে পথাৰ মাজৰ ওখ বহল আলি। ধূলি আৰু ধূলি, কতো শিল এটাও দেখিবলৈ নাই।"[৩]

৩) নৈসৰ্গিক প্ৰকৃতিৰ চিত্ৰণে তেওঁৰ উপন্যাসৰ সৌষ্ঠৱ বঢ়াইছে—

"ৰাতি অদ্ভুত যাদুকৰী শক্তি এই ৰাতিৰ। দিনৰ পোহৰত যি আবেগসনা কথাবোৰ বিজয়ে কেতিয়াও উচ্ছাৰণ কৰিব নোৱাৰিলেহেঁতেন, ৰাতিৰ মায়াময় স্পৰ্শত সেই কথাবোৰেই সি অনৰ্গল ইলাক কৈ গৈছিল। কিন্তু তথাপি এই আবেগক ভেদ কৰিও এক ভয়াবহ অপাৰ্থিব চেতনা ৰাতিয়ে সিহঁতৰ মাজলৈ বাৰে বাৰে যেন কঢ়িয়াই লৈ আহিছিল"[৪]

৪) এওঁৰ উপন্যাসত সংলাপ প্ৰয়োগ মনকৰিবলগীয়া। উপন্যাসৰ চৰিত্ৰসমূহত দিয়া স্থানীয় ভাষাৰ সংলাপ দৃষ্টি নন্দন--

ক) "শ্ৰীৰাম শ্ৰীৰাম বাট এইৰ দি ঘৰোত যাম থুই, থুই, থুই।"[৫]

খ) "আই ঐ দেহি, ইমান ধুনীয়া উমলিখন।"[৬]

---

৩. বৰগোহাঞি, নিৰুপমা ঃ *সেই নদী নিৰবধি*, পৃ.৩৫

৪. বৰগোহাঞি, নিৰুপমা ঃ *এজন বুঢ়া মানুহ*, পৃ.২৫

৫. বৰগোহাঞি, নিৰুপমা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৪৪

৬. উক্ত গ্ৰন্থ, পৃ.৪৫

সাধাৰণ সহজ সৰল সংলাপৰ প্ৰয়োগো মনকৰিবলগীয়া—

"ওহোঁ, মোৰ ভয় চয় নালাগে। মই লাগিলে এতিয়া অকলে অকলে গোটেই গাঁওখনত এপাক মাৰিও আহিব পাৰোঁ"[৭]

৫) নামনি অসমৰ নলবাৰী অঞ্চলৰ ভাষাৰ সুৰীয়া সুৰো তেওঁৰ উপন্যাসৰ বৈশিষ্ট্য--

"আপী চলিক সেই তাৰ পাই পঢ়াবা ধৰা গেল, তেই তাৰ পাই আমাৰ গাওঁগিলা উচ্চন্নে গেল। বেটীহাত পঢ়ৰা যাই মহা গাইৰেণী হ'ল ঘৰোৰ কুটা এখন নকৰা হ'ল"[৮]

একেদৰে 'অভিযাত্ৰী' উপন্যাসত বজালী অঞ্চলৰ থলুৱা ভাষাৰ প্ৰভাৱ পৰিছে।

ক) "... ঐ চা, চা, ছলি কোলাত কৰি গাছোত উঠা তিৰিটো কেন্‌কে যাই আছে ..."[৯]

৬) এওঁৰ উপন্যাসত লোকগীতৰ প্ৰাধান্যও দেখা যায়। যেনে —

"বৌৰাকে সু-ধিলাক,
বাপা তোক কি কইনা লাগেৰে?
কলী?ও না-লাগে, বগীও না-লাগে,
লাগে চিঠি লেখা কইনাৰে
চঠি লে-খা কইনা
ই জিলাত নাই ৰে
আছে নলবাৰী জিলাত ৰে।"[১০]

একেদৰে, 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' উপন্যাসত জঁটীয়া ভাঙুৰাৰ গীত পোৱা যায়—

---

৭. বৰগোহাঞি, নিৰুপমা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.১০

৮. বৰগোহাঞি, নিৰুপমা ঃ *ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ*, পৃ.১৮

৯. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ.৬৬৬

১০. বৰগোহাঞি, নিৰুপমা ঃ *সেই নদী নিৰৱধি*, পৃ.৫৪

“ক’ৰ পৰা আহিলা জঁটীয়া ভাঙাৰা

সৰপে বান্ধৰা হিয়া,

তোমাৰ ৰূপ দেখি মেনকাই ডৰাৰে

নেদাও পা-আ- ৰেৰতীক বিয়া।।” [১১]

৭) উপন্যাসসমূহৰ নামকৰণৰ ক্ষেত্ৰতো এক বিশিষ্টতা লক্ষ্য কৰা যায়। যেনে ‘অন্য জীৱন’ৰ অৰ্থ হ’ল গতানুগতিক জীৱনটোৰ পৰা আঁতৰি আহি অন্য এটা জীৱনৰ ফালে আগবঢ়া। য’ত আগৰ জীৱনটোৰ কোনো খাম-খেয়ালি, অত্যাচাৰ নাথাকিব।

সেইদৰে ‘ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ’ উপন্যাসত পাগলাদিয়া নৈৰ দুয়োপাৰৰ দুখন গাঁও ঢলকুছি আৰু বাথানঘাটৰ মানুহৰ জীৱনৰ কাহিনী বৰ্ণিত আছে। অঞ্জলিৰ চৰিত্ৰটোৰ মাজেদি দুয়োখন গাঁওৰ ভৱিষ্যতৰ দিনবোৰৰ কথাৰ ইংগিত বহন কৰিছে।

৮) তেওঁৰ উপন্যাসত কাব্যিকতাৰ প্ৰলেপো পৰিছে—

“সংসাৰত মোৰ কোনো নাই, মোৰ নিজৰ ঘৰ নাই, কোনো মায়া বন্ধন নাই, ভালপাবলৈ কোনো নাই ঠিক যেন কবিৰ বৰ্ণনাৰে প্ৰাণী এটি ... মোৰ মায়া নাই/ নাই ভালপোৱা/ উৰণীয়া পখিটিৰ জিৰণিৰ নীড় নাই / মাথোন আকাশ...”[১২]

৯) শিশুৰ সৰল মনৰ অনুভূতিৰ উল্লেখো তেওঁৰ উপন্যাসত পোৱা যায়—

“দীপু উৎসাহ দীপ্ত হৈ উঠে— নিশ্চয় ব্ৰহ্মপুত্ৰলৈ। জানা লক্ষ্মী, আমি ভূগোলত পঢ়িছো। পাগলদিয়া নৈ খন বৈ গৈ আমাৰ ব্ৰহ্মপুত্ৰত পৰিছে। ঘঁৰিয়ালবোৰো তেন্তে ব্ৰহ্মপুত্ৰলৈ নগৈ যাবনো ক’লৈ”[১৩]

১০) নিৰুপমা বৰগোহাঞিৰ উপন্যাসত পৰম্পৰাগত আৰু প্ৰগতিবাদী দুয়োপ্ৰকাৰৰ নাৰীৰ উল্লেখ পোৱা যায়। তেওঁৰ উপন্যাসৰ কেইবাগৰাকী নাৰীৰ চৰিত্ৰত নাৰীবাদী চেতনা ফুটি উঠিছে।

---

১১. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ.১০

১২. উক্ত গ্ৰন্থ, পৃ.৭৩৩

১৩. বৰগোহাঞি, নিৰুপমা ঃ *সেই নদী নিৰবধি*, পৃ.৩

শেষত, নাৰীমুক্তিৰ চেতনাৰে উদ্দীপিত প্ৰথম গৰাকী অসমীয়া ঔপন্যাসিক বুলিলে নিৰুপমা বৰগোহাঞিকে কোৱা হয়। তেওঁৰ প্ৰায়কেইখন উপন্যাসতে পুৰুষশাসিত সমাজত নাৰীসকলে যথেষ্ট অত্যাচাৰৰ বলি হোৱাৰ কথা পোৱা যায়। সমাজ ব্যৱস্থাৰ এনে নীতি নিয়মে নাৰীসকলক বিদ্ৰোহী কৰি তোলে। নিৰুপমা বৰগোহাঞিয়ে মনেপ্ৰাণে বিচাৰিছে নাৰীৰ উন্নতি হওঁক, পুৰুষৰ সহযোগিতাত নাৰীয়েও আগবাঢ়ি যাওঁক। পুৰুষৰ বিৰুদ্ধে বিদ্ৰোহ কৰি নহয়, পুৰুষৰ হাতত হাত ধৰি।

## ৫.০২ নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীৰ অৱস্থান

নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ চৰিত্ৰসমূহ অধ্যয়ন কৰিলে দেখা যায় যে তেওঁৰ নাৰী চৰিত্ৰসমূহে জীৱনত যথেষ্ট সংঘৰ্ষ কৰিব লগা হৈছে। নাৰীৰ সামাজিক অৱস্থান, অৰ্থনৈতিক অৱস্থান, ৰাজনৈতিক অৱস্থানক বৰগোহাঞিয়ে অতি সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। তেওঁৰ উপন্যাসখনৰ নাৰীসকল সামাজিক ক্ষেত্ৰত যথেষ্ট পিছপৰা। নাৰীসকল পুৰুষ প্ৰধান সমাজৰ নিয়ম অনুসৰি পুৰুষৰ দ্বাৰাই পৰিচালিত হয়। নাৰীৰ নিজস্বতা বুলিবলৈ একো নাই। একেদৰে অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনতো নাৰীসকলৰ কোনো ধৰণৰ অস্তিত্ব নাই। সমাজৰ বঞ্চিত আৰু নিষ্পেষিত নাৰীসকলে জীৱনত কেৱল সংগ্ৰামেই কৰি থাকিব লগা হৈছে।

উপন্যাসসমূহৰ ভালেকেইটা চৰিত্ৰক নিৰুপমা বৰগোহাঞিয়ে নাৰীবাদী আদৰ্শেৰে অংকন কৰিছে। অণিমা, পুতলী, চম্পাৱতী, সাদৰী, আদি চৰিত্ৰকেইটাক তেওঁ পৰম্পৰাবাদী নাৰীৰ ঊৰ্ধত ৰাখি সাজি উলিয়াইছে। প্ৰকৃততে এইসকল নাৰীয়ে পুৰুষতন্ত্ৰৰ নিয়মে সৃষ্টি কৰা পৰম্পৰাক আঁতৰাই বাহিৰলৈ ওলাই আহিছে। সামাজিকভাৱে, ৰাজনৈতিকভাৱে অথবা অৰ্থনৈতিকভাৱে তেওঁলোক শক্তিশালী হ'ব বিচাৰিছে।

নাৰীৰ সামাজিক বঞ্চনাৰ ছবি আমি নলিনীবালা দেৱীৰ স্মৃতিচাৰণত পাওঁ—"ডাঠ পৰ্দাৰ আৱৰণে আৱৰি থোৱা আন্ধাৰ দিন ... এই অলংঘনীয় পৰ্দা-প্ৰথাৰ আঁৰত বহু নাৰীৰ জীৱন নীৰলে মৰহি গৈছে তাৰ লেখ কোনে লয়?" [১৪]

নলিনীবালা দেৱীৰ সমাজ বাস্তৱ এনে উক্তিৰ পৰা গম পাব পাৰি মধ্যযুগীয়া নাৰীয়ে কেনেকুৱা এক অলংঘনীয় প্ৰথাৰ মাজেৰে চলিব লাগিছিল। ইয়াৰ পিছত গান্ধীৰ নেতৃত্বত হোৱা

১৪. দেৱী, নলিনীবালা ঃ *এৰি অহা দিনবোৰ*, পৃ.১২

স্বাধীনতা সংগ্ৰামৰ অন্য এক কাৰ্যসূচী নাৰী উন্নয়নে কিছু হ'লেও নাৰীসকলক এই দুৰৱস্থাৰ পৰা ৰক্ষা কৰিব পাৰিছিল। পৰম্পৰাবাদী পুৰুষসকলক তীব্ৰভাৱে সমালোচনা কৰিছিল--"The wife is not the slave of her husband but her comrade"[১৫]

নাৰী স্বাধীনতা আন্দোলনৰ ভিতৰুৱা নাৰী উন্নয়নৰ কথাই স্থান পাইছিল নিৰুপমা বৰগোহাঞিৰ উপন্যাস 'মোৰ নাম চম্পাৱতী কাকতি'ত। পৰম্পৰাবাদী নাৰী চৰিত্ৰৰ অংকন, পৰম্পৰাবাদৰ পৰা নাৰীবাদলৈ উত্তৰণ ঘটা নাৰী চৰিত্ৰসমূহে তেওঁৰ উপন্যাসত স্থান পাইছিল।

### ৫.২.১ নাৰীৰ সামাজিক অৱস্থান

উপন্যাসত বিস্তৃতৰূপত মানুহৰ জীৱন আৰু সমাজৰ কথা প্ৰতিফলিত হয়। অসমৰ সমাজত এইটো দিশত অন্ততঃ অভিজ্ঞতাৰ অভাৱ হোৱাৰ কোনো কাৰণ নাই। অসমীয়া সাহিত্যৰ কেইবাখনো প্ৰথম শাৰীৰ উপন্যাসৰ কেন্দ্ৰবিন্দুত নাৰীজীৱনৰ সমস্যাবোৰ দেখা পোৱা যায়। নাৰী জীৱনৰ যন্ত্ৰণা আৰু সমস্যা অনুভৱ কৰিবলৈ অসমীয়া নাৰীয়ে মিলান কুন্দেৰা বা ডষ্টভয়োস্কি নপঢ়িলেও হয়। এই যন্ত্ৰণা খুবেই চিনাকি, খুবেই নিষ্ঠুৰ। নাৰীৰ সামাজিক স্থিতি, সম-অধিকাৰ, সবলীকৰণ আদি বিষয়ৰ বিদ্যায়তনিক চৰ্চা, আইনী সুৰক্ষা আৰু সাংগঠনিক কাৰ্যসূচীয়ে ক্ৰমে এক বিস্তৃত পৰিসৰ লাভ কৰিছে। ঔপনিৱেশিক আমোলৰ সামাজিক সংস্কাৰ আৰু উত্তৰ ঔপনিৱেশিক যুগৰ আধুনিক ভাৰত গঢ়াৰ বিভিন্ন চৰকাৰী আঁচনি,পৰিকল্পনাসমূহতো নাৰীৰ সামাজিক মৰ্যাদা আৰু উন্নয়নৰ বিষয়সমূহে সৰ্বাধিক গুৰুত্ব পাইছে। এনে বিষয়ত জৱাহৰ লাল নেহৰুৰ অভিমত আছিল--

> *Welfare must be the common property of everyone in India, and not the monopoly of the privileged groups as it is today. If i may be allowed to lay greater stress on some, they would be the welfare of children, the status of woman and the welfare of the tribal and hilly people in our country... it is true, however, that they have suffered much from various kinds of suppression and all these have to go so that they can play their full part in the life of the natiom.*[১৬]

---

১৫. Sharna, Radha Krishna : *Nationalism, Social Reform and Indian Women*, p. 44

১৬. ভৰালী, অজিত, কলিতা, ৰজিতা (সম্পা.) ঃ *বিষয় ঃ নাৰী*, কমল চন্দ্ৰ শইকীয়াৰ 'নাৰীৰ সামাজিক অৱস্থান ঃ ঐতিহ্য আৰু আধুনিকতাৰ ভিন্ন ৰূপ', পৃ.৯২

সমাজত বঞ্চিত আৰু নিষ্পেষিত নাৰীৰ কৰুণ কাহিনী ইতিহাসৰ তৰপে তৰপে ঠাহ খাই আছে। সাহিত্যৰ পৃষ্ঠাবোৰ মেলি চালেই ইয়াৰ প্ৰমাণ পাব পাৰি। সামাজিক মৰ্যাদাৰপৰা বঞ্চিত এইসকল নাৰী সমাজৰ এটা কোণত অৱহেলিত হৈ পৰি ৰৈছে।

নাৰী সবলীকৰণ নাৰীৰ সামাজিক মৰ্যাদা দৃঢ়ীকৰণৰ ধাৰাবাহিক প্ৰচেষ্টাৰ শেহতীয়া ৰূপ। সংবিধান স্বীকৃত সামাজিক ন্যায় আৰু কল্যাণ যাতে সুবিধা ভোগীৰ একাধিপত্য নহয়, সেয়া নিশ্চিত কৰিবলৈকে স্বাধীনোত্তৰ ভৰতবৰ্ষত পঞ্চবাৰ্ষিক পৰিকল্পনা বিলাকত মহিলাৰ শাৰীৰিক, মানসিক, সামাজিক মনস্তাত্ত্বিক বিকাশৰ কিছুমান আছুতীয়া ব্যৱস্থা ৰখা হৈছিল। এনে কল্যাণমূলক বিষয়সমূহৰ ভিতৰত উল্লেখযোগ্য আছিল স্ত্ৰী-শিক্ষাৰ সুবিধা, পৰিয়াল পৰিকল্পনা, স্বাস্থ্যকেন্দ্ৰ স্থাপন আদি। কিন্তু সামাজিক পৰিৱৰ্তন আৰু উন্নয়নৰ শেহতীয়া ধাৰাত গৰিষ্ঠসংখ্যক মহিলাৰ সমস্যাই জটিল ৰূপ ল'লে। বিৰোধ আৰু বৈষম্যই নতুন মাত্ৰা লাভ কৰিলে। ৰাষ্ট্ৰীয় বিতৰ্কত এটা কথা স্পষ্ট হ'ল যে কল্যাণমূলক আঁচনিৰ হিতাধিকাৰী হিচাপে নাৰীৰ সমস্যা বিবেচনা কৰাতকৈ তেওঁলোকক উন্নয়নৰ অংশীদাৰ কৰিব লাগে।[১৭]

অসমীয়া সাহিত্যলৈ নিৰুপমা বৰগোহাঞিৰ অৱদান উল্লেখযোগ্য। তেওঁৰ সৃষ্টিৰাজি উপন্যাস সাহিত্যৰ মাজত সমাজৰ নিপীড়িত, পুৰুষৰ সমান মৰ্যাদাৰপৰা বঞ্চিত নাৰীৰ কষ্টকৰ জীৱন সংগ্ৰামৰ চিত্ৰ পোৱা যায়।

পাগলাদিয়াৰ পাৰৰ মানুহখিনিক লৈ নিৰুপমা বৰগোহাঞিয়ে 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' উপন্যাসখন ৰচনা কৰিছিল। উপন্যাসখনত তিৰোতা মানুহৰ সমস্যাবোৰৰ এটা চেতনা কঁপাই যোৱা বিৱৰণ লিপিবদ্ধ হৈছে আৰু ইয়াত এক ধৰণৰ বিশ্লেষণৰো প্ৰচেষ্টা আছে। উপন্যাসখনৰ কাহিনীবিন্যাস অতি ব্যাপক। পৰেশ কলিতাৰ জীয়েক অঞ্জলি আৰু পটেশ্বৰীৰ কাহিনীৰে উপন্যাস আগবাঢ়িছে।

মূলতঃ পটেশ্বৰী গাঁৱলীয়া আজলী ছোৱালী আছিল। ঘটনাৰ পাকচক্ৰত পৰি মাৰোৱাৰী যুৱক পূজনৰ ফুচুলনিত এদিন পটেশ্বৰীয়ে গুৱাহাটীৰ হোটেলত সৰ্বস্ব তাক দান কৰিছিল। বিয়া পতাৰ লোভ দেখুৱাই পূজনে তাইৰ দেহ ভোগ কৰি হোটেলতে তাইক এৰি আহিছিল। এনে অৱস্থাত পটেশ্বৰী নিৰাশ্ৰয়া হোৱাৰ লগতে উপায়হীন হ'ব লগাত পৰিছিল। তেতিয়াই তাইক

---

১৭. ভৰালী, অজিত, কলিতা, ৰজিতা (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৯৩

চবিন নামৰ সেই হোটেলতে কাম কৰা এজন ল'ৰাই পছন্দ কৰিছিল। প্ৰথম অৱস্থাত পটেশ্বৰীৰ সেই ল'ৰাটোক মুঠেও ভাল লগা নাছিল। কিন্তু এদিন সেই চবিনৰ লগতে তাই ঘৰৰ ঘৈণী হৈ তাৰ ঘৰলৈ গুচি আহিল। বিয়াৰ পিছত পটেশ্বৰীৰ জীৱনত যিটো অধ্যায় খোল খালে তাৰ পৰা জনা যায় যে সমাজত নাৰীক কিমান সন্মান কৰা হয়! সুন্দৰী পটেশ্বৰীক দেখি চবিনৰ মালিক অৰ্থাৎ হোটেলখনৰ গৰাকীজনে এদিন চবিনক সুধি তাইক ভোগ কৰিব খুজিলে।

চিনেমা শেষ হোৱাৰ লগে লগে তেওঁ পুনৰায় তাইক চবিনৰ হাতত গতাই থৈ যাব। চবিনে সেই কথাত নিশ্চয় আপত্তি নকৰিব, তাৰ তিৰোতাজনী একো সতী-সাধবী নহয়, লোকৰ এৰেহা তিৰোতা। কিন্তু যদিহে চবিনে আপত্তি কৰে কথা-বৰ বেয়া হ'ব, তাক হোটেলৰ টকা চুৰি কৰাৰ অপৰাধত তেওঁ পুলিচৰ হতুৱাই আধা মৰা কৰি মৰিয়াই জেলত দি দিব।[১৮] পূজনে যেতিয়া পটেশ্বৰীক হোটেলত আনি তাৰ প্ৰাথমিক লোভৰ উপশম ঘটাইছিল তেতিয়াই মালিকৰ তাইৰ প্ৰতি তেনেকুৱা এটা ভাৱ আহিছিল। কিন্তু প্ৰকৃততে কথাটো আছিল যে পটেশ্বৰীয়ে পূজনক মনে প্ৰাণে ভাল পাইছিল আৰু বিয়া হোৱাৰ আশাতহে তাই তাৰ লগত গুচি দিছিল। কিন্তু তাইৰ কথা শুনিব কোনে? ইফালে চবিনেও মালিকৰ কথাত ধৰ্মসংকটত পৰিছিল। এফালে তাৰ পত্নী আনফালে আকৌ মালিকৰ দাবী। পুলিচৰ ভয়, থকা খোৱাৰ আলাই আথানি সকলোবোৰৰ মাজত পৰি উপায়বিহীন হৈ পটেশ্বৰীক চবিনে মালিকৰ হাতত গতাই দিছিলি। এদিন মালিকৰ কুৎসিত কামনাৰ পৰা দুয়ো মুক্তি পাইছিল। এনেদৰে চবিন আৰু পটেশ্বৰী তিনিটা ল'ৰা ছোৱালীৰ মাক-দেউতাক হৈছিল। হঠাৎ এদিন চবিনৰ মত্যু হৈছিল আৰু উপায়বিহীন হৈ বহুবছৰৰ মূৰত হ'লেও ল'ৰা-ছোৱালী কেইটাক লৈ পটেশ্বৰীয়ে নিজৰ গাওঁখনতে আশ্ৰয় ল'ব লগা হৈছিল।

গাঁওলৈ ঘূৰি অহাৰ পিছতহে পটেশ্বৰীৰ জীৱনৰ আচল সংগ্ৰাম আৰম্ভ হ'ল। দৰিদ্ৰতাই তাইক কোঙা কৰি পেলাইছিল, তাতে আকৌ তিনিটাকৈ ল'ৰা-ছোৱালী। সমাজৰ দৃষ্টিত তাই হৈ পৰিছিল তথাকথিত এক চৰিত্ৰহীনা তিৰোতা। পুৰুষৰ কামাৰ্ত দৃষ্টিৰপৰা তাই সাৰি যাব পৰা নাছিল। পটেশ্বৰীয়ে আগতে বহুবাৰ অনুভৱ কৰাৰ দৰে আকৌ নতুনকৈ অনুভৱ কৰিছিল যে দৰিদ্ৰ মানুহৰ বাবে ৰূপ বস্তুটো অভিশাপহে, এই ৰূপেই তাইক সমস্ত জীৱন লটিঘটি কৰি

---

১৮. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ. ৪২-৪৩

মাৰিলে। এতিয়া ললিতে কয় যে “তাইৰ দৰে বেশ্যা প্ৰকৃতিৰ তিৰোতা এজনীৰ আকৌ কিহৰ সতীত্বৰ অভিনয়।”[১৯] টকাৰ অভাৱৰ কাৰণে হওঁক বা অইন কাৰণতেই হওঁক পটেশ্বৰীয়ে নিজৰ ডাঙৰ ল'ৰাটো আৰু ছোৱালীজনীক কাম কৰিবলৈ বেলেগৰ ঘৰত পঠাই দিলে।

পটেশ্বৰী সামাজিকভাৱে বঞ্চিতা আছিল। গাঁওলৈ ঘূৰি অহাৰ পিছত সকলোৱে তাইক বেয়া দৃষ্টিৰে চাইছিল। ভাল মাতেৰে মাত এষাৰ দিবলৈ তাইৰ কাষত এজন মানুহৰো অভাৱ আছিল। আইনাৰ সন্মুখত তাই নিজকে চাই শিঁয়ৰি উঠে- “আইনাৰ ভিতৰত সেই মানুহজনী তাই? সঁচাকৈয়ে তাই? তাই পটেশ্বৰী? ডিঙি হাড় জকজকাই ওলাইছে, গাটো শুকাই এচটা খৰিৰ দৰে হৈছে, ৰদে-বৰষুণে পুৰি ক'লা হৈছে, নানা দুখ-দুৰ্গতি, অনাহাৰ, অৱসাদ, দুশ্চিন্তাত মুখখন ক্লান্ত আৰু করুণ হৈ পৰিছে-- আইনাৰ ভিতৰৰ পৰা বিষন্ন চাৱনিৰে তাইলৈ টলটলকৈ চাই থকা এই বীভৎস চেহেৰাৰ মানুহজনী স্বয়ং তাই?[২০] কিন্তু এই বয়সতো তাইৰ ওপৰত পুৰুষৰ কুৎসিত দৃষ্টি নপৰাকৈ নাথাকিল। পটেশ্বৰী যেন এক বীভৎস, বিকৃত উল্লাসৰ হাঁহিত বাগৰিহে পৰিব- “অ' চালা শগুণহাত, তহঁতে মৰাশ খুঁটি খুঁটি খাবাক্ গেলি আৰু মাংসো নাপাৰা হলি নহয়,-- চালা তিৰীৰ মাংসোৰ লুইভা শগুণহাত।[২১]

পটেশ্বৰীৰ এই অট্টহাস্যবোৰতেই ফুটি উঠে সামাজিক ভাৱে তাই কিমান অপদস্থ। পটেশ্বৰীৰ মনৰ বেদনাৰ চিত্ৰখন বৰগোহাঞিয়ে অতি সুন্দৰভাৱে আঁকিছে। নাৰী চৰিত্ৰৰ মনস্তত্ত্বৰ কথা চৰিত্ৰটোৰ যোগেদি অতি সুন্দৰভাৱে ফুটি উঠিছে। পটেশ্বৰীৰ সমসাময়িক ভাৱে চহৰীয়া শিক্ষিতা নাৰী ৰেখাৰ কথাখিনিও লেখিকাই উপস্থাপন কৰিছে। কাহিনীটোৰ কথাবোৰৰ মাজেৰে দুয়োটা চৰিত্ৰ একেডাল সূতাৰে বন্ধা যেন বোধ হয়।পটেশ্বৰীৰ দৰেই ৰেখাদিও বদনামী- কাৰণ স্বামী বন্ধুৱে নিৰ্জনতাৰ সুযোগ লৈ তাইক ধৰ্ষণ কৰিলে। সকলো দোষ ৰেখাৰ ওপৰত দি স্বামী ৰঞ্জিতে ৰেখাৰ সৈতে বিবাহ বিচ্ছেদ কৰিলে। সেইদৰে পটেশ্বৰীক পূজনে পলুৱাই নি নিজৰ কামনাৰ উপশম ঘটাই হোটেলতে এৰি থৈ আহিল। চবিনে পটেশ্বৰীক বিয়া কৰালে যদিও এটা সময়ত সি নিজেই মালিকৰ হাতত তাইক উপভোগ কৰিবলৈ তুলি দিছিল। কিন্তু মালিকৰ পৰা মুক্তি পোৱাৰ বুধিটো পিছত পটেশ্বৰীয়েই চবিনক দিছিল। কিন্তু তাইক সি সহ্য কৰিব নোৱাৰিলে।

---

**১৯.** *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ. ৪৬

**২০.** উক্ত গ্ৰন্থ, পৃ. ৮১

**২১.** উক্ত গ্ৰন্থ, পৃ. ৮২

"পিছতে যে তোৰ বুদ্ধিটো ওলাল, আগতে কিয়া নোলাল, কিয়া নোলাল।"[২২] সকলো আৰৰ্জনাৰ কালিমা পটেশ্বৰীৰ ওপৰত জাপি দি চৰিন সিফলীয়া হ'ল। ইপিনে আকৌ ৰঞ্জিতে ৰেখাক ভাল পাইছিল যদিও ধৰ্ষণৰ দোষ বন্ধুক নিদি পত্নীকে দোষাৰোপ কৰিলে।

"ৰঞ্জিত, মোৰ সততাৰ কি তোমাৰ ওচৰত কোনো মূল্য নাই? মই তোমাৰ পৰা গোপন কৰিলেতো তুমি মোৰ এই ঘটনাটো কোনোদিনেই নাজানিলাহেঁতেন?"[২৩] তাৰ উত্তৰত ৰঞ্জিতৰ উত্তৰটোৱে পুৰুষৰ দুৰ্বলতাকহে প্ৰতিপন্ন কৰে।" কিবা নহয় কিবা প্ৰকাৰে এদিন জানিলোহেঁতেন, কাৰণ পাপ কেতিয়াও গোপনে নাথাকে। আৰু সততা-চততা সেইবোৰ ডাঙৰ কথা তুমি মুখত নানিবা। সেইবোৰ কিতাপত পঢ়িবলৈ ভাল, আনৰ জীৱনত শুনিবলৈ- ।"[২৪] সমাজত নাৰীৰ স্থিতি ইমানেই সোলোক ঢোলোক যে সুন্দৰী, সুশিক্ষিতা ৰেখা আৰু আজলী গাঁৱৰ ছোৱালী পটেশ্বৰীৰ জীৱন নিশ্চিতভাৱে ম্লান পৰি ৰ'ল। লেখিকাৰ প্ৰতিক্ৰিয়া অঞ্জলি চৰিত্ৰটোৰ যোগেদি ফুটি উঠিছে--

> *হিষ্ট্ৰি? হিষ্ট্ৰি। কিন্তু এই হিষ্ট্ৰি থাকে কেৱল মাইকী মানুহৰহে, পুৰুষ মানুহৰ নাথাকে। এই পটেশ্বৰীৰ দৰেই তাইৰ চহৰত থকা সুন্দৰী ৰেখাদিৰো হিষ্ট্ৰি আছে, কিন্তু ৰেখাদিৰ সৰ্বনাশ কৰা মানুহজনৰ হ'লে কোনো হিষ্ট্ৰি নাথাকিল, তেওঁৰ সুখৰ সংসাৰখন কোনো হিষ্ট্ৰিয়ে ধ্বংস কৰিব নোৱাৰিলে। কিন্তু ৰেখাদিৰ খন কৰিলে।*[২৫]

একেদৰেই জালুকবাৰীৰ আশ্ৰয়গৃহত থকা আটাইকেইগৰাকী নাৰীৰেই জীৱনৰ দুখ-দুৰ্দশাৰ মূল কাৰণ হ'ল কিছুমান স্খলিত পুৰুষ। তেওঁলোক পুৰুষৰ ভোগৰ সামগ্ৰী হৈ জালুকবাৰীৰ আশ্ৰয়গৃহত আশ্ৰয় ল'ব লগা হ'ল। এইসকল নাৰীক ভদ্ৰ সমাজে লেই-লেই চেই-চেই কৰিছিল। কিন্তু পুৰুষকেইজনৰ একো নহ'ল। তেওঁলোকে থকাৰ দৰেই সমাজত মূৰ দাঙি জীৱন-যাপন কৰি থাকিল। চৰিনে পটেশ্বৰীৰ আগত সততাৰে কোৱা কথাখিনিৰপৰা নাৰীৰ সামাজিক স্থিতি মূৰ্ত হৈ উঠে। "পটেশ্বৰী, এই যে তিৰোতাগিলাকোৰ গল্প ক'লা, একমাত্ৰ তাৰাৰ বাহিৰে সকলোৱে কম-বেছি পৰিমাণে পাপ কৰিছিল, সেই পাপোৰ শাস্তিত সোহাঁতে পালাক্। কিন্তু মই এটা কথা ভাৰছোঁ পটেশ্বৰী, পাপতো সেই মতা মানুহকেইটায়ো কৰিছিল, বৰং সেহাঁতে আৰু বেছি পাপ

২২. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ,* পৃ. ৬৩

২৩. উক্ত গ্ৰন্থ, পৃ. ২৯

২৪. উক্ত গ্ৰন্থ, পৃ. ২৯

২৫. উক্ত গ্ৰন্থ, পৃ. ২৩

কৰিছিল। কিন্তু সেঁহাতোৰতো একো শাস্তি নহ'ল, তাৰাৰ দাইদাকে নিজৰ তিৰীৰ লগোত সুখেৰে ঘৰ-সংসাৰ কৰিয়ে থাকিল, পুৰোহিতো মহা ধাৰ্মিক ছেলে লোকোৰ ঘৰে ঘৰে শ্ৰাদ্ধো কৰি কৰি মৰ। আত্মাগিলাকোৰ সদ্গতি কৰিয়ে থাকিল, তেৰ-বছেৰা নাউমানি ছোৱালীজনীৰ বা ক'ত কি গতি হ'ল- কিন্তু তাইৰ সৰ্বনাশ কৰা ল'ৰাটোৱে হয়তো এম.এ, বি এ পাছ কৰি ক'ৰবাত মাষ্টৰ, প্ৰফেছৰহে ল'ৰাগিলাকোক বৰ বৰ কথা কৈ নিজোৰ বিদ্যা জাহিৰ কৰি আছে। ধেৎ চালা- এখান দুনিয়াত ঈশ্বৰোৰ বিচাৰ বোলা কোনো কথা নাই ৰে- ইগ্‌লা দেখি শুনিতো আজিকালি মই মহা নাস্তিক হ'লো।"[২৬] পুৰুষপ্ৰধান সমাজত নাৰী এগৰাকীৰ স্থান কেনেধৰণৰ পৰ্যায় পাইছেগৈ তাৰ তীব্ৰতা বৰগোহাঞিয়ে অতি গুৰুত্ব সহকাৰে দেখুৱাইছে।

সামাজিক সমস্যা উপন্যাসখনৰ মূল উপজীব্য। নাৰীৰ সামাজিক সমস্যাক বৰগোহাঞিয়ে অতি সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। একে সময়তে তেওঁ পুৰুষপ্ৰধান সমাজত নাৰীৰ স্থান সম্পৰ্কেও প্ৰতিবাদ কৰিছে।

পাগলদিয়াৰ পাৰৰ টুনটুনী নদীৰ পাৰৰ মনোজ, অনিমা, ৰম্ভা, পুতুলীৰ জীৱনৰ কথাৰে এখন গুৰুত্বপূৰ্ণ উপন্যাস 'অন্য জীৱন'। উপন্যাসখনৰ কেন্দ্ৰত আছে ৰম্ভা খুৰীৰ জীৱন আৰু মৃত্যুৰ নিৰ্মম কাহিনী। এই মৃত্যু আৰু জীৱনৰ কাহিনী উপন্যাসখনৰ প্ৰধান চৰিত্ৰ অনিমা আৰু জীয়েক পুতুলীৰ চেতনাত অহৰহ ক্ৰিয়া কৰি থাকে। অনিমাই মনোজলৈ বিয়া হোৱাৰ পিছত প্ৰথমবাৰ শহুৰেকৰ ঘৰলৈ যোৱাৰ পিছত গাঁৱত যি অভিজ্ঞতা হ'ল তাক লেখিকাই অতি কলাসন্মতভাৱে দেখুৱাইছে। পুৰুষপ্ৰধান সমাজত নাৰীৰ ওপৰত হোৱা মৃদু অৱদমনৰ পৰা গাৰ নোম শিয়ঁৰাই তোলা নিৰ্মম অত্যাচাৰে দেখুৱাই দিয়ে নাৰীসকল সামাজিকভাৱে কিমান অপদস্থ। গাঁওখনৰ টুনটুনী নৈখনৰ কথা অণিমাই মনোজৰ মুখত শুনিয়ে আছিল আৰু তেতিয়াৰে পৰা নৈখনত গা ধোৱাৰ হেঁপাহ এটাই তাইক আৱৰি আছিল। গৰুৰ গাড়ীখন যেতিয়া টুনটুনী নৈৰ দলং পায়হি তেতিয়া তাই গাড়ীৰ পৰা নামি নৈখন চাবলৈ ধৰে। খৰালি নৈৰ পানী শুকাই যায় বুলি শুনি অণিমাই নৈত গা ধুবলৈ নাপাব বুলি আশংকা কৰাত হঠাৎ মনোজে ক'লৈ-- " খৰালিও টুনটুনিত যথেষ্ট পানী থাকে, ইমানেই থাকে যে ৰম্ভা খুৰীদেউ তাত জঁপিয়াই আত্মহত্যা কৰিছিল খৰালি কলিতেই।"[২৭] কথাযাৰ শুনি অণিমাৰ গাটো এক অজান ভয়ত কঁপি উঠিল। ৰম্ভা খুৰীদেউ কোন ? কিয় আত্মহত্যা কৰিছিল ? আদি হাজাৰটা প্ৰশ্নই অণিমাৰ চেতনাত ক্ৰিয়া কৰিলে।

২৬. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ,* পৃ. ৩৯

২৭. উক্ত গ্ৰন্থ, পৃ. ৬৯৯

অণিমাই শাহুয়েকৰ ঘৰত, মনোজৰ ভনীয়ক আইকণক লগৰী হিচাপে পালে। আইকণৰ লগত অণিমাই বহুতো কথা পাতে। মনোজৰ আন এজনী ভনীয়েক মাজনীয়ে গিৰিয়েকৰ ঘৰত পোৱা অত্যাচাৰৰ কথা আইকণে বৌয়েকক কয়। মনোজহঁতৰ ভিতৰুৱা গাওঁ এখনৰ ৰক্ষনশীল চিন্তাধাৰাৰ মানুহবোৰৰ মূৰ গৰম কৰিব পৰা যুক্তিনিষ্ঠ কথা কোৱা পুতলীৰ কথাও আইকণে অণিমাৰ আগত কয়। পুতলী ছোৱালীজনীক লৈ অণিমাৰ কৌতুহল বাঢ়ি যায় আৰু লগ পোৱাৰ ইচ্ছা হয়। ৰম্ভা খুৰীৰ আত্মহত্যাৰ খবৰটোৱে বাৰে বাৰে অণিমাক ভবাই তোলে।

"....অণিমাই আকাশলৈ মূৰ তুলি চালে - কি সুন্দৰ উজ্জ্বল ৰ'দ, কি সুন্দৰ শৰতৰ নীলা আকাশ, কি সুন্দৰ শুভ্ৰ মেঘৰ পুঞ্জ। যি মেঘৰ চপৰা খহি যেন টুনটুনিৰ সিটো পাৰতো আছাৰ খাই পৰি বতাহত হিল্লোহিত হ'ব ধৰিছে... কি সুন্দৰ- এই আকাশ, বতাহ, পৃথিৱী-। টুনটুনি সঁচায়ে কি সুন্দৰ- তেন্তে কি দুখত এই সুন্দৰ পৃথিৱীৰ মায়া ত্যাগ কৰি এজনী মানুহে টুনটুনিৰ বুকুত জাহ গ'ল।"[২৮] অণিমাৰ দুৰ্বাৰ কৌতূহলৰ বাবে আইকণে ৰম্ভা খুৰীদেউৰ জীৱনৰ বীভৎস তথা করুণ কাহিনী শুনাবলৈ বাধ্য হ'ল। খুৰীৰ কাহিনী শুনি অণিমাৰ চেতনাত এক বিস্ফোৰণ ঘটিল। নাৰীৰ ওপৰত ঘটি থকা এই সামাজিক ব্যৱস্থাই অণিমাৰ মন মগজুত এক চেতনাই খামুচি ধৰি থাকিল।

ৰম্ভা খুৰীক গিৰিয়েকে ইমানেই বেছি অত্যাচাৰ কৰিছিল যে কোনো এজন সুস্থ মানুহে এয়া কৰিব নোৱাৰে। আনকি ৰম্ভা খুৰীক মৈত বান্ধি পথাৰৰ পকা চপৰাৰ ওপৰেদি চোঁচৰাই নি নিষ্ঠুৰ ভাৱে অত্যাচাৰ কৰিছিল। "তিৰোতা মানুহ হ'লে গিৰিয়েকৰ হাতত অলপ অচৰপ অত্যাচাৰ সহ্য কৰিবই লাগিব- এয়ে সিহঁতৰ কপালৰ লিখন- এনেকুৱা ধ্যান-ধাৰণাৰ সমাজ এখনত সকলো মানুহ ডাঙৰ হৈ আহিছে, গতিকে ৰম্ভা খুৰীদেউৰ ওপৰত কৰা অত্যাচাৰক গাঁৱৰ মানুহে গৰিহণা দিলেও তেওঁলোকৰ বাবে সেইটো বোধ হয় এক ভয়ংকৰ পাপ কাৰ্য যেন লগা নাছিল। লগা হ'লে নিশ্চয় ইমান সাংঘাটিক ঘটনা ঘটিবলৈ নেপালেহেঁতেন আৰু ৰম্ভা খুৰীদেৱেও পানী কেঁচুৰাটিক এৰি এনেকৈ টুনটুনিৰ বুকুত আত্মহত্যা নকৰিলেহেঁতেন।"[২৯] এইবোৰ কথাৰ পৰা এইটো স্পষ্ট হয় যে সেইসময়ত নাৰীৰ সামাজিক অৱস্থান একেবাৰে উন্নত নাছিল। নাৰী নিৰ্যাতন যেন প্ৰাকৃতিক ঘটনাৰ দৰে মানি ল'বলগীয়া ঘটনা আছিল। কোনো কোনো ক্ষেত্ৰত

২৮. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ. ৭১৩

২৯. উক্ত গ্ৰন্থ, পৃ. ৭১৮

আকৌ দেখা গৈছিল তিৰোতাসকলে নিজেই যেন এইবোৰ সহজভাৱে মানি লৈছিল। গিৰিয়েকৰ অলপ অচৰপ অত্যাচাৰ সহ্য কৰাটো যেন এওঁলোকৰ কাৰণে সৰু কথা।

উপন্যাসখনৰ এটা শক্তিশালী চৰিত্ৰ পুতলী। পুতলী ৰম্ভা খুৰীদেউৰ জীয়েক। পুতলীক লগ পাই অণিমাৰ মনৰ চেতনাও মুকলি হ'ল। তদুপৰি ৰম্ভা খুৰীৰ আত্মহত্যাৰ কথাবোৰৰ পৰাও তাইৰ মনৰ চেতনাই মুক্তিৰ স্বাদ পালে। পুতলীয়ে এইখন পুৰুষপ্ৰধান সমাজব্যৱস্থাৰ পৰিৱৰ্তন ঘটাব বিচাৰে। তাইৰ মতে পুৰুষজাতিৰ বিৰুদ্ধে গৈ নাৰী জাতিৰ উন্নতি হ'ব নোৱাৰে। "...পুৰুষ জাতিৰ বিৰুদ্ধে তৈয়াৰ কৰা বোমাটোও মই নিষ্ক্ৰিয় কৰি পেলাইছো।"[৩০]

"এই সমাজব্যৱস্থাৰ আমূল পৰিৱৰ্তন নোহোৱালৈকে আমাৰ পুৰুষপ্ৰধান সমাজখনৰ পুৰুষৰ দৃষ্টিভংগীৰো সলনি নহয়। সেয়ে এতিয়া বোমাটো মই মূল কেৰোণটোৰ বিৰুদ্ধে যুঁজিবলৈহে সুসজ্জিত কৰিব ধৰিছোঁ। আৰু সেই যুদ্ধ আমি পুৰুষৰ বিৰুদ্ধে নকৰোঁ পুৰুষৰ লগত একেলগেহে কৰোঁ।"[৩১] য'ত পুৰুষে নাৰী এগৰাকীক অৱদমন কৰিবলৈ চেষ্টা চলায় তেনেকুৱা এখন সমাজত পুতলীয়ে বাস কৰে। দেউতাকৰ অত্যাচাৰ সহিব নোৱাৰি পুতলীৰ মাকে টুনটুনি নৈত জঁপিয়াই আত্মহত্যা কৰিছিল। তেতিয়া পুতলী পানী কেচুঁৱা। এই পুতলীয়ে এতিয়া ডাঙৰ হৈ সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাব বিচাৰে আৰু এই পৰিৱৰ্তন পুৰুষৰ বিৰুদ্ধে অস্ত্ৰ লৈ নহয়, পুৰুষৰ লগত হাতত ধৰা ধৰি কৰিহে তিৰোতাক কৰা অত্যাচাৰৰ বিৰুদ্ধে সফল হ'ব পাৰিব।

'অন্য জীৱন'ত লেখিকাই নাৰীৰ ওপৰত পুৰুষৰ শোষণ আৰু অত্যাচাৰৰ-যিবোৰ ছবি অংকন কৰিছে সেইবোৰে নাৰীৰ সামাজিক অৱস্থানৰ কথা দেখুৱাই যায়। উপন্যাসখনে নাৰী চেতনাক আঘাত সানিব পৰাকৈ এক দ্বন্দ্বময় গতিৰ সৃষ্টি কৰিছে।

নাৰীবাদ ধৰা পৰা বৰগোহাঞিৰ আন এখন উপন্যাস হৈছে 'মোৰ নাম চম্পাৱতী কাকতি'। এই উপন্যাসত নাৰীবাদ ফুটাই তোলা হৈছে নাৰীৰ বিবাহৰ ক্ষেত্ৰত। ঘৰখনৰ সকলো কথাতে পুৰুষজনেই মূল ভূমিকা গ্ৰহণ কৰে, নাৰীৰ স্থান সদায় পৰিধিতহে। বিবাহৰ ক্ষেত্ৰতো নাৰী এগৰাকীৰ পছন্দ-অপছন্দক লৈ কোনো কথা থাকিব নোৱাৰে। সকলোৱেই পুৰুষজনৰ তলতীয়া অৱস্থান মানি চলিবলগীয়া হয়। এই উপন্যাসত লেখিকাই এনে ৰীতিৰ বিৰোধিতা কৰিছে।

চম্পাৱতী হৈছে উপন্যাসখনৰ নায়িকা। আদৰ্শবাদী কংগ্ৰেছী নেতা জীৱনাথ কাকতিৰ জীয়ৰী চম্পাৱতী সৰুৰেপৰা অতি স্পষ্টবাদী আছিল। বিবাহৰ উপযুক্তা হোৱাত তাই ধনী আৰু

৩০. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ. ৭৩৩

৩১. উক্ত গ্ৰন্থ, পৃ. ৭৩৪

প্ৰতিপত্তিশীল ৰাজনীতিক এজনৰ লগত বিয়াত সোমাল। কিন্তু বিবাহৰ পিছত তাইৰ মোহভংগ হ'বলৈ বেছিদিন নালাগিল। গিৰিয়েকৰ তোষামোদ তথা পত্নীক তলত ৰাখিবলৈ চেষ্টা কৰা প্ৰবৃত্তিটোৱে তাইক অতিষ্ঠ কৰি তুলিলে। চম্পাৱতী এনে এখন সমাজত বাস কৰে যত তাইৰ শাহুৱেকে পুতেকৰ গাত একো ভুল নেদেখে, বৰঞ্চ ওলোটাই পুতেকক বেয়াবোৰৰ পৰা উদ্ধাৰ কৰিবলৈহে চম্পাক দায়িত্ব দিয়ে। এইখন ঘৰত যে পুৰুষৰ ওপৰত কথা ক'ব পৰাকৈ স্বয়ং মাকৰো কোনো অধিকাৰ নাই সেই কথা চম্পাই শাহুৱেকৰ বুজনিৰেই গম পালে। গিৰিয়েকৰ কথাৰ প্ৰতিবাদ কৰিবলৈ যাওঁতে শিৱানন্দই তাইক চৰ মাৰি বিছনাত বগৰাই দিছিল।

চম্পাৰ লগত তৰ্ক কৰি কৰি শিৱৰ ধৈৰ্যৰ বান্ধ সুলকি আহিছিল। নৱবিৱাহিতা পত্নীৰ পৰা এই ৰাতিখন সি অন্ততঃ অভিযোগ আৰু তৰ্ক আশা কৰি শোৱনি কোঠালিত সোমোৱা নাই, তাতে যদি সেই পত্নী চহৰৰ কোনোবা আঢ্যৱন্ত ঘৰৰ- এম. এ, বি.এ. পাছ- ছোৱালী হ'লহেঁতেন, তেতিয়াও কথা বেলেগ আছিল এই এজনী সাধাৰণ গাঁৱলীয়া, অশিক্ষিত ছোৱালীৰ মুখত ইমান কথা, তাইৰ ইমান বেছি দাবী। মোক একেবাৰে কব্জা কৰি ল'ব খুজিছে, কম স্পৰ্ধাতো নহয়।[৩২]

শিৱানন্দৰ অহংবোধ তাৰ প্ৰতিটো কথাতেই যেন ফুটি উঠিছে। তাৰ কথাবোৰৰ পৰা এইটো ওলাই পৰিছে যে সমাজত নাৰীৰ প্ৰেম, ভালপোৱা,সন্মানৰ একো মূল্যই নাই।

> *কি অকৃতজ্ঞ তুমি। মই ভাবিছিলো যে দেউতাহঁতৰ প্ৰায় অমতে গৈ তোমাক বিয়া কৰোৱাৰ মোৰ যি সৎসাহস, তাৰ বাবেই তুমি মোৰ মোৰ ওচৰত সদায় কৃতজ্ঞতাত গদগদ হৈ থাকিবা। সাধাৰণ গাঁৱলীয়া ছোৱালী এজনীক মই আন কথা বাদেই, মন্ত্ৰীৰ বোৱাৰী হোৱাৰো মৰ্যাদা দিলো। সিও তোমাক সন্তুষ্ট কৰিব পৰা নাই... ।*[৩৩]

কিন্তু তাই ভবা শাস্তিত কৈও চম্পাই ডাঙৰ শাস্তি পালে, শিৱই খঙেৰে কঁপি কঁপি তাইক একে আজোৰে টান মাৰি আনি বিছনাত পেলালে আৰু ক'লে-- "তিৰোতা মানুহৰ মতা মানুহৰ আগত এটাই মাত্ৰ ভূমিকা পালন কৰিব লগা আছে, তাতকৈ সিহঁতক বেছি দিবলৈ গ'লে সিহঁতে কুকুৰৰ দৰে একেবাৰে মূৰলৈকে উঠিব খোজে। মই ইমানদিনে সেই বেছি দিয়াৰ ভুলটো কৰি আহিছিলো কিন্তু আজিৰপৰা আৰু সেই ভুল নহয়, তই আজিৰপৰা মোৰ মাত্ৰ পাটিৰ তিৰোতা।"[৩৪]

---

৩২. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ.৩৮২

৩৩. উক্ত গ্ৰন্থ, পৃ.৩৭৬

৩৪. উক্ত গ্ৰন্থ, পৃ.৩৮৩

শিৱানন্দৰ কথাবোৰত পুৰুষসমাজৰ নগ্নৰূপটো ওলাই পৰিছে। নাৰীৰ ওপৰত সেই পুৰুষজনে এক অধিকাৰ আৰ্জিছে বিয়া নামৰ এক বাহ্যিক অনুষ্ঠানেৰে। সামাজিকভাৱে নাৰীক অপদস্থ কৰাটো পুৰুষৰ যেন এক অধিকাৰ। এইখন সমাজে তাকেই কৈ গৈছে। দাম্পত্য জীৱনত নিজৰ স্বামীৰ দ্বাৰাই নিৰ্যাতনৰ বলি হৈ পিছত চম্পাৱতীয়ে পৰম্পৰাৰ বিৰুদ্ধে যাব লগা হ'ল। স্বামীৰ লগত সংসাৰ পৰিত্যাগ কৰি সমাজত নাৰীৰ অধিকাৰ সাব্যস্ত কৰিবৰ বাবে তাই বামপন্থী নাৰী সংগঠন মহিলা সংঘত যোগদান কৰিলে।

কেৱল চম্পাৰ গিৰিয়েকেই নহয়, শহুৰেকৰ কথাবোৰতো পুৰুষৰ দম্ভালি মৰা স্বভাৱটো ওলাই পৰিছে। শহুৰেকৰ মতে তাই ঘৈণীয়েকজনী হৈ গিৰিয়েকক বলাব নোৱৰাটো তাইৰেই দোষ। কিন্তু হ'লেও পুতেকৰ চৰিত্ৰত যে দাগ আছে সেয়া মানি ল'ব নোখোজে দেউতাকে।

"... তায়ে কি ছোৱালী, গিৰিয়েকটোক যে অলপো বশ কৰিব নোৱাৰে। মই আগতেও তোমাক কৈছো, এতিয়াও কওঁ, এইবোৰ কথা কৈ মোৰ কাণৰ ওচৰত ঘেন ঘেনাই নাথাকিবা, মোৰ মূৰত কত ধান্দা, ইলেক্‌চনো আহিব ধৰিছে, চৰকাৰো চলাব লাগে, তাৰ মাজত এইবোৰ সৰু-সুৰা কথাত মোক টনাটনিখন কৰি নাথাকিবা আৰু ইমান ডাঙৰ কথাও হোৱা নাই, শিৱইতো আৰু অন্য এজনীক আনি ঘৰত সুমুওৱা নাই- গাঁৱত এতিয়াও মানুহে দুজনী-তিনিজনী বিয়া কৰায়, আৰু গাঁৱত বা কিয়, চহৰতো এনে কত ঘটনা ঘটি আছে, আৰু শিৱই যদি চম্পাক মাৰধৰ কৰেও, তাইৰ চোকা মুখখনৰ কাৰণেহে কৰে, মাইকী মানুহৰ জিভাত সদায় লেকাম টানি চলিব লাগে... যি হওক ,মোৰ শিৱটোলৈহে বেজাৰ লাগিছে তাৰ দৰে ল'ৰা এটাৰ ডিঙিত গাঁৰৰ অশিক্ষিতা দন্দুৰী তিৰোতা এজনীক ওলোমাই দিলো, ভালতেনো মই এই বিয়াখনত আপত্তি কৰিছিলো....।"[৩৫]

সকলো অপৰাধৰ জগৰীয়া কেৱল নাৰীকেই কৰিব খোজে। আৰু একেটা অপৰাধ যদি পুৰুষজনে কৰে তেতিয়াও সেই অপৰাধৰ বোজা কেৱল নাৰীৰ ওপৰতেই পৰে। মিছা অপবাদ সহিব নোৱাৰি চম্পাই চিয়ঁৰি উঠে---"দিল্লীত গৈ থাকি আপুনি প্ৰেম-পীৰিতি কৰি থাকিলে দোষ নাই, দেখে কেৱল মোৰ বেলিকা? কিয়, মই মাইকী মানুহ বুলি নেকি?"[৩৬]

---

৩৫. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ.৩৯১

৩৬. উক্ত গ্ৰন্থ, পৃ.৩৯৩

শিৰই খঙত একো নাই হৈ গাৰ বলেৰে চম্পাক জোকাৰে—"ওঁ, তহঁত মাইকী মানুহৰ ধৰ্মই হ'ল সতীত্ব ৰক্ষা কৰা, মনুৱে কৈ যোৱাৰ দৰে তহঁতে নিজেহে স্বামী দেৱতাক বেশ্যাৰ ঘৰলৈ লৈ যাব লাগে।"[৩৭]

শেষত সামাজিকভাৱেও অপদস্থ হৈ শাহুৱেক, শহুৰেকৰ পৰাও নৈতিকভাৱ সমৰ্থন নাপাই গিৰিয়েকৰ লগত সম্পৰ্ক ত্যাগ কৰে আৰু সমাজত নাৰীৰ স্থান উন্নীত কৰাৰ সংকল্পলৈ বামপন্থী নাৰী সংগঠনত যোগদান কৰে।

এগৰাকী বাস্তৱ নাৰীবাদী মহিলাৰ জীৱন আৰু কৰ্মৰাজি উপস্থাপন কৰি *অভিযাত্ৰী* ৰচনা কৰা হৈছে। উপন্যাসখনক চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱন আৰু কৰ্মৰাজিৰ লগতে প্ৰাক স্বাধীন কালত মহিলাৰ সামাজিক স্থান, স্বাধীনতা আন্দোলনত নাৰীৰ যোগদান তথা অসমত মহিলা সমিতিৰ গঠন আৰু বিকাশৰো এক দলিল বুলি ক'ব পাৰি। নাৰী পুৰুষৰ সম্পৰ্কৰ আৰু নাৰীমুক্তিৰ কেতবোৰ মৌলিক প্ৰশ্নক শইকীয়ানীৰ কাহিনীৰ মাজেৰে অসমীয়া সমাজৰ পৰিপ্ৰেক্ষিতত তুলি ধৰি চিৰাচৰিত চিন্তাত অভ্যস্থ পাঠককো সচকিত কৰি তুলিছে।

চন্দ্ৰপ্ৰভা শইকীয়ানী যিটো দশকত জন্ম হৈছিল সেইসময়ত সমাজত নাৰী শিক্ষাৰ কথা একেবাৰেই অহা নাছিল। সমাজত নাৰীসকলক অবলা বুলি ভবা হৈছিল। কামৰূপৰ এখন ভিতৰুৱা গাঁও দৈশিঙৰীৰ এটি সাধাৰণ পৰিয়ালৰ ছোৱালী চন্দ্ৰপ্ৰভাই কুৰি শতিকাৰ আৰম্ভণিতে পুৰুষপ্ৰধান সমাজৰ সকলো নিয়ম ভাঙি প্ৰাথমিক স্কুল পাছ কৰিছিল। সেই তেতিয়াই তেওঁ নাৰীশিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰিছিল। আৰু সেই সৰু বয়সতেই ওচৰৰ গাঁওত কেইজনীমান ছোৱালী গোট খুৱাই শিক্ষা দিয়াত লাগিছিল।

পিছলৈ তেওঁ গান্ধীৰ নেতৃত্বৰ স্বাধীনতা আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী হৈ উঠিছিল। গান্ধীৰ স্বাধীনতাৰ আন্দোলনৰ এক প্ৰধান অংগ আছিল নাৰী শিক্ষা আৰু নাৰী উন্নয়নৰ হেতু কাম কৰা। সমাজত নাৰীৰ প্ৰতি অৱহেলা দেখি দেখি চন্দ্ৰপ্ৰভা শইকীয়ানী বিদ্ৰোহী হৈ গৈছিল। অসম মহিলা সমিতিৰ যোগে তেওঁ প্ৰচাৰ কৰিছিল নাৰীৰ পুৰুষৰ সৈতে সমতাৰ ধাৰণা, নাৰীৰ পুৰুষৰ সৈতে সমান অধিকাৰৰ ধাৰণা আৰু পুৰুষে যি কৰিব পাৰে, নাৰীয়েও যে তাকেই কৰিব পাৰে তাৰ ধাৰণা। পুৰুষপ্ৰধান সমাজৰ নীতি নিয়মৰ বিৰুদ্ধে প্ৰতিবাদ কৰি বিবাহৰ আগতেই সন্তান জন্ম দিছিল।

---

৩৭. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ.৩৯৩

বৰ্ণনাকাৰীৰ টিপ্পনীত গান্ধীৰ প্ৰভাৱত নাৰীবাদী চন্দ্ৰপ্ৰভাৰ মনৰ ভাৱ--

"উস, কেনেকৈ আপোন পাহৰি অহোঁ বলিয়াৰ দৰে ঘূৰি ফুৰাৰ সময়ত তাই যে কত ধৰণৰ প্ৰতিবন্ধকতাৰ সন্মুখীন হ'ব লগা হোৱা নাই-, পুৰুষৰ আধিপত্য আৰু নাৰীৰ অনগ্ৰসৰতাৰ চিনেই চাৰিওপিনে পৰিস্ফুট হৈ থকা গাঁৱবোৰত তাই যে কত ককৰ্থনা, কত বিদ্ৰূপ কত মস্কৰা সহিব লগা হোৱা নাই। কিন্তু তথাপিও তাই দমি যোৱা নাই, দমি যোৱা ভকতেই নহয় তাই; তাই চন্দ্ৰপ্ৰভা শইকীয়ানী; কোনো পিতৃ, কোনো স্বামীৰ পৰিচয়েৰে পৰিচিত বন্ধনৰ শিকলীয়ে তাইৰ ভৰি দুখন বান্ধি ৰাখিব পৰা নাই।"[৩৮]

সেইখন সমাজত বাল্যবিবাহ আৰু বহু বিবাহৰো প্ৰচলন আছিল। বাল্যবিবাহে নাৰীসকলক কোঙা কৰি পেলাইছিল। নগাঁৱৰ কংগ্ৰেছৰ অধিবেশনৰ কাৰণে পূৰ্ণ শৰ্মা, মহীচন্দৰ বৰা আদিৰ লগত চন্দ্ৰপ্ৰভাইও সভা সমিতিত বক্তৃতা দি ফুৰিছিল। এবাৰ পূৰ্ণ শৰ্মাই নাৰী পুৰুষৰ সমতা বিষয়ত ধেমালিতে কোৱা কথা এষাৰত চন্দ্ৰপ্ৰভা ক্ষুন্ন হৈছিল। চন্দ্ৰপ্ৰভাই কিন্তু হাঁহিত যোগ নিদিলে। পুৰুষতকৈ নাৰীক যেতিয়াই যিভাৱেই হীন কৰা নহওক কিয়, তাই তাৰ বিৰুদ্ধে ফেঁট তুলি উঠিবই। এতিয়াও তাই গহীনভাৱ ক'লে, "ভগৱানে মুনিহ তিৰোতাক বেলেগ বেলেগ ধৰণে সৃষ্টি কৰিছিল তেওঁৰ সেই সৃষ্টি কাৰ্য অনন্ত কাল স্থায়ী হোৱাৰ বাবে, কিন্তু তাৰদ্বাৰা তেওঁ কেতিয়াও কাকো সৰু ডাঙৰ কৰা নাছিল। আপোনালোক মতা মানুহবোৰেহে সুবিধা বুজি সমাজৰ মুখিয়াল হৈ বহিলৈ তিৰোতাক শলঠেকত পেলাই আপোনালোকৰ সমানে বিকাশ লাভ কৰাৰ সুযোগ নিদি এই হীন অৱস্থাত পেলাই ৰাখিছে।"[৩৯]

উপন্যাসখনত নাৰীৰ দুৰ্দশাক অন্ত পেলাবলৈ চন্দ্ৰপ্ৰভা শইকীয়ানী আগুৱাই আহিছে।

### ৫.২.২ নাৰীৰ ৰাজনৈতিক স্থিতি

জগদ্বিখ্যাত মনীষী এৰিষ্ট'টলে কৈছিলঃ Man is by nature, a political animal আৰু এই 'ৰাজনৈতিক প্ৰাণী' মানুহ বসবাস কৰে ৰাজনৈতিক পৰিসীমাৰে (Political boundary) আৱেষ্টিত একো একোখন নিয়ম শৃংখলিত সমাজত। সেয়ে জীৱশ্ৰেষ্ঠ সামাজিক প্ৰাণী মানুহৰ জীৱনত ৰাজনীতিৰ প্ৰভাৱ অপৰিহাৰ্য। তদুপৰি প্ৰেম-কৰুণা, হিংসা-ক্ৰোধ প্ৰভৃতি হৃদয় বৃত্তিসমূহ মানৱ

৩৮. বৰগোহাঞি, নিৰুপমা ঃ *অভিযাত্ৰী*, পৃ.২০৩

৩৯. উক্ত গ্ৰন্থ, পৃ.২৩৫

জীৱনৰ আদিম পুৰাৰে পৰা পৰিৱেশানুযায়ী গঢ় লয়। সেয়ে শৈশৱাস্থাত অভিভাৱক আৰু পৰিয়ালৰ প্ৰতি যি স্নেহ-প্ৰেমানু ভূতিৰ বীজ অংকুৰিত হয়, তদ্ৰূপ এক মাতৃভূমিৰ প্ৰতি ওপজা প্ৰেমৰ অন্তঃসলিা ফল্গুধাৰা প্ৰত্যেকৰ অন্তৰত চিৰা প্ৰবাহিত হৈ থাকে; সময় আৰু পৰিস্থিতি সাপেক্ষে ই আত্মপ্ৰকাশ কৰে। ইংৰাজ কবি বায়ৰনে কৈছিল-- 'He who loves not his country can love nothing.' নিজৰ মৰমৰ দেশখনত যাক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই- 'পৃথিৱীৰ ক'তো বিচাৰি জনমটো নোপোৱা কৰিলেও 'পাত' বুলি কৈছে, সেই দেশমাতৃৰ সেৱাৰ বাবেও আকৌ প্ৰয়োজনীয় হোৱা মঞ্চখনক ৰাজনীতিয়েহে গঢ় দিয়ে।

সম্ভৱতঃ বিশ্বৰ সমাজ সচেতন কবি-কথাশিল্পী অথবা বুদ্ধিজীৱীকলে নিজ নিজ জীৱন পথত প্ৰত্যক্ষ কৰা ৰাজনৈতিক আন্দোলন একোটাক প্ৰত্যাহ্বান স্বৰূপে গ্ৰহণ কৰে আৰু সেইসকলৰ ৰচনাত ই প্ৰাণ পাই উঠে।

বিশ্বসাহিত্যৰ ইতিহাসত একোটা কালৰ ৰাজনৈতিক গতিক্ৰমক কেন্দ্ৰ কৰি বহুতো কালজয়ী উপন্যাস ৰচিত হৈছে। তাৰ ভিতৰত নেপোলিয়নৰ ৰাছিয়া অভিযানক কেন্দ্ৰ কৰি টলষ্টয়ে লিখি উলিয়াইছিল 'War and Peace'। সেইদৰে আৰ্নেষ্ট হেমিংওৱেৰ 'Farewell to Arms','For Whom the Bell Tolls' মেক্সিম গৰ্কীৰ 'Mother', চাৰ্লছ ডিকেন্সৰ বিখ্যাত উপন্যাস A Tale of Two Cities আদি উপন্যাস সমূহ ৰাজনীতিৰ গতিক্ৰমক কেন্দ্ৰ কৰি ৰচিত হৈছে।

ভাৰতৰ স্বাধীনতা আন্দোলনক কেন্দ্ৰ কৰি অনেক ৰাজনীতিসিক্ত উপন্যাস সৃষ্টি হৈছে। এইক্ষেত্ৰত বংগদেশৰ সন্নাসী বিদ্ৰোহক কেন্দ্ৰ কৰি লিখা বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ 'আনন্দ-মঠ' (১৮৭২) উপন্যাসখন ভাৰতৰ আন্দোলন কেন্দ্ৰিক উপন্যাসৰ প্ৰথম পদক্ষেপ। স্বাধীনতা সংগ্ৰামৰ ঘটনা পৰিস্ফুট কৰি শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ে ৰচনা কৰিছিল 'পথেৰ দাবী' (১৯২৬) মাৰাঠী সাহিত্যৰ এন. চি. পাদকোৰ উপন্যাস 'প্ৰবাসী' (১৯৩৩) ৪২ ৰ 'ভাৰতত্যাগ' আন্দোলনৰ পটভূমিত ৰচিত। সেইদৰে তেলেগু সাহিত্যিক আদিবি বাপুৰাজুৰ 'নাৰায়ণাবাভু' (১৯৫২), কানাড়ী সাহিত্যিক কট্টিমনিৰ মাদি মাদিদা বাৰ (those who did & die) আৰু এন. এন. কৃষ্ণৰাৱৰ 'অমৰ আগষ্ট' পাঞ্জাবী সাহিত্যত কেশৰ সিঙৰ 'লহৰ ৱাহি গয়ী' (১৯৬৩) আদি উপন্যাসত দেশক মুক্ত কৰাৰ জাতীয় সংগ্ৰামৰ প্ৰতিধ্বনি শুনা যায়।

অসমীয়া উপন্যাস সাহিত্যত ৰাজনীতি কেন্দ্ৰিক ছবি জিলিকি উঠিছে পশুপতি ভৰদ্বাজৰ-'ৰঙা ৰঙা তেজ'' (১৯৬৮), বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' (১৯৭০), বীণা বৰুৱাৰ 'জীৱনৰ বাটত' আদি উপন্যাসত।

আমি ইয়াত আলোচনা কৰিম নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰীৰ ৰাজনৈতিক স্থিতি।

'অভিযাত্ৰী' অসমৰ নাৰীবাদী আন্দোলনৰ নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনভিত্তিক উপন্যাস। এই উপন্যাসখনত প্ৰাকস্বাধীন কালৰ স্বাধীনতা আন্দোলনত নাৰীৰ যোগদান, অসমত মহিলা সমিতি গঠন আৰু চন্দ্ৰপ্ৰভাৰ নাৰীক পুৰুষৰ সমানে সমানে আগুৱাই নিয়াৰ প্ৰচেষ্টা দেখুওৱা হৈছে।

শিক্ষা লাভৰ অন্তত চন্দ্ৰপ্ৰভাই নগাঁৱৰ এখন প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰে। কিছুদিন পিছত তেজপুৰৰ এখন মজলীয়া স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ পদত যোগদান কৰে। নগাঁৱত থকা কালছোৱাতে মহিলা সমিতিৰ লগত জড়িত হৈ চন্দ্ৰপ্ৰভাই নাৰী সমাজৰ কল্যাণৰ কামত ব্ৰতী হয়। সেইসময়তে নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ নৱম অদিৱেশনত তেওঁ যোগদান কৰে। ১৯২৬ চনত পাণ্ডুত অনুষ্ঠিত কংগ্ৰেছ অধিবেশনত যোগ দিবলৈ তেওঁ লোকেল ব'ৰ্ডৰ সভাপতিৰ ওচৰত ছুটী বিচাৰে। আবেদন মঞ্জুৰ হৈ যোৱাৰ পিছত চাকৰি ইস্তাফা দি মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা আন্দোলনত যোগ দিয়ে।

চন্দ্ৰপ্ৰভা সৰুৰেপৰাই নাৰীৰ অধিকাৰ সম্পৰ্কে সচেতন আছিল। গান্ধীজীৰ নেতৃত্বত হোৱা স্বাধীনতা আন্দোলনত নাৰী অধিকাৰৰ কাৰণে বিশেষভাৱে সক্ৰিয় কাৰ্যসূচী আছিল। সেই কাৰ্যসূচীত চন্দ্ৰপ্ৰভাই নাৰী অধিকাৰৰ সপক্ষে ৰাজনীতিত জঁপিয়াই পৰিছিল।

"আমি নাৰী জাতি যে পিছপৰি আছোঁ, তাৰ এটা কাৰণ এই সাহৰ অভাৱ। সাহ কৰিব নোৱাৰিলে সকলো বিষয়তে আমি পিছ পৰিয়েই থাকিব লাগিব। আৰু আমিতো সমাজৰ আধা অংশ, এই আধা অংশ যদি আগবাঢ়িব নোৱাৰোঁ, আমাৰ সমাজখনো এখন ভৰিৰ এই দুৰ্বলতাৰ বাবে লেঙেৰাই লেঙেৰাই আগবাঢ়িব লাগিব।"[৪০]

প্ৰাক স্বাধীন যুগত পুৰুষৰ সমানে সমানে চাইকেল চলাই ফুৰা প্ৰথমজনী নাৰী আছিল চন্দ্ৰপ্ৰভা শইকীয়া। ধুবুৰী সাহিত্য সভাৰ অধিৰেশনৰ সময়ত চিকৰ আঁৰত বহি থকা মহিলাসকলক

---

৪০. বৰগোহাঞি, নিৰুপমা ঃ *অভিযাত্ৰী*, পৃ.১০০

চিক ভাঙি ওলাই আহিবলৈ চিয়ঁৰি চিয়ঁৰি আহ্বান কৰিছিল। নাৰীসকলক পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত কৰিবলৈ ৰাজনীতিৰ পথাৰত চন্দ্ৰপ্ৰভা জঁপিয়াই পৰিছিল।

"কিয় পুৰুষসকলক সসন্মানে মুকলিভাৱে বহিবলৈ দি তিৰোতাসকলক অস্পৃশ্যৰ দৰে কুদৃশ্য সৃষ্টিকাৰিণীৰ দৰে চিকৰ আঁৰত লুকাই বহিবলৈ দিয়া হৈছে? তেওঁলোক পুৰুষৰ দৰে একে আসনত বহাৰ যোগ্য নহয় নেকি? তেওঁলোক তিৰোতা কাৰণে পুৰুষৰ দৰে সমমৰ্যাদাৰ মানুহ নহয় নেকি? ...কোন শাস্ত্ৰ অনুযায়ী এনেদৰে পুৰুষ মহিলাৰ মাজত বিভাজন আনি মহলাক আপোনলোকৰ পুৰুষসকলৰ স্বাৰ্থ সিদ্ধিৰ হীন কৌশলেৰে সমাজত পদদলিত কৰি ৰাখিব বিচাৰিছে?"[৪১]

চন্দ্ৰপ্ৰভাৰ আহ্বানত 'বাধাহীন জলধাৰাৰ দৰেই মহিলাসকল হুৰমুৰাই ওলাই আহিল।' এয়া আছিল অসমত মহিলা সমিতি গঠনৰ মূলকথা। নিৰুপমা বৰগোহাঞিৰ 'অভিযাত্ৰী' উপন্যাসক চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱন কৰ্মৰাজিৰ লগতে প্ৰাক্‌স্বাধীন কালত মহিলাক স্বাধীনতা আন্দোলনত নাৰীৰ যোগদান তথা অসমত মহিলা সমিতিৰ গঠন আৰু বিকাশৰো এক দলিল বুলি ক'ব পাৰি।

### ৫.২.৩ নাৰীৰ অৰ্থনৈতিক দিশ

অৰ্থনীতিৰ সৈতে নাৰীসকলৰ সম্পৰ্ক নিৰ্ণায়ক অধ্যয়ন বৰ্তমান আমাৰ দেশতো সুলভ হৈ পৰিছে। আধুনিক অসমৰ অৰ্থনৈতিক ভেটি ঊনবিংশ শতিকাত স্থাপিত হৈছিল। **১৮২৬** খ্ৰীঃত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম অধিকাৰ কৰাৰ সময়ত আহোম ৰাজত্বকালত প্ৰচলিত অৰ্থনৈতিক ব্যৱস্থা চলি আছিল। কৃষিকাৰ্য অসমৰ তিনি-চতুৰ্থাংশ মানুহৰ জীৱিকাৰ সম্বল আছিল। কিন্তু মাটিৰ ওপৰত কৃষকৰ কোনো অধিকাৰ নাছিল ঃ Not only the soil but the subject was the property of the state.[৪২]

আহোম যুগতে অসমৰ সামন্ততান্ত্ৰিক অৰ্থনীতিৰ সৃষ্টি হৈছিল।[৪৩] সেইসময়ত বিনিময় প্ৰথাই অৰ্থনৈতিক ভেটিৰ মূল ভিত্তি আছিল।[৪৪]

---

৪১. বৰগোহাঞিং, নিৰুপমা ঃ *অভিযাত্ৰী*, পৃ.**১৬৭-১৬৮**

৪২. Mills' report, p.2, Edward Gait, *A History of Assam*, p.29.

৪৩. Mills' report, p.2.

৪৪. Saikia, Nagen : Up to the period of Lakshminath Singha. (1769-80.)

সেই সময়ত বজাৰ খাজনা দিয়াৰ সলনি পাইক হিচাপে দেহা খাটি দিব লগা হৈছিল। পাইক বা দাস আদিৰ দ্বাৰা খেতি কৰাইছিল।

ব্ৰিটিছে অসম অধিকাৰ কৰাৰ পিছত অসমৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন সাধিত হ'ল। বৃটিছ সাম্ৰাজ্যৰ গৱৰ্ণৰ জেনেৰেলৰ প্ৰথম প্ৰতিনিধিৰূপে অহা ডেভিড স্কটে অসমত পাইক প্ৰথাৰ সলনি কৰি মুদ্ৰাভিত্তিক অৰ্থনীতিৰ প্ৰচলন কৰিলে। পাইকৰ সলনি জনমূৰি ৩ টকাৰ ঠাইত ৯ টকাকৈ কৰ ধাৰ্য কৰিলে।[৪৫]

কিন্তু এনেকৈ কৰ সংগ্ৰহ কাম সুচল নোহোৱাৰ বাবে মৌজাদাৰ, চৌধুৰী, কাকতি, পাটগিৰি আদি ভিন্ ভিন্ পদ সৃষ্টি কৰি বিষয়বাৰ দিলে। দৰঙত কেপ্তেইন মেথী, নগাঁৱত ৰাদাৰ ফোৰ্ড আৰু কামৰূপত বোগলেক এই কামৰ দায়িত্ব দিলে। খেতিৰ মাটিবিলাক বস্তি, ৰূপিত, বাওতলি, ফৰিঙতি আদি ভাগত ভগাই প্ৰতি ডৰা মাটিৰ বাবে ৰাজহ নিৰ্ধাৰণ কৰিলে। **১৮৭০** খ্ৰী.ত এক আদেশমৰ্মে গাওঁবুঢ়া আৰু তহচীলদাৰ নিযুক্তি দিয়া হয়। ৰাজহ নিয়াৰিকৈ সংগ্ৰহ কৰিবৰ বাবে Commissioner, Deputy Commissioner, Assistant and Extra Assistant Commissioner, mauzjadars and mandal আদিৰ নিযুক্তি দিয়ে।[৪৬]

**১৮৪৩** খ্ৰীষ্টাব্দত দাস প্ৰথা নিবাৰণ আইন প্ৰচলন হয়, একে বছৰতে নাজিৰাত 'আসাম কোম্পানী'ৰ শাখা খোলা হয়। **১৮৬৪** খ্ৰীঃত অসমলৈ প্ৰথম ভাপ জাহাজৰ আগমন ঘটে। **১৮৫৮** খ্ৰীঃত দলিল বা নিদৰ্শন পত্ৰ লিখিবলৈ প্ৰথম ষ্টাম্পযুক্ত কাকতৰ প্ৰচলন। **১৮৬০** খ্ৰীঃত কানিৰ খেতি- নিষিদ্ধ বুলি ঘোষণা কৰা হয়।

এই সময়তে চাহবাগিচাত কাম কৰিবলৈ বিদেশৰ পৰা অনা শ্ৰমিকৰ সুবিধাৰ বাবে 'কুলী আইন' প্ৰৱৰ্তন কৰা হয়। চাহ শিল্পৰ লগেলগে প্লাইউড, কাঠফলা মিল, সাধাৰণ কাৰখানা, জল পৰিবহন, ৰেল পৰিবহন আদি ব্যৱস্থাও গঢ় লৈ উঠে। এইবোৰে অসমৰ অৰ্থনৈতিক ব্যৱস্থাত প্ৰভাৱ পেলায়। সেইসময়ৰ অৰ্থনৈতিক ব্যৱস্থাৰপৰা আজিৰ নাৰীৰ অৰ্থনৈতিক দিশটোলৈকে যথেষ্ট পৰিৱৰ্তন আহিছে। কিন্তু আজিৰ নাৰীৰ অৰ্থনৈতিক দিশটো চালে বহুতো দি ক্ষেত্ৰত পিছপৰি থকাও দেখা যায়। কাৰণ স্ত্ৰী স্বাধীনতা আৰু নাৰীৰ মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত অৰ্থনৈতিক দিশটোত ৰৈ যাবলগা হয়। এতিয়াও নাৰীসকলে ৰক্ষণশীল সমাজখনৰ বিৰুদ্ধে যুঁজিয়েই থাকিব লগা হৈছে। শতিকাৰ উচ্চ শিখৰত থাকিও নাৰী অৰ্থনৈতিকভাবে সবল হৈ উঠিব পৰা নাই।

৪৫. Mills' report, p.15.

৪৬. Govt. of Assam, Assam Land and Revenue Regulation, p. 2 VIII.

নাৰীসকল অৰ্থনৈতিকভাৱে পিছপৰি ৰোৱাৰ কিছুমান কাৰণ এনেদৰে আমি উল্লেখ কৰিব পাৰো--

ক) জন্ম অনিয়ন্ত্ৰণ

খ) প্ৰয়োজনীয় শিক্ষাৰ অভাৱ

গ) প্ৰচলিত সমাজ ব্যৱস্থাৰ নিয়মসমূহ।

আমাৰ সমাজত নাৰীৰ ক্ষেত্ৰত সৰ্বোচ্ছ সফলতা বুলিলে মাতৃত্ব আৰু সফল পত্নী হ'ব পৰা দক্ষতাকে বুজা যায়। কিন্তু পুৰুষৰ ক্ষেত্ৰত অৰ্থনৈতিক স্বাধীনতা, সমাজত এটা বিশেষ ব্যক্তিত্ব ইয়াকেই সফলতা বুলি কোৱা হয়। এইখিনিতেই কেৰোণটো লাগি যায়। পুৰুষপ্ৰধান সমাজত এই লিংগবৈষম্যতাই মহিলাৰ অৰ্থনৈতিক ক্ষেত্ৰখনত পিছপৰি ৰোৱাৰ ইংগিত বহন কৰে। সদ্যপ্ৰকাশিত World economic forum ৰ ৰিপোৰ্ট মতে ভাৰতবৰ্ষ লিংগভেদৰ ক্ষেত্ৰত অন্যতম নিম্ন প্ৰদৰ্শনকাৰী ৰাষ্ট্ৰ। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰতৰ লিংগভেদৰ স্থান (global gender gap ranking) যোৱা বছৰৰ **১০৮**ৰ পৰা **৮৭** লৈ উন্নীত হৈছে যদি চুবুৰীয়া সৰু দেশ বাংলাদেশকেই চেৰ পেলাব পৰা নাই। (বাংলাদেশৰ স্থান ৭২) ভাৰত বৰ্ষই নাৰী পুৰুষ সকলোকে সমানাধিকাৰ দিছে যদিও ৰাজনৈতিক আৰু আইনৰ মাজতেই সীমাবদ্ধ হৈ ৰৈছে। নাৰীৰ মূল কৰ্তব্য সন্তান জন্ম দিয়া আৰু লালন-পালন কৰা আৰু পতিৰ সেৱা সৎকাৰ বুলি ধৰা হয়। এনে বান্ধোনৰ মাজত নাৰীয়ে অৰ্থনৈতিক ভাৱে পিছপৰি ৰয়। তদুপৰি আমাৰ দেশৰ প্ৰধানমন্ত্ৰীয়েই যেতিয়া টুইট কৰে যে প্ৰতিজনী ছোৱালীৰ জন্মৰ লগে লগে একোজোপা গছ ৰোৱা উচিত যাতে ডাঙৰ হৈ বিক্ৰী কৰি পোৱা টকাৰে কন্যাক বিয়া দিব পাৰে। এনে ক্ষেত্ৰত নাৰীৰ অৰ্থনৈতিক স্থিতি পুৰুষৰ সমানাধিকাৰতো দূৰৰে কথা, আশাও কৰিব নোৱাৰি।

**২০১১** চনৰ লোকপিয়ল মতে সৰ্বভাৰতীয় প্ৰেক্ষাপটত কৰ্মৰত (যাৰ অৰ্থনৈতিক মূল্য আছে) জনসংখ্যা আৰু মুঠ জনসংখ্যাৰ অনুপাত (worker population ratio) য'ত **৩৯** শতাংশ সেই সময়ত অসমৰ ক্ষেত্ৰত এই সংখ্যা **৩৩** শতাংশ। তাতেই লিংগভিত্তিত চাবলৈ গ'লে সৰ্বভাৰতীয় ভিত্তিত গাঁও অঞ্চলত পুৰুষৰ বাবে এই সংখ্যা **৫৪** শতাংশ আৰু মহিলাৰ **২৫** শতাংশ হোৱাৰ বিপৰীতে অসমৰ ক্ষেত্ৰত পুৰুষৰ **৫৪** শতাংশ আৰু মহিলাৰ **১২** শতাংশ ঠিক তেনেদৰে সৰ্বভাৰতীয় ভিত্তিত নগৰীয়া অঞ্চলত এই সংখ্যা পুৰুষৰ বাবে **৫৫** শতাংশ আৰু

মহিলাৰ বাবে ২২ শতাংশ , য'ত অসমৰ ক্ষেত্ৰত ই পুৰুষ আৰু মহিলাৰ বাবে ক্ৰমে ৫৪ শতাংশ আৰু ৯ শতাংশ।[৪৭]

নাৰীৰ কৰ্ম সংস্থাপনৰ ক্ষেত্ৰতো দেখা যায় যে শিক্ষয়িত্ৰী, ধাত্ৰী, কেৰাণী আদি আলাসৰ চাকৰি অথবা সিদ্ধান্ত গ্ৰহণৰ প্ৰয়োজন নপৰা কামসমূহে নাৰীৰ প্ৰথম পছন্দ হোৱা উচিত বুলি সমাজ ব্যৱস্থাই স্বীকৃতি কৰে। এইখিনিতে 'হাউচ-ৱাইফ' প্ৰসংগটিও আছে।

আনহাতে কৰ্ম সংস্থাপনৰ পৰা লাভ কৰা পাৰিশ্ৰমিকো পুৰুষৰ তুলনাত নাৰীৰ কম হোৱা দেখা গৈছে। এই ক্ষেত্ৰত লিংগভেদ অৰ্থাৎ gender pay gap ভাৰতত ২৭ শতাংশ সি নিশ্চয়কৈ এক সুখকৰ পৰিসংখ্যা নহয়। পুৰুষৰ প্ৰতিঘণ্টাৰ গড় পাৰিশ্ৰমিক (Median gross hourly salary) যেতিয়া ২৮৮.৬৮ টকা, মহিলা এগৰাকীৰ তেতিয়া ২০৭.৮৫ টকা। IT খণ্ডত পুৰুষৰ গড় উপাৰ্জন প্ৰতি ঘণ্টাত ৩৬০.৯ টকা মহিলাৰ সেই সময়ত ২৩৯.৬ টকা। এই অন্তৰায় পিছে manufacturing খণ্ডত আটাইতকৈ অধিক ৩৪.৯ শতাংশ। আনহাতে পৰিবহন, যোগাযোগ, logistics ইত্যাদিত সৰ্বনিম্ন অৰ্থাৎ ১৭.৭ শতাংশ। পাৰিশ্ৰমিক এই পাৰ্থক্যৰ কাৰণ হিচাপে নিয়োগকৰ্তাৰ প্ৰথম পছন্দ পুৰুষ, বিবাহ আৰু সন্তানজনিত দায়িত্বৰ বাবে নাৰী গৰাকীয়ে কৰ্মৰ পৰা ল'বলগীয়া সাময়িক অব্যাহতিকেই সূচোৱা হয়।[৪৮]

শেষত এইটো ক'বই লাগিব যে নাৰীসকলৰ বিকাশ হ'বলৈ অৰ্থনৈতিক ক্ষেত্ৰত আগুৱাই যাবলৈ হ'লে নাৰী চেতনাক বুজি পুৰুষ সকলেই ৰক্ষণশীলতাৰ বেৰখন আঁতৰাই দিব লাগিব। অৰ্থনৈতিক স্বাৱলম্বিতাইহে নাৰীক শক্তি দিব, সাহসী হ'ব। স্কেণ্ডিনেভিয়ান দেশসমূহ আমাৰ আদৰ্শ হোৱা উচিত যিবোৰ দেশত মহিলাৰ কৰ্মক্ষেত্ৰত নিয়োজনৰ হাৰো অধিক।

'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' উপন্যাসখন পাগলাদিয়াৰ পাৰৰ মানুহখিনিৰ আশা-আকাংক্ষা, দুখ-বেদনা আদিক লৈ ৰচিত। উপন্যাসখনত যিকেইটা নাৰী চৰিত্ৰ আছে তাৰ ভিতৰত পটেশ্বৰী নামৰ চৰিত্ৰটোৰ যোগেদি আমি নাৰীসকলৰ অৰ্থনৈতিক দিশটোৰ কথা জানিব পাৰো। উপন্যাসত গাঁৱৰ সমাজৰ দুখীয়া এচাম লোকৰ অৰ্থনৈতিক অৱস্থাটো অতি দুখ লগাকৈ অংকিত কৰা হৈছে। পটেশ্বৰীয়ে চাৰিটা ল'ৰা-ছোৱালীৰ সৈতে গিৰিয়েক নাইকিয়া সংসাৰখন অতি কষ্টেৰে চলাই থাকে। এসাঁজ খোৱাৰ পিছত আন এসাঁজলৈ তাইৰ চিন্তা, ভাতৰ লগত তাই কি ৰান্ধিব? যি

৪৭. উৎস, ইণ্টাৰনেট

৪৮. উৎস, ইণ্টাৰনেট

অলপ সৰু বাৰী এখন আছে তাৰ খুতুৰা-ঢেঁকীয়া তুলি খাঁওতে শেষেই হ'ল । এনেকৈয়েই তাই সংসাৰখন চলাই আহিছে। জীয়েক সাবিত্ৰীয়ে ঘৰখনৰ অভাৱৰ কথা জানিয়েই চুৰি বিদ্যাতো ধৰিছিল। যিটো কোৱা হয় অভাৱেই স্বভাৱ নষ্ট।

"চাউল ধুই উভতিবলৈ ধৰোতে সাবিত্ৰীৰ হঠাতে মোমায়েকৰ বাৰীৰ খৰুৱা বেঙেনা কেইডাললৈ চকু গ'ল। তাই লগে লগে চুৰণী কাউৰীৰ চকুৰ ক্ষিপ্ৰতাৰে ইফালে সিফালে চালে আৰু সাউতকৈ বেঙেনা ডৰাৰ-মাজত সোমাই দুটা বেঙেনা ছিঙি চাউলৰ খৰাহিত পুতি থ'লে।"[৪৯]

পটেশ্বৰীৰ ক্ষেত্ৰত চালে দেখা যায় যে তাইৰ শিক্ষা দীক্ষা একেবাৰেই নাছিল। গাঁৱৰ পৰিৱেশত তাই জন্ম লোৱা নাছিল। গাঁৱৰ সহজ সৰল সুন্দৰী পটেশ্বৰীক এদিন ভালপোৱাক সপোন দেখুৱাই পূজন নামৰ সুদূৰ ৰাজস্থানৰ এজন ল'ৰাই গুৱাহাটীলৈ পলুৱাই নিছিল। হোটেলত কেইদিনমান ৰাখি সি ক'ৰাবলৈ গুচি গৈছিল। পটেশ্বৰী দিশহাৰা হৈ পৰিছিল। ঘটনাৰ পাকচক্ৰত পৰি তাই সেইখন হোটেলতে চবিনক লগ পাইছিল তাৰ পিছত তালৈকে বিয়া হৈছিল। চবিনক ঢুকুৱাৰ পিছতে তাইৰ এপাল ল'ৰা ছোৱালীৰে অতি কষ্টেৰে পেট প্ৰৱৰ্তাব লগা হৈছিল।

"তাইক মাজে মাজে কালীকান্তই অলপ পইচা দিয়ে, মাজে মাজে ৰবিয়ে অলপ দিয়ে তদুপৰি তাই গাঁওখনৰ অৱস্থাপন্ন মানুহ দুই এঘৰত বন-বাৰী কৰি দিও চাউল আৰু পইচা আৰ্জে। এনেকৈয়েই সিহঁতৰ তিনিটা প্ৰাণীৰ পেট পোহ গৈছিল। তাৰ পিছত জন্ম হৈছিল দ্ৰৌপদীৰ পৃথিৱীলৈ অহা বহুতো অবাঞ্চিত সন্তানৰ ভিতৰত আৰু এটাৰ যোগ হৈছিল... ।[৫০]

অৱস্থাৰ দাসত্ব মানি পটেশ্বৰীৰে পুতেক নবীনক ককায়েকৰ গেলামালৰ দোকানত ৰাখিলে। গাঁৱৰ বেছিভাগ মানুহ যে দুখীয়া ল'ৰা-ছোৱালীবোৰৰ স্বাস্থ্য দেখিলে গম পোৱা যায়। "ল'ৰা-ছোৱালীবোৰৰ দেখাদেখি তায়ো ভাতৰ মাজত গাঁত এটা কৰি লৈছে— তাত বিলনীয়াই দাইল দিব। ভাতত গাঁত কৰি ইফালে সিফালে চাই অঞ্জলি অতি অবাক হৈছে, তাইকতো এক পাহাৰ ভাত দিছেই, তাইৰ পৰা অলপ দূৰৈত বহা অকণমান ল'ৰাটোৰ পাততো সেই পাহাৰ ভাত দিয়া হৈছে আৰু দাইল অহাৰ আগতেই সি শুদা ভাতেই মুখত ভৰাবলৈ আৰম্ভ কৰিছে। ল'ৰাটোৰ হাত-ভৰিবোৰ সৰু সৰু কিন্তু পেটটো প্ৰকাণ্ড। পুৰণি মলিয়ন পেণ্ট এটা আৰু পেটৰ ওপৰত ওলমি থকা অলপ ফটা-ছিটা ধৰণৰ ছাৰ্টটোৰে তাৰ বৰ পেটটো ঢাকি ৰাখিবলৈ সমৰ্থ হোৱা নাছিল। অঞ্জলিয়ে

---

৪৯. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ.৭

৫০. উক্ত গ্ৰন্থ, পৃ.৫০

প্ৰথমৰ পৰা এটা কথা লক্ষ্য কৰিছিল যে বিয়াৰ ভোজ খাবলৈ অহা বেছিভাগ  ল'ৰা-ছোৱালীয়েই ঘৰত পিন্ধি থকা মলিয়ন  আৰু ফটা-ছিটা কাপোৰ-কানিৰেই আহিছে।" [৫১]

গাওঁখনৰ বেছিভাগ মানুহেই দুখীয়া। পাগলাদিয়াৰ পাৰৰ গাওঁ হোৱাৰ হেতুকে  গাওঁখন বানপানীৰ কবলত প্ৰায়েই পৰে। কিছুমান মানুহৰ অৱস্থা-পাতি ভালে থাকিলেও বানপানীয়ে মথাউৰি ছিঙাৰ পিছত সকলো তচনছ হৈ যায়।

কিছু লোকে ডলা, কুলা, খৰাহি, বিচনি, জাকৈ আদি বনাই পেট প্ৰৱৰ্তায়। পইচা-পাতিৰ অভাৱ হেতু শিক্ষা-দীক্ষাও বেছি কৰিব নোৱাৰে। যিকেইজনে পঢ়ি শুনি ডাঙৰ হয় তেওঁলোকে চহৰত ঘৰ বান্ধেগৈ।

'অন্য জীৱন'  উপন্যাসখনৰ পটভূমি হৈছে টুনটুনি নামৰ নদীৰ পাৰৰ এখন গাওঁক কেন্দ্ৰ কৰি। অসমৰ এখন গাঁওৰ চিত্ৰ ইয়াত অংকন কৰা হৈছে। সাধাৰণ গাঁৱলীয়া জীৱন-যাত্ৰাৰ চিত্ৰ একোটাই  *অন্য জীৱনত* প্ৰাণ পাই উঠিছে। খেতি পথাৰৰ  দিনত ভূঁই ৰোৱা, কঠীয়া তোলা, ধান দোৱা আদিবোৰ গাওঁৰ মানুহে নিজেই কৰে আৰু খেতিয়েই  বছৰটোলৈ জুৰি যায়।

"আমাৰ গাঁৱত দুই-এঘৰ অৱস্থাপন্ন মানুহে চেনিটাৰি সাজিছে, আমিতো পৰা নাই। আগতে আমি বাৰীৰ পিছফালে, নহ'লে বা নৈৰ  পাবলৈ গৈছিলো, কিন্তু  এতিয়া চাৰিওপিনে মানুহেই মানুহ হ'ল, গতিকে আমাৰো বাৰীত  পিট্ লেট্ৰিন সাজিছে।" [৫২]

মানুহখিনি যে বৰ এটা অৱস্থাপন্ন নহয় চৰিত্ৰবোৰৰ কথাৰ পৰা বুজা যায়। কিছুমানে এৰিপলু পুহি,  কাপোৰ বৈ উলিয়াই  পৰিয়াল পোহপাল দিয়ে।

বৰগোহাঞিয়ে উপন্যাসখন গাঁৱৰ খাটি  খোৱা এচামক আলম কৰি লেখি উলিয়াইছে। নাৰীসকলে পৰাপক্ষত নিজৰ খৰচটো নিজেই  উলিয়াই লয়।  চহৰৰ স্বাৱলম্বী মহিলাৰ সৈতে গাঁৱৰ মহিলাসকলেও নিজা নিজা ক্ষেত্ৰত টকা উপাৰ্জন কৰি কিছু স্বাৱলম্বী হৈছে।

সামৰণিত ক'ব পাৰি যে, নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰী চেতনা সুন্দৰকৈ প্ৰকাশ  পাই উঠিছে। অসমীয়া উপন্যাসত সচেতনভাৱে  ধৰা পৰা নিৰুপমা বৰগোহাঞিয়েই হ'ল প্ৰথম গৰাকী ঔপন্যাসিকা। পুৰুষ প্ৰধান সমাজখনত নাৰীৰ বিভিন্ন সমস্যা আৰু অসুবিধাসমূহক লেখিকাই কৌশলেৰে উপন্যাসত উপস্থাপন কৰিছে। এক সুসংগঠিত আন্দোলনৰ  মাজেৰে যে

---

৫১. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ. ৪৯

৫২. উক্ত গ্ৰন্থ, পৃ. ৭১০

নাৰী সমস্যাবোৰ সমাধান কৰিব পাৰি সেই কথা লেখিকাই তেওঁৰ প্ৰতিখন উপন্যাসতে দোহাৰিছে। নাৰীবাদ মানে পুৰুষ বিদ্বেষ নহয়, পুৰুষৰ সহযোগত থাকিহে নাৰী অধিকাৰ সাব্যস্ত কৰিব খোজে তেওঁৰ উপন্যাসৰ নায়িকাসকলে। তেওঁৰ "অন্য জীৱন" আৰু 'চম্পাৱতী"ত নাৰীৰ যি দুৰ্দশা, তাৰ অন্ত পেলাবলৈ গাইগুটীয়াভাৱে যুদ্ধ বা দ্বন্দ্বৰ আশ্ৰয় লোৱাৰ আভাস নিদি ঔপন্যাসিকাই মাৰ্ক্সবাদী সংগ্ৰামৰপৰা সহযোগিতাৰ সম্ভাৱনা দেখুৱাইছে।[৫৩] তেওঁৰ কোনোখন উপন্যাসৰ নায়িকাই পুৰুষৰপৰা আঁতৰি বা পুৰুষ সমাজ বৰ্জন কৰি নাৰীৰ ব্যক্তিসত্ত্বাৰ স্বাধীনতা সাব্যস্ত কৰা নাই। এইক্ষেত্ৰত নিৰুপমা বৰগোহাঞিক মৌল নাৰীবাদী বুলি ক'ব নোৱাৰি।

---

**৫৩.** শৰ্মা, গোবিন্দ প্ৰসাদ ঃ *নাৰীবাদ আৰু অসমীয়া উপন্যাস*,পৃ. **১০৭**

# ষষ্ঠ অধ্যায়

## ৬.০০ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ পটভূমিত নাৰী চৰিত্ৰৰ বিভিন্ন দিশ

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰী-চেতনাৰ কথা কওঁতে অসমীয়া সমাজখনৰ পটভূমিলৈ দৃষ্টি দিব লাগিব। লগতে অসমীয়া উপন্যাসৰ গতিধাৰালৈও মন কৰা উচিত। কাৰণ জোনাকী যুগৰ পৰা উপন্যাস সাহিত্যই প্ৰাণ পাই উঠিছে যদিও নাৰী-চেতনাৰ ক্ষেত্ৰত বহুত বিশেষভাৱে ই পূৰ্ণতা পোৱা নাছিল। তেতিয়াও প্ৰাচীন পৰম্পৰাৰ লগতে অধিকাংশ মহিলাৰ দেহ-মন জড়িত আছিল। এই পৰম্পৰাবাদী সমাজখনৰ পৰা প্ৰাচীনতাৰ শিকলি ছিঙি ওলাই অহাটো নাৰীৰ পক্ষে কষ্টকৰ আছিল। নিজৰ স্বকীয়তা প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত খুব কম সংখ্যক নাৰীহে ওলাই আহিছিল। নাৰী মনৰ কথা, নাৰী-চেতনাক সামৰি সকলো দিশ উলিয়াই আনিবলৈ মামণি ৰয়ছম গোস্বামীৰ আগলৈকে কোনো উপন্যাসত সক্ষম নোহোৱা নহয়। কিন্তু সকলো ক্ষেত্ৰতে ইয়াক সম্পূৰ্ণকৈ ফুটাই উঠাব পৰা নাছিল। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰী চেতনাৰ সূক্ষ্মাতিসূক্ষ্ম বিশ্লেষণ প্ৰকাশ পাইছে। তেওঁৰ আলোচিত উপন্যাস চাৰিখনৰ পটভূমি আছিল পাশ্চাত্যত নাৰীবাদী আন্দোলন আৰম্ভ হোৱাৰ অলপ আগে পিছে। এনেকুৱা সময়ত অসমৰ প্ৰাচীন সমাজত নাৰীৰ চিত্ৰণ অতিশয় দুখ লগা আছিল। সামন্তবাদীপুৰুষতান্ত্ৰিক ৰক্ষণশীল সমাজখনত নাৰীৰ নিজস্বতা বুলি একো কথা নাছিল। নাৰীমনৰ দুখ-যন্ত্ৰণা, হাঁহি-কান্দোন আদি কোনোপধ্যেই লেখত ল'বলগীয়া কথা নাছিল। পুৰুষতান্ত্ৰিক সমাজত পৰম্পৰাগত নীতি-নিয়মে নাৰীসকলক মানসিকভাৱে কোঙা কৰি পেলাইছিল। নাৰী আছিল পুৰুষ প্ৰধান সমাজে গঢ় দিয়া এক গৌণ অৱয়ৱ মাত্ৰ।

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীৰ মাজত এক প্ৰতিবাদী সত্বা লুকাই আছিল। চৰিত্ৰবোৰৰ বিভিন্ন কাৰ্যৰদ্বাৰা প্ৰতিবাদী সত্বাটো ওলাই পৰিছিল। বিধৱা হোৱাৰ পিছত স্বাভাৱিক যৌন কামনাক লেখিকাই পাপ বুলি ক'ব বিচৰা নাই। সেয়ে হয়তো সৌদামিনী, গিৰিবালাই বিধৱা হোৱাৰ পিছতো নিজৰ দেহ-মন প্ৰেমিকক দান কৰিয়েই আত্মহননৰ উপায় বাচি ল'লে।

এই ক্ষেত্ৰত নাৰীৰ জৰিয়তে পুৰুষ প্ৰধান সমাজৰ কঠিন নিয়ম নীতিৰ প্ৰতিবাদেই যেন প্ৰকাশ পাইছে।

একেদৰে নিৰুপমা বৰগোহাঞিৰ আলোচনা কৰিব লগীয়া চাৰিখন উপন্যাসতো ভিন্ন নাৰীৰ চৰিত্ৰ চিত্ৰণত নাৰীচেতনা ধৰা পৰে। নাৰীমুক্তিৰ চেতনাৰে উদ্দীপিত প্ৰথম গৰাকী ঔপন্যাসিক বুলিলে এওঁকে কোৱা হয়। তেওঁৰ প্ৰায়কেইখন উপন্যাসতে পুৰুষশাসিত সমাজত পাৰিবাৰিক, সামাজিক, অৰ্থনৈতিক আৰু নৈতিক সকলো দিশতেই নাৰী পুৰুষৰ বৈষম্যমূলক ব্যৱস্থা আৰু নিয়ম পোৱা যায়। এইসমূহৰ বিৰোধিতা কৰাৰ বাবে তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহ আগবাঢ়ি আহিছে। সমাজ ব্যৱস্থাৰ এনে অন্যায়ৰ বিৰুদ্ধে *ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ*ৰ অঞ্জলি, *অন্যজীৱন* ৰ অনিমা, পুতলী, *অভিযাত্ৰী*ৰ চন্দ্ৰপ্ৰভাই নাৰী চেতনাক উলিয়াই আনিছে আৰু এইবোৰৰ বিৰুদ্ধে বিদ্ৰোহিনী হৈ আত্মপ্ৰকাশ কৰিছে। মানসিক অন্তৰ্দ্বন্দ্বই নাৰীসকলক জুৰুলা কৰি তুলিছে। নাৰীৰ মাজত শিক্ষা সম্প্ৰসাৰণ কৰি নাৰীক জ্ঞানৰ পোহৰ বিলোৱা কাৰ্যৰ দ্বাৰা নাৰীবাদী চেতনা ফুটি উঠিছে। এইসকল নাৰীয়ে পৰম্পৰাগত সমাজত কঠোৰ নিয়ম-নীতি , অৱদমন মানি চলিবলৈ প্ৰস্তুত নহয়। এই দুৰ্নীতিসমূহ নিৰ্মূল কৰি পুৰুষৰ সমানে আগুৱাই যোৱাটোত নাৰীবাদী চেতনা ফুটি উঠে।

**৬.০১ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত অবিবাহিত নাৰী**

মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞি দুয়োগৰাকীৰ উপন্যাসত বিভিন্ন নাৰী চৰিত্ৰৰ সমাৱেশ ঘটিছে। এই নাৰী চৰিত্ৰসমূহৰ জৰিয়তে নাৰী চেতনাসমূহ ফুটি উঠে। মানুহৰ মনৰ জগতখন এক ৰহস্যময় জগত। নাৰীও ইয়াৰ ব্যতিক্ৰম নহয়। ইচ্ছা অনিচ্ছা, জয়-পৰাজয়, অনুভূতিৰ বিভিন্ন চিন্তাই স্বাভাৱিকভাৱেই নাৰী এগৰাকীৰ মনতো ক্ৰিয়া কৰে। এই ভাবানুভূতিৰ ক্ৰিয়া প্ৰতিক্ৰিয়াই মানুহৰ মনোজগতত যথেষ্ট প্ৰভাৱ পেলায়। চেতন-অৱচেতন মনৰ স্থিতিৰ আমাৰ জীৱনত প্ৰাধান্য আছে। কিন্তু যেতিয়াই নাৰীৰ মনৰ ভাববোৰ জোৰকৈ হেঁচি ৰাখিবলৈ চেষ্টা কৰা হয় অথবা নাৰীৰ মনটোক দমন কৰিবলৈ চেষ্টা চলোৱা হয় তেতিয়াই এচাম লোকে ইতিবাচকভাৱে ওলাই আহিবলৈ চেষ্টা কৰে। তেওঁলোকৰ কাম-কাজত এইবোৰৰ প্ৰভাৱ পৰিলক্ষিত হয়। এই প্ৰসংগত নাৰী চৰিত্ৰত ফ্ৰয়েদীয় মনস্তত্বৰ প্ৰসংগটোও আমি আনিব

পাৰো। “... ফ্ৰয়েডে চেতন, অৱচেতন আৰু অচেতন এই তিনিটা মানসিক স্তৰৰ ঠাইত অহং (ego), পৰাহং (Super ego) আৰু মূল প্ৰবৃত্তি (id)—এই তিনিটা নতুন ভাগ কৰি ল'লে। অহং হৈছে আমাৰ চেতন সত্তা; ই আমাৰ চিন্তা আৰু অনুভূতিৰ বোধ দিয়ে; লগতে আমাৰ নিজৰ বিষয়েও, আমি কেনে আৰু কেনে হোৱা উচিত, জ্ঞান দিয়ে। ইড্ বা মূল প্ৰবৃত্তি হৈছে আমি গম নোপোৱা অতৃপ্ত কামনা-বাসনাৰ ভঁৰাল। এই 'ইড'ৰ ওপৰত প্ৰহৰী হিচাপে অধিষ্ঠিত ছুপাৰ-ইগো বা পৰাহং, চমুকৈ ক'ব পাৰি আমাৰ বিবেক'।[১] উপন্যাস যিহেতু কলাত্মক সৃষ্টি, উপন্যাসৰ কাহিনীভাগ আগবঢ়াবলৈ লেখকে চৰিত্ৰসমূহৰ উপস্থাপনত বেছি গুৰুত্ব দিয়ে। বাস্তৱ সমাজৰ বিভিন্ন চৰিত্ৰক কাহিনীৰ লগত খাপ খুৱাই উপন্যাসৰ চৰিত্ৰৰ ৰূপ দিয়ে। চৰিত্ৰৰ সক্ৰিয় ৰূপ প্ৰদানৰ বাবে লেখকে চৰিত্ৰৰ মানসিক দ্বন্দ্ব ফুটাই তুলিলেহে সাৰ্থক চৰিত্ৰ হয়। এই মানসিক দ্বন্দ্বৰ চিত্ৰণৰ বাবে মনোবিশ্লেষণৰ অতিকৈ প্ৰয়োজন। এই ক্ষেত্ৰত ফ্ৰয়দৰ মনস্তাত্ত্বিক তত্ত্ব বা আন মনোবিশ্লেষণৰ সূত্ৰই লেখকক সহায় কৰে। উপন্যাসৰ চৰিত্ৰ চিত্ৰণত আমাৰ দুয়োগৰাকী লেখিকা সফল হৈছে। দুয়োগৰাকী হাতত সমাজৰ বাস্তৱ নাৰী চৰিত্ৰই ভূমুকি মাৰিছে।

দুয়োগৰাকী ঔপন্যাসিকৰ উপন্যাসত চিত্ৰিত অবিবাহিত নাৰীৰ চৰিত্ৰৰ বিষয়ে আলোচনা কৰা হৈছে—

| **ঔপন্যাসিক** | **অবিবাহিত নাৰীচৰিত্ৰ** | **উপন্যাসৰ নাম** |
|---|---|---|
| মামণি ৰয়ছম গোস্বামী | ইলিমন | দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা |
| মামণি ৰয়ছম গোস্বামী | বিধিবালা | ছিন্নমস্তাৰ মানুহটো |
| নিৰুপমা বৰগোহাঞি | চন্দ্ৰপ্ৰভা শইকীয়ানী | অভিযাত্ৰী |
| নিৰুপমা বৰগোহাঞি | পুতলী | অন্য জীৱন |
| নিৰুপমা বৰগোহাঞি | সাদৰী | মোৰ নাম চম্পাৱতী কাকতি |

**ইলিমন**

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ এক নাৰী চৰিত্ৰ হৈছে ইলিমন। উপন্যাসখনত ইলিমনৰ সক্ৰিয় ভূমিকা দেখুওৱা হোৱা নাই যদিও ইলিমন এক আকৰ্ষণীয় নাৰী চৰিত্ৰ। ইলিমনে

১. ঠাকুৰ, নগেন (সম্পা.)ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*, মঞ্জুমালা দাসৰ ' নাৰীচৰিত্ৰত ফ্ৰয়েডীয় মনস্তত্ত্বৰ প্ৰতিফলন',পৃ.৩০৭

যিখন সমাজত জন্ম গ্ৰহণ কৰিছিল সেইখন আছিল পৰম্পৰাগত সমাজ। এনে সমাজত কন্যাকাল প্ৰাপ্তিৰ পিছতেই পিতৃ-মাতৃয়ে জীয়েকক বিয়া দি উলিয়াই দিব লাগে। ইয়াৰ অন্যথা পিতৃ-মাতৃ সমাজৰ ৰোষত পৰিব লগা হয়। এইক্ষেত্ৰত ছোৱালীজনীৰ কোনো ধৰণৰ মতামতৰ প্ৰয়োজন আহি নপৰে। মনু সংহিতাত উল্লেখ থকা মতে-- "ত্ৰিশ বছৰীয়া দৰাই বাৰ বছৰীয়া সুন্দৰী কন্যা আৰু চৌবিশ বছৰীয়া ল'ৰাই আঠ বছৰীয়া কন্যাৰ লগত বিবাহ কৰাব।"[২] ইলিমনৰ মনতো এইবোৰ কথাই খেলাইছিল। তাইৰ কন্যাকাল প্ৰাপ্তিৰ লগে লগে তাইৰ সমানে আইতাকৰ মনতো ভয়, সংকোচ আদি ভৰি পৰিছিল। আয়েকৰ মনত এটাই ভয় আছিল যে তাইৰ কন্যাকাল হোৱাৰ খবৰ পোৱাৰ লগে লগে ওচৰ-চুবুৰীয়া মহিলাই বিভিন্ন মুখৰোচক কথা পাতিব আৰু ইলিমনক বুঢ়া বামুণ এটালৈ বিয়া দি দিয়া হ'ব। ইলিমন আৰু আইতাক দুয়োয়ে কোনোপধ্যেই এই কথা মনেৰে মানি ল'ব পৰা নাছিল। কিন্তু তেওঁলোকৰ হাতত একোৱে উপায় নাছিল। এয়া পিতৃপ্ৰধান সমাজে বান্ধি দিয়া নিয়ম আছিল য'ত নাৰীচেতনাই প্ৰাধান্য পাব পৰা নাছিল। ইলিমন আৰু আইতাকেও এটাই শেষ আশা কৰিছিল যে ইন্দ্ৰনাথে তাইক ৰক্ষা কৰিব। কিন্তু ইন্দ্ৰনাথৰো একো উপায় নাছিল। সামাজিক পৰম্পৰাৰ বাবে গোঁসাই ইন্দ্ৰনাথে বামুণৰ কন্যা ইলিমনক গ্ৰহণ কৰিব পৰা নাছিল। নিজৰ প্ৰেম ভালপোৱা কেৱল সংস্কাৰৰ নামতে ইলিমনে জলাঞ্জলি দিবলৈ বাধ্য হৈছিল। সমাজৰ কঠোৰ নিয়মৰ আগত তাই প্ৰতিবাদী হৈ উঠিব পৰা নাছিল।

**বিধিবালা**

মামণি ৰয়ছম গোস্বামীৰ উপন্যাস 'ছিন্নমস্তাৰ মানুহটো'ৰ এগৰাকী কিশোৰী বিধিবালা। উপন্যাসখনত বিধিবালা চৰিত্ৰটোক অতি শক্তিশালী ৰূপত দেখুওৱা হৈছে। স্বাভাৱিকতেই বিধিবালা এক প্ৰতিবাদী নাৰী চৰিত্ৰ। তাইৰ দেউতাক কৃষ্ণদত্তই জীয়েকৰ বিয়া এজন প্ৰাপ্তবয়স্ক ব্যক্তিৰ লগত কৰাব খুজিছে যাৰ ইতিপূৰ্বেই প্ৰথম পত্নীৰ পিনৰপৰা দুটা সন্তান আছে। নিজৰ পিতৃৰ সমান বয়সৰ এই মানুহজনলৈ বিয়া হবলৈ বিধিবালা কোনোপধ্যেই মান্তি নহয়। দেউতাকৰ কথাত তাই নিজৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। আনহে নালাগে দেউতাকে তাইৰ মংগলৰ কাৰণে

---

২. বৰুৱা, প্ৰফুল্ল নাৰায়ণ (অনু.)ঃ *মনুসংহিতা*, শ্লোক ৯৪ ,পৃ.২৪৮

বলি দিবলৈ থোৱা ম'হ দুটাকো মনে মনে এৰি দিছে। এইবোৰ অন্ধবিশ্বাসত একেবাৰে অবিশ্বাসী বিধিবালাই ম'হ দুটাৰ মাজত নিজৰ দুৰ্বল অস্তিত্বই যেন দেখা পাইছে। তাইৰ উদাত্ত কণ্ঠত প্ৰতিবাদ প্ৰকাশ পাইছে। "কোনো দিনেই সিংহদত্তৰ সন্মুখত মূৰ তুলি কথা নোকোৱা বিধিবালা বাহিৰলৈ ওলাই আহিল। জুইৰ শিখাৰ দৰে তেজস্বী চেহেৰাৰ এই তৰুণী বাহিৰত থিয় হোৱাৰ লগে লগে সিংহদত্তই খঙত হিতাহিত জ্ঞান হেৰুৱাই পিন্ধি থকা খৰম এপাটকে খুলি মাৰি পঠিয়ালে তাইৰ মূৰলৈ। ... তই মোইহ আনবা নৰাহ। মই এটা তিৰী থাকা সিয়াক।"[৩]

বিধিবালাই আপোন কৰিব বিচাৰিছিল ৰত্নধৰক। কিন্তু তাইৰ দেউতাকে তাইৰ কাৰণে পিতৃস্থানীয় লোক এজনক পছন্দ কৰাটো তাই সম্পূৰ্ণৰূপে বিৰোধিতা কৰিছিল। পিতৃৰ সিদ্ধান্তক মানি ল'ব নোৱাৰি তাই ইয়াৰ বিৰোধিতা কৰি কামাখ্যাৰ এদল অচিনাকী নাৰীৰ লগত ক'ৰবালৈ গুচি গ'ল। কিন্তু তাই ওভটি অহাৰ পথত মৃত্যুক সাৱটি ল'লৈ। মৃত্যুৰ মাজেৰেই তাই যেন পুৰুষতান্ত্ৰিকতাৰ সমস্ত নিয়মৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি গ'ল। মৃত্যুৰ সময়লৈকে তাই ইচ্ছাৰ বিৰুদ্ধে নগ'ল। তাইৰ কাৰ্যত নাৰী চেতনাৰ প্ৰতিবাদী সত্বাটো ফুটি উঠিছে।

**চন্দ্ৰপ্ৰভা শইকীয়ানী**

নিৰুপমা বৰগোহাঞিৰ উপন্যাস 'অভিযাত্ৰী'ৰ এক শক্তিশালী নাৰীচৰিত্ৰ হ'ল চন্দ্ৰপ্ৰভা শইকীয়ানী। চন্দ্ৰপ্ৰভা শইকীয়ানীক নিৰুপমা বৰগোহাঞিয়ে এক নতুন নাৰী ৰূপত সাজি উলিয়াইছে। চন্দ্ৰপ্ৰভাৰ শিক্ষা,যৌৱন, ব্যক্তিগত জীৱনৰ কথা, সামাজিক কাম কাজৰ অভিজ্ঞতাক সামৰি নিৰুপমা বৰগোহাঞিয়ে উপন্যাসখন ৰচনা কৰিছে। পিতৃ প্ৰধান সমাজ এখনত জন্ম গ্ৰহণ কৰি চন্দ্ৰ প্ৰভাই সমাজৰ শিকলি ছিঙি নাৰীৰ উন্নয়নৰ বাবে কাম কৰিবলৈ ওলাই আহিছিল।

নাৰীৰ হকে কাম কৰিবলৈ ওলাই যাওঁতে তেওঁ সামাজিক, ৰাজনৈতিকভাৱেও পুৰুষৰ দ্বাৰা প্ৰতাৰিত হৈছিল। স্বাধীনতা আন্দোলনত যোগদান, ব্যৱসায় আৰম্ভ কৰা, নাৰীমুক্তিৰ হকে কাম কৰা ইত্যাদি বহুতো দিশত চৰিত্ৰটোৰ মাজেৰে নাৰী চেতনা ধৰা পৰে। সমাজত নাৰীৰ ওপৰত চলি থকা অন্যায়, অৱদমনৰ সমাপ্তি বিচাৰিছিল। সেয়েই তেওঁ মহাত্মা গান্ধীৰ মহিলা উন্নয়ন কাৰ্যসূচীতো যোগদান কৰিছিল। তেওঁৰ কাম-কাজক বিদ্ৰোহী নাৰী বুলি অভিহিত কৰিব পাৰি। প্ৰাক্-স্বাধীনতাকালীন নাৰী জাগৰণৰ যোগেদি তেওঁ সমগ্ৰ নাৰীৰ সমস্যাবোৰ দাঙি ধৰিবলৈ

৩. গোস্বামী, মামণি ৰয়ছম ঃ *ছিন্নমস্তা মানুহটো*, পৃ.১৩০

চেষ্টা কৰিছিল। মহিলা সমিতিৰ যোগেদি তেওঁ নাৰী-পুৰুষৰ সমান অধিকাৰ ধাৰণা আৰু পুৰুষৰ সৈতে নাৰীৰ সমতাৰ ধাৰণা প্ৰচাৰ কৰিছিল। ব্যক্তিগত জীৱনতো দেখা যায় যে তেওঁ বিবাহৰ আগতেই সন্তান জন্ম দি সেই সন্তানক ডাঙৰ দীঘল কৰি সু-নাগৰিক হিচাপে গঢ় দিছিল। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ব্যক্তিত্বৰ অনমনীয় দৃঢ়তাৰ চিত্ৰখন লেখিকাই উপন্যাসত অংকন কৰিছে। এফালে দেশাত্মবোধ, কৰ্তব্যপৰায়ণতা, বজ্ৰতকৈও কঠোৰ নাৰীগৰাকীৰ আকৌ আনফালে আছে ফুলতকৈও কোমল মনৰ আৱেগ-অনুভূতি। শইকীয়ানীৰ মত পদ্মশ্ৰী সন্মানৰ প্ৰতি দুৰ্বলতাৰ কথাও ঔপন্যাসিকাই উল্লেখ কৰিছে। ঔপন্যাসিকৰ ভাষাত—

> *কিন্তু হায়, তাই জানো সঁচাকৈয়ে যশ প্ৰাৰ্থী নহয়? নহ'লে আজি মৰণ-শয্যাত পৰি থকাৰ সময়ত যেতিয়া তাই 'পদ্মশ্ৰী' পোৱাৰ খবৰ আহিল, তেতিয়া কিয় এক আনন্দৰ ঢৌৱে তাইক এনেকৈ আছাৰি গ'ল যে সেই ৰুগীয়া শৰীৰেই তাই* **২৭** *মাৰ্চৰ দিনা দিল্লীলৈ গৈ ৰাষ্ট্ৰপতিৰ হাতৰ পৰা সন্মানটো ল'বলৈ ঠিক কৰি পেলালে?*[৪]

লেখিকাৰ এইখন উপন্যাসক চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বাস্তৱ জীৱনৰ তথা প্ৰাক স্বাধীন কালৰ মহিলাৰ সামাজিক স্থান, নাৰীৰ চেতনা তথা নাৰীৰ বাহিৰলৈ ওলাই প্ৰতিবাদ কৰাৰ যি বিকাশ তাক এক দলিল বুলি আখ্যা দিব পাৰি।

**পুতলী**

নিৰুপমা বৰগোহাঞিৰ 'অন্য জীৱন' উপন্যাসৰ পুতলী চৰিত্ৰটোৰ যোগেদি নাৰী চেতনাক সম্পূৰ্ণৰূপে পৰিচালিত কৰা দেখা যায়। ঔপন্যাসিকাই পুতলী চৰিত্ৰৰ মাজেদি নাৰীবাদী আন্দোলনৰ কথাকে সূচাইছে। তাইৰ কেঁচুৱাতে মাক ৰম্ভাই গিৰিয়েকৰ অত্যাচাৰ সহিব নোৱাৰি আত্মহত্যা কৰিছিল। গাঁৱৰ পৰিৱেশত ডাঙৰ দীঘল হোৱা পুতলীয়ে সৰুৰেপৰা সমাজত নাৰীৰ পৰিস্থিতি দেখি আহিছিল। জীৱনৰ অভিজ্ঞতাই তাইক সমাজ সচেতন ছোৱালী হিচাপে গঢ় দিছিল। সৰুৰেপৰা তাই আন ছোৱালীৰ তুলনাত ভিন্ন প্ৰকৃতিৰ আছিল। মাকৰ প্ৰতিচ্ছবিয়ে আৰু নিজৰ জীৱনৰ অভিজ্ঞতাই পুতলীক জীৱন আৰু সমাজ সম্পৰ্কে বিশেষ কৌতূহলী কৰি তুলিছিল। মেট্ৰিকৰ পিছত স্কুলৰ ডেকা শিক্ষক নৰেণৰ প্ৰত্যক্ষ প্ৰভাৱত পুতলীৰ চিন্তাজগতত

---

৪. ঠাকুৰ, নগেন (সম্পা.)ঃ প্ৰাগুক্ত গ্ৰন্থ, ৰাজেন কলিতাৰ ' নিৰুপমা বৰগোহাঞিৰ উপন্যাস',পৃ.৬৫৫

নতুন চেতনাবোধে গা কৰি উঠিছিল। সমগ্ৰ উপন্যাসখনত চৰিত্ৰটোৰ শেষৰ পিনেহে আৰ্বিভাৱ ঘটে যদিও আৰম্ভণিৰেপৰা পুতলীৰ নাৰীবাদী চিন্তাৰ উমান দিয়া দেখা যায়।

" পুতলীয়েতো তাকেই কয়, তাই মানুহক দোষ নিদিয়ে আমাৰ এই সমাজ ব্যৱস্থাটোক দোষ দিয়ে, মানুহবোৰতো এই সমাজৰে ফচল।"[৫] ইবছনৰ 'ডলছ হাউছ'ৰ ন'ৰাৰ দৰে চৰিত্ৰকো তাই পুৰুষতান্ত্ৰিকতাৰ বলি হোৱা বুলি ভাৱে। তাইৰ কথাত যুক্তিৰ স্থান স্পষ্ট। সমাজত নাৰীৰ প্ৰতি অৱমাননাৰ কথাবোৰত তাই সমাজৰ পুৰুষতন্ত্ৰই পৰিচালিত কৰা নিয়মবোৰকে পৰিচালিত কৰে। তাইৰ কথাত নাৰীমুক্তিৰ ধাৰণা স্পষ্ট—'আচলতে সুস্থ আৰু প্ৰকৃত প্ৰগতিশীল সমাজ এখনত পুৰুষ-নাৰী সকলোৰে দৃষ্টিভংগী সলনি হ'ব আৰু পৰস্পৰে পৰস্পৰক মানুহ হিচাপে মৰ্যাদা দিবলৈ শিকিব।"[৬]

পুতলীয়ে নাৰীমুক্তিৰ সমাজবাদী ধাৰাটোকেই সমৰ্থন কৰিছে। পুৰুষৰ সহযোগত নাৰীৰ মুক্তি বিচাৰিছে। প্ৰথম অৱস্থাত সমগ্ৰ পুৰুষজাতিৰেই বিৰোধিতা কৰিছিল যদিও নৰেণৰ সান্নিধ্যলৈ অহাৰ পিছত তাই নিজৰ ভুল বুজি পালে। তাইৰ ভাষাত—

> *নবৌ, মই আজিকালি তেওঁলোকক ঠিক দোষাৰোপ কৰিব নোৱাৰো। আমাৰ এই পচা ঘূণে ধৰা সমাজখনৰেতো তেওঁলোক একো একোটা ফচল। গতিকে এই সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন নোহোৱালৈকে আমাৰ পুৰুষ প্ৰধান সমাজখনৰ পুৰুষৰ দৃষ্টিভংগীৰে সলনি নহয়। সেয়ে এতিয়া মই বোমাটো মূল কেৰোণটোৰ বিৰুদ্ধে যুঁজিবলৈকেহে সুসজ্জিত কৰিব ধৰিছো আৰু সেই যুদ্ধ আমি পুৰুষৰ লগত একেলগেহে কৰো।*[৭]

নৰেণে তাইক কৈছে ঊনবিংশ শতাব্দীৰ আৰম্ভণিৰপৰা বিংশ শতাব্দীৰ শেষলৈকে ভাৰতত সতীদাহ প্ৰথা নিষিদ্ধকৰণ, বিধৱা বিবাহ প্ৰচলন, বাল্য বিবাহ নিষিদ্ধকৰণ সকলোতে পুৰুষে আগভাগ লৈছে। গতিকে নাৰীমুক্তিৰ ক্ষেত্ৰত পুৰুষৰো প্ৰয়োজনীয়তা আছে। শেষলৈকে পুতলীৰ কাম- কাজত নাৰী- মুক্তিৰ সমাজবাদী ধাৰাটো ফুটি উঠে।

**সাদৰী**

নিৰুপমা বৰগোহাঞিৰ উপন্যাস 'মোৰ নাম চম্পাৱতী কাকতি' উপন্যাসত নাৰীবাদী চেতনা ধৰা পৰা এটা চৰিত্ৰ হৈছে সাদৰী। উপন্যাসখনৰ মূল চৰিত্ৰ চম্পাৱতীক নাৰীবাদী আদৰ্শলৈ

---

৫. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ,* পৃ.৭১৮

৬. উক্ত গ্ৰন্থ, পৃ.৭৩৬

৭. উক্ত গ্ৰন্থ, পৃ.৭৩৩-৭৩৪

উত্তৰণ ঘটোৱাৰ ক্ষেত্ৰত সাৰদীৰ কথাই যথেষ্ট চালিকা শক্তিৰূপে কাম কৰিছে। সাদৰী চৰিত্ৰটোত দেখা যায় যে তাইৰ জীৱন সম্পৰ্কে এক নিজস্ব দৃষ্টিভংগী আছে। তাই 'ছাত্ৰ ফেডাৰেছ্ন'ৰ কামতো নিয়োজিত। এটা নিজস্ব আদৰ্শৰে জীয়াই থকা সাদৰী চৰিত্ৰটোৰ জৰিয়তে নাৰীবাদী চেতনা ধৰা পৰে। তাইৰ কথাত সেই চেতনা ফুটি উঠে—"মই সদায় নিজৰ এই আদৰ্শৰ ৰাজনীতিতে মন-প্ৰাণ ঢালি দিম, সেই পথত যদি জীৱনৰ লগৰী পাওঁ, বিয়াও নিশ্চয় কৰিম ..."[৮]

সাদৰী বামপন্থী চিন্তাধাৰাত প্ৰত্যক্ষভাৱে জড়িত। কিন্তু কংগ্ৰেছী কৰ্মীৰ কন্যা চম্পাক তাই সম্পূৰ্ণৰূপে সহযোগিতা আগবঢ়াইছে। লগতে শিৱানন্দৰ ঘৰখনে তাইক যিখিনি অৱমাননা কৰিলে তথা শিৱানন্দৰ ঘৰখনৰ পুৰুষতান্ত্ৰিক মানসিকতাক তাই সমালোচনা কৰি চম্পাক পুনৰ জীয়াই থকাৰ সাহস দিছে। তাইৰ মতে ব্যক্তিগতভাৱে কোনোধৰণৰ নাৰীমুক্তি সম্ভৱ নহয়, সমাজত নাৰীৰ প্ৰতি চলি থকা অৱমাননাৰ ধাৰণাটো সম্পূৰ্ণৰূপে আঁতৰাব পাৰিলেহে নাৰীমুক্তি সম্ভৱ। সেয়ে তাই ৰেৱতী চৰিত্ৰৰ প্ৰসংগত কৈছে—

> *ই আচলতে ৰেৱতীৰ বা তোমাৰ একেবাৰে ব্যক্তিগত সমস্যা নহয়। মূল সমস্যাৰ পৰাই উদ্ভৱ হোৱা নানা ঠাল-ঠেঙুলিৰে এটা নহয় জানো? আমাৰ সমাজ ব্যৱস্থাত মাইকী মানুহৰ ব্যক্তিসত্তাক মূল্য দিয়া নহয় ... চম্পা, আমাৰ দেশত মাইকী মানুহক সৰু-বৰ সহস্ৰ পন্থাৰে অত্যাচাৰ কৰা হৈ আহিছে, আহানা আমি সকলো একগোট হৈ ইয়াৰ বিৰুদ্ধে যুঁজো? ইয়াত কোনো ৰাজনৈতিক নীতিৰ কথা নুঠে, সমস্যাটো আমাৰ সকলো মাইকী মানুহৰে উমৈহতীয়া সমস্যা।*[৯]

সমাজৰ সকলো স্তৰতে নাৰীৰ সমস্যাক উমৈহতীয়া সমস্যা বুলি কোৱা সাদৰীৰ কথাবোৰত সমাজবাদী নাৰীবাদী চেতনা স্পষ্ট হৈ উঠে। নাৰীৰ সমস্যা যে উমৈহতীয়া সমস্যা সেই কথা তাই স্পষ্টভাৱে কৈছে। সাদৰীৰ মাজেদি এনে চিন্তা-চৰ্চাৰ ধাৰণাৰে চৰিত্ৰটোক সমাজবাদী নাৰীচৰিত্ৰ বুলি ক'ব পাৰি। ইয়াৰ মাজেদি নাৰীচেতনা ওলাই পৰিছে।

### ৬.০২ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত বিবাহিতা নাৰী

দুয়োগৰাকী ঔপন্যাসিকৰ উপন্যাসত চিত্ৰিত বিবাহিতা নাৰীক তলত ভাগ কৰি লোৱা হৈছে—

---

৮. বৰগোহাঞি,নিৰুপমা ঃ *মোৰ নাম চম্পাৱতী কাকতি*, পৃ.৫৪

৯. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ.৪০৩

| **ঔপন্যাসিক** | **অবিবাহিত নাৰীচৰিত্ৰ** | **উপন্যাসৰ নাম** |
|---|---|---|
| মামণি ৰয়ছম গোস্বামী | নাৰায়ণী | মামৰে ধৰা তৰোৱাল |
| নিৰুপমা বৰগোহাঞি | অণিমা | অন্য জীৱন |

**নাৰায়ণী**

মামণি ৰয়ছম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল'ৰ নাৰী চেতনা প্ৰকাশ পোৱা এক ব্যতিক্ৰমী নাৰী চৰিত্ৰ হৈছে নাৰায়ণী। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ অন্যায় উৎপীড়নে এই চৰিত্ৰটোক পেৰি পেলাইছে। কিন্তু এই অন্যায় উৎপীড়নক আন সকলো নাৰীয়ে স্বাভাৱিক ঘটনা বুলি মানি লোৱাৰ দৰে নাৰায়ণীয়ে মানি ল'ব নোৱাৰিলে। চৰিত্ৰটোক আমি এক প্ৰতিবাদী নাৰী চৰিত্ৰ বুলি ক'ব পাৰো, কিন্তু ইয়াৰ নাৰীবাদী চৰিত্ৰ হিচাপে আখ্যা দিব নোৱাৰি। কাৰণ প্ৰতিবাদ কৰিবলৈ গৈ তাই চাহাবজনক হত্যা কৰি যিটো পন্থা হাতত ল'লে সেয়া কোনোপধ্যেই নাৰীবাদৰ ভিতৰুৱা নহয়। কিন্তু চৰিত্ৰটোৰ যোগেদি নাৰী চেতনাৰ দিশবোৰ ওলাই পৰে। ভাত-কাপোৰৰ চিন্তাত অথবা গৰ্ভৱতী হৈ থকাৰ পিছতো তাইক কোনোৱে সহায় কৰিব বিচৰা নাছিল। আনকি কোম্পানীৰ চাহাবেও। কিন্তু এইজন চাহাবেই এদিন তাইক প্ৰেমৰ জালত বন্দী কৰি তাইৰ দেহ উপভোগ কৰিছিল। পিছত সমাজৰ দোহাই দি চাহাবে তাইক বিশ্বাস ঘাটকতা কৰিছিল। এদিন আকৌ এবাৰৰ কাৰণে যেতিয়া চাহাবে তাইৰ শৰীৰটো উপভোগ কৰিছিল, তেতিয়া তাই ইমান দিনে উমি উমি জ্বলি থকা খঙটো দমন নকৰি চাহাবক হত্যা কৰি প্ৰতিশোধ লৈছিল।

নাৰায়ণী এনে এখন সমাজত বাস কৰিছিল য'ত জীয়াই থকাৰ নূন্যতম দ্ৰব্যৰ বাবে সপোন দেখিলেই তাই ওপৰঞ্চিভাৱে শৰীৰটো আনৰ ওচৰত তুলি দিব লগা হৈছিল। নাৰী লোভী এই এচাম পুৰুষৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ তাই পিছহোঁহকা নাছিল। এগৰাকী নাৰী কিমান বেছি নিৰ্যাতিতা হ'লে এনে হত্যাৰ দৰে সিদ্ধান্ত ল'ব পাৰে নাৰায়ণী চৰিত্ৰটোৱে প্ৰমাণিত কৰে।

নাৰায়ণীৰ এনে ঘৃণনীয় পন্থাক সমৰ্থন কৰিব নোৱাৰি। কিন্তু তাইৰ সন্মুখত আন একো পথো নাছিল। নাৰীৰ ওপৰত চলি থকা এনে অত্যাচাৰৰ প্ৰতিবাদ কৰিবলৈ কোনো এগৰাকী পুৰুষ ওলাই নাহিল। গতিকে নাৰায়ণীয়ে ব্যক্তিগতভাৱে যিটো পথ বাচি ল'লে সেই ক্ষেত্ৰত

তাই প্ৰমাণ কৰিলে যে অত্যাচাৰৰ সন্মুখীন হ'লে নাৰীৰ এগৰাকীৰ মনতো বহুতো ক্ষোভ, বিদ্ৰোহ, প্ৰতিবাদ উমি উমি জ্বলি থাকে। নাৰায়ণীৰ প্ৰতিবাদ অহিংসা ভাৱৰ হোৱা হ'লে ই নাৰীমুক্তিৰ বাবে যুঁজ দিয়া এটা নাৰীবাদী চৰিত্ৰ হিচাপে ৰূপ পালেহেঁতেন। কিন্তু লেখিকাই চৰিত্ৰটোক এটা প্ৰতিবাদী চৰিত্ৰ হিচাপে অংকন কৰিলে যাৰ যোগেদি নাৰী চেতনাবোৰ গম পাব পাৰি।

**অণিমা**

'অণিমা' নিৰুপমা বৰগোহাঞিৰ উপন্যাস 'অন্য জীৱন'ৰ কেন্দ্ৰীয় চৰিত্ৰ। লেখিকাৰ জীৱনৰ ছাঁ এইটো চৰিত্ৰত পৰা দেখা যায়। অণিমাৰ কাম-কাজ, কথা-বতৰা আদিবোৰত নাৰীমুক্তিৰ চেতনা ধৰা পৰে। প্ৰথমবাৰ যেতিয়া তাই শাহুৱেকৰ ঘৰখনলৈ গৈছিল তেতিয়া ঘৰখনত বিভিন্ন ঘটনাবোৰৰ পৰা পুৰুষতান্ত্ৰিকতাৰ চিত্ৰ একোখন তাইৰ চকুত পৰিছিল। ভাতখোৱাৰ সময়ত অথবা কথাবোৰৰ পৰা নাৰীক কৰা অৱদমনৰ কথাবোৰ অণিমাই মানি ল'ব পৰা নাই। অণিমাৰ কথাবোৰত পুৰুষ বিদ্বেষৰ ভাব স্পষ্ট। তাইৰ শাহুৱেক অথবা ৰম্ভা খুৰীদেউ, লখিমপুৰীয়ানি আদি অনেক নাৰীৰ ওপৰত চলি থকা নিৰ্যাতনৰ কাৰণে তাই পোনপটীয়াকৈ পুৰুষসমাজকেই জগৰীয়া কৰে। নাৰী বুলিয়েই যে পুৰুষৰ নিৰ্যাতন, শোষণ-শাসন আদিৰ বলি হৈ থাকিব লাগিব সেয়া তাইৰ গণ্ডীৰ বাহিৰত। স্বামী মনোজক পুৰুষ সমাজৰ প্ৰতিনিধি বুলি ধৰি লৈ তেওঁকো সমাজৰ কেৰোণ বুলি ক'ব খোজে। অণিমা এগৰাকী চহৰীয়া শিক্ষিতা গাভৰু আছিল। কিন্তু তাইৰ মতে নাৰীৰ নিৰ্যাতন বুলি পুৰুষকে জগৰীয়া কৰিছে আৰু নাৰীবাদ বুলিলে পুৰুষ বিদ্বেষকে বুজাইছে। কিন্তু প্ৰকৃততে নাৰীবাদৰ অৰ্থ পুতলী নামৰ চৰিত্ৰটোৰ দ্বাৰা অণিমাৰ দৃষ্টিগোচৰ হয়। পুৰুষবিদ্বেষৰ মাজেদি নাৰীৰ নিৰ্যাতন নকমে। বৰং পুৰুষৰ লগত একেলগে আগবাঢ়ি সমাজৰ ব্যৱস্থাটোৰ সলনি কৰিলে নাৰীমুক্তি সম্ভৱ। কোনো এটা সমস্যাৰ সমাধান অহিংসভাৱে আগবঢ়াটো নাৰীবাদৰ ভিতৰত পৰে। কেৱল সমস্যাটো উলিয়ালেই সেয়া নাৰীবাদ নহয়। নাৰীবাদৰ প্ৰকৃত অৰ্থ বুজি পোৱা পুতলীয়ে অণিমাক সকলোবোৰ বুজাই দিয়াৰ পিছতহে নাৰীবাদ সম্পৰ্কে এটা স্বচ্ছ ধাৰণা তাই কৰিব পাৰিলে। অণিমা চৰিত্ৰটোক সেয়ে পোনপটীয়াকৈ নাৰীবাদী চৰিত্ৰ বুলি নকৈ নাৰীমুক্তি চেতনা প্ৰকাশ পোৱা চৰিত্ৰ বুলি অভিহিত কৰিব পাৰি।

**৬.০৩ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত বিবাহ বিচ্ছেদিতা নাৰী**

| **ঔপন্যাসিক** | **অবিবাহিত নাৰীচৰিত্ৰ** | **উপন্যাসৰ নাম** |
|---|---|---|
| মামণি ৰয়ছম গোস্বামী | ডৰথী | ছিন্নমস্তাৰ মানুহটো |
| নিৰুপমা বৰগোহাঞিঙ | চম্পাৰতী | মোৰ নাম চম্পাৰতী কাকতি |

**ডৰথী**

মামণি ৰয়ছম গোস্বামীৰ 'ছিন্নমস্তাৰ মানুহটো'ৰ এগৰাকী বিবাহ বিচ্ছেদিতা নাৰী হৈছে ডৰথী। তাই প্ৰতিবাদী সত্বাৰ এক বিদেশী নাৰী আছিল। স্বামী হেনৰীয়ে তাইৰ নথকাৰ সুযোগ গ্ৰহণ কৰি খাচীয়া মহিলা এগৰাকীৰ লগত অবৈধ সম্পৰ্ক আৰম্ভ কৰে। এই কথাটোক ডৰথীয়ে সহজভাৱে গ্ৰহণ কৰিব নোৱাৰিলে। তাই স্বামীক ত্যাগ কৰি মন্দিৰত জঁটাধাৰী সন্ন্যাসীৰ লগ লাগেহি। তাই মন্দিৰত থিতাপি লোৱাৰ মূল কাৰণ আছিল মন্দিৰৰ দেৱতাৰ নামত নিৰীহ জীৱবোৰৰ বলি বিধানৰ বিৰোধিতা কৰা। মন কৰিবলগীয়া যে এই নিৰীহ জীৱবোৰৰ লগত আন এটা দিশো লুকাই আছে। এই ধৰ্মীয় দিশটো হ'ল নিৰীহ জীৱবোৰে যেনেকৈ বিনা কাৰণত মন্দিৰৰ দেৱতাৰ নামত বলিৰ পঠা হ'ব লগা হয়, ঠিক তেনেকৈ সমাজৰ পৰম্পৰাগত নিয়মবোৰৰ কাৰণে নাৰীসকলেও পুৰুষৰ কামনা-বাসনাৰ বলি হ'ব লগা হয়। দেৱীৰ ভোগ আৰু মানুহৰ ভোগৰ বিৰোধিতা কৰিবলৈ সেয়ে তাই ওলাই আহিছে। স্বামীয়ে বিশ্বাসঘাটকতা কৰাৰ পিছত তাই স্বামীৰ লগত সম্পৰ্ক বজাই ৰাখিবলৈ মান্তি নহয়। সেয়ে তাই বিতৰ্ক হ'লেও জঁটাধাৰী সন্ন্যাসীৰ লগত তাইৰ যি গুজৱ ওলাইছে তাৰ বিৰোধিতা কৰা নাই। কাৰণ তাইৰ উপস্থিতিতেই নিজৰ স্বামীয়ে অন্য এগৰাকী মহিলাৰ লগত দৈহিক সম্পৰ্ক স্থাপন কৰিলে। এনেকুৱা পৰিস্থিতিত তাই নিজৰো একো ভুল দেখা নাপালে। তাই হেনৰীৰ বিৰুদ্ধে কাৰো ওচৰত একো অভিযোগো নিদিলে। বৰঞ্চ হেনৰী আৰু খাচী মহিলাগৰাকীৰ হ'বলগীয়া সন্তানটিৰ কাৰণে সম্পত্তিৰ কথাহে তাইৰ উইলত স্বাক্ষৰ দি গ'ল।

চৰিত্ৰটোৰ যোগেদি এগৰাকী সমাজৰ প্ৰতি দায়িত্ববদ্ধ মহিলাৰ স্পষ্ট ৰূপ পোৱা যায়। বলি-বিধানৰ দীৰ্ঘদিনীয়া সংস্কাৰৰ কাৰণে কাম কৰিবলৈ ওলাই আহি এক যুঁজ দিয়াৰ প্ৰৱণতা নিজৰ মাজত গঢ় দিছে। শেষত ডৰথীৰ আকস্মিকভাৱে মৃত্যু ঘটিছে যদিও নিজৰ কাম-কাজৰ মাজেৰে প্ৰতিবাদী নাৰী চৰিত্ৰ হিচাপে পৰিচয় দি গৈছে।

**চম্পাৱতী**

নিৰুপমা বৰগোহাঞিৰ আন এখন উপন্যাস 'মোৰ নাম চম্পাৱতী কাকতি'ৰ মুখ্য নায়িকা হৈছে চম্পাৱতী। চম্পাৱতীৰ বিয়া হৈছিল কংগ্ৰেছী নেতাৰ পুত্ৰ শিৱনাথৰ লগত। দেউতাকৰ ইচ্ছামতেই তাই বিয়াত বহিছিল। লগতে শিৱনাথৰ প্ৰতি তাইৰো সৰুৰে পৰা আকৰ্ষণ আছিল। কিন্তু বিয়াৰ পিছৰে পৰা শিৱনাথৰ কাম কাজক তাই মুঠেই পছন্দ কৰা নাছিল। তাৰ চিন্তাধাৰাবোৰো তাই হজম কৰিব পৰা নাছিল। একমাত্ৰ পুৰুষ হ'ল বুলিয়েই যে নিজৰ ক্ষমতাৰ বলত অসৎ কামবোৰ কৰি থাকিব সেয়া চম্পাৱতীয়ে মানি লোৱা নাছিল। দেউতাকে দিয়া শিক্ষাই তাইৰ স্বাধীনচিতীয়া মনটোক আৰু সাহসী কৰি তুলিছিল। গতিকে এই বৈবাহিক বান্ধোনৰ শিকলি ছিঙি ওলাই আহিবলৈ তাই অকণো কুণ্ঠবোধ নকৰিলে। যিখন ঘৰত পুৰুযে নিজৰ দাম্ভিকতা পত্নীৰ আগত দেখুৱাব পাৰে, যিখন ঘৰত পুৰুষ হ'ল বুলিয়েই যিকোনো কৰিব পাৰে তেনে এখন ঘৰত নথকাৰ সিদ্ধান্ত লৈ চম্পাৱতীয়ে সেই ঘৰ, স্বামীক ত্যাগ কৰিলে। ইয়াৰ লগতে তাই নিজৰ শিক্ষা জীৱনটো আগুৱাই নিলে।

পিছত তাই সূৰ্যক লগ পাইছিল। কিন্তু সূৰ্যৰ কথাৰ মাজতো পুৰুষৰ অহংবোধ ফুটি উঠাত তাই ক'লে—"স্বামী, পুত্ৰ, ঘৰ-সংসাৰ বিনে তিৰোতাৰ জীৱনত পূৰ্ণতা নাহে বুলি আমাৰ যি চিৰন্তন বিশ্বাস তাৰ বিপৰীতে মই কিমান দূৰ বাট বুলিব পাৰোঁ চাওঁচোন" [১০]

কথাযাৰৰ মাজেৰে নাৰীবাদী চেতনা বিয়পি পৰে। তাই নিজে যে এটা স্বতন্ত্ৰ ব্যক্তিসত্তা সেইটোত বিশ্বাসী। এইক্ষেত্ৰত অৱশ্যে তাইৰ পিতৃ তাইৰ লগত আছিল। কাৰণ স্বামীৰ ওচৰৰ পৰা আঁতৰি আহিবলৈ কোৱা ব্যক্তিজন আছিল তাইৰ পিতৃ। পুৰুষৰ সৈতে নাৰীয়ে সমতা ৰাখি আগবাঢ়ি যোৱাত নাৰীমুক্তি প্ৰকাশ পায়। এইক্ষেত্ৰত চম্পাৱতীয়ে সমাজৰ পৰিৱৰ্তনৰ বাবে ভাল কাম কৰাৰ প্ৰতি আগ্ৰহী। চম্পাৰ চিন্তাধাৰাৰ পৰা চৰিত্ৰটোক নাৰীবাদলৈ উত্তৰণ ঘটা বুলি ক'ব পাৰি।

---

১০. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ.৪০৯

### ৬.০৪ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত বিধৱা নাৰী

| **ঔপন্যাসিক** | **বিধৱা নাৰী চৰিত্ৰ** | **উপন্যাসৰ নাম** |
|---|---|---|
| মামণি ৰয়ছম গোস্বামী | গিৰিবালা | দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা |
| মামণি ৰয়ছম গোস্বামী | দুৰ্গা | দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা |
| মামণি ৰয়ছম গোস্বামী | সৰু গোঁসানী | দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা |

**গিৰিবালা ঃ**

মামণি ৰয়ছম গোস্বামীৰ উপন্যাস 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ বৈধব্য জীৱনৰ কৰুণতাৰ গাঁথা হৈছে গিৰিবালা। চৰিত্ৰটোৰ যোগেদি নাৰীবাদী চেতনা ফুটি উঠিছে। পৰম্পৰাগত সমাজখনৰ মানুহে সৃষ্টি কৰা নিয়মসমূহ মানি চলিবলৈ তাই অলপো আগ্ৰহী নহয়, বৰঞ্চ এই ক্ষেত্ৰত তাই তথাকথিত সহনশীলতাৰ বিপৰীতে প্ৰতিবাদী কণ্ঠ প্ৰকাশ কৰিছে। বিধৱা হোৱাৰ পিছত তাইৰ চাল-চলন, খোৱা বোৱা আদি ক'তো বাধা নিষেধ মানি ল'ব খোজা নাই। আনহে নালাগে যৌন চেতনাৰ ক্ষেত্ৰতো তাই নিজৰ শৰীৰৰ ক্ষুধাক বান্ধি ৰাখিব খোজা নাই। সমাজৰ নিয়ম অনুসৰি বিধৱা হোৱাৰ পিছত নাৰীসকলে কেৱল গিৰিয়েকৰ নাম ধিয়াই অথবা ভাৱানৰ নাম লৈ বাকী জীৱন কটাই দিব লাগে। মাৰ্ক চাহাবৰ সৈতে তাইৰ সম্পৰ্ক, মৃত স্বামীৰ প্ৰতি অশ্ৰদ্ধা আৰু ককাকৰ ভোজত মাংস খোৱা আদি কাৰ্যৰ যোগেদি পৰম্পৰাগত ৰীতি নীতিক তাই স্বীকাৰ কৰাৰ কথা মুঠেই দেখা নাযায়। তাই এইটোও প্ৰকাশ কৰিছিল যে মৃত স্বামীৰ তাইতকৈ বেছি অন্য নাৰীৰ প্ৰতিহে আকৰ্ষিত আছিল। গিৰিয়েকৰ চৰিত্ৰত প্ৰশ্ন তুলিব পৰাকৈ গিৰিবালাৰ বাহিৰে বেলেগ নাৰীয়ে সেইখন সমাজত সাহস কৰিব পৰা নাছিল। স্বামীঘৰৰ প্ৰতিও তাইৰ ক্ষোভ আছিল। পৰম্পৰাগত সমাজখনৰ কোনো কথাই তাই মানি লোৱা নাছিল। নিজৰ স্বাভাৱিক শাৰীৰিক ক্ষুধাক তাই স্বাভাৱিকভাৱেই মানি লৈছিল। সেয়ে মাৰ্ক চাহাবৰ সন্মুখত তাই কাপোৰ খুলি উলংগ হৈ দিছিল। তাইৰ প্ৰকাশভংগী মন কৰিবলগীয়া—"চাহাব মই দুৰ্গা নাইবা সৰু গহেনীৰ দৰে বাচি থাক্‌বো নৰো।"[১১]

উপন্যাসৰ শেষৰ পিনে তাইৰ মৃত্যু ঘটিছিল। কিন্তু এই মৃত্যুত এক প্ৰতিবাদী চৰিত্ৰৰ ৰূপ ফুটি উঠিছিল। জীয়াই থাকোতে পৰম্পৰাগত সমাজখনৰ কোনো কথাই নমনা গিৰিবালাই

---

১১. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ*, পৃ.৪৩৪

মৃত্যুৰ সময়তো বুঢ়া আঙুলি দেখুৱাই গ'ল। তাইৰ মৃত্যুত বিধৱাসকলৰ মুক্তিৰ ইচ্ছা নতুন ৰূপত প্ৰকাশ ঘটিল। মাৰ্ক চাহাবৰ লগত একেটা কোঠালিতে পাই সমাজখনে তাইৰ চালিঘৰৰ ভিতৰত সুমুৱাই মন্ত্ৰপাঠ কৰি পৱিত্ৰ কৰি ল'ব খুজিলে। কিন্তু তাই পুৰোহিতৰ কথা নামানি, পৰম্পৰাগত সমাজখনৰ মূৰত কুঠাৰাঘাট কৰি জুই লগাই দিয়া চালিৰ তলৰ পৰা আৰু ওলাই নাহিল। এনেদৰে জুইত আত্মহুতি দি তাই যেন প্ৰতিবাদ প্ৰকাশ কৰিলে।

উপন্যাসখনত বিধৱা নাৰীৰ প্ৰতি হিন্দু সমাজৰ গোড়ামি আৰু ৰক্ষণশীল সামাজিক পৰম্পৰাৰ বিৰুদ্ধে সাৰ্থক প্ৰতিবাদ পৰোক্ষ ৰূপত ফুটি উঠিছে।

**দুৰ্গা**

মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ আন এটা বিধৱা চৰিত্ৰ হৈছে দুৰ্গা। গিৰিয়েক ঢুকোৱাৰ পিছত স্বামী পৰিয়ালে তাইকে কলংকিতা বুলি কৈ নানা কথা শুনাইছিল। আনকি চুবুৰীয়াইও তাইক অমংগলীয়া বুলি কৈছিল। শহুৰেকৰ ঘৰত তাইৰ অৱস্থাটো নৰকংকালৰ ৰূপ ল'বলৈহে মাত্ৰ বাকী আছিল। এনেকুৱা অৱস্থাত ভতিজাক ইন্দ্ৰনাথে তাইক মৰাৰ পৰা বচাইহে যেন আনিছিল। কিন্তু তথাপিও তাইৰ আশা আছিল যে স্বামীৰ পৰিয়ালে তাইক আকৌ ঘূৰাই নিবহি। কিন্তু তাই ভবা এই কথাটো অমূলক আছিল। উপায়হীন হৈ তাই নিজেই স্বামীগৃহলৈ ঘূৰি গ'ল। কিন্তু সেইঘৰত তাইৰ নিজৰ বুলিবলৈ একো বাকী ৰোৱাগৈ নাছিল। তাই পুনৰ ঘূৰি যোৱাক লৈ স্বামী পৰিয়ালৰ মানুহৰ অশান্তিহে হৈছিল। পৰম্পৰাগত বিধৱাই পালন কৰিব লগা সকলো ৰীতি-নীতিৰ প্ৰতি আস্থাশীল দুৰ্গাই একমাত্ৰ স্বামীৰ আত্মাৰ সদগতিৰ বাবেই স্বামীগৃহৰ থাকি নিয়মখিনি পালন কৰিছিল। পিতৃগৃহতো নানা ঠাট্টা মস্কৰা আদিৰে তাইৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল। বৌয়েক গোঁসানীয়েও দুৰ্গাক কথা শুনাইছিল—

> *বেটী হাড়ীত খাইতী! কোনে তোক গেলি কাণৰ ফুটি দি গেছিলও? গিৰিয়েৰাইও দেখোন ফুটা-কড়ি এটাও থৈ নেগেল। তপাত ভাতৰ ধহাই ধছিল স্বামীৰ ভিঠা এৰি আইহবা!!* [১২]

ওচৰ চুবুৰীয়া, ঘৰৰ মানুহৰ এনেকুৱা প্ৰতিক্ৰিয়া আছিল যে বিধৱা হোৱাটো যেন তাইৰহে দোষ। চৰিত্ৰটোৰ যোগেদি নাৰীচেতনা সুন্দৰকৈ ফুটি উঠিছে। কিন্তু কথাবোৰৰ প্ৰতিবাদ কৰিব

১২. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৩৯৫

পৰাকৈ দুৰ্গাৰ অকণো শক্তি সামৰ্থ নাছিল। অপ্ৰাপ্তিৰ নিৰাশাভৰা জীৱনৰ মাজেৰে আগবাঢ়িছে এক নিৰাপত্তাহীন ভৱিষ্যত। দুৰ্গা চৰিত্ৰটোৱে এক পৰম্পৰাগত বিধৱা নাৰীৰ চৰিত্ৰক প্ৰতিনিধিত্ব কৰিছে। কাৰো প্ৰতি তাইৰ আক্ষেপ নাই, সমাজৰ এই নিয়মবোৰকো তাইৰ নিজৰে ভাগ্যৰ দোষ বুলি তাই ভাবে। চৰিত্ৰটোৰ মাজেৰে বিধৱা এগৰাকীৰ জীৱনৰ ভয়াৱহতাৰ এখন ছবি দেখা যায়।

**সৰু গোঁসানী**

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ আন এগৰাকী বিধৱা নাৰী হৈছে সৰু গোঁসানী। ইন্দ্ৰনাথৰ খুৰীয়েক সৰু গোঁসানী চৰিত্ৰৰ বিচিত্ৰতা আছে আৰু চৰিত্ৰটোৰ যোগেদি নাৰী চেতনা পৰিস্ফুট হয়। চৰিত্ৰটো কিছু ক্ষেত্ৰত সাহসী হোৱাও দেখা যায়। আকৌ কোনো কোনো ক্ষেত্ৰত ৰক্ষণশীল সমাজখনৰ নিয়মবোৰৰ পৰা নিজক আঁতৰাই আনিবও পৰা নাই। যৌৱনতে বিধৱা হোৱা সৰু গোঁসানীয়ে নিজৰ স্বাভাৱিক যৌন কামনাক বাধা দিব নোৱাৰে আৰু মনে মনে মহীধৰ বাপুৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰে।

> *আৰু কিছুদুৰ আগুৱাই যাব নেকি? যাঃ মৰে যদি মৰক মহীধৰ বাপু! নাই নাই, মহীধৰ বাপু মৰাৰ পিছত এই সংসাৰত থাকিব আৰু ভাল নালাগিব।*[১৩]

একেদৰে সৰু গোঁসানীৰ অন্তৰত আকৌ অনুভৱে খেলা কৰে—

> *এবাৰ উঠি আহি কিয় তেওঁ নকয়; গোঁসানী তুমি খোৱা নাই? কি চিন্তা তোমাৰ? ... এৰা, চুই চাবৰ মন যায় সেই মাটি। লেপ খহি যোৱা ইকৰাৰ বেৰৰ ফাঁকেৰেও সেই শৰীৰ আৰু মোহনীয়া দেখা গ'ল।*[১৪]

কিন্তু সৰু গোঁসানীয়ে এয়া কৰিব পৰা নাই। এদিন মহীধৰ বাপুৱে তাইক বিশ্বাসঘাটকতা কৰিছিল। এগৰাকী সদ্য বিধৱা নাৰী হিচাপে চৰিত্ৰটোক অংকন কৰা হৈছে। তাই সামাজিক সংস্কাৰ ভেদি বহুসময়ত নিজৰ ইচ্ছা থাকিলেও উলংঘা কৰিবলৈ সাহস কৰা নাছিল। চৰিত্ৰটোৰ মাজত বাপুৰ প্ৰতি গঢ়ি উঠা আন্তৰিকতাৰ বাবে পৰম্পৰা ভাঙি ওলাই যাব বুলি ভবা হৈছিল যদিও তাই তেনে কৰাৰ পৰা বিৰত থাকিল। এনে সাহস তাই কৰিব নোৱাৰিলে। ইয়াৰ যোগেদি নাৰীমনৰ পৰম্পৰাগত চেতনা ফুটি উঠিছে। বিধৱা হ'লেও যে স্বাভাৱিক ৰিপু সদায় ক্ৰিয়াশীল

---

১৩. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৩৯১-৩৯২

১৪. উক্ত গ্ৰন্থ, পৃ.৩২০

হৈ থাকে  আৰু ইয়াক বন্দী কৰিব নোৱাৰি সেই কথা সৰু গোঁসানী নামৰ বিধৱা গৰাকীৰ যোগেদি অতি কাৰুণ্যভাৱে দেখুওৱা হৈছে।

সামৰণিত ক'ব পাৰি যে,আলোচিত এই নাৰী চৰিত্ৰসমূহৰ মাজেৰে নাৰীকেন্দ্ৰিক চেতনাবোধৰ কথা আমি গম পাব পাৰো। নাৰীচেতনাই প্ৰকাশ কৰে নাৰীসমস্যাৰ মাজেৰে এগৰাকী নাৰীয়ে ৰক্ষণশীল সমাজ এখনত কিমান ভয়াৱহভাৱে জীৱন কটাব  লগা হয়। পুৰুষতান্ত্ৰিক সমাজখনত নাৰী এগৰাকীৰ নিজস্বতা বুলিবলৈ একো নাথাকেগৈ। এনেক্ষেত্ৰত আমাৰ আলোচিত চৰিত্ৰসমূহৰ মাজত দেখা গৈছে কিছুমান নাৰী চৰিত্ৰই  প্ৰতিবাদী সত্তা লৈ নাৰীবাদী দৃষ্টভংগীৰে ওলাই আহিছে। আনহাতে কিছুমান নাৰী চৰিত্ৰই দুখ দুৰ্দশা যথেষ্ট সহ্য কৰিছে যদিও মুখ খুলি ক'বলৈ ওলাই আহিব পৰা নাই। হত্যাৰ দৰে কৰা প্ৰতিবাদ নাৰীবাদী চেতনাৰ ভিতৰুৱা নহয় যদিও ইয়াৰ মাজেদি ৰক্ষণশীল সমাজখনৰ প্ৰতি প্ৰতিবাদ সাব্যস্ত কৰাটোও আমি প্ৰতিবাদী সত্তা হিচাপে ধৰিব লাগিব।

মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ চৰিত্ৰাংকনত কিছু পাৰ্থক্য দেখা যায়। দুয়োগৰাকীৰে উপন্যাসৰ মূল নাৰী যদিও কিছু ক্ষেত্ৰত মিল-অমিল দুয়োটাই দৃষ্টিগোচৰ হয়।  মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীবাদ  প্ৰকৃত ৰূপত ধৰা পৰা দেখা নাযায়। প্ৰায়বোৰ চৰিত্ৰই গভীৰ ভাৱে আৱেদনশীল হ'লেও, নাৰীবাদৰ ৰূপ নলয়।  দেখা যায় যে তেওঁৰ উপন্যাসত এজন পুৰুষক ব্যক্তিগত অন্যায়কাৰী হিচাপেহে দেখুওৱা হৈছে, পুৰুষপ্ৰধান সমাজৰ প্ৰতিনিধি হিচাপে দেখুওৱা নাই। তেওঁৰ বহুকেইটা নাৰী চৰিত্ৰই  ধৰ্মীয় পৰম্পৰাৰ অন্যায়ৰ বলি হৈছে। এইক্ষেত্ৰত তেওঁ পৰম্পৰাকে দুষিছে। তেওঁৰ উপন্যাসত নাৰী নিৰ্যাতনৰ প্ৰকট ৰূপ দেখুওৱা হৈছে। কিন্তু  নাৰীবাদীসকলৰ দৰে এনে পৰম্পৰা অন্ত পেলাবলৈ তেওঁ কোনো সামাজিক আন্দোলনৰ সৃষ্টি কৰা কথা কোৱা নাই। সামন্তৰালভাৱে তেওঁ উপন্যাসত পুৰুষো বঞ্চিত আৰু নিৰ্যাতিত হোৱাৰ ছবি অংকন কৰিছে। অন্যান্য নাৰীবাদী ঔপন্যাসিকাৰ দৰে তেওঁৰ উপন্যাসত কোনো নাৰী নাৰীমুক্তি স্বাধীনতাৰ আদৰ্শৰে  সমাজৰ বান্ধোনৰ পৰা ওলাই অহা নাই। নাৰীৰ অমানৱীয় অৱস্থাক লৈ তেওঁৰ উপন্যাসে প্ৰতিবাদ উত্থাপন কৰে; কিন্তু সেই প্ৰতিবাদ সৰৱ নহয়, নীৰৱ, কৰ্মোদ্যত নহয়, মাথোন আৱেদনশীল।[১৫] তেওঁলোকক ঔপন্যাসিকাৰ বিপৰীতে

---

১৫.    শৰ্মা, গোবিন্দপ্ৰসাদ ঃ *নাৰীবাদ আৰু অসমীয়া উপন্যাস*, পৃ.১১০

নাৰীভাবনাৰ ঔপন্যাসিকা বুলি আখ্যা দিব পাৰি। আনহাতে, অসমীয়া উপন্যাস সাহিত্যত সচেতনভাৱে নাৰীবাদী উপন্যাস ৰচনা কৰা প্ৰথমগৰাকী ঔপন্যাসিক বা লেখিকা হ'ল নিৰুপমা বৰগোহাঞিং।[১৬] নাৰীবাদ মানে পুৰুষৰ বিপক্ষে যুঁজ কৰা নহয়। নাৰীয়ে পুৰুষক লৈ কৰা আপত্তি এক দৰ্শন ভিত্তিক হ'ব লাগিব। নাৰীবাদৰ এই সামাজিক দৰ্শনৰদ্বাৰা প্ৰভাৱিত নিৰুপমা বৰগোহাঞিংৰ কোনোখন উপন্যাসতেই পুৰুষক বাদ দি নাৰীৰ ব্যক্তিসত্তাৰ স্বাধীনতা সাব্যস্ত কৰা নাই। তেওঁৰ উপন্যাসৰ নায়িকাসকলে পুৰুষৰ সহযোগতহে নিজৰ অধিকাৰ সাব্যস্ত কৰিব খোজে।

---

**১৬.** শৰ্মা, গোবিন্দপ্ৰসাদ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৮৮

‘

# সপ্তম অধ্যায়

## ৭.০০ ঔপন্যাসিক দুগৰাকীৰ নাৰী চৰিত্ৰৰ প্ৰতিবাদৰ এক তুলনামূলক বিচাৰ

মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিঃ দুয়োগৰাকীয়েই কুসংস্কাৰ, ৰক্ষণশীলতাৰ বিৰুদ্ধে কলমক শাণিত অস্ত্ৰ হিচাপে লৈ প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। মানৱতাক ভূলুণ্ঠিত কৰা পুৰুষতান্ত্ৰিকতাৰ কেতবোৰ যুক্তিহীন নীতি-নিয়মৰ বিৰুদ্ধে এওঁলোকে লিখি আহিছে। আমাৰ সমাজৰ পুৰুষতান্ত্ৰিকতাৰ প্ৰভাৱ কিমান ওপৰলৈকে থাকিব পাৰে তাৰ প্ৰমাণ উপন্যাসত প্ৰতিফলিত হোৱা চৰিত্ৰবোৰৰ দ্বাৰাই অনুমেয়।

শাসন যন্ত্ৰ আৰু সমৰ সজ্জাৰে পুষ্ট ৰাষ্ট্ৰখন পুৰুষ সমাজৰ সৃষ্টি। দৈহিক বল আৰু পৰাক্ৰম ইয়াৰ এটা অবিচ্ছেদ্য অংগ। সভ্যতাৰ ক্ৰমবিকাশৰ এটা স্তৰত যেতিয়া জনগোষ্ঠীবিলাক পাৰস্পৰিক সংঘৰ্ষত লিপ্ত আছিল, তেতিয়া তেওঁলোকৰ সুৰক্ষা নিৰ্ভৰ কৰিছিল ঘাইকৈ দৈহিক বলৰ ওপৰত। যিহেতুকে শাৰীৰিকভাৱে পুৰুষতকৈ নাৰী দুৰ্বল, গতিকে সুৰক্ষাৰ ক্ষেত্ৰত নাৰী পুৰুষৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছিল আৰু এই নিৰ্ভৰশীলতাই সমাজত পুৰুষৰ প্ৰতিপত্তি সাব্যস্ত কৰি পুৰুষ বা পিতৃতান্ত্ৰিক সমাজ স্থাপনৰ বাট মুকলি কৰিছিল। ইতিমধ্যে স্থায়ী কৃষিভিত্তিক সমাজ আৰু ব্যক্তিগত সম্পত্তিৰ অনুষ্ঠান গঢ়ি উঠাত পুৰুষৰ চকুত নাৰী সম্পত্তি হৈ পৰিছিল আৰু মাতৃতান্ত্ৰিক সমাজৰ ব্যক্তি স্বাধীনতা হেৰুৱাই মানসিক ভাৱেও দুৰ্বল হৈ পৰিছিল।[১]

নাৰীয়ে উপযুক্ত সন্মান কেতিয়াও পোৱা নাই আৰু পোৱা নাছিল; পুৰুষে কেতিয়াও নাৰীক আগ ঠাই দিয়া নাই, কেতিয়াও দিয়া নাছিল; নাৰীয়ে তাইৰ সেৱা তাইৰ প্ৰেম, তাইৰ মাতৃত্ব আৰু দেৱীত্বৰ ফলত কেৱল পাই আহিছে পুৰুষৰ পৰা পদে পদে লাজ, অপমান আৰু অত্যাচাৰ। পুৰুষে নাৰীক খেলাৰ পুতলা বুলি ভাবি আহিছে— এতিয়াও ভাবে; আৰু নাৰীয়ে কেৱল পুৰুষৰ দাসত্ব কৰি আহিছে আৰু এতিয়াও কৰি আছে।[২] দুয়োগৰাকী ঔপন্যাসিকাৰ

১. বৰগোহাঞিঃ, হোমেন (সম্পা.) ঃ *সূত্ৰধাৰ*, প্ৰবন্ধ, শৰ্মা, গোবিন্দ প্ৰসাদ 'নাৰীবাদ ঃ কি আৰু কেনেকৈ', পৃ.১৭

২. উক্ত গ্ৰন্থ, পৃ.১৩

উপন্যাসত নাৰীৰ চৰিত্ৰ ৰূপায়ণত বিচিত্ৰতা ধৰা পৰে। পৰম্পৰাগত সমাজৰ এইসকল নাৰীয়ে বিভিন্ন সময়ত বিভিন্ন পৰিৱেশত শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ সন্মুখীন হ'ব লগা হৈছে। সেইবোৰৰ মাজত প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক পুৰুষৰ নাৰীৰ প্ৰতি থকা দমনশীল ৰূপটো প্ৰকাশি উঠিছে। দুয়োগৰাকী লেখিকাই অতি সচেতন ভাৱে যদিও পুৰুষক দোষাৰোপ নকৰি ঘূণে ধৰা সমাজ ব্যৱস্থাটোকহে জগৰীয়া কৰিছে তথাপি কিন্তু এওঁলোকৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহৰ মাজেৰে পুৰুষতান্ত্ৰিকতাৰ বিৰুদ্ধে থকা প্ৰতিবাদৰ ছবিখন স্পষ্টৰূপত ফুটি ওলাইছে। আমাৰ আলোচিত সময়খিনিত অসমীয়া উপন্যাসত বিশেষ স্থান দখল কৰি প্ৰচলিত পৰম্পৰা তথা পুৰুষতান্ত্ৰিকতাৰ বিৰুদ্ধে মূৰ দাঙি উঠা লেখিকা মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ বিষয়ে ক'বলৈ বিচৰা হৈছে। সমাজখনত মূলতঃ পুৰুষতান্ত্ৰিক অৱস্থা এটা বৰ্তি থকা বুলি ধাৰণা কৰি এওঁ এনে অৱস্থাৰ পৰিৱৰ্তনৰ বাবে অহৰহ চৰিত্ৰবোৰক সংগ্ৰামী কৰি ৰাখিব বিচাৰে। অৱশ্যে লেখিকাৰ ৰচনাত প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰাৰ ক্ষেত্ৰত পুৰুষ নাৰী সকলোৰে সমানে অংশীদাৰ হৈ পৰিছে। কিন্তু দেখা যায় যে নাৰীৰ প্ৰতি থকা বৈষম্যৰ প্ৰতি লেখিকাৰ অধিক দায়বদ্ধতাৰ পৰিচয় স্পষ্ট। এই দায়বদ্ধতাৰ মাজেদি নাৰীৰ চিত্ৰৰ মাজেৰে পুৰুষতান্ত্ৰিকতাৰ বিৰুদ্ধে যি প্ৰতিবাদ ফুটি উঠিছে তাৰ অধ্যয়নৰ বাবে (১) 'নীলকণ্ঠী ব্ৰজ', (২) 'মামৰে ধৰা তৰোৱাল', (৩) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' আৰু (৪) 'ছিন্নমস্তাৰ মানুহটো' উপন্যাসক নিৰ্বাচিত কৰি তলত এই সম্পৰ্কে আলোচনা কৰিব বিচৰা হৈছে।

**নীলকণ্ঠী ব্ৰজ ঃ**

মামণি ৰয়ছম গোস্বামীয়ে নাৰীৰ দুখ, আৰু নিৰ্যাতনৰ অনেক কাহিনী প্ৰকাশ কৰি বহু সময়ত সাহসেৰে এনেবোৰ অত্যাচাৰ-নিৰ্যাতনৰ প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। এনে সাহস আৰু প্ৰতিবাদৰ অন্যতম নিদৰ্শন হিচাপে লেখিকাৰ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনত অংকিত নাৰী চৰিত্ৰবোৰ আলোচনা কৰি চাব বিচৰা হৈছে।

উপন্যাসখন বৃন্দাবনৰ পটভূমিত ৰচিত। ব্ৰজধামৰ প্ৰাচীন ঐতিহ্য, পূজা-পাতল, ধৰ্মীয় আদৰ্শ, কলা-কৃষ্টিৰ লগতে ব্ৰজধামৰ বিধৱা ৰাধেশ্যামীসকলৰ জীৱনৰ দুখ-যন্ত্ৰণা, দুৰ্নীতি, যৌন-ব্যভিচাৰ আদিৰ ছবি উপন্যাসখনত বৰ্ণিত আছে। ব্ৰজধামৰ দুখুনী-বিধৱাসকলৰ দুৰ্দশাৰ গা শিয়ঁৰি যোৱা বৰ্ণনাই বাস্তৱ জীৱনক চুই যায়।

ব্ৰজৰ বুকুত অসংখ্য মন্দিৰ, পূজাৰী, সাধু-সন্ন্যাসী, কৃষ্ণস্বামীৰ চৰণ আৰাধ্য জীৱন পাঠ কৰিবলৈ পঠোৱা বিধৱাসকলৰ জীৱনৰ কৰুণ গাঁথাক লৈ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখন ৰচিত। ইয়াত কম বয়সীয়া যুৱতী বিধৱাৰ পৰা বৃদ্ধালৈকে হাজাৰ হাজাৰ বিধৱাই বাস কৰিছিল। এওঁলোকৰ অৱস্থা ইমানেই দুখ লগা আছিল যে সামান্য খাদ্যবস্তুৰ সন্ধানত ব্ৰজৰ অলিয়ে-গলিয়ে ঘূৰি ফুৰিব লগা হৈছিল। এই বিধৱাসকল প্ৰায়ে ব্ৰজৰ লম্পট পুৰুষৰ ভোগ্য বস্তুত পৰিণত হ'ব লগা হৈছিল। খাদ্য, কাপোৰৰ অভাৱে অস্থিৰ কৰি পেলোৱা এইসকল জাক জাক বিধৱাই অস্বাস্থ্যকৰ পৰিৱেশত ভগ্ন-প্ৰাচীন দালালৰ খুপৰি কিছুমানত বাস কৰিছিল আৰু উৎপীড়ন, ব্যভিচাৰৰ বলি হৈ মৃত্যুলৈ বাট চাই থকা একো একোটা শৰদেহত পৰিণত হৈছিল। এই ব্ৰজলৈকে ডাঃ ৰায়চৌধুৰী আৰু পত্নী অনুপমাই গাভৰু জীয়েক বিধৱা সৌদামিনীক লৈ আহিছিল। এই সৌদামিনীয়েই হৈছে উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ। তৰুণী সৌদামিনী ভৰ যৌৱনতে বিধৱা হ'ল। সময়ৰ লগে লগে তাইৰ মনৰপৰা গিৰিয়েকৰ স্মৃতিও মচ খাই গ'ল। কিন্তু তথাকথিত উচ্চ হিন্দু সমাজৰ নিয়ম মতে তাই কেতিয়াও দ্বিতীয়বাৰ বিবাহত বহিব নোৱাৰিব। তাইৰ ভৰ যৌৱনৰ জৈৱিক লিপ্সা তথা ভোগৰ তাড়না যিমানেই তীব্ৰ নহওক কিয় তাই বিধৱা হৈ ব্ৰতচাৰিণী ৰূপতেই থাকিব লাগিব। এয়া সমাজৰ দাবী, পৰম্পৰাগত পুৰুষতান্ত্ৰিক সমাজখনৰ দাবী আৰু এই দাবী তাইৰ পিতৃ-মাতৃয়েও দলিয়াই পেলাব নোৱাৰে। সকলো দেহজ কামনাক বশীভূত কৰি হ'লেও তাই মাথোঁ ঈশ্বৰৰ ওচৰত সমৰ্পণ কৰিবই লাগিব। এনেধৰণৰ দাবীৰেই মাক অনুপমাই অনেক স্নেহ থকা স্বত্ত্বেও জীয়েকক ব্ৰজধামলৈ লৈ আহিব লগা হৈছে। এনে এক পবিত্ৰ পৰিৱেশত থাকি জীয়েকেও কৃষ্ণপ্ৰেমত মজি সকলো দুখ পাহৰি পূণ্য অৰ্জন কৰিব পাৰিব বুলি আশা কৰিছে ডাঃ ৰায়চৌধুৰী আৰু অনুপমাই। কিন্তু দিঠকত সেয়া হৈ উঠা নাই। সৰুৰেপৰা সৌদামিনী অলপ ব্যতিক্ৰমী আছিল। শিক্ষা-দীক্ষা, বয়স, সামাজিক স্থান আদি সকলো ক্ষেত্ৰতেই তাই বেলেগ আছিল। নিজৰ দেহজ কামনাক তুচ্ছ কৰি তাই ভগৱানৰ ওচৰত নিজকে সমৰ্পন কৰিব নোৱাৰিলে। এগৰাকী শিক্ষিতা নাৰী হিচাপে সমাজৰ নিয়ম মতে বৈধব্যৰ কঠোৰ জীৱন-যাপন কৰিবলৈ তাই অস্বীকাৰ কৰিলে। উচ্চবৰ্ণৰ পিতৃ তান্ত্ৰিক সমাজখনৰ নিয়ম মতে এগৰাকী বিধৱাই প্ৰেমৰ কথাতো দূৰৰেই, সামাজিকভাৱে দ্বিতীয় বিবাহো কৰাব নোৱাৰে। কিন্তু তাইৰ কাৰ্যত ইয়াৰ বিৰোধিতা ফুটি উঠিল। তাইৰ হৃদয়ত এজন খ্ৰীষ্টান ডেকাৰ প্ৰৱেশ ঘটিল। তাই পবিত্ৰ নগৰী ব্ৰজধামত থাকিলেও দেহ-মন ধূলি মাকতিৰে ধূসৰিত, তাইৰ দেহ মনত জৈৱিক

স্পৃহাৰ তৰংগৰাশিৰ কোনো পৰিৱৰ্তন হোৱা নাই। ব্ৰজৰ ভূমিলৈ আহিলেও তাই ৰক্ষণশীল সমাজখনৰ মতে ব্ৰতচাৰিণী হৈ জীয়াই থাকিব বিচৰা নাছিল। সেয়ে তাই দেউতাকক ভয়হীনভাৱে কৈছিল—'মই স্বাধীন, মই কাকো ভয় নকৰোঁ।'[৩]

সৌদামিনীৰ এই গোপন প্ৰেম এগৰাকী ব্ৰাহ্মণ বিধৱা নাৰীৰ ব্যক্তি স্বাধীনতাৰ ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ বুলি ক'ব পাৰি। ইয়াতেই সৌদামিনীৰ পুৰুষতান্ত্ৰিক সমাজখনৰ বিপক্ষে প্ৰথমটো প্ৰতিবাদৰ কথা আমি উনুকিয়াব পাৰো। এইখন এনে এক সমাজ য'ত পুৰুষে নাৰীক সন্মান দিব নাজানে। আনকি বিধৱাসকলে খাদ্যবস্তুৰ সন্ধানত ব্ৰজৰ অলিয়ে-গলিয়ে বিচৰণ কৰোঁতেও লম্পট পুৰুষৰ ভোগ্য বস্তুত পৰিণত হ'ব লগা হয়। জীয়াই থাকোতেও এইসকলে মৃত্যুলৈকে যেন বাট চাই থাকে।

"এৰা এক পইচাত যেতিয়া কুৰিটাকৈ তৰমুজ উঠিব তেতিয়া সিহঁতে আন বস্তু খাব বাদেই দিব।.. ঠিকেই কৈছা, দুই-এজনীয়ে সেইবোৰ খাই শোহজী' মন্দিৰৰ চিৰিত নাইবা 'লালাজী'ৰ মন্দিৰৰ সন্মুখত নাইবা সকলোৱে ভালদৰে চাব পৰা কালীয়ামদন ঘাটৰ চিৰিত বঁতিয়াই বঁতিয়াই মৃত্যুৰ বাবে বাট চাব।

মৰাশ এপিনে পৰি থাকোঁতেই দুটা দলৰ মাজত আইহঁতৰ জমা টকা লৈ গুৰিয়াগুৰি লাথি, কিল চলি থাকিব। কেতিয়াবা দুই এটা গোৰ আহি মৰা-শৰ গাত পৰা মই এই নিজ চকুৰে দেখিছোঁ।"[৪]

সৌদামিনীয়ে মাক অনুপমাৰ মনত শান্তি দিবলৈ ব্ৰজধামলৈ গৈছিল যদি ব্ৰজধামত ধৰ্মৰ নামত চলা যৌন ব্যভিচাৰ, পেটৰ ক্ষুধাত থাকিও কৃষ্ণনাম লোৱা অস্থিচৰ্মসাৰ যুক্ত ৰাধেশ্যামীসকল, ব্ৰজধামৰ চাৰিওফালৰ অৱক্ষয়ৰ চিত্ৰই তাইক অতিষ্ঠহে কৰি তুলিলে। এইটো পৰিৱেশত থাকি তাই শান্তি নাপালে। বৰং তাইৰ এই অৱস্থাৰ বাবে পুৰুষতান্ত্ৰিক সমাজখনৰ প্ৰতিনিধি স্বৰূপ মাক-দেউতাককে তাই দোষাৰোপ কৰিলে--

> *মোৰ গোটেই জীৱনটো মই এনেদৰে আনৰ দয়া পৰৱশ হৈ কটাব নোৱাৰো— মই মহীয়সী নহও যে তোমালোকৰ দৰে জনকল্যাণমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন। মই কাকো ভয় নকৰো। তোমালোকে যদি মই সলনি হোৱা বুলি ভাবিছা তেনেহ'লে ...*[৫]

৩. ভৰালী, হেমন্ত কুমাৰ (সম্পা.)ঃ *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ*, পৃ.৩০৯

৪. উক্ত গ্ৰন্থ, পৃ.২৮২

৫. উক্ত গ্ৰন্থ, পৃ.২৯৬

পৰম্পৰাৰ নামত নাৰীৰ ওপৰত হোৱা শোষণ-নিপীড়নৰ চিত্ৰই সৌদামিনীক কঁপাই তুলিছে। ব্ৰজধামত বিধৱাসকলে নৰক যন্ত্ৰণাত কটাইছে। লেখিকাই ক'ব বিচাৰিছে যে নাৰীৰ দশা উন্নত কৰাৰ বাবে মানুহৰ চিত্তৰ পৰিৱৰ্তন হ'ব লাগিব। পুৰুষতান্ত্ৰিকতাৰ এনেবোৰ নিয়মে নাৰীসকলক যাতনাৰ বাহিৰে অন্য একো দিব নোৱাৰে। সেয়ে 'সৌদামিনী'ৰ চৰিত্ৰৰ যোগেদি এজন খ্ৰীষ্টান যুৱকক ভালপোৱাৰ কথাটো দোহাৰিছে। এনে বিদ্ৰোহৰ মাজেৰে প্ৰকাশি উঠিছে ব্যক্তি স্বাধীনতাৰ প্ৰতি সৌদামিনীৰ সচেতনতা, যিটো নাৰীবাদৰ লক্ষণ। তদুপৰি উপন্যাসখনত ধৰ্মৰ নামত তাৰ আঁৰত যিবোৰ চলি থাকে সেই অনিয়মবোৰৰ স্বৰূপ উদঙাই নাৰীৰ অধিকাৰ সাব্যস্ত কৰিব খুজিছে। পুৰুষতান্ত্ৰিকতাৰ সমাজখনত নাৰী পুৰুষৰ সমতাৰ কথাও সৌদামিনীৰ মুখেৰে প্ৰকাশি উঠিছে। তাইৰ মনত সোমাই থকা ইচ্ছা-আকাংক্ষাৰ কথাও এজন পুৰুষশিল্পী চন্দ্ৰভানু ৰাকেশৰ আগত নিঃসংকোচে প্ৰকাশ কৰিছে—

> *আপুনি শিল্পী, আপোনাৰ অনুভূতি আছে, মোৰ জৈৱিক স্পৃহা, প্ৰেম আপুনি বিশ্বাস কৰক। সৌসিদিনালৈকে মই নিজৰ ওপৰতেই গৱেষণা কৰি চাইছো, মোৰ জৈৱিক স্পৃহাৰ সেই তৰংগ ৰাশিৰ কোনো পৰিৱৰ্তন হোৱা নাই।*[৬]

উপন্যাসখন এখন উদ্দেশ্যধৰ্মী উপন্যাস। সমাজৰ পুৰুযতান্ত্ৰিক পৰম্পৰাৰ নিষ্ঠুৰতাৰ বলি হোৱা এচাম বিধৱাৰ দুখজৰ্জৰ জীৱনটোক তুলি ধৰাৰ প্ৰয়াসেৰে উপন্যাসখন ৰচিত। সৌদামিনীৰ মাজেৰে লেখিকাই মৃদু প্ৰতিবাদ দেখুৱাইছে। শেষত তাই নিজৰ দেহ মন প্ৰেমিকক দান কৰিয়েই যমুনাত জঁপিয়াই প্ৰাণত্যাগ কৰা ঘটনাটোও এক মৌন প্ৰতিবাদী ৰূপ বুলি আমি ক'ব পাৰো। এগৰাকী বিধৱাই ব্ৰতচাৰিণী হৈ জীৱন কটোৱাৰ সলনি পুনৰ বিবাহত বহাটো ঔপন্যাসিকাই বিচাৰিছে। সৌদামিনী চৰিত্ৰটোৰ যোগেদি তাকেই ক'ব বিচৰা হৈছে। সৌদামিনীৰ প্ৰেমিকক দেহ, মন দান কৰি আত্মহত্যা কৰিছে যদিও তাইৰ যে সধৱা হিচাপেহে মৃত্যু হৈছে উপন্যাসৰ যোগেদি তাৰ আভাস দিয়া হৈছে। ৰঙীন উত্তৰীয়খন তাৰেই প্ৰতীক।

> *ভৰিৰ পৰা আঁজুৰি তাই কাপোৰখন দূৰলৈ দলিয়াই দিলে। কোনোবা সধৱা তিৰোতাৰ ৰঙীণ উত্তৰীয় আছিল সেইখন।*[৭]

সৌদামিনীৰ পিতৃ ডাঃ ৰায়চৌধুৰীও হৈছে পুৰুষতান্ত্ৰিক সমাজৰ ৰক্ষণশীল পিতৃ। কিন্তু যেতিয়া শেষত সৌদামিনীয়ে খ্ৰীষ্টান প্ৰেমিকৰ মোহ এৰিব নোৱাৰিলে তেতিয়া উপায়বিহীন

৬. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৩০৯

৭. গোস্বামী, মামণি ৰয়ছম ঃ *নীলকণ্ঠী ব্ৰজ*, পৃ. **১৩৯**

হৈ পিতৃয়ে নিজেই প্ৰাচীন পৰম্পৰা ভংগ কৰি জীয়েকক প্ৰেমিকৰ ওচৰলৈ আগবঢ়াই দিছে। পুৰুষ প্ৰধান সমাজৰ নীতি-নিয়ম ৰক্ষাৰ বিপৰীতে ৰায়চৌধুৰীৰ এনে কাৰ্যৰ দ্বাৰা নাৰীৰ জয় ঘোষণা কৰা হৈছে। সৌদামিনীয়ে পুৰুষ প্ৰধান সমাজখনত হাৰ মানি লোৱা নাই। নাৰীৰো যে নিজস্ব সত্ত্বা আছে সেয়া তাইৰ কাৰ্যবোৰৰ যোগেদি ফুটি ওলাইছে। অৱশেষত তাই আত্মহত্যা কৰিছে যদিও তাইৰ মৃত্যুৰ মাজেৰে অসমীয়া সমাজৰ পুৰুষতন্ত্ৰৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ ফুটি উঠিছে। লেখিকাগৰাকীৰ মন্তব্যত সৌদামিনী চৰিত্ৰটোৰ প্ৰতিবাদৰ কথা ক'ব পাৰো—"এইসকলে এক গোট হৈ এদিন আৱাজ তুলিব পাৰিব। হওক সেই আৱাজ শুকান হাড়ৰ আৱাজ। তথাপিও সত্যৰ এক শক্তি আছে বুলি মোৰ বিশ্বাস আছিল। সেয়ে 'নীলকণ্ঠী ব্ৰজ'ৰ এটি বিদ্ৰোহী চৰিত্ৰই অহৰহ এক পোহৰ অহাৰ সপোন দেখিছিল।"[৮]

উপন্যাসখনৰ আন দুটি নাৰী চৰিত্ৰ মৃণালিনী আৰু শশীৰ মাজেৰে আমি সেই সময়ৰ পুৰুষতান্ত্ৰিক সমাজখনৰ বিষয়ে পাওঁ যদিও তাৰ বিপৰীতে কিন্তু এওঁলোকে কোনো ধৰণৰ প্ৰতিবাদ কৰাৰ কথা স্পষ্টৰূপ নাপাওঁ। মৃণালিনীৰ চিন্তা, কাৰ্যকলাপ আৰু সাহসৰ মাজেৰে নাৰীবাদী চিন্তাৰ কিছু আভাস পোৱা যায়। সেয়া অস্পষ্ট হ'লেও চৰিত্ৰটোৰ জৰিয়তে নাৰী-পুৰুষৰ সমতাৰ ধাৰণাটোৰ চিত্ৰণ দেখিবলৈ পোৱা যায়। পুৰুষতান্ত্ৰিক সমাজখনলৈ তাই ভয় কৰি বিয়া হৈ যোৱা নাই। বৰং অবিবাহিত হৈ থাকিয়েই ৰুগ্ন পিতৃ-মাতৃৰ সেৱা শুশ্ৰূষাত নিজৰ জীৱন কটাই দিছে। দুই ককায়েকে কু-কৰ্ম কৰি পৰিয়াললৈ পিঠি দিয়াৰ বিপৰীতে পুত্ৰী হিচাপে তাই লাজ মান কাতি কৰি হ'লেও মন্দিৰৰ দুৱাৰত ভিক্ষাৰীৰ দৰে বহি অভাৱী পৰিয়ালটোক পোহপাল দিছে।

বৃন্দাবনৰ অতি কম বয়সীয়া অনাথ নাৰী শশীয়ে ব্ৰজৰ কুকুৰ নেচীয়াজাকৰ পৰা নিজক ৰক্ষা কৰিবলৈ সহবাস কৰিবলগীয়া হৈছে আলমগড়ী নামৰ পূজাৰী এজনৰ লগত। কিবা উপায়েৰে খাই হ'লেও তাই জীয়াই থাকিব লাগিব। কিন্তু কুৰি বছৰ পাছত যেতিয়া তাইৰ এই দেহ স্বৰূপ ঘৰৰ ছাল জহি খহি গৈ পখৰা ফাপৰে ধৰা কুকুৰৰ দৰে হৈ পৰিব ... তেতিয়া কি হ'ব? আলমগড়ীৰ মৃত্যুত তাই আকৌ নিৰাশ্ৰয়া হ'ল। শশী চৰিত্ৰটোৰ জৰিয়তে প্ৰতিবাদী কণ্ঠস্বৰ ফুটি উঠা নাই অন্যথা তাইৰ কাৰ্যকলাপতো এই ধৰণৰ কথা আমি দেখিবলৈ নাপালো। অৱশ্যে আমি চৰিত্ৰটোৰ কাৰ্যকলাপৰ যোগেদি মৌন প্ৰতিবাদী কণ্ঠ এটা লুকাই থকা দেখিবলৈ পাওঁ--

৮. ভৰালী, হেমন্ত কুমাৰ (সম্পা.)ঃ প্ৰাগুক্ত গ্ৰন্থ, 'লেখিকাৰ কথা'

*মোৰ আৰু কোনো উপায় নাছিল। কিন্তু আলমগড়ীয়ে মোৰ একো অনিষ্ট কৰা নাই। 'যুগল উপাসনা'ৰ নামত ব্ৰজত এনেকৈ অনেক মহিলা আছে— পৃথিৱীত যাৰ কোনো নাই, অন্ধকাৰ ভৱিষ্যতৰ ভয়ত যিবোৰ পেঁপুৱা লাগি আছে। এইবোৰ কথা আপোনালোকে একো নুবুজিব। এইবোৰ ভুক্তভোগীয়েহে জানে।*[৯]

উপন্যাসখনৰ মাজেৰে লেখিকাই সমাজৰ সামগ্ৰিক পৰিৱৰ্তনৰ বাবে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন হোৱাটো বিচাৰিছে। সমাজত পুৰুষতন্ত্ৰৰ নিয়মবোৰৰ বিপৰীতে কেৱল 'মানুহ'ৰ পৰিচয়েই প্ৰধান হ'ব লাগে তাকো উনুকিয়াই দেখুৱাইছে। নাৰী চৰিত্ৰকেইটাৰ প্ৰতিবাদী ৰূপসমূহৰপৰা আমি এইটোৱে ক'ব পাৰো।

**মামৰে ধৰা তৰোৱাল ঃ**

সামন্ততান্ত্ৰিক ব্যৱস্থাত মালিক গোষ্ঠীয়ে শ্ৰমিক শ্ৰেণীৰ ওপৰত চলোৱা শোষণ-নিষ্পেষণৰ মাজেৰে কেনেদৰে মানৱতাক চূড়ান্তভাৱে অৱদমিত কৰে আৰু শ্ৰমিক শ্ৰেণীটোৰ নাৰীয়ে কেনেদৰে পুৰুষৰ যৌন নিৰ্যাতনত অতিষ্ঠ হৈ শোষণকাৰীৰ অত্যাচাৰ-নিপীড়নৰ বিৰুদ্ধে চূড়ান্ত প্ৰতিশোধ ল'বলৈ বাধ্য হয়, তাৰ গভীৰ আৰু মৰ্মভেদি বৰ্ণনাৰে সমৃদ্ধ উপন্যাস 'মামৰে ধৰা তৰোৱাল'। মূলতঃ শ্ৰমিকসকলৰ বঞ্চিত জীৱনৰ প্ৰতিবাদী চিত্ৰ এখন উপন্যাসত প্ৰকাশ পাইছে। উপন্যাসখনত অস্থায়ী কৰ্মচাৰীৰ চাটাই, কোম্পানীৰ অপকৌশল, হৰিজন শ্ৰমিকৰ অনেক দুৰ্দশাৰ ছবিয়ে ঠাই পাইছে যদিও মূলতঃ নাৰী চৰিত্ৰকেইটাৰ বিদ্ৰোহী ৰূপৰ কথাই বিশেষভাৱে প্ৰকাশিত হৈছে।

উপন্যাসখনৰ মূল নাৰী চৰিত্ৰ নাৰায়ণী। দৰিদ্ৰতা আৰু অসহায় অৱস্থাই তাইক বিদ্ৰোহী কৰি তুলিছে। নাৰায়ণীৰ কেইবাটিও ৰূপ আমি উপন্যাসখনত দেখিবলৈ পাইছো যদিও মূলতঃ প্ৰতিবাদী ৰূপটোহে অধিক উজ্জ্বল হৈ ওলাই আহে। এসময়ত অতি ৰূপহী নাৰায়ণী কোম্পানীৰ ইঞ্জিনিয়াৰ চৌধুৰী চাহাবৰ লগত তাইৰ সম্পৰ্ক গঢ়ি উঠিছিল। কিন্তু চৌধুৰী চাহাবে তাইক প্ৰতাৰণা কৰিছিল। পিছত যক্ষ্মাৰোগী শিবু ধাছলাৰ সৈতে সংসাৰ পাতি দুমহীয়া কেঁচুৱা এটিৰ মাক হৈছিল। দৰিদ্ৰতাৰে কোঙা কৰি পেলোৱা নাৰায়ণীয়ে আত্মহত্যা কৰিবলৈকো আগবাঢ়িছিল। কিন্তু সেয়া নকৰি নতুন সংকল্পেৰে তাই পানীৰ পৰা উঠি আহিছিল। ধৰ্মঘটৰ কঠিন দিনবোৰত

৯. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.২৯১

তাই মাজনিশা ঠাকুৰ চাহাবৰ দুৱাৰত সংগোপনে টুকুৰিয়াইছিল। কিন্তু এদিন তাই পেটৰ জুই নুমুৱাৰ তাড়নাত পৰি শুবলগীয়া হোৱা ঠাকুৰ চাহাবক হত্যা কৰি ভয়ংকৰ প্ৰতিশোধ লৈছিল।

নাৰায়ণীয়ে জীৱনৰ ৰঙীণ সপোন দেখিবলৈ লৈছিল। আৰু সেয়ে তাই দেহমন উজাৰি ভাল পাবলৈ লৈছিল। কিন্তু ইঞ্জিনিয়াৰ চৌধুৰীয়ে এই সকলোবোৰ ভাঙি থানবান কৰিছিল। ক্ষুধাৰ তাড়নাত অশেষ যাতনা ভোগ কৰিলেও নিজৰ আত্মসন্মানৰ প্ৰতি নাৰায়ণী সদা সচেতন আছিল। অৱস্থাৰ দায়িত্ব মানি নিজৰ দেহা আনক দিলেও তাইৰ মনৰ মাজত পুৰুষৰ প্ৰতি সংগোপনে প্ৰতিশোধৰ ভাব এটা বৈ আছিল। এইখন এনে সমাজ আছিল হৰিজনে দেৱীৰ প্ৰসাদ ল'বলৈ নিমন্ত্ৰণ কৰিলে কেতিয়াও নাহে, অথচ সেইখন সমাজৰে গাভৰুক চুবলৈ অকণো কুণ্ঠাবোধ নকৰে। নাৰায়ণী প্ৰসংগত লেখিকাই লিখিছে, "ইয়াত প্ৰায় সকলোবোৰ চৰিত্ৰই আছিল প্ৰায় সমানেই গুৰুত্বপূৰ্ণ। অৱশে তাৰ ভিতৰতো হয়তো নিশ্চিতভাৱে বেছি গুৰুত্ব লাভ কৰিছিল হৰিজন তিৰোতা গৰাকীৰ চৰিত্ৰই। তেওঁ নিজৰ স্বামীৰ সহায়ত পৰিচালনা কৰ্তৃপক্ষৰ এনে এজনক হত্যা কৰিছিল, যি তেওঁক এজাপ নোটৰ লগত বিনিময় কৰিবলৈ বাধ্য কৰিছিল তেওঁৰ নাৰীত্ব আৰু পৱিত্ৰতা।" [১০]

মামণি গগৈ বৰগোঁহাইয়ে উল্লেখ কৰিছে— "নাৰায়ণী অসমীয়া পাঠকৰ বাবে সম্পূৰ্ণ অপৰিচিত সামাজিক পাৰিপাৰ্শ্বিকতাত গঢ় লৈ উঠা আন এটি প্ৰতিবাদী চৰিত্ৰ।"[১১] নাৰায়ণী এনে এক নাৰী চৰিত্ৰ যিয়ে ভৱিষ্যত কি হ'ব পাৰে তাৰ বিচাৰ কৰাতকৈ কেনেকৈ বৰ্তমানত দুখ দৰিদ্ৰতাত জীয়াই থকা গিৰিয়েক আৰু কণমানি কেঁচুৱাটিৰ পেট ভৰাব পাৰে এয়ে চিন্তা। ঠাকুৰ চাহাবৰ পৰা নিজৰ কেঁচুৱাটিৰ বাবে যেতিয়া মাত্ৰ পাঁচ টকা লৈ স্বামীৰ হাতত গুজি দিছিল তেতিয়াই যেন লাহে লাহে তাই বিদ্ৰোহী মনটো আৰু বিদ্ৰোহী হৈ উঠিছিল। ক্ষুধাৰ তাড়নাত অৰ্থ চিন্তাই তাইক খুলি খুলি খাইছিল। দুখ বেদনাৰে জৰ্জৰিত জীৱনটোক তাই উপায় বিহীন হৈ অন্য পুৰুষৰ হাতত তুলি দিব লগা হৈছিল। দৈনন্দিন জীৱনৰ এইবোৰ তিক্ত অভিজ্ঞতাই তাইক প্ৰতিবাদী কৰি পেলাইছিল।

ধৰ্মঘটৰ দৰমহা নোপোৱা দিনকেইটাত নাৰায়ণী নিৰুপায় হ'ব লগা হৈছিল। এফালে কেঁচুৱা আৰু আনফালে ৰুগীয়া গিৰিয়েক। এনে অৱস্থাত তাই উপায়বিহীন হৈ দেহোপজীৱিনীৰ

১০. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, 'লেখিকাৰ কথা'

১১. গগৈ বৰগোঁহাই, মামণি ঃ *অসমীয়া উপন্যাস ঃ নাৰীৰ ৰচনাত নাৰী*, পৃ.১১৭

পথ ল'বলগাত পৰিল। কিন্তু এদিন দেহ বিক্ৰী কৰি থকা অৱস্থাতেই তাই ধৰা পৰিল। বনুৱা পহৰাদাৰে তাইক যেতিয়া অপমান কৰিলে তেতিয়া ইয়াৰ প্ৰতিবাদ কৰি তাই উগ্ৰমূৰ্তি ধাৰণ কৰিলে—

> *উলংগ দেহেৰেই তাই থিয় হ'ল— দুয়োৰে পিনে আঙুলি টোৱাই আৰ্তনাদ কৰি উঠিল— ছুৰৰৰ বাচ্চা — দে মোৰ পইচা।"*
>
> *অথবা—*
>
> *"মোৰ খুচি মই ৰাণ্ডীগিৰি কৰি খাম, দে মোক পইচা।'*[১২]

নাৰায়ণীৰ কথাবোৰৰ পৰা আমাৰ পুৰুষ সমাজৰ ভণ্ডামিবোৰৰ বিৰুদ্ধে যোৱা যেন বোধ হয়। এয়াও এক তাইৰ প্ৰতিবাদী কণ্ঠস্বৰেই। নাৰায়ণীক তৰুণ বনুৱা নেতা যশোৱন্তই ভাল পাইছে। সি নাৰায়ণীক তাইৰ অৱস্থাৰ বাবে দৰদ দেখুৱাওতে কিন্তু তাই তাক বিশ্বাস নকৰি স্পষ্ট ভাৱে কৈছে—

> *শুন মোলায়েম কথা বহুত শুনিছো। এবাৰ শুনিলে আকৌ শুনিবৰ মন যায়। এইবোৰ কথা পৰিষ্কাৰ কাপোৰ পিন্ধা মানুহেই কয়। পৰিষ্কাৰ কাপোৰ পিন্ধিলে কি হ'ব ভিতৰত সিহঁত সব নাঙঠ।*[১৩]

প্ৰধান নাৰী চৰিত্ৰ নাৰায়ণী এক ব্যতিক্ৰমী চৰিত্ৰ। অৱস্থাৰ দাসত্ব আৰু পুৰুষ সমাজৰ লেলিহান চকুৰ অগ্নিত পৰি তাই বিদ্ৰোহী হৈ উঠিছে। 'অৰ্জুন গছৰ পৰা সৰি পৰা মৌৰ বাহ' বুলি লেখিকাই নাৰায়ণী চৰিত্ৰটোক আঙুলিয়াই দেখুৱাইছে।

এদিন কামৰ সন্ধানত থাকোতে হঠাৎ চৌধুৰী চাহাবৰ তম্বুত তাই কাম পালে। সুদীৰ্ঘ আঠ বছৰ মূৰত দেখাদেখি হোৱাত নাৰায়ণীৰ সমস্ত ক্ষুধা যেন আঁতৰি গ'ল। কিন্তু তাই চৌধুৰী চাহাবৰ আগত সৰু হৈ নিদিলে। পূৰ্বৰ কৰ্মকাণ্ডই তাইক বাৰে প্ৰতি প্ৰতিশোধ ল'বৰ বাবে প্ৰতিবাদ মুখৰ কৰি তুলিলে। তাই গৰজি উঠিল যেতিয়া চৌধুৰী চাহাবে তাইৰ গিৰিয়েক আৰু শিশুটিৰ বাবে সহায় কৰিব বিচাৰিলে। পুৰুষৰ অত্যাচাৰে যদিও তাইৰ শৰীৰ চুৰ্ণবিচূৰ্ণ কৰি পেলাইছিল কিন্তু মানসিকভাৱে তাই সম্পূৰ্ণ সুস্থ আছিল। সেয়ে চাহাবৰ টকা পইচাৰ লোভত তাই বিক্ৰী নগ'ল। নাৰায়ণীৰ তীক্ষ্ণ দৃষ্টিত চৌধুৰী কিছুদূৰ পিছুৱাই গ'ল। চাহাবে নাৰায়ণীক

---

**১২.** ভৰালী, হেমন্ত কুমাৰ (সম্পা.)ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.**১৬২**

**১৩.** উক্ত গ্ৰন্থ, পৃ.**১৬২**

এইটো কথা ক'বলৈ বিচাৰিলে যে তেওঁলোকৰ বিয়া হোৱা হ'লে সন্তানে কেতিয়াও সমাজত স্বীকৃতি নাপালেহেঁতেন-- *"চুপ থাক চাহাব, চুপ থাক .. ।"* [১৪]

তিল তিলকৈ গঢ়ি উঠা প্রতিবাদৰ ভাষাটো নাৰায়ণীৰ কাৰ্যত ফুটি উঠিছে।

> *... তাই লৰি গৈ শিবু ধাছলাৰ হাতৰ পৰা কুঠাৰখন কাঢ়ি ল'লে। অগ্নি-পুত্তলিকাই কুম্ভকৰ্ণৰ দৰে শুই থকা উলংগ চাহাবটিৰ মূৰত এটি প্রচণ্ড ঘাপ বহুৱাই দিলে।* [১৫]

নাৰায়ণীৰ হিংস্র প্রতিবাদক সমৰ্থন কৰিব নোৱাৰি। কিন্তু এই প্রতিবাদৰ আঁৰৰ কাৰণটোক আমি অস্বীকাৰ কৰিবও নোৱাৰো। এক সাক্ষাৎকাৰত লেখিকাই মত প্রকাশ কৰিছিল—

> *অতি জঘন্য বেয়া কাম কৰা মানুহ নিশ্চয় হত্যাৰ উপযোগী ... মানে মই একেবাৰে চৰম বিন্দুলৈকে ধৈৰ্য ধৰাৰ পিছতহে এনে পন্থা সমৰ্থন কৰো। যদি কোনোবাই হাতত বন্দুক লৈ নিৰীহ মানুহক হত্যা কৰা প্রত্যক্ষ কৰে তেনেহ'লে তেনে হত্যাকাৰীক হত্যা কৰা উচিত। মোৰ মামৰে ধৰা তৰোৱালৰ সামৰণিতো মই একে কথাই কৈছোঁ।* [১৬]

প্রকৃততে নাৰায়ণীৰ কৰ্মকাণ্ডত নাৰীবাদ ফুঠি নুঠে। প্রতিবাদ সাব্যস্ত কৰিবলৈ গৈ তাই যি হিংসাত্মক কাৰ্যৰ আশ্রয় ল'লে সেয়া নাৰীবাদৰ ভিতৰুৱা নহয়। এজন পুৰুষক হত্যা কৰি যি প্রতিবাদ নাৰায়ণীয়ে কৰিলে সেয়া নিশ্চয়কৈ পুৰুষ সমাজৰ বিৰুদ্ধে গৈ তাই প্রতিশোধ ল'লে। এই ক্ষোভক আমি প্রতিশোধ পৰায়ণ প্রতিবাদী চৰিত্র বুলি কোৱাহে যুগুত হ'ব। চৰিত্রটোৰ কাৰ্যৰ আলোচনা কৰি হৃদয়ানন্দ গগৈয়ে লিখিছে— "অতদিনে অৱদমিত হৈ থকা তাইৰ ক্ষোভ, হতাশা আৰু ঘৃণাই নিমিষতে প্রত্যাঘাতমূলক কাৰ্যলৈ পৰিৱৰ্তিত চৰম বিন্দু পাইছে।"[১৭]

উপন্যাসখনৰ বসুমতী বুঢ়ী আদি অন্যান্য যিকেইটা নাৰী চৰিত্র আছে সকলোবোৰ সময়ৰ লগে লগে বন্দী হৈ পৰিছে। একমাত্র নাৰায়ণীৰ মাজেৰেহে প্রতিবাদৰ সত্ত্বাটো ওলাই আহিছে।

**দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা**

যি সমাজ ব্যৱস্থাত ধৰ্মৰ অধিকাৰ তিনিসত্ৰীয়া গোসাঁয়ে শূদিৰীয়া তিৰীৰ লগত অবৈধ সম্পৰ্ক ৰাখিও অধিকাৰ মহা প্রভুৰ সন্মান পাই থাকে, পুৰুষৰ বিভিন্ন কু-কৰ্মক সহজভাৱে গ্ৰহণ

১৪. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্রাগুক্ত গ্রন্থ, পৃ.১৮৯

১৫. উক্ত গ্রন্থ, পৃ.১৯৬

১৬. বৰগোহাঞি, হোমেন (সম্পা.) ঃ *অসমবাণী*, অৰুন্ধতী দত্ত 'মামণি ৰয়ছম গোস্বামীৰ সৈতে কথোপকথন', পৃ.২৮

১৭. গগৈ, হৃদয়ানন্দ ঃ *আধুনিকতাৰ সন্ধানত মামণি ৰয়ছম*, পৃ.৭৪

কৰা হয়, সেই সমাজেই কিন্তু নাৰীৰ বাবে কঠোৰ নিয়ম-নীতি নিৰ্ধাৰণ কৰি পুৰুষতন্ত্ৰৰ জয়গান গায়। মামণি ৰয়ছমৰ 'দঁতাল হাতীৰে উঁয়ে খোৱা হাওদা উপন্যাসখনিৰ মূল উপজীৱ্যই হ'ল সামন্তীয় মাটিগিৰিৰ বিৰুদ্ধে আধিয়াৰ খেতিয়ক ৰাইজৰ অধিকাৰ সাব্যস্ত কৰাৰ সংগ্ৰামৰ সমান্তৰাল ভাৱে জগলীয়াৰ পাৰৰ নাৰীৰ কৰুণ জীৱনগাঁথা আৰু তাৰ বিপৰীতে ধ্বনিত হোৱা প্ৰতিবাদৰ স্বৰ।"[১৮] উঁয়ে খোৱা হাওদাত দক্ষিণ কামৰূপৰ আমৰঙাৰ দামোদৰীয়া সত্ৰৰ অধিকাৰ গোস্বামীৰ ঘৰৰ ধৰ্মীয় সংসৰক্ষণশীলতাই কেনেকৈ মানুহৰ (বিশেষকৈ নাৰীৰ) মানৱীয় প্ৰকৃতিক চেপা দি ধৰ্মৰ নামত মানৱতাৰ অন্যায় সাধন কৰিছে, গিৰিবালা নামৰ সেই পৰিয়ালৰ এগৰাকী কিশোৰী বিধৱাৰ জীৱনৰ অভিজ্ঞতাৰ মাজেদি তাৰেই চিত্ৰ অংকিত কৰা হৈছে।

উপন্যাসখনত পুৰুষতান্ত্ৰিক ৰক্ষণশীল সামাজিক পৰম্পৰাৰ বিৰুদ্ধে সাৰ্থক প্ৰতিবাদ পৰোক্ষ ৰূপত ফুটি উঠিছে। মূলতঃ দক্ষিণ কামৰূপৰ আমৰঙাৰ দামোদৰীয়া সত্ৰৰ অধিকাৰ গোস্বামীৰ বংশ পৰম্পৰাৰ প্ৰতিপত্তি আৰু ইয়াৰ মাজৰ বিভিন্ন দিশবোৰৰ কথা উন্মোচিত হৈছে। ইয়াৰ লগত প্ৰধানভাৱে উদঙাই দিয়া হৈছে সত্ৰখনৰ ভিতৰত চলি থকা ফোঁপোলা স্বৰূপৰ কথা আৰু জনজীৱনৰ আঁৰত থকা পুৰুষতান্ত্ৰিকতা, সংস্কাৰ আৰু পৰম্পৰাৰ বলি হৈ নাৰীৰ জীৱন যাতনাময় কৰি তোলা দৈনন্দিন জীৱন কাহিনী।

উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ ইন্দ্ৰনাথৰ মাতৃ গোঁসানী আৰু দুৰ্গা এই দুগৰাকী নাৰীয়ে সামাজিক আৰু বংশ পৰম্পৰাৰ প্ৰতিনিধিত্ব কৰিছে। কিন্তু সৰু গোঁসানী আৰু গোঁসাইৰ মাইচানা গিৰিবালাই ইয়াৰ বিপৰীতে পুৰুষতান্ত্ৰিক নীতি-নিয়মৰ শিকলি ছিঙি ওলাই আহিব খোজে। এনে পৰম্পৰাক এই দুগৰাকী নাৰীয়ে প্ৰত্যাহ্বান জনাব বিচাৰিছে। উপন্যাসখনত তিনিসত্ৰীয়া অধিকাৰ মহাপ্ৰভুৰ পত্নী গোঁসানী আই, বিধৱা ভনীয়েক দুৰ্গা, ফুলকলিতে বিধৱা হোৱা গোঁসাইৰ মাইচানা গিৰিবালা, সৰু গোঁসানী আদি নাৰী চৰিত্ৰসমূহৰ মাজেৰে প্ৰচলিত ৰীতি-নীতি, কুসংস্কাৰে ছাটি ধৰা সমাজৰ তিৰোতাবোৰৰ দুৰৱস্থা, ধৰ্মীয় গোড়ামিৰ বলি হৈ নিজৰ কামনা, আশাক কঠোৰভাৱে দমন কৰি সকলো জলাঞ্জলি দি মৰ্মান্তিক জীৱন-যাপন কৰা তিৰোতাবোৰৰ জীৱন গাঁথা প্ৰকাশ কৰিছে। যিখন সমাজত ধৰ্মৰ অধিকাৰ তিনিসত্ৰীয়া গোঁসায়ে সূদিৰীয়া তিৰীৰ লগত সম্পৰ্ক ৰাখিও মহাপ্ৰভুৰ সন্মান পাই থাকে, সেইখন সমাজতে কিন্তু নাৰীৰ বাবে কঠোৰ নীতি-নিয়ম বনোৱা হয়, যিসকল নাৰীয়ে পুৰুষৰ কুকৰ্মক সহজভাৱে গ্ৰহণ

---

১৮. শৰ্মা, গোবিন্দ প্ৰসাদ ঃ *নাৰীবাদ আৰু অসমীয়া উপন্যাস*, পৃ.১২৮

কৰিব লগা হয়। নমিতা ডেকাই কৈছে—

> *লেখিকাই বিধৱা নাৰীৰ অৱহেলিত আৰু অৱদমিত জীৱনৰ কাৰুণ্য দাঙি ধৰি তাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। ইয়াত মানৱতাৰ জয় ঘোষিত হৈছে নতুন প্ৰজন্মৰ জৰিয়তে।*[১৯]

উপন্যাসখনৰ মুখ্য নাৰী চৰিত্ৰ সত্ৰীয়া অধিকাৰৰ জীয়ৰী গিৰিবালাই সাতাম পুৰুষীয়া পৰম্পৰা, সমাজৰ ৰীতি-নীতিক আওকাণ কৰি এইবোৰৰ বিৰুদ্ধে থিয় দিছিল। গিৰিবালাৰ মৃত্যু হৈছিল। প্ৰতিবাদী কাৰ্যৰে নিজৰ আশা বাস্তবায়িত কৰিব নোৱাৰিলেও জীৱনৰ বিনিময়ত তাই সমাজ চেতনাত সজোৰে আঘাত কৰিবলৈ সক্ষম হৈছিল। গিৰিবালাৰ জুইত আত্মজাহ দিয়াৰ দৃশ্যই অন্তৰ চুই যায়। তাই নিজৰ মন আৰু শৰীৰ মৃত স্বামীৰ স্মৃতিত সমৰ্পন কৰি তেজ মঙহৰ সত্বাটোক জীয়াই জীয়াই সমাধিস্থ কৰিব বিচৰা নাৰী নাছিল। পুৰুষতান্ত্ৰিক সমাজখনক বুঢ়া আঙুলি দেখুৱাই তাই মাৰ্ক নামৰ বিদেশী খ্ৰীষ্টান যুৱক এজনৰ লগত সম্পৰ্ক গঢ়ি তুলিছিল। স্পষ্টতঃ এয়া এগৰাকী নাৰীৰ প্ৰতিবাদৰ ভাষা। তাই মৃত স্বামীৰ নামত জীৱন উৎসৰ্গিত কৰিব নোৱাৰে। তাইৰো এক দেহ-মন সত্বা আছে।

"গিৰিবালাই আকৌ মূৰ তুলি চালে। ক'লে, 'মই মনেদি শৰীৰেদি বঙৰাৰ গঁহাই মোৰ স্বামীক বান্ধি ৰাখিব পৰা নাছিলো। কওচুন চাহাব, শৰীৰৰ এনে আৱশ্যক না? ইয়াৰ এমানেই শক্তি না যে চব কিছু তুচ্ছ হৈ যায়? ...আহ কি দুখত পৰিলে এনে হয়? নাৰীয়ে নিজৰ ওপৰত এনেদৰে ভয়ংকাৰ পৰীক্ষা লবলৈ সংকোচ নকৰা হয়? নাই নাই সেই ৰহস্য এইজনা দৰদী চাহাবে নেজানে ...।"[২০]

সম্ভাব্য মৰ্মান্তিক জীৱনৰপৰা মুক্তি বিচাৰি দুপৰ নিশা প্ৰবল ধুমুহা বৰষুণকো নেওচি গিৰিবালা মাৰ্কৰ কোঠাত উপস্থিত হৈছে। কিন্তু তিৰোতাৰ ওপৰত সমাজৰ হৈ চকীদাৰী কৰি ফুৰা এচামে তাইক মাৰ্কৰ কোঠাৰ পৰা উলিয়াই আনিলেগৈ। চুৰা যোৱা বুলি তাইৰ প্ৰায়শ্চিত্তৰ ব্যৱস্থা কৰা হ'ল। মেঘদাহৰ বাবে সজা চালিৰ তলত কুল পুৰোহিতে তাইক প্ৰায়শ্চিত্ত কৰালে। কিন্তু সমাজৰ নিষ্ঠুৰতা তাই মানি নল'লে। শ শ বছৰীয়া সমাজৰ কুটিল পৰম্পৰাক ভ্ৰূকুটি কৰি থৈ গ'ল।

---

১৯. ঠাকুৰ, নগেন (সম্পা.)ঃ *এশ বছৰৰ অসমীয়া উপন্যাস,* নমিতা ডেকাৰ মামণি ৰয়ছম গোস্বামীৰ উপন্যাস', পৃ.৬৬৫

২০. ভৰালী, হেমন্ত কুমাৰ (সম্পা.)ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৭৩

তাইক প্ৰায়শ্চিত্ত কৰিবলৈ সজোৰা ঘৰটোৰ চালিত তাইয়েই জুই লগাই দিবলৈ ক'লে। ঔপন্যাসিকাৰ ভাষাত—সৌৰা চালিখনত দপদপাই জুই লাগিছে। কিন্তু কি কৰে? কি কৰে মাই চানাই। তাই বহি আছে। উঠি অহা নাই।"[২১]

মেঘদাহৰ ঘৰত জুই দিয়াৰ পাছতো তাই ওলাই নাহিল। মৃতপ্ৰায় জীৱন এটি টানি লৈ ফুৰাতকৈ মৃত্যুকেই আকোঁৱালি লোৱা ভাল বুলি তাই সমাজৰ নিষ্ঠুৰ বিধানৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিলে। সংস্কাৰৰ দোহাই দি কথা কোৱা পিতৃ প্ৰধান সমাজৰ সকলো অবিচাৰ অত্যাচাৰ গিৰিবালাৰ মৃত্যুৰেই যেন শেষ প্ৰতিবাদ কৰিলে। গিৰিবালাৰ সাহস, প্ৰতিবাদ আদিলৈ লক্ষ্য কৰি চৰিত্ৰটোক নাৰীবাদলৈ উত্তৰণ ঘটা বুলি আমি ক'ব পাৰো।

জগলীয়াৰ পাৰৰ সবাতোকৈ দুৰ্ভগীয়া নাৰী দুৰ্গা। আমৰঙা সত্ৰৰ অধিকাৰৰ ভনীয়েক। তাই বিধৰা। এবাৰ ঘৰলৈ আহোঁতে শহুৰেকে তাইক আকৌ ঘৰলৈ ঘূৰাই নিব বুলি কোৱাৰ পিছতো নিবলৈ নাহিল। জীৱনৰ প্ৰায় শেষ অৱস্থাতো যেতিয়া তাইক নিবলৈ শহুৰেকৰ ঘৰৰ পৰা কোনো নাহিল তেতিয়া ইন্দ্ৰনাথে বাধ্য হৈ স্বামীভিঠাত প্ৰাণত্যাগেৰে স্বামীৰ আত্মাক স্বৰ্গগামী কৰাৰ আশা পূৰ্ণ কৰিবলৈ দুৰ্গাক শহুৰেকৰ ঘৰলৈ পঠাই দিলে। ইয়াৰ দ্বাৰা আমি পুৰুষতান্ত্ৰিক সমাজখনৰ কথা জানিব পাৰো। সামন্তবাদী বা পুৰুষতান্ত্ৰিকতাৰ অন্যতম প্ৰমানেই হ'ল পুৰুষে সম্পত্তিৰ ওপৰত নিজৰ আধিপত্য বিস্তাৰ কৰাৰ লগতে নিজৰ পত্নীকো এওঁলোকে ব্যক্তিগত সম্পত্তি বুলি গণ্য কৰে। হৃদয়ানন্দ গগৈয়ে উল্লেখ কৰিছে—

> *দুৰ্গাৰ মাজেদি ঔপন্যাসিকাই নাৰী জীৱনৰ অতিশয় কৰুণ দিশটো সংবেদনশীলতাৰে চিত্ৰিত কৰিছে। দুৰ্গাৰ সমাজত স্বামীৰ মৃত্যুৰ পাছত ব্যক্তিগত সম্পত্তিৰ উত্তৰাধিকাৰী জন্ম দিব নোৱাৰাটো পাপৰ কথা। নাৰীগৰাকী তেতিয়া অদৰকাৰী হৈ পৰে।* [২২]

সামন্ততান্ত্ৰিক পিতৃ প্ৰধান ব্যৱস্থাত আজিও এনে নাৰীয়ে তিক্তভাৱে জীৱন কটাই আছে। দুৰ্গাৰ দৰে এই সকল নাৰীয়ে মুখ ফুটাই প্ৰতিবাদ কৰিব নোৱাৰে। এওঁলোকৰ চকুৰ পানীয়েই মৌন প্ৰতিবাদ হৈ ওলাই আহে। কোনেও এওঁলোকক নিৰাপত্তা দিব নোখোজে। মূলতঃ দুৰ্গা হ'ল পুৰুষতান্ত্ৰিক সমাজখনৰ বলি হোৱা এটা নীৰৱ চৰিত্ৰ।

---

২১. ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৭৫

২২. গগৈ, হৃদয়ানন্দ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.২৭

উপন্যাসখনৰ আন এটা চৰিত্ৰ বিধৱা নাৰী সৰু গোঁসানী হ'ল পুৰুষতান্ত্ৰিক সমাজখনৰ বিপৰীতে মূৰ তুলিব খোজা এক বিদ্ৰোহী নাৰী চৰিত্ৰ। নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে যুঁজ দিব পৰা নাৰী আছিল সৰু গোঁসানী।

সৰু গোঁসানী বাল্যবিধৱা আছিল। তাই পতিৰ ভিঠাত বহুদিন অকলেই বাস কৰি, সকলো চম্ভালি, শিচ্ ভজাই জীৱন নিৰ্বাহ কৰি আছিল। কিন্তু প্ৰচণ্ড মানসিক শক্তিৰ অধিকাৰী সৰু গোঁসানীৰ মনত কামনা বাসনা উদ্ৰেক কৰাত প্ৰচুৰ ইন্ধন যোগালে মহীধৰ বামুণে। লেখিকাই অতি কৌশলেৰে গোঁসানীৰ মাজত বৈ থকা জৈৱিক তাড়নাক অংকন কৰি দেখুৱাইছে। কাৰণ মানৱীয় অনুভূতিক আমি কেতিয়াও দমাই ৰাখিব নোৱাৰো। তাতে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত সদায় পুৰুষৰ অনুকূলে ব্যৱস্থা বনাই লোৱা হয়। য'ত সত্ৰৰ সত্ৰাধিকাৰ হ'লে কেইবাগৰাকীও পত্নী থকাটো যুক্তিসংগত। কিন্তু বিধৱা এগৰাকীয়ে দ্বিতীয়বাৰ বিবাহ কৰাটো দূৰৰে কথা আনকি তেওঁ সমাজৰ কোনো কামতে অংশ ল'ব নোৱাৰে। সৰু গোঁসানীয়ে এনে ভণ্ড সমাজ ব্যৱস্থাক ভ্ৰূকুটি কৰিয়েই যেন এইবোৰ কৰিছে। কিয়নো নাৰীমনৰ স্বাভাৱিক তাড়নাবোৰ বিধৱা হ'লেও যে নাইকিয়া হৈ যাব লাগিব সেই কথাত পুৰুষতান্ত্ৰিক সমাজখনে নিয়ম বান্ধি দিব নোৱাৰে।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে সৰু গোঁসানী চৰিত্ৰটোৰ কাৰ্যক আমি নৈতিক সমৰ্থন কৰিব নোৱাৰো। কিন্তু তেওঁৰ কামবোৰৰপৰা বোধ হয় এইটো চৰিত্ৰৰ মাজেদি প্ৰতিবাদৰ সচেতন প্ৰবাহ এটি বৈ আছে।

গোস্বামীৰ নাৰী চৰিত্ৰবোৰে বৰ নীৰৱে বিদ্ৰোহ কৰি যায়। এইখন উপন্যাসৰ অনেক চৰিত্ৰই জীৱন্ত চৰিত্ৰ প্ৰতিনিধিত্ব কৰে। লেখিকাৰ মতে—

> *উত্তৰ কামৰূপৰ এই আওহতীয়া সত্ৰখনত মহিলাসকলৰ স্থিতি তেতিয়া ইমানেই শোচনীয় আছিল আৰু অসহায় মহিলাসকলৰ ওপৰত চলা সৰ্বগ্ৰাসী নিৰন্তৰ শোষণে সেই সময়ত এনে পৰ্যায় পাইছিলগৈ যে, এজন পুৰুষে নিজৰ সন্তানৰ জননী আৰু বৈধ ঘৈণীয়েকৰ ওপৰত বৰমতা বোলাই মাৰি পিটি ঘৰৰ পৰা খেদি পঠিয়াই তেওঁৰ স্থানত নিজৰ পছন্দৰ আন এগৰাকীক আনি ঘৰ সুমুওৱাটো ভাতৰ লগত পানী খোৱাৰ দৰেই সাধাৰণ সৰ্বজন গ্ৰাহ্য কথা আছিল।*[২৩]

---

২৩. ভৰালী, হেমন্ত কুমাৰ ঃ *স্বপ্নৰ ডায়েৰী, গোস্বামী,* মামণি ৰয়ছম 'মোৰ সাহিত্য, মোৰ অনুভৱ',পৃ.১০৫

উপন্যাসখন চালিজাৰি চালে আমি ইয়াত নাৰী চৰিত্ৰবোৰে পিতৃতন্ত্ৰৰ বিৰুদ্ধে পোনপটীয়াকৈ প্ৰতিবাদ সাব্যস্ত কৰা দেখিবলৈ নাপাওঁ। অথবা নাৰীবাদৰ ঠাইত ইয়াক মানৱতাবাদ বুলিহে অভিহিত কৰিব পাৰো। গিৰিবালাই প্ৰতিবাদৰ ভাষা হিচাপে মৃত্যুক সাৱটি ল'লে ঠিকেই কিন্তু এই বিদ্ৰোহত আৰু কোনো নাৰী ওলাই অহা দেখা নগ'ল। সৰু গোঁসানী চৰিত্ৰটোৱেও প্ৰতিবাদৰ ভাষা হিচাপে যি অবাধ প্ৰণয়ত লিপ্ত হৈছিল সেয়া নিশ্চয় নৈতিকতাৰ দিশেৰে আমি চাব নোৱাৰো। অৱশ্যে এই চৰিত্ৰটোক পুৰষতান্ত্ৰিক ব্যৱস্থাটোৰ বিৰুদ্ধে নাৰীভাৱনাক প্ৰতিনিধিত্ব কৰা এটা চৰিত্ৰ বুলি ক'ব পাৰো।

**ছিন্নমস্তাৰ মানুহটো**

কামাখ্যা মন্দিৰত চলি থকা বলি প্ৰথাৰ বিৰুদ্ধে লিখা মামণি ৰয়ছমৰ এইখন উপন্যাসে সেই সময়ত যথেষ্ট বিৰ্তকৰ সূচনা কৰিছিল। ধৰ্মৰ নামত চলি থকা এই বলিপ্ৰথাৰ সম্পূৰ্ণ বিৰোধিতা কৰি লেখিকাই এখন বৰ্বৰ সমাজৰ ছবি চিত্ৰিত কৰিছে। আনহাতে এই বলিবিধানৰ মাজে মাজে প্ৰকাৰন্তেৰে নাৰীও যে পুৰুষতান্ত্ৰিক সমাজখনৰ অমানৱীয়তাৰ বলি হ'ব লগা হৈছে এই সত্যটোও দাঙি ধৰিছে। এই আলোচনাত নাৰীৰ প্ৰতি হোৱা অবিচাৰৰ বিৰুদ্ধে নাৰীসকলে কৰা বিৰোধিতাৰ কথা বিচাৰ কৰি চাব খোজা হৈছে।

উপন্যাসখনৰ এটা প্ৰতিবাদী নাৰী চৰিত্ৰ হৈছে বিধিবালা। যিয়ে পুৰুষতন্ত্ৰৰ বিৰোধিতা কৰিছে। তাইৰ দেউতাক শুৱালকুছিৰ গোড়া তান্ত্ৰিক, দেৱীভক্ত সিংহদত্ত। সিংহদত্ত পুৰুষাতান্ত্ৰিক সমাজখনৰ প্ৰতিনিধি। বিধিবালা পুষ্পিতা হোৱাৰ পূৰ্বেই তাই পুষ্পিতা হোৱা বুলি প্ৰচাৰ কৰা হ'ল। সামাজিক প্ৰথা অনুসৰি সিংহদত্তই বিধিবালাৰ বিয়া এজন আদহীয়া ব্যক্তিৰ সৈতে ঠিক কৰিলে। যাৰ পত্নী সন্তানৰ সৈতে এখন সংসাৰ ইতিমধ্যেই আছে। কিন্তু বিধিবালা হাৰি যোৱা নাৰী নাছিল। তাই দেউতাকৰ কথাৰ পূৰ্ণ বিৰোধিতা কৰিছিল। দেউতাকে তাইৰ কথা নামানি বিধিবালাৰ মংগল কামনা কৰি ম'হ বলি দি দেৱীৰ পূজা আগবঢ়াব খুজিছিল। পিতৃৰ উগ্ৰ পুৰুষাভিমানী, দাম্ভিক মনোবৃত্তি আৰু বলি প্ৰথা সমৰ্থনৰ বিৰুদ্ধে তাই আৰম্ভণিৰে পৰাই প্ৰতিবাদ কৰি আহিছিল। তাইৰ মতে পত্নী সন্তান থকা আদহীয়া এজনলৈ বিয়া আৰু দেৱীৰ সন্মুখত ম'হ বলি দিয়া দুয়োটাই সমাজ বিৰোধী কাৰ্য। নিৰ্ভীকভাৱে তাই কৈছিল— "তুমি এক লাখ বাৰ

ক'লেও মই সেই শাস্ত্ৰ নপঢ়ো। যি শাস্ত্ৰই তেজক লৈ খেলা কৰে সেই শাস্ত্ৰ মই নপঢ়ো। যিশাস্ত্ৰই জীৱক যন্ত্ৰণা দিয়ে সেই শাস্ত্ৰ মই নপঢ়ো।"[২৪]

ৰাতিৰ সময়ত তাই বলি দিবলৈ থোৱা ম'হটো মনে মনে মেলি দিলেগৈ। এই ক্ষেত্ৰত তাইক সহায় কৰিলে মনমোহন পাণ্ডাৰ ল'ৰা ৰত্নধৰে। বিধিবালাক ৰত্নধৰে পছন্দ কৰিছিল। সেয়ে যেতিয়া প্ৰৌঢ় বৰক বৰণ কৰিবলৈ বিধিবালা অমান্তি হ'ল তেতিয়া ৰত্নধৰে বিয়াৰ প্ৰস্তাৱ লৈ সিংহদত্তৰ ওচৰলৈ গ'ল। অতিশয় দাম্ভিক সিংহদত্তই লগে লগে সেই প্ৰস্তাৱ নাকচ কৰিলে। আৰু তেওঁ নিজৰ মতত অটল থাকিল। হেৰোৱা ম'হ ঘূৰাই নোপোৱাত দেউতাকে বিধিবালাকে আঘাত কৰিলে তেতিয়াও কিন্তু তাই চুপ হৈ থকা নাছিল। দেউতাকৰ কথাৰ প্ৰত্যুত্তৰ তাই ঠিকেই দিছিল। দেখা যায় দেউতাকৰ ক্ষোভ, অত্যাচাৰ আৰু কঠোৰ সিদ্ধান্তৰ বিৰোধীতা কৰি বিধিবালা কামাখ্যাত উপস্থিত থকা উত্তৰ শেখাদাৰীৰ বেশ্যাৰ দললৈ গুচি যায়। এই সময়ছোৱাত তাই এমাহ ধৰি একো নোখোৱাকৈ আছিল। তাই দেহা বিক্ৰী কৰিবলৈ যোৱা নাছিল, পিতৃৰ কথাৰ বিৰোধিতা কৰিহে তাই অজান দেশলৈ গুচি গৈছিল। বেশ্যা দলৰ লগত আঁতৰি যোৱা ঘটনাটোৱে তাই পিতৃতান্ত্ৰিক সমাজখনৰ পূৰ্ণ প্ৰতিবাদ কৰাৰ কথা মনত পেলাই দিয়ে। অৱশেষত হোৱা তাইৰ মৃত্যুয়েও যেন পুৰুষতান্ত্ৰিকতাৰ প্ৰতি প্ৰতিবাদ কৰা স্পষ্ট হৈ উঠে। উপন্যাসখনৰ অন্যতম সক্ৰিয় নাৰী চৰিত্ৰ হ'ল ডৰথী চৰিত্ৰটো। এওঁ এগৰাকী ব্ৰিটিছ মহিলা। ডৰথী কটন কলেজৰ অধ্যাপক হেনৰি ব্ৰাউনৰ পত্নী। নিজৰ সংসাৰ চলি থকাৰ মাজতে ডৰথী এদিন চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হ'ল। এই সুযোগতে স্বামী হেনৰিয়ে এগৰাকী খাছী মহিলাৰ সৈতে অবৈধ সম্পৰ্ক গঢ়ি তুলিলে। স্বামীৰ এই কাৰ্যত ডৰথী অতিশয় আহত হ'ল। প্ৰেম আৰু বিশ্বাসৰ স্খলন সহ্য কৰিব নোৱাৰিলে। এই অন্যায়ৰ প্ৰতিবাদ কৰি মানসিক শান্তিৰ বাবে তেওঁ আহি কামাখ্যাত থকা জঁটাধাৰীৰ ওচৰ চাপিল। প্ৰতাৰক স্বামীৰ সৈতে সম্পৰ্ক ত্যাগ কৰি তেওঁ ছিন্নমস্তাৰ সন্ন্যাসীৰ ওচৰত থাকিবলৈ ল'লে। এই কথাই পুৰুষতান্ত্ৰিক মানসিকতাৰ হেনৰীক আত্মসন্মানত আঘাত দিলে। ডৰথীৰ পতিত্যাগৰ কথাটো হেনৰীয়ে সহ্য কৰিব পৰা নাই। পুৰুষতান্ত্ৰিক সমাজখনক তেওঁ নিজৰ কাৰ্যৰে বিৰোধিতা কৰিলে। ইচ্ছা কৰা হ'লে তেওঁ ছিন্নমস্তাৰ সন্ন্যাসীৰ লগত অনৈতিক কাৰ্যকলাপ কৰিব পাৰিলেহেঁতেন কিন্তু তাৰ বিপৰীতে তেওঁ পুৰুষ

---

২৪. গোস্বামী, মামণি ৰয়ছম ঃ *ছিন্নমস্তাৰ মানুহটো*, পৃ.১১৫

সমাজৰ কাৰ্যক প্ৰতিবাদ কৰাৰ লগতে বলি বিধানৰো বিৰোধিতা কৰিছিল। কিন্তু নাৰী যেন ক'তো বিপদমুক্ত নহয়। এচাম কামুক, সুবিধাবাদী দলে ডৰথীৰ দৰে নাৰীক বদনামেৰে নেফানেফ কৰি পেলাইছে। কিন্তু তাৰ বিপৰীতে ডৰথীৰ স্বামী হেনৰী ব্ৰাউনক কোনেও বদনাম বা সমালোচনা কৰা নাই। অনৈতিক কাৰ্যকলাপেৰে সমাজত দপদপাই আছে যদিও ক'বলগীয়া কোনো নাই। সেয়ে ডৰথীয়ে দপদপাই উঠিছিল যেতিয়া তাইক স্বামীয়ে উভতাই নিবলৈ আহিছিল।

"বিষাক্ত সাপে কোব খাই হিচ্‌হিচাই উঠাৰ দৰে হিচ্‌হিচাই উঠিল, মই উভতি নাযাও। মই চব শুনিছো। খাচী তিৰোতাজনীৰ কথা শুনিছো। তাইৰ পেটত সন্তান আছে।"[২৫]

এইষাৰ কথাৰ মাজৰ পৰা ডৰথীৰ প্ৰতিবাদী ৰূপটোৰ বিষয়ে আমি জানিব পাৰো। এই স্পষ্ট প্ৰতিবাদে তাইক সাহসী কৰি তুলিছে।

মই স্ব-ইচ্ছাৰে ইয়ালৈ আহিছোঁ। মোক ইয়াৰ পৰা ধাক্কা মাৰি কোনেও বাহিৰ কৰিব নোৱাৰে। চাৰিওফালে মানুহৰ চেপা উত্তেজনাৰে হুচ্ হুচ্ আৱাজ শুনা গ'ল। আগে পিছে কোনেও ইয়াত এনেদৰে ফিৰিঙী তিৰোতাৰ কথা শুনা নাই। স্বাধীনতাৰ সংগ্ৰমাত ভাগ লোৱা দুই এগৰাকী অসমীয়া মহিলাই ভাষণ দিয়াহে তেওঁলোকে শুনিছে ...।[২৬]

ডৰথীয়ে সম্পূৰ্ণৰূপে স্বামীক ত্যাগ কৰিব বিচাৰিছে। কাৰণ এনে চৰিত্ৰহীন স্বামীৰ পৰা একো সুখ পাব নোৱাৰি। তেওঁৰ ওপৰত হোৱা অত্যাচাৰৰ প্ৰধান ব্যক্তি ৰূপে ডৰথীয়ে হেনৰী ব্ৰাউনক জগৰীয়া কৰিলে—"নাই নাই — তেওঁক মোৰ স্বামী বুলি এতিয়া নক'বা ... মই মোৰ ৰাস্তা বাছি লৈছো।"[২৭]

দৰাচলতে ডৰথী হ'ল প্ৰতিশোধ আৰু পুৰুষতান্ত্ৰিক সমাজখনৰ অত্যাচাৰৰ বলি হোৱা এক প্ৰতিনিধি। তাইৰ এই বিদ্ৰোহ ব্যক্তিগত হ'লেও পুৰুষতান্ত্ৰিক সমাজখনৰ বিৰুদ্ধে হোৱা এক প্ৰতিবাদহে।

অৱশেষত ডৰথীৰ মৃত্যু হৈছিল। ডৰথীৰ প্ৰাণকাঢ়ি নিয়া গুলীটোৰ আঁৰত কোন আছিল সেয়া স্পষ্টকৈ জনা নাযায় যদিও ইয়ে এগৰাকী প্ৰতিবাদী নাৰীসত্বাক যে নিশ্চিহ্ন কৰিবলৈ প্ৰয়োগ কৰা হৈছিল সেয়া নিশ্চিত। পুৰুষতান্ত্ৰিক সমাজখনত পুৰুষৰ ওচৰত এওঁ নতশিৰ হৈ পৰা নাই। বৰঞ্চ এওঁৰ মৃত্যুৰ মাজেৰেও যেন প্ৰতিবাদৰ এক ধ্বজাহে উৰি ৰ'ল।

২৫. গোস্বামী, মামণি ৰয়ছম ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৮

২৬. উক্ত গ্ৰন্থ, পৃ. ২০

২৭. উক্ত গ্ৰন্থ, পৃ.৮১

নাৰী ভাবনা আৰু সমাজত নাৰীৰ স্থান সম্পৰ্কে উপন্যাস ৰচনাত মামণি ৰয়ছম গোস্বামীৰ এক বিশিষ্ট স্থান আছে। গোস্বামীৰ ভিন্ন ৰচিত ৰচনাশৈলীত নাৰী ভাৱনাই হৃদয়স্পৰ্শী ৰূপত প্ৰতিভাত হৈছে। নাৰীৰ মনৰ বিচিত্ৰ অনুভূতি, দ্বন্দ্ব আৰু সংঘাতক নিৰ্মোহ আৰু নিৰ্মম বিচাৰ বিশ্লেষণ কৰাত গোস্বামীৰ সাহসী পদক্ষেপ ব্যতিক্ৰমধৰ্মী। এই প্ৰসংগত আমি হীৰেন গোঁহাইৰ এটি মন্তব্য তুলি ধৰিব পাৰো—

> *আমাৰ অধিকাংশ সমসাময়িক লেখক যুগধৰ্মৰ প্ৰভাৱত যেতিয়া মানৱতাৰ প্ৰতিশ্ৰুতি আৰু প্ৰেমৰ ক্ষমতা সম্পৰ্কে সন্দিহান হৈ পৰিছে। সেই সময়ত ভাৰতীয় নৱযুগৰ মহৎ উত্তৰাধিকাৰে সঞ্জীৱিত কৰি ৰখা মন এটাৰে গোস্বামীয়ে আধুনিক জীৱনৰ অতি কৰ্কশ, ৰুক্ষ আৰু নিষ্ঠুৰ ঘটনাৱলীৰ সন্মখীন হৈছে আৰু নিৰ্ভীক অথচ কৰুণাময় হৃদয়েৰে সেই নৃশংস ঘটনাবোৰৰ মাজত মানৱতাৰ হেৰোৱা আঁতডাল বিচাৰিছে।* [২৮]

**নিৰুপমা বৰগোহাঞিৰ উপন্যাস**

বিংশ শতাব্দীৰ অসমীয়া উপন্যাসৰ সমৃদ্ধিত নিৰুপমা বৰগোহাঞিৰ নাম লেখতলবলগীয়া। ‘এনথ্ৰ’পলিজিৰ সপোনৰ পিছত’ নামৰ গল্পটোৰ যোগেদি সাহিত্যিক জীৱনৰ মাইলৰ খুটি নিৰ্মাণ কৰা নিৰুপমা বৰগোহাঞিয়ে গল্প, উপন্যাস, আত্মজীৱনী, অনুবাদ সাহিত্য, ভ্ৰমণ কাহিনী আদিতো বুৎপত্তি অৰ্জন কৰিছে। ষাঠিৰ দশকৰ আৰম্ভণিৰপৰাই এইগৰাকী লেখিকাই অসমীয়া উপন্যাস সাহিত্যলৈকো অৱদান আগবঢ়াই গৈছে।

নাৰীৰ স্বতন্ত্ৰ, অনুভৱ, অনুৰাগ, ইচ্ছা-আকাংক্ষাৰ বহিঃপ্ৰকাশ নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ চৰিত্ৰসমূহত ঘটিছে। নাৰীমনৰ বিচিত্ৰ অনুভূতি, দ্বন্দ্ব আৰু সংঘাতক নিৰ্মোহ আৰু নিৰ্মম বিচাৰ বিশ্লেষণ কৰাত বৰগোহাঞিৰ দক্ষতা দেখা যায়। মামণি ৰয়ছম গোস্বামীৰ দৰে এওঁৰো আছে সমাজৰ প্ৰতি দায়বদ্ধতা। এই দায়বদ্ধতাৰ কাৰণেই এওঁৰ নাৰী চৰিত্ৰসমূহৰ মাজেৰে পুৰুষতান্ত্ৰিকতাৰ বিৰুদ্ধে কৰা প্ৰতিবাদে কেনেদৰে প্ৰকাশ লাভ কৰিছে তাৰ কাৰণে— ‘ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ’, ‘অন্যজীৱন’, ‘মোৰ নাম চম্পাৱতী কাকতি’, ‘অভিযাত্ৰী’, এইকেইখন উপন্যাসক নিৰ্বাচিত কৰি আলোচনা কৰিবলৈ বিচৰা হৈছে।

---

২৮. গোঁহাই, ৰাণী (সম্পা.)ঃ *হৃদয়ৰ তপস্বিনী*, প্ৰবন্ধ, গোঁহাই, হীৰেন ‘নৰক দৰ্শনৰ বৃত্তান্ত, পৃ.৭

**অন্যজীৱন**

নাৰীৰ দুখ কষ্ট দুৰ্বিসহ যন্ত্ৰণা, মৰ্মবেদনা আদিবোৰ গাঁৱৰ তিৰোতাৰ মাজেৰে 'অন্য জীৱন'ত প্ৰতিফলিত হৈছে। গ্ৰাম্য সমাজত সকলো দোষৰ ভাগী নাৰী এগৰাকীৰ ওপৰতে জাপি দিয়া হয়। নাৰীৰ ওপৰত পুৰুষৰ অত্যাচাৰ, লাঞ্ছনা-গঞ্জনা নাৰী নিৰ্যাতন আৰু অৱহেলাৰ ছবি লেখিকাই সুন্দৰকৈ দাঙি ধৰিছে। উপন্যাসখনৰ সৃষ্টিৰ আঁৰত লেখিকাৰ নিজৰ অভিজ্ঞতাৰ বৰ্ণনা পোৱা যায়--

> *১৯৮৭ চনত প্ৰকাশিত উপন্যাসখনৰ প্ৰস্তাৱনাত পোৱা যায় যে প্ৰায় আঠাইছ বছৰৰ আগতে লেখিকাই স্বামীৰ গাঁৱৰ ঘৰলৈ যাওঁতে এটা কৰুণ কাহিনী শুনিছিল। গাঁৱতে এগৰাকী তিৰোতাক তেওঁৰ গিৰিয়েকে হালৰ মৈত জুটি দি পকা চপৰাৰ ওপৰেদি চোচৰাই লৈ গৈছিল। স্বামীৰ অত্যাচাৰ সহিব নোৱাৰি শেষত সেই হতভাগিনীয়ে আত্মহত্যা কৰিছিল।*[২৯]

উপন্যাসখনত প্ৰতিফলিত হোৱা নাৰীৰ জীৱনৰ কাহিনী, ইয়াৰ বিশেষত্ব আৰু নাৰী চৰিত্ৰসমূহৰ পুৰুষতান্ত্ৰিক সমাজখনৰ বিপক্ষে প্ৰতিবাদ আদিয়ে উপন্যাসখনক নাৰীবাদী উপন্যাসলৈ উন্নীত কৰিছে। এইক্ষেত্ৰত গোবিন্দ প্ৰসাদ শৰ্মাই কৈছিল—

> *এই পৰ্যন্ত প্ৰকাশিত অসমীয়া উপন্যাসবোৰৰ ভিতৰত একমাত্ৰ নিৰুপমা বৰগোহাঞিৰ 'অন্য জীৱন' (শান্তি প্ৰকাশন, গুৱাহাটী, ১৯৮৭) উপন্যাসখনতেই নাৰীবাদী চেতনা নাৰীবাদী দৃষ্টিকোণৰ পৰা প্ৰতিফলিত হোৱা দেখা যায়। অন্য কথাত অসমীয়া সাহিত্যত নিৰুপমা বৰগোহাঞিৰ 'অন্য জীৱন'খনেই এই পৰ্যন্ত প্ৰকাশিত একমাত্ৰ উপন্যাস য'ত নাৰীবাদ লেখিকাই সচেতনভাৱে প্ৰকাশিত কৰিছে।* [৩০]

বিয়াৰ পিছত প্ৰথমবাৰলৈ গিৰিয়েক মনোজৰ গাওলৈ যাবলৈ সাজু হোৱা অণিমাৰ মনত প্ৰথমাৱস্থাত গ্ৰাম্য সমাজৰ সৰল চিত্ৰ এখনেই ফুটি উঠিছে। টুনটুনী নৈত গা ধোৱাৰ কথা ভাবি তাই ৰোমাঞ্চিত হৈ পৰিছে। কিন্তু, হঠাৎ গিৰিয়েকৰ অত্যাচাৰ সহিব নোৱাৰি টুনটুনী নৈত নিজকে জাহ দিয়া ৰম্ভা খুৰীৰ কাহিনী শুনি উপন্যাসখনৰ নাৰী চৰিত্ৰ অণিমা আৰ্তনাদ কৰি উঠিল। গাঁৱলৈ আহি ননদ আইকণৰ মুখৰে ৰম্ভা খুৰীৰ কথাবোৰ শুনি অণিমা যেন এক চেতনাত ডুব গ'ল—

---

২৯. বৰা, হেম ঃ *অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান*, পৃ. ২০৮

৩০. গোঁহাই, ৰাণী (সম্পা.) ঃ *অগ্ৰগামিনী*, প্ৰবন্ধ, শৰ্মা , গোবিন্দ প্ৰসাদ, 'অসমীয়া উপন্যাসত নাৰীবাদ', পৃ.২৪

*দদাইদেউ যদি খুৰীদেউৰ ওপৰত এইখিনি বৰ মতা দেখুৱায়ে ক্ষান্ত থাকিলেহেঁতেন কথাই নাছিল।... ঘৰৰ কোনো কাম বন নকৰি বিশ্বব্ৰহ্মাণ্ডত টলৌ টলৌকৈ ঘূৰি ফৰা দদাইদেউৰ নাৰায়ণপুৰত এজনী ৰক্ষিতাও আছে— এই কথা গাঁৱৰ সকলোৱে জানে, ... আচলতে কি জানা নবৌ, আমাৰ পূৰ্বপুৰুষানুক্ৰমে এইটোৱে মজ্জাগত ধাৰণা লৈ আহিছে যে তিৰোতা মানুহ হ'লে মতা মানুহৰ এনে ধৰণৰ প্ৰভুত্ব সহ্য কৰিবই লাগিব, এইটো যেন মতা মানুহবোৰৰ জন্মস্বত্ব*[৩১]

ৰম্ভা খুৰীৰ আত্মহত্যাৰ ঘটনা জনাৰ পিছত অণিমাই সকলো কথা বেলেগ দৃষ্টিভংগীৰে চাবলৈ ধৰিলে। তাই চেতনাত যেন বহুতো কথা জলমলাই উঠিল। শাহুৱেকৰ ভাত খোৱাৰ কথাক লৈও তাই সমাজত বৰ্তি থকা পুৰুষ শোষণৰ স্পষ্ট ৰূপটোৱেই দেখা পালে। তাইৰ গিৰিয়েক মনোজৰ মাকে বুঢ়া বয়সতো ঘৰখনৰ সকলোৱে বাবে ৰন্ধা বঢ়া কৰে। কিন্তু পৰিয়ালৰ পুৰুষসকল আনকি মনোজেও সেই মাকৰ প্ৰতি কোনো ধৰণৰ দায়িত্ববোধ আছে বুলি নাভাৱে। ঘৰৰ সকলোকে ৰুচি অনুযায়ী আপ্যায়ন কৰাৰ পিছত যিখিনি ৰয়গৈ সেয়াহে মাকে খাবলৈ পায়। অণিমাই কিন্তু এই পৰম্পৰাগত ধাৰণাক মানি ল'ব পৰা নাই। পুৰুষ শোষণৰ বিৰুদ্ধে তাই জাঙুৰ খাই উঠিছে—

*... নাৰীক কৰুণাৰ প্ৰতিমূৰ্তি হিচাপে দেৱীৰ বেদীত বহুৱাই সুখ-সুবিধা-সম্ভোগৰ পৰা নিষ্কণ্টক কৰা পুৰুষৰ এটা কৌশল। এইদৰেই পুৰুষৰ দ্বাৰা নাৰীৰ 'ব্ৰেইন ওয়াশ্বড্ কৰা হৈছে।*[৩২]

অণিমাই সমস্ত পুৰুষসমাজৰ প্ৰতিনিধি হিচাপে মনোজকেই আক্ৰমণৰ লক্ষ্য কৰি ল'লে। সেয়ে মনোজৰ কথাৰ উত্তৰ দিবলৈ গৈ তাই কৈছে—

*পাৰে হয়, কিন্তু নাখায়। কোনো মাকেই বোধহয় নাখায়, কিন্তু সেই কথালৈ জীয়েকহঁতে চকু দিলেও গিৰিয়েক বা পুতেকহঁতে কেতিয়াও চকু নিদিয়ে।*[৩৩]

অণিমাৰ চৰিত্ৰটোৰ যোগেদি পুৰুষ বিদ্বেষী ভাব স্পষ্ট হৈ উঠিছে। পুৰুষতান্ত্ৰিক সমাজখনৰ এইবোৰ কথাৰ প্ৰতিবাদ কৰি তাই কৈছে যে অগ্নিপৰীক্ষা সদায় সীতাবোৰে অৰ্থাৎ নাৰীয়ে দিব লাগে; ৰামবোৰে নিদিয়ে। নাৰী বৰ্বৰ পুৰুষৰ দ্বাৰা ধৰ্ষিতা হৈ সমাজ আৰু স্বামীৰ পৰিত্যক্তা হ'ব লাগে।

---

৩১. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ,* পৃ.৭১৭

৩২. উক্ত গ্ৰন্থ, পৃ.৭০৩

৩৩. বৰগোহাঞি, নিৰুপমা ঃ *অন্য জীৱন,* পৃ.৭১৭

উপন্যাসখনত পুতলী চৰিত্ৰটোৰ মাজেৰে পুৰুষতান্ত্ৰিক সমাজখনৰ বিৰুদ্ধে প্ৰতিবাদী নাৰী চৰিত্ৰ হিচাপে তুলি দিয়া হৈছে। পুতলী হৈছে টুনটুনী নৈত আত্মজাহ দিয়া ৰম্ভাখুৰীৰ ছোৱালী। পুতলীৰ পুৰুষ বিদ্বেষী মনোভাৱ ক্ষণিকৰ উত্তেজনা নহয়। এটা আদৰ্শৰ দ্বাৰা তাই পৰিচালিত। পুতলী পুৰুষশাসিত সমাজৰ তিক্ত অভিজ্ঞতাৰ পৰা নাৰীবাদী হৈ পৰিছিল। পুতলী চৰিত্ৰটো সমাজবাদী নাৰী চৰিত্ৰহে। পুতলীয়ে কৈছে—

> *নবৌ, মই আজিকালি তেওঁলোকক ঠিক দোষাৰোপ কৰিব নোৱাৰো। আমাৰ এই পচা ঘুণে ধৰা সমাজখনতো তেওঁলোক একো একোটা ফচল। গতিকে এই সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন নোহোৱালৈকে আমাৰ পুৰুষ প্ৰধান সমাজখনৰ পুৰুষৰ দৃষ্টিভংগীৰে সলনি নহয়। সেয়ে এতিয়া মই বোমাটো মূল কেৰোণটোৰ বিৰুদ্ধে যুঁজিবলৈহে সুসজ্জিত কৰিব ধৰিছো। আৰু সেই যুদ্ধ আমি পুৰুষৰ লগত একেলগেহে কৰোঁ।* [৩৪]

নাৰীনিৰ্যাতন ৰোধ আৰু নাৰীমুক্তিৰ হকে মুক্তকণ্ঠে মাত মাতি অহা এটা চৰিত্ৰ হৈছে আইকণৰ চৰিত্ৰটো। আইকণে বিশ্বাস কৰে যে পঢ়া শুনা নথকাৰ বাবেই মাইকী মানুহে পুৰুষৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। নাৰী হিচাপে যিখিনি সন্মান পাব লাগে সেই সন্মান নোপোৱাৰ বাবেও আইকণৰ মন গুজৰি গুমৰি থাকে। সেয়ে ঘোষণা কৰিছে—

> *মই বিয়া-চিয়া নকৰাওঁ, মোৰ কাৰণে কোনেও চিন্তা কৰিব নালাগে ... ইফালে পুৱা শুই উঠাৰ পৰা ৰাতি শোৱাৰ পৰলৈকো গেবাৰী খাটি মৰোতেই যায়, মতা মানুহতকৈও বেচি সময় কাম কৰিব লাগে — তাৰতো কোনো স্বীকৃতি নাই, দৰমহা নাই— গতিকে বাহিৰত চাকৰি কৰি ধন ঘটি নল'লে বা সেই তিৰোতাই হেনো খোৱা পিন্ধাৰ বাবে গিৰিয়েকটোৰ ওপৰতহে নিৰ্ভৰ কৰিব লাগে।* [৩৫]

এচাম নাৰীবাদীৰ মতে বৈবাহিক বান্ধোনে নাৰীক পৰাধীন কৰি পেলায়। জাৰ্মেইন গ্ৰীয়েৰৰ 'দ্যা ফিমেল ইউনাক'ত পোৱা যায়—

> *নাৰীয়ে যদি প্ৰকৃততে তেওঁলোকৰ অৱস্থাৰ উন্নতি কৰিব বিচাৰে তেনেহ'লে তেওঁলোকে বিয়াৰ দৰে সামাজিক ব্যৱস্থাক প্ৰত্যাখান কৰা উচিত।* [৩৬]

---

৩৪. বৰগোহাঞি, নিৰুপমা ঃ *অন্য জীৱন*, পৃ.৭৩৩

৩৫. উক্ত গ্ৰন্থ, পৃ.৪৬

৩৬. In hints that woman ought not to enter into socially sanctioned relationships like marriage and that unce unhappily in they ought not to scruple to run away germaine Greer, the Female Eunuch, 2006, p.21.

পুৰুষশাসিত একপক্ষীয় শাসনৰ বিপক্ষেই আইকণে সেয়ে মাত মাতিছে—

*এই কেঞ্জা, বাট এৰি দে, চেলেপুৰামিখন কৰি নাথকিবি, বহুত কাম আছে, আমি তহঁতৰ দৰে মতা হৈ জন্ম লোৱাৰ সৌভাগ্য অৰ্জা নাই নহয় যে ইগছ কুটা সিগছ নকৰাকৈ বহি বহি খাব পাৰিম।* [৩৭]

'অন্য জীৱন'ত নাৰীৰ ওপৰত চলা অত্যাচাৰৰ বহুতো উদাহৰণ আছে। আৰু ইয়াৰ নাৰী চৰিত্ৰসমূহে প্ৰতিবাদৰ ভাষাৰে উপন্যাসখনক নাৰীবাদী উপন্যাসলৈ উন্নীত কৰিছে।

**ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ**

পটেশ্বৰীৰ জীৱনৰ কৰুণ কাহিনীৰ মাজেৰে উপন্যাসৰ কাহিনীভাগ আগবাঢ়িছে। পটেশ্বৰীৰ জীৱনৰ সমান্তৰালভাৱে পৰেশ কলিতা আৰু জীয়েক অঞ্জলিৰ গাঁৱৰ ঘৰলৈ যোৱাৰ ব্যৰ্থ কাহিনী উপন্যাসখনিত পোৱা যায়।

পটেশ্বৰীৰ নাৰীচেতনাত যিবোৰ প্ৰকাশ পাইছে সেইবোৰে চৰিত্ৰটোক আঘাত সানিছে। মাৰোৱাৰী যুৱক পূজনে তাইক বিশ্বাসঘাটকতা কৰি বিয়াৰ প্ৰলোভন দি হোটেলতে এৰি পলাই যায়। ঘটনাৰ পাকচক্ৰত তাই ছবিনক লগ পায় আৰু পিছত তালৈকে বিয়া হয়। কিন্তু ছবিনেও তাইক কিছুমান কথা লৈ আক্ৰমণ কৰে। নাৰীচেতনাত আঘাত কৰি এদিন ছবিন এই সংসাৰৰ পৰাই নাইকিয়া হৈ যায়। গাঁৱলৈ ঘূৰি গৈ এপাল ল'ৰা-ছোৱালীৰে পটেশ্বৰীৰ জীৱন সংগ্ৰাম আৰম্ভ হয়। গাঁৱত সুন্দৰী পটেশ্বৰীক বহুতে বেয়া দৃষ্টিৰে চাবলৈ লয়। প্ৰতিবাদী কণ্ঠ যেন তাইৰ মুখৰ পৰা ওলাই আহে। তাই নিজৰ মাজতে গুজঁৰি গুমৰি থাকে।

"চালা তিৰী চোৰোৰ সঁচ, চালা পলেৰাৰৰ সঁচ, চালা দহ্‌টা মাইহ্‌নাকোৰ লালকোৰ সঁচ— চালা তই ভাল হবি কেনাইকে— বাপ চাইহিবেটা হৰে, গাছ চাইহি গুটি হৰে, চালা তোৰ গোটাই গাটোতে তিৰীক পলে নিয়া তেজোৰ পিৰ্‌পিৰণিয়ে খাই মাৰ্‌ছি নহয়।"[৩৮]

পটেশ্বৰীৰ লগতে একেডাল সূতাৰ দৰে বন্ধা আন এটা চৰিত্ৰ হৈছে ৰেখা দি। ৰেখা শিক্ষিতা চহৰীয়া নাৰী। কি গাওঁ, কি চহৰ ক'তোৱেই যেন নাৰীয়ে সন্মান নাপায়। ৰেখাৰ স্বামীৰ বন্ধুৱেই নিৰ্জনতাৰ সুযোগ লৈ ধৰ্ষণ কৰিলে। কিন্তু ইয়াত যেন ৰেখাৰহে ভুল, ধৰ্ষণৰ কালিমা

---

৩৭. বৰগোহাঞি, নিৰুপমা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৬৭

৩৮. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ,* পৃ.৮৮

স্বামী বন্ধুৰ ওপৰত নপৰিল। বৰঞ্চ সকলো দোষৰ শাস্তি ৰঞ্জিতে ৰেখাকেই দিলে। ৰেখাই যি প্ৰতিবাদ কৰিছিল সেই প্ৰতিবাদে কাম নিদিলে। ৰেখাৰ সততাৰ ওপৰত ৰঞ্জিতৰ কোনো আস্থা নাছিল। ৰেখাৰ কথাত তাইৰ সততা ফুটি উঠে।" মই স্বামীৰ লগত ঘৰ সংসাৰ কৰি থাকি কোনো পুৰুষৰ লগত গোপন প্ৰেম কৰিব নোৱাৰিলোহেঁতেন— লাগে মোৰ স্বামী অতি অত্যাচাৰী, নিষ্ঠুৰ, পৰস্ত্ৰীগামী হওক, লাগে মোৰ সেই প্ৰেম প্লেটনিকেই হওক।"[৩৯] "আৰু তাৰ পাছতো তুমি সেইজন মানুহৰ পুতৌৰ পাত্ৰী হৈ তেওঁৰ ভৰিত পৰি থাকিলা। তাৰ পাছতো তেনেকুৱা যুক্তিহীন বিচাৰৰ মানুহৰ এজনৰ দয়া ভিক্ষা কৰি ৰ'লা।"[৪০]

নাৰীৰ প্ৰতি যি অমানৱীয় ব্যৱহাৰ সেয়া বৰগোহাঞিৰ এইখন উপন্যাসত সুন্দৰকৈ প্ৰতিফলিত হৈছে। পুৰুষশাসিত সমাজখনে নাৰীক পৰিশ্ৰমৰ উপযুক্ত মূল্যও দিব নোখোজে। অৰ্থনৈতিকভাৱে স্বাৱলম্বী নোহোৱাৰ বাবেই পটেশ্বৰীৰ জীয়েক সাৱিত্ৰী মাত্ৰ দহ টকাতে চহৰত কাম কৰা ছোৱালী হ'বলগীয়া হৈছে। উপন্যাসখনত এইবোৰ উপস্থাপন কৰি লেখিকাই নাৰী চেতনাক উল্লেখ কৰি নাৰীৰ মৰ্যাদা লাভৰ বাবে প্ৰতিবাদ কৰিছে।

**অভিযাত্ৰী**

অভিযাত্ৰী এখন গৱেষণাসমৃদ্ধ উপন্যাস আৰু অসমৰ নাৰীৰ অধিকাৰ প্ৰাপ্যৰ এক নিৰ্ভৰযোগ্য দলিল। উপন্যাসখনৰ মূল চৰিত্ৰ চন্দ্ৰপ্ৰভা শইকীয়ানী। এওঁ এগৰাকী তেজস্বিনী আৰু ব্যতিক্ৰমী মহিলা। লেখিকাই শইকীয়ানীৰ কাহিনীৰ মাজেৰে অসমীয়া সমাজত নাৰী-পুৰুষৰ সম্পৰ্ক আৰু নাৰীমুক্তিৰ বিষয়টোক সমাজত তুলি ধৰিব বিচাৰিছে।

উপন্যাসখন চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনীমূলক যদিও নায়িকাৰ মানসিক সংঘাতৰ চিত্ৰণে ইয়াক সৃজনাত্মক সাহিত্যলৈ উন্নীত কৰিছে। তেওঁ গাভৰু কালৰ পৰা শেষলৈকে কেৱল সংগ্ৰামেই কৰি থাকিল। নাৰীমুক্তিৰ বাবে স্বাধীনতা আন্দোলনতো যোগদান কৰিলে। মানসিক সংঘাত আৰু মানুহৰ পৰা পোৱা অপবাদে অস্থিৰ কৰি তোলাৰ পিছতো নাৰীমুক্তিৰ বাবে লাগি থাকিল। চন্দ্ৰপ্ৰভাৰ অসাধাৰণ ব্যক্তিত্বই তেওঁক নাৰী মুক্তিযোদ্ধা হিচাপে প্ৰতিপন্ন কৰে। গোড়ামিৰে আৱৰা পুৰুষপ্ৰধান সমাজ এখনত নাৰীমুক্তি তথা নাৰীৰ পুৰুষৰ সৈতে সমতাৰ আন্দোলন চলোৱা প্ৰথমগৰাকী নাৰী আছিল চন্দ্ৰপ্ৰভা শইকীয়ানী।

৩৯. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ*, পৃ.৩০

৪০. উক্ত গ্ৰন্থ, পৃ.৩০

গান্ধীৰ স্বাধীনতা আন্দোলনৰ এক প্ৰধান লক্ষ্য আছিল নাৰী শিক্ষা আৰু নাৰীৰ উন্নয়নৰ বাবে কাম কৰা। চন্দ্ৰপ্ৰভাই এই আদৰ্শক নিজাকৈ গ্ৰহণ কৰিলে। এইবোৰ কৰিবলৈ যাওঁতে তেওঁ ৰক্ষণশীল সমাজখনৰ কোপদৃষ্টিতো পৰিছিল। ঔপন্যাসিকৰ ভাষাত—

> *তাই চন্দ্ৰপ্ৰভা শইকীয়ানী; কোনো পিতৃ, কোনো স্বামীৰ পৰিচয়ৰে পৰিচিত বন্ধনৰ শিকলিয়ে তাইৰ ভৰি দুখন বান্ধি ৰাখিব পৰা নাই, তাইৰ সেই ভৰি দুখন মুক্ত, সেই মুক্ত ভৰি দুখনেৰে তাই আজি অসমৰ সমূহ নাৰীৰ মুক্তিৰ বাবে সমগ্ৰ প্ৰদেশখনিত মহতিয়াই ফুৰিছে।* [৪১]

পুৰুষসমাজৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে চন্দ্ৰপ্ৰভা শইকীয়ানী জাঙুৰ খাই উঠিছিল-- "মহিলাসকলে যদি ভাত ৰান্ধিব লাগে পুৰুষসকলে খৰি নেফালিব কিয়?..."[৪২]

> *... তাত মহিলাৰ এনে অনুষ্ঠানৰ জৰিয়তে যিবোৰ আদৰ্শ প্ৰচলন কৰাৰ কথা কৈছিল অৰ্থাৎ সমাজৰ কুসংস্কাৰ আৰু নানা কুপ্ৰথা আঁতৰোৱা, বাল্যবিবাহ আৰু বহুবিবাহ নিৰোধ কৰা, অস্পৃশ্যতা বৰ্জন কৰা, হিন্দু-মুছলমানৰ ঐক্যৰ বাবে কাম কৰা, বিদেশী দ্ৰব্য আৰু বিলাসিতা বৰ্জন কৰা, খাদী উৎপাদন আৰু প্ৰচলন কৰা, তিৰোতাৰ শিক্ষা প্ৰচাৰ কৰা, কানি, মদ, ভাং আদি বৰ্জন কৰা, সাহিত্য সংস্কৃতিৰ চৰ্চা কৰা এইবোৰকেই অধিৱেশন খনৰ বক্তৃতাতো কৈছিল। ..* [৪৩]

উপন্যাসখনত মুখ্য নাৰী চৰিত্ৰ বুলি ক'লে চন্দ্ৰপ্ৰভা শইকীয়ানী। পুৰুষ প্ৰধান সমাজৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে চন্দ্ৰপ্ৰভাই যুঁজিছে। আন নালাগে নাৰী পুৰুষৰ বিভেদ যে নাই সেই কথা বুজাবলৈ তেওঁ বাছো চলাইছিল। উপন্যাসখনত চন্দ্ৰপ্ৰভাৰ নাৰীবাদী দৃষ্টান্তৰ উদাহৰণ আছে। চন্দ্ৰপ্ৰভাৰ পুত্ৰ অতুলে তাৰ জন্মবৃত্তান্তৰ সকলো কথা লিখি হ'বলগীয়া পত্নী বীণাক জনোৱাত তেওঁ পুত্ৰক প্ৰশংসাৰ যোগ্য বুলি কৈছে।

"ল'ৰাৰ যেনেকৈ ছোৱালীৰ সকলো আঁতিগুৰি জনাৰ অধিকাৰ আছে, ছোৱালীৰো তেনেকৈ ল'ৰাৰ সেই সকলোবোৰ জনাৰ অধিকাৰ আছে। "[৪৪]

শেষত আমি এটা কথা ক'ব পাৰো যে নিৰুপমা বৰগোহাঞি এগৰাকী সচেতন নাৰীবাদী ঔপন্যাসিক। তেওঁ নাৰী চেতনাক হৃদয়ংগম কৰি পুৰুষশাসিত সমাজখনৰ বিৰুদ্ধে প্ৰতিবাদ

---

৪১. বৰগোহাঞি, নিৰুপমা ঃ *অভিযাত্ৰী*, পৃ.২০৩

৪২. উক্ত গ্ৰন্থ, পৃ.২০৫

৪৩. উক্ত গ্ৰন্থ, পৃ.২০৯

৪৪. উক্ত গ্ৰন্থ, পৃ.৩৫৯-৩৬০

কৰে। কিন্তু এইখিনিতে উল্লেখযোগ্য যে বৰগোহাঞিৰ দৰ্শন হৈছে নাৰীবাদ। নাৰীবাদ মানেই পুৰুষবিদ্বেষ নহয়। ই এক সামাজিক দৰ্শন।

**মোৰ নাম চম্পাৱতী কাকতি**

নিৰুপমা বৰগোহাঞিৰ 'মোৰ নাম চম্পাৱতী কাকতি'— উপন্যাসখনৰ বিষয়বস্তু আৰু কলাগত দিশৰ পৰা অতি উৎকৃষ্ট উপন্যাস। 'অন্য জীৱন' (১৯৮৭)ৰ পিছত নাৰীবাদ স্পষ্টৰূপত ধৰা পৰা বৰগোহাঞিৰ 'মোৰ নাম চম্পাৱতী কাকতি' (১৯৯০) উপন্যাসখন তেওঁৰ দ্বিতীয়খন উপন্যাস। উপন্যাসখনৰ মূল নামটো আছিল 'চম্পাৱতী'। কিন্তু প্ৰকাশক সলনি হোৱাৰ পিছত বৰ্তমানৰ নামটো ব্যৱহাৰ কৰা হৈছে।

উপন্যাসখনৰ নায়িকা চম্পাৱতী কাকতি হৈছে আদৰ্শবাদী কংগ্ৰেছী জীৱনাথ কাকতিৰ জীয়ৰী। বিবাহ উপযুক্তা হোৱাত চম্পা ধনী আৰু প্ৰতিপত্তিশীল ল'ৰা এজনৰ লগত বিয়াত সোমাল। কিন্তু এই বিয়াৰ মোহভংগ হ'বলৈ চম্পাৰ বেছিদিন নালাগিল। গিৰিয়েকৰ তোষামোদ তথা পত্নীক তলত ৰাখিবলৈ চেষ্টা কৰা প্ৰবৃত্তিত চম্পাৰ আদৰ্শবাদী মনটোৱে এই বন্ধনৰ পৰা ওলাই আহিব বিচাৰিলে। গিৰিয়েকৰ কথাবোৰত তাই অতিষ্ঠ হৈ পৰিল। ইফালে শাহুৱেকে পুতেকৰ গাত দোষৰ ফোট এটাকে পৰিবলৈ নিদি ওলোটাই পুতেকক শুধৰাবলৈ চম্পাকহে দায়িত্ব দিলে। শাহুৱেকৰ কথাতেই চম্পাই গম পালে পৰিয়ালটোত চলি থকা পুৰুষতান্ত্ৰিক এখন সমাজৰ কথা। ইয়াত যে পুৰুষৰ ওপৰত কোনো ধৰণৰ কথাৰ স্থান নাই সেই কথা চম্পাই শাহুৱেকৰ বুজনিত স্পষ্টভাৱে প্ৰমাণ পালে। কেনেদৰে এইখন সমাজত নাৰীসকল সামাজিক বৈষম্যতাৰ বলি হ'বলগীয়া হৈছে সেয়া শাহুৱেকৰ কথাবোৰতেই ফুটি উঠিছে। ইচ্ছা কৰা হ'লে মাকে পুতেকক বাধা দিব পাৰিলেহেঁতেন, কিন্তু পৰিয়ালটোত বৰ্তি থকা পুৰুষতান্ত্ৰিকতাৰ বিৰুদ্ধে খোজ আগবঢ়াবলৈ মাকেও সাহস কৰিব পৰা নাই।

ঘৰখনৰ সকলো কথাতেই পুৰুষেই সৰ্বোসৰ্বা, নাৰীৰ স্থান এক নিৰ্দিষ্ট পৰিধিৰ ভিতৰতহে। উপন্যাসত নাৰীৰ বিবাহৰ ক্ষেত্ৰত নাৰীবাদ ফুটাই তোলা হৈছে। আমাৰ সমাজত নাৰীৰ বিবাহৰ ক্ষেত্ৰত নাৰীগৰাকীৰ মতামতৰ কোনো কথা নাথাকে, ইয়াত পুৰুষেই সৰ্বেসৰ্বা। অথচ সেই নাৰীগৰাকীৰ বিবাহৰ পিছৰ কালৰ সহ্যাতীত অত্যাচাৰৰ বিৰুদ্ধে কোনো পুৰুষেই মাত নামাতে। বিবাহৰ পিছত গিৰিয়েকেহে ইয়াত সকলো। ইচ্ছামতে পত্নীক ব্যৱহাৰ কৰিব পাৰে, নিজৰ

সন্তুষ্টিৰ অলপ যোগ-বিয়োগ হ'লে সীমা চেৰাই যোৱাকৈ কটু কথা শুনাব পাৰে। চম্পাৱতীয়ে যেতিয়া গিৰিয়েকৰ কাষত প্ৰতিবাদ কৰি উঠিছিল তেতিয়া তাইক কোবাই পেলাইছিল, কৈছিল— "সাধাৰণ গাঁৱলীয়া ছোৱালী এজনীক মই আন কথা বাদেই মন্ত্ৰীৰ বোৱাৰী হোৱাৰো মৰ্যাদা দিলো। সিয়ো তোমাক সন্তুষ্ট কৰিবপৰা নাই। কি অশলাগী প্ৰাণী তুমি। কি অকৃতজ্ঞ।"[৪৫]

চম্পাৱতী এনে ছোৱালী আছিল যে অন্যায়ৰ প্ৰতিবাদ কৰিছিল। এই ক্ষেত্ৰত অৱশ্যে তাই দেউতাক জীৱনাথ কাকতিৰ পৰা অনুপ্ৰেৰণা পাইছিল। তাইৰ প্ৰতিবাদৰ ভাষা আছিল স্পষ্ট। তাই যেতিয়া স্পষ্টভাৱে গিৰিয়েকক কৈছিল—"শিৱৰ মাকে পুতেকৰ হৈ ওকালতি কাৰোঁতেও চম্পাই মাত মাতিছিল। ! !কিন্তু এপাট তালতো নাবাজে আই, আপোনাৰ ল'ৰাৰ প্ৰশ্ৰয় ? নোপোৱা হ'লে তাইনো কেনেকৈ ইমান আগবাঢ়িব পাৰিলেহেঁতেন ...।"[৪৬]

তাইৰ প্ৰতিবাদী কণ্ঠস্বৰে গিৰিয়েকৰ পুৰুষত্বত যেন আঘাত হানিছিল। চিঞৰি উঠিছিল আৰু তাইক কৈছিল—"ওঁ তহঁত মাইকী মানুহৰ ধৰ্মই হ'ল সতীত্ব ৰক্ষা কৰা, মনুৱে কৈ যোৱাৰ দৰে তহঁতে নিজেই স্বামী দেৱতাক বেশ্যাৰ ঘৰলৈ লৈ যাব লাগে।"[৪৭]

গিৰিয়েকৰ কথাৰ পৰা এনে ধাৰণা হয় নাৰীসকল যেন পুৰুষৰ বাবে কেৱল মাত্ৰ ভোগৰ আহিলা। কেৱল যৌন আসক্তিৰ কাৰণে নাৰীক ব্যৱহাৰ কৰিব খোজা এনেকুৱা মনৰ পুৰুষেই পুৰুষতান্ত্ৰিক সমাজখনত দপদপাই আছে। প্ৰকৃততে নাৰীৰো নিজস্বতা আছে, নিজস্ব জীৱনশৈলীৰে জীৱন কটাবৰ বাবে এক স্বাধীনতা আছে। তেতিয়াহ'লে নাৰীসকলৰ গতিপথ কি? চম্পাৱতী কাকতি ইয়াত এটা উদাহৰণ মাত্ৰ। এনে অনেক চম্পাৱতী আছে যিয়ে এই বন্ধন ছিঙিব খুজিও নোৱাৰে। কিন্তু চম্পাৱতীৰ আদৰ্শবাদী, অধ্যয়নশীল পিতৃয়ে তেনে এক বিবাহ বান্ধানৰ পৰা ওলাই আহিবলৈ তেওঁক উপদেশ দিলে। বিবাহমুক্ত জীৱনত তাই লগ পালে আদৰ্শবাদী কমিউনিষ্ট নেতা গোলোক শইকীয়াৰ পুত্ৰ সূৰ্য শইকীয়াক। সূৰ্যৰ উপদেশত ভনীয়েক সাদৰীৰ সৈতে লগ লাগি চম্পাৱতী কমিউনিষ্ট দলৰ মহিলা শাখাৰ এগৰাকী নিষ্ঠাৱান কৰ্মী হৈ পৰিল আৰু ইয়াৰ জৰিয়তে তাই এক নতুন জীৱনৰ সোৱাদ পালে। লগতে সাদৰীৰ দৰে এগৰাকী লগৰীয়া পাই তাই সুখী হ'ল।

---

৪৫. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ,* পৃ.৩৭৬

৪৬. উক্ত গ্ৰন্থ, পৃ.৩৭৮

৪৭. উক্ত গ্ৰন্থ, পৃ.৩৯৩

ঔপন্যাসিকাই সাদৰীৰ কথাবোৰতো নাৰী ভাবনা স্পষ্ট ৰূপ ফুটাই তুলিবলৈ চেষ্টা কৰা দেখা গৈছে। তাই চম্পাক কোৱা কথা এযাৰৰপৰা আমি এই কথা গম পাব পাৰো।

"তোমাৰ কামত মই ছোৱালী মানুহ হিচাপে কি যে গৌৰৱবোধ কৰিছো কি ক'ম। ছোৱালী হ'লেই পুৰুষৰ সকলো অত্যাচাৰ নিৰৱে সহি যোৱাৰ বাহিৰে গত্যন্তৰ নাই— আমাৰ সমাজৰ এই বদ্ধমূল ধাৰণাটোক তুমি নস্যাৎ কৰি দি অত্যাচাৰী স্বামীক ত্যাগ কৰি গুচি আহিছা— তোমাৰ মনৰ জোৰ আৰু সাহসক মই সঁচায়ে অভিনন্দন জনাইছো, চম্পা ...।[৪৮]

"সাদৰী" সন্দৰ্ভত মামণি গগৈ বৰগোহাইৰ এটা বক্তব্য আমি তুলি ধৰিব পাৰো— "সাদৰী এটা সাঁচত ঢলা সমাজবাদী নাৰীবাদী চৰিত্ৰ বুলিব পাৰি, কাৰণ সাদৰী চৰিত্ৰৰ অকল সেইটো দিশতহে আলোকপাত কৰা হৈছে।"[৪৯]

সূৰ্যই সম্পূৰ্ণৰূপে এগৰাকী মাৰ্ক্সবাদী ধাৰণাৰে তেওঁ নাৰীৰ হকে কামো কৰিছে। কিন্তু পৰম্পৰা মুক্ত তেনে এজন পুৰুষো বিবাহৰ ক্ষেত্ৰত প্ৰকৃত নাৰীবাদী হ'ব পৰা নাই সেই কথাৰ উমান পাওঁ আমি সূৰ্যৰ একাষাৰ কথাত—

> *... তুমি এই কথা নাজানা চম্পা যে বিশ্ববিদ্যালয়ত পঢ়ি থাকোতে আমাৰ দলৰ দুজনী ছোৱালীয়ে মোৰ প্ৰতি আকৃষ্ট হৈছিল, কেৱল মই তেতিয়া তোমাৰ বাহিৰে আনৰ কথা ভাবিব নোৱাৰিছিলো ...।* [৫০]

সূৰ্যৰ কথাত চম্পাৰ প্ৰতিবাদী কণ্ঠই চিঞৰি উঠিল। "আচৰিত ... যি নাৰী পুৰুষৰ সমান অধিকাৰ বিশ্বাসী, আচৰিত সঁচায়ে সেই তোমাৰ কথাতো পুৰুষৰ অহংভাৱৰ প্ৰতিধ্বনি।"[৫১]

প্ৰকৃততে উপন্যাসখনৰ জৰিয়তে ঔপন্যাসিকাই নাৰীৰ পুৰুষৰ সমতাৰ ক্ষেত্ৰত সকলোৰে যে সমান অধিকাৰ থাকিব লাগিব এই কথা তুলি ধৰিব খুজিছে। বিবাহৰ ক্ষেত্ৰতো পুৰুষ নাৰীৰ সম অধিকাৰ আছে তেওঁ উপন্যাসখনৰ বিভিন্ন চৰিত্ৰ সমূহৰ মাজেদি প্ৰতীয়মান কৰিছে। আওপকীয়াকৈ তেওঁ "জীয়ৰীকালত পিতৃৰ অধীনত যৌৱন কালত পতিৰ অধীনত আৰু বৃদ্ধ কাল পুত্ৰৰ অধীন"— এই আপ্ত বাক্য ফাঁকিৰ বিৰোধিতা কৰিছে। তদুপৰি ঔপন্যাসিকাই নাৰীশিক্ষাৰ

---

৪৮. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ,* পৃ.৪০২

৪৯. বৰগোঁহাই, মামণি গগৈ : *অসমীয়া উপন্যাস : নাৰীৰ ৰচনাত নাৰী,* পৃ.১১৭

৫০. বৰগোহাঞি, নিৰুপমা : *চম্পাৱতী,* পৃ.১২৮

৫১. উক্ত গ্ৰন্থ, পৃ.১২৮

অভাৱেই বহুত ক্ষেত্ৰত নাৰীমুক্তিৰ পথত হেঙাৰ পৰিছে বুলি চম্পাৰ পিতৃ জীৱনাথ কাকতিৰ কাম-কাজৰ জৰিয়তে নিৰুপমা বৰগোহাঞিয়ে অতি কৌশলেৰে আঙুলিয়াই দিছে।

**তুলনামূলক আলোচনা**

ওপৰৰ আলোচনাৰপৰা দেখা যায় যে মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ নাৰীৰ প্ৰতিবাদ বহুক্ষেত্ৰত মিল আছে--

১) দুয়োগৰাকী ঔপন্যাসিকৰ নাৰী চৰিত্ৰসমূহে পুৰুষতন্ত্ৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে।

২) দুয়োগৰাকী ঔপন্যাসিকৰ নাৰী চৰিত্ৰসমূহে সমাজত চলি অহা অনিয়মৰ প্ৰতিবাদ কৰিছে।

৩) দুয়োগৰাকী ঔপন্যাসিকৰ চৰিত্ৰসমূহে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সকলো ক্ষেত্ৰতে নাৰীক উপেক্ষা কৰা হৈছে বুলি প্ৰতিপন্ন কৰিছে।

৪) অভিজাততন্ত্ৰৰ বিৰুদ্ধে প্ৰতিবাদ দুয়োগৰাকী ঔপন্যাসিকৰ নাৰী চৰিত্ৰত দেখা গৈছে।

৫) এওঁলোকৰ উপন্যাসত বিধৱা নাৰীৰ জীৱনৰ দুখ দৈন্যৰ হৃদয়বিদাৰক তথা আত্মহননৰ প্ৰতিবাদৰ এক দুঃসাহসিক প্ৰচেষ্টা দেখা যায়।

৬) লিংগবৈষম্যৰ ধাৰণাটো দুয়োগৰাকী ঔপন্যাসিকৰ উপন্যাসতে দেখিবলৈ পোৱা যায়। সমাজৰ পৰম্পৰাগত লিংগ বৈষম্যমূলক ব্যৱস্থাক দুয়োগৰাকী লেখিকাৰ উপন্যাসৰ চৰিত্ৰসমূহে প্ৰতিবাদ কৰিছে।

৭) অৰ্থনৈতিক ক্ষেত্ৰত নাৰীৰ প্ৰতি যি ভেদভাৱ সেয়া দুয়োগৰাকী ঔপন্যাসিকৰ উপন্যাসতে স্পষ্ট হোৱা দেখা যায়। অৰ্থনৈতিক ক্ষেত্ৰখনত নাৰীক কেৱল চাৰিবেৰৰ মাজতে আৱদ্ধ ৰখা হয়। নাৰীক সন্তান, পুত্ৰৰ দায়িত্ব পালনতেই শেষ বুলি ভবা হয়। আমাৰ সমাজ ব্যৱস্থাই নাৰীক সদায় এক নিৰ্দিষ্ট বৃত্তৰ মাজতে আৱদ্ধ ৰাখে। ৰক্ষণশীলতাৰ বেৰ ভাঙি নাৰীসকলে ওলাই আহিবলৈ সমাজক ভয় কৰে। মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহে ইয়াৰ প্ৰতিবাদ কৰিছে।

৮) দুয়োগৰাকী লেখিকাৰ প্ৰতিনিধি নাৰী চৰিত্ৰসমূহ সংস্কাৰমুক্ত, উদাৰ আৰু প্ৰতিবাদী। তেওঁলোকে পুৰুষতন্ত্ৰৰ বেহু ফালি নিজে বিচৰাৰ দৰে জীৱন-যাপন কৰাত আগ্ৰহী।

৯) দুয়োগৰাকী লেখিকাই নাৰী চৰিত্ৰৰ মাজেদি সমাজৰ শোষকসকলৰ চৰিত্ৰ উদঙাই দি তেনে শোষকৰ বিৰুদ্ধে বিদ্ৰোহ কৰি শোষিতসকলক শোষমমুক্ত হ'বলৈ আহ্বান জনাইছে।

১০) পুৰুষতন্ত্ৰই সৃষ্টি কৰা নাৰীসম্পৰ্কীয় চিন্তাধাৰা অথবা নাৰীৰ প্ৰগতিৰ দিশত হেঙাৰ হোৱা বাধাবোৰ আঁতৰাবলৈ গৈ দুয়োগৰাকী লেখিকাৰ নাৰীচৰিত্ৰসমূহ প্ৰতিবাদী হৈ পৰিছে।

১১) কেতিয়াবা স্বামীৰ বিৰুদ্ধে, কেতিয়াবা পিতৃৰ বিৰুদ্ধে, পুৰুষে নিৰ্ধাৰণ কৰা নাৰী সম্পৰ্কীয় গোড়ামিৰ বিৰুদ্ধে; বাল্য বিবাহ তথা বৈধব্য যন্ত্ৰণাৰ বিৰুদ্ধে দুয়োগৰাকী লেখিকাৰ নাৰী উপন্যাসৰ নাৰী চৰিত্ৰসমূহ সৰৱ হৈ উঠিছে।

১২) পুৰুষতন্ত্ৰৰ ফলত কেৱল ল'ৰাইহে পঢ়িব পাৰে, ছোৱালীৰ শিক্ষা লাভৰ অধিকাৰ নাই। এনে শিক্ষা লাভৰ পৰা বঞ্চিত নাৰী চৰিত্ৰৰ প্ৰতিবাদ দুয়োগৰাকীৰ উপন্যাসতে পোৱা যায়।

একেদৰে দুয়োগৰাকী ঔপন্যাসিকৰ উপন্যাসত নাৰীৰ প্ৰতিবাদৰ ক্ষেত্ৰত পাৰ্থক্যও দেখা যায়। অৰ্থাৎ নাৰীৰ প্ৰতিবাদী ৰূপটো কেতিয়াবা তেওঁলোকে বেলেগ বেলেগ ধৰণে উপস্থাপন কৰা দেখা যায়---

১) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহে নাৰী মুক্তিৰ বাবে বিপ্লৱী হৈ উঠিছে যদিও সমাজৰ বান্ধোনৰ পৰা ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰা নাই। কিন্তু নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ নাৰী চৰিত্ৰই সমাজৰ বান্ধোন ছিঙিও প্ৰতিবাদ সাব্যস্ত কৰিছে।

২) মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত আৰ্থিক শোষণৰ বিপক্ষে নাৰীয়ে পুৰুষৰ লগত একেলগে প্ৰতিবাদ কৰিছে। ই নাৰীৰ একক সমস্যা নহয়। আনহাতে নিৰুপমা বৰগোহাঞিৰ নাৰী চৰিত্ৰই নাৰীৰ ব্যক্তিসত্তাৰ ওপৰত গুৰুত্ব দি নাৰীবাদী দৃষ্টিৰে প্ৰতিবাদ কৰিছে।

মামণি ৰয়ছম প্ৰসংগত হৃদয়ানন্দ গগৈৰ এক উদ্ধৃতি—

> *... তেওঁৰ কিছুমান নাৰী চৰিত্ৰ অসাধাৰণ। ইয়াৰ মূলতে হ'ল তেওঁৰ এই নাৰীসমূহ। সময়, সমাজ আৰু মানুহৰ দ্বাৰা অতি নিৰ্মমভাৱে আক্ৰান্ত। তদুপৰি তেওঁলোক দুৰ্বল নহয়। সমাজ ব্যক্তি আৰু পৰিস্থিতিৰ বিৰুদ্ধে তেওঁলোকে থিয় দিব পাৰে, প্ৰয়োজন সাপেক্ষে বিদ্ৰোহ ঘোষণা কৰিব পাৰে। ... এনেকুৱা বিদ্ৰোহত কোনো নাৰী চৰিত্ৰ শোচনীয়ভাৱে পৰাজিত হোৱা নাই। তাৰ বাবে কেতিয়াবা কোনো নাৰী চৰিত্ৰই নিজে*

*আত্মজাহ দিয়ো সমাজ আৰু সময়ৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাইছে। ... এই নাৰী চৰিত্ৰসমূহৰ প্ৰধান সম্বন্ধ হ'ল অদম্য সাহস আৰু সুদৃঢ় মনোবল বা ধৈৰ্য্য। ... সংঘাত আৰু সংগ্ৰামে তেওঁলোকৰ সাহস দুগুণে বৃদ্ধি কৰিছে।*[৫২]

একেদৰে পুৰুষপ্ৰধান সমাজখনত নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ চৰিত্ৰ সমূহে নাৰীৰ স্থান সম্পৰ্কে প্ৰতিবাদ কৰে। তেওঁৰ নাৰী চৰিত্ৰসমূহে পুৰুষৰ শোষণৰ বিপৰীতে নাৰীৰ সামাজিক মৰ্যাদা প্ৰতিষ্ঠা কৰিব বিচাৰে আৰু তাৰ বাবে নাৰীসকল ওলাই আহিছে। পুৰুষ প্ৰধান সমাজখনত নাৰীৰ স্থান অতি নিম্নগামী হোৱাৰ বাবে নাৰীসকল প্ৰতিবাদ মুখৰ হৈ পৰে। লেখিকাৰ কথাত উল্লেখ আছে— মোৰ অন্য জীৱন উপন্যাসত নাৰীক হালত জুটি দিয়া দেখুৱাইছোঁ— এয়া কল্পনা নহয়।[৫৩] স্বাভাৱিকভাৱে পুৰুষতন্ত্ৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি নাৰীসকল ওলাই অহা দেখা যায়। কাৰণ তুলনামূলকভাৱে আজিও সমাজত নাৰী অধিক নিৰ্যাতিতা আৰু অৱহেলিতা।

মুঠৰ ওপৰত প্ৰতিবাদী নাৰী চৰিত্ৰসমূহৰ যোগেদি নাৰীৰ উন্নতিৰ অন্তৰায় সামাজিক ব্যাধিসমূহক দেখুৱাইছে। পৰিৱেশ আৰু সময় অনুসৰি শোষকৰ ৰূপ বেলেগ বেলেগ যদিও বিভিন্ন প্ৰকাৰে নাৰীসকল শোষিত হৈ আহিছে। পুৰুষ, নাৰী দুয়ো সমাজৰ অংগ। কেৱল পুৰুষ বা কেৱল নাৰীয়েই এখন সমাজ গঠিত নহয়। কিন্তু পুৰুষৰ মানসিকতাৰ যি অশুভ শক্তি, তাৰ দ্বাৰা নাৰীৰ কেতিয়াও কল্যাণ সাধন সম্ভৱ নহয়। নাৰীয়েও পুৰুষৰ দৰে মৰ্যাদাপূৰ্ণ জীৱন-যাপন কৰিব বিচাৰে। সেয়ে পুৰুষে সৃষ্টি কৰা এই নিয়মবোৰৰ সংস্কাৰ সাধন হোৱাটো নাৰীয়ে বিচাৰে। দুয়োগৰাকী ঔপন্যাসিকৰ প্ৰতিবাদী নাৰী চৰিত্ৰসমূহে এইখিনি বিচাৰিয়ে পুৰুষতন্ত্ৰৰ বিৰুদ্ধে প্ৰতিবাদী হৈ উঠিছে।

---

৫২. গগৈ, হৃদয়ানন্দ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ.৭১

৫৩. *নিৰুপমা বৰগোহাঞিৰ উপন্যাস সম্ভাৰ,* লেখিকাৰ কথা।

# উপসংহাৰ

পূৰ্বৰ আলোচিত অধ্যায়কেইটাত মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসৰ নাৰী চেতনাৰ বিভিন্ন দিশসমূহ আলোচনা কৰা হৈছে।

**প্ৰথম অধ্যায়ত** নাৰী চেতনাৰ ক্ৰমবিকাশ পাশ্চাত্যত আৰম্ভ হৈ অসমলৈ অহাৰ ধাৰাটো দেখুওৱা হৈছে। পৃথিৱীৰ প্ৰায় সকলো সমাজতে নাৰীসকল যুগে যুগে বঞ্চিতা আৰু শোষিতা হৈ আহিছে। নাৰীয়ে ব্যক্তি হিচাপে প্ৰকৃত মৰ্যাদা লাভ কৰা নাই। পুৰুষ প্ৰধান সমাজ ব্যৱস্থাৰ দ্বাৰা অৱহেলিত নাৰীসকলৰ স্বাভাৱিক বিকাশ আছিল সুদূৰপৰাহত। পদে পদে লাঞ্ছিতা-বঞ্চিতা নাৰীসকলৰ মুক্তিৰ বাবে এটা সময়ত সচেতন হৈ পৰিছিল চিন্তাবিদসকল। তেওঁলোকে উপলব্ধি কৰিছিল যে সমাজৰ এটা গুৰুত্বপূৰ্ণ অংশ নাৰীৰ মুক্তি অবিহনে সমাজৰ বিকাশ অসম্ভৱ। তেওঁলোকে নিজৰ ৰচনাৰ মাজত এই ধাৰণা ব্যক্ত কৰিছিল। কালক্ৰমত এই ধাৰণা এটা মতবাদলৈ ৰূপান্তৰিত হয়। নাৰীমুক্তিৰ এই বাদটো নাৰীবাদ হিচাপে পৰিচিত।

পুৰুষ যেনেকৈ এক সত্বা, সেইদৰে নাৰীও এক সত্বা। পুৰুষৰ সমানুপাতিকভাৱেই নাৰীৰো স্বাভাৱিক বিকাশ হ'বলৈ দিয়া উচিত। নাৰীক অৱদমন কৰাৰ ধাৰণাটো পুৰুষৰ মনৰ পৰা উলিয়াই দিব লাগে। নাৰী পুৰুষৰ অধীন নহয়, নাৰীৰ মনত এক নিজস্বতা আছে, নাৰীবাদীসকলে নাৰী আৰু পুৰুষৰ মাজত কোনোধৰণৰ শাৰীৰিক আৰু মানসিক পাৰ্থক্য মানি নলয়। পৃথিৱীৰ বেছিভাগ সমাজতে নাৰী অৱহেলিত হৈ আছিল যদিও পাশ্চাত্যত নাৰীমুক্তিৰ প্ৰথম চেতনা আৰম্ভ হয়। এইক্ষেত্ৰত পুৰুষৰ কলমতো নাৰীমুক্তিৰ কথা প্ৰকাশ পাইছিল। লাহে লাহে ই এক আন্দোলনলৈ পৰিৱৰ্তন হয়। সময়ৰ লগে লগে বিশ্বৰ আন আন দেশতো এই আন্দোলন বিয়পি পৰে। ই অসমতো প্ৰভাৱ বিস্তাৰ কৰিলে।

প্ৰাচীন ভাৰতৰ বৈদিক স্তৰত কিন্তু নাৰীসকলক যথেষ্ট সন্মানেৰে চোৱা হৈছিল। সেই সময়ত নাৰী পুৰুষৰ সামাজিক কোনোধৰণৰ পাৰ্থক্য নাছিল। শিক্ষা-দীক্ষা, মন্ত্ৰপাঠ কৰা আদি সকলোতে নাৰীৰে আগস্থান আছিল। কিন্তু মনুৰ দিনৰ পৰাই নাৰীৰ সামাজিক স্থিতি লোপ পালে। সমাজত নাৰীৰ স্থান তেতিয়াৰপৰাই নিম্নগামী ৰূপ ল'বলৈ ধৰিলে। নিজস্বতা বুলি নাৰীসকলে একো কথা ক'ব নোৱাৰা হৈ পৰিল। নাৰীৰ বিচাৰ পুৰুষে কৰিবলৈ ল'লে। এই

সমাজবাস্তৱকলৈ লাহে লাহে সাহিত্যৰ সৃষ্টি হ'ল। উপন্যাস সাহিত্যই প্ৰধানভাৱে নাৰী চেতনাৰ বাট মুকলি কৰিলে। পাশ্চাত্যৰ আন্দোলনে ভাৰত আৰু অসমতো প্ৰভাৱ পেলালে। সমাজত লাহে লাহে জাগ্ৰত হোৱা নাৰীভাৱনাৰ আলোচনাই এই অধ্যায়ত নাৰী চেতনাৰ ক্ৰমবিৱৰ্তন দেখুৱাইছে।

**দ্বিতীয় অধ্যায়**ত অসমীয়া সাহিত্যত নাৰী চেতনা বা নাৰী ভাৱনা ৰ উৎস বিচাৰি পোনপ্ৰথমে পুৰণি সাহিত্যত দৃষ্টি নিক্ষেপ কৰি পৰম্পৰাগত অসমীয়া লোকসমাজৰ মৌখিক সাহিত্যৰপৰা লিখিত সাহিত্যৰ বিভিন্ন উৎস আলোচনা কৰা হয়। আধুনিক অসমীয়া সাহিত্যত নাৰী ওপৰত পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাৰ বিভিন্ন ৰূপৰ সমাজবাস্তৱে অধিক পৰিসৰ সামৰিবলৈ সমৰ্থ হয়। যাৰ বাবে অসমীয়া উপন্যাস সাহিত্যৰ দুগৰাকী স্বণামধন্য লেখিকাৰ উপন্যাসে আমাৰ আলোচনা শিৰোনাম দখল কৰিব পাৰিছে। অসমীয়া সমাজজীৱনত স্ত্ৰীশিক্ষাৰ ইতিহাসৰ প্ৰসংগটোও এই অধ্যায়ত আলোচিত হৈছে।

**তৃতীয় অধ্যায়**ত মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ পৰিচয় দাঙি ধৰা হৈছে। অসমীয়া উপন্যাস সাহিত্যলৈ দুয়োগৰাকী ঔপন্যাসিকাৰ অৱদান যথেষ্ট।মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসসমূহৰ সংক্ষিপ্ত পৰিচয়মূলক আলোচনাও অধ্যায়টিত সন্নিৱিষ্ট কৰা হৈছে। মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ বংশৰ চমু আভাস এটা দিবলৈ যত্ন কৰা হৈছে।

**চতুৰ্থ অধ্যায়**ত মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীসত্বা, মুক্তি চেতনাৰ কথা উল্লেখ কৰা হৈছে। নাৰী সামাজিকভাৱে কিমান সুৰক্ষিত, সামাজিক অৱস্থান আদিবোৰ বিশ্লেষণ কৰা হৈছে। দেখা যায় যে এওঁৰ উপন্যাসৰ নাৰীসকল সমাজত সদায়েই অপদস্থ হয়। পুৰুষে অৱদমন কৰা নাৰীসকলৰ দুৰ্দশা দেখিলে চকু সেমেকি উঠে। পুৰুষসকলে নাৰীক কেতিয়াও সমভাৱে নাচায়। বিধৱা ব্ৰাহ্মণ নাৰীৰ সামাজিক অৱস্থান অতি যন্ত্ৰণাদায়ক। সতীদাহ প্ৰথা অনুসৰি যেতিয়া বিধৱা স্ত্ৰীগৰাকীক স্বামীৰ চিতাত আত্মজাহ দিবলৈ কোৱা হয়, তাত নাৰীগৰাকীৰ বিচাৰ ধাৰাক কোনো গুৰুত্ব দিয়া দেখা নাযায়। এওঁৰ উপন্যাসত আত্মহননৰ এক প্ৰতিবাদী সত্বাও আছে। আত্মহনন কৰাটো মানি ল'ব নোৱাৰি। কিন্তু নাৰীগৰাকীৰ মাজত লুকাই থকা প্ৰতিবাদী সত্বাটোক আমি নুই কৰিব নোৱাৰো। সেইদৰে সৰুতেই বিধৱা হোৱাৰ পিছত নাৰীগৰাকীৰ স্বাভাৱিক

দৈহিক কামনাক আওকাণ কৰাটোও সেইখন সমাজৰ নিয়ম। সামাজিক স্থানৰ এই সকলোবোৰ কথা গোস্বামীৰ *নীলকণ্ঠী ব্ৰজ, মামৰে ধৰা তৰোৱাল, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* আৰু *ছিন্নমস্তাৰ মানুহটোত* কাহিনী ভাগৰ বিশ্লেষণ কৰি দেখুওৱাবলৈ যত্ন কৰা হৈছে।

একেদৰে মানুহে সৃষ্টি কৰা ধৰ্মৰ নীতি-নিয়মৰ কাৰণে নাৰীসকলৰ কি বিলাই বিপত্তি হৈছে সেয়া দাঙি ধৰা হৈছে। ভগৱানে ভক্তিৰ পৰিৱৰ্তে জীৱন বলি ল'বলৈ কেতিয়াও কোনো ধৰ্মত, কোনো শাস্ত্ৰত কোৱা নাই। কিন্তু মানুহে নিৰীহ জীৱবোৰকো দেৱীৰ চৰণত বলি দিবলৈ আহে। এই বলি দিবলৈ অনা নিৰীহ প্ৰাণীবোৰৰ লগত লেখিকাই নাৰীসকলৰ সাদৃশ্য বিচাৰি পাইছে। বলি দিবলৈ বান্ধি থৈ দিয়া নিৰীহ ছাগলীটোৰ দৰেই নাৰী এগৰাকীৰো দুই হাত ভৰি বন্ধা, নিজস্ব মত ব্যক্ত কৰা বা নিজ ইচ্ছাক দেখুৱাব নোৱাৰে। সকলো সিদ্ধান্ত পিতৃয়ে ল'ব পাৰে, আনকি বিবাহৰ ক্ষেত্ৰতো পিতৃয়ে ধৰ্মৰ দোহাই দি বৃদ্ধ বয়সৰ এজন লোকলৈ জীয়েকক বিয়া দিব পাৰে। এনেবোৰ সংঘটিত ঘটনাই সমাজত নাৰীক হেঁচা মাৰি ৰাখি প্ৰগতিৰ দ্বাৰ ৰুদ্ধ কৰি ৰাখিছিল। সমাজৰ বাবে ই কেতিয়াও শুভ হ'ব নোৱাৰে। লগতে সমাজৰ অৰ্ধেক বাসিন্দা যিহেতু নাৰী, নাৰীৰ এনে অৱস্থাই সমাজৰ প্ৰগতিও সাধিব নোৱাৰে।

নাৰীৰ অৰ্থনৈতিক অৱস্থানৰ কথা ক'বলৈ হ'লে এইক্ষেত্ৰত নাৰীসকল যেন অপৰাগ। সৰুতে পিতৃৰ, যৌৱনত স্বামীৰ আৰু বৃদ্ধ অৱস্থাত পুত্ৰৰ আশ্ৰয়তে কটাবলগীয়া হয়। অৰ্থনৈতিকভাৱে সবল নোহোৱাৰ কাৰণেই নাৰীসকলৰ সমস্যা আৰু বেছি বাঢ়ি যায়। এই সকলোবোৰ কথা অধ্যায়টোত বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে।

সমাজৰ উন্নতিৰ বাবে নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতা অতিশয় প্ৰয়োজন। স্বাৱলম্বী মহিলাই নিজৰ সংসাৰ আৰু সমাজৰ প্ৰগতিত যথেষ্ট সহায় কৰে। লগতে ইয়াৰ বাবে প্ৰয়োজন নাৰী শিক্ষা। সেয়ে **পঞ্চম অধ্যায়**ত নিৰুপমা বৰগোহাঞিৰ ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ, অন্য জীৱন, মোৰ নাম চম্পাৱতী কাকতি, অভিযাত্ৰী এইকেইখন উপন্যাসত নাৰীৰ সামাজিক অৱস্থান, ৰাজনৈতিক স্থিতি, অৰ্থনৈতিক দিশৰ কথা আলোচনা কৰা হৈছে।

**ষষ্ঠ অধ্যায়**ত মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিৰ উপন্যাসত বিভিন্ন নাৰী চৰিত্ৰসমূহৰ যোগেদি প্ৰতিফলিত হোৱা নাৰী চেতনাক দেখুওৱা হৈছে। অধ্যায়টোত অবিবাহিত নাৰী, বিবাহিত নাৰী, বিবাহ-বিচ্ছেদিতা নাৰী আৰু বিধৱা নাৰী হিচাপে উল্লেখ কৰি নাৰীৰ

মানসিক অৰ্ন্তদ্বন্দ্বক উপস্থাপন কৰা হৈছে। লগতে প্ৰায়বোৰ নাৰী চৰিত্ৰৰে নাৰীমুক্তিৰ বাবে প্ৰতিবাদী কণ্ঠস্বৰ প্ৰত্যক্ষ পৰোক্ষভাৱে লেখিকাই দাঙি ধৰিবলৈ সক্ষম হৈছে।

**সপ্তম অধ্যায়**ত লেখিকা দুগৰাকীৰ উপন্যাসৰ নাৰী চৰিত্ৰৰ প্ৰতিবাদৰ এক তুলনামূলক আলোচনা কৰিবলৈ বিচৰা হৈছে। পৰম্পৰাৰ শিকলি ছিঙি নতুন সমাজ গঢ়িবলৈ বিচৰাটো দুয়োগৰাকী ঔপন্যাসিকাৰ উপন্যাসতে পৰিস্ফুট হৈছে। সেয়ে এওঁলোকৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহ সংস্কাৰমুখী, উদাৰ আৰু প্ৰতিবাদী ৰূপত প্ৰকাশি উঠিছে। সমাজৰ নিম্নবৰ্গীয় নাৰীৰ দুখ বেদনাৰ প্ৰতিফলন দুয়োগৰাকীৰ উপন্যাসতে দেখা যায়। নাৰীৰ মনঃস্তত্ব, নাৰীৰ অধিকাৰৰ কাৰণে প্ৰতিবাদ মামণি ৰয়ছম গোস্বামী আৰু নিৰুপমা বৰগোহাঞিঃ দুয়োগৰাকীৰ চৰিত্ৰ চিত্ৰণতে লক্ষ্য কৰা যায়। নাৰীৰ যৌন সমস্যা তথা কম বয়সতে বিধৱা হোৱা নাৰীৰ চিত্ৰণ মামণি ৰয়ছম গোস্বামীয়ে দেখুৱাইছে। এওঁৰ উপন্যাসৰ নাৰীসকলে গিৰিয়েক মৰাৰ পিছত হোৱা যৌন কামনা স্বাভাৱিক বুলি মানি লৈছে আৰু পৰম্পৰাবাদী সমাজখনে ইয়াক মানি নোলোৱাত আত্মহনন কৰিছে। ই শুদ্ধ পথ নহয় যদিও ইয়াৰ মাজত নাৰীগৰাকীৰ প্ৰতিবাদী সত্বা লুকাই আছে। আনহাতে বৰগোহাঞিৰ উপন্যাসতো নাৰী মনস্তত্ত্ব আৰু সমাজত জীয়াই থকাৰ দায়ত পৰি বেশ্যা হ'বলগা হোৱা ঘটনা অংকিত আছে। নাৰীৰ অধিকাৰ লৈ দুয়োগৰাকী ঔপন্যাসিকাৰ নাৰী চৰিত্ৰই প্ৰতিবাদ সাব্যস্ত কৰিছে। নাৰী চেতনাক হৃদয়ংগম কৰি দুয়োগৰাকী ঔপন্যাসিকাই নাৰীমুক্তিৰ কথা উল্লেখ কৰিছে। উল্লেখযোগ্য যে এওঁলোকৰ এগৰাকীয়েও কিন্তু পুৰুষক বাদ দি নাৰীমুক্তিৰ কথা উল্লেখ কৰা নাই। কাৰণত সমাজ এখন সৃষ্টি হয় ব্যক্তি হিচাপে পুৰুষ-নাৰীৰক সম্পূৰ্ণ সহযোগিতাত। পুৰুষৰ দৰে নাৰীও সমাজৰ এজন ব্যক্তি সত্বা। সেয়েহে সমাজৰ প্ৰকৃত উন্নতি কৰিবলৈ পুৰুষ-নাৰী উভয়কেলৈ সমাজ আগবাঢ়িব লাগিব।

আধুনিক শিক্ষাৰে শিক্ষিত সমাজতো ভালদৰে নিৰীক্ষণ কৰিলে পূৰ্বৰ পৰম্পৰাগত সমাজৰ পুৰুষতান্ত্ৰিক ব্যৱস্থাৰ ৰোগটো সম্পূৰ্ণ নিৰ্মূল হৈছে বুলি ক'ব নোৱাৰি। আধুনিক শিক্ষাৰ পোহৰতো নাৰীৰ নিৰ্যাতন, ধৰ্ষণ, ডাইনী হত্যা আদিৰ দৰে কুসংস্কাৰ, অন্ধবিশ্বাসৰ অন্ত পৰা নাই। দেশৰ বিস্তৃত অনগ্ৰসৰ অঞ্চলত নাৰীৰ শিক্ষাৰ অভাৱত অৰ্থনৈতিক, পাৰিবাৰিক সমস্যাৰপৰা নাৰীসকল সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই। শিক্ষা নহ'লে নাৰী সাহসী আৰু স্বাৱলম্বিতা নাথাকিলে প্ৰতিবাদী হ'ব নোৱাৰে। সেয়েহে সমাজত নাৰী-পুৰুষ সকলো সচেতন আৰু শিক্ষাৰ পোহৰ পোৱা লোকসকল

মিলি নাৰী সমাজক আগবঢ়াবলৈ চেষ্টা কৰিব লাগিব। আমাৰ আলোচ্য বিষয়ৰ পৰিসৰতো দুয়োগৰাকী সমাজ সচেতন লেখিকাই পুৰুষৰ লগত একেলগে হাতত হাত ধৰি নাৰী মুক্তিৰ কথা ভাবিবলৈ লৈছে। দুয়োগৰাকী লেখিকাই প্ৰতিবাদী নাৰী চৰিত্ৰৰ দ্বাৰা শোষকসকলৰ চৰিত্ৰ উদঙাই দিছে।

এনেদৰে আলোচনাৰ অন্তত লক্ষ্য কৰিলে দেখা যায় যে দুয়োগৰাকী লেখিকাৰ স্বকীয় ৰচনাশৈলী বেলেগ বেলেগ হ'লেও বহুক্ষেত্ৰত ভালেমান মিল আছে। নিজৰ নিজৰ ক্ষেত্ৰত দুয়োগৰাকী লেখিকাৰ নিজস্বতা আছে। সৰ্বভাৰতীয় পৰ্যায়তো দুয়োগৰাকীৰ অৱদান লেখতল'বলগীয়া। কিয়নো কেইবাখনো উপন্যাস ইংৰাজী, হিন্দী আৰু অন্যান্য ভাৰতীয় ভাষালৈ অনুবাদ হৈ সৰ্বভাৰতীয় পৰ্যায়ৰ সাহিত্যত স্বীকৃতি লাভ কৰিছে। অসমীয়া সাহিত্যৰ ভঁৰাল এওঁলোকে চহকী কৰি তোলাৰ লগতে অসমীয়া সমাজত নাৰী চেতনা জাগ্ৰত কৰি ভাৰতীয় সমাজ আৰু সাহিত্যলৈকো বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

# গ্ৰন্থপঞ্জী


**অসমীয়া ঃ**

**মুখ্য সমল ঃ**

বৰগোহাঞিং, নিৰুপমা ঃ *উপন্যাস সম্ভাৰ*, জ্যোতি প্ৰকাশন, পাণবজাৰ, প্ৰথম প্ৰকাশ, ২০০১।

ভৰালী, হেমন্ত কুমাৰ (সম্পা.) ঃ *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ*, বনলতা, পাণবজাৰ, প্ৰথম প্ৰকাশ, ২০১১।

**গৌণ সমল ঃ**

কটকী, প্ৰফুল্ল ঃ *স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা,* ১৯৭৯, বীণালাইব্ৰেৰী, গুৱাহাটী, ১৯৭৯।

গগৈ, হৃদয়ানন্দ ঃ *আধুনিকতাৰ সন্ধানত মামণি ৰয়ছম,* ২০০১, জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ।

-------------------- ঃ *নন্দনতত্ত্বঃ প্ৰাচ্য আৰু পাশ্চাত্য,* বাণী প্ৰকাশ, প্ৰাঃ লিঃ, গুৱাহাটী, ২০০০।

গোঁহাই, ৰাণী (সম্পা.) ঃ *হৃদয়ৰ তপস্বিনী*, জ্যোতিপ্ৰকাশন,প্ৰথম প্ৰকাশ, ১৯৯৯।

-------------------- ঃ *অগ্ৰগামিনী,* জ্যোতিপ্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৮।

গোঁহাই,হীৰেন ঃ *উপন্যাসৰ আধুনিক সমালোচনা,* দ্বিতীয় খণ্ড, এল. বি. এচ. পাব্লিকেশ্যন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৮৮।

গোস্বামী, ত্ৰিদিব ঃ *মামণি ৰয়ছম গোস্বামী, জীৱন আৰু কৃতি*, বান্ধৱ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১২।

গোস্বামী, ত্ৰৈলোক্য নাথ ঃ *সাহিত্য আলোচনা,* বাণী প্ৰকাশ প্ৰাঃ লিঃ গুৱাহাটী, ১৯৯৯।

গোস্বামী, বিজয়কৃষ্ণ (সম্পা.) ঃ *শ্ৰীশ্ৰী লক্ষ্মী দেৱীৰ চৰিত্ৰ*, গণেশ প্ৰকাশন, গুৱাহাটী, ১৯৯৪।

গুহ, অণিমা ঃ *তৃতীয় বিশ্ববাসিনীৰ দৃষ্টিত নাৰী আৰু সমাজ*, পুবেৰুণ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০০।

ঠাকুৰ, নগেন (সম্পা.) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*, জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০০।

দত্ত, মনোৰঞ্জন ঃ *পুৰণি অসম* , (জুমৰ পৰা সামন্ততন্ত্ৰলৈ), দীপক কুমাৰ শৰ্মা, প্ৰথম প্ৰকাশ, ১৯৯৭।

-------------------- ঃ *অসমৰ উত্তৰ-মধ্যযুগত অৰ্থনৈতিক উত্তৰণ আৰু সামন্ততান্ত্ৰিক স্খলন*, বাণী মন্দিৰ, স্বপ্না পাবলিচাৰ্চ, প্ৰথম প্ৰকাশ,২০০২।

দত্ত, বিনীতা (সম্পা.) ঃ *অসমীয়া সাহিত্যত নাৰী*, সদৌ অসম লেখিকা সমাৰোহ সমিতি, তেজপুৰ, প্ৰথম প্ৰকাশ, ১৯৯৫।

দাস, পুষ্পলতা ঃ *অগ্নিস্নাতা চন্দ্ৰপ্ৰভা*, নেশ্যনেল বুক ট্ৰাষ্ট, নতুন দিল্লী, পুনৰ মুদ্ৰণ, ২০০২।

দাস, লক্ষহীৰা ঃ *অসমত শিক্ষাৰ অগ্ৰগতি*, ইউনাইটেড দাস পাব্লিচাৰ্চ, প্ৰথম প্ৰকাশ, ১৯৭৮।

দুৱৰা, কল্পিতা (অনু.) ঃ *নাৰী আৰু সামাজিক অবিচাৰ*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, তৃতীয় প্ৰকাশ, ১৯৯৪।

দেৱী, মীৰা ঃ *অসমীয়া উপন্যাসত নাৰীবাদ*, লোকায়ত প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৬।

দেৱী, সন্ধ্যা ঃ *নাৰীঃ বন্ধন আৰু মুক্তি*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, প্ৰথম সংস্কৰণ, ২০০৭।

বৰগোহাঞি, মনোৰমা (সম্পা.) ঃ *অসমীয়া কাব্যত নাৰীকণ্ঠ,* অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ,১৯৯১।

বৰবৰুৱা, হিতেশ্বৰ ঃ *আহোমৰ দিন,* অসম প্ৰকাশন পৰিষদ, প্ৰথম প্ৰকাশ, জুলাই, ১৯৮১।

বৰদলৈ, নৰকান্ত (সম্পা.) ঃ *অসমীয়া সাহিত্য আৰু মহিলা লেখক,* ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৮।

বৰগোহাঞি, হোমেন (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড),* আনন্দৰাম বৰুৱা ভাষা- কলা সংস্কৃতি সন্থা,গুৱাহাটী, ১৯৯৩।

বৰ্মন, শিৱনাথ (সম্পা.) ঃ *অসমীয়া নাৰী ঐতিহ্য আৰু উত্তৰণ,* ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৪।

ভূঞা, নকুলচন্দ্ৰ
মেধি, ৰেণু (সম্পা.) ঃ *ব'হাগী,* লয়াৰ্ছ বুক ষ্টল,১৯৯২।

----------------- ঃ *বুৰঞ্জীৰ পাতত অসমীয়া নাৰী,* কিতাপ ঘৰ, নলবাৰী, প্ৰথম প্ৰকাশ, ১৯৯৫।

মিশ্ৰ, নিৰুপমা (সম্পা.) ঃ *লেখিকাৰ জীৱনী,* চতুৰ্থ খণ্ড, সদৌ অসম লেখিকা সমাৰোহ সমিতি, প্ৰথম প্ৰকাশ, ২০০৪।

শইকীয়া, প্ৰদীপ ঃ *নাৰী যুগে যুগে* । সুদৰ্শন প্ৰকাশ, প্ৰথম প্ৰকাশ,১৯৮৭।

শৰ্মা, উমা ঃ *সমাজ সভ্যতা আৰু নাৰী,* ক্ৰান্তিকাল গোষ্ঠী, নামৰূপ, ১৯৮১।

**ইংৰাজী ঃ**

Aristotle : *On the Art of Poetry*, Oxford University Press, Delhi, 1st published, 1977, 5th Impression.

Baruah, Birinchi Kumar : *History of Assamese Literature*, Sahitya Academy, Delhi, 1964

- - - : *Modern Assamese Literature*, Lawyer's Book Stall, Gauhati 1957.

Baruah, Hem : *Assamese Literature*, National Book Trust, New Delhi,1965

Beauvior, Simande : *The Second Sex* (1949), Pan Books, London, 1988.

Bhattacharjya, Sabyasachi, etc. (ed), : *Development of Women Education, in India 1850-1920*, Kaniska piblication, Distributors, New Delhi-2001.

Charvet, Jhon : *Feminism*, J.M. Dent & Sons, London, 1982.

Frostar, E.M. : *Aspect of the Novel* (1927), Penguin Books, Publican (rpt), 1987.

Fuller, Margaret : *Women in the Nineteenth Century* (1845), Norton Librarys. London, 1971.

Gait, Sir Edward : *A History of Assam*, Lawyers Book Stall, Guwahati, 3rd ed. 1984.

Kapoor, Pramila : *Marriage and the Working Women in India* (1970), Vikash Publication, New Delhi, 1972.

Wellek, Rene and Warren, Austin : *Theory of Literature*, Penguin Book Ltd, Re printed Ed. 1966.

Wollstonecraft, M.A. : *Vindication of the Rights of women* (1972), Penguin Books London, 1975.

**অসমীয়া অভিধান**

নেওগ, মহেশ্বৰ, দেৱশৰ্মা, ৰজনীকান্ত, বৰুৱা নৰকান্ত (সম্পা.) ঃ *আধুনিক অসমীয়া অভিধান*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ষষ্ঠ পূৰ্ণমুদ্ৰণ, ১৯৯১।

নেওগ, মহেশ্বৰ (মুখ্য সম্পা.) ঃ *চন্দ্ৰকান্ত অভিধান*, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী,১৯৮৭ ।

বৰুৱা, হেমচন্দ্ৰ (সম্পা.) ঃ *হেমকোষ*, হেমকোষ প্ৰকাশন, গুৱাহাটী, ত্ৰয়োদশ সংস্কৰণ, ২০০৭।

**অনুবাদ গ্ৰন্থ**

কটকী, প্ৰফুল্ল (অনু.) ঃ *আন্দ্ৰে মৰোৱা, এৰিয়েল*, জ্যোতি প্ৰকাশন, গুৱাহাটী, দ্বিতীয় প্ৰকাশ,২০০১।

ভৰালী, হেমন্ত কুমাৰ (অনু.) ঃ *জেম্‌চ বছৱেল*, লাইফ অব ড° জনছন, বনলতা, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৫।

শ্বাহ, ৰায়হান (অনু.) ঃ *ছেমুৱেল জনছনৰ জীৱনী*, অসম সাহিত্য সভা, যোৰহাট, প্ৰথম প্ৰকাশ, ১৯৭৪ ( সপ্তদশ বছৰ, তৃতীয় সংখ্যা)।

**স্মৃতি গ্ৰন্থ**

পাঠক, প্ৰণীতা দত্ত (সম্পা.) ঃ *পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী জন্ম শত-বাৰ্ষিকী স্মৃতিগ্ৰন্থ*', চন্দ্ৰপ্ৰভা শইকীয়ানী জন্ম শত-বাৰ্ষিকী উদ্‌যাপন সমিতি, পাঠশালা, ২০০১।

পাঠক, ৰণজিৎ আৰু
অন্যান্য (সম্পা.) ঃ *সাহিত্য আৰু সংস্কৃতি*, অসম সাহিত্য সভা ষ্টটত্ৰিংশতম অধিবেশন বৰপেটা,১৯৬৯ ।

শইকীয়ানী, চন্দ্ৰপ্ৰভা (সম্পা.) ঃ *প্ৰাদেশিক মহিলা সমিতিৰ ইতিবৃত্ত*, (স্মৃতিগ্ৰন্থ) গুৱাহাটী,১৯৬০।

**আলোচনী বাতৰি কাকত**

গগৈ হৃদয়ানন্দ (সম্পা.) ঃ *স্বৰ্ণলিপি*, তৃতীয় বৰ্ষ, সংখ্যা-১০ নবেম্বৰ, গুৱাহাটী, ২০১৩।

গোস্বামী, প্ৰকাশ (সম্পা.) ঃ *পত্ৰিকা*, অসম সাহিত্য সভা, ড° মহেশ্বৰ নেওগ, সোঁৱৰণী সংখ্যা দ্বিপঞ্চাশতম বৰ্ষ, প্ৰথম সংখ্যা ১৯৯৬-৯৭।

ডেকা, হৰেকৃষ্ণ (সম্পা.) ঃ *গৰীয়সী*, ষষ্ঠ বছৰ, ষষ্ঠ সংখ্যা, মাৰ্চ,২০০৯।

-----------------( সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, নৱেম্বৰ,২০০৬ (চৰ্তুদশ বছৰ, দ্বিতীয় সংখ্যা)।

-----------------( সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, জুলাই, ২০০৭ (চৰ্তুদশ বছৰ,দশম সংখ্যা)।

-----------------( সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ,আগষ্ট, ২০০৭ (একাদশ বছৰ, দ্বিতীয় সংখ্যা)।

-----------------( সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, মাৰ্চ, ২০০৮ (পঞ্চম বছৰ, ষষ্ঠ সংখ্যা)।

-----------------( সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, মে’, ২০০৮ (পঞ্চম বছৰ, অষ্টম সংখ্যা)।

- - -(সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, ফেব্ৰুৱাৰী,২০০৯ (ষষ্ঠদশ বছৰ,পঞ্চম সংখ্যা)।

পাদুন, নাহেন্দ্ৰ (সম্পা.) ঃ *অসম সাহিত্য সভা পত্ৰিকা*, যোৰহাট ঃ অসম সাহিত্য সভা, অক্টোবৰ-ডিচেম্বৰ, ১৯৮১ (অষ্টত্ৰিংশ বছৰ, তৃতীয় সংখ্যা)।

বৰা, লক্ষ্মীনন্দন (সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, ডিচেম্বৰ, ২০০৯ ( সপ্তদশ বছৰ, তৃতীয় সংখ্যা)।

- - - (সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, জানুৱাৰি ২০১০ ( সপ্তদশ বছৰ, চতুৰ্থ সংখ্যা)।

- - - (সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, আগষ্ট, ২০১১ ( অষ্টাদশ বছৰ, একাদশ সংখ্যা)।

- - - (সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, ছেপ্তেম্বৰ, ২০১১ ( ঊনবিংশ বছৰ, দ্বিতীয় সংখ্যা)।

- - - ( সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, মাৰ্চ, ২০১২ ( ঊনবিংশ বছৰ, ষষ্ঠ সংখ্যা)।

- - - (সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, ডিচেম্বৰ, ২০১২ ( বিংশ বছৰ, তৃতীয় সংখ্যা)।

- - - (সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, মাৰ্চ, ২০১৩ (বিংশ বছৰ, ষষ্ঠ সংখ্যা)।

- - - (সম্পা.) ঃ *গৰীয়সী*, গুৱাহাটী ঃ সাহিত্য প্ৰকাশ, নৱেম্বৰ, ২০১৩ ( একবিংশ বছৰ, দ্বিতীয় সংখ্যা)।

বৰগোহাঞিং, হোমেন (সম্পা.) ঃ *লোকায়ত*, ৰঙালী বিহু সংখ্যা,গুৱাহাটী, ১৯৮২

বৰগোহাঞিং, হোমেন (সম্পা.) ঃ *সূত্ৰধাৰ*, দ্বিতীয় বৰ্ষ দশম সংখ্যা, জুলাই,২০১১।

বৰুৱা, প্ৰদীপ (সম্পা.) ঃ *প্ৰান্তিক*, ২৯ শ বছৰ, ৩য় সংখ্যা,১-১৫ জানুৱাৰী ২০১০।

বৰুৱা, প্ৰদীপ (সম্পা.) ঃ *প্ৰান্তিক*, ৩২ শ বছৰ, ৮ম সংখ্যা,১৬-৩১ মাৰ্চ,২০১৩।

বৰুৱা, সোণাৰাম (সম্পা.) ঃ *ৰংপুৰ ৰংপুৰ*, অসম সাহিত্য সভা, ৯ তম অধিৱেশন, শিৱসাগৰ।

বৰ্মন, হেমন্ত ঃ *শ্ৰীময়ী*, ৩ য় বছৰ, ষষ্ঠ, সপ্তম, অষ্টম সংখ্যা, গুৱাহাটী,১৯৮৯

বৰ্মন, হেমন্ত ঃ *শ্ৰীময়ী*, ৪ৰ্থ বছৰ,২২শ সংখ্যা,১৬ জুন,গুৱাহাটী,১৯৯১,

শৰ্মা, উমাকান্ত (সম্পা.) ঃ *নৱদূত*, গুৱাহাটী, ১ম বছৰ, ১২শ আৰু ১৪শ সংখ্যা,১৯৮৫।

শৰ্মা, দাদুলমণি (সম্পা.) ঃ *ডেউকা*, জুন, গুৱাহাটী, ১৯৯৩

বৰগোহাঞিং, হোমেন (সম্পা.) ঃ *আমাৰ অসম*, পঞ্চদশ বছৰ, ৮মে',গুৱাহাটী, ২০১১

- - - (সম্পা.ঃ ঃ *আমাৰ অসম*, ষষ্ঠদশ বছৰ, সংখ্যা ২৪৩,' ২০১২।

| | | |
|---|---|---|
| - - - (সম্পা.) | ঃ | *আমাৰ অসম*। ষষ্ঠদশ বছৰ, সংখ্যা ২২৪, ১৭ মাৰ্চ' ২০১৩। |
| - - - (সম্পা.) | ঃ | *আমাৰ অসম,* সপ্তদশ বছৰ, সংখ্যা ১৩, ৩ মে' ২০১৩। |
| বৰা, নিত্য (সম্পা.) | ঃ | *অসমীয়া প্ৰতিদিন,* ১০ ম বছৰ, সংখ্যা ১৯৩, ১৫ মে' ২০১৩। |
| লস্কৰ, শংকৰ (সম্পা.) | ঃ | *অসমীয়া খবৰ,* গুৱাহাটী সংস্কৰণ, ১৬ মাৰ্চ' ২০১০। |
| লস্কৰ, শংকৰ (সম্পা.) | ঃ | *অসমীয়া খবৰ,* গুৱাহাটী সংস্কৰণ, ২১ মাৰ্চ' ২০১০। |
| হুছেইন, হাইদৰ (সম্পা.) | ঃ | *অসমীয়া প্ৰতিদিন,* গুৱাহাটী সংস্কৰণ,১৩ মাৰ্চ' ২০১০। |

**বিশেষ সহায়ক নিবন্ধপঞ্জী**

| | | |
|---|---|---|
| ডেকা, নমিতা | ঃ | *পদ্মাৱতী দেৱী ফুকননীৰ সাহিত্যিক অৱদান,* গৰীয়সী ৪ৰ্থ বছৰ তৃতীয় সংখ্যা ডিচেম্বৰ,১৯৯৬। |
| ফুকন, বন্দিতা | ঃ | *বৰপেটা কীৰ্তন ঘৰ আৰু নাৰী,* প্ৰান্তিক ফেব্ৰুৱাৰী, ১৯৮৮। |
| বৰা, ৰত্নেশ্বৰ | ঃ | *বৈদিক যুগৰ নাৰীৰ কাব্য প্ৰতিভা*। আমাৰ অসম। |
| বৰুৱা, অজিত | ঃ | *ঊনবিংশ শতিকাৰ এগৰাকী অখ্যাত নাৰী,* ৰঙিলা মাষ্টৰণী, আমাৰ অসম, ২৯ জুলাই,২০০১। |
| মালিনী | ঃ | *ধৰ্মশাস্ত্ৰ,* মনু আৰু নাৰীবাদ। গৰীয়সী তৃতীয় বছৰ ৭ম সংখ্যা, এপ্ৰিল, ১৯৯৬। |

ৰাজখোৱা, অমল : *ঊনবিংশ শতিকাৰ অসমীয়া উপন্যাস কুসুম কুমাৰী*। প্ৰান্তিক ২০ শ বছৰ ১৪ শ সংখ্যা, ২০০৫।

## পৰিশিষ্ট-১

মামণি ৰয়ছম গোস্বামী উপন্যাসত নাৰীচেতনা প্ৰকাশিত কিছুমান শক্তিশালী সংলাপঃ

১) "ধাচলাৰ বেমাৰ সময়ত মই নিমখৰ বস্তাৰ দৰে পেটটো লৈ ঘূৰি ফুৰোঁতে তহঁতে মোক এটা পইছা দি সহায় কৰিছিলিনে? এতিয়া ধৰ্মঘট কৰি তহঁতে পেটৰ ভাত মুঠি কাঢ়ি লোৱা নাইনে ছালাহঁত?" (মামৰে ধৰা তৰোৱাল )

২) "মোৰ গোটেই জীৱনটো মই এনেদৰে আনৰ দয়া পৰৱশ হৈ কটাব নোৱাৰো — মই মহীয়সী নহও যে তোমালোকৰ দৰে জনকল্যাণমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন। মই কাকো ভয় নকৰো। তোমালোকে যদি মই সলনি হোৱা বুলি ভাবিছা তেনেহ'লে ...।" (নীলকণ্ঠী ব্ৰজ)

৩) "মোৰ আৰু কোনো উপায় নাছিল। কিন্তু আলমগড়ীয়ে মোৰ একো অনিষ্ঠ কৰা নাই। 'যুগল উপাসনা'ৰ নামত ব্ৰজৰ এনেকৈ অনেক মহিলা আছে— পৃথিৱীত যাৰ কোনো নাই, অন্ধকাৰ ভৱিষ্যতৰ ভয়ত যিবোৰ পেঁপুৱা লাগি আছে। এইবোৰ কথা আপোনালোকে একো নুবুজিব। এইবোৰ ভুক্তভোগীয়েহে জানে।" ( নীলকণ্ঠী ব্ৰজ)

৪) "মই মনেদি শৰীৰেদি বঙৰাৰ গঁহাই মোৰ স্বামীক বান্ধি ৰাখিব পৰা নাছিলো। কওচুন চাহাব, শৰীৰৰ এনে আৱশ্যক না? ইয়াৰ এমানেই শক্তি না যে চব কিছু তুচ্ছ হৈ যায়?..." (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা)

৫) "তুমি এক লাখ বাৰ ক'লেও মই সেই শাস্ত্ৰ নপঢ়ো। যি শাস্ত্ৰই তেজক লৈ খেলা কৰে সেই শাস্ত্ৰ মই নপঢ়ো। যি শাস্ত্ৰই জীৱক যন্ত্ৰণা দিয়ে সেই শাস্ত্ৰ মই নপঢ়ো।"
(ছিন্নমস্তাৰ মানুহটো)

৬) "ঢেঁখালৰ কাষৰ তেনেই পুৰণা কোঠা এটাত মহীধৰ বাপু শুই আছে। ওলমি থকা শিকিয়া এখনত চাকি এটা জ্বলি আছে। পেশীবহুল, সুন্দৰ শৰীৰ মহীধৰ বাপুৰ। চাকিৰ

ক্ষীণ পোহৰত গোঁসানীয়ে দেখিলে বাপুৰ বুকুৰ নোমবোৰ জিলিকি আছে যেন জগলীয়াৰ পানীৰে কোনোবাই নিকাকৈ ধুই থৈছে তেওঁৰ বুকুৰখন। কিয় উঠি নাহে বাপু? ... এবাৰ উঠি কিয় তেওঁ নকয়? মহীধৰ বাপুৰ শৰীৰ জগলীয়াৰ গড়াৰ কোমল মাটিৰ দৰে। চুই চাবৰ মন যায় সেই মাটি।।" (দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা)

৭) "খৰমযৰা বুকুত লৈ তাই চালপীৰাক গেলি আহিছিল। আহ্ বুকুৰপেৰে খহি ভৰিৰ অচৰত জোঁট-পোট খাই থাকা গাতালা, স্তনৰ ওপাৰত খৰম ...।" (দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা)

৮) "মই নাযাও। ... তাতে যাৰা আৰু চচানক যাৰা একে কথা। মই জীয়াই জীয়াই গাৰাত সুমবা নৰু চাহাব।" (দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা)

## পৰিশিষ্ট-২

নিৰুপমা বৰগোঁহাঞিৰ উপন্যাসত নাৰীচেতনা প্ৰকাশিত কিছুমান শক্তিশালী সংলাপঃ

১) "যি নাৰীমুক্তিৰ এজন হোতা, যি নাৰী পুৰুষৰ সমান অধিকাৰত বিশ্বাসী, আচৰিত সঁচাযে— সেই তোমাৰ কথাতো পুৰুষৰ অহংভাবৰ প্ৰতিধ্বনি ... ।" (মোৰ নাম চম্পাৰতী কাকতি)

২) "... আপুনি অতি ঠিক কথা কৈছে— মহিলাসকলে যদি ভাত ৰান্ধিব লাগে, পুৰুষসকলে খৰি নেফালিব কিয়? অতি যুক্তিপূৰ্ণ প্ৰত্যাহ্বান ৰক্ষণশীল পুৰুষ সমাজৰতো গাজত লাগিবই। কিন্তু আমি তেওঁলোকৰ সকলো ন্যায়-অন্যায় হুকুমকে সদায় বিনা প্ৰতিবাদে নীৰৱে নতশিৰে মানি লৈ আঁহিছোঁ বাবেইতো তেওঁলোক আমাৰ ওপৰত উঠি ৰজা বহি ৰজা হৈ চলি আহিছে।..." (অভিযাত্ৰী)

৩) "ভগৱানে মুনিহ তিৰোতাক বেলেগ বেলেগ ধৰণে সৃষ্টি কৰিছিল তেওঁৰ সেই সৃষ্টি কাৰ্য অনন্ত কাল স্থায়ী হোৱাৰ বাবে, কিন্তু তাৰদ্বাৰা তেওঁ কেতিয়াও কাকো সৰু ডাঙৰ কৰা নাছিল। আপোনালোক মতা মানুহবোৰেহে সুবিধা বুজি সমাজৰ মুখিয়ালহৈ বহি লৈ তিৰোতাক শলঠেকত পেলাই আপোনালোকৰ সমানে বিকাশ লাভ কৰাৰ সুযোগ নিদি এই হীন অৱস্থাত পেলাই ৰাখিছে।" (অভিযাত্ৰী)

৪) "আই, মোক সেইবোৰ মতা-তিৰোতাৰ প্ৰভেদৰ কথা কৈ একো লাভ নাই জানাই। মতাই কৰিব পৰা কাম তিৰোতাই কৰিব নোৱাৰে বুলি কোনো শাস্ত্ৰত লেখা নাই। মই বেপাৰ কৰিব পাৰোঁনে নাই তই চাই থাকিবি।" (অভিযাত্ৰী)

৫) "ল'ৰাৰ যেনেকৈ ছোৱালীৰ সকলো আঁতিগুৰি জনাৰ অধিকাৰ আছে, ছোৱালীৰো তেনেকৈ ল'ৰাৰ সেই সকলোবোৰ জনাৰ (অধিকাৰ আছে।"

৬) “আচলতে কি জানা নবৌ, আমাৰ মানুহৰ পূৰ্বপুৰষানুক্ৰমে এইটোৱে মজ্জাগত ধাৰণা হৈ আহিছে যে তিৰোতা মানুহ হ'লে মতা মানুহৰ এনেধৰণৰ প্ৰভুত্ব সহ্য কৰিবই লাগিব, এইটো যেন মতা মানুহবোৰৰ জন্মস্বত্ব অধিকাৰ।” (অন্য জীৱন )

৭) “... নাৰীক কৰুণাৰ প্ৰতিমূৰ্তি হিচাপে দেৱীৰ বেদীত বহুৱাই সুখ-সুবিধা-সম্ভোগৰ পৰা নিষ্কণ্টক কৰা পুৰুষৰ এটা কৌশল। এইদৰেই পুৰুষৰ দ্বাৰ নাৰীক ‘ব্ৰেইন ওয়াশ্বড্ কৰা হৈছে।” (অন্য জীৱন)

৮) “নবৌ, মই আজিকালি তেওঁলোকক ঠিক দোষাৰোপ কৰিব নোৱাৰো। আমাৰ এই পচা ঘূণে ধৰা সমাজখনতো তেওঁলোক একো একোটা ফচল। গতিকে এই সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন নোহোৱালৈকে আমাৰ পুৰুষপ্ৰধান সমাজখনৰ পুৰুষৰ দৃষ্টিভংগীৰে সলনি নহয়। সেয়ে এতিয়া মই বোমাটো মূল কেৰোণটোৰ বিৰুদ্ধে জঁজিবলৈহে সুমজ্জিত কৰিব ধৰিছো আৰু সেই যুদ্ধ আমি পুৰুষৰ লগত একেলগেহে কৰো।” (অন্য জীৱন )

৯) “ উপদেশ আৰু উপদেশ আজিকালি তোমাৰ মুখত উপদেশৰ বাহিৰে আৰু আন কথাই নাই। কিন্তু মই ইমান বুৰ্বক নহও বুজিছা, পুৰুষ জাতিটোৱে সদায় এনেকৈ ডাঙৰ ডাঙৰ কথা কৈ, আদৰ্শৰ দোহাই দি তিৰোতাবোৰক ভৰিৰ তলত ৰাখি আহিছে, ঘৰৰ মহৎ আদৰ্শৰ ছবি দাঙি ধৰি চাৰিবেৰৰ মাজত বন্দী কৰি থৈছে। (অন্তঃস্ৰোতা)

১০) “হিষ্ট্ৰি! হিষ্ট্ৰি! কিন্তু এই হিষ্ট্ৰি থাকে কেৱল মাইকী মানুহৰহে, পুৰুষ মানুহৰ নাথাকে। এই পটেশ্বৰীৰ দৰেই তাইৰ চহৰৰ থকা সুন্দৰী ৰেখাদিৰো হিষ্ট্ৰি আছে, কিন্তু ৰেখাদিৰ সৰ্বনাশ কৰা মানুহজনৰ হ'লে কোনো হিষ্ট্ৰি নাথাকিল, তেওঁৰ সুখৰ সংসাৰখন কোনো হিষ্ট্ৰিয়ে ধ্বংস কৰিব নোৱাৰিলে। কিন্তু ৰেখাদিৰখন কৰিলে।” (ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ)